আধুনিক
শিক্ষাত নতুন চিন্তাধাৰা

[গুৱাহাটী বিশ্ববিদ্যালয়ৰ
স্নাতক মহলাৰ পঞ্চম কাকত অনুসৰি ৰচিত]

DIRECTOR ... ASSAM

শ্ৰীযতীন বৰুৱা, এম, এ
অধ্যাপক, সন্দিকৈ কলেজ
গুৱাহাটী

লয়াৰ্ছ বুক ষ্টল
গুৱাহাটী • অসম

আধুনিক শিক্ষাত নতুন চিন্তাধাৰা

শ্ৰীযতীন বৰুৱা

প্ৰকাশক
শ্ৰীখগেন্দ্ৰনাৰায়ণ দত্তবৰুৱা
লয়াৰ্ছ বুক ষ্টল
পানবজাৰ : গুৱাহাটী-১

প্ৰথম প্ৰকাশ
১৯৮৯ চন, চেপ্তেম্বৰ

মূল্য—৪৫.০০ টকা

ছপাওতা
বিচিত্ৰনাৰায়ণ প্ৰিণ্টিং প্ৰেছ
আম্বাৰী, গুৱাহাটী-১

"প্ৰকৃত শিক্ষাই অন্তৰ্দৃষ্টি গভীৰ কৰাত, মনৰ দিগন্ত প্ৰসাৰিত কৰাত আৰু এক অৰ্থপূৰ্ণ দৃষ্টিভংগী গঢ়ি তোলাত সহায় কৰা উচিত।"

—ড° সৰ্বপল্লী ৰাধাকৃষ্ণ

DIRECTOR, LIBRARY SERVICES * ASSAM GUWAHATI *

প্ৰস্তাৱ

এই গ্ৰন্থখন শিক্ষা বিভাগৰ স্নাতক মহলাৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰস্তুত পাঠ্যক্ৰম অনুসৰি ৰচনা কৰা হৈছে. ছাত্ৰ-ছাত্ৰীসকলে যাতে আধুনিক শিক্ষাৰ নতুন দৃষ্টিকোণ আৰু চিন্তাধাৰাৰ লগত কিছু বহল ভাৱে পৰিচিত হ'ব পাৰে আৰু এনে চিন্তাধাৰাত নিজৰ চিন্তাৰো কিছু সুবিধা আৰু প্ৰেৰণা লাভ কৰিব পাৰে তাৰ প্ৰতি দৃষ্টি ৰখা হৈছে। ইয়াৰ উপৰি পৰীক্ষাৰ বাবে প্ৰয়োজন হোৱা সম্ভাব্য প্ৰশ্নৰ উত্তোৰো যাতে ইয়াৰ পৰা নিজেই বিচাৰি পাব পাৰে তাৰ প্ৰতিও মনোনিবেশ কৰা হৈছে। বিষয়-শিক্ষকসকলে শ্ৰেণীত বিষয়-বস্তু উপস্থাপনতো যাতে প্ৰণালীবদ্ধ ভাৱে সুবিধাজনক হয় আৰু প্ৰয়োজনীয় উপাদানসমূহ যথাসম্ভৱ সামৰি লোৱা বিধৰ হৈ উঠে তালৈকো লক্ষ্য ৰখা হৈছে। বিষয়বস্তুৰ অনুৰাগী আৰু আধুনিক শিক্ষাৰ নতুন চিন্তাধাৰাৰ লগত পৰিচিত হ'বলৈ বিচৰা অনুসন্ধিৎসু সাধাৰণ পাঠকসকলেও এই গ্ৰন্থখনৰ পৰা নিজ প্ৰয়োজন কিছু পৰিমাণে হ'লেও পূৰণ কৰিব পাৰিব বুলি আশা ৰাখিছো।

অৱশ্যে এই সকলো আশা আৰু উদ্দেশ্য এই গ্ৰন্থখনৰ যোগে কি পৰিমাণে পূৰণ কৰিব পৰা হৈছে তাৰ বিচাৰ ছাত্ৰ-শিক্ষক-পাঠকসকলে নিশ্চয় কৰিব। তেওঁলোকৰ প্ৰয়োজন আংশিক ভাৱে হ'লেও পূৰণ হোৱা যেন দেখিলে আমাৰ চেষ্টা সাৰ্থক হোৱা বুলি ভাবিম। এই সকলোৰে শুভেচ্ছা কামনা কৰিলো আৰু নিজ সীমাবদ্ধতাৰ বাবে হোৱা ইয়াৰ অপ্ৰত্যাশিত ভুল-ভ্ৰান্তি শুধৰণীৰ বাবে প্ৰয়োজনীয় পৰামৰ্শ বিচাৰিলো। লয়াৰ্ছ বুক ষ্টলৰ কৰ্তৃপক্ষ শ্ৰীযুত খগেন্দ্ৰ নাৰায়ণ দত্তবৰুৱা আৰু তেখেতৰ ছপাশালৰ কৰ্মীবৃন্দ মোৰ বিশেষ প্ৰশংসাৰ পাত্ৰ।

দন্দিকৈ কলেজ, গুৱাহাটী
২৭ চেপ্তেম্বৰ, ১৭৮৯ চন।

শ্ৰীযতীন বৰুৱা

লেখকৰ প্ৰকাশিত অন্যান্য গ্ৰন্থসমূহ :

(১) প্ৰাৰম্ভিক শিক্ষাতত্ত্ব (প্ৰাক-বিশ্ববিদ্যালয় বাবে)

(২) প্ৰাৰম্ভিক শিক্ষাতত্ত্ব আৰু বুৰঞ্জী
(উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ বাবে)

(৩) প্ৰাৰম্ভিক শিক্ষা-মনোবিজ্ঞান আৰু পৰিসংখ্যা
(উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ বাবে)

(৪) শিক্ষা-মনোবিজ্ঞান (স্নাতক মহলাৰ বাবে)

: সূচী-পত্ৰ :

প্ৰথম অধ্যায় : ব্যক্তি-পাৰ্থক্য আৰু শৈক্ষিক নিৰ্দেশনা [১—৩০]
ব্যক্তি-পাৰ্থক্যৰ প্ৰশ্ন ১, ব্যক্তি-পাৰ্থক্যৰ বিভিন্ন দিশ ২, ব্যক্তি-পাৰ্থক্যৰ কাৰণ ৪, বংশগত প্ৰভাৱ ৪, পৰিৱেশীয় প্ৰভাৱ ৭, ব্যক্তি-পাৰ্থক্য অধ্যয়নৰ চমু ইতিহাস ১০, শিক্ষাত ব্যক্তি-পাৰ্থক্য অধ্যয়নৰ প্ৰয়োজনীয়তা ১৪, শৈক্ষিক নিৰ্দেশনা ১৭, নিৰ্দেশনাৰ অৰ্থ ১৮, নিৰ্দেশনা আৰু পৰামৰ্শদান ২০, শৈক্ষিক নিৰ্দেশনা কাক বোলে ২২, শিক্ষা-ক্ষেত্ৰত নিৰ্দেশনাৰ প্ৰয়োজনীয়তা ২৩, অনুশীলন ২৯, প্ৰসংগ গ্ৰন্থসমূহ ৩০ ।

দ্বিতীয় অধ্যায় : শিক্ষাত শ্ৰৱন-দৰ্শন সঁজুলি [৩১—৪৬]
শ্ৰৱন-দৰ্শন সঁজুলিৰ অৰ্থ ৩১, শ্ৰৱন-দৰ্শন সঁজুলি আৰু শিক্ষকৰ ভূমিকা ৩২, শিক্ষাত শ্ৰৱন-দৰ্শন সঁজুলি প্ৰয়োগৰ প্ৰয়োজনীয়তা ৩৩, শ্ৰৱন-দৰ্শন সঁজুলিৰ বিভিন্ন প্ৰকাৰ ৩৫, শ্ৰৱন-দৰ্শন সঁজুলিবোৰ প্ৰয়োগৰ নীতিসমূহ ৪২, আমাৰ দেশৰ স্কুলবোৰত শিক্ষা সা-সঁজুলি প্ৰয়োগৰ সম্ভাৱনীয়তা ৪৪, অনুশীলন ৪৫, প্ৰসংগ গ্ৰন্থসমূহ ৪৬ ।

তৃতীয় অধ্যায় : জীৱন-ব্যাপী শিক্ষা [৪৭—৫৯]
ইয়াৰ ধাৰণা ৪৭, জীৱন-ব্যাপী শিক্ষাৰ দৰ্শন ৪৮, জীৱন-ব্যাপী শিক্ষাৰ বৈশিষ্ট্য ৪৯ এই শিক্ষাৰ প্ৰয়োজনীয়তা ৫০, জীৱন-ব্যাপী শিক্ষাৰ অধ্যয়নৰ উপাদানসমূহ ৫৩, জীৱন-ব্যাপী শিক্ষা কিদৰে দিব পাৰি ৫৭, অনুশীলন ৫৮, প্ৰসংগ গ্ৰন্থসমূহ ৫৯ ।

চতুৰ্থ অধ্যায় ঃ অৱসৰ সময়ৰ শিক্ষা [৬০—৭৭]

অৱসৰ সময়ৰ শিক্ষা বুলিলে কি বুজো ৬০, অৱসৰ সময়ৰ চিন্তা-দৰ্শন ৬১, বৰ্তমান সময়ত আজৰি সময়ৰ সমস্যা ৬২, আজৰি সময়ৰ শিক্ষাৰ প্ৰয়োজনীয়তা ৬৫, অৱসৰ সময়ৰ শিক্ষাৰ লক্ষ্য উদ্দেশ্যসমূহ ৬৭, অৱসৰ সময়ৰ শিক্ষা কিদৰে দিব পাৰি ৬৯, স্কুলত অৱসৰ সময়ৰ শিক্ষা ব্যৱস্থা ৬৯, সমাজত অৱসৰ সময়ৰ শিক্ষা ৭৪, অনুশীলন ৭৬, প্ৰসংগ গ্ৰন্থসমূহ ৭৭।

পঞ্চম অধ্যায় ঃ শিল্পকেন্দ্ৰিক শিক্ষা [৭৮—৯৮]

শিল্পকেন্দ্ৰিক শিক্ষাৰ অৰ্থ ৭৮, ইয়াৰ দাৰ্শনিক ভিত্তি ৭৯, শিল্পকেন্দ্ৰিক শিক্ষাৰ সাধাৰণ বৈশিষ্ট্য ৮০, হস্ত-শিল্পৰ যোগেদি সহ-সম্বন্ধ স্থাপনৰ মৌলিক ধাৰণা ৮১, ঐতিহাসিক পটভূমি ৮২, শিল্পকেন্দ্ৰিক শিক্ষাৰ সবল নীতিসমূহ ৮৪, এই পদ্ধতিৰ প্ৰধান দুৰ্বলতাসমূহ ৮৭, শিল্পকেন্দ্ৰিক শিক্ষাৰ পাঠ্যক্ৰম ৯১, শিল্পকেন্দ্ৰিক শিক্ষাই আমাৰ দেশত কিয় কৃতকাৰ্য্যতা লাভ কৰিব নোৱাৰিলে ৯২, শিল্পকেন্দ্ৰিক শিক্ষাৰ ভৱিষ্যত ৯৫, অনুশীলন ৯৭, প্ৰসংগ গ্ৰন্থসমূহ ৯৮।

ষষ্ঠ অধ্যায় ঃ কৰ্ম-অভিজ্ঞতা আৰু সামাজিকভাৱে উপযোগী উৎপাদনমূলক ক্ৰিয়া [৯৯—১২৫]

কৰ্ম-অভিজ্ঞতাৰ ধাৰণা ৯৯, ইয়াৰ সাংগঠনিক বৈশিষ্ট্য ১০১, বৰ্তমানৰ শিক্ষাত কৰ্ম-অভিজ্ঞতাৰ প্ৰয়োজনীয়তা ১০২, কৰ্ম-অভিজ্ঞতাৰ লক্ষ্য উদ্দেশ্য ১০৫, আমাৰ জাতীয় শিক্ষাত কৰ্ম-অভিজ্ঞতাৰ ধাৰণাৰ ক্ৰমবিকাশ ১০৬, কৰ্ম-অভিজ্ঞতাৰ বিষয়বস্তু ১০৯, ইয়াৰ কেতবোৰ দুৰ্বলতা ১১২, কৰ্ম-অভিজ্ঞতা কাৰ্য্যকৰীকৰণৰ কেতবোৰ পৰামৰ্শ ১১৪,

সামাজিকভাবে উপযোগী উৎপাদনমূলক ক্রিয়া : ইয়াৰ ঐতিহাসিক পটভূমি ১১৫, SUPWৰ মূল ধাৰণা ১১৬, কৰ্ম-অভিজ্ঞতা আৰু SUPWৰ মাজত পাৰ্থক্য ১১৭, সামাজিকভাবে উপযোগী উৎপাদনমূলক ক্রিয়াৰ লক্ষ্য উদ্দেশ্য ১১৮, ইয়াৰ বিভিন্ন ক্রিয়া আঁচনি ১১৯, SUPWৰ ক্ষেত্ৰৰ প্ৰশংসনীয় দিশ ১২১, অনুশীলন ১২৪, প্ৰসংগ গ্ৰন্থসমূহ ১২৫ ।

সপ্তম অধ্যায় : পৰীক্ষা আৰু ইয়াৰ সংস্কাৰ সাধন [১২৬—১৬৯]

পৰীক্ষাৰ প্ৰয়োজনীয়তা ১২৬, ৰচনাত্মক পৰীক্ষা ১২৮, ৰচনাত্মক পৰীক্ষাৰ শক্তিশালী দিশ ১২৯, ইয়াৰ প্ৰধান দুৰ্বলতা ১৩২, ৰচনাত্মক পৰীক্ষাৰ আৱশ্যকীয় সংস্কাৰ সাধন ১৩৫, বস্তুনিষ্ঠ পৰীক্ষা ১৩৯, বস্তুনিষ্ঠ পৰীক্ষাৰ বিভিন্ন প্ৰকাৰ ১৪০, ইয়াৰ সবলতা ১৪৮, ইয়াৰ দুৰ্বলতা ১৫০, প্ৰচলিত পৰীক্ষা ব্যৱস্থাৰ ক্ষেত্ৰৰ গুৰুতৰ অভিযোগ ১৫৩, পৰীক্ষা ব্যৱস্থাৰ সংস্কাৰ সাধন ১৫৬, অনুশীলন ১৬৫, প্ৰসংগ গ্ৰন্থসমূহ ১৬৭ ।

অষ্টম অধ্যায় : ডল্টন আঁচনি [১৬৮—১৮৭]

পৰিচিতি ১৬৮, ডল্টন আঁচনিৰ স্বৰূপ ১৬৯, ডল্টন আঁচনিৰ শৈক্ষিক নীতিসমূহ ১৭১, এই আঁচনিৰ বিভিন্ন ক্রিয়া-কলাপ ১৭৩, ডল্টন আৰু সাধাৰণ মাধ্যমিক স্কুলৰ মাজত পাৰ্থক্য ১৭৬, এই আঁচনিত শিক্ষকৰ ভূমিকা ১৭৮, ডল্টন আঁচনিৰ সফলতা আৰু বিফলতা ১৭৯, ভাৰতীয় শিক্ষাত এই আঁচনিখনৰ কাৰ্য্যকাৰিতা ১৮৪, অনুশীলন ১৮৬, প্ৰসংগ গ্ৰন্থসমূহ ১৮৭ ।

নৱম অধ্যায় : প্ৰকল্প পদ্ধতি [১৮৮—২১৪]

ধাৰণাৰ উৎপত্তি ১৮৮, প্ৰকল্প পদ্ধতি কাক বোলে ১৯০,

ইয়াৰ দাৰ্শনিক ভিত্তি ১৯১, প্ৰকল্প পদ্ধতিৰ শৈক্ষিক নীতিসমূহ ১৯২, প্ৰকল্পৰ বিভিন্ন প্ৰকাৰ ১৯৪, বিভিন্ন ভিন্ন ক্ৰিয়া পৰ্য্যায় ১৯৬, এটা ভাল প্ৰকল্পৰ প্ৰয়োজনীয় গুণসমূহ ১৯৮, প্ৰকল্প পদ্ধতিত শিক্ষকৰ ভূমিকা ২০০, ডল্টন আঁচনি আৰু প্ৰকল্প পদ্ধতিৰ তুলনা ২০২, প্ৰকল্প পদ্ধতিৰ সবলতা আৰু দুৰ্বলতা ২০৪, প্ৰকল্প পদ্ধতি আৰু শিল্পকেন্দ্ৰিক শিক্ষা পদ্ধতিৰ তুলনা ২১০, ভাৰতীয় শিক্ষাত প্ৰকল্প পদ্ধতিৰ প্ৰয়োগিকতা ২১২, অনুশীলন ২১৩, প্ৰসংগ গ্ৰন্থসমূহ ২১৪।

দশম অধ্যায় ঃ খেলা পদ্ধতি [২১৬—২৩৫]

খেলাৰ অৰ্থ ২১৬, খেলাৰ মূল বৈশিষ্ট্যসমূহ ২১৭, খেলা-প্ৰৱন পদ্ধতি কাক বোলে ২১৮, খেলা-প্ৰৱন পদ্ধতিৰ শৈক্ষিক নীতিসমূহ ২২০, খেলা-প্ৰৱনতাৰ বিভিন্ন পদ্ধতি-সমূহ ২২২, এই পদ্ধতিৰ সবলতা আৰু দুৰ্বলতা ২৩০, খেলা-প্ৰৱনতাক শিশু-শিক্ষাৰ নৱম নীতি বুলিব পাৰিনে ২৩২, অনুশীলন ২৩৪, প্ৰসংগ গ্ৰন্থসমূহ ২৩৫।

একাদশ অধ্যায় ঃ আচৰণবাদ [২৩৬—২৫৩]

পূৰ্বাভাস ২৩৬, আচৰণবাদ ধাৰণাৰ উৎপত্তি ২৩৭, আচৰণবাদ বুলিলে কি বুজা ২৩৯, আচৰণবাদৰ প্ৰধান দৃষ্টিকোণসমূহ ২৪০, আচৰণবাদৰ সমালোচনা ২৪৬, আধুনিক শিক্ষা ক্ষেত্ৰলৈ ইয়াৰ অৱদান ২৪৯, অনুশীলন ২৫২, প্ৰসংগ গ্ৰন্থসমূহ ২৫৩।

দ্বাদশ অধ্যায় ঃ সামগ্ৰিকতাবাদ [২৫৪—২৬৯]

ইয়াৰ উৎপত্তি ২৫৪, সামগ্ৰিকতাবাদৰ অৰ্থ ২৫৫, সামগ্ৰিকতাবাদৰ মূল দৃষ্টিকোণসমূহ ২৫৭, ইয়াৰ এটি সমালোচনা ২৬১, শিক্ষাৰ ওপৰত সামগ্ৰিকতাবাদৰ প্ৰভাৱ ২৬৪, অনুশীলন ২৬৮, প্ৰসংগ গ্ৰন্থসমূহ ২৬৯।

ত্ৰয়োদশ অধ্যায় : মনোবিশ্লেষণ [২৭০—২৯২

পৰিচিতি ২৭০, মনোবিশ্লেষণৰ মৌলিক ধাৰণাৰ উৎপত্তি ২৭১, মনোবিশ্লেষণ কাক বোলে ২৭৩, ইয়াৰ বিভিন্ন দৃষ্টিকোণসমূহ ২৭৫, মনোবিশ্লেষণৰ সমালোচনা ২৮৩, আধুনিক শিক্ষাত মনোবিশ্লেষণৰ প্ৰভাৱ ২৮৬, অনুশীলন ২৯১, প্ৰসংগ গ্ৰন্থসমূহ ২৯১ ।

—x—

প্ৰথম অধ্যায়

ব্যক্তি-পাৰ্থক্য আৰু শৈক্ষিক নিৰ্দেশনা

(Individual difference and Educational guidance)

ব্যক্তি-পাৰ্থক্যৰ প্ৰশ্ন (Question of Individual difference):

ভগৱানৰ সৃষ্টিত যে মহৎ বৈষম্য দৃশ্যমান সেইকথা আমি সকলোৱে অনুভৱ কৰো। ধানটোৱে প্ৰতি কণটো, মানুহটোৱে প্ৰতি মনটো বুলি সৰ্বসাধাৰণ লোকেও ব্যক্তি-পাৰ্থক্যৰ প্ৰশ্ন স্বীকাৰ কৰে। আনকি দুটা যমজ সন্তান দৈহিক ভাৱে দেখাত একে হ'লেও মানসিক আৰু আবেগিক দিশত পাৰ্থক্য পৰিলক্ষিত হয়। পৃথক পিতৃ-মাতৃৰ সন্তানৰ বেলিকা এনে পাৰ্থক্য আমোদজনক ভাবে মন কৰিবলগীয়া হৈ উঠে। কোনোজন ওখ, কোনোজন চাপৰ, কোনোজন শকত, কোনোজন ক্ষীণ। কোনোজন বুদ্ধিমান, কোনোজন বুদ্ধিহীন, কোনোজন স্বভাৱতে শান্ত-ধীৰ-স্থিৰ, কোনোজন আকৌ চঞ্চল-অধীৰ আৰু আবেগিক ভাবে নিয়ন্ত্ৰণহীন। কোনোজনে মিঠা খাই ভাল পায়, কোনোজনে আকৌ তিতা-টেঙা খাইহে ভাল পায়। কোনোজনে সমাজত সহজে মিলি-জুলি বন্ধুত্ব স্থাপন কৰিব পাৰে, আকৌ কোনোজনে তেনে সমাজৰ পৰা আঁতৰি থাকি নিৰ্জনতাৰ তৃপ্তি অনুভৱ কৰে। মানুহৰ ব্যক্তি-পাৰ্থক্যৰ এনে বিচিত্ৰতাই প্ৰতিজন লোকক নিজস্ব এক সুকীয়া সুকীয়া ৰূপত আৰু অস্তিত্বত গঢ় দি তুলিছে। শিল্পী-সাহিত্যিকসকলৰ উপৰিও শিক্ষাবিদ আৰু মনোবিজ্ঞানীসকলক এই কথাই বিশেষ আকৰ্ষণ কৰি আহিছে।

উল্লেখযোগ্য যে শিক্ষাদান কাৰ্য্যত এই ব্যক্তি-পাৰ্থক্যৰ প্ৰশ্ন সূক্ষ্ম মনোবৈজ্ঞানিক বিবেচনাৰ প্ৰয়োজন। সকলো শিশুকেই শিক্ষা দিব লাগে অথবা শিক্ষা সাৰ্বজনীন কৰি তুলিব লাগে। কিন্তু ইয়াৰ অৰ্থ এয়ে নহয় যে সকলো শিশুকেই একেবিধ শিক্ষা একে ধৰণে দিব লাগে। ব্যক্তিৰ ক্ষমতা, যোগ্যতা, প্ৰয়োজন আৰু আগ্ৰহ, অভিৰুচিৰ ভিন্নতাৰ ওপৰত ভিত্তি কৰিহে তেওঁৰ শৈক্ষিক প্ৰয়োজন পূৰণ কৰিব লাগে। এই কথা আধুনিক শিক্ষাৰ এক বিজ্ঞানভিত্তিক বাস্তৱ উপলব্ধি বুলিব পাৰি। এই উপলব্ধিয়ে স্বাভাৱিকতেই শিক্ষাবিদ আৰু মনোবিজ্ঞানীসকলৰ বাবে অধিক দায়িত্ব আৰু শিক্ষা-সচেতনতাৰ ভাব আনি দিয়ে। আধুনিক শিক্ষাবিদসকলে শিশু শিক্ষাৰ বাবে আগবঢ়োৱা তেওঁলোকৰ নতুন নতুন পদ্ধতিবোৰত এই ব্যক্তি-পাৰ্থক্যৰ প্ৰশ্নই গভীৰ ভাবে প্ৰভাৱ পেলোৱা আমি দেখিবলৈ পাওঁ। এই প্ৰসংগত এই গ্ৰন্থৰ ভিন ভিন অধ্যায়ত ইয়াৰ বিস্তৃত বৰ্ণনা আৰু বিশ্লেষণ দাঙি ধৰা হৈছে।

ব্যক্তি-পাৰ্থক্যৰ বিভিন্ন দিশ (Aspects of individual difference) **:**

ব্যক্তি-পাৰ্থক্যৰ মৌলিক প্ৰশ্ন আমি অনুভৱ কৰাৰ লগতে এই পাৰ্থক্য সংঘটিত বা পৰিলক্ষিত হোৱা বিভিন্ন দিশৰ প্ৰতি সাধাৰণ ভাবে দৃষ্টি নিক্ষেপ কৰাটোও প্ৰয়োজন। এনে দিশসমূহ নিম্নলিখিত ভাবে সংক্ষেপে উপস্থাপন কৰিব পাৰি।

(১) দেহৰ আৱয়ৱিক দিশ (aspect of physical structure)

যেনে—ওখ, শকত, ক্ষীণ, চুটি, কুৎচিত, বগা, ক'লা, মাজুৰ বৰণীয়া, ক'লা চুলিৰ, বগা চুলিৰ, কেকোৰা চুলিৰ, নীলা চকুৰ মণি, ক'লা চকুৰ মণি, পিংগল বৰ্ণৰ চকুৰ মণি ইত্যাদি।

(২) দৈহিক যোগ্যতাৰ দিশ (aspect of physical ability)

যেনে—দৈহিক শক্তিশীলতা অথবা মন্থৰতা, স্নায়ৱিক আৰু পেশী

শক্তি আৰু তাৰ নিয়ন্ত্ৰণ ক্ষমতা, স্নায়বিক দুৰ্বলতা, ক্লান্তি, ইন্দ্ৰিয় অনুভূতিৰ সংবেদনশীলতা, অংগ সঞ্চালনৰ দ্ৰুততা, যথাৰ্থতা আৰু নিয়ন্ত্ৰণ ক্ষমতা ইত্যাদি।

(৩) বৌদ্ধিক ক্ষমতাৰ দিশ (aspect of intellectual ability)

যেনে—স্মৃতি শক্তি, চিন্তা শক্তি, কল্পনা শক্তি, যুক্তি শক্তি, বিচাৰ শক্তি, বুদ্ধি-বৃত্তি, পৰ্য্যবেক্ষণ-বিশ্লেষণ আৰু সংশ্লেষণ ক্ষমতা, সমস্যা সমাধান ক্ষমতা, ভিন ভিন অভিক্ষমতা (aptitude) ইত্যাদি।

(৪) আৱেগিক দিশ (emotional aspect)

যেনে—খং, ভয়, ভালপোৱা আদি আবেগৰ অনুভূতি আৰু তাৰ প্ৰকাশভংগী, আবেগৰ প্ৰবলতা আৰু তাৰ নিয়ন্ত্ৰণ ক্ষমতা, আবেগৰ স্বতঃস্ফুৰ্ততা, ভাবৰ্বৃত্তি আৰু মনোগ্ৰন্থি ইত্যাদি।

(৫) সামাজিক দিশ (social aspect)

যেনে—সমাজপ্ৰিয়তা, সহযোগিতা, বন্ধুত্ব আৰু প্ৰতিযোগিতাৰ ভাব, অন্তৰ্মুখিতা আৰু বহিৰ্মুখিতা, স্বাৰ্থানুসন্ধান, নেতৃত্বদান আৰু গ্ৰহণ ক্ষমতা ইত্যাদি।

(৬) নৈতিক দিশ (moral aspect)

যেনে—উদাৰতা, ন্যায় পৰায়ণতা, নিঃস্বাৰ্থতা, দয়া, ক্ষমা আৰু ত্যাগৰ মনোভাব, আদৰ্শৰ প্ৰতি নিষ্ঠাৰ ভাব, বিবেকৰ প্ৰতি আস্থাৰ ভাব, সত্যৰ প্ৰতি অবিচলতাৰ ভাব ইত্যাদি।

(৭) ঐচ্ছিক দিশ (volitional aspect)

যেনে—মনোবল, সাহস, ধৈৰ্য্য, সংকল্প, একাগ্ৰতা, অবিচলতা, সহিষ্ণুতা, প্ৰতিজ্ঞাবদ্ধতা ইত্যাদি।

(৮) শৈক্ষিক দিশ (academic aspect)

যেনে—কথিত আৰু লিখিতভাৱে শব্দ প্ৰয়োগৰ ক্ষমতা, সাংখ্যিক ধাৰণা আৰু তাৰ প্ৰয়োগ ক্ষমতা, চিহ্ন প্ৰয়োগৰ ক্ষমতা (ability to use symbol) ইত্যাদি।

মনোবিজ্ঞানৰ সূক্ষ্ম বিবেচনা কৰিবলৈ গলে ব্যক্তি পাৰ্থক্যৰ ভিন্নতাৰ এখন দীঘল আৰু আমোদজনক তালিকা দাঙি ধৰিব পৰা যায়। এনে অধ্যয়ন বিশেষজ্ঞসকলৰ বিজ্ঞানভিত্তিক বিশিষ্ট অধ্যয়নৰ ওপৰত নিৰ্ভৰশীল। সি যি কি নহওক, ইযাৰ পৰা বুজিব পাৰি যে ব্যক্তি-পাৰ্থক্যৰ প্ৰশ্ন শিক্ষা আৰু মনোবিজ্ঞানৰ এক ব্যাপক পৰিসৰৰ অধ্যয়নৰ বিষয। ইযাৰ গভীৰতালৈ যিমানে প্ৰবেশ কৰা হয় সিমানে ইয়াৰ নতুন ৰহস্য উদ্ঘাটন কৰিব পৰা যায। অৱশ্যে ইয়াৰ বিস্তৃত অধ্যযনলৈ যোৱাটো আমাৰ এই অধ্যযনৰ উদ্দেশ্য নহয়। তথাপিও শিক্ষাৰ নতুন নীতি আৰু পদ্ধতি অধ্যযন কৰিবলৈ যাওঁতে ব্যক্তি পাৰ্থক্যৰ দিশ আমাৰ মুখ্য বিবেচ্য বিষয হোৱা উচিত।

ব্যক্তি-পাৰ্থক্যৰ কাৰণ (Causes of individual difference) :

দুজন লোকৰ ব্যক্তিত্ব বা ব্যক্তিসত্তাৰ মাজত কিয় পাৰ্থক্য হয, এই প্ৰশ্ন স্বাভাবিকতেই আমাৰ মনলৈ আহে। ইযাৰ সহজ উত্তৰ স্বৰূপে কব পাৰি যে ব্যক্তিৰ বংশগত শক্তি আৰু পৰিবেশীয় প্ৰভাৱ এই দুই দিশৰ নিজ নিজ অৱস্থাই ব্যক্তিক ভিন্ন ৰূপত গঢ় দি তোলে। ব্যক্তিৰ দেহ-মানসিক বিকাশৰ কালছোৱাত এই দুই দিশৰ সুস্থ অসুস্থ আৰু অনুকূল-প্ৰতিকূল প্ৰভাৱ যুটীযা ভাবে পৰে। বংশ-গতিয (heredity) ব্যক্তিৰ জন্মগত আৰু মৌলিক ভাবে থকা জৈৱিক সম্ভাৱনীযতাসমূহ কঢিযাই আনে। পৰিবেশে সেই সম্ভাৱনীয়তাৰ বাস্তৱ ৰূপদান কৰে। ফলত ব্যক্তিৰ ব্যক্তি সত্তা নিজস্ব ৰূপত গঢ লৈ উঠে। ব্যক্তি পাৰ্থক্যৰ কাৰণস্বৰূপ হৈ উঠা বংশগতি আৰু পৰিবেশ এই দুয়োটা দিশৰে সূক্ষ্ম বিশ্লেষণ নিম্নলিখিত ভাবে দাঙি ধৰিব পাৰি।

বংশগত প্ৰভাৱ (Hereditary influence) :

বংশগতিৰ অৰ্থ হৈছে এজন ব্যক্তিৰ আযত্তত থকা এক বিশেষ শক্তি বা গুণ যি তেওঁৰ মৃত্যুৰ পিচতো বংশানুক্ৰমে উত্তৰ পুৰুষলৈ

গতি কৰে। জীৱই মাতৃ গৰ্ভত স্থিতি লাভ কৰাৰে পৰা বংশগতিৰ অস্তিত্ব অনুভৱ কৰা হয়। বিশেষজ্ঞসকলৰ ভাষাত কবলৈ হ'লে পৰিগৰ্ভিত ডিম্বকোষত স্থিত হোৱা বিকাশশীল গুণ বা শক্তিসমূহৰ সামূহিক অৱস্থাকেই বংশগতি বুলি কোৱা হয়। এই গুণসমূহ সন্তানে পিতৃ-মাতৃৰ পৰা প্ৰত্যক্ষ ভাৱে আৰু পূৰ্বপুৰুষসকলৰ পৰা পৰোক্ষ ভাৱে লাভ কৰে। বংশগতি সেয়েহে জীৱনৰ জৈৱিক অস্তিত্ব বহনকাৰী শক্তি যি ব্যক্তি বিশেষে পৃথক হৈ উঠে। এই বংশগতিৰ অন্তৰ্ভুক্ত বিভিন্ন দিশৰ প্ৰভাৱসমূহৰ, তলত চমু আলোচনা কৰা হৈছে।

(১) জীনৰ প্ৰভাৱ (Influence of the genes) : জীৱ-বিজ্ঞানীসকলে বৰ্তমান মানুহৰ বংশ গতি সম্বন্ধে বহুতো নতুন তথ্যৰ সন্ধান দিছে। তেওঁলোকে ঠাৱৰ কৰিছে যে পিতৃ আৰু মাতৃৰ পৰা সমান পৰিমাণৰ মুঠ ৪৬ টা ক্ৰম'ছমৰ (chromosome) সংযোগত জীৱৰ সৃষ্টি হয়। এই ক্ৰম'ছমবোৰত আকৌ কেতবোৰ সূক্ষ্ম জীৱাণু-কোষ বা 'জীন' অৱস্থিত। এই জীনবোৰতেই ব্যক্তিৰ ভৱিষ্যত বিকাশৰ সকলো শক্তি আৰু সম্ভাৱনীয়তা নিহিত থাকে। আমাৰ দৈহিক গঠন, মানসিক ক্ষমতা, আবেগিক প্ৰতিক্ৰিয়া আদিৰ বিচিত্ৰতা এই জীৱনসমূহেই নিৰ্ধাৰণ কৰে। এজন লোকৰ দেহৰ আকাৰ-আকৃতি, গাৰ বৰণ, চকুৰ বৰণ, চুলিৰ ধৰণ, তেজৰ লক্ষণ আদি ইয়াৰ প্ৰভাৱতেই বিশিষ্ট ৰূপত গঢ় লৈ উঠে। ইয়েই ব্যক্তি-পাৰ্থক্যৰ মূল জৈৱিক উৎস।

(২) স্নায়বিক গাঁথনি (Nervous structure) : জন্মগত শক্তি স্বৰূপে ব্যক্তিয়ে দেহৰ স্নায়ুসমূহৰ প্ৰখৰতা আৰু কৰ্মক্ষমতা লাভ কৰি উঠে। দৈহিক সঞ্চালনমূলক ক্ৰিয়াৰ পটুতা, মানসিক আৰু বৌদ্ধিক প্ৰখৰতা আৰু উন্নত মানৱ দেহ মানসিক প্ৰতিক্ৰিয়া আৰু আচৰণ আদি এই জন্মলব্ধ স্নায়বিক গাঁথনিৰ ওপৰত নিৰ্ভৰ কৰে।

শিশুৰ এই স্নায়বিক গাঁথনি দুৰ্বল আৰু দোষযুক্ত হ'লে আৰু তাৰ প্ৰতিক্ৰিয়া আৰু আচৰণ আদি নিম্ন মানবিশিষ্ট হয়। ব্যক্তি হীন বুদ্ধি আৰু দুৰ্বল মনৰ হৈ উঠাৰ মূল কাৰণ হৈছে এই স্নায়বিক দুৰ্বলতা আৰু অক্ষমতা। ব্যক্তিবিশেষে মানসিক আৰু বৌদ্ধিক ক্ষমতাৰ ভিন্নতা এনে স্নায়বিক গাঁথনিৰ ফলতেই সৃষ্টি হয়।

(৩) অন্তঃক্ষৰা গ্ৰন্থিৰ ভূমিকা (Role of endocrine gland) : বংশ গতিয়ে ব্যক্তি-পাৰ্থক্যৰ সৃষ্টি কৰা আন এটা প্ৰভাৱশালী দিশ হৈছে দেহৰ অভ্যন্তৰ ভাগৰ অন্তঃক্ষৰা গ্ৰন্থিসমূহৰ ভূমিকা। ব্যক্তিৰ ভিন্নমুখী দেহ-মানসিক গঠনত এইবিধ গ্ৰন্থিয়ে অনুকূল-প্ৰতিকূল প্ৰভাৱ পেলায়। বিশেষকৈ পিটুইটাৰি আৰু থাইৰইড গ্ৰন্থিয়ে "দেহৰ ৰক্তসঞ্চালনত হৰমোন (hormon) নামৰ এবিধ ৰাসায়নিক পদাৰ্থ ক্ষৰণ কৰি দেহৰ গঠন, বৃদ্ধি, দেহ মানসিক প্ৰতিক্ৰিয়া আৰু আচৰণ আদিত প্ৰভাৱ পেলায়। গ্ৰন্থিসমূহৰ ক্ষৰণ ক্ৰিয়া অস্বাভাৱিক গতিত হ'লে, অৰ্থাৎ অতি ক্ষৰণ অথবা অল্প ক্ষৰণ হ'লে ব্যক্তিত্বৰ বিকাশ অস্বাভাৱিক হৈ উঠে। ফলত ই ব্যক্তি পাৰ্থক্যৰ ভিন্নতা সৃষ্টি কৰে।

(৪) লিঙ্গ পাৰ্থক্যৰ প্ৰভাৱ (Influence of sex difference) : পুৰুষ আৰু মহিলাৰ যৌন-প্ৰভেদ তেওঁলোকৰ মাজত মৌলিক ভাবে ব্যক্তি-পাৰ্থক্যৰ ভিন্নতা সৃষ্টি কৰে। যৌন পাৰ্থক্যই ল'ৰা আৰু ছোৱালীৰ দেহ-মানসিক বিকাশত পৃথক পৃথক প্ৰভাৱ পেলায়। ছোৱালীৰ দৈহিক বিকাশৰ গতি হয় খৰতকীয়া আৰু ল'ৰাৰ এনে বিকাশ হয় আপেক্ষিক ভাবে মন্থৰ। দৈহিক বিকাশৰ ভিন্নতাই তেওঁলোকৰ পৃথক দৈহিক ক্ষমতা আৰু প্ৰয়োজন আদিৰো সৃষ্টি কৰি তোলে। ইয়াৰ ফলত মানসিক আগ্ৰহ, অভিৰুচি, মনোভাব, মনোবৃত্তি আদিৰ ভিন্নতা সৃষ্টি হয়। আবেগিক ভাবে পুৰুষতকৈ মহিলাসকল হৈ উঠে অধিক সংযত, নিয়ন্ত্ৰিত আৰু সুস্থ সমাযোজিত। ভাষা

বিকাশ আৰু শাব্দিক প্ৰয়োগৰ ক্ষেত্ৰতো তেওঁলোক পুৰুষতকৈ উন্নত হৈ উঠে।

(৫) বৌদ্ধিক ক্ষমতা (Intellectual ability) ঃ বুদ্ধি হৈছে এক বিশেষ মানসিক গুণ যি জন্মগত ভাৱে লাভ কৰা হয়। এই বৌদ্ধিক ক্ষমতাই ব্যক্তিক পৰিবেশ আৰু পৰিস্থিতিৰ প্ৰতি উপযুক্ত প্ৰতিক্ৰিয়া কৰাত, সমস্যাৰ সন্মুখীন আৰু সমাধান কৰাত আৰু সমাযোজন স্থাপন কৰাত সহায় কৰে। বুদ্ধি পৰীক্ষক আৰু মন সমীক্ষকসকলে দেখুৱাইছে যে ব্যক্তিৰ এই বৌদ্ধিক ক্ষমতাৰ মান সকলোৰে সমান নহয়। তীক্ষ্ণবুদ্ধিৰ ব্যক্তিয়ে এই ক্ষেত্ৰত যি সুবিধা পাব পাৰে হীন বুদ্ধিৰ ব্যক্তিৰ ক্ষেত্ৰত সি সম্ভৱ হৈ উঠিব নোৱাৰে। ব্যক্তি-পাৰ্থক্যৰ অন্তৰালত সেয়েহে সহজাত বৌদ্ধিক ক্ষমতাই বিশেষ ভূমিকা গ্ৰহণ কৰে।

পৰিবেশীয় প্ৰভাৱ (Environmental influence) **ঃ**

পৰিবেশ হৈছে ব্যক্তি-পাৰ্থক্য নিৰ্ধাৰণৰ আন এটা ব্যাপক পৰিসৰৰ দিশ। বংশ গতিৰ পৰা পোৱা শক্তি আৰু গুণসমূহৰ ওপৰত সকলো সময়তে আমাৰ চাৰিওফালে আগুৰি থকা এক প্ৰতিক্ৰিয়াশীল শক্তিয়ে প্ৰভাৱ পেলায়। সামূহিক ৰূপত পেলোৱা এই বাহ্য শক্তিৰ প্ৰভাৱকেই পৰিবেশ বোলা হয়। এই পৰিবেশকেই অধিক সীমিত আৰু প্ৰায়োগিক অৰ্থত উদ্দীপক (stimulus) বুজি কোৱা হয়। বংশগতিৰ শক্তি আৰু সম্ভাৱনীয়তাসমূহ এই পৰিবেশৰ মাধ্যমেৰেহে প্ৰকাশ আৰু পৰিস্ফুট হৈ উঠে। উল্লেখযোগ্য যে জীৱনৰ ওপৰত পৰিবেশৰ এই প্ৰভাৱ তাৰ জন্ম-পূৰ্ব অথবা গৰ্ভকালীন অৱস্থাৰ পৰাই পৰিবৰ্তে ধৰে। আচৰণবাদী মনোবিজ্ঞানীসকলে পৰিবেশৰ এই প্ৰভাৱকেই ব্যক্তিত্বৰ একমাত্ৰ নিৰ্ধাৰণকাৰী (**only determining factor**) ৰূপে গণ্য কৰে। তেওঁলোকৰ মতে এটি শিশু ভৱিষ্যতে ডাক্তৰ, ইঞ্জিনীয়াৰ, উকীল অথবা আন কি হ'ব

তাক এই পৰিবেশেইহে চূড়ান্ত ভাবে নিৰ্ধাৰণ কৰি তোলে। তেওঁলোকে অৱশ্যে বংশগতিৰ অস্তিত্বৰ প্ৰভাৱক সমূলি অস্বীকাৰ কৰিছে। সি যি কি নহওক, ব্যক্তি পাৰ্থক্য গঢ় দি তোলাৰ ক্ষেত্ৰত পৰিবেশৰ বিভিন্ন দিশৰ সূক্ষ্ম বিবেচনা নিম্নলিখিত ভাবে দাঙি ধৰিব পাৰি।

(১) গৃহ পৰিবেশৰ প্ৰভাৱ (Influence of home) : জন্মৰ পিছত শিশুৱে সৰ্বপ্ৰথম বাৰৰ বাবে পোৱা পৰিবেশ হৈছে গৃহ পৰিবেশ। এই পৰিবেশ প্ৰতিজন লোকৰ জীৱনত সামগ্ৰিক ভাবে সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলায়। ব্যক্তিৰ খোৱা-পিন্ধা, স্বাস্থ্যৰক্ষা কথাকে আদি কৰি সকলো দৈহিক প্ৰয়োজন এই পৰিবেশে যথোচিত ভাবে পূৰণ কৰিব পাৰিলে শিশুৰ সুস্থ ব্যক্তিত্ব গঢ় লৈ উঠিব পাৰে। মাক-দেউতাক আৰু পৰিয়ালৰ লোকৰ পৰা মৰম-চেনেহ, আন্তৰিকতা আৰু আবেগিক নিৰাপত্তাৰ প্ৰভাৱ অনুভৱ কৰা হয়। প্ৰতিটো পৰিয়ালতেই সামাজিক ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, আস্থা, নিষ্ঠা, বিশ্বাস, ধৰ্ম আদিৰ একো একোটা সাংস্কৃতিক প্ৰভাৱ থাকে। ইয়াৰ উপৰিও পৰিয়ালৰ নৈতিক জীৱনৰ মানদণ্ড আৰু অনুশাসন ব্যৱস্থাৰ সুস্থ-অসুস্থ প্ৰভাৱ ব্যক্তিৰ ওপৰত পৰে। এনেবোৰ প্ৰভাৱে প্ৰতিজন লোককে গৃহ পৰিবেশত নিজস্ব একোটা স্বকীয়া অস্তিত্বত গঢ় দি তোলে।

(২) স্কুলীয়া পৰিবেশৰ প্ৰভাৱ (Influence of school environment) : স্কুল বা শিক্ষানুষ্ঠান হৈছে এক পূৰ্ব পৰিকল্পিত আৰু সুনিয়ন্ত্ৰিত পৰিবেশ যাক উদ্দেশ্যপ্ৰণোদিত ভাবে গঢ় দি তোলা হয়। ছাত্ৰ-ছাত্ৰীৰ শিক্ষাবিকাশৰ কালছোৱাত এই পৰিবেশে এক শক্তিশালী আৰু ভৱিষ্যতৰ দিগ্‌দৰ্শনকাৰী প্ৰভাৱ পেলায়। শিক্ষানুষ্ঠানৰ শৈক্ষিক লক্ষ্য আদৰ্শ, এই আদৰ্শ বাস্তৱ ৰূপ দানৰ বাবে প্ৰস্তুত কৰা পাঠ্যক্ৰম তথা কাৰ্য্যসূচী আৰু তাক কাৰ্য্যকৰীকৰণৰ বাবে গ্ৰহণ কৰা শিক্ষাদান পদ্ধতি আৰু অনুশাসন ব্যৱস্থা আদিয়ে

প্ৰতিজন ছাত্ৰৰ শৈক্ষিক জীৱনত এক নিশ্চিত প্ৰভাৱ পেলায়। ইয়াৰ উপৰি শিক্ষকৰ ব্যক্তিত্বৰ মনোবৈজ্ঞানিক প্ৰভাৱ, শ্ৰেণীৰ সহপাঠী-সকলৰ লগত কৰা সহযোগিতা আৰু ছাত্ৰই শিক্ষা-বিষয়সমূহৰ লগত কৰা বৌদ্ধিক সমাযোজন (intellectual adjustment) আদিয়ে প্ৰতিজন ছাত্ৰৰ ব্যক্তিসত্তা বিশিষ্ট ৰূপত গঢ় দি তোলাত অনুকূল-প্ৰতিকূল প্ৰভাৱ পেলায়।

(৩) সামাজিক প্ৰভাৱ (Influence of Society) : ব্যক্তিয়ে সামাজিক জীৱনৰ প্ৰভাৱৰ পৰা কেতিয়াও মুক্ত হ'ব নোৱাৰে। সমাজৰ ৰাজনৈতিক আদৰ্শ, প্ৰচলিত আইন-কানুন আৰু অনুশাসন ব্যৱস্থা আদিয়ে ব্যক্তিৰ নাগৰিক জীৱনৰ চিন্তাধাৰা, মনোভাৱ আৰু ক্ৰিয়া আচৰণ আদি প্ৰভাৱিত কৰি তোলে। সমাজত দেখা দিয়া বিভিন্ন সমস্যা, অভাৱ অভিযোগ আদিত ব্যক্তিয়ে নিজ নিজ ভাৱে সমাযোজন কৰি ব্যক্তিত্ব গঢ় দি তোলে। সামাজিক শ্ৰেণী-ভেদ, জাতি-ভেদ আৰু অৰ্থ নৈতিক জীৱনৰ মানদণ্ডই ব্যক্তিক নিজ নিজ ৰূপত গঢ় দি তোলে। অৰ্থ নৈতিক জীৱনৰ মানদণ্ডৰ ওপৰত ব্যক্তিৰ শৈক্ষিক জীৱনৰ বিকাশ, আবেগিক জীৱনৰ সুস্থতা, নিৰাপত্তা আৰু সামাজিক স্বীকৃতি-সন্মান আদি নিৰ্ভৰ কৰে। সমাজৰ এনেবোৰ ভিন্নমুখী অৱস্থা আৰু তাৰ প্ৰভাৱে,স্বাভাৱিকতেই ব্যক্তিক পৃথক পৃথক ভাৱে গঢ় দি তোলে।

(৪) সাংস্কৃতিক প্ৰভাৱ (Cultural influence) : প্ৰতিখন সুসংগঠিত সমাজৰে কেতবোৰ সাংস্কৃতিক পৰম্পৰা, ৰীতি-নীতি, আস্থা, নিষ্ঠা, বিশ্বাস, ধৰ্ম, ভাষা, উৎসব-পৰ্ব আদি থাকে। এইসমূহ মানি চলি সমাজৰ মাজত ব্যক্তিয়ে নিজৰ শিক্ষা বিকাশ লাভ কৰাটো আশা কৰা হয়। প্ৰতিটো সংস্কৃতিগোষ্ঠী লোকৰ মনত এইসমূহে পৃথক পৃথক প্ৰভাৱ পেলায়। তেওঁলোকৰ দৈনন্দিন জীৱনৰ ক্ৰিয়া-কলাপ, ভাব-অনুভূতি আৰু দৃষ্টিভংগী-মনোভাৱ আদি সেই অনুক্ৰমে

প্ৰভাৱিত কৰে। কোনো কোনো সংস্কৃতিগোষ্ঠী লোকৰ মন ইয়াৰ ফলত অধিক সংৰক্ষণশীল আৰু আন কোনো গোষ্ঠী লোকৰ মন অধিক বিকাশশীল হৈ উঠে। সংস্কৃতিৰ ক্ষেত্ৰত কোনো লোক অধিক গোড়া মনোভাবৰ আৰু আন কোনো লোক অধিক উদাৰ মনোভাবৰ হৈ উঠাটোও লক্ষ্য কৰিব পাৰি।

(৫) ভৌগোলিক প্ৰভাৱ (Geographical influence) **:** ব্যক্তি পাৰ্থক্যৰ প্ৰশ্নত ভৌগোলিক পৰিবেশৰ প্ৰভাৱো আমাৰ বিবেচনাযোগ্য। পৃথিৱীৰ বিভিন্ন অঞ্চলৰ ভৌগোলিক পৰিবেশে মানুহৰ জীৱন-ধাৰণৰ পদ্ধতি ভিন ভিন ভাবে প্ৰভাৱিত কৰিছে। বিভিন্ন অঞ্চলৰ জলবায়ু, মাটিৰ উৰ্বৰতা, প্ৰাকৃতিক সম্পদ আদিয়ে মানুহৰ জীৱন, বৃত্তি, ব্যৱসায় আদি সেই সেই ভাবে প্ৰভাৱিত আৰু পৰিচালিত কৰি তুলিছে। নদী-উপত্যকা, মৰুপ্ৰান্তৰ, পাৰ্বত্য অঞ্চল, আদিৰ লোকৰ ধৰণ-কৰণ, ব্যৱসায়-বৃত্তি, পিন্ধা-উৰা, খোৱা-বোৱা, ক্ৰিয়া-অভ্যাস আদি বিশিষ্ট ৰূপত গঢ় দি তুলিছে। সেইদৰে নগৰীয়া অঞ্চল, গাঁৱলীয়া অঞ্চল, শিল্পকেন্দ্ৰ অঞ্চল, ব্যৱসায় বাণিজ্য অঞ্চল, ঘন বসতি অঞ্চল আদি বিভিন্ন অঞ্চলৰ লোকৰ মনত আৰু ক্ৰিয়া আচৰণত ভিন ভিন প্ৰভাৱ পেলাইছে। এনেবোৰ ভিন্নমুখী ভৌগোলিক প্ৰভাৱে মানুহৰ ব্যক্তিত্ব বিচিত্ৰ ৰূপত গঢ় দি তুলিছে।

ব্যক্তি-পাৰ্থক্য অধ্যয়নৰ চমু ইতিহাস (Short history on the study of individual difference) :

ব্যক্তি-পাৰ্থক্য সম্বন্ধে মানুহৰ চিন্তাৰ ইতিহাস অতি পুৰণি। চিন্তা দাৰ্শনিক প্লেট'ৱেই (Plato) এই ব্যক্তি-পাৰ্থক্যৰ প্ৰশ্ন অৱতাৰণা কৰা দেখা যায়। তেওঁ Republic নামৰ গ্ৰন্থত উল্লেখ কৰে যে ব্যক্তিয়ে নিজ স্বভাৱ বা প্ৰকৃতিৰ লগত খাপ খোৱা যি ক্ৰিয়া তেনে ক্ৰিয়াহে কৰিব লাগে। অৱশ্যে এই সম্বন্ধে বিজ্ঞানভিত্তিক অধ্যয়ন আৰু অনুসন্ধান সেই সময়ত গঢ়ি উঠা নাছিল।

১৭৯৫ চনত Greenwich Astronomical Observatory ত এক তাৎপৰ্য্যপূৰ্ণ ঘটনা ঘটে। মহাকাশত নক্ষত্ৰৰ গতি নিৰ্ধাৰণ কৰা নিৰীক্ষকসকলৰ এজনে আন আন নিৰীক্ষকতকৈ পৃথক ভাবে সময়ৰ গতি নিৰীক্ষণৰ তথ্য প্ৰকাশ কৰে। এনে মত বিৰোধৰ ফলত ভুল তথ্য প্ৰদান কৰা বুলি নিৰীক্ষকজনক নিজ কৰ্ত্তব্যৰ পৰা বহিষ্কৃতও কৰা হয়। কিন্তু পিছলৈ দেখা যায যে আন আন নিৰীক্ষক-সকলো কম-বেছি পৰিমাণে এনে ভুলৰ বশৱৰ্ত্তী হয। ইয়াৰ পৰা বিশেষজ্ঞসকলৰ মহলত এই কথা অনুভৱ কৰা হয যে মানসিক যোগ্যতা আৰু বিচাৰ বিবেচনাৰ ক্ষেত্ৰত ব্যক্তি পাৰ্থক্যৰ প্ৰশ্ন জড়িত হৈ আছে।

১৮০৭ চনত গল (Gall) আৰু তেওঁৰ শিষ্য স্পাৰঝিমে (Spurzheim) ব্যক্তি পাৰ্থক্যৰ কাৰণ অনুসন্ধানৰ বাবে মানুহৰ লাওখোলা, মস্তিষ্ক, নাক-মুখ আদিৰ আকাৰ-প্ৰকাৰ পৰিমাপন কৰে। তেওঁ-লোকে স্থিৰ কৰিবলৈ যত্ন কৰে যে এনে দৈহিক পৰিমাপনৰ লগত মানুহৰ মনৰ সম্বন্ধ আছে। এই কথা ভবা হয় যে মানুহৰ মূৰটো মস্তিষ্কৰ পৰিচায়ক আৰু মস্তিষ্ক হৈছে মনটোৰ পৰিচায়ক (Head is the index of brain and brain is the index of mind)। * অৱশ্যে ডাঙৰ মূৰ মানে ডাঙৰ মন আৰু সৰু মূৰ মানে সৰু মন— এই কথাৰ খাটাং সিদ্ধান্ত কৰিব পৰা নহ'ল।

১৮৭৬ চনত চিজাৰ লোমব্ৰোছো (Cesere Lombroso) নামৰ এজন অপৰাধ বিশেষজ্ঞই মানুহৰ দৈহিক গঠনৰ লগত অপৰাধ প্ৰৱণতাৰ সম্বন্ধ বিচাৰি উলিয়াবলৈ চেষ্টা কৰে। অৱশ্যে এই ক্ষেত্ৰত তেনে কোনো গ্ৰহণযোগ্য মতত উপনীত হব পৰা নাযায়। সমসাময়িক ভাবে উৱেবাৰ আৰু ফেক্‌নাৰ (Weber and Fechner)নামৰ দুজন বিশেষজ্ঞই দৈহিক ভিত্তিত অধ্যয়ন কৰি এক

---

* P. B. Ballard *Mental Tests. Page 3. Chapter 1. University of London Ltd, 1955.*

বিশেষ মতত উপনীত হয়। তেওঁলোকৰ মতে উদ্দীপকৰ তীব্ৰতা বৃদ্ধি কৰি তুলিলে ব্যক্তিয়ে তাক ধৰিব পাৰে। ব্যক্তিয়ে উদ্দীপকৰ প্ৰতি কৰা প্ৰতিক্ৰিয়াত তেওঁৰ মানসিক ক্ষমতা নিহিত থাকে। ইয়াকে উবেবাৰ-ফেক্‌নাৰ নীতি (Weber-Fechner Law) নামে জনা যায়। এই নীতিৰ যোগেদি দেহ আৰু মনৰ সম্বন্ধৰ কথা অনুভৱ কৰা হয়। ফলত ব্যক্তি পাৰ্থক্যৰ অধ্যয়ন ক্ৰমে মানসিক দিশলৈ গতি কৰে।

১৮৭৯ চনত জাৰ্মেনীৰ লিপজিগ্ (Leipzig) নামৰ চহৰত উইলিয়াম উন্দ্‌টে (William Wundt) প্ৰথম মনোবিজ্ঞানৰ পৰীক্ষাগাৰ স্থাপন কৰে। ইয়াৰ ফলত ১৯ শতিকাৰ শেষ ভাগলৈ ইংলেণ্ড, জাৰ্মেনী, ফ্ৰান্স আদি ইউৰোপীয় দেশবোৰত পৰীক্ষাগাৰ স্থাপিত হয় আৰু কেটেল, জেচট্ৰ, বলটন্, গিলবাৰ্ট, ইবিংহচ (Cattell, Jestrow, Bolton, Gilbert, Ebbinghaus) নামৰ এদল মনোবিজ্ঞানী সক্ৰিয় হৈ উঠে। তেওঁলোকে মানুহৰ বিভিন্ন দেহ মানসিক শক্তি পৰীক্ষাগাৰৰ যোগে পৰিমাপনৰ চেষ্টা কৰে। মানুহৰ গতি শক্তি, পেশীশক্তি, ইন্দ্ৰিয়ৰ সংবেদনশীল শক্তি, সংবেদন অনুভূতিৰ পৃথকীকৰণ শক্তি, দৃষ্টি আৰু শ্ৰৱণ শক্তি, স্মৃতি শক্তি আৰু প্ৰতিক্ৰিয়া কাল (reaction time) আদি ব্যাপক ভাবে পৰিমাপন কৰা হয়। কিন্তু তথাপিও কেনেবোৰ দৈহিক আৰু মানসিক ক্ৰিয়াত ব্যক্তিৰ যোগ্যতা আৰু ক্ষমতা কিদৰে নিহিত থাকে তাৰ স্পষ্ট ধাৰণা তেওঁলোকে পাব নোৱাৰিলে।

১৮৮৬ চনত ইংলেণ্ডৰ বিখ্যাত মনোবিজ্ঞানী ফ্ৰেন্সিচ গেলটনে (Francis Galton) ব্যক্তি পাৰ্থক্যৰ পৰিমাপনৰ দিশত উল্লেখযোগ্য বৰঙণি আগবঢ়ায়। তেওঁ মত প্ৰকাশ কৰে যে ব্যক্তিয়ে সংবেদন অনুভূতিৰ তাৰতম্য ধৰিব পৰাটো বুদ্ধিৰ পৰিচায়ক। এই সংবেদন অনুভূতি পৰিমাপ কৰিবৰ বাবে তেওঁ কেতবোৰ মনোবৈজ্ঞানিক সা-সঁজুলি আৰু পৰীক্ষা ব্যৱস্থাও প্ৰস্তুত কৰি উলিয়ায়।

মানসিক শক্তি পৰিমাপন আৰু তাৰ বিশ্লেষণত পৰিসংখ্যা প্ৰয়োগৰ ধাৰণাও তেওঁৱেই সৰ্বপ্ৰথমে প্ৰদান কৰে।

কুৰি শতিকাৰ আৰম্ভণিতে ইংলেণ্ডৰ আন এজন বিশেষজ্ঞ চিৰিল বাৰ্টে (Cyril Burt) মানুহৰ বুদ্ধি পৰিমাপনৰ এবিধ নতুন কৌশল উদ্ভাৱনৰ প্ৰচেষ্টা চলায়। তেওঁ অনুভৱ কৰে যে ব্যক্তিৰ বয়সৰ ভিত্তিত আৰু পৰীক্ষা উপাদানবোৰৰ কঠিনতাৰ ভিত্তিত প্ৰস্তুত কৰি তুলিব পাৰিলে বুদ্ধিৰ পৰিমাপ কৰিব পৰা যায়। অৱশ্যে ইয়াৰ কাৰ্য্যকৰী দিশত তেওঁ বিশেষ সফলতা লাভ কৰি উঠিব নোৱাৰিলে।

চিৰিল বাৰ্টৰ সমসাময়িক ভাবে ফ্ৰান্সত আলফ্ৰেদ বিনেই (Alfred Binet) ব্যক্তি-পাৰ্থক্যৰ কাৰণ স্বৰূপ বুদ্ধিৰ পৰিমাপনৰ চেষ্টা চলায়। তেওঁ থিযদৰ চাইমন (Theodor Simon) নামৰ আন এজন সহযোগীৰ লগত ১৯০৫ চনত বুদ্ধিৰ নিৰ্ভৰযোগ্য ভাবে পৰিমাপনৰ পৰীক্ষামালা প্ৰস্তুত কৰি তোলে। ল'ৰা-ছোৱালীৰ বয়সৰ ভিত্তিত ৩ বছৰৰ পৰা ১৩ বছৰ বয়সলৈকে প্ৰতিটো বছৰৰ বাবে একাদিক্ৰমে কঠিনতাৰ ভিত্তিত পৰীক্ষা উপাদান প্ৰস্তুত কৰে। এনে সফলতাৰ বাবে তেওঁ সমগ্ৰ পৃথিৱীতে জনপ্ৰিয়তা লাভ কৰি উঠে। ১৯১১ চনত শেষ বাৰৰ বাবে তেওঁৰ পৰীক্ষামালাৰ পুনৰীক্ষণ কৰি থৈ যায়।

১৯১১ চনৰ পিছৰ পৰা বিনেৰ বুদ্ধি পৰীক্ষাৰ কৌশল আমেৰিকা যুক্তৰাষ্ট্ৰত অধিক জনপ্ৰিয় হৈ উঠে। ১৯১৬ চনত এই দেশৰ ষ্টেন-ফোৰ্ড বিশ্ববিদ্যালয়ত টাৰমেনে (Terman) বিনেৰ বুদ্ধি পৰীক্ষা মালাৰ ব্যাপক ভাবে পুনৰীক্ষণ আৰু পৰিবৰ্ধন কৰি তোলে। প্ৰথম আৰু দ্বিতীয় মহাসমৰৰ বাবে সৈনিক নিৰ্বাচনত বুদ্ধি পৰীক্ষাৰ ব্যাপক প্ৰয়োগ কৰা হয়। মনোবিজ্ঞানত মানসিক পৰিমাপনৰ দিশত বিনেই লৈয়েছে এক নতুন দিশৰ সন্ধান দিয়ে। বৰ্তমান সকলো উন্নত দেশতে ব্যক্তি পাৰ্থক্য বস্তুনিষ্ঠ ভাবে পৰিমাপ

কৰিবৰ বাবে ব্যাপক অধ্যয়ন আৰু গৱেষণা কাৰ্য্য চলোৱা হৈছে আৰু তাৰপৰা নতুন নতুন তথ্য আৰু কৌশল উদ্ভাৱন কৰা হৈছে।

শিক্ষাত ব্যক্তি-পাৰ্থক্য অধ্যয়নৰ প্ৰয়োজনীয়তা (Need and value of studying individual difference in education):

ব্যক্তি-পাৰ্থক্যৰ বিষয়ে অধ্যয়ন কৰিলে আমাৰ মনত এই কথা স্পষ্ট হৈ উঠে যে সকলো ল'ৰা-ছোৱালীৰ একে ধৰণৰ শিক্ষা ব্যৱস্থা হোৱা অনুচিত। গণতান্ত্ৰিক মনোভাবৰ বিবেচনাৰে সকলো লোকৰে শিক্ষা বিকাশৰ সমান অধিকাৰ আৰু দায়িত্বৰ কথা মানি ল'লেও শৈক্ষিক আৰু মনোবৈজ্ঞানিক দিশৰ পৰা সকলো ছাত্ৰ-ছাত্ৰীক সমানতাৰ মানদণ্ডেৰে মূল্যায়ন, বিচাৰ-বিবেচনা আৰু তেওঁলোকৰ সামাজিক স্থান, মান আদি প্ৰদান কৰিব নোৱাৰি। সাধাৰণ ভাবেও আমি সকলোৱে অনুভৱ কৰো যে সকলো মানুহ সকলো কামৰ বাবে সমানে উপযুক্ত নহয়, আৰু কোনো মানুহ কোনো কামৰ বাবে সম্পূৰ্ণ ৰূপে অনুপযুক্তও নহয়। যি জন লোক যি কামৰ উপযুক্ত তেওঁক সেই কামৰ উৎকৃষ্ট শিক্ষা দিব লাগে। তেনে কৰিলেহে ব্যক্তিৰ অন্তৰ্নিহিত সম্ভাবনাযতাৰ পূৰ্ণ উপযোগ কৰিব পৰা যায়। দেশৰ মানৱ সম্পদ আৰু প্ৰাকৃতিক সম্পদৰো যথাৰ্থ প্ৰয়োগ সম্ভৱ হৈ উঠিব পাৰে। এই দৃষ্টিকোণৰ পৰা শিক্ষাত এই দিশৰ বিবেচনা বৰ্তমান অতি গুৰুত্বপূৰ্ণ বিষয় হৈ উঠিছে। এই ক্ষেত্ৰত আমাৰ ধাৰণা অধিক স্পষ্ট কৰি তুলিবৰ বাবে নিম্নলিখিত দিশসমূহৰ প্ৰতি আমাৰ বিশেষ দৃষ্টি নিক্ষেপ কৰাটো প্ৰয়োজন।

(১) বৌদ্ধিক ক্ষমতাৰ পাৰ্থক্য (Difference of intellectual ability): মনোবিজ্ঞানীসকলে আঙুলিয়াই দিছে যে ব্যক্তিৰ বৌদ্ধিক ক্ষমতাৰ ক্ষেত্ৰত থকা ভিন্নতাৰ বাবেই বিভিন্ন পৰিবেশত মানুহৰ প্ৰতিক্ৰিয়া আৰু আচৰণৰ পাৰ্থক্য পৰিলক্ষিত হয়। বুদ্ধিৰ ওপৰত নিৰ্ভৰ কৰিয়ে এজন লোকে তেওঁৰ নিজ পৰিবেশত দেখা দিয়া

পৰিস্থিতিসমূহৰ সন্মুখীন হয় আৰু তাৰ সমাধান কৰে। সেইবাবে মানুহৰ প্ৰতিক্ৰিয়া আৰু আচৰণসমূহৰ স্বৰূপ জানি উঠিবৰ বাবে বুদ্ধিৰ ক্ষেত্ৰত থকা ব্যক্তি-পাৰ্থক্যৰ প্ৰশ্ন আমাৰ বিবেচনাযোগ্য।

(২) **শৈক্ষিক যোগ্যতাৰ পাৰ্থক্য (Difference in educational ability):** অভিজ্ঞ শিক্ষক মাত্ৰেই অনুভৱ কৰে যে সকলো ছাত্ৰ-ছাত্ৰী সকলোবোৰ বিষয় অধ্যয়নৰ বাবে সমানে উপযুক্ত নহয়। কোনো এজন ছাত্ৰৰ কোনো এক বিশেষ বিষয় অধ্যয়নৰ ক্ষেত্ৰত তেওঁৰ ভৱিষ্যত সম্ভাৱনীয়তা উজ্জ্বল আৰু আনজন ছাত্ৰৰ একে-সম্ভাৱনীয়তা বিশেষ উৎসাহজনক নহয়। এনে ক্ষেত্ৰত শিক্ষকে একোটা বিষয়ৰ সাংগঠনিক উপাদানবোৰৰ স্বৰূপ জানি উঠি সেইমতে ছাত্ৰক শৈক্ষিক বিষয় অধ্যয়নৰ বাবে প্ৰয়োজনীয় শিক্ষা-নিৰ্দেশনা দিব লাগে। ইয়াৰ বাবে তেওঁ স্বাভাৱিকতেই ছাত্ৰসকলৰ শৈক্ষিক যোগ্যতাৰ ক্ষেত্ৰত থকা ব্যক্তি পাৰ্থক্যৰ দিশটোৰ লগত ভালদৰে পৰিচিত হব লাগে।

(৩) **অভিক্ষমতাৰ পাৰ্থক্য (Difference in aptitude):** বৰ্তমান মনসমীক্ষকসকলে (mental testers) ঠাৱৰ কৰিছে যে অভিক্ষমতা হৈছে ব্যক্তিৰ জন্মগত এক বিশিষ্ট মানসিক ক্ষমতা যাক পৰিবেশৰ অনুকূল পৰিস্থিতিয়ে আত্মপ্ৰকাশ কৰি তোলে। ব্যক্তিৰ এই অভিক্ষমতাৰ চিনাক্তকৰণ কৰি উপযুক্ত প্ৰশিক্ষণ দিব পাৰিলে তেওঁৰ ব্যক্তিগত যোগ্যতাৰ পূৰ্ণ উপযোগ কৰিব পৰা যায়। আন-হাতে ইয়াৰ অভাৱ হলে উৎকৃষ্ট প্ৰশিক্ষণেও ব্যক্তিৰ সফলতা লাভত আশানুৰূপ ফল দিব নোৱাৰে। সেইবাবে বৰ্তমান শিক্ষাবিদসকলে শিক্ষাৰ্থীৰ ব্যক্তিগতভাৱে নিহিত থকা এই অভিক্ষমতাৰ উপযুক্ত চিনাক্তকৰণত বিশেষ গুৰুত্ব দিছে।

(৪) **বৃত্তি নিৰ্বাচনৰ প্ৰয়োজন (Need of vocational selection):** বৰ্তমান সময়ত মানুহৰ বৃত্তি বা ব্যৱসায় নিৰ্বাচনৰ

প্ৰয়োজনীয়তাই ব্যক্তি-পাৰ্থক্য অধ্যয়নৰ তাৎপৰ্য্য বৃদ্ধি কৰি তুলিছে। প্ৰতিটো বৃত্তি বা ব্যৱসায়তেই বৰ্তমান বিজ্ঞান আৰু কাৰিকৰী বিজ্ঞানৰ প্ৰয়োগ কৰা হয়। ইয়াৰ ফলত আমাৰ বৃত্তিসমূহ গ্ৰহণৰ বাবে ব্যক্তিৰ বিশেষ বৃত্তীয় যোগ্যতাৰ নিৰ্বাচন কৰিব লগা হয়। ভিন ভিন বৃত্তিৰ বাবে আমাৰ হাত-ভৰি, চকু-কাণ আদিৰ ভিন ভিন প্ৰয়োগ ক্ষমতাৰ প্ৰয়োজন হয়। সেয়েহে বৃত্তীয় নিৰ্দেশনা দিবৰ বাবে ব্যক্তি-পাৰ্থক্যৰ অধ্যয়ন আমাৰ প্ৰয়োজন।

(৫) **বিশেষিকৰণৰ প্ৰয়োজন :** (Need of specialisation) বৰ্তমান সময়ক বিশেষিকৰণৰ যুগ বুলি জনা যায়। প্ৰতিযোগিতা-মূলক বৰ্তমানৰ সমাজত নিজকে প্ৰতিষ্ঠা লাভ কৰি উঠিবৰ বাবে আমাক সাধাৰণ জ্ঞানৰ পৰিবৰ্তে বিশিষ্ট জ্ঞান অভিজ্ঞতাৰহে প্ৰয়োজন। বিশিষ্ট জ্ঞানৰ বিশেষজ্ঞসকলেহে সেই সেই বিষয়ৰ সমস্যা উপযুক্ত ভাবে অধ্যয়ন আৰু সমাধান কৰিব পাৰে। বৰ্তমান সময়ত শ্ৰম বিভাজনৰ (division of labour) ব্যৱস্থাই স্বাভাৱিকতেই আমাৰ ক্ৰিয়া-কলাপত ব্যক্তি-পাৰ্থক্যৰ প্ৰশ্ন বিশেষভাৱে জড়িত কৰি তুলিছে।

(৬) **বৰ্ধিত উৎপাদন আৰু উন্নত গুণমানৰ প্ৰয়োজন** (Need of increased productivity and improved quality) **:** পৃথিৱীৰ সকলো দেশেই বৰ্তমান শিক্ষাৰ অৰ্থনৈতিক দিশটোৰ প্ৰতি অধিক আত্ম-সচেতন হৈ উঠিছে। দেশৰ অৰ্থনৈতিক উৎপাদন বৃদ্ধি কৰা আৰু উৎপাদিত সামগ্ৰীৰ গুণমান উন্নত কৰি তোলাটো লক্ষ্যত পৰিণত হৈছে। ইয়াৰ প্ৰধান কাৰণ হৈছে ক্ৰমে বৰ্ধিত জনসংখ্যাৰ চাহিদা পূৰণ কৰা আৰু আন্তৰ্জাতিক ক্ষেত্ৰত আত্মপ্ৰতিষ্ঠা লাভ কৰা। এই দুযোটা অৰ্থনৈতিক প্ৰয়োজন পূৰণ কৰাটো সম্ভৱ কৰি তুলিবৰ বাবে ব্যক্তি পাৰ্থক্যৰ ভিত্তিত বিশেষ শিক্ষাৰ ব্যৱস্থা কৰিব লাগে।

(৭) **জন-শক্তিৰ শদ্ব্যৱহাৰ** (Utilisation of man power)ঃ এখন দেশৰ জনসংখ্যা মানেই তাৰ জন-শক্তিক সুবুজায়। এই জনসংখ্যা জন-শক্তিত পৰিণত কৰিবৰ বাবে প্ৰতিজন লোকৰে নিজ নিজ অন্তর্নিহিত শক্তিৰ উদ্ভাৱন আৰু তাৰ যথোচিত প্ৰশিক্ষণৰ প্ৰয়োজন। এনে কাৰ্য্যৰ যোগেদিহে সেই দেশৰ মানৱ সম্পদ তাৰ আৰ্থ-সামাজিক দিশত বিকাশৰ আহিলা স্বৰূপে প্ৰয়োগ কৰিব পাৰি। এনে কৰাটো সম্ভৱ হৈ নুঠিলে দেশৰ বৰ্ধিত জনসংখ্যাই গধুৰ বোজাত পৰিণত হৈ উঠি জটিল অৰ্থ নৈতিক আৰু সামাজিক সমস্যাৰ সৃষ্টি কৰিব পাৰে। ব্যক্তি-পাৰ্থক্য অনুসৰি শিক্ষাৰ প্ৰয়োজনীয় ব্যৱস্থা কৰিব পৰা বাবেই বৰ্ত্তমান বিকাশশীল দেশবোৰে মানৱ সম্পদৰ পূৰ্ণ উপযোগ কৰি উঠিব পাৰিছে।

শৈক্ষিক নিৰ্দেশনা (Educational Guidance) ঃ

ব্যক্তি-পাৰ্থক্যৰ প্ৰশ্ন সম্বন্ধে কৰা অধ্যয়ন আৰু বিশ্লেষণ কাৰ্য্যই স্বাভাৱিকতেই আমাক শিক্ষা-নিৰ্দেশনা দিশৰ প্ৰতি আত্মসচেতন কৰি তোলে। শিক্ষাত নতুন নতুন পৰিৱৰ্ত্তন আনি দিয়া প্ৰয়োজনৰ ভিতৰত শিক্ষা-নিৰ্দেশনাৰ প্ৰয়োজনো বৰ্ত্তমান অন্যতম স্বৰূপে বিবেচনা কৰা হয়। আধুনিক শিক্ষাৰ ক্ৰমবৰ্ধিত জটিলতাই ছাত্ৰ আৰু শিক্ষকৰ বাবে শিক্ষা-নিৰ্দেশনাৰ প্ৰয়োজন অধিক বৃদ্ধি কৰি তুলিছে। পুৰণি কালত খেতিয়কৰ পুতেক খেতিয়ক, কাৰিকৰৰ পুতেক কাৰিকৰ আৰু পণ্ডিতৰ পুতেক পণ্ডিত হোৱা গতানুগতিক আৰু বংশানুক্ৰমিক শিক্ষাব্যৱস্থা থকা বাবে শিক্ষাৰ প্ৰয়োজনীয় নিৰ্দেশনা পৰিয়ালৰ মাজতেই আবদ্ধ আছিল। যন্ত্ৰৰ প্ৰয়োগ আৰু কাৰিকৰী জ্ঞানৰ ক্ৰিয়া-কৌশলো অতি সীমিত বিধৰ আছিল। বৰ্ত্তমান এনে অৱস্থাৰ পৰিৱৰ্ত্তন হৈছে। আধুনিক শিক্ষাত গণতান্ত্ৰিক ভাবধাৰাই (democratic concept) সকলো লোককে নিজ যোগ্যতা আৰু ক্ষমতা অনুসৰি বিকাশৰ স্বাধীনতা আৰু সুবিধা দান

কৰিছে। মানুহৰ শিক্ষা-অভিজ্ঞতা, ব্যৱসায-বৃত্তি আদি জাতিগত, বংশগত অথবা উত্তৰাধিকাৰ স্বৰূপ বিবেচিত হোৱাৰ পৰিবৰ্তে বৰ্তমান ইযাক ব্যক্তিৰ অন্তৰ্নিহিত যোগ্যতা, আগ্ৰহ অভিৰুচি আৰু ক্ৰিয়াপটুতাৰ ভিত্তিতহে বিবেচনা কৰা হয। সেইবাবে প্ৰতিজন লোকেই নিজ যোগ্যতাৰ আত্মপ্ৰকাশ আৰু বিকাশৰ সুযোগ সুবিধা লাভ কৰিব লাগে। ই হৈছে গণতান্ত্ৰিক শিক্ষাব্যৱস্থাৰ মূল নীতি আৰু আদৰ্শ। এনে কথাৰ বিবেচনাৰে সেযেহে বৰ্তমানৰ শিক্ষা-নিৰ্দেশনাৰ প্ৰযোজনীযতা বহুল ভাৱে অনুভৱ কৰা হয।

নিৰ্দেশনাৰ অৰ্থ (Meaning of guidance) **:**

শিক্ষা-নিৰ্দেশনাক বহল আৰু সাধাৰণ অৰ্থত আমি সকলোৱে বুজি পাওঁ। সেইমতে কব পাৰি যে জীৱনৰ লক্ষ্য সাধনৰ বাবে ব্যক্তিৰ প্ৰতি আগবঢ়োৱা সহায-সহানুভূতি, উপদেশ আৰু পৰামৰ্শ আদিয়েই হৈছে নিৰ্দেশনা। এনে নিৰ্দেশনা ব্যক্তিৰ জন্মৰ পৰা মৃত্যুলৈকে জীৱনৰ সকলো পৰিস্থিতিত আৰু বিকাশৰ প্ৰতিটো পৰ্যাযত প্ৰযোজন হয। অৱশ্যে এনে বহল অৰ্থই আমাৰ আলোচ্য বিষয়ৰ প্ৰায়োগিক অৰ্থ স্পষ্ট ভাৱে প্ৰকাশ কৰিব নোৱাৰে। সেই-বাবে বিশেষজ্ঞসকলে প্ৰযোগ কৰা ইযাৰ প্ৰায়োগিক অৰ্থ এই প্ৰসংগত বিবেচনা কৰাটো প্ৰযোজন।

জ'নচ (Jones) নামৰ এজন বিশেষজ্ঞৰ মতে নিৰ্দেশনা হৈছে ব্যক্তিয়ে তেওঁৰ প্ৰযোজনসমূহ জানি উঠাত সহায কৰা কাৰ্য। ইযাৰ দ্বাৰা তেওঁ নিজ সম্ভাৱনীযতাসমূহৰ মূল্যাযন কৰিব পাৰে আৰু তাৰ যোগেদি ব্যক্তিগত আৰু সামাজিক দিশত লক্ষ্য সাধন কৰি উঠিব পাৰে। **(Guidance may be said to have as is purpose helping the individual to discover his needs, to assess his potentialities gradually to develop life goals that are individully satisfying and socially desirable).**

ষ্ট্ৰেঙৰ (Strang) মতে নিৰ্দেশনা হৈছে প্ৰতিটো শিশুক তাৰ

সম্ভাৱনীয়তা অনুযায়ী সৰ্বাধিক বিকাশ সাধন কৰি তোলা কাৰ্য্য। (The purpose of guidance is to promote the maximum development of each child in terms of the possibilities available to him).

প্ৰোকটৰ (Proctor) মতে নিৰ্দেশনা হৈছে কোনো ব্যক্তি অথবা দলক তেওঁলোকৰ নিজ পৰিবেশত সমাযোজন স্থাপনত সহায় কৰা এক সেৱা কাৰ্য্য বিশেষ (Guidance is a service designed to help one individual or group of individuals of making necessary adjustment to the environment)

ট্ৰেক্সলাৰ (Traxler) নিৰ্দেশনা কাৰ্য্যৰ তিনিটা স্পষ্ট পৰ্য্যায় আঙুলিয়াই দি কয় যে ই হৈছে (ক) ব্যক্তিক চিনাক্তকৰণ কৰা কাৰ্য্য (খ) ব্যক্তিয়ে বিকাশলাভ কৰিব পৰাকৈ অৱস্থাৰ সৃষ্টি কৰা কাৰ্য্য আৰু (গ) ব্যক্তিৰ সম্ভাব্য সামাজিক আৰু অৰ্থনৈতিক দিশত সম্ভাব্য সৰ্বাধিক নিৰাপত্তা দান কৰা কাৰ্য্য। (a) recognising and understanding of an individual (b) creating condition (c) achieving maximum possible self guidance and security)

ওপৰত উল্লেখ কৰা সংজ্ঞা কেইটাৰ সাৰাংশ স্বৰূপে নিৰ্দেশনা সম্বন্ধে আমাৰ গ্ৰহণযোগ্য কেতবোৰ বৈশিষ্ট্য নিম্নলিখিত ভাৱে উপস্থাপন কৰিব পাৰি।

(১) নিৰ্দেশনা হৈছে এক সুসংগঠিত আৰু সুপৰিকল্পিত কাৰ্য্য, ই কোনো প্ৰাসংগিক বিধৰ পৰামৰ্শদান কাৰ্য্য নহয়।

(২) এই কাৰ্য্যই ব্যক্তিক নিজ অস্তিত্ব আৰু ক্ষমতা অনুভৱ কৰি উঠাত সহায় কৰে।

(৩) নিৰ্দেশনা হৈছে ব্যক্তিক নিজ পৰিবেশত সুস্থ সমাযোজন স্থাপনত সহায় কৰা কাৰ্য্য।

(৪) ই এক ধাৰাবাহিক, গতিশীল আৰু ব্যক্তিৰ উদ্দেশ্য প্ৰণোদিত কাৰ্য্য ব্যৱস্থা।

(৫) ইয়াক ব্যক্তিৰ অন্তর্নিহিত সম্ভাৱনীয়তাসমূহৰ পূর্ণ উপযোগ-কৰণ কাৰ্য্য বুলিব পাৰি।

(৬) নির্দেশনাক ব্যক্তিৰ আত্ম-উপলব্ধি আৰু মানসিক নিৰাপত্তা অনুভৱত সহায় কৰা কাৰ্য্য বুলিব পাৰি।

(৭) ই ব্যক্তিৰ পথভ্ৰষ্ট হোৱা অথবা ব্যক্তিত্বৰ অপচয় হোৱাৰ পৰা ৰক্ষা কৰা কাৰ্য্যও বুলিব পাৰি।

নির্দেশনা আৰু পৰামৰ্শদান (Guidance and counselling) ঃ

সচৰাচৰ 'নির্দেশনা' আৰু 'পৰামর্শদান'ৰ মাজত অর্থৰ পার্থক্যৰ প্রতি বিশেষ সচেতন হোৱা নাযায়। দুয়োটা শব্দ প্রায় একে অর্থতেই প্রয়োগ কৰা হয়। কিন্তু সূক্ষ্ম বিবেচনাৰে চাবলৈ গ'লে এই দুয়োটা শব্দৰেই অর্থৰ গুণগত তাৎপর্য্য আছে, যাৰ প্রতি লক্ষ্য ৰখাটো প্রয়োজন। নির্দেশনা হৈছে এক বহল পৰিসৰৰ ধাৰণা যি আমাৰ জীৱনৰ বিভিন্ন ক্ষেত্ৰত ব্যাপক ভাৱে প্রয়োজন হয়। ই এক ধাৰাবাহিক আৰু সুসংগঠিত কাৰ্য্য যি ব্যক্তিৰ লক্ষ্য সাধন সম্ভৱ কৰি তুলিব পাৰে। বহল অর্থত আমাৰ শিক্ষাগ্ৰহণ কাৰ্য্যকো নির্দেশনাৰ অন্তর্ভুক্ত কৰিব পাৰি। ইয়াৰ সাধাৰণ বৈশিষ্ট্যসমূহ ওপৰত উল্লেখ কৰি অহা হৈছে।

পৰামর্শদান বা ইংৰাজী 'counselling' শব্দটো নির্দেশনা কাৰ্য্যৰ অন্তর্ভুক্ত স্বৰূপে এক বিশিষ্ট অর্থত প্রয়োগ কৰা হয়। নির্দেশনা কাৰ্য্যৰ বহল পৰিসৰৰ ভিতৰত পৰামর্শদান কাৰ্য্য এক বিশেষ ক্রিয়া ব্যৱস্থা স্বৰূপে বিবেচনা কৰা হয়। বিশেষজ্ঞসকলৰ মতে পৰামর্শদান কাৰ্য্য হৈছে দুজন ব্যক্তিৰ মাজত কোনো বিষয়ৰ সম্বন্ধে কৰা মতৰ বিনিময় কাৰ্য্য। ইয়াত পৰামর্শদানকাৰী আৰু পৰামর্শ গ্রহণকাৰী স্বৰূপে দুজন ব্যক্তি জড়িত থাকে। এজনে কোনো ব্যক্তিগত সমস্যা বা প্রয়োজনৰ সন্মুখীন হৈ পৰামর্শ বিচাৰে আৰু আনজনে নিজৰ বিশিষ্ট জ্ঞান আৰু কাৰ্য্যকৰী অভিজ্ঞতাৰে সেই

পৰামৰ্শ দান কৰে। এই ক্ষেত্ৰত চিকিৎসকে ৰোগীক দিয়া পৰামৰ্শ আৰু উকীলে তেওঁৰ মক্কেলক দিয়া পৰামৰ্শ ইয়াৰ অন্তৰ্ভুক্ত কৰিব পাৰি। পৰামৰ্শ দান কাৰ্য্যৰ বাবে পৰামৰ্শ প্ৰাৰ্থীৰ প্ৰয়োজনভিত্তিক ইচ্ছা, আগ্ৰহ, আন্তৰিকতা আৰু মানসিক প্ৰস্তুতিৰ প্ৰয়োজন। সেইদৰে পৰামৰ্শদাতাৰো ব্যক্তিগত জ্ঞান-অভিজ্ঞতা, আন্তৰিকতা আৰু সহানুভূতিৰ মনোভাবেৰে সহায় কৰিব পৰা ক্ষমতাৰ প্ৰয়োজন হয়। বৰ্তমান সময়ত বিভিন্ন দিশৰ আৰ্থসামাজিক আৰু ব্যৱসায়িক জটিলতাৰ বাবে চাই আমাৰ বিভিন্ন দিশত বিশেষজ্ঞ লোকৰ পৰামৰ্শ গ্ৰহণৰ প্ৰয়োজন হৈ পৰিছে।

আমাৰ এই বিষয়ৰ ধাৰণা অধিক স্পষ্ট কৰি তুলিবৰ বাবে পৰামৰ্শদানৰ কেতবোৰ বৈশিষ্ট্য নিম্নলিখিত ভাবে উল্লেখ কৰিব পাৰি।

(১) পৰামৰ্শদান হৈছে দুজন ব্যক্তিৰ মাজত মতৰ বিনিময় কৰা কাৰ্য্য যাৰ যোগেদি পৰামৰ্শ গ্ৰহণকাৰী ব্যক্তিগত ভাবে উপকৃত হ'ব পাৰে।

(২) পৰামৰ্শদানৰ বাবে ব্যক্তি ব্যৱসায়িক ভাবে নিৰ্দিষ্ট বিষয়ত প্ৰশিক্ষণপ্ৰাপ্ত আৰু কাৰ্য্যকৰী অভিজ্ঞতালব্ধ হব লাগে।

(৩) পৰামৰ্শদানৰ মূল উদ্দেশ্য হৈছে ব্যক্তিক তেওঁৰ বাস্তৱ সমস্যাৰ সমুখীন হোৱাত আৰু তাক ব্যক্তিগত ভাবে সমাধান কৰাত সহায় কৰা।

(৪) এই কাৰ্য্যৰ বাবে পৰামৰ্শদাতাৰ মনত পৰামৰ্শ গ্ৰহণকাৰীৰ প্ৰতি সহায় সহানুভূতি আৰু আন্তৰিকতাৰ মনোভাব থাকিব লাগে।

(৫) পৰামৰ্শদান কাৰ্য্যৰ যোগেদি ব্যক্তি মনত কোনো বিষয়ৰ প্ৰতি থকা নেতিবাচক মনোভাব অথবা অজ্ঞতা গুচাই এক সুস্থ ইতিবাচক মনোভাব গঢ় দি তোলা হয়।

(৬) এই কাৰ্য্যৰ যোগেদি পৰামৰ্শ গ্ৰহণকাৰীয়ে তেওঁৰ পূৰ্বৰ দৃষ্টিভংগী সলনি কৰি পৰিস্থিতিৰ সুস্থ সমাযোজন কৰিব পৰাকৈ নতুন দৃষ্টিভংগী গ্ৰহণ কৰে।

শৈক্ষিক নিৰ্দেশনা কাক বোলে? (What is educational guidance ?)

নিৰ্দেশনাৰ প্ৰচুৰ সম্ভাৱনাযতা আৰু ব্যাপক প্ৰয়োজনীয়তা শিক্ষা ক্ষেত্ৰতেই অধিক ভাবে পৰিলক্ষিত হয়। অৱশ্যে বৰ্তমান নিৰ্দেশনাৰ প্ৰয়োজনীযতা মানব অভিজ্ঞতাৰ বিভিন্ন দিশলৈ সম্প্ৰসাৰিত হৈছে। ক্ৰিয়া বিশেষীকৰণৰ ফলত সকলোৰে বাব কাৰিকৰী বিষয়ৰ ক্ৰিয়া অভিজ্ঞতাৰ ক্ষেত্ৰতেই নিৰ্দেশনাৰ প্ৰয়োজন হৈ পৰিছে। কল-কাৰখানা, খেতি-পথাৰ অফিচ, দপ্তৰ, বেংক সেৱা, ওকালতি, চিকিৎসা বিভাগ, ব্যৱসায় প্ৰতিষ্ঠান, গৱেষণাগাৰ আদি সকলোতে ইয়াৰ প্ৰয়োজন হয়। সি যি কি নহওক, শৈক্ষিক নিৰ্দেশনা বুলিলে আমি নিৰ্দেশনা কাৰ্য্য, ছাত্ৰক দিয়া শিক্ষা-অভিজ্ঞতাৰ মাজতেই সীমিত কৰি ৰাখো।

আধুনিক শিক্ষাৰ গুৰু দায়িত্ব হৈছে ছাত্ৰৰ অন্তৰ্নিহিত প্ৰতিভা আৰু ক্ষমতাৰ চিনাক্তকৰণ কৰা আৰু সেই অনুক্ৰমে তাৰ বিকাশত সহায় কৰা। সেইবাবে শিক্ষকৰ সমগ্ৰ শিক্ষা দায়িত্ব এক নিৰ্দেশনা কাৰ্য্যৰ বাহিৰে আন একো নহয়। শিক্ষানুষ্ঠানত দিয়া শিক্ষাৰ শ্ৰেণীৰ ভিতৰত যি ব্যাপক পৰিসৰৰ পাঠ্যসূচী আৰু কাৰ্য্যসূচী তাত অংশ গ্ৰহণৰ বাবে ছাত্ৰসকলক ভিন ভিন ভাবে দিহা-পৰামৰ্শ দিব লাগে। পাঠ্যক্ৰমৰ কোনবোৰ বিষয় তেওঁলোকৰ বাবে ব্যক্তিগত ভাৱে উপযোগী, পাঠ্যগ্ৰহণ আৰু আয়ত্তকৰণৰ বাবে কেনে শিক্ষণ পদ্ধতি বা প্ৰক্ৰিয়া গ্ৰহণ কৰিব লাগে, কেনেবোৰ শিক্ষণ সঁজুলি তাৰ বাবে প্ৰয়োগ কৰিব লাগে, সহ-পাঠ্যক্ৰমৰ কাৰ্য্যসূচীৰ কেনেবোৰ দিশত কিদৰে অংশগ্ৰহণ কৰি অৱসৰ সময় সাৰ্থক ভাবে কটাব লাগে, ব্যক্তিত্বৰ কেনেবোৰ প্ৰয়োজনীয় গুণ বা সংলক্ষণ গঢ় দি তুলি সমাজত

নিজকে সুস্থ সমাযোজন কৰিব লাগে, দেশ আৰু সমাজৰ প্ৰতি কেনেদৰে আনুগত্য আৰু অনুশাসনৰ ভাব প্ৰকাশ কৰিব লাগে, নিজ দেহ-মানসিক স্বাস্থ্য ৰক্ষাৰ বাবে কাৰ্য্যসূচী গ্ৰহণ কৰিব লাগে, নিজ যোগ্যতা আৰু সম্ভাৱনীযতাৰ ভিত্তিত ভৱিষ্যতৰ বাবে কেনে বৃত্তি বা ব্যৱসাযৰ প্ৰশিক্ষণ লব লাগে এই সকলোবোৰ কথা স্কুলৰ শৈক্ষিক নিৰ্দেশনাৰ অন্তৰ্ভুক্ত। চমুকৈ কবলৈ গ'লে ছাত্ৰসকলক নিজকে জানি উঠাত সহায কৰিবলৈ আৰু সেইমতে নিজকে প্ৰস্তুত কৰি তুলিবলৈ শিক্ষকৰ ফালৰ পৰা যি সহায় সহানুভূতিৰ আৰু তৎপৰতাৰ প্ৰযোজন তাকে শৈক্ষিক নিৰ্দেশনা বুলিব পাৰি।

শিক্ষা-ক্ষেত্ৰত নিৰ্দেশনাৰ প্ৰয়োজনীয়তা (Need of guidance in education) ঃ

বৰ্তমানৰ শিক্ষাত ক্ৰম জটিলতা বৃদ্ধি হৈ উঠাৰ লগে লগে শৈক্ষিক নিৰ্দেশনাৰ প্ৰযোজনীযতাও ক্ৰমে অধিক ভাবে অনুভৱ কৰি উঠা হৈছে। পুৰণি কালত শিক্ষাদান কাৰ্য্য আৰু ইয়াৰ ক্ৰিয়া পৰিসৰো আছিল অতি সীমিত বিধৰ। গুৰুৰ ঘৰত মৌখিক ভাবে অনুকৰণ কৰি ধৰ্মীয গ্ৰন্থৰ শিক্ষা আযত্তকৰণেই ছাত্ৰৰ বাবে যথেষ্ট স্বৰূপে বিবেচিত হৈছিল। বৰ্তমান এই অৱস্থাৰ পৰিবৰ্তন হৈছে। মৌখিক আৰু পুথিগত জ্ঞান দান আৰু তাৰ যুক্তিহীন ভাবে অন্ধ অনুকৰণৰ পৰিবৰ্তে ছাত্ৰক তাৰ আত্ম-শিক্ষা প্ৰচেষ্টাৰ বাবে প্ৰযোজনীয় নিৰ্দেশনা দিয়াটোহে বৰ্তমান শিক্ষকৰ কৰ্তব্য স্বৰূপে বিবেচনা কৰা হয। আজিৰ শিক্ষাত শিক্ষকৰ ভূমিকা হৈছে পৰোক্ষ কিন্তু অধিক দায়িত্বপূৰ্ণ। এনে দৃষ্টিভংগীযে স্বাভাবিকতেই শিক্ষাত নিৰ্দেশনাৰ প্ৰযোজনীযতা অধিক বৃদ্ধি কৰি তুলিছে। এই প্ৰয়োজনৰ প্ৰতি লক্ষ্য ৰাখি ১৯৫৩ চনৰ মাধ্যমিক শিক্ষা আয়োগে নিৰ্দেশনা সম্বন্ধে দিয়া প্ৰতিবেদনৰ পৰামৰ্শাৱলী মন কৰিবলগীয়া। আয়োগে মত প্ৰকাশ কৰে, "ভাল শিক্ষাৰ ৰহস্য এয়ে যে ই ছাত্ৰ-ছাত্ৰীক তেওঁলোকৰ নিজ

প্ৰতিভা আৰু ক্ষমতাৰ বিষয়ে অনুভৱ কৰাত সহায় কৰে আৰু কেনেদৰে আৰু কি পৰিমাণে তাৰ বিকাশ লাভ কৰি উপযুক্ত ভাবে সামাজিক সমাযোজন আৰু কৰ্মনিযোগ সাধন কৰি উঠিব লাগে।" (The secret of good education consists in enabling the student to realise what are his talents and aptitudes and in what manner and to what extent he can best develop them so as to achieve proper social adjustment and seek right type of employment; * এই প্ৰসংগত অধিক বিস্তৃত আলোচনালৈ নগৈ শিক্ষাত নিৰ্দেশনাৰ প্ৰয়োজনীয়তা সম্বন্ধে তলত উল্লেখ কৰা দিশ কেইটাৰ প্ৰতি আমাৰ দৃষ্টি নিক্ষেপ কৰিব পাৰি।

(১) শৈক্ষিক বিকাশৰ প্ৰয়োজন (Need of academic development) **:** মনোবৈজ্ঞানিক ভাবে ছাত্ৰই প্ৰতিটো পাঠ্য বিষয় অধ্যয়নৰ বাবে একোটা বিশিষ্ট শৈক্ষিক ক্ষমতা বা যোগ্যতাৰ প্ৰয়োজন। বিষয় সাপেক্ষে ছাত্ৰৰ এনে যোগ্যতা আশানুৰূপ ভাবে থকা নথকাৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষকে ছাত্ৰক তাৰ অধ্যয়নৰ নিৰ্দেশনা দিব লাগে। বহু সময়ত দেখা যায় যে ছাত্ৰই অধ্যয়নৰ বিষয়বস্তুৰ স্বৰূপ বুজি উঠিব নোৱাৰা বাবে অথবা অভিভাবকৰ হেঁচাত পৰি ভুলকৈ বিষয় নিৰ্বাচন কৰি শৈক্ষিক জীৱনত খেলি মেলি আৰু এক লক্ষ্যভ্ৰষ্ট অৱস্থাৰ সৃষ্টি কৰে। ইয়াৰ উপৰি দেখা যায় যে কোনো কোনো ছাত্ৰই শিক্ষাৰ একো একোটা বিশেষ দিশত ব্যক্তিগত ভাবে দুৰ্বলতা আৰু অক্ষমতা অনুভৱ কৰে। পঠন-অক্ষমতা, ব্যাকৰণৰ দুৰ্বলতা, গণিতৰ প্ৰতি দুৰ্বলতা, দৃষ্টি-শ্ৰৱণ শক্তিৰ দুৰ্বলতা আদি এই প্ৰসংগত উল্লেখযোগ্য। ছাত্ৰৰ দুৰ্বলতাৰ এনেবোৰ দিশ চিনাক্তকৰণ কৰি তাৰ প্ৰয়োজনীয় নিৰ্দেশনাৰ ব্যৱস্থা কৰাটো শিক্ষকৰ কৰ্তব্য।

---

* *Report of the Secondary Education Commission, 1952-53. Page 31. Ministry of Education, Govt. of India.*

(২) বৃত্তীয় নিৰ্বাচনৰ প্ৰয়োজন (Need of vocational selection) **:** শিক্ষা প্ৰধানকৈ আমাৰ বৃত্তীয় জীৱনৰ বাবেই প্ৰয়োজন হয়। আধুনিক শিক্ষাৰ এক প্ৰধান লক্ষ্য হৈছে ছাত্ৰক অৰ্থ নৈতিক ভাবে উৎপাদনশীল আৰু স্বাৱলম্বী কৰি তোলা। সেইবুলি সকলো ছাত্ৰকেই সকলোবোৰ বৃত্তিমূলক আৰু উৎপাদনমূলক ক্ৰিয়াবেই সমানে উপযোগী বুলি বিবেচনা কৰিব নোৱাৰি। এই ক্ষেত্ৰত ব্যক্তি পাৰ্থক্যৰ প্ৰশ্ন গভীৰ ভাবে জড়িত। বিভিন্ন বৃত্তিৰ বিশেষতা অনুসৰি তাক আয়ত্ত কৰাৰ বাবে কোনবোৰ বিশিষ্ট যোগ্যতাৰ প্ৰয়োজন, তেনেবোৰ যোগ্যতা তথা সম্ভাৱনীয়তা কোনবোৰ ছাত্ৰৰ ব্যক্তিত্বত অন্তৰ্নিহিত হৈ আছে আৰু সেই যোগ্যতাৰ আশানুৰূপ বিকাশত বিদ্যাৰ সহায়-সহানুভূতি আৰু শৈক্ষিক প্ৰণোদন যোগাব পাৰি এই-সমূহ কম গুৰুত্বপূৰ্ণ কথা নহয়। ইয়াৰ উপৰি বৰ্তমান বৃত্তীয় জগতত আমি ভাবিব নোৱাৰা ধৰণে বৃত্তিসমূহৰ পৰিবৰ্তন সাধন হৈছে। বিজ্ঞান আৰু কাৰিকৰী বিজ্ঞানৰ প্ৰয়োগ আমাৰ দ্ৰুত আধুনিকী-কৰণৰ পথলৈ লৈ যোৱাৰ লগে লগে জীৱন আৰু জীৱিকাৰ চাহিদা অধিক বৃদ্ধি পাই উঠিছে। কাৰিকৰী বিজ্ঞানভিত্তিক নতুন নতুন বৃত্তীয় সম্ভাৱনীয়তাই বৰ্তমান দেখা দিছে। এই দিশৰ প্ৰতি ছাত্ৰৰ দৃষ্টি আকৰ্ষণ কৰি তোলাটো আৰু তাৰ বাবে প্ৰয়োজনীয় নিৰ্দেশনা দিয়াটো সময়ৰ এক প্ৰত্যাহ্বান স্বৰূপ বুলি গণ্য কৰিব পাৰি।

(৩) অৱসৰ সময়ৰ শিক্ষাৰ প্ৰয়োজন (Need of education for leisure) **:** অৱসৰ সময় কটাবৰ বাবে দিয়া শিক্ষাই ছাত্ৰৰ সূক্ষ্ম কলাত্মক আৰু সৃজনাত্মক অনুভূতি আৰু প্ৰবৃত্তিসমূহ বিকশাই তুলি সুস্থ ব্যক্তিত্ব গঢ় দি তুলিব পাৰে। ব্যক্তিৰ মানবীয় অনুভূতি-সমূহো ইয়াৰ যোগেদি সাৰ্থক ভাবে বিকশাই তুলিব পাৰি। উল্লেখ-যোগ্য যে শ্ৰেণীকক্ষত পাঠ্য বিষয়ৰ শিক্ষা দিনটোৰ অতি কম সময়ৰ বাবেহে ছাত্ৰক দিয়া হয়। ইয়াৰ উপৰি স্কুলৰ দীঘলীয়া বন্ধ আৰু

শিক্ষা বিৰতিৰ কালছোৱাত ছাত্ৰই কৰ্মহীন ভাবে কটাব লাগে। এই সময়খিনি কিদৰে সাৰ্থক ভাৱে গঠনাত্মক ক্ৰিয়াৰ যোগেদি কটাব পাৰি তাৰ প্ৰয়োজনীয় শিক্ষা-নিৰ্দেশনাৰ আৱশ্যকতা বৰ্তমান বিশেষ ভাবে অনুভৱ কৰা হৈছে। ছাত্ৰ-ছাত্ৰীৰ নিজ যোগ্যতা আৰু আগ্ৰহ অভিৰুচিৰ ওপৰত ভিত্তি কৰি স্কুলৰ সহ-পাঠ্যক্ৰমৰ ক্ৰিয়া-কলাপ 'হবি' (hobby) স্বৰূপে বাচি লোৱাত শিক্ষকে সহায় কৰিব পাৰে। উল্লেখযোগ্য যে আমাৰ দেশৰ স্কুলসমূহৰ শতকৰা প্ৰায় ১০ ভাগ ছাত্ৰ-ছাত্ৰীয়েহে সহ-পাঠ্যক্ৰমৰ কাৰ্য্যসূচীবোৰত অংশগ্ৰহণ কৰাটো লক্ষ্য কৰা হৈছে। *

(৪) **সামাজিক সমাযোজনৰ প্ৰয়োজন** (Need of social adjustment) : বৰ্তমানৰ নতুন ধাৰণা মতে স্কুলক এখন বিশেষ সমাজ বা ক্ষুদ্ৰ সমাজ স্বৰূপে গণ্য কৰা হয়। সেইমতে শিক্ষাই ছাত্ৰ-সকলৰ সামাজিক গুণ বা সংলক্ষণসমূহ বিকশাই তোলাটো প্ৰয়োজন। বৃহত্তৰ সমাজখনৰ সাংস্কৃতিক, ধৰ্মীয় আৰু অৰ্থনৈতিক পৰিস্থিতিৰ লগত খাপ খুৱাই লব পৰাকৈ ছাত্ৰসকলক শিক্ষা নিৰ্দেশনাৰ প্ৰয়োজন। বিভিন্ন সামাজিক পৰিস্থিতিত নেতৃত্ব প্ৰদানৰ বাবে কেনে ভূমিকা গ্ৰহণ কৰিব লাগে, বন্ধুত্ব-ভ্ৰাতৃত্ব-সমতা-সামাজিক ন্যায় আদি গণতান্ত্ৰিক আদৰ্শসমূহ কিদৰে পালন কৰিব লাগে আৰু নিজ দায়িত্ব আৰু অধিকাৰ কিদৰে সাব্যস্ত কৰিব লাগে এইসমূহৰ প্ৰণালী-বদ্ধ শিক্ষা নিৰ্দেশনাৰ প্ৰয়োজন। ছাত্ৰৰ মনত দেশৰ গ্ৰহণযোগ্য নীতি-নিয়মসমূহৰ প্ৰতি আস্থা, নিষ্ঠা, আনুগত্য আৰু অনুশাসনৰ ভাব জগাই তুলিবৰ বাবেও নিৰ্দেশনাৰ প্ৰয়োজন।

(৫) **নৈতিক মূল্যবোধৰ প্ৰয়োজন** (Need of moral values) : ছাত্ৰ-ছাত্ৰীৰ নৈতিক জীৱনৰ সুস্থতা ৰক্ষাৰ বাবেও

---

* *S. K Kochhor : Educational and Vocational Guidance in Secondary Schools. Page 30. Revised and Enlarged Edition, 1984.*

নির্দেশনাৰ প্ৰয়োজন। তেওঁলোকৰ মনত স্বাভাৱিকতেই ন্যায়-অন্যায়, উচিত-অনুচিত আৰু পাপ-পুণ্যৰ নৈতিক অনুভূতি জাগি উঠে। ইয়াক সুস্থ ভাবে পৰিচালনা কৰি ছাত্ৰ-ছাত্ৰীৰ নৈতিক মনোবল আৰু মনোভাব শিক্ষকে গঢ় দি তুলিব লাগে। কৈশোৰ কালত যুৱক-যুৱতীয়ে তেওঁলোকৰ এই নৈতিক চেতনাৰ প্ৰভাৱৰ দ্বাৰা জীৱনৰ এক লক্ষ্য-আদৰ্শ অথবা জীৱন-দৰ্শন গঢ় দি তুলিবলৈ বিচাৰে। এজন আদৰ্শ নায়ক বাচি লৈ নিজৰ ভাব-অনুভূতি আৰু ক্ৰিয়া-কলাপ সেই-মতে গঢ় দি তোলে। এই ক্ষেত্ৰত শিক্ষক-অভিভাৱকসকলে উপযুক্ত নির্দেশনাৰ দ্বাৰা তেওঁলোকৰ মনত সুস্থ আদৰ্শ আৰু নৈতিক মূল্যবোধ গঢ় দি তোলাত সহায় কৰিব পাৰে। ইয়াৰ উপৰি সমাজত সংঘটিত হোৱা বিভিন্ন অনৈতিক আৰু অনুচিত ক্ৰিয়া-কলাপে কিশোৰ-কিশোৰীসকলৰ মনত তেওঁলোকৰ নৈতিক চেতনা আঘাত কৰি বিভ্ৰান্তিৰ সৃষ্টি কৰিব পাৰে। তেনে অৱস্থাত শিক্ষকৰ অভিজ্ঞতা-পুষ্ট নির্দেশনাৰ প্ৰয়োজন।

(৬) দৈহিক স্বাস্থ্য ৰক্ষাৰ প্ৰয়োজন (Need of keeping good physical health) : সুস্থ দেহতহে সুস্থ মন গঢ়ি উঠিব পাৰে। এই কথাৰ উপলব্ধিৰে ছাত্ৰ-ছাত্ৰীসকলৰ দৈহিক স্বাস্থ্য ৰক্ষাৰ প্ৰতি শিক্ষকৰ নির্দেশনাৰ প্ৰয়োজনীতা সহজে অনুভৱ কৰি উঠিব পাৰি। স্বাস্থ্য ৰক্ষাৰ মৌলিক নীতিসমূহৰ নির্দেশনা শিক্ষাৰ অপৰিহাৰ্য্য অংশ স্বৰূপে গণ্য কৰিব পাৰি। ছাত্ৰসকলে দেহৰ বিভিন্ন অংশৰ শক্তি আৰু কৰ্মক্ষমতা বৃদ্ধি কৰিবৰ বাবে কেনেবোৰ শৰীৰ চৰ্চা কৰিব লাগে, খাদ্যৰ কেনে যত্ন লব লাগে, কেনেবোৰ দৈহিক অভ্যাস গঠন কৰিব লাগে আৰু ৰোগ-ব্যাধিৰ কেনে প্ৰতিষেধক ব্যৱস্থা গ্ৰহণ কৰিব লাগে এই সকলো কথা স্বাস্থ্য সম্বন্ধীয় নির্দেশনাৰ অন্তৰ্ভুক্ত কৰিব লাগে। বৰ্তমান যোগ চৰ্চা, আসন, প্ৰাণায়াম, এৰবিক অনুশীলন (arobic exercises) আদি দেহ-মানসিক বিকাশৰ বিভিন্ন

বিজ্ঞানসন্মত শিক্ষা ব্যৱস্থাসমূহৰ সম্বন্ধে ছাত্ৰ-ছাত্ৰীসকলক প্ৰয়োজনীয় নিৰ্দেশনা দিয়াৰ প্ৰচুৰ সম্ভাৱনীয়তাই দেখা দিছে।

(৭) ব্যক্তিগত প্ৰয়োজন (individual needs) : প্ৰতিজন ছাত্ৰৰে গৃহ, শিক্ষা আৰু সামাজিক পৰিবেশত কেতবোৰ নিজ নিজ সমস্যা আৰু প্ৰতিকূল পৰিস্থিতি থাকে যি আন ছাত্ৰতকৈ পৃথক হয়। এনেবোৰ সমস্যা ব্যক্তিগত ভাবে শাৰীৰিক দুৰ্বলতা, মানসিক অক্ষমতা, অসুস্থ ঘৰুৱা পৰিবেশ, পৰিয়ালৰ লোকৰ লগত বুজা-পৰাৰ অভাৱ, খেলা-ধূলাৰ ক্ষেত্ৰত বন্ধুৰ অভাৱ আৰু নিসংগতা, অত্যধিক অন্তৰ্মুখিতা স্বভাব আদিৰ বাবে সৃষ্টি হব পাৰে। এনে ছাত্ৰক মাক-দেউতাৰে মৰম-আদৰ-যত্নৰ পৰা বঞ্চিত কৰি অপদাৰ্থ আৰু অনুপযুক্ত বুলি সমালোচনা কৰে। ফলত তেওঁলোকৰ মনত আবেগিক নিৰাপত্তাৰ অভাব হৈ স্কুলৰ শিক্ষা ক্ষেত্ৰতো বাধাগ্ৰস্ত হৈ পৰে। এনে ছাত্ৰক চিনাক্তকৰণ কৰি শিক্ষকে প্ৰয়োজনীয় নিৰ্দেশনাৰে সহায় কৰিব লাগে। আকৌ কোনো কোনো ছাত্ৰই সঘনে স্কুল সলনি কৰাৰ ফলত শৈক্ষিক সমাযোজনত বাধাপ্ৰাপ্ত হয়। বৌদ্ধিক নিম্ন-মান বিশিষ্টতাৰ বাবে কোনো কোনো ছাত্ৰই শ্ৰেণীৰ শিক্ষা অগ্ৰগতিত নিজকে খাপ খুৱাব নোৱাৰি শংকা, উৎকণ্ঠা আৰু হীনমন্যতা অনুভৱ কৰে। কৈশোৰৰ যৌন জীৱনৰ অভিজ্ঞতাৰ লগত সুস্থ সমাযোজন কৰিব নোৱাৰি কোনো কোনো ছাত্ৰই যৌন সমস্যাতো ভোগ কৰে। এই সকলোবোৰ ব্যক্তিগত সমস্যা সমাধানত সহায় কৰিবৰ বাবে শিক্ষকৰ নিৰ্দেশনাৰ প্ৰয়োজনীয়তা বৰ্তমান অধিক ভাবে অনুভৱ কৰি উঠা হৈছে।

শিক্ষাৰ বহল উদ্দেশ্য যদি ছাত্ৰৰ সুস্থ ব্যক্তিত্ব গঠন কৰাটো বুলি বিবেচনা কৰা হয় তেন্তে সি শিক্ষকৰ এই নিৰ্দেশনাৰ অবিহনে সম্ভৱ হৈ উঠিব নোৱাৰে। সেয়েহে আধুনিক শিক্ষাত শিক্ষকৰ দায়িত্বৰ এই নতুন দিশৰ প্ৰতি ক্ৰমে অধিক মনোনিবেশ কৰি উঠাটো লক্ষ্য কৰা হৈছে।

অনুশীলন

(১) শিক্ষাত ব্যক্তি-পাৰ্থক্যৰ প্ৰশ্ন কিয় ইমান গুৰুত্বপূৰ্ণ ? এই পাৰ্থক্যৰ কেনেবোৰ দিশ আমি বিবেচনা কৰিব লাগে ?

(২) ব্যক্তি পাৰ্থক্যৰ কাৰণ কি ? বহলাই আলোচনা কৰা।

(৩) শিক্ষাত ব্যক্তি-পাৰ্থক্যৰ বিষয়ে কিয় বিবেচনা কৰিব লাগে ? এনে পাৰ্থক্যৰ ক্ষেত্ৰত গৃহ পৰিৱেশে কেনে ভূমিকা গ্ৰহণ কৰে ?

(৪) ব্যক্তি-পাৰ্থক্য গঢ় দি তোলাত বংশ গতি আৰু পৰিৱেশৰ প্ৰভাৱ আলোচনা কৰা। এই দুই প্ৰভাৱৰ কোনটো অধিক শক্তিশালী ?

(৫) ব্যক্তি-পাৰ্থক্যৰ বিষয়ে কৰা অধ্যয়নৰ এটি চমু ইতিহাস দাঙি ধৰা।

(৬) শিক্ষাত ব্যক্তি-পাৰ্থক্যৰ বিষয়ে অধ্যয়নৰ প্ৰয়োজনীয়তা বহলাই আলোচনা কৰা।

(৭) ব্যক্তি-বিভিন্নতা চিনাক্ত কৰাৰ প্ৰয়োজন কিয় হয় ? যুৱক-যুৱতীৰ শিক্ষাৰ কাৰণে কেনে ধৰণৰ নিৰ্দেশনাৰ তুমি পৰামৰ্শ দিবা ? (G. U. 1988)।

(৮) পৰামৰ্শদানৰ অৰ্থ আৰু প্ৰক্ৰিয়া সম্পৰ্কে আলোচনা কৰা। এজন শিক্ষকে পৰামৰ্শদাতাৰ কাৰ্য্যাৱলী কিমান দূৰ সমাধান কৰিব পাৰে ? (G U 1988)

(৯) কেনেদৰে এজন ব্যক্তি আনজনতকৈ পৃথক হয় ? নিৰ্দেশনাই এজন ব্যক্তিক তেওঁৰ যোগ্যতা অনুসৰি শিক্ষা দিয়াত কিদৰে সহায় কৰে ? (G U 1987)

(১০) এজন ব্যক্তিক আন জনতকৈ পৃথক কৰোতে কেনেবোৰ দিশ তুমি গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰিবা ? ব্যক্তিক শিক্ষা প্ৰদান কৰোতে এই দিশসমূহ কিয় গুৰুত্বপূৰ্ণ বুলি ভাবা ? (G U 1988)

(১১) শৈক্ষিক নিৰ্দেশনা কাক বোলে ? নিৰ্দেশনা আৰু পৰামৰ্শদানৰ মাজত কিদৰে পাৰ্থক্য বিবেচনা কৰিব পাৰি ?

(১২) আধুনিক শিক্ষাত নিৰ্দেশনাৰ প্ৰয়োজনীয়তা সম্বন্ধে বহলাই আলোচনা কৰা।

প্ৰসংগ গ্ৰন্থসমূহ

1 Norman L Munn Introduction to Psychology. Chapter 3 Oxford & I B H Publishing Company, New Delhi, Third Indian Reprint 1973

2 Kashyapa & Puree : Educational Psychology and Guidance & Counselling Part II Ch 1, Doaba House, Delhi, Second Revised Edition 1969

3 Bhatia & Safaya Educational Psychology and Guidance Ch 34, Dhanpat Rai & Sons, Delhi Published in 1967

4 S K Kochhar Educational and Vocational Guidance in Secondary Schools Ch 2 Sterling Publishers Private Ltd Delhi 110016 Revised & Enlarged Edition, 1984

5 S K Kochhar Guidance in Indian Education Ch 2, 3 Sterling Publishers Pvt Ltd New Delhi First Edition Reprint, 1981

6 Report of the Secondary Education Commission, 1952 53 Ch 9 Ministry of Education, Govt of India

—x—x—

দ্বিতীয় অধ্যায়

শিক্ষাত শ্ৰৱণ-দৰ্শন সঁজুলি

(Audio-Visual Aids in Education)

শ্ৰৱণ-দৰ্শন সঁজুলিৰ অৰ্থ (Meaning of audio-visual aids):

জ্ঞানেন্দ্ৰিয়সমূহেই হৈছে আমাৰ বহিঃজগতৰ জ্ঞান অভিজ্ঞতা সমূহ আহৰণৰ দুৱাৰ খিৰিকি। পাঁচবিধ ভিন ভিন জ্ঞানেন্দ্ৰিয়ৰ ভিতৰত চকু দুটা আৰু কাণ দুখনৰ ভূমিকাই হৈছে সকলোতকৈ অধিক গুৰুত্বপূৰ্ণ। নিজ চকুৰে দেখি আৰু নিজ কাণেৰে শুনি লাভকৰা জ্ঞান অভিজ্ঞতাৰ দৰে নিৰ্ভৰযোগ্য আৰু বিশ্বাসযোগ্য কথা আন একোৱেই হ'ব নোৱাৰে। চকুৰ দৃষ্টি আৰু কাণৰ শব্দ সংবেদনৰ অভিজ্ঞতাই যিকোনো লোকক যিকোনো কথাত সহজে প্ৰত্যয় নিয়াব পাৰে। সেয়েহে কোৱা হয়, 'দেখিলেহে লেখিম' 'নেদেখা-নুশুনা কথা' 'নাভূত-নাশ্ৰুত বিষয়'। ইংৰাজীতো জনপ্ৰিয় ভাবে কোৱা হয়, 'seeing is believing'।

এনেবোৰ জনপ্ৰিয় উক্তিৰ অন্তৰালত নিহিত থকা ভাব সহজে অনুভৱ কৰিব পাৰি। সি হৈছে এয়ে যে চকু আৰু কাণেৰে প্ৰত্যক্ষ ভাবে লাভ কৰা ইন্দ্ৰিয় অভিজ্ঞতা আমাৰ সহজে গ্ৰহণযোগ্য। আধুনিক শিক্ষাতো এই কথাৰ উপলব্ধিৰে শিশুৰ শিক্ষাদান প্ৰসংগত শ্ৰৱণ আৰু দৰ্শন অভিজ্ঞতাৰ পূৰ্ণ উপযোগ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰ বাবে বিবিধ দৃশ্য-শ্ৰাব্য শিক্ষা সঁজুলিৰ প্ৰয়োগ কৰা হয়। এই সঁজুলিবোৰৰ ব্যৱহাৰিকতা সম্বন্ধে এজন শিক্ষকৰ উপযুক্ত জ্ঞান-ধাৰণা আৰু কাৰ্য্যকৰী অভিজ্ঞতা থকাটো আশা কৰা

হয়। এই দৰে বৰ্তমান বৈজ্ঞানিক ভিত্তিত চিন্তা-চৰ্চা আৰু অধ্যয়ন আৰম্ভ কৰা হৈছে। ফলত শৈক্ষিক কাৰিকৰী বিজ্ঞান (Educational Technology) নামৰ এক নতুন বিষয়ৰো সৃষ্টি হৈছে।

শ্ৰৱণ-দৰ্শন সঁজুলি আৰু শিক্ষকৰ ভূমিকা (Audio-visual aids and role of the teacher) :

আধুনিক শিক্ষাৰ এক উল্লেখযোগ্য পৰিবৰ্তন এয়ে যে ছাত্ৰ-সকলক শিক্ষকে প্ৰত্যক্ষ আৰু মৌখিক ভাবে শিক্ষা দিয়াৰ পৰিবৰ্তে পৰোক্ষ ভাবে শিক্ষা সঁজুলিৰ যোগেদিহে শিক্ষাদান কৰা হয়। ছাত্ৰসকলৰ ব্যক্তিগত ক্ৰিয়া প্ৰচেষ্টা আদিতহে অধিক গুৰুত্ব দিয়া হয়। ইয়াৰ বাবে শিক্ষকে এক অধিক জটিল আৰু দায়িত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লগা হয়। এই কথা মন কৰিবলগীয়া যে পুৰণি কালত শিক্ষকে প্ৰয়োগ কৰিবৰ বাবে কোনো শিক্ষা-সঁজুলিৰ ব্যৱস্থা নাছিল। আনকি পাঠ্যপুথিও পাব পৰা হোৱা নাছিল। ছাত্ৰসকলে শিক্ষকৰ মৌখিক স্বৰ অনুকৰণ কৰি আৰু তাক মুখস্থ কৰি শিক্ষা অভিজ্ঞতা আহৰণ কৰিব লগা হৈছিল। সেই সময়ত সেয়েহে শিক্ষকৰ শিক্ষা-সঁজুলি স্বৰূপে কেৱল মাত্ৰ শিক্ষক নিজেই আছিল বুলি কব পাৰি।

বৰ্তমান ইয়াৰ দৰ্শনীয় পৰিবৰ্তন সাধন কৰা হৈছে। আধুনিক যুগৰ বিজ্ঞান আৰু কাৰিকৰী বিজ্ঞানৰ অগ্ৰগতিয়ে শিক্ষকলৈ শিক্ষা-দানৰ বহুতো নতুন উপহাৰ বহন কৰি আনিছে। ইয়াৰ কেতবোৰ শিক্ষা সা-সঁজুলিৰ প্ৰচুৰ শৈক্ষিক সম্ভাৱনীয়তা থকাও দেখা গৈছে। ইয়াৰ ফল স্বৰূপে শিক্ষকৰ পূৰ্বৰ মৌখিক শিক্ষাদান ব্যৱস্থাৰ পৰিবৰ্তে চিত্ৰ, মেপ, মডেল, চাৰ্ট, গ্ৰাফ, ফিল্ম, টেপ ৰেকৰ্ডাৰ, গ্ৰামোফোন, ৰেডিও, টেলিভিচন আদি উন্নত সা-সঁজুলি প্ৰয়োগ কৰি পাঠদানৰ ব্যৱস্থা কৰা হয়।

এই সকলোবোৰ ব্যৱস্থাৰ যোগেদি আধুনিক শিক্ষা অধিক

কাৰ্য্যকৰী আৰু শিশুৰ স্বতঃপ্ৰণোদিত বিধৰ কৰি তুলিবলৈ চেষ্টা কৰা হৈছে। আধুনিক শিক্ষাৰ সোঁযতে বহুল অৰ্থত শিশুৰ আত্ম-শিক্ষা ব্যৱস্থা বুলি কব পাৰি। অৱশ্যে এনে ব্যৱস্থাৰ যোগেদি শিক্ষকৰ ভূমিকা অৱহেলা কৰা বা অস্বীকাৰ কৰা হোৱা নাই। প্ৰকৃতপক্ষে কবলৈ গ'লে শ্ৰৱণ-দৰ্শন সঁজুলিবোৰৰ প্ৰয়োগে বৰ্তমান শিক্ষকক অধিক দায়িত্বশীল আৰু আত্ম-সচেতন ভূমিকা গ্ৰহণৰ বাবেহে প্ৰস্তুত কৰি তুলি'ছে। শিক্ষা সা-সঁজুলিবোৰ প্ৰয়োগৰ যোগেদি পৰোক্ষভাৱে দিয়া শিক্ষাদানৰ ব্যৱস্থা মৌখিকভাৱে দিয়া পূৰ্বৰ শিক্ষাদানৰ ব্যৱস্থাতকৈও অধিক জটিলতৰ বুলি কব পাৰি। এনে কাৰণতে শিক্ষকে সাৰ্থক শিক্ষাদানৰ বাবে ব্যৱসায়িক প্ৰশিক্ষণ লোৱাটো বৰ্তমান প্ৰয়োজন হৈ উঠিছে।

শিক্ষাত শ্ৰৱণ-দৰ্শন সঁজুলি প্ৰয়োগৰ প্ৰয়োজনীয়তা (Need of using audio-visual aids in education) :

শিক্ষকৰ শিক্ষাদান কাৰ্য্যত শ্ৰৱণ-দৰ্শন সঁজুলিবোৰৰ কিয় প্ৰয়োগ কৰিব লাগে, এই প্ৰশ্ন স্বাভাৱিকতেই আহি পৰে। অৱশ্যে ইয়াৰ যথোচিত উত্তৰ পাবৰ বাবে শিক্ষকে কাৰো ওচৰলৈ যোৱাৰ প্ৰয়োজন নাই। শিক্ষকে নিজৰ নিজ ব্যক্তিগত অভিজ্ঞতাৰ যোগেদিয়ে ইয়াৰ সহজ উত্তৰ তেওঁ অনুভৱ কৰি উঠিব পাৰে। সি যি কি নহওক, এই সম্বন্ধে আমাৰ ধাৰণা অধিক স্পষ্ট কৰি তুলিবৰ বাবে নিম্নলিখিত কথাকেইটা মন কৰিবলগীয়া।

(১) শিক্ষকৰ নিজ মনৰ চিন্তা অধিক স্পষ্ট ভাৱে ছাত্ৰৰ আগত দাঙি ধৰিবৰ বাবে শিক্ষা-সঁজুলিবোৰৰ প্ৰয়োজন। বহুতো কথাৰ মৌখিক ব্যাখ্যাৰে স্পষ্ট কৰি তুলিব নোৱাৰা কথাও এই সঁজুলিবোৰৰ যোগেদি সহজে স্পষ্ট কৰি তুলিব পৰা যায়। সেইবাবে এই সঁজুলি-বোৰৰ যথোচিত প্ৰয়োগে শিক্ষকৰ শিক্ষাদান কাৰ্য্যৰ জটিলতা গুচাব পাৰে।

—৩

(২) শিক্ষকৰ মৌখিক ব্যাখ্যা সাধাৰণতে তত্ত্বপ্ৰধান আৰু চিন্তাপ্ৰধান হোৱা হেতুকে ছাত্ৰৰ বাবে জটিল আৰু অস্পষ্ট বিধৰ হয়। কোনো কোনো শিক্ষকৰ চিন্তামূলক বিষয়ৰ মৌখিক প্ৰকাশভংগীও জটিলতাপূৰ্ণ হৈ উঠে। এনে অৱস্থাত বহু সময়ত ছাত্ৰসকলে নিজ মনৰ কল্পনা আৰু অনুমানৰ সহায় লব লগা হয়। কিন্তু শ্ৰৱণ-দৰ্শন সঁজুলিবোৰে এনে অস্পষ্টতা আৰু কাল্পনিকতাৰ প্ৰভাৱ গুচাই জ্ঞান-অভিজ্ঞতা মনত স্পষ্ট কৰি তুলিব পাৰে।

(৩) শ্ৰৱণ-দৰ্শন সঁজুলি প্ৰয়োগৰ ফলত ছাত্ৰসকলে তেওঁলোকৰ মনৰ ধাৰণা স্পষ্ট কৰি তুলিব পৰা বাবে বিষয়বস্তু অধিক আকৰ্ষণীয় হৈ উঠে। ফলত তেওঁলোকে মনোযোগ আৰু আগ্ৰহ প্ৰদান কৰিব পাৰে। এনে অৱস্থাত শিক্ষাগ্ৰহণ কাৰ্য্য স্বতঃস্ফূৰ্ত আৰু স্বতঃ-প্ৰণোদিত বিধৰ হৈ উঠিব পাৰে।

(৪) দৃশ্য-শ্ৰাব্য সঁজুলিবোৰে শিক্ষকৰ শিক্ষা বিষয়ৰ স্পষ্ট প্ৰতিৰূপ ছাত্ৰৰ মনত জগাই তুলিব পাৰে। ইয়াৰ ফলত ছাত্ৰসকলে তেওঁলোকৰ শিক্ষা অভিজ্ঞতাৰ প্ৰতিৰূপ অধিক সময়ৰ বাবে মনত ধৰি ৰাখিব পাৰে। অৰ্জিত জ্ঞান প্ৰয়োজন মতে যিকোনো সময়তে প্ৰয়োগ কৰাত ছাত্ৰসকলৰ বাবে সহায়ক হৈ উঠে।

(৫) পাঠ্য বিষয়ৰ কঠিনতা আৰু শিক্ষা পদ্ধতিৰ দোষযুক্ততাৰ বাবে বহুতো ছাত্ৰই শিক্ষকলৈ ভয় কৰাও দেখা যায়। কিন্তু শিক্ষা সঁজুলিবোৰে শিক্ষাদান ব্যৱস্থা সহজ-সৰল আৰু স্বতঃস্ফূৰ্ত বিধৰ কৰি তোলা বাবে ছাত্ৰ-শিক্ষকৰ মাজত সহযোগিতা আৰু বুজা পৰা ভাব বৃদ্ধি কৰি তুলিব পাৰে।

(৬) দৃশ্য-শ্ৰাব্য সঁজুলিবোৰে ব্যক্তিক দৰ্শন আৰু শ্ৰৱণ সম্বন্ধীয় ইন্দ্ৰিয় অনুভূতিৰ প্ৰশিক্ষণ দিব পাৰে। ইয়াৰ ফলত ইন্দ্ৰিয় অনুভূতিৰ যথাৰ্থতা লাভ কৰি উঠি শুদ্ধ আৰু সঠিক জ্ঞান লাভ কৰি উঠাটো সম্ভৱ হ'ব পাৰে।

(৭) এই সঁজুলিবোৰৰ প্ৰয়োগে ছাত্ৰৰ মনত নজনা কথা জানিবলৈ আৰু নেদেখা বস্তু দেখিবলৈ প্ৰয়োজনীয় মানসিক প্ৰস্তুতিৰ সৃষ্টি কৰে। শিক্ষাত অভিবোচনৰ (motivation) সৃষ্টি কৰা শিক্ষকৰ যি প্ৰধান দায়িত্ব তাক এই সঁজুলিবোৰে অতি সহজ সাধ্য কৰি তুলিব পাৰে।

(৮) শিক্ষা-সঁজুলিবোৰৰ উপযুক্ত প্ৰয়োগে শ্ৰেণীকক্ষৰ গতানুগতিক আৰু নিয়ন্ত্ৰিত পৰিবেশৰ জড়তা গুচাই শিক্ষা পৰিবেশ স্বতঃস্ফূৰ্ত আৰু ক্ৰীড়াময় বিধৰ কৰি তুলিব পাৰে। ইয়াৰ ফলত শিক্ষাদান আৰু শিক্ষাগ্ৰহণ কাৰ্য্য অধিক সজীৱ, সক্ৰিয় আৰু আন্তৰিকতাপূৰ্ণ হৈ উঠে।

শ্ৰৱন-দৰ্শন সঁজুলিৰ বিভিন্ন প্ৰকাৰ (Different types of audio-visual aids)

বিভিন্ন দৃষ্টিকোণৰ বিবেচনাৰে শ্ৰৱণ-দৰ্শন সঁজুলিবোৰক কেইবা-টাও ভাগত বিভক্ত কৰিব পাৰি। এই প্ৰসংগত তলত উল্লেখ কৰা ভাগকেইটা মন কৰিবলগীয়া।

(১) প্ৰত্যক্ষ অভিজ্ঞতা দান কৰা সঁজুলি
(২) পৰোক্ষ অভিজ্ঞতা দান কৰা সঁজুলি
(৩) সাংকেতিক ভাবে অভিজ্ঞতা দানৰ সঁজুলি

কোনো এক ভৌগোলিক অথবা বুৰঞ্জীমূলক প্ৰসিদ্ধ ঠাই নিজ চকুৰে চাবলৈ যোৱাটো প্ৰত্যক্ষ অভিজ্ঞতাৰ ভিতৰত পৰে। ইয়াত বিষয়বস্তুৰ পৰা ব্যক্তিয়ে প্ৰত্যক্ষ ভাবে নিজ চকুৰে আৰু নিজ কাণেৰে অভিজ্ঞতা লাভ কৰে। দ্বিতীয়বিধ অভিজ্ঞতা হৈছে কোনো বস্তু বা বিষয়ৰ সম্বন্ধে পৰোক্ষ ভাবে পোৱা অভিজ্ঞতা, যেনে—মেপ, গ্লোব্, মডেল, চিত্ৰ আদিৰ সহায়েৰে মূল বিষয়ৰ সম্বন্ধে পোৱা অভিজ্ঞতা। ইয়াত ব্যক্তিয়ে প্ৰকৃত বিষয়বস্তুৰ পৰা নিজ চকুৰে অভিজ্ঞতা পাব নোৱাৰা হেতুকে, তাৰ আৰ্হিৰ পৰাই পৰোক্ষ ভাবে

অভিজ্ঞতা আহৰণৰ চেষ্টা কৰে। তৃতীয়বিধ অভিজ্ঞতা প্ৰত্যক্ষও নহয় আৰু পৰোক্ষও নহয়। ইয়াক চিহ্ন বা সংকেতৰ যোগেদি এজন ব্যক্তিয়ে আন এজনৰ পৰা লাভ কৰে। যেনে—কথিত আৰু লিখিত ব্যৱস্থাৰ যোগে শব্দ আৰু সংখ্যাৰ জ্ঞান বিনিময় কৰা। এইবিধ ব্যৱস্থা আন দুবিধতকৈ আপেক্ষিক ভাবে কঠিন যদিও শিক্ষানুষ্ঠানত সচৰাচৰ ইয়াক অধিক জনপ্ৰিয় ভাবে প্ৰয়োগ কৰা হয়।

শৈক্ষিক মূল্য আৰু তাৎপৰ্য্য বহন কৰা বিবিধ দৃশ্য শ্ৰাব্য সঁজুলিৰ তালিকা দাঙি ধৰিব পাৰি। ইয়াৰ ভিতৰত জনপ্ৰিয় ভাবে প্ৰয়োগ কৰা কেইবোৰ সঁজুলিৰ বৰ্ণনা আৰু তাৰ শৈক্ষিক তাৎপৰ্য্য তলত আগবঢ়োৱা হৈছে।

(১) ব্লেক বোৰ্ড আৰু চক্ (Black board and chalk) : শিক্ষকে সচৰাচৰ প্ৰয়োগ কৰা শিক্ষাৰ সাধাৰণ আহিলা হৈছে ব্লেক বোৰ্ড আৰু চক। শিক্ষাদানৰ আনবোৰ সঁজুলি নহ'লেও এই দুবিধ সঁজুলি শিক্ষানুষ্ঠানত থকাটো আশা কৰা হয়। শিক্ষকে এই ব্লেক বোৰ্ড ব্যৱহাৰ কৰি ছাত্ৰক পাঠ্য বিষয়ৰ প্ৰতি আকৰ্ষিত কৰি তোলে। ইয়াৰ ব্যৱহাৰে ছাত্ৰৰ মনত শিক্ষকৰ মৌখিক শিক্ষাদানে সৃষ্টি কৰা অৱসাদ আৰু অ্যমনি লগাৰ ভাব সহজে গুচাব পাৰে। ইয়াৰ উপৰি বৌদ্ধিক ভাবে নিম্নমানৰ ছাত্ৰই শিক্ষকৰ মৌখিক শিক্ষাৰ চাপ বা প্ৰতিৰূপ সহজে মনত ধৰি ৰাখিব নোৱাৰে। ব্লেক বোৰ্ডৰ উপযুক্ত প্ৰয়োগে তেনে ছাত্ৰক বিশেষ সহায় কৰে। ই শিক্ষকৰ শিক্ষাদানৰ কেতবোৰ প্ৰযোজনীয় অংশ ছাত্ৰই লিখিত ভাবে টুকি লোৱাত সহায় কৰে। ভূগোল, অংক, জ্যামিতি আৰু বিজ্ঞান আদি বিষয়ৰ জটিল ধাৰণাবোৰ ছাত্ৰ-শিক্ষকে পাৰস্পৰিক ভাবে আদান-প্ৰদান কৰোতে ই বিশেষ সহায় কৰে। উল্লেখযোগ্য যে এই বোৰ্ডখন শ্ৰেণীৰ কোঠাত এনে এক সুবিধাজনক ঠাইত স্থাপন কৰিব লাগে যাতে ছাত্ৰই তাক ভালদৰে দেখা পায়। শিক্ষকে এই কথা মন কৰিব

লাগে যাতে বিপৰীত কালৰ পৰা সূৰ্য্যৰ ৰশ্মিৰ প্ৰতিফলনে ছাত্ৰ-সকলক ইয়াৰ প্ৰয়োগ কৰাত বাধাৰ সৃষ্টি কৰিব নোৱাৰে।

(২) মেপ আৰু গ্লোব (Map and globe) : মেপ আৰু গ্লোবৰ অবিহনে ভূগোলৰ শিক্ষা কৃতকাৰ্য্যভাবে দিব নোৱাৰি। এই দুযোবিধ আহিলাই ছাত্ৰসকলক ভূগোল শিক্ষাৰ ক্ষেত্ৰত প্ৰতিনিধিত্ব-মূলক জ্ঞান দিব পাৰে। ছাত্ৰসকলে চন্দ্ৰ, সূৰ্য্য, পৃথিৱী আৰু আন আন গ্ৰহ-নক্ষত্ৰৰ সম্বন্ধে ইয়াৰ পৰা প্ৰয়োজনীয় ধাৰণা লাভ কৰিব পাৰে। তেওঁলোকে পৃথিৱীৰ উপবিভাগৰ ভৌগোলিক অৱস্থা, ৰাজনৈতিক পৰিসীমা আদিৰ সম্বন্ধেও বস্তুনিষ্ঠ জ্ঞান-ধাৰণা লাভ কৰিব পাৰে। মুঠতে কবলৈ গ'লে সমগ্ৰ সৌৰজগতৰ গঠন প্ৰক্ৰিয়া মেপ আৰু গ্লোবৰ সহায়েৰে ছাত্ৰসকলৰ বাবে শ্ৰেণীকোঠালৈ লৈ অহাটো সম্ভৱ হ'ব পাৰে। ভূগোল শিক্ষাৰ ক্ষেত্ৰত বাস্তৱিকতে ই এক তাৎপৰ্য্যপূৰ্ণ সাফল্য বুলিব পাৰি। বুৰঞ্জী শিক্ষাৰ বাবেও মেপ-সমূহ ছাত্ৰ-শিক্ষকৰ বাবে সহায়কাৰী। মেপৰ যোগেদি বুৰঞ্জীৰ কাহিনী আৰু ঘটনাবোৰত সজীৱতা দান কৰিব পৰা যায় আৰু বহু সময়ত ঘটনাৰ আঁত বিচাৰি উলিওৱাত ই সহায় কৰে।

(৩) চিত্ৰ আৰু মডেল (Picture and model) : ছাত্ৰক বস্তুনিষ্ঠ ভাবে বিষয়বস্তুৰ জ্ঞান দিবৰ বাবে ই এক উপযুক্ত ব্যৱস্থা বুলিব পাৰি। প্ৰকৃত বিষয়বস্তুৰ জ্ঞান প্ৰত্যক্ষ ভাবে দিয়াটো সম্ভৱ নহ'লে মুঠা অৱস্থাত এই সম্বন্ধে ছাত্ৰৰ মনত প্ৰয়োজনীয় ধাৰণা দিবৰ বাবে ই হৈছে এক প্ৰতিনিধিমূলক ব্যৱস্থা। ইয়াৰ ফল স্বৰূপে ছাত্ৰ-সকলে বিষয়বস্তুৰ সঠিক জ্ঞান-ধাৰণা লাভ কৰি উঠিব পাৰে, যি আন কোনো উপায়েৰে সম্ভৱপৰ নহয়। এই দুয়োবিধ সঁজুলিয়েই বিশেষকৈ বিজ্ঞানৰ বিষয়সমূহ শিকোৱাৰ বেলিকা বিশেষ সহায়কাৰী। চিত্ৰ আৰু মডেল কাৰিকৰী বিজ্ঞান আৰু চিকিৎসা বিজ্ঞান আদি বিষয়ৰ শিক্ষাৰ বাবেও অপৰিহাৰ্য্য স্বৰূপ বুলিব পাৰি।

(৪) ৰেডিঅ' আৰু টেলিভিচন (Radio and television) : দৃশ্য-শ্ৰাব্য সঁজুলিৰ যোগে শিক্ষাদানৰ প্ৰসংগত ৰেডিঅ' হৈছে বিজ্ঞানৰ এক শ্ৰেষ্ঠ উপহাৰ স্বৰূপ। ৰেডিঅ'ৰ জনপ্ৰিয়তাই বৰ্তমান ইয়াক সৰ্বসাধাৰণ লোকৰ দৈনন্দিন জীৱনৰ প্ৰয়োজনীয় সামগ্ৰীত পৰিণত কৰিছে। আমাৰ দেশত প্ৰায় নব্বৈ শতাংশ লোকে ৰেডিঅ'ৰ প্ৰয়োগ কৰে। অৱশ্যে বৰ্তমান টেলিভিচন যন্ত্ৰৰ ব্যাপক প্ৰয়োগে ইয়াৰ জনপ্ৰিয়তা কিছু হ্ৰাস কৰি তুলিছে। তথাপিও উন্নত শিক্ষা-দানৰ এক আহিলা স্বৰূপে ইয়াৰ প্ৰয়োজনীয়তা কোনো দিনে কমিব নোৱাৰে। আমাৰ দেশৰ 'আকাশ বাণীয়' বিভিন্ন পৰ্য্যায়ৰ ছাত্ৰৰ বাবে শিক্ষাদানৰ বিশেষ বিশেষ কাৰ্য্যসূচী প্ৰস্তুত কৰিছে। স্কুলীয়া পাঠ্যক্ৰমৰ বিভিন্ন বিষয়ৰ পাঠ্যসূচীৰ প্ৰতি লক্ষ্য ৰাখি অনাতাঁৰ যন্ত্ৰৰ অনুষ্ঠানসমূহ প্ৰচাৰ কৰা হয়। স্কুলৰ সময়সীমাৰ ভিতৰত বিভিন্ন বিষয়ৰ শ্ৰেণীকক্ষত যাতে ছাত্ৰ-শিক্ষকৰ সুবিধা মতে অনুষ্ঠান প্ৰচাৰ কৰিব পৰা হয় তাৰো ব্যৱস্থা কৰা হৈছে। ইয়াৰ বাবে শ্ৰেণীকক্ষৰ ভিতৰত ৰেডিঅ' চেট স্থাপন কৰা হয়। অনাতাঁৰ কেন্দ্ৰৰ পৰিচালনাত বিভিন্ন বিষয়ৰ বিশেষজ্ঞসকলে তেওঁলোকৰ কথিকা, আলোচনা আৰু অনুভৱ আদি ছাত্ৰসকলৰ উপযোগীকৈ আগবঢ়ায়। প্ৰচাৰৰ বিষয়সমূহৰ ভিতৰত ভাষা অধ্যয়ন, বিজ্ঞান বিষয়ৰ অধ্যয়ন, ভ্ৰমণ অভিজ্ঞতা, খেলা-ধূলাৰ প্ৰশিক্ষণ আদি উল্লেখ কৰিব পাৰি। এনেবোৰ প্ৰচাৰৰ কাৰ্য্যসূচীক স্কুলৰ শ্ৰেণীকক্ষৰ শিক্ষাৰ এক পৰিপূৰক ব্যৱস্থা স্বৰূপে গ্ৰহণ কৰিব পাৰি।

বৰ্তমান আমাৰ দেশত টেলিভিচন কাৰ্য্যসূচী এক ব্যাপক পৰিসৰত সম্প্ৰসাৰিত হৈ জনশিক্ষাৰ দায়িত্ব গ্ৰহণ কৰি উঠিছে। প্ৰায় শতকৰা ৮০ শতাংশ লোকে এই কাৰ্য্যসূচীৰ শ্ৰৱণ-দৰ্শন কৰে আৰু ইয়াৰ অধিক ব্যাপক কাৰ্য্যসূচীৰ আঁচনি প্ৰস্তুত কৰা হৈছে। ৰেডিঅ'তকৈও টেলিভিচন যন্ত্ৰৰ অধিক জনপ্ৰিয়তাৰ প্ৰধান কাৰণ

হৈছে একে সময়তে ই আমাক শুনা আৰু দেখা কাৰ্য্যত সহায় কৰিব পাৰে। ইযাৰ উপৰিও ৰঙীণ টেলিভিচন যন্ত্ৰই দৰ্শকৰ বাবে বিষয়বস্তু অধিক জীৱন্ত আৰু আকৰ্ষণীয় কৰি উপস্থাপন কৰিব পাৰে। শিক্ষা ক্ষেত্ৰত বিজ্ঞানৰ এই অৱদানে দৰ্শক আৰু শ্ৰোতাৰ বাবে দ্বৈত ভূমিকা গ্ৰহণ কৰিব পৰা হোৱা বাবেই ইযাৰ জনপ্ৰিয়তা সকলোতকৈ অধিক। দৰ্শকসকলৰ মনত আনন্দ যোগাব পৰাকৈ ই লোকনৃত্য, লোক-গীত, বাস্তৱ ঘটনা আৰু পৰিস্থিতি আদি নিৰ্ভৰযোগ্য ভাৱে প্ৰদৰ্শন কৰিব পাৰে। টেলিভিচন যন্ত্ৰৰ কাৰ্য্যসূচী শিক্ষাৰ দিশত অধিক উদ্দেশ্যপ্ৰণোদিত ভাৱে প্ৰয়োগ কৰিবৰ বাবে বৰ্ত্তমান বিশ্ববিদ্যালয মঞ্জুৰি আযোগে চেটিলাইট্ সংযোগ ব্যৱস্থাৰ যোগেদি শিক্ষাদানৰ আঁচনি গ্ৰহণ কৰিছে। স্কুল, কলেজ, বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলৰ উপৰিও সমাজৰ বিভিন্ন শ্ৰেণী লোক যাতে এনে কাৰ্য্য-সূচীৰ পৰা উপকৃত হ'ব পাৰে তাৰ প্ৰতিও ইযাত লক্ষ্য ৰখা হৈছে। দেশৰ কলা, সংস্কৃতি, বিজ্ঞান আদি বিষযৰ বিকাশ সাধনৰ উপৰিও জাতীয় সংহতি ৰক্ষা কৰা আৰু আন্তঃৰাষ্ট্ৰীয বুজা-পৰা ভাৱৰ বৃদ্ধি কৰি তোলাতো এই টেলিভিচন যন্ত্ৰ সহাযক হৈ উঠিব পাৰে। টেলিভিচন যন্ত্ৰক শাসক দলৰ ৰাজনৈতিক উদ্দেশ্য পূৰণত প্ৰয়োগ নকৰি প্ৰকৃত শিক্ষাৰ স্বাৰ্থ ৰক্ষা কৰিবলৈ ব্যৱহাৰ কৰিলে সকলো শ্ৰেণীৰ লোকেই ইযাৰ পৰা নিজ নিজ ভাৱে উপকৃত হ'ব পাৰে।

(৫) টেপ ৰেকৰ্ডাৰ (Tape recorder) : টেপ ৰেকৰ্ডাৰ হৈছে এবিধ অতি সুবিধাজনক আহিলা যি শিক্ষা সঁজুলি স্বৰূপে প্ৰযোগৰ প্ৰচুৰ সম্ভাৱনীযতা বহন কৰিছে। এই শব্দ যন্ত্ৰৰ যোগেদি বিখ্যাত লোকসকলৰ কথিকা, বক্তৃতা, আলোচনা আদি থলতেই বাণীবদ্ধ কৰি আনিব পাৰি, আৰু তাক প্ৰয়োজন মতে শ্ৰেণীকক্ষত প্ৰয়োগ কৰিব পাৰি। শিক্ষকে এনে ধৰণৰ সংগৃহীত টেপৰ সহায়েৰে শ্ৰেণীকক্ষত প্ৰসংগক্ৰমে প্ৰয়োগ কৰিব পাৰে আৰু তেওঁৰ শিক্ষা-

নিৰ্দেশনাক অধিক আকৰ্ষণীয় আৰু তথ্যভিত্তিক কৰি তুলিব পাৰে। আনকি ছাত্ৰসকলৰ নিজৰ মাত-কথা, সংগীত, আবৃত্তি, নাটক আদি এই যন্ত্ৰৰ যোগেদি ধৰি ৰাখিব পাৰি আৰু পুনৰ তেওঁলোকাকেই আমোদজনক ভাৱে প্ৰদান কৰিব পাৰি। ছাত্ৰসকলে নিজৰ মাত-কথা ইয়াৰ যোগেদি নিজেই শুনিবলৈ পালে স্বাভাবিকতেই মনত অধিক উৎসাহ আৰু আগ্ৰহ অনুভৱ কৰি উঠিব পাৰে।

(৬) গ্ৰামোফোন যন্ত্ৰ (Gramophone) **:** গ্ৰামোফোন যন্ত্ৰ বৰ্তমান পুৰণি হৈ পৰিছে যদিও দৃশ্য-শ্ৰাব্য সঁজুলি স্বৰূপে শিক্ষাত ইয়াৰ প্ৰযোগ সমূলি অপ্ৰযোজনীয় হৈ পৰা নাই। এই যন্ত্ৰ প্ৰযোগৰ এক পৃথক তাৎপৰ্য্য অনুভৱ কৰা হয়। গ্ৰামোফোন যন্ত্ৰৰ যোগেদি শাস্ত্ৰীয় সংগীত, নৃত্য, আবৃত্তি, নাটকৰ অভিনয় আৰু বিদেশী ভাষা শিক্ষাৰ ব্যৱস্থা কৰিব পাৰি। বিশেষকৈ শব্দৰ শুদ্ধ উচ্চাৰণ আৰু স্বৰ-ধ্বনি আদি প্ৰযোগৰ শিক্ষাৰ বেলিকা ই বিশেষ সহায়কাৰী হৈ উঠিব পাৰে।

(৭) চিনেমা প্ৰদশন (Film show) **:** বৰ্তমান সকলো লোকেই চিনেমা বা কথাছবিৰ শিক্ষামূলক ভূমিকাৰ কথা অনুভৱ কৰে। শিক্ষাৰ আহিলা স্বৰূপে চিনেমাৰ সপক্ষে আৰু বিপক্ষে বহুতো যুক্তিযেই দাঙি ধৰিব পাৰি। অৱশ্যে শিক্ষাক্ষেত্ৰত দৃশ্য-শ্ৰাব্য সঁজুলি স্বৰূপে ইযাক শ্ৰেণীকক্ষৰ ভিতৰত প্ৰয়োগ কৰাৰ প্ৰসংগত যথেষ্ট সীমাবদ্ধতা থকাটো মন কৰিবলগীয়া। ইয়াৰ বাবে কেতবোৰ বিশেষ ভাবে নিৰ্মিত আৰু ছাত্ৰক শিক্ষাদান কৰিব পৰা বিধৰ চিত্ৰ প্ৰস্তুত কৰাটো প্ৰয়োজন। বিজ্ঞান, ভূগোল, বুৰঞ্জী, সাহিত্য-সংস্কৃতি, প্ৰকৃতি পাঠ, খেলা-ধুলা, স্বাস্থ্য ৰক্ষা কৰা, অভ্যাস গঠন কৰা আৰু নৈতিক ভাব-অনুভূতি জগাই তোলা সম্বন্ধীয় চিত্ৰ প্ৰস্তুত কৰাটো প্ৰযোজন। এনেবোৰ চিত্ৰ ছাত্ৰক প্ৰদৰ্শনৰ বাবে প্ৰতিখন স্কুলতে অদিটবিযাম আৰু চিনেমা প্ৰজেক্টৰ থকাটো প্ৰয়োজন।

শ্ৰৱণ আৰু দৰ্শন এই দুয়োবিধৰেই শিক্ষা একে সময়তে দিব পৰা হোৱা বাবে চিনেমাৰ এক দ্বৈত শিক্ষামূলক ভূমিকা থাকে। চিনেমা নিঃসন্দেহে জন-শিক্ষাৰ সকলোতকৈ শক্তিশালী মাধ্যম। সেইবাবে ইয়াক অৰ্থ উপাৰ্জনৰ সংকীৰ্ণ উদ্দেশ্য পূৰণৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা অনুচিত।

(৮) পুতলা নাচ (Puppet show) ঃ আমাৰ দেশত পুতলা নাচ এবিধ জনপ্ৰিয় কলা স্বৰূপে কেতবোৰ পুৰণি শিল্পীৰ মাজত আবদ্ধ হৈ আছে। শিশু শিক্ষাৰ এক উপযুক্ত সঁজুলি স্বৰূপে ই শ্ৰেণীকক্ষত শিক্ষাদানৰ যথেষ্ট সম্ভাৱনীয়তা থকাটো মন কৰিবলগীয়া। উচ্চ শিক্ষাৰ শ্ৰেণীতকৈ শিক্ষাৰ নিম্নশ্ৰেণীতহে ইয়াক অধিক সফল-ভাৱে প্ৰয়োগ কৰিব পাৰি। পুতলা নাচৰ কাহিনী ৰামায়ণ, মহাভাৰত আৰু অন্যান্য প্ৰাচীন মহাকাব্যসমূহৰ পৰা লব পাৰি। পুতলা নাচৰ যোগেদি শিশুসকলক নৈতিক, আধ্যাত্মিক আৰু সাংস্কৃতিক মূল্যবোধ আদি মহাকাব্যসমূহৰ যোগেদি দিব পাৰি। এনে কাৰ্যাই কণ কণ শিশুসকলৰ চৰিত্ৰ আৰু ব্যক্তিত্ব গঠনত বিশেষ সহায় কৰিব পাৰে। ইয়াৰ সকলোতকৈ অধিক গুৰুত্বপূৰ্ণ শৈক্ষিক মূল্য এয়ে যে শিশুসকলে খেলাৰ মনোভাবেৰে পুতলা নাচৰ বিভিন্ন চৰিত্ৰৰ যোগেদি নিজকে আত্মপ্ৰকাশ কৰিব পাৰে। সেইবাবে পুতলাসমূহৰ ক্ৰিয়া-কলাপে শিশুৰ মনত গভীৰ প্ৰভাৱ পেলাব পাৰে।

(৯) বুলেটিন বোৰ্ড (Bulletin board) : ই হৈছে এবিধ জাননী বোৰ্ড (Notice board) যাক স্কুলৰ সুবিধাজনক ঠাইত স্থাপন কৰা হয়। ইয়াত কেতবোৰ নিৰ্বাচিত আৰু তাৎপৰ্য্যপূৰ্ণ লিখনি, বা-বাতৰি, তথ্য পাতি, চিত্ৰ, ৰেখা-চিত্ৰ আৰু ব্যংগচিত্ৰ তথা বাতৰি কাকতৰ উদ্ধৃতি আদি ছাত্ৰ-ছাত্ৰীসকলৰ বাবে প্ৰদৰ্শন কৰা হয়। এই বুলেটিন বোৰ্ডত প্ৰদৰ্শন কৰা বিষয়সমূহ সাধাৰণতে দুষ্প্ৰাপ্য, তাৎপৰ্য্যপূৰ্ণ আৰু বিভিন্ন বিষয়ত ছাত্ৰসকলক জ্ঞান দিব পৰা বিধৰ

হয়। এনেবোৰ বিষয় যেতিয়া অধিক সময়ৰ বাবে ছাত্ৰসকলৰ দৃষ্টি-গোচৰ কৰি ৰখা হয়, তেতিয়া তেওঁলোকৰ মনোযোগ আৰু আগ্ৰহ সহজে আকৰ্ষণ কৰিব পাৰে। ছাত্ৰসকলে তেওঁলোকৰ ব্যক্তিগত ভাবে উপকৃত হ'বৰ বাবেও প্ৰয়োজনীয় তথ্য-পাতি আদি ইয়াৰ পৰা টুকি ৰাখিব পাৰে।

(১০) শিক্ষামূলক ভ্ৰমণ (Educational tour) : ছাত্ৰক প্ৰত্যক্ষভাবে বিষয়বস্তুৰ জ্ঞান দিয়াৰ ই এক উপযুক্ত ব্যৱস্থা। ছাত্ৰক শ্ৰেণীত দিয়া শিক্ষাৰ এক পৰিপূৰক ব্যৱস্থা স্বৰূপে ইয়াক গণ্য কৰিব পাৰি। শ্ৰেণীত দিয়া তত্ত্বপ্ৰধান আৰু পুথিগত জ্ঞানৰ লগত শ্ৰেণীৰ বাহিৰত থকা প্ৰকৃত অৱস্থাৰ জ্ঞান অভিজ্ঞতাৰ যোগাযোগ আৰু সম্বন্ধ ই স্থাপন কৰিব পাৰে। তাত্ত্বিক জ্ঞান আৰু তাৰ বাস্তবিকতাৰ মাজত থকা মিল অমিল আদি ছাত্ৰসকলে বিশ্লেষণ কৰি চোৱাত ই সহায় কৰিব পাৰে। শ্ৰেণীৰ ভিতৰত পোৱা শিক্ষাৰ পৰা ছাত্ৰসকলে ইয়াৰ সহায়েৰে তেওঁলোকে পৰ্য্যবেক্ষণ আৰু নিৰীক্ষণ কৰিব পৰা ক্ষমতা লাভ কৰি উঠিব পাৰে। সেইবাবে সম্ভৱ হ'লে শিক্ষকে সকলো ছাত্ৰকে প্ৰসিদ্ধ ঠাইসমূহলৈ শিক্ষামূলক ভ্ৰমণৰ আয়োজন নিয়মিত ভাবে কৰিব লাগে।

শ্ৰৱণ-দৰ্শন সঁজুলিবোৰ প্ৰয়োগৰ নীতিসমূহ (Principles of using the audio-visual aids) :

শিক্ষকে তেওঁৰ শিক্ষাদান প্ৰসংগত এই সঁজুলিবোৰৰ কিদৰে ব্যৱহাৰ কৰিব লাগে এই সম্বন্ধে স্পষ্ট নীতি বা কাৰ্য্যপন্থা থকাটো প্ৰয়োজন। শিক্ষকৰ শিক্ষা নিৰ্দেশনাক সহজ সৰল ভাবে ছাত্ৰক প্ৰদান কৰাৰ ক্ষেত্ৰত দৃশ্য-শ্ৰাব্য সঁজুলিবোৰ হৈছে এক উপায় বা অৱলম্বন স্বৰূপ। কিন্তু ইয়াক উপযুক্ত ভাবে প্ৰয়োগ কৰিব নোৱাৰিলে ই শিক্ষাৰ উপকাৰ সাধন কৰাৰ-পৰিৱৰ্তে ক্ষতি-সাধনহে কৰি তুলিব পাৰে। এই কথাৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষকে ইয়াৰ

প্ৰয়োগত বিশেষ সাৱধানতা অৱলম্বন কৰা উচিত। এই প্ৰসংগত তলত উল্লেখ কৰা কথাকেইটা আমাৰ বিশেষ বিবেচনাযোগ্য।

(১) ছাত্ৰৰ বয়স, মানসিক যোগ্যতা আদিৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষকে শিক্ষা-সঁজুলিবোৰ প্ৰয়োগ কৰিব লাগে। উল্লেখযোগ্য যে সকলো পৰ্য্যায়ৰ ছাত্ৰৰ বাবে এই সঁজুলিবোৰ সমানে উপযোগী নহয়।

(২) শিক্ষকে এই সঁজুলিবোৰ শ্ৰেণীত প্ৰয়োগ কৰাৰ পূৰ্বে তাৰ প্ৰয়োজনীয় আঁচনি প্ৰস্তুত কৰি লব লাগে। কোনটো সঁজুলি ব্যৱহাৰ কৰিব লাগে, কেতিয়া আৰু কিমান সময়ৰ বাবে এই কথা তেওঁ পূৰ্বেই পৰিকল্পনা কৰি লব লাগে। সঁজুলিবোৰ প্ৰয়োগৰ প্ৰাসংগিকতা সম্বন্ধে তেওঁ সজাগ হ'ব লাগে।

(৩) কোনো কোনো সময়ত এই সঁজুলিবোৰ প্ৰয়োগ নকৰাকৈয়ে ছাত্ৰক সাৰ্থক ভাবে শিক্ষা দিব পাৰি। তেনে অৱস্থাত অনাৱশ্যক ভাবে এই সঁজুলিবোৰৰ প্ৰয়োগ কৰা অনুচিত। তেওঁ লক্ষ্য ৰাখিব লাগে যাতে এই সঁজুলিবোৰৰ প্ৰয়োগে তেওঁৰ শিক্ষা নিৰ্দেশনা সহজ-সৰল আৰু স্বাভাৱিক কৰি তুলিব পাৰে।

(৪) শিক্ষকে এই কথা মনত ৰাখিব লাগে যে শিক্ষা সঁজুলিবোৰ শিক্ষাদানৰ কেৱল সহায়কহে মাথোন। যদি শিক্ষকে এই দৃশ্য-শ্ৰাব্য সঁজুলিবোৰৰ প্ৰয়োগত অধিক গুৰুত্ব দিয়ে তেন্তে শিক্ষাদানৰ মূল উদ্দেশ্য ক্ষতিগ্ৰস্ত হৈ উঠিবও পাৰে। সেইবাবে তেওঁ লক্ষ্য কৰিব লাগে যাতে শিক্ষা-সঁজুলিবোৰে শিক্ষাদান কাৰ্য্যক তল পেলাব নোৱাৰে।

(৫) শ্ৰৱণ-দৰ্শন সঁজুলিবোৰৰ সম্বন্ধে শিক্ষকৰ কিছু প্ৰায়োগিক অভিজ্ঞতা থকাটো প্ৰয়োজন। শ্ৰেণীত এইসমূহ প্ৰয়োগৰ বেলিকা দেখা দিয়া যান্ত্ৰিক বিজুতি আদি তেওঁ গুচাব পাৰিব লাগে।

(৬) এই সঁজুলিবোৰৰ প্ৰয়োগ ঘাইকৈ নিৰ্ভৰ কৰে এইসমূহ ভালদৰে সংৰক্ষণ আৰু চোৱা-চিতা কৰাৰ ওপৰত। সময়ে সময়ে এই সঁজুলিসমূহৰ সক্ৰিয়তা সম্বন্ধে পৰীক্ষা কৰি থকাটো শিক্ষকৰ কৰ্তব্য। কোনো সঁজুলি দোষযুক্ত পোৱা হ'লে তৎক্ষণাত তাৰ মেৰামতিৰ ব্যৱস্থা কৰিব লাগে।

(৭) শিক্ষকে এই কথাও ভালদৰে লক্ষ্য কৰিব লাগে যে এই সঁজুলিসমূহ তেওঁৰ দায়িত্বত আৰু অধীনত ভালদৰে ৰখা হয়। ছাত্ৰসকলৰ বাবে এই সঁজুলিবোৰ অতি সহজলভ্য হৈ উঠিব নালাগে।

(৮) দৃশ্য-শ্ৰাব্য সজুঁলিবোৰক ছাত্ৰ-শিক্ষকৰ আজৰি সময়ৰ আমোদ-প্ৰমোদৰ সামগ্ৰী স্বৰূপে গ্ৰহণ আৰু প্ৰয়োগ কৰিব নালাগে। ইয়াৰ উদ্দেশ্য হ'ব লাগে ছাত্ৰৰ মনত শিক্ষা বিষয়ৰ প্ৰতি আগ্ৰহৰ ভাব জগাই তোলা।

আমাৰ দেশৰ স্কুলবোৰত শিক্ষা-সা-সঁজুলি প্ৰয়োগৰ সম্ভাৱনীয়তা (Scope of using the teaching aids in our schools) :

এই কথা মন কৰিবলগীয়া যে বৰ্তমান অতি ব্যয়-বহুল কেতবোৰ শিক্ষা সঁজুলি উন্নত দেশবোৰত প্ৰয়োগ কৰা হৈছে। এইসমূহে বৰ্তমানৰ শিক্ষা অতি খৰচী বিধৰ কৰি তুলিছে। ভাৰতৰ দৰে এখন দেশৰ শিক্ষানুষ্ঠানবোৰত এই ব্যয়-বহুল শিক্ষা-সঁজুলিবোৰ ব্যাপক ভাবে অতি শীঘ্ৰেই প্ৰয়োগ কৰাৰ আমি আশা কৰিব নোৱাৰো। সেইবাবে আমাৰ আৰ্থ-সামাজিক পৰিস্থিতিৰ লগত খাপ খোৱা মিতব্যয়ী কেতবোৰ শিক্ষা-সঁজুলি উদ্ভাৱনৰ প্ৰচেষ্টা চলোৱা উচিত। উল্লেখযোগ্য যে শিক্ষকসকলে নিজে শ্ৰেণীত প্ৰয়োগ কৰিবৰ বাবে কেতবোৰ কম খৰচী অথচ সহজলভ্য সৰু-সুৰা শিক্ষা সা-সঁজুলি নিজেই প্ৰস্তুত কৰি তুলিব পাৰে। ইয়াৰ বাবে শিক্ষক-সকলৰ প্ৰশিক্ষণ কালত স্থানীয় বস্তুৰে সহজে এনে সঁজুলি প্ৰস্তুত

কৰিব পৰাকৈ শিক্ষা দিব লাগে। ইয়াৰ যোগেদিহে সকলো শিক্ষানুষ্ঠানত ব্যাপকভাবে ইয়াক প্ৰয়োগ কৰাটো সম্ভৱ হৈ উঠিব পাৰে। ইয়াৰ বাবে শিক্ষাৰ উচ্চ পৰ্যায়ত প্ৰয়োজনীয় অধ্যয়ন আৰু গৱেষণাৰো প্ৰয়োজন।

সামৰণিত কব পাৰি যে শ্ৰৱণ-দৰ্শন সঁজুলিবোৰ শিক্ষাদানৰ সহায়কাৰী সঁজুলি। ইয়াৰ পৰা আশানুৰূপ সহায় শিক্ষকে পাবলৈ হ'লে সঁজুলিবোৰ নীতিসন্মত ভাবে প্ৰয়োগ কৰিব জানিব লাগিব। সেয়ে নহ'লে ইয়াৰ উদ্দেশ্যবিহীন প্ৰয়োগে শিক্ষাৰ ক্ষতি-সাধন কৰি তুলিব পাৰে। এই বিষয়ৰ প্ৰতি শিক্ষক বিশেষ সাৱধান হোৱা উচিত।

অনুশীলন

(১) শ্ৰৱণ-দৰ্শন সঁজুলি বুলিলে কি বুজা? বৰ্তমান শিক্ষাদানৰ ক্ষেত্ৰত শিক্ষকৰ বাবে এই সঁজুলিবোৰৰ তাৎপৰ্য্য ব্যাখ্যা কৰা।

(২) আধুনিক শিক্ষাত শ্ৰৱণ-দৰ্শন সঁজুলিবোৰ প্ৰয়োগৰ প্ৰয়োজনীয়তা সম্বন্ধে আলোচনা কৰা।

(৩) শিক্ষাক শ্ৰেণীত দৃশ্য-শ্ৰাব্য সঁজুলিবোৰ সাৰ্থক ভাবে প্ৰয়োগৰ বাবে কেনেবোৰ নীতি গ্ৰহণ কৰা উচিত?

(৪) শিক্ষাত শ্ৰৱণ-দৰ্শন সঁজুলিবোৰ প্ৰয়োগৰ প্ৰয়োজনীয়তা দৰ্শোৱা। আমাৰ দেশৰ স্কুলবোৰত এই সঁজুলিবোৰ প্ৰয়োগৰ সম্ভাৱনীয়তা কিমান?

(৫) শিক্ষাত দৃশ্য-শ্ৰাব্য সঁজুলিবোৰ প্ৰয়োগৰ সাৰ্থকতা আৰু ইয়াৰ সীমাবদ্ধতা সম্বন্ধে সাৱধানে বিচাৰ কৰা।

(৬) জন সংযোগৰ মাধ্যম স্বৰূপে ৰেডিঅ' আৰু টেলিভিচনৰ শৈক্ষিক তাৎপৰ্য্য ব্যাখ্যা কৰা।

(৭) শিক্ষাদানত আহিলা স্বৰূপে ব্লেক বোৰ্ড, মেপ আৰু গ্লোবৰ ভূমিকা বৰ্ণনা কৰা।

(৮) ভূগোল আৰু বিজ্ঞান বিষয়ৰ সাৰ্থক শিক্ষাদানৰ বাবে শিক্ষকে শ্ৰেণীত কেনেবোৰ দৃশ্য-শ্ৰাব্য সঁজুলি কিদৰে প্ৰয়োগ কৰা উচিত ?

(৯) শৈক্ষিক তাৎপৰ্য্য ব্যাখ্যা কৰা—

(ক) বুলেটিন বোৰ্ড

(খ) পুতলা নাচ

(গ) শিক্ষামূলক ভ্ৰমণ

(ঘ) টেপ ৰেকৰ্ডাৰ

প্ৰসংগ গ্ৰন্থসমূহ ঃ

1 K. Bhatia & B D. Bhatia The Principles and Methods of Teaching. Ch IX Doaba House, Delhi, New Revised Edition, 1966

2 S K Kochhar Methods and Techniques of Teaching Ch 9 Sterling Publishers Pvt Ltd New Delhi 16. Third Edition Reprint 1978.

তৃতীয় অধ্যায়

জীৱন-ব্যাপী শিক্ষা

Life long Education)

ইয়াৰ ধাৰণা (Its concept) :

জীৱন ব্যাপী অথবা আজীৱন শিক্ষাৰ ধাৰণা হৈছে বৰ্তমান সময়ৰ জীৱন প্ৰক্ৰিয়া আৰু আধুনিক সভ্যতাৰ পৰিণাম স্বৰূপ। সময়ৰ পৰিৱৰ্তনৰ লগে লগে মানৱ সমাজৰ শিক্ষাৰ প্ৰয়োজন আৰু শিক্ষাৰ পদ্ধতিসমূহৰ পৰিৱৰ্তন হয়। জীৱন ব্যাপী শিক্ষা হৈছে এই প্ৰসংগত এক নতুন ধাৰণা, যাৰ যোগেদি শিক্ষাবিদ আৰু চিন্তাবিদসকলে আমাৰ শৈক্ষিক প্ৰয়োজন পূৰণ কৰিবলৈ বিচাৰিছে।

সহজ ভাষাত কবলৈ হ'লে জীৱন ব্যাপী শিক্ষা হৈছে এনে এবিধ শিক্ষা ব্যৱস্থা যি আমাৰ জীৱনৰ কোনো অৱস্থাতেই থমকি নোৰোৱাকৈ গোটেই জীৱন জুৰি চলি থাকে। ১৯৭৩ চনত শিক্ষা বিকাশৰ আন্তৰ্জাতিক আয়োগে (International Commission on Development of Education) অনুভৱ কৰে যে প্ৰতিজন ব্যক্তিয়েই তেওঁ গোটেই জীৱন জুৰি শিক্ষণ কাৰ্য্য চলাই থকাটো সম্ভৱ হৈ উঠিব লাগে। এই শিক্ষাই ব্যক্তিৰ গোটেই জীৱন আগুৰি থাকে আৰু ই তেওঁৰ সুন্দৰ আৰু সম্পূৰ্ণ জীৱনৰ বাবে প্ৰয়োজনীয় অভিজ্ঞতা অন্তৰ্ভুক্ত কৰে। উল্লেখযোগ্য যে জীৱনব্যাপী শিক্ষাকে এটা বিশেষ পদ্ধতি স্বৰূপে বৰ্ণনা কৰাৰ পৰিৱৰ্তে ইয়াক আধুনিক শিক্ষাৰ এক গ্ৰহণযোগ্য নীতি স্বৰূপেহে বৰ্ণনা কৰিব পাৰি। ওপৰত উল্লেখ কৰা আন্তৰ্জাতিক শিক্ষা আয়োগে আঙুলিয়াই দিয়ে যে

পৃথিবীৰ বিকশিত আৰু বিকাশশীল দেশসমূহৰ আগত দিনৰ বছৰ সমূহৰ বাবে ই হৈছে শিক্ষাৰ এক শ্ৰেষ্ঠ প্ৰভাৱশালী ধাৰণাস্বৰূপ।*

আমাৰ বৰ্তমানৰ সামাজিক পৰিস্থিতি আৰু পৰিবেশ এক দ্ৰুত গতিৰে পৰিবৰ্তন আৰু বিকাশ হ'বলৈ ধৰিছে। আধুনিক সমাজৰ এনে দ্ৰুত পৰিবৰ্তনশীল পৰিস্থিতিত প্ৰতিজন ব্যক্তিয়েই তেওঁৰ নিজ নিজ নতুন পৰিস্থিতি আৰু জীৱনৰ সমস্যাবোৰৰ সন্মুখীন হ'বলৈ উপযুক্ত শিক্ষা লাভ কৰি উঠিব লাগে। এনে শিক্ষা এক বহল পৰিসৰৰ ভিত্তিত ৰচিত হ'ব লাগে যাৰ যোগেদি জীৱনৰ ভিন্নমুখী অভিজ্ঞতা লাভ কৰি উঠিব পাৰি। কাৰণ এনে ভিন্নমুখী ব্যাপক অভিজ্ঞতাসমূহ আমাৰ বৰ্তমানৰ আনুষ্ঠানিক শিক্ষা ব্যৱস্থাত পাব পৰা নাযায়। আমাৰ বৰ্তমানৰ স্কুলীয়া শিক্ষাৰ ক্ৰিয়া পৰিসৰ ইমানেই সীমাবদ্ধ যে ই আমাৰ শিক্ষাৰ ভিন্নমুখী প্ৰযোজন পূৰণ কৰি উঠিব নোৱাৰে। সেইবাবে বিশ্বৰ শিক্ষাবিদসকলে এক নতুন শিক্ষা ব্যৱস্থাৰ বৰ্তমান চিন্তা কৰিছে যি আমাৰ বৰ্তমান সময়ৰ শিক্ষাৰ গুণগত আৰু পৰিমাণগত প্ৰযোজন পূৰণ কৰিব পাৰে। এই দিশত জীৱনব্যাপী শিক্ষাৰ ধাৰণাই হৈছে সম্ভাব্য সমাধানৰ পথ স্বৰূপ। চিন্তাবিদ সকলে এই জীৱনব্যাপী শিক্ষাৰ সংজ্ঞা দি কয় যে ই হৈছে এক প্ৰক্ৰিয়া যাৰ যোগেদি ব্যক্তিগত আৰু সামাজিক ভাবে আমাৰ বৃত্তায় জীৱনৰ বিকাশ সম্ভৱ কৰি তুলিব পাৰি।

জীৱনব্যাপী শিক্ষাৰ দৰ্শন (Philosophy of lifelong education) :

দাৰ্শনিক দৃষ্টিকোণৰ পৰা এই জীৱনব্যাপী শিক্ষাৰ ধাৰণা আমাৰ বাবে অপৰিচিত বুলি কব নোৱাৰি। পৃথিবীৰ পুৰণি সভ্যতাসমূহ যেনে—গ্ৰীচ, মিছৰ, চীনদেশ আদিত ইয়াৰ ধাৰণা পাব পৰা যায়।

---

* *J Mohanty Indian Education in the Emerging Society. P. 187 Sterling Publishers Pvt. Ltd New Delhi Third Edition, Reprint 1988*

আমাৰ দেশৰ পুৰণি দৰ্শনভিত্তিক গ্ৰন্থসমূহতো এই ধাৰণা প্ৰতিফলিত হৈ উঠিছে। ইয়াত কোৱা হৈছে যে জন্মৰ পৰা মৃত্যুলৈকে আমাৰ বাবে শিক্ষাৰ প্ৰয়োজন। পুৰণি ভাৰতৰ 'মনোস্মৃতিত' কোৱা হৈছে যে যিজন ব্যক্তিয়ে গোটেই জীৱন অধ্যয়নত উছৰ্গা কৰে তেঁৱেইহে প্ৰকৃততে ভগৱানক জানি উঠিব পাৰে। উল্লেখযোগ্য যে সেই সময়ত ভগৱান বিশ্ব ব্ৰহ্মাণ্ডৰ জ্ঞান বা দিব্যজ্যোতিৰ প্ৰতীক স্বৰূপে বিবেচিত হৈছিল। হিন্দু চিন্তাদৰ্শনে মত পোষণ কৰে যে জীৱন ব্যাপী শিক্ষা হৈছে সত্য বা ভগৱানৰ উপলব্ধি কৰাৰ এক আধ্যাত্মিক চিন্তা-চৰ্চা মাথোন।

বৰ্তমানৰ শিক্ষা দাৰ্শনিক জন্ ডিউইয়েও (John Dewey) মত প্ৰকাশ কৰে যে শিক্ষা জীৱনৰ বাবে প্ৰস্তুতি নহয়, বৰং ইয়েই হৈছে জীৱন। ইয়াৰ দ্বাৰা এই কথা কব পাৰি যে আমাৰ জীৱনজোৰা ক্ৰিয়া অভিজ্ঞতাসমূহ শিক্ষাৰ বাহিৰে আন একো নহয়। ডিউইয়ে এই মতো প্ৰকাশ কৰি উঠে যে শিক্ষা হৈছে আমাৰ জীৱনজোৰা অভিজ্ঞতাৰ অবিৰত পুনৰনিৰ্মাণ কাৰ্য্য (Education is a continuous reconstruction of experience)।

জীৱন ব্যাপী শিক্ষাৰ কেতবোৰ সাংগঠনিক বৈশিষ্ট্য (Constituent characteristics of life long education) :

এইবিধ শিক্ষাৰ ব্যাপক পৰিসৰৰ স্বৰূপ নিম্নলিখিত কথাকেইটাৰ যোগেদি ভালদৰে অনুভৱ কৰিব পৰা যায়।

(১) জীৱন ব্যাপী শিক্ষা হৈছে এক বহল পৰিসৰৰ শিক্ষাৰ নীতি স্বৰূপ, ই এক স্পষ্ট শিক্ষণ পদ্ধতি নহয়।

(২) এই শিক্ষাই ব্যক্তিৰ জন্মৰ পৰা মৃত্যুলৈকে গোটেই জীৱন আগুৰি থাকে।

(৩) ই হৈছে শিক্ষাৰ এক সমগ্ৰ প্ৰক্ৰিয়া যি আমাৰ আনুষ্ঠানিক, অনানুষ্ঠানিক আৰু অগতানুগতিক (formal, informal and non formal) শিক্ষাক সামৰি লয়।

(৪) এই শিক্ষাই আমাৰ সকলো পৰ্য্যাযৰ শিক্ষাকে সমগ্ৰ ভাবে অন্তৰ্ভুক্ত কৰে।

(৫) জীৱন ব্যাপী শিক্ষা প্ৰাপ্তবযস্ক শিক্ষা নহয যদিও ই প্ৰাপ্ত-বযস্ক শিক্ষাৰ প্ৰযোজন পূৰণ কৰিব পাৰে।

(৬) এই শিক্ষাই শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত থকা গতানুগতিক আৰু অনমনীয নীতি পৰিহাৰ কৰি গতিশীলতাৰ নীতি গ্ৰহণ কৰে।

(৭) সামাজিক পৰিস্থিতিৰ দ্ৰুত পৰিৱৰ্তনৰ পৰিপ্ৰেক্ষিতত এই শিক্ষাই ব্যক্তিগত আৰু সামাজিক ভাবে সমাযোজনাত সহায কৰে।

(৮) এই শিক্ষাই ব্যক্তিৰ সৌন্দৰ্য্যবোধক আৰু সৃজণাত্মক ভাবে আজৰি সময সদব্যৱহাৰ কৰাত সহায কৰে।

জীৱন ব্যাপী শিক্ষাৰ প্ৰয়োজনীয়তা (Need of life long education) :

মানুহৰ বাবে জীৱন ব্যাপী শিক্ষাৰ প্ৰযোজনীযতা আন সকলো সমযতকৈ বৰ্তমানতেই অধিক বুলিব পাৰি। প্ৰকৃত পক্ষে শিক্ষাৰ এই নতুন ধাৰণা বৰ্তমান সমযৰ মানুহৰ শিক্ষাৰ প্ৰযোজনৰ পৰাই সৃষ্টি হৈছে। এনে শিক্ষাৰ যোগেদিয়েই বৰ্তমানৰ মানুহে বিজ্ঞান আৰু কাৰিকৰী বিজ্ঞানৰ যুগত নিজকে খাপ খুৱাই লব পাৰে। এই প্ৰসংগত এই শিক্ষাৰ প্ৰযোজনীযতাসমূহৰ কেইটামান বিশেষ দিশ নিম্নলিখিত ভাবে বৰ্ণনা কৰিব পাৰি।

(১) দ্ৰুত সামাজিক পৰিৱৰ্তন (Rapid social change) : বৰ্তমানৰ মানুহে সামাজিক আৰু অৰ্থ নৈতিক জীৱনৰ দ্ৰুত পৰিৱৰ্তন লক্ষ্য কৰিছে। আমাৰ দৈনন্দিন জীৱনত ব্যাপক ভাবে প্ৰযোগ কৰা আধুনিক বিজ্ঞান আৰু কাৰিকৰী বিজ্ঞানে এনে ভাবিব নোৱাৰা পৰিৱৰ্তন আনি দিছে। ইয়াৰ ফল স্বৰূপে সৰ্বসাধাৰণ লোকৰ বাবে

ব্যক্তিগত আৰু সামাজিক ভাৱে নিজকে খাপ খুৱাই লোৱাত সমস্যাৰ সৃষ্টি কৰিছে। জীৱন ব্যাপী শিক্ষাই আমাৰ এনে সমাযোজনত সহায়ক হৈ উঠিব পাৰে।

(২) পুৰণি মূল্যবোধৰ অৱসান (Breaking down of old values) : দ্ৰুত সামাজিক পৰিবৰ্তনে স্বাভাৱিকতেই আমাৰ জীৱনৰ পুৰণি সামাজিক মূল্যবোধ আৰু মনোভাব আদি ভাঙি পেলাইছে। তেওঁলোকে জীৱনৰ পৰিবৰ্তিত বাস্তৱ পৰিস্থিতিত নিজকে সুস্থ সমাযোজনৰ বাবে নতুন মূল্যবোধ আৰু মনোভাব গঢ় দি তুলিবলৈ বিচাৰিছে। এনে এটা অৱস্থাই অশিক্ষিতসকলৰ সংৰক্ষণশীলতা আৰু শিক্ষিতসকলৰ পৰিবৰ্তনশীলতাৰ মাজত এক সংঘৰ্ষ আৰু ভুল বুজা-বুজিৰ সৃষ্টি কৰিছে। জীৱন ব্যাপী শিক্ষাই এই দুয়োটা দিশৰ মাজৰ ব্যৱধান গুচাই সমন্বয়ৰ ভাব গঢ়ি তুলিব পাৰে।

(৩) জ্ঞানৰ বিস্ফোৰণ (Explosion of Knowledge) : কুৰি শতিকাৰ উল্লেখযোগ্য ঘটনা হৈছে মানুহৰ জ্ঞান-অভিজ্ঞতাৰ সকলো দিশতে অভাৱনীয় ভাৱে বৃদ্ধি তথা বিস্ফোৰণ হোৱাটো। বিজ্ঞানৰ প্ৰয়োগে জ্ঞানৰ প্ৰতিটো বিভাগ কই চহকী কৰি তুলিছে। ফলত আমি প্ৰতিটো বিষয়কেই অধ্যয়ন কৰাটো প্ৰয়োজন হৈ পৰিছে। পুৰণি কালত গ্ৰহণ কৰা আস্থা, নিষ্ঠা, বিশ্বাস আদিৰ ঠাইত বৰ্তমান যুক্তি, তৰ্ক, বাস্তৱ অধ্যয়ন আৰু পৰীক্ষণ আদিয়ে প্ৰাধান্য লাভ কৰি উঠিছে। আনহাতে এজন সৰ্বসাধাৰণ লোকে তেওঁৰ জীৱন কালত এই সকলোবোৰ বিষয়ৰ জ্ঞান আৰু অভিজ্ঞতা আয়ত্ত কৰাটো সম্ভৱপৰ নহয়। সেইবাবে এনে এক শিক্ষা ব্যৱস্থাৰ প্ৰয়োজন হৈ পৰিছে যি আমাক বিস্ফোৰিত মানৱ অভিজ্ঞতাসমূহৰ এক সংক্ষিপ্ত আৰু প্ৰয়োজনভিত্তিক জ্ঞান দিব পাৰে।

(৪) আনুষ্ঠানিক শিক্ষাৰ অপৰ্য্যাপ্ততা (Inadequacy of the formal education) : বৰ্তমান স্কুল-কলেজৰ শিক্ষাই অধ্যয়ন

লোকৰ শিক্ষাৰ বৰ্ধিত প্ৰয়োজন পূৰণ কৰি উঠিব পৰা নাই। তেওঁ-লোকৰ অধিক সংখ্যক লোকেই আনুষ্ঠানিক শিক্ষাৰ বাহিৰত থাকিব লাগে। ইয়াৰ উপৰি এই আনুষ্ঠানিক শিক্ষা যিসকল লোকে লাভ কৰাৰ সৌভাগ্য ঘটিছে তেওঁলোকৰো ব্যক্তিগত আৰু সামাজিক ভাবে প্ৰয়োজনীয় আশানুৰূপ গুণসমূহ বিকশাই তোলাত ই ব্যৰ্থ হৈছে। এই শিক্ষাই এহাতে ব্যক্তিগত গুণ, চৰিত্ৰ আৰু ব্যক্তিত্ব বিকাশত যিদৰে ব্যৰ্থ হৈছে আনহাতে সেইদৰে সামাজিক ন্যায়, সমতা আৰু সকলো লোকৰ সমান শিক্ষা-সুবিধা দান কৰাতো ব্যৰ্থ হৈছে। বৰ্তমানৰ আনুষ্ঠানিক শিক্ষাই কেৱল মুষ্টিমেয় সৌভাগ্যৱান আৰু অগণন দুৰ্ভাগ্যৱান লোকসকলৰ মাজত এক ব্যৱধানহে সৃষ্টি কৰিছে। এনেবোৰ কাৰণতেই বৰ্তমান স্কুলৰ বিলোপ সাধনৰ (deschooling) কথাও ভবা হৈছে।

(৫) **বয়সস্থসকলৰ শিক্ষা সম্ভাৱনীয়তা (Educability of grown up people) :** সমাজত বাস কৰা বয়সস্থসকলৰ জীৱন-ব্যাপী শিক্ষাৰ প্ৰয়োজনীয়তাও বৰ্তমান অনুভৱ কৰা হয়। তেওঁলোকৰ ছাত্ৰজীৱনৰ পুৰণি জ্ঞান অভিজ্ঞতাসমূহ বৰ্তমানৰ সমস্যা সমাধানৰ বাবে অনুপযুক্ত আৰু কাৰ্য্যকৰী হৈ উঠা দেখা গৈছে। বৰ্তমানৰ জগত খাপ খোৱাকৈ আৰু বৰ্তমানৰ সমস্যা সমাধান কৰিব পৰাকৈ নতুন জ্ঞান অভিজ্ঞতা তেওঁলোকৰ প্ৰয়োজন হৈ পৰিছে। সেইবাবে তেওঁলোকৰ বৰ্তমানৰ প্ৰত্যাহ্বানমূলক সমস্যাবোৰৰ সমুখীন হ'বৰ বাবে পুৰণি অভিজ্ঞতাসমূহৰ সংশোধন আৰু পুনৰউদ্দীপন কৰাৰ প্ৰয়োজন হৈ পৰিছে। শিক্ষিত আৰু অশিক্ষিত সকলো লোকেই সেয়েহে সময় উপযোগী আৰু প্ৰয়োজনভিত্তিক শিক্ষা গ্ৰহণৰ প্ৰয়োজন হৈ পৰিছে। বয়সস্থ লোকসকলৰ এনে প্ৰয়োজনভিত্তিক শিক্ষাৰ বাবে জীৱন ব্যাপী শিক্ষা হৈছে একমাত্ৰ পথ।

(৬) **স্কুলৰ বাহিৰত শিক্ষাৰ সম্ভাৱনীয়তা (Scope of education out side school) :** স্কুলৰ আনুষ্ঠানিক শিক্ষাকেই

একমাত্র গ্রহণযোগ্য শিক্ষা বুলিব নোৱাৰি। বৰং সমগ্র শিক্ষাৰ ই এক সীমাবদ্ধ অংশহে মাথোন আৰু এই শিক্ষাও সীমিত সময়ৰ বাবে সমাজৰ সীমিত সংখ্যক লোককহে দিব পাৰি। আনহাতে স্কুলৰ বাহিৰৰ ব্যাপক পৰিসৰৰ প্ৰাকৃতিক পৰিবেশত স্বাভাবিক শিক্ষা আহৰণৰ প্ৰচুৰ সম্ভাৱনীয়তা থকা দেখা যায়। এই আনুষ্ঠানিক শিক্ষা হৈছে প্ৰাসংগিক বিধৰ (incidental) আৰু ই ব্যক্তিৰ ব্যক্তিগত আৰু সামাজিক জীৱনৰ প্ৰতিটো অভিজ্ঞতাকেই স্পৰ্শ কৰে। ব্যক্তি-জীৱনৰ প্ৰয়োজনীয় আশা-আকাংখ্যাবোৰো এনে শিক্ষাই পূৰণ কৰিব পাৰে। সেইবাবে জীৱনৰ ব্যাপক পৰিসৰৰ আৰু জীৱনৰ লগত ওচৰ সম্বন্ধ থকা এনে শিক্ষাক আমি অৱহেলা কৰিব নোৱাৰো।

(৭) **সামাজিক শিক্ষাৰ প্ৰয়োজন (Need of social education) :** জীৱন-ব্যাপী শিক্ষাৰ ব্যৱস্থাই আমাৰ সামাজিক তথা প্ৰাপ্তবয়স্ক শিক্ষাৰ প্ৰয়োজনো পূৰণ কৰিব পাৰে। এই শিক্ষাই নিৰক্ষৰতা আৰু অজ্ঞতা গুচাই সৰ্বসাধাৰণ লোকৰ শিক্ষাৰ মৌলিক প্ৰয়োজন পূৰণ কৰিব পাৰে। অৱশ্যে জীৱন-ব্যাপী শিক্ষাৰ ব্যাপক পৰিসৰক কেৱল মাথোন প্ৰাপ্তবয়স্ক লোকৰ সাক্ষৰতা দান কৰাৰ মাজতে সীমাবদ্ধ কৰি ৰাখিব নোৱাৰি। তথাপিও প্ৰাপ্তবয়স্ক শিক্ষাৰ সাৰ্থকতা আৰু কৃতকাৰ্য্যতা লাভৰ বাবে জীৱন-ব্যাপী শিক্ষাৰ প্ৰভাৱ অস্বীকাৰ কৰিব নোৱাৰি। ইয়াৰ প্ৰতি লক্ষ্য ৰাখি বৰ্তমান প্ৰাপ্তবয়স্কৰ শিক্ষাক সামাজিক শিক্ষা স্বৰূপে বিবেচনা কৰা হয়।

জীৱন-ব্যাপী শিক্ষাৰ অধ্যয়নৰ উপাদানসমূহ (Contents or components of life-long education) :

জীৱন-ব্যাপী শিক্ষাৰ বহল পৰিসৰৰ প্ৰতি লক্ষ্য ৰাখি ইয়াৰ অধ্যয়নৰ উপাদানসমূহৰ চিনাক্তকৰণ কৰাটো আমাৰ বাবে অতি প্ৰয়োজনীয় কথা। এই শিক্ষাৰ বহল পৰিসৰক তিনিটা মুখ্য দিশত উপৰিভাগ কৰিব পাৰি।

(১) বৈষয়িক দিশ (Material aspect)
(২) মানবীয় দিশ (Humanities aspect)
(৩) সংগৃহীত অভিজ্ঞতাসমূহৰ দিশ (Accumulated aspects of experience)

এই তিনিটা দিশক অধিক কাৰ্য্যকৰী আৰু ব্যৱহাৰিক দিশৰ ফালৰ পৰা নিম্নলিখিত ভাৱে বৰ্ণনা কৰিব পাৰি।

(১) সাক্ষৰতা দানৰ শিক্ষা (Training in literacy) : লিখা, পঢ়া, ভাষা-জ্ঞান আৰু সংখ্যাজ্ঞান আয়ত্ত কৰাটো যিকোনো শিক্ষাৰেই সৰ্বপ্ৰথম পৰ্য্যায় স্বৰূপে বিবেচনা কৰিব পাৰি। সাক্ষৰতা প্ৰদান কৰাটো সেয়েহে জীৱন-ব্যাপী শিক্ষাৰ অপৰিহাৰ্য্য অংশস্বৰূপ। এনে সাক্ষৰতাইহে ব্যক্তিক তেওঁৰ নিজ জ্ঞান অভিজ্ঞতাসমূহ সমাজৰ লোকৰ মাজত আদান-প্ৰদান কৰাত সহায় কৰে আৰু সামাজিক সমাযোজন স্থাপন কৰে। এনে সাক্ষৰতা পুথিগত অথবা তত্ত্বপ্ৰধান হোৱাৰ পৰিবৰ্তে ব্যৱহাৰিক প্ৰয়োজন পূৰণ কৰা বিধৰহে হ'ব লাগে। ভাষা-জ্ঞানৰ ব্যৱহাৰিক অভিজ্ঞতাইহে মাথোন ব্যক্তিক তেওঁৰ সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক অৱস্থাৰ জটিলতা সমাধান কৰাত সহায় কৰিব পাৰে।

(২) বৃত্তীয় শিক্ষাদান (Training in vocation) : বৰ্তমান সময়ত ব্যক্তিৰ এক গুৰুত্বপূৰ্ণ সামাজিক প্ৰয়োজন হৈছে বৃত্তীয় শিক্ষা গ্ৰহণেৰে অৰ্থনৈতিক উৎপাদনশীলতা লাভ কৰা। বৰ্তমানৰ বৃত্তি বা ব্যৱসায়সমূহ অধিক পৰিমাণে বিশেষীকৰণ কৰা হৈ উঠিছে আৰু ইয়াৰ বাবে বৈজ্ঞানিক আৰু কাৰিকৰী দিশৰ অভিজ্ঞতাৰ প্ৰয়োজন হৈ উঠিছে। ইয়াৰ ফলত প্ৰতিটো বৃত্তিৰেই বৃত্তীয় শিক্ষাৰ প্ৰয়োজন অনুভৱ কৰা হয়। যিকোনো ব্যক্তিৰ বাবেই এই বৃত্তীয় শিক্ষা তেওঁৰ জীৱন-ব্যাপী শিক্ষাত পৰিণত হ'ব পাৰে। সেই হেতুকে তেওঁৰ নিজ বৃত্তিৰ যোগেদি উৎপাদন বৃদ্ধি কৰা, উৎপাদিত দ্ৰব্যৰ গুণ উচ্চমান-বিশিষ্ট কৰা আদিৰ বাবে বৃত্তীয় শিক্ষাৰ কাৰিকৰী অভিজ্ঞতা

প্ৰয়োজন। জীৱন-ব্যাপী শিক্ষাই সেয়েহে মানৱ সম্পদ সংব্যৱহাৰ কৰিব পৰাকৈ এনে বৃত্তীয় শিক্ষাৰ দিশ সামৰি লৈছে।

(৩) পৰিৱৰ্তনৰ লগত খাপ খাব পৰাকৈ শিক্ষা প্ৰদান (Training to cope with change) ঃ বৰ্তমান সমাজত বিজ্ঞান আৰু কাৰিকৰী বিজ্ঞানৰ ব্যাপক প্ৰয়োগে আমাৰ জীৱনৰ ক্ৰিয়া-কলাপ আৰু মূল্যবোধ আদিৰ দ্ৰুত পৰিৱৰ্তন সাধন কৰিছে। ইয়াৰ ফলত কাৰিকৰী ভাবে বিকাশশীল আৰু সাংস্কৃতিক ভাবে সংৰক্ষণশীল (technically developed and culturally conservative) দুটা ভিন্ন গোষ্ঠীৰ লোকৰ সৃষ্টি কৰি তেওঁলোকৰ মাজত অধিক ব্যৱধান আনি দিছে। সেইবাবে সময়ৰ পৰিৱৰ্তনৰ লগত নিজকে ভালদৰে খাপ খুৱাই লব পৰাকৈ জীৱন-ব্যাপী শিক্ষাই প্ৰয়োজনীয় অভিজ্ঞতা দানৰ ব্যৱস্থা কৰিছে। বৰ্তমান পুৰণি আৰু সংৰক্ষণশীল মনোভাবৰ লোকসকলে যাতে সময় উপযোগীকৈ তেওঁলোকৰ নতুন ক্ৰিয়া-কৌশল, অভিজ্ঞতা আদি গ্ৰহণ কৰিব পাৰে আৰু তাৰ যোগেদি এক নতুন মূল্যবোধ অনুভৱ কৰি উঠিব পাৰে তাৰ প্ৰতি লক্ষ্য ৰখা হৈছে।

(৪) নাগৰিকতাৰ শিক্ষাদান (Training for citizenship) : বৰ্তমান সময়ত সমাজৰ প্ৰতিজন লোকেই তেওঁলোকৰ ৰাজনৈতিক সচেতনতা, দায়িত্ব আৰু কৰ্তব্যবোধ ভাব অনুভৱ কৰা আৰু সাং-বিধানিক অধিকাৰসমূহ উপভোগ কৰাটো প্ৰয়োজন। সুনাগৰিকতাৰ বাবে প্ৰতিজন লোকেই গণতান্ত্ৰিক মূল্যবোধ অনুভৱ কৰা, তেওঁ-লোকৰ ৰাজনৈতিক, সামাজিক অধিকাৰসমূহৰ শিক্ষালাভ কৰাটো প্ৰয়োজন। জীৱন-ব্যাপী শিক্ষাই সৰ্বসাধাৰণ লোকক এনেধৰণৰ শিক্ষাৰ যোগেদি সমাজত এক সচেতন আৰু সম্মানজনক জীৱন-যাপনত সহায় কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। এই প্ৰসংগত উল্লেখযোগ্য যে বৰ্তমান অশিক্ষিত, পিচপৰা আৰু সমাজৰ দুৰ্বল শ্ৰেণীৰ

লোকসকলে নিজ অধিকাৰ আৰু কৰ্তব্য অনুভৱ কৰি উঠাত সহায় কৰাটো কল্যাণকামী ৰাষ্ট্ৰৰ কৰ্তব্য।

(৫) **ব্যৱসায়িক পুনৰ্শিক্ষণ ব্যৱস্থা** (**Professional retraining**)**:** জ্ঞানৰ বিস্ফোৰণ হোৱাৰ ফলত বৰ্তমান সমাজৰ প্ৰতিজন লোকেই নতুন জ্ঞান-অভিজ্ঞতা আদিৰ লগত পৰিচিত হোৱাটো প্ৰয়োজন হৈ পৰিছে। বিশেষকৈ আমাৰ বৃত্তীয জীৱনত বিজ্ঞান আৰু কাৰিকৰী বিজ্ঞানৰ নতুন কৌশলসমূহৰ আধুনিকতম অভিজ্ঞতাসমূহ লাভ কৰাৰ প্ৰযাজন হৈ পৰিছে। উল্লেখযোগ্য যে এজন লোকে লাভ কৰা তেওঁৰ ২০/৩০ বছৰ আগৰ পুৰণি কাৰিকৰী অভিজ্ঞতা বৰ্তমানৰ বাবে অচল আৰু অপ্ৰযোজনীয তথা অকাৰ্য্যকৰী হৈ পৰিছে। ইযাৰ ফলত বযস্ক শিক্ষিত শ্ৰেণীৰ লোকসকলেও নিজকে বৰ্তমানৰ বৃত্তীয অভিজ্ঞতাৰ লগত খাপ খুৱাই লবলৈ ব্যৱসাযিক পুনৰশিক্ষণৰ প্ৰযোজন হৈ পৰিছে। জীৱন ব্যাপী শিক্ষাই সেযেহে ব্যক্তিক বৰ্তমানত বৃত্তীয সমাযোজনত সহায কৰে।

(৬) **আজিৰ সময়ৰ শিক্ষাদান** (Training for leisure)**:** বিজ্ঞান আৰু কাৰিকৰী বিজ্ঞানৰ ব্যাপক প্ৰযোগে বৰ্তমান আমাৰ সমাজত এক নতুন সমস্যাৰ সৃষ্টি কৰিছে, সি হৈছে আজৰি সময বা কৰ্মহীনতাৰ সমস্যা। ই বৰ্তমান আমাৰ সামাজিক জীৱনত ক্ৰমে ব্যাপকতাৰ ৰূপ ধাৰণ কৰি উঠিছে। সেইবাবে মানুহৰ দেহ মানসিক স্বাস্থ্য ৰক্ষা কৰিব পৰাকৈ আজৰি সমযৰ সৎব্যৱহাৰৰ বাবে শিক্ষাৰ প্ৰয়োজন অনুভৱ কৰা হৈছে। জীৱন-ব্যাপী শিক্ষাই সেযেহে মানুহৰ মাজত সুস্থ, সুন্দৰ আৰু কলাত্মক অনুভূতিসমূহ জগাই তুলিব পৰাকৈ শিক্ষাৰ প্ৰযোজনীয় উপাদানসমূহ ইয়াৰ অন্তৰ্ভুক্ত কৰি তুলিছে। সুস্থ আৰু উন্নত ৰুচিৰ হ'বি (hobby) বা প্ৰিয কাম আদিৰ প্ৰশিক্ষণ ব্যক্তিৰ আগ্ৰহ অভিৰুচি অনুসৰি প্ৰদানৰ ব্যৱস্থা সেয়েহে জীৱন-ব্যাপী শিক্ষাৰ অন্তৰ্গত কৰা হৈছে।

জীৱন-ব্যাপী শিক্ষা কিদৰে দিব পাৰি (**How to give life-long education**) :

সমগ্ৰ জীৱন আগুৰি থকাকৈ শিক্ষাদান কৰিবৰ বাবে ইয়াক কিদৰে অথবা কেনেবোৰ মাধ্যমৰ যোগে এই শিক্ষা দিব পৰা হয় এই সম্বন্ধে আমাৰ মনৰ ধাৰণা স্পষ্ট হোৱাটো প্ৰয়োজন। উল্লেখযোগ্য যে পৃথিৱীৰ অগণন ধনী-দুখীয়া, শিক্ষিত-অশিক্ষিত লোকক সামৰি লব পাৰাকৈ এই শিক্ষা ভিন্নমুখী আৰু ভিন ভিন মাধ্যমৰ ব্যৱস্থা গ্ৰহণ কৰাটো প্ৰয়োজন। এই শিক্ষা এক বিশেষ ধৰণৰ শিক্ষাত পৰিণত কৰি তোলাৰ পৰিবৰ্তে তেওঁলোকৰ জীৱনৰ দৈনন্দিন ক্ৰিয়া-কলাপৰ অংশ বিশেষত পৰিণত কৰি তুলিব লাগিব। প্ৰকৃত অৰ্থত কবলৈ গ'লে জীৱন-ব্যাপী শিক্ষা এক বিশেষ পদ্ধতি নহয়, বৰং ই হৈছে জীৱনৰ ৰং আৰু ৰূপ। সেইবাবে অধিক ব্যক্তি স্বাধীনতা, আৰু পৰিৱৰ্তনশীলতাৰ নীতি আৰু পদ্ধতি ইয়াত গ্ৰহণ কৰিব লাগে, যাৰ যোগেদি এই শিক্ষা সকলোৰে বাবে সম্ভৱপৰ কৰি তুলিব পৰা যায়। ইযাৰ বাবে আমাৰ প্ৰচলিত আনুষ্ঠানিক শিক্ষা ব্যৱস্থাত আৰু ইযাৰ নীতি-পদ্ধতি আদিত মৌলিক পৰিৱৰ্তন সাধন কৰি তুলিব লাগিব। শ্ৰেণী-শিক্ষাৰ সীমাবদ্ধ পৰিসৰৰ সলনি মুক্ত শিক্ষা ব্যৱস্থা (**open learning system**) গঢ় দি তুলিব লাগিব, যাৰ যোগেদি সৰ্বসাধাৰণ লোকক এনে শিক্ষাৰ লগত জড়িত কৰি তুলিব পৰা যায়। তেওঁলোকৰ মনত এনে এক মনোভাব গঢ় দি তুলিব লাগিব যে কোনো কথা শিকিবৰ বাবে আমাৰ কেতিয়াও সময়ৰ পলম নহয় (**never too late to learn anything**)।

বিজ্ঞান আৰু কাৰিকৰী বিজ্ঞানৰ অগ্ৰগতিৰ লগে লগে জীৱন-ব্যাপী শিক্ষাদানৰ উন্নত কৌশল আৰু ব্যৱস্থাসমূহো বৰ্তমান গঢ় লৈ উঠিছে। ৰেডিঅ', টেলিভিচন, চেটেলাইট সংযোগ ব্যৱস্থা আদিয়ে এই শিক্ষাৰ এক বহল পৰিসৰৰ সম্ভাৱনীয়তা আনি দিছে। ইয়াৰ

বাবে স্কুলীয়া শিক্ষাৰ বিলোপ সাধন সমাজ (de-schooling society), অগতানুগতিক শিক্ষা ব্যৱস্থা (non-formal education) মুক্ত বিশ্ববিদ্যালয়, যোগাযোগ শিক্ষা ব্যৱস্থা আৰু distance learning বা দূৰ শিক্ষণ ব্যৱস্থা আদিযে প্ৰয়োজনীয় কাৰ্য্যসূচী গ্ৰহণ কৰিছে। শৈক্ষিক কাৰিকৰী বিজ্ঞান (Educational technology) বিষয়ে আমাক এনে শিক্ষাৰ উন্নত সা-সঁজুলি আৰু শিক্ষণ পদ্ধতি বিষয়ে আগত দাঙি ধৰিছে। এই শিক্ষাৰ সম্ভাৱনীয়তাই বৰ্তমান সময়ত সেযেহে শিক্ষা দাৰ্শনিক আৰু শিক্ষা কাৰিকৰী বিজ্ঞানীসকলক অধিক আকৰ্ষিত কৰি তুলিছে। শিক্ষাৰ এই নতুন প্ৰচেষ্টাই সমগ্ৰ মানৱতাৰ বাবেই এক নতুন যুগৰ সভ্যতাৰ ইংগিত দিছে বুলিও কব পাৰি।

অনুশীলন

(১) জীৱন-ব্যাপী শিক্ষা বুলিলে কি বুজা? বৰ্তমান সময়ত এই শিক্ষাৰ প্ৰয়োজনীয়তা দৰ্শোৱা।

(২) আজীৱন শিক্ষাৰ ধাৰণা ব্যাখ্যা কৰা আৰু ইয়াৰ কেতবোৰ সাংগঠনিক বৈশিষ্ট্য বৰ্ণনা কৰা।

(৩) আধুনিক শিক্ষাৰ পৰিৱৰ্তিত পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত জীৱন-ব্যাপী শিক্ষাৰ প্ৰাসংগিকতা দৰ্শোৱা। এই শিক্ষা কিদৰে প্ৰদান কৰিব পৰা যায়?

(৪) জীৱন-ব্যাপী শিক্ষাৰ লগত সামাজিক শিক্ষাৰ কিদৰে পাৰ্থক্য বিবেচনা কৰিব পাৰি? জীৱন-ব্যাপী শিক্ষাৰ লক্ষ্য উদ্দেশ্যসমূহ বৰ্ণনা কৰা।

(৫) আজীৱন শিক্ষা কি আৰু এই শিক্ষাত কেনেবোৰ উপাদান অন্তৰ্ভুক্ত কৰা হয় আলোচনা কৰা।

(৬) শিক্ষাৰ কেনেবোৰ পৰিস্থিতিত বৰ্তমান আজীৱন শিক্ষাৰ কথা ভবা হৈছে? এই প্ৰসংগত স্কুলৰ বিলোপসাধনৰ ধাৰণা সম্বন্ধে ব্যাখ্যা কৰা।

(৭) বৰ্তমান আনুষ্ঠানিক শিক্ষাৰ সীমাবদ্ধতাসমূহ কি কি ? জীৱন-ব্যাপী শিক্ষাই এই ক্ষেত্ৰত আমাক কিদৰে সহায় কৰিব পাৰে ?

(৮) 'জীৱন-ব্যাপী শিক্ষা হৈছে আধুনিক সভ্যতাৰ প্ৰয়োজনৰ পৰিণতি স্বৰূপ ।' উক্তিটো বহলাই আলোচনা কৰা ।

প্ৰসঙ্গ গ্ৰন্থসমূহ ঃ

1 J Mohanty — Modern Trends in Indian Education Chapter 6 Deep & Deep Publications 1988 New Delhi 110027

2 J Mohanty — Indian Education in the Emerging Society Ch 30 Sterling Publishers Pvt Ltd Third Edition Reprint 1988 New Delhi 110016

3 L Das — Adult Continuing Education. Chapter 2 First Edition 1985, Guwahati

চতুৰ্থ অধ্যায়

অৱসৰ সময়ৰ শিক্ষা

(Education for Leisure)

অৱসৰ সময়ৰ শিক্ষা বুলিলে কি বুজো ? (What is meant by education for lisure ?)

বৰ্তমান সময়ৰ শিক্ষাৰ এক প্ৰযোজনভিত্তিক নতুন চিন্তাধাৰা হৈছে আজৰি বা অৱসৰ সময়ৰ শিক্ষা। শিক্ষা বিষয়ৰ চিন্তাবিদসকলে ক্ৰমান্বয়ে এই কথা অনুভৱ কৰি উঠিছে যে শিক্ষা কেৱল কামৰ বাবে অথবা কোনো বৃত্তি-ব্যৱসায়ৰ উপযোগী কৰি তুলিবৰ বাবেই নহয়, ইযাক ব্যক্তিৰ আজৰি সময় ভালদৰে কটাবৰ বাবেও অতি প্ৰযোজন। আজৰি সময়ৰ শিক্ষা সকলো পৰ্য্যায়ৰ ছাত্ৰ-ছাত্ৰী আৰু সকলো বয়সৰ লোকৰ বাবেই সমানে প্ৰয়োজনীয়। অৱসৰ সময় হৈছে যি সময়ত আমি কোনো কৰ্মব্যস্ত নোহোৱাকৈ কৰ্তব্যৰ পৰা মুক্ত অৱস্থাত থকা যায়। এই সময়ত যি কোনো জীৱিকা নিৰ্বাহ অথবা ধন উপাৰ্জন কৰা ক্ৰিয়াৰ পৰা বিৰত থকা হয়। আজৰি সময়ত মানুহে সকলো প্ৰকাৰৰ দৈহিক আৰু মানসিক ব্যস্ততাৰ পৰা অব্যাহতি লয়।

উল্লেখযোগ্য যে কৰ্মব্যস্ত অথবা জীৱিকা নিৰ্বাহত ব্যস্ত থকা সময়খিনি স্বাভাৱিকতেই আমাৰ বাবে হয় নিৰস আৰু নিৰানন্দময়। সেইবাবে ই আমাৰ মনত অৱসাদ আৰু আমনিৰ সৃষ্টি কৰে। দেহ-মনক সতেজ আৰু পুনৰুদ্দীপ্ত কৰি তুলিবৰ বাবে জিৰণি বা অৱসৰ সময়ৰ প্ৰয়োজন হয়। ই আমাৰ মনত আনন্দ উৎসাহ যোগায় আৰু

সুস্থ-সুন্দৰ আৰু নিঃস্বাৰ্থ এক অনুভূতিৰ অভিজ্ঞতা প্ৰদান কৰে। সেয়েহে অৱসৰ সময়ে আমাৰ মানসিক স্বাস্থ্য ৰক্ষা কৰাত সহায় কৰে আৰু তাৰ যোগেদি সুস্থ ব্যক্তিত্ব গঠন কৰি তুলিব পাৰে। অৱসৰ সময় মানে আমি নিজ ঘৰত এলেহুৱা হৈ বহি থকা, বিছনাত শুই থকা অথবা অকাৰণতে বাটত ঘূৰি ফুৰাটোক নুবুজায়। এক সুচিন্তিত ভাবে প্ৰস্তুত কৰি তোলা শিক্ষা ব্যৱস্থাৰে সেয়েহে আজৰি সময় সুস্থ, সুখৰ আৰু এক বিমল আনন্দ দিব পৰা বিধৰ কৰি তোলাটো প্ৰয়োজন। এজন লোকৰ জীৱনৰ সুস্থ সুন্দৰ অনুভূতিবোৰৰ বিকাশ এনে শিক্ষাৰ ওপৰতেই যথেষ্ট নিৰ্ভৰ কৰে। ক্ৰিয়াৰ গতানুগতিক জীৱনৰ পৰা ব্যতিক্ৰম স্বৰূপে জীৱন প্ৰকৃত অৰ্থত উপভোগ্য কৰি তুলিব পাৰে। তাকে কৰিব নোৱাৰিলে আমাৰ আজৰি সময়ৰ ক্ৰিয়া-বিমুখ এলেহুৱা আৰু অলস মন চয়তানৰ ক্ৰীড়াভূমিত (devil's workshop) পৰিণত হ'বলৈ বেছি সময় নালাগে। সেয়েহে আমাৰ একো কৰিবলৈ নথকাৰ দৰে যাতনাদায়ক অৱস্থা আন একো হ'ব নোৱাৰে।

অৱসৰ সময়ৰ চিন্তাদৰ্শন (Philosophical trend of leisure):

অৱসৰ সময়ৰ চিন্তা-দৰ্শন সম্বন্ধে আমি দৃষ্টি নিক্ষেপ কৰিলে ইয়াৰ এক তাৎপৰ্য্যপূৰ্ণ পৰিৱৰ্তন হোৱাটো বৰ্তমান আমি লক্ষ্য কৰিব পাৰো। গ্ৰীক দাৰ্শনিকসকলে পুৰণি কালত মত প্ৰকাশ কৰিছিল যে অৱসৰ সময়ৰ শিক্ষা কেৱল সেইসকলৰ বাবেহে যিসকল সমাজৰ সৌভাগ্যবান লোক আৰু যিসকলে সমাজত উচ্চশ্ৰেণীৰ জীৱন যাপন কৰে। এই বিশেষশ্ৰেণী লোকৰহে আজৰি সময় থাকে আৰু তেওঁ-লোকে তাক ভালদৰে কটাবৰ বাবে শিক্ষাৰ ব্যৱস্থা কৰিব লাগে। তেওঁলোকে আজৰি সময় চিন্তা-চৰ্চা কৰি কটোৱা স্থানকেই 'স্কুল' বোলা হৈছিল। সমাজৰ এই সৌভাগ্যবান শ্ৰেণী লোকে আজৰি সময় কটাবৰ বাবে বৌদ্ধিক চিন্তা-চৰ্চা, সাহিত্য, কলা, সংগীত আদি

বিষয়সমূহ উপযোগী বুলি বিবেচনা কৰা হৈছিল। যিসকল সৰ্বসাধাৰণ দৈহিক শ্ৰমজীৱি লোকে কঠিন পৰিশ্ৰমত ব্যস্ত থাকিব লগা হৈছিল তেওঁলোকৰ বাবে এই শিক্ষা অপ্ৰয়োজনীয় আৰু অনুপযোগী বুলি বিবেচিত হৈছিল। এই সময়ত উচ্চ পৰ্য্যায়ৰ আধ্যাত্মিক চিন্তা-চৰ্চা কৰিবৰ বাবেহে অৱসৰ সময়ৰ শিক্ষাৰ প্ৰয়োজন বুলিও ভবা হৈছিল। দাৰ্শনিক এৰিষ্টটলে মত প্ৰকাশ কৰিছিল যে আজৰি সময়ত পোৱা সুবিধাইহে ব্যক্তিক প্ৰকৃত জ্ঞান দিব পাৰে। (Wisdom cometh by opportunity of leisure) এই উক্তি বৰ্তমানেও আমাৰ বাবে বিশেষ তাৎপৰ্য্যপূৰ্ণ বুলিব পাৰি।

সি যি কি নহওক, বৰ্তমান সময়ত জ্ঞানৰ স্বৰূপ সম্বন্ধে থকা পুৰণি দৃষ্টিভংগীৰ সলনি হৈছে। বৰ্তমান প্ৰয়োগবাদ (Pragmatism) চিন্তা-দৰ্শনে জ্ঞানৰ ব্যৱহাৰিক, উৎপাদনমূলক আৰু উপযোগিতা-মূলক দিশৰ ওপৰত বিশ্বাস কৰে। আমাৰ সমাজ ব্যৱস্থাৰো দৰ্শনীয় পৰিৱৰ্তন সাধন হৈছে। সেই অনুক্ৰমে সমাজৰ উচ্চ-নীচ, ধনী-দুখীয়া, শ্ৰমজীৱি-বুদ্ধিজীৱি সকলো শ্ৰেণী লোকৰেই অৰ্থনৈতিক উৎপাদন-শীলতাৰ বাবে কাম কৰাৰ ওপৰত গুৰুত্ব দিয়া হয়। সেইবাবে এখন গণতান্ত্ৰিক দেশত বা সমাজত বৰ্তমান প্ৰতিজন লোকেই শ্ৰমৰ বাবে আৰু এই শ্ৰমৰ অন্তত আজৰি সময়ৰ বাবে শিক্ষা লাভ কৰাৰ অধিকাৰ আৰু প্ৰয়োজন থকাৰ কথা মানি লোৱা হয়।

বৰ্তমান সময়ত আজৰি সময়ৰ সমস্যা (Problem of education for leisure at present) :

আজৰি সময়ৰ সমস্যাই বৰ্তমান সমাজৰ সকলো শ্ৰেণীৰ লোকক কম-বেচি পৰিমাণে পীড়িত কৰি তুলিছে। সামাজিক জীৱনৰ দ্ৰুত পৰিৱৰ্তনৰ লগে লগে এই সমস্যাই অধিক জটিলতৰ অৱস্থালৈ গতি কৰিছে। ইয়াক সামূহিক ভাৱে চিন্তা কৰাটো আৰু সমাধানৰ উপায় উদ্ভাৱন কৰাটো চিন্তাবিদ আৰু শিক্ষাবিদসকলৰ প্ৰতি এক

প্ৰত্যাহ্বান স্বৰূপ হৈ উঠিছে। এই সমস্যাই ক্ৰম জটিলতা লাভ কৰি উঠা নিম্নলিখিত দিশসমূহৰ প্ৰতি আমাৰ দৃষ্টি নিক্ষেপ কৰিব পাৰি।

(ক) মহানগৰী সমূহত (In the cities) : বৰ্ত্তমান উন্নত নগৰ-চহৰসমূহত শিল্প আৰু কাৰিকৰী বিজ্ঞানৰ সভ্যতাই বিশেষ প্ৰভাৱ পেলাইছে। ইযাৰ ফলত মানুহৰ চিন্তা-ধাৰা আৰু মূল্যবোধ আদিৰ পৰিৱৰ্ত্তন হৈছে। বৈষযিক জীৱনৰ অত্যাধিক প্ৰভাৱৰ হেতুকে উপযোগিতা, কাৰ্য্যকাৰিতা আৰু উৎপাদনশীলতা আদি মানুহৰ জীৱনত বাস্তব সত্য স্বৰূপে পৰিগণিত হৈ উঠিছে। উন্নত মানৱ নগৰীযা জীৱনত বিজ্ঞান আৰু কাৰিকৰী বিজ্ঞানৰ অৱদান স্বৰূপে বিভিন্ন যন্ত্ৰ আৰু সা-সঁজুলিসমূহ আমাৰ দৈনন্দিন জীৱনত অধিক ভাবে প্ৰযোগ কৰিবলৈ লোৱা হৈছে। ইযাৰ পৰিণতি স্বৰূপে পূৰ্বৰ কাযিক শ্ৰম একেবাৰে কমি গৈ নগৰীযা জীৱনৰ লোকসকল অধিক এলেহুৱা আৰু দৈহিক শ্ৰমবিমুখ হৈ পৰিছে। কাৰিকৰী বিজ্ঞানৰ যন্ত্ৰসমূহে তেওঁলোকৰ হাতৰ পৰা কাযিক শ্ৰম প্ৰায সম্পূৰ্ণৰূপে কাঢি হৈছে। উল্লেখযোগ্য যে কাৰিকৰী বিজ্ঞান আৰু অভিযান্ত্ৰিক বিজ্ঞানত আগবঢা দেশসমূহৰ বাবে ই এক সামাজিক সমস্যা স্বৰূপে অধিক জটিলতা লাভ কৰি উঠিছে। নগৰীযা জীৱনৰ এই যান্ত্ৰিক সভ্যতাই ভাৰতৰ দৰে বিকাশশীল দেশসমূহত নিবনুৱা সমস্যা অধিক জটিল কৰি তুলিছে। বৰ্তমান নগৰমুখী সভ্যতাৰ এই পৰিণতি আমাৰ বাবে চিন্তাৰ বিষয হৈ পৰিছে।

(খ) গ্ৰাম্য অঞ্চলত (In the villages) : নগৰ অঞ্চলতকৈ গাঁও অঞ্চলত অৱসৰ সমযৰ সমস্যাৰ দৃশ্যপট কিছু পৃথক ধৰণৰ। আমাৰ দেশত গ্ৰাম্য অঞ্চলৰ কৃষকসকলে তেওঁলোকৰ গ্ৰীষ্মকালীন খেতি কৰা আৰু খেতি চপোৱাৰ মাজত প্ৰায় ৪।৫ মাহ সময় এনেয়ে এলেহুৱা হৈ কটায। এই আজৰি সমযখিনি কটাবৰ বাবে কোনো শিক্ষামূলক আৰু গঠনমূলক ক্ৰিয়া আঁচনি তেওঁলোকৰ হাতত

নাথাকে। দৰিদ্ৰতা, নিৰক্ষৰতা আৰু সামাজিক কু-সংস্কাৰ আদিয়ে তেওঁলোকৰ জীৱন আৰু ক্ৰিয়া-কলাপ সংকুচিত কৰি ৰাখে। ইয়াৰ ফলত তেওঁলোকৰ অৱসৰ সময়ৰ অধিক ভাগেই গল্প-গুজব কৰা, পৰ-চৰ্চা, পৰ-নিন্দা কৰা, হাই-কাজিয়া কৰা, ৰাগীয়াল বস্তু পান কৰা, আৰু অন্ধ বিশ্বাসৰ বশৱৰ্তী হৈ অসুস্থ আৰু অসামাজিক ক্ৰিয়া-কলাপত লিপ্ত থকা দেখা যায়। তেওঁলোকৰ কিছু সংখ্যক লোকে আকৌ গণতন্ত্ৰৰ নামত সংকীৰ্ণ সাম্প্ৰদায়িক ৰাজনীতিত লিপ্ত হৈ অজ্ঞ আৰু নিৰক্ষৰ লোকসকলক বিভ্ৰান্ত কৰি তোলে। ফলত সামাজিক জীৱনত শান্তি আৰু শৃংখলা ভংগ হয় আৰু প্ৰশাসনিক জটিলতাৰ সৃষ্টি হয়।

(গ) শিক্ষানুষ্ঠানসমূহত (In the educational institutions)ঃ অৱসৰ সময় আমাৰ স্কুল-কলেজ-বিশ্ববিদ্যালয়বোৰৰ বাবেও বৰ্তমান এক সমস্যাস্বৰূপ হৈ উঠিছে। প্ৰায়বোৰ শিক্ষানুষ্ঠানতে শিক্ষাৰ বৈষয়িক অৱস্থা অতি দুৰ্বল হোৱা হেতুকে স্কুলৰ শিক্ষা-কৰ্তৃপক্ষই পাঠ্য আৰু সহ পাঠ্যক্ৰমৰ কাৰ্য্যসূচীবোৰ কাৰ্য্যকৰী-কৰণৰ বাবে যথোচিত সুবিধা প্ৰদান কৰিব নোৱাৰে। ফলত বাৰ্ষিক কাৰ্য্যসূচীৰে বহু অংশ বাতিল কৰিব লগা হয়। ছাত্ৰ-ছাত্ৰীসকলে গ্ৰীষ্মকালীন আৰু শীতকালীন দীঘলীয়া বন্ধৰ উপৰিও চূড়ান্ত পৰীক্ষাৰ পিছত বহুতো সময় এলেহুৱা হৈ কটাব লাগে। আনকি বছৰটোৰ কৰ্মব্যস্ত দিনবোৰটোতো শিক্ষাদান শিক্ষাগ্ৰহণ আৰু শিক্ষা পৰিদৰ্শন কাৰ্য্যত সাধাৰণ ভাৱে অৱহেলা আৰু উদ্যমহীনতাৰ ভাব দেখিবলৈ পোৱা যায়। শিক্ষক, ছাত্ৰ আৰু সৰ্বসাধাৰণ লোকেও প্ৰায়ে আপত্তি কৰা দেখা যায় যে শিক্ষানুষ্ঠানৰ অধিক পৰিমাণৰ আৰু অপৰিকল্পিত বন্ধসমূহে নিয়মীয়া পাঠ্যসূচী আৰু কাৰ্য্যসূচীবোৰ নিৰ্দিষ্ট সময়ত শেষ কৰাত বাধাপ্ৰদান কৰে। প্ৰচলিত প্ৰস্তুত পাঠ্যক্ৰমো হৈছে অধিক চিন্তা-প্ৰধান আৰু কৰ্ম-বিমুখ। শিক্ষাদান পদ্ধতি হৈছে শ্ৰেণীকক্ষ

প্ৰধান আৰু মৌখিক বিধৰ। এনেবোৰ অৱস্থাই স্বাভাৱিকতেই ছাত্ৰ-ছাত্ৰীসকলৰ অৱসৰ সময় সমস্যা জড়িত কৰি তুলিছে। ই অতি দুৰ্ভাগ্যজনক আৰু ভয়াবহ কথা যে অত্যধিক আজৰি সময়ে বৰ্তমান আমাৰ যুৱক-যুৱতীসকলক নিচাযুক্ত সেৱণ কাৰ্য্যৰ প্ৰতি অধিক আগ্ৰহী কৰি তুলিছে।

আজৰি সময়ৰ শিক্ষাৰ প্ৰয়োজনীয়তা (Need of education for leisure) :

অৱসৰ সময়ৰ সমস্যা বৰ্তমান যান্ত্ৰিক সভ্যতাৰ বিষময় পৰিণতি স্বৰূপ। এই সমস্যাই সমাজৰ সকলো শ্ৰেণী লোকক নিজ নিজ ভাবে প্ৰভাৱিত কৰি তুলিছে। সেইবাবে সমাজৰ চিন্তাশীল লোক-সকলে অৱসৰ সময়ৰ শিক্ষাৰ প্ৰয়োজনীয়তা বহুল ভাৱে অনুভৱ কৰি উঠিছে। এই সম্বন্ধে বিস্তৃত আলোচনালৈ নগৈ নিম্নলিখিত কথাকেইটাৰ প্ৰতি আমাৰ দৃষ্টি নিক্ষেপ কৰিব পাৰি।

(১) অৱসৰ সময়ৰ শিক্ষাই আমাৰ জীৱন উন্নত আৰু গতিশীল কৰি তুলিব পাৰে। বৰ্তমান সমাজত যন্ত্ৰচালিত বিধৰ জীৱনে সৃষ্টি কৰা মনৰ অৱসাদ আৰু উদ্যমহীনতাৰ অৱস্থা গুচাই এই শিক্ষাই নতুন শক্তি আৰু উৎসাহ যোগাব পাৰে।

(২) এই শিক্ষাই ব্যক্তি মনৰ অসুস্থ ভাব চিন্তা আৰু নেতিবাচক মনোভাব আৰু দৃষ্টিভংগী আদি গুচাই মন সুস্থ আৰু শক্তি-শালী কৰি তুলিব পাৰে। পৰিবেশৰ যিকোনো পৰিস্থিতিতে ব্যক্তিয়ে সুস্থ দৃষ্টিভংগী আৰু গঠনাত্মক মনোভাব গ্ৰহণ কৰি উঠিব পাৰে।

(৩) আজৰি সময়ৰ উপযুক্ত সদ্ব্যৱহাৰে ব্যক্তিৰ মানসিক স্বাস্থ্য ৰক্ষা কৰিব পাৰে। ইয়াৰ অভাৱত আমাৰ মনলৈ বেয়া চিন্তা ভাবনা আহি চয়তানৰ ক্ৰীড়াভূমিত পৰিণত কৰিব পাৰে।

(৪) মানুহৰ বিশেষ বিশেষ যোগ্যতা, ক্ষমতা আৰু অন্তৰ্নিহিত সম্ভাৱনীয়তাসমূহ বিকশাই তোলাৰ বাবে আজৰি সময়ৰ শিক্ষাই বিশেষ সহায় কৰে। ব্যক্তি-প্ৰতিভা আত্ম-প্ৰকাশৰ প্ৰয়োজনীয় পৰিবেশ এই শিক্ষাই ৰচনা কৰিব পাৰে।

(৫) এখন সমাজৰ নৈতিক আৰু সাংস্কৃতিক জীৱনৰ বিকাশ সাধনতো অৱসৰ সময়ৰ শিক্ষাই সহায় কৰে। এখন দেশ বা এটা জাতিৰ জাতীয় চৰিত্ৰ আৰু সামাজিক যোগ্যতা তেওঁলোকৰ আজৰি সময়ৰ সদব্যৱহাৰৰ যোগেদিয়ে বিচাৰ কৰি চাব পাৰি।

(৬) এই শিক্ষাই ব্যক্তিৰ সামাজিক ভাৱে গ্ৰহণযোগ্য আৰু উৎপাদনমূলক ক্ৰিয়াৰ অভ্যাস গঢ়ি তুলিব পাৰে। সুস্থ আৰু সুন্দৰ ৰুচিবোধৰ লাভজনক বৃত্তি গ্ৰহণত ই সহায় কৰে।

(৭) অৱসৰ সময়ৰ শিক্ষাই প্ৰাপ্তবয়স্ক লোকসকলৰ শিক্ষা আঁচনিতো কাৰ্য্যকৰী ভাৱে সহায় কৰে। নিৰক্ষৰ লোক সকলেও এই শিক্ষাৰ যোগেদি সমাজত সুখী, অৰ্থপূৰ্ণ আৰু সম্মানজনক জীৱন-যাপন কৰিব পাৰে।

(৮) এই শিক্ষাক ব্যক্তিত্বৰ সুসামঞ্জস্যপূৰ্ণ আৰু সুসংগঠিত বিকাশৰ শিক্ষা আঁচনি স্বৰূপে বৰ্ণনা কৰিব পাৰি। ই ব্যক্তিৰ দৈহিক, মানসিক আৰু আত্মিক দিশৰ সামঞ্জস্যপূৰ্ণ আৰু সামগ্ৰিক বিকাশত সহায় কৰে।

(৯) মানুহৰ প্ৰকৃতিত অন্তৰ্নিহিত হৈ থকা সূক্ষ্ম কলাত্মক আৰু সৌন্দৰ্য্যবোধক অনুভূতিসমূহ এই শিক্ষাৰ যোগেদি বিকশাই তুলিব পাৰি। মানব প্ৰকৃতিৰ এই দিশটোৰ আত্মপ্ৰকাশ কেৱল আজৰি সময়েহে সম্ভৱ কৰি তুলিব পাৰে।

(১০) এই শিক্ষাই সামাজিক মন সুস্থ আৰু গঠনাত্মক কৰি তুলি সমাজক সমস্যামুক্ত কৰি ৰাখিব পাৰে। সৰ্বসাধাৰণ লোকে

বিদ্ৰোহ, হিংসা বা ধ্বংসৰ পথ ত্যাগ কৰি বিকাশৰ পথ গ্ৰহণ কৰিব পাৰে।

ওপৰত উল্লেখ কৰা কথাৰে ইটাই আমাক স্পষ্ট ভাৱে দেখুৱায় যে বৰ্তমানৰ সভ্যতা-সংস্কৃতিৰ পৰিপ্ৰেক্ষিতত আজৰি সময়ৰ শিক্ষা অপৰিহাৰ্য্য। এজন লোকৰ সুস্থ মানসিকতা এই শিক্ষাৰ ওপৰত নিৰ্ভৰশীল। এটা জাতিৰ জাতীয় চৰিত্ৰ আৰু কৰ্মক্ষমতা এই আজৰি সময়ৰ শিক্ষাৰ যোগেদিয়ে প্ৰতিফলিত হৈ উঠে। সমাজৰ ধ্বংসাত্মক, হিংসাত্মক আৰু অপৰাধমূলক ক্ৰিয়া কলাপ এই শিক্ষাই বহু পৰিমাণে নিয়ন্ত্ৰণ কৰিব পাৰে। বাস্তৱ, বস্তুবাদী আৰু বৈষয়িক জীৱন-যাপনে মানুহৰ মনৰ মানবীয় অনুভূতিবোধ প্ৰভাৱহীন কৰি তুলিছে। ইয়াক পুনৰ সঞ্জীৱিত আৰু শক্তিশালী কৰি তোলাৰ উপায় হৈছে অৱসৰ সময়ৰ শিক্ষা। সেয়েহে কব পাৰি যে ইয়াৰ সুপৰিকল্পিত শিক্ষাই আমাৰ মানসিক ৰোগত বাধা দান কৰাত আৰু তাৰ প্ৰতিষেধক ব্যৱস্থা কৰাত সমানে ভূমিকা লব পাৰে।

অৱসৰ সময়ৰ শিক্ষাৰ লক্ষ্য উদ্দেশ্যসমূহ (Aims and objectives of education for leisure) :

সাধাৰণ শিক্ষাতকৈ অৱসৰ সময়ৰ শিক্ষাৰ লক্ষ্য উদ্দেশ্য কিছু পৃথক হোৱাটো মন কৰিবলগীয়া। এই শিক্ষাৰ উদ্দেশ্য ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক যোগ্যতাৰ মানদণ্ড নিৰূপণ কৰাটো অথবা মানসিক ক্ষমতাৰ পৰিমাপণ কৰাটো নহয়। কোনো বৃত্তি ব্যৱসায়ৰ যোগ্যতা লাভৰ বাবে প্ৰশিক্ষণ দিয়াটোও ইয়াৰ উদ্দেশ্য নহয়। ব্যক্তিত্বৰ সুস্থ গুণ বা সংলক্ষণসমূহ বিকশাই তুলি ব্যক্তিৰ জীৱন সুন্দৰ আৰু মানবীয় গুণসম্পন্ন কৰি তোলাটোহে অৱসৰ সময়ৰ শিক্ষাৰ মুখ্য উদ্দেশ্য। এক কথাত কবলৈ গ'লে ই হৈছে আকৰ্ষণীয় ব্যক্তিত্ব গঠনৰ শিক্ষা। উল্লেখযোগ্য যে আমাৰ স্কুল-কলেজৰ পাঠ্যক্ৰমত থকা আনুষ্ঠানিক বিধৰ গতানুগতিক শিক্ষাই সুস্থ ব্যক্তিত্ব গঠনৰ শিক্ষা

দিব নোৱাৰে। এনে শিক্ষা হৈছে অধিক ভাৱে বৌদ্ধিক আৰু মননাত্মক বিধৰ। ব্যক্তিৰ মানসিক শক্তিসমূহৰ উৎকৰ্ষ সাধনৰ বাহিৰে আন দিশৰ বিকাশ সাধনৰ ইযাত আশা কৰিব নোৱাৰি। দৈহিক সঞ্চালনমূলক আৰু আনুভূতিক দিশৰ শিক্ষা বিকাশৰ বাবে আমি সেযেহে অৱসৰ সময়ৰ শিক্ষাৰ ওপৰত নিৰ্ভৰ কৰিব লাগে। অনুভূতিৰ সুস্থ বিকাশৰ শিক্ষাইহে প্ৰকৃত পক্ষে আমাৰ মানবীয় গুণ-সমূহৰ বিকাশ সাধন কৰি তুলি সুস্থ ব্যক্তিত্ব গঢ় দি তুলিব পাৰে। সি যি কি নহওক, আজৰি সময়ৰ শিক্ষাৰ মূল লক্ষ্য উদ্দেশ্য আৰু নীতি কেতবোৰ তলত সংক্ষেপে উল্লেখ কৰিব পাৰি।

(১) এই শিক্ষাই ছাত্ৰৰ ব্যক্তিগত প্ৰযোজন, আগ্ৰহ, অভিৰুচি আৰু ক্ষমতাসমূহ পূৰণ কৰিব পাৰিব লাগে।

(২) ই ব্যক্তিৰ সৃজনাত্মক আৰু গঠনাত্মক শক্তি আৰু সম্ভাবনীয়তাসমূহ বিকাশৰ সুবিধা দিব লাগে।

(৩) ব্যক্তিৰ কৰ্মবিৰতিৰ সময়খিনি উৎসাহ আনন্দৰ মাজেৰে সাৰ্থক ভাৱে কটোৱাত এই শিক্ষাই সহায় কৰিব লাগে।

(৪) আজৰি সময়ৰ ক্ৰিয়াসমূহে কেৱল ব্যক্তি মনত আমোদ-প্ৰমোদ দিয়াটোৱেই ইযাৰ উদ্দেশ্য নহয়, ই সমাজৰ লোকৰ সাংস্কৃতিক প্ৰযোজনসমূহো পূৰণ কৰিব পাৰিব লাগে।

(৫) এই শিক্ষাই ব্যক্তিৰ সূক্ষ্ম কলাত্মক আৰু সৌন্দৰ্য্যবোধক অনুভূতিসমূহো বিকশাই তুলিব পাৰিব লাগে।

(৬) অৱসৰ সময়ৰ ক্ৰিয়া-কলাপে আমাৰ মনৰ অনুভূতি আৰু অভিজ্ঞতাসমূহক অধিক উদাৰ আৰু মানবীয় কৰি তুলিব পাৰিব লাগে।

(৭) ব্যক্তিমনৰ অসুস্থতা আৰু নেতিবাচক মনোভাব গুচাই সুস্থ আৰু গঠনাত্মক দৃষ্টিভংগীৰ কৰি তোলাটো এই শিক্ষাৰ এক প্ৰধান উদ্দেশ্য।

অৱসৰ সময়ৰ শিক্ষা কিদৰে দিব পাৰি (How to give education for leisure) :

অৱসৰ সময়ৰ শিক্ষাৰ ধাৰণা স্বাভাৱিকতেই বহল পৰিসৰৰ হয়। এই শিক্ষা আনুষ্ঠানিক ভাবে শিক্ষানুষ্ঠানৰ পৰ্য্যায়ত আৰু অনানুষ্ঠানিক ভাবে সামাজিক পৰ্য্যায়ত প্ৰদান কৰিব পাৰি। আধুনিক শিক্ষাত শৈক্ষিক কাৰিকৰী বিজ্ঞানৰ (Educational Technology) প্ৰয়োগে এই শিক্ষাৰ পৰিসৰ অধিক বৃদ্ধি কৰি তুলিছে। স্কুলেই হৈছে এই শিক্ষা প্ৰদানৰ অতি উপযুক্ত স্থান। স্কুলীয়া শিক্ষাৰ পৰ্য্যায়েই হৈছে ছাত্ৰ জীৱনৰ সকলোতকৈ প্ৰভাৱশালী পৰ্য্যায়। ইয়াত লাভ কৰা শিক্ষা অভিজ্ঞতাই তেওঁলোকৰ ভৱিষ্যত জীৱনত সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলাব পাৰে। ছাত্ৰজীৱনেই সেয়েহে ভৱিষ্যতৰ প্ৰয়োজনীয় অভ্যাস গঠনৰ সময় বোলা হয়। সুনিয়ন্ত্ৰিত আৰু সুপৰিচালিত স্কুলৰ আজৰি সময়ৰ শিক্ষাই ছাত্ৰৰ ব্যক্তিত্ব গঠন বাস্তৱত সম্ভৱপৰ কৰি তুলিব পাৰে। ইয়াৰ বাহিৰে শিক্ষকৰ মনত স্পষ্ট ধাৰণা থকাৰ লগতে এই শিক্ষা কাৰ্য্যকৰী কৰণৰ বাবে সকলো প্ৰয়োজনীয় সা-সুবিধা প্ৰদান কৰিব লাগে।

স্কুলত অৱসৰ সময়ৰ শিক্ষা ব্যৱস্থা (Education for leisure in School) :

স্কুলত অৱসৰ সময়ৰ শিক্ষা দিবৰ বাবে এখন দীঘলীয়া কাৰ্য্য-তালিকা প্ৰস্তুত কৰি তুলিব পাৰি। তালিকাৰ এই কাৰ্য্যসূচীসমূহক বহল ভাবে মস্তিষ্কপ্ৰধান, অন্তৰপ্ৰধান আৰু হস্তশিল্প প্ৰধান স্বৰূপে তিনিটা বহল ভাগত বিভক্ত কৰিব পাৰি। অন্য এক দিশৰ বিবেচনাৰে এই সমূহক আকৌ ব্যক্তিগত আৰু সামূহিক স্বৰূপে ভাগ কৰিব পাৰি।

(১) **দৈহিক বিষয়** : দৈহিক ক্ৰিয়া-কলাপসমূহৰ ভিতৰত নানাবিধ বহিঃদ্বাৰ আৰু অন্তঃদ্বাৰ (out-door and indoor)

খেলা-ধূলা যেনে—ক্ৰিকেট, ফুটবল, হকী, টেনিচ, টেবুল-টেনিচ, ভলিবল, বাস্কেট বল, কাবাড্ডি, খ'খ', কংফু, কেৰাটি, বক্সিং, সাঁতোৰ আদি আৰু খেল ৰ থাৰৰ শাৰীৰিক ক্ষমতাযুক্ত নানাবিধ এথলেটিক কাৰ্য্যসূচীসমূহৰ উল্লেখ কৰিব পাৰি। এই দৈহিক প্ৰদৰ্শনযুক্ত খেলৰ-যোগেদি ছাত্ৰৰ মনত মানসিক দৃঢ়তা, মনোবল, অধ্যৱসায়, অনুশীলন, প্ৰতিযোগিতাৰ ভাব, অনুশাসন, আনুগত্য, নিয়মানুৱৰ্ত্তিতা আদি ব্যক্তিত্বৰ গুণসমূহ বিকশাই তুলিব পাৰি। এই খেলসমূহৰ প্ৰশিক্ষণৰ বাবে বিশেষজ্ঞ প্ৰশিক্ষকো নিযোগ কৰিব পাৰি আৰু তাৰ যোগেদি প্ৰতিটো খেলৰে আধুনিক কৌশলসমূহৰ স্কুলত ভিডিঅ' কেচেট্ প্ৰদৰ্শনৰো নিয়মীয়া ব্যৱস্থা কৰিব পাৰি। বিভিন্ন খেলৰ নতুন বিশ্ব ৰেকৰ্ড স্থাপন সম্বন্ধীয় তথ্য পাতি আদি সংগ্ৰহ কৰি ছাত্ৰসকলৰ বাবে সহজলভ্য কৰি তুলিব পাৰি। এনেবোৰ ব্যৱস্থাই ছাত্ৰসকলক খেলাৰ প্ৰতি আগ্ৰহী কৰি তুলিব পাৰে।

(২) বৌদ্ধিক বিষয় : আজিৰ সময়ৰ শিক্ষাৰ বাবে স্কুলৰ বৌদ্ধিক ক্ৰিয়া-কলাপসমূহৰ উদ্দেশ্য নিৰ্ধাৰিত পাঠ্য বিষয়ৰ উদ্দেশ্যতকৈ পৃথক। বিষয়বস্তুৰ বিস্তৃত জ্ঞান অভিজ্ঞতা প্ৰদান কৰি তাৰ আয়ত্তকৰণ ক্ষমতা পৰিমাপ কৰাৰ পৰিৱৰ্তে ব্যক্তিৰ বিশিষ্ট মানসিক ক্ষমতা আৰু অভিৰুচি আদি জগাই তোলাটোহে ইয়াৰ মুখ্য উদ্দেশ্য বুলিব পাৰি। ইয়াৰ বিভিন্ন কাৰ্য্যসূচীৰ ভিতৰত আলোচনা চক্ৰ, কথিকা, সাহিত্য চ'ৰা, বিজ্ঞান সংস্থা, তৰ্কসভা, আকস্মিক বক্তৃতা, ব্যংগ সদন, পঠন অভ্যাস গঠন, প্ৰবন্ধ সংগ্ৰহ কৰণ আদি উল্লেখ কৰিব পাৰি। ইয়াৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সংঘ অনুষ্ঠান আদি সংগঠন কৰি তেওঁলোকক কাৰ্য্যবাহী সদস্য স্বৰূপে অন্তৰ্ভুক্ত কৰিব লাগে। শিক্ষকসকলে এই সংঘ-অনুষ্ঠানসমূহৰ উপদেষ্টা স্বৰূপে দায়িত্ব গ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলক প্ৰয়োজনীয় নিৰ্দেশনা দিব পাৰে। সময়ে সময়ে এই কাৰ্য্যসূচীসমূহৰ প্ৰতিযোগিতা আৰু প্ৰদৰ্শনী আদিৰো আয়োজন কৰিব পাৰি। বিখ্যাত স্থানসমূহলৈ ছাত্ৰ-ছাত্ৰী-

সকলোক লৈ গৈ বিভিন্ন বিষয়ৰ প্ৰত্যক্ষ অভিজ্ঞতা দানৰো ব্যৱস্থা কৰিব পাৰি। সময়ে সময়ে পুৰস্কাৰ আৰু কৃতিত্ব প্ৰদান কাৰ্য্যৰ যোগেদিও তেওঁলোকক এনেবোৰ বৌদ্ধিক ক্ৰিয়া-কলাপৰ প্ৰতি উৎসাহিত কৰি তুলিব পাৰি।

(৩) **কলাত্মক বিষয়ঃ** ছাত্ৰ-ছাত্ৰীৰ অনুভূতিক দিশৰ বিকাশ সাধনৰ বাবে স্কুলৰ কলাত্মক বিষয়সমূহে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। শেহতীয়া বাল্যকাল আৰু কৈশোৰৰ আগলি কালছোৱাতেই তেওঁলোকৰ মনৰ ভিন ভিন অনুভূতিৰ বাবে প্ৰকাশ আৰু বিকাশৰ পথ বিচাৰে। ইয়াক উপযুক্ত ভাৱে পশিক্ষণৰ বাবে অৱসৰ সময়ৰ শিক্ষাত বিভিন্ন কলাত্মক বিষয়ৰ অন্তৰ্ভুক্ত কৰিব পাৰি। এইসমূহ হৈছে নৃত্য-গীত, যন্ত্ৰ সংগীত, আবৃত্তি, নাট্যাভিনয়, মূকাভিনয়, চিত্ৰাংকন, ভাস্কৰ্য্য, ফুলসজ্জা ইত্যাদি। এই সমূহ বিষয় প্ৰশিক্ষণৰ উদ্দেশ্য হোৱা উচিত ছাত্ৰৰ মনত নিহিত থকা কলাত্মক অনুভূতি জগাই তোলাটো, যাতে তেওঁলোকৰ আজৰি সময়ত তাৰ শিক্ষা অনুশীলনৰ বাবে আগ্ৰহ প্ৰকাশ কৰে। এই কলাত্মক বিষয়বোৰৰ যোগেদি সৌন্দৰ্য্য অনুভূতিৰ প্ৰশিক্ষণ আৰু অনুশীলন কৰিব পাৰিলেহে পৰৱৰ্তী কালত মানবীয় অনুভূতি আৰু তাৰ মূল্যবোধ তেওঁলোকৰ জীৱনত গভীৰ ভাবে অনুভৱ কৰি উঠিব পাৰে। এইসমূহ বিষয় প্ৰশিক্ষণৰ বাবেও শিক্ষকৰ কাৰ্য্যকৰী অভিজ্ঞতা থাকিব লাগে।

(৪) **ক্ৰিয়াত্মক বিষয়ঃ** অৱসৰ সময়ৰ শিক্ষাৰ প্ৰসংগত স্কুলৰ ক্ৰিয়াত্মক বিষয়সমূহৰ ভূমিকাও কম গুৰুত্বপূৰ্ণ নহয়। ছাত্ৰ-ছাত্ৰীৰ সংগঠন প্ৰবৃত্তি বাল্যকাল আৰু কৈশোৰ কালত স্বাভাৱিকতেই অধিক শক্তিশালী হৈ উঠি গঠনাত্মক ৰূপ ধাৰণ কৰিবলৈ বিচাৰে। সেইবাবে অৱসৰ সময়ৰ কাৰ্য্যসূচী স্বৰূপে স্কুলত ইয়াক প্ৰশিক্ষণৰ প্ৰচুৰ সম্ভাৱনীয়তা আৰু প্ৰযোজন আছে। ইয়াৰ বাবে অন্তৰ্ভুক্ত কৰিব পৰা বিষয়সমূহ হৈছে বিভিন্ন হস্তশিল্প যেনে—কাগজৰ কাম,

মাটিৰ কাম, বাঁহ-বেতৰ কাম, চিলাই কাম, কাপোৰত বং দিয়া আৰু ফুল তোলা, উল গোঠা, পুতলা সজা, পেলনীয়া বস্তুৰ পৰা বিবিধ আকৰ্ষণীয় বস্তু সজা, স্কুলৰ বাগান পৰিচালনা কৰা ইত্যাদি। মাধ্যমিক স্কুলৰ কৰ্ম অভিজ্ঞতাৰ কাৰ্য্যসূচীক আজৰি সময়ৰ অন্তৰ্ভুক্ত কৰিব পাৰি। ওপৰত উল্লেখ কৰা ক্ৰিয়াত্মক বিষয়সমূহ ভিন ভিন পৰ্য্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ উপযোগীকৈ প্ৰদান কৰিব লাগে। এই ক্ষেত্ৰত ল'ৰা আৰু ছোৱালীৰ ভিন্নমুখী আগ্ৰহ আৰু যোগ্যতাৰ প্ৰতিও লক্ষ্য ৰাখিব লাগে। ছাত্ৰ-ছাত্ৰীৰ প্ৰস্তুত সামগ্ৰীসমূহ ভালদৰে সংগ্ৰহ কৰি সময়ে সময়ে স্কুলত তাৰ প্ৰদৰ্শনীৰো আয়োজন কৰিব লাগে আৰু প্ৰতিভা-বান ছাত্ৰক পুৰস্কৃত কৰিব লাগে।

(৫) **সামাজিক বিষয় :** স্কুলত অৱসৰ সময়ৰ শিক্ষাৰ বাবে কেতবোৰ সামাজিক ক্ৰিয়াৰো প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব পাৰি। প্ৰাক্ কৈশোৰ কালত ছাত্ৰ-ছাত্ৰাৰ মনত সামাজিকতাৰ ভাব আৰু দলগত মনোভাব শক্তিশালী হৈ উঠে। ইযাক সু-সংগঠিত আৰু সুপৰিচালিত কৰি তুলিবৰ বাবে স্কুলত প্ৰয়োজনীয় শিক্ষা-ব্যৱস্থা থাকিব লাগে। এই প্ৰশিক্ষণ ব্যৱস্থাৰ ভিতৰত এন-চি-চি, নেভি, স্কাউট, গাৰ্লচ্ গাইড, কাবিং, ৰেডক্ৰচ প্ৰশিক্ষণ, পিকনিক, শিক্ষামূলক ভ্ৰমণ, বিবিধ সমাজ সেৱা কাৰ্য্যসূচী আদি উল্লেখ কৰিব পাৰি। এনেবোৰ প্ৰশিক্ষণৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন সামাজিক ক্ৰিয়াৰ দিশত নেতৃত্ব দানৰ ক্ষমতা আৰু সেৱাৰ মনোভাব গঢ়ি তুলিব পাৰি। এই কাৰ্য্যসূচীসমূহত যাতে কোনো ৰাজনৈতিক অথবা সাম্প্ৰদায়িকতাৰ প্ৰভাৱ পৰিব নোৱাৰে তাৰ প্ৰতি সতৰ্ক দৃষ্টি ৰাখিব লাগে।

(৬) **হ'বিকেন্দ্ৰ :** ছাত্ৰ-ছাত্ৰীসকলক স্কুলত অৱসৰ সময়ৰ শিক্ষা দিবৰ বাবে হ'বিকেন্দ্ৰ (Hobby centre) স্থাপনৰো ব্যৱস্থা কৰিব পাৰি। হ'বিৰ অৰ্থ হৈছে প্ৰিয় কাম যাক ব্যক্তিয়ে নিজ আগ্ৰহ

অভিৰুচিৰে কৰিবলৈ বিচাৰে। স্কুলত হ'বি কেন্দ্ৰ স্থাপনৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকলৰ আগ্ৰহ অভিৰুচিৰ প্ৰশিক্ষণৰ এক বহল পৰিসৰ ৰচনা কৰিব পাৰি। ওপৰত বৰ্ণনা কৰা আঠটাই কেইবিধ কাৰ্য্যসূচীৰ পৰাই হ'বিৰ কাৰ্য্যসূচী নিৰ্বাচন কৰিব পাৰি। ইয়াৰ অন্তৰ্ভুক্ত কৰিব পৰা কেতবোৰ বিষয় হৈছে—ডাক টিকট, পুৰণি মুদ্ৰা তাৎপৰ্য্যপূৰ্ণ চিত্ৰ আদি সংগ্ৰহ কৰা, ফটোগ্ৰাফি, যাদুবিদ্যা, যোগ চৰ্চা, দেহৰ সৌন্দৰ্য্য চৰ্চা, বডি-বিল্ডিং, ফাৰ্চট্ এইড ট্ৰেইনিং, পৰ্বতাৰোহণ, বৃক্ষ ৰোপণ আৰু বনচাই, সাংবাদিকতা, বিদেশী ভাষা শিক্ষণ ইত্যাদি। ব্যক্তি আৰু সমাজৰ প্ৰয়োজন অনুসৰি এই হ'বিৰ বিষয় তালিকাত আৰু বহুতো নতুন বিষয় অন্তৰ্ভুক্ত কৰিব পৰা যায়। এই বিষয়সমূহে ব্যক্তিক আজৰি সময় সাৰ্থক আৰু আনন্দদায়ক ভাবে কটোৱাত সহায় কৰাৰ লগতে সমাজৰ প্ৰয়োজনো পূৰণ কৰিব পাৰে। স্কুলত ছাত্ৰক এইসমূহৰ উপযুক্ত প্ৰশিক্ষণ আৰু নিৰ্দেশনা প্ৰদান কৰা কাৰ্য্যই তেওঁলোকৰ উন্নত ৰুচিবোধ আৰু সুস্থ মানসিকতা গঢ় দি তুলিব পাৰে।

ওপৰত অৱসৰ সময়ৰ বাবে শিক্ষাদানৰ এক বহল পৰিসৰৰ কাৰ্য্য তালিকা আৰু তাৰ বৈশিষ্ট্য দাঙি ধৰা হ'ল। অৱশ্যে এইসমূহ স্কুলত সাৰ্থক ভাবে ৰূপায়ণ কৰিবৰ বাবে শিক্ষক আৰু শিক্ষা-কৰ্তৃপক্ষই কেতবোৰ সাধাৰণ নীতিৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। এইসমূহ সংক্ষেপে তলত উল্লেখ কৰা হৈছে।

(১) অৱসৰ সময়ৰ শিক্ষা ছাত্ৰৰ বাবে বাধ্যতামূলক কৰাৰ পৰিবৰ্তে স্বতঃস্ফূৰ্ত বিধৰ কৰি তুলিব লাগে।

(২) ব্যক্তি-পাৰ্থক্যৰ প্ৰতি লক্ষ্য ৰাখি ছাত্ৰৰ নিজ নিজ আগ্ৰহ অভিৰুচি অনুসৰি বিষয় নিৰ্বাচনৰ স্বাধীনতা দিব লাগে।

(৩) স্কুলৰ শৈক্ষিক বিষয়ৰ অধ্যয়ন যাতে বাধাপ্ৰাপ্ত হ'ব লগা নহয় তাৰ প্ৰতি লক্ষ্য ৰাখিহে ছাত্ৰৰ অৱসৰ সময়ত এই শিক্ষাৰ ব্যৱস্থা কৰিব লাগে।

(৪) স্কুলৰ অনুশাসন নীতি ছাত্ৰৰ আত্মপ্ৰকাশৰ অনুকূলে গঢ় দি তুলিব লাগে।

(৫) ছাত্ৰৰ অৱসৰ সময়ৰ শিক্ষাদানৰ বাবে শিক্ষা কৰ্তৃপক্ষই স্কুলৰ বৈষয়িক অৱস্থা উন্নত কৰি তোলাটো প্ৰয়োজন।

(৬) পৰীক্ষা আৰু কৃতকাৰ্য্যতা-অকৃতকাৰ্য্যতাৰ মনোভাবেৰে এই শিক্ষা দিয়াৰ পৰিৱৰ্তে ছাত্ৰৰ মনত আগ্ৰহ অভিৰুচি এক সুস্থ বিষয়ৰ প্ৰতি জগাই তোলাটোহে ইয়াৰ উদ্দেশ্য হ'ব লাগে।

(৭) শিক্ষকসকল অৱসৰ সময়ৰ শিক্ষাৰ একো একোটা বিষয়ৰ বিশেষ প্ৰশিক্ষণপ্ৰাপ্ত হ'ব লাগে অথবা তেওঁৰ সেই বিষয়ৰ প্ৰতি বিশেষ ৰাপ থাকিব লাগে।

(৮) অৱসৰ সময়ৰ শিক্ষা যাতে ছাত্ৰৰ ভৱিষ্যত জীৱনৰ বাবে স্থায়ী আৰু সুদূৰ প্ৰসাৰী বিধৰ হৈ উঠে তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে।

সমাজত অৱসৰ সময়ৰ শিক্ষা (Education for leisure in society) :

এখন সমাজত থকা অৱসৰ সময়ৰ শিক্ষাব্যৱস্থাই সেই সমাজৰ মানসিক আৰু সামাজিক সুস্থতাৰো পৰিচয় দিয়ে। এখন সুস্থ আৰু সুসংগঠিত সমাজতহে সৰ্বসাধাৰণ লোকৰ বাবে অৱসৰ সময়ৰ শিক্ষা সম্ভৱ হৈ উঠিব পাৰে। এই কথা সমাজ বিজ্ঞানৰ এক গভীৰ চিন্তাৰ বিষয়। বৰ্তমান সমাজত দেখা দিয়া ক্ৰম বৰ্ধিত জটিলতালৈ চাই এই শিক্ষাৰ প্ৰয়োজনীয়তা সমাজৰ লোকে যথোচিত ভাবে অনুভৱ কৰি উঠিব নোৱাৰা যেন অনুমান হয়। ইয়াৰ ফলত আমাৰ সমাজত কেতবোৰ অসুস্থ, অসামাজিক আৰু অপৰাধমূলক ক্ৰিয়া ক্ৰমে বৃদ্ধি হৈ উঠাটো মন কৰিবলগী

অৱসৰ সময়ৰ শিক্ষাক সামাজিক শিক্ষাৰ আঁচনি স্বৰূপেও বৰ্ণনা কৰিব পাৰি। এখন জন-কল্যাণকামী ৰাষ্ট্ৰ বা চৰকাৰে সৰ্ব-সাধাৰণ লোকৰ অৱসৰ সময় যাপনৰ বাবে উন্নত ৰুচিবোধৰ আমোদ-প্ৰমোদৰ বিভিন্ন কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰিব পাৰে। এই প্ৰসংগত অসামাজিক লোকসকলৰ মনত থকা অসুস্থ আগ্ৰহ, অভিৰুচি আৰু মনোভাব আদি গুচাবৰ বাবে চৰকাৰে প্ৰয়োজনীয় আইন প্ৰণয়ন কৰিব পাৰে। আইনৰ নিষেধাজ্ঞাৰ যোগেদি সমাজৰ লোকৰ অসামাজিক ক্ৰিয়াত বাধাদান কৰিব পাৰি। বিশেষকৈ বৰ্ত্তমান ৰাগীয়াল আৰু নিচাযুক্ত বিষ ক্ত দ্ৰৈব্য সেৱন কাৰ্য্য বন্ধ কৰিবৰ বাবে এনে ব্যৱস্থা গ্ৰহণ কৰাটো অতি প্ৰয়োজন।

অৱসৰ সময়খিনিত জনসাধাৰণৰ সুস্থ মনোৰঞ্জনৰ বাবে চৰকাৰে নগৰ অঞ্চলত ৰাজহুৱা পুথিভঁৰাল, সংগ্ৰহালয়, আৰ্টগেলাৰী, আন্তঃ আৰু বহিঃ খেলা ধূলাৰ ষ্টেডিয়াম, জীৱজন্তু সংৰক্ষণৰ পাৰ্ক বা চিৰিয়াখানা আৰু উদ্ভিদ উদ্যান আদি স্থাপনৰ দায়িত্ব গ্ৰহণ কৰিব পাৰে। ইয়াৰ উপৰি চলচিত্ৰ গৃহ আৰু পাবলিক থিয়াটাৰ আদি নিৰ্মাণৰ ব্যৱস্থা কৰিব পাৰে। এই প্ৰসংগত উল্লেখযোগ্য যে জন-সাধাৰণৰ মনোৰঞ্জনৰ প্ৰয়োজনীয়তাক এই দুৰ্বলতা স্বৰূপে লৈ শতকৰা এশভাগতকৈও অধিক মাত্ৰাৰ আমোদ কৰ ধাৰ্য্য কৰি ৰাজহ বৃদ্ধি কৰাটো চৰকাৰৰ জন-কল্যাণমূলক নীতি বুলি বিবেচনা কৰিব নোৱাৰি।

জনসাধাৰণৰ অৱসৰ সময়ৰ সুস্থ মনোৰঞ্জনৰ সকলো সম্ভাবনীয়তা কাৰ্য্যকৰী কৰি তোলাৰ ব্যাপক আঁচনি চৰকাৰৰ থাকিব লাগে। এই প্ৰসঙ্গত নিবনুৱা যুৱক-যুৱতীসকল, মহিলাসকল, গৃহিণীসকল আৰু চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰা লোকসকলৰ বাবে উপযোগী কাৰ্য্যসূচী প্ৰস্তুত কৰিব লাগে। এই ক্ষেত্ৰত বিবোৰ স্বেচ্ছাসেৱী অনুষ্ঠান আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানে নিজস্ব ভাবে কাৰ্য্যব্যৱস্থা গ্ৰহণ

কৰিছে তেওঁলোকক চৰকাৰে প্ৰয়োজনীয় আৰ্থিক সাহায্য আৰু পৰামৰ্শদানেৰে উৎসাহিত কৰিব লাগে। গ্ৰাম্য অঞ্চলৰ মহিলাসকলৰ বাবে বিভিন্ন হস্তশিল্পৰ প্ৰশিক্ষণ আৰু তাৰ যোগেদি তেওঁলোকৰ আৰ্থিক উৎপাদনৰ শিক্ষা প্ৰতিষ্ঠান স্থাপনত চৰকাৰে সহায় কৰিব পাৰে। নগৰৰ শিক্ষিত মহিলাসকলৰ বাবেও লেডিজ ক্লাব বা মহিলা সংস্থা গঠন কৰি বিভিন্ন সমাজ কল্যাণমূলক আঁচনি আৰু কাৰ্য্যসূচী গ্ৰহণত সহায় কৰিব পাৰে। বিশেষকৈ গ্ৰাম্য অঞ্চলৰ নিৰক্ষৰ মহিলাসকলক সাক্ষৰতা দান কৰাৰ আৰু সামাজিক কুসংস্কাৰমুক্ত কৰাৰ আঁচনি গ্ৰহণ কৰিব পাৰে। যুৱক-যুৱতীসকলৰ বাবেও অনুৰূপ আঁচনি গ্ৰহণ কৰিব পাৰি। ইয়াৰ বাবে চৰকাৰৰ সমাজকল্যাণ বিভাগে নানা বিধ শিক্ষামূলক আৰু গঠনমূলক ক্ৰিয়া আঁচনি প্ৰস্তুত কৰি তুলিব পাৰে। ই এক ব্যাপক সামাজিক কাৰ্য্যব্যৱস্থা য'ত চৰকাৰ আৰু সমাজৰ সকলো শ্ৰেণীৰ লোকৰে সদিচ্ছা আৰু সহায়-সহযোগিতাৰ প্ৰয়োজন।

অনুশীলন

(১) অৱসৰ সময়ৰ শিক্ষা বুলিলে কি বুজা? বৰ্ত্তমান সময়ত এই শিক্ষাৰ প্ৰয়োজনীয়তা দৰ্শোৱা।

(২) কৰ্মৰ বাবে আৰু অৱসৰ সময়ৰ বাবে শিক্ষাৰ মাজত কিদৰে পাৰ্থক্য বিবেচনা কৰিব পাৰি? স্কুলত অৱসৰ সময়ৰ শিক্ষা কিদৰে দিব পাৰি?

(৩) বৰ্ত্তমান সময়ত শিক্ষানুষ্ঠানবোৰত আজৰি সময়ৰ সমস্যাই কিদৰে দেখা দিছে? ইয়াৰ সমাধানৰ বাবে তুমি কেনে পৰামৰ্শ দিবা?

(৪) অৱসৰ সময়ৰ শিক্ষা কাক বোলে? এই শিক্ষা সাৰ্থক ভাবে প্ৰদানৰ বাবে শিক্ষানুষ্ঠানত কেনেবোৰ কথাৰ প্ৰতি বিশেষ লক্ষ্য ৰাখিব লাগে?

(৬) "বৰ্তমান সমাজ অৱসৰ সময়ৰ সম্ভাব্য সমস্যাৰ বাবে যথোচিত ভাবে প্ৰস্তুত নহয়।" – উক্তিটো বহলাই আলোচনা কৰা।

(৭) ছাত্ৰ-ছাত্ৰীৰ অৱসৰ সময়ৰ বাবে কেনেবোৰ কাম উপযুক্ত? এইসমূহ কাৰ্যকৰী কৰণৰ বাবে কেনেবোৰ নীতি-নিয়ম গ্ৰহণ কৰা উচিত?

(৮) অৱসৰ সময়ৰ শিক্ষা সম্বন্ধে এখনি ৰচনা লিখা।

প্ৰসংগ গ্ৰন্থসমূহ :

1 B D Bhatia The Theory and Principles of Education. Chapter 26 Doaba House, Delhi Eleventh Edition, 1970

2 B C Rai Theory of Education Chapter 4 Prakashan Kendra, Lucknow 7 Published in 1979

3 J C Chakraborty Modern Education its Aims and Principles, Chapter 6 Third Edition, 1965 Calcutta

4. B C Rai Theory of Education Chapter 4 Prakashan Kendra, Luckhrow 7 Published in 1979

পঞ্চম অধ্যায়

শিল্প-কেন্দ্ৰিক শিক্ষা

(Craft-Centred Education)

শিল্পকেন্দ্ৰিক শিক্ষাৰ অৰ্থ (Meaning of craft-centred education) :

গান্ধীজীৰ বুনিয়াদী শিক্ষা শিল্প-কেন্দ্ৰিক শিক্ষা স্বৰূপে আন এটি নামেৰেও জনা যায়। এই শিক্ষা ব্যৱস্থাই গান্ধীজীক শিক্ষাৰ এজন মৌলিক চিন্তাবিদ স্বৰূপে নিজাৰ প্ৰমাণিত আৰু প্ৰতিস্থিত কৰি তুলিছে। এই ব্যৱস্থা গতানুগতিক শিক্ষাতকৈ কিছু ব্যতিক্ৰম স্বৰূপ এইখিনিতেই যে, ই নিৰ্ধাৰিত পাঠ্যপুথি অথবা গতানুগতিক তত্ত্বপ্ৰধান বিষয়ৰ অধ্যয়নৰ পৰিবৰ্তে এবিধ হস্ত-শিল্পক কেন্দ্ৰ কৰি শিক্ষাদান কৰে। এই নিৰ্বাচিত হস্ত-শিল্প হাতে-কামে কৰা বিধৰ আৰু উৎপাদনমূলক হ'ব লাগে আৰু ইয়াৰ যোগেদি শিক্ষাদান কৰিব পৰা ক্ষমতা তথা সম্ভাৱনীয়তা থাকিব লাগে। শিক্ষাদানৰ পদ্ধতি হৈছে ক্ৰিয়াৰ যোগেদি শিক্ষা অথবা আত্ম-ক্ৰিয়া পৰিচালিত শিক্ষানীতিৰ ওপৰত প্ৰতিষ্ঠিত। ইয়াত বিশ্বাস কৰা হয় যে শিশুৱে পাঠক্ৰমৰ চিন্তামূলক বিষয়সমূহৰ কাল্পনিক জ্ঞান লাভ কৰাৰ পৰিবৰ্তে নিজ জীৱনৰ বাস্তৱ অভিজ্ঞতাৰ যোগেদিহে শিক্ষা লাভ কৰিব লাগে। স্থানীয় ভাবে পাব পৰা আৰু সামাজিক জীৱনৰ লগত সম্বন্ধ থকা এবিধ হস্ত-শিল্প, যেনে —সূতা কটা আৰু কাপোৰ বোৱা কাৰ্য্য পাঠ্যক্ৰমৰ বিষয়সমূহ শিক্ষাদানৰ মাধ্যম স্বৰূপে অথবা অৱলম্বন স্বৰূপে গ্ৰহণ কৰিব লাগে। হস্ত-শিল্প হৈছে বিষয় শিক্ষাৰ কেন্দ্ৰ

বিন্দু। শিল্প-কেন্দ্রিক শিক্ষা যেহেতু শিক্ষাদানৰ সহ-সম্বন্ধ নীতিৰ (principle of corelation) ওপৰত প্ৰতিষ্ঠিত।

গান্ধীজীয়ে মত প্ৰকাশ কৰিছিল যে শিশুৰ এবিধ উপযুক্ত হস্ত-শিল্পৰ যোগেদিয়ে তাৰ শিক্ষা আৰম্ভ কৰিব লাগে। শিশুৱে স্কুলত শিক্ষা আৰম্ভ কৰা সময়ৰে পৰা তাৰ শিক্ষা উৎপাদনমুখী কৰি তোলাৰ ধাৰণা শাক দিব লাগে। তেওঁ গভীৰ ভাবে অনুভৱ কৰিছিল যে আমি বৰ্তমানলৈকে শিশুৰ মন সকলো ধৰণৰ কেতবোৰ অসংলগ্ন বিধৰ বা-বাতৰি আৰু অন্য তথ্য-পাতিৰে ভৰাই পেলাইছো। কিন্তু সেইবোৰে তেওঁলোকৰ মনত চিন্তা আৰু উৎসাহ-উদ্দীপনা জগাই তোলাৰ প্ৰতি লক্ষ্য ৰখা নাই। সেইবাবে এনে কাৰ্য্য বন্ধ কৰি শিশুক হস্ত-শিল্পৰ যোগেদি হাতে-কামে শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে। হস্ত-শিল্পক প্ৰচলিত পাঠ্যক্ৰমৰ এক বিষয় স্বৰূপে গণ্য কৰাৰ পৰিবৰ্তে ইয়াক শিক্ষাদানৰ মূল বিষয় স্বৰূপেহে গণ্য কৰিব লাগে। এই হস্তশিল্পৰ যোগেদি শিশুক কোনো এক বিষয়ৰ নিপুণ কাৰিকৰ স্বৰূপে গঢ় দি তোলাটো ইয়াৰ উদ্দেশ্য নহয়। গান্ধীজীয়ে বিশ্বাস কৰিছিল যে ব্যক্তিৰ দেহ-মন আৰু আত্মাৰ সৰ্বাঙ্গ বিকাশ এই হস্ত-শিল্পৰ যোগেদিহে সম্ভৱ হৈ উঠিব পাৰে। যেহেতু তেওঁ হস্ত-শিল্প ছাত্ৰসকলৰ বৌদ্ধিক আৰু নৈতিক বিকাশৰ আহিলা বা উপায় স্বৰূপেও প্ৰয়োগ কৰিছিল।

ইয়াৰ দাৰ্শনিক ভিত্তি (Its philosophical basis) :

শিল্প-কেন্দ্রিক শিক্ষাৰ ধাৰণা বৰ্তমান সময়ৰ শিক্ষাৰ প্ৰয়োগবাদ দৰ্শনৰ (pragmatic philosophy) ওপৰত প্ৰতিষ্ঠিত। আধুনিক শিক্ষাই শিক্ষাগ্ৰহণৰ উপযোগিতা আৰু উৎপাদনমুখীতাৰ ওপৰত বিশ্বাস কৰে। সেই অনুক্ৰমে ছাত্ৰ-ছাত্ৰীয়ে কেৱল মাত্ৰ সেইবোৰ বিষয়ৰহে অধ্যয়ন কৰিব লাগে যি তেওঁলোকৰ বাবে উপকাৰী, সহায়কাৰী আৰু অৰ্থনৈতিক ভাবে উৎপাদনমূলক। অৰ্থনৈতিক

যোগ্যতাইহে তেওঁলোকক সামাজিক ভাবে যোগ্য ব্যক্তি স্বৰূপে প্ৰস্তুত কৰি তুলিব পাৰে। এই দৰ্শনভিত্তিক শিক্ষা-আদৰ্শৰ যোগেদি কোৱা হয় যে আমাৰ অৰ্জিত জ্ঞান জীৱনৰ প্ৰকৃত বাস্তৱ অভিজ্ঞতাৰ লগত ওচৰ-সম্বন্ধ থকা বিধৰ হ'ব লাগে, ই জীৱন-বিচ্ছিন্ন বিধৰ নহয়। সেই জ্ঞানহে সত্য, যি আমাৰ জীৱনত তাক প্ৰযোগ কৰি সত্য স্বৰূপে প্ৰমাণিত হৈছে। চিৰন্তন সত্য স্বৰূপে কোনো সত্যই বৰ্তি থাকিব নোৱাৰে। জ্ঞানৰ যোগেদি অনুভৱ কৰা সত্যও বাস্তৱ অভিজ্ঞতা লব্ধ আৰু প্ৰমাণ সাপেক্ষ হ'ব লাগে। 'সত্য'ৰ এই দাৰ্শনিক দৃষ্টি আৰু অনুভৱ গান্ধীয়ে তেওঁৰ 'My Experiment with truth' নামৰ আত্ম-জীৱনীমূলক গ্ৰন্থৰ যোগেদি প্ৰকাশ কৰি গৈছে। সেয়েহে শিল্প-কেন্দ্ৰিক শিক্ষাই শিশুৰ আত্ম-পৰীক্ষা আৰু আত্ম-অভিজ্ঞতাৰ ওপৰত গভীৰ ভাবে বিশ্বাস কৰে।

শিল্প-কেন্দ্ৰিক শিক্ষাৰ সাধাৰণ বৈশিষ্ট্য (General characteristics of craft-centred education) ঃ

শিল্প কেন্দ্ৰিক শিক্ষাৰ নিজস্ব কেতবোৰ বৈশিষ্ট্য আছে যিসমূহ বিশেষভাবে লক্ষ কৰাটো প্ৰয়োজন। এই প্ৰসংগত নিম্নলিখিত কথা কেইটাৰ প্ৰতি আমি মনোযোগ দিয়া উচিত।

(১) শিল্প-কেন্দ্ৰিক শিক্ষা ভাৰতৰ আৰ্থ-সামাজিক আৰু সাংস্কৃতি পৰম্পৰাৰ ওপৰত প্ৰতিষ্ঠিত।

(২) হস্ত-শিল্পই হৈছে ইয়াত শিক্ষাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ। এই হস্ত-শিল্প পাঠ্যক্ৰমৰ এক অতিৰিক্ত বিষয় স্বৰূপ নহয়।

(৩) এই শিক্ষা ব্যৱস্থাই ক্ৰিয়াৰ যোগেদি শিক্ষা অথবা অভিজ্ঞতা ভিত্তিক শিক্ষানীতিৰ সমৰ্থন কৰে।

(৪) এই ব্যৱস্থাই শিশুক তাৰ শিক্ষা গ্ৰহণৰ আৰম্ভণিৰে পৰা উৎপাদনমূলক দিশৰ প্ৰতি সচেতন কৰি তোলে।

(৫) শিল্প-কেন্দ্ৰিক শিক্ষাই অৰ্জিত জ্ঞান ক্ৰিয়াত্মক, উপযোগী

আৰু আমাৰ ব্যক্তিগত তথা সামাজিক জীৱনৰ ওচৰ চপাই নিয়ে।

(৬) এই ব্যৱস্থাই পাঠ্যক্রমৰ বিষয়সমূহ সহ-সম্বন্ধ নীতিৰে শিক্ষা দানৰ ওপৰত বিশ্বাস কৰে।

(৭) ইয়াত আৰু বিশ্বাস কৰা হয় যে হস্ত-শিল্পই ব্যক্তিৰ দেহ, মন আৰু আত্মাৰ সুসামঞ্জস্য বিকাশ সাধন কৰি তুলিব পাৰে।

হস্ত-শিল্পৰ যোগেদি সহ-সম্বন্ধ স্থাপনৰ মৌলিক ধাৰণা (Basic concept of correlation though craft) ঃ

গান্ধীজীয়ে তেওঁৰ শিল্পকেন্দ্রিক শিক্ষা ব্যৱস্থাৰ যোগেদি স্কুলৰ বিষয়সমূহ হস্তশিল্পৰ লগত সম্বন্ধ ৰক্ষা কৰি শিক্ষাদান কৰাৰ নীতি গ্ৰহণ কৰে। আধুনিক শিক্ষাত ই এক মৌলিক চিন্তাধাৰা বুলিব পাৰি। হস্তশিল্পৰ শিক্ষাক 'বুনিয়াদী' স্বৰূপে গণ্য কৰা হৈছে এই বাবেই যে ইয়াক কেন্দ্ৰ কৰি সকলোবোৰ পাঠ্যক্রমৰ বিষয় ছাত্র-সকলক শিকোৱা হয়। হস্তশিল্প এক পৃথক আৰু স্বতন্ত্র পাঠ্যক্রমৰ বিষয় স্বৰূপে গণ্য কৰা নহয়। হস্তশিল্প হৈছে কেন্দ্ৰীয় বিষয় যাৰ লগত সম্বন্ধ ৰক্ষা কৰি আন আনবোৰ পাঠ্যক্রমৰ বিষয়ৰ শিক্ষা আৰু ক্রমবিকাশ সম্ভৱ হৈ উঠে। যিদৰে সূৰ্য্যক কেন্দ্ৰ কৰি পৃথিৱী আৰু আন আন গ্ৰহ-উপগ্ৰহবোৰে গতি কৰে সেইদৰে হস্ত-শিল্পক কেন্দ্ৰ বিন্দু স্বৰূপে লৈ আন আনবোৰ পাঠ্য বিষয়ৰ শিক্ষা আৰু বিকাশ সম্ভৱ হয়। সাধাৰণ বিজ্ঞান আৰু সমাজ বিজ্ঞানৰ অন্তৰ্ভুক্ত সকলো-বোৰ বিষয়, যেনে—বুৰঞ্জী, ভূগোল, গণিত, পদাৰ্থ বিদ্যা, ৰসায়ন বিদ্যা, ভাষা অধ্যয়ন, কলা, চিত্ৰাংকণ, সংগীত ইত্যাদি হস্ত-শিল্পৰ লগত সহ সম্বন্ধ স্থাপন কৰা হয়। এই প্ৰসংগত সৃষ্টি হ'ব পৰা বিভিন্ন প্ৰশ্নৰ প্ৰতিও ছাত্রসকলক উৎসাহিত কৰা হয়।

হস্তশিল্পৰ যোগেদি সহ সম্বন্ধিত শিক্ষাদানৰ ধাৰণা অধিক স্পষ্ট

কৰি তুলিবৰ বাবে এটি বাস্তৱ নিদৰ্শনৰ প্ৰায়োজন। উদাহৰণ স্বৰূপে কব পাৰি যে হস্তশিল্পৰ কেন্দ্ৰীয় বিষয় স্বৰূপে সূতা কটা আৰু কাপোৰ বোৱা কাৰ্য্যৰ লগত ভূগোল বিষয়ৰ সহ সম্বন্ধ স্থাপন কৰিব পাৰি। এই ক্ষেত্ৰত কপাহ উৎপাদনৰ বাবে প্ৰযোজন হোৱা বতৰৰ জ্ঞান, মাটিৰ ধৰণ, জলবায়ুৰ অৱস্থা আদিৰ লগত হস্তশিল্পৰ সম্বন্ধ স্থাপন কৰিব পাৰি। কপাহৰ উৎপাদন আৰু ইয়াৰ ব্যৱহাৰৰ লগত বুৰঞ্জী আৰু সাংস্কৃতিক বিষয়ৰ অন্তৰ্নিহিত সম্বন্ধ স্থাপন কৰিব পাৰি। ইয়াৰ লগত জড়িত হৈ থকা মানৱ ইতিহাসৰ সভ্যতা-সংস্কৃতি আদি সম্বন্ধে ব্যাখ্যা দাঙি ধৰিব পাৰি। অংক আৰু অৰ্থনীতি বিষয়ৰ লগত সহ-সম্বন্ধ স্থাপন কৰিবৰ বাবে কপাহ উৎপাদনৰ খৰচ, উৎপাদিত দ্ৰব্য বজাৰত বিক্ৰি আৰু তাৰপৰা হ'ব পৰা আয় ব্যয়ৰ হিচাব দেখুৱাব পাৰি। ইযাৰ উপৰিও স্কুলত এটা প্ৰযোগশালা স্থাপন কৰিব পাৰি আৰু তাৰ যোগেদি সূতা কটা যন্ত্ৰ-পাতি আৰু সা-সৰঞ্জাম আদি প্ৰস্তুত আৰু মেৰামতি কৰাৰ কাৰিকৰী জ্ঞান দিব পাৰি।

সেয়েহে কব পাৰি যে সহ-সম্বন্ধ ব্যৱস্থাই ছাত্ৰসকলক তেওঁলোকৰ ব্যৱহাৰিক জীৱনৰ প্ৰযোজনীয জ্ঞান-অভিজ্ঞতাৰ লগত পাঠ্য বিষয়ৰ সম্বন্ধ স্থাপন কৰি তুলিব পাৰে। ই তেওঁলোকক ধাৰণা দিব পাৰে যে জ্ঞান-অভিজ্ঞতা কেতবোৰ পৃথক পৃথক পুথিগত আৰু তাত্বিক বিষয় নহয় মাথোন, ই হৈছে আমাৰ বাস্তৱ আৰু ব্যৱহাৰিক জীৱনৰ প্ৰযোজনীয় অভিজ্ঞতাৰ লগত সম্বন্ধযুক্ত। শিক্ষাদানৰ এনে এক প্ৰচেষ্টাই ছাত্ৰসকলৰ মনোযোগ, আগ্ৰহ আৰু ইচ্ছাকৃত সহযোগিতাৰ ভাবো মনত জগাই তুলিব পাৰে।

ঐতিহাসিক পটভূমি (Historical back ground) ঃ

শিল্পকেন্দ্ৰিক শিক্ষা ব্যৱস্থাৰ তাৎপৰ্য্য ভালদৰে বুজি উঠিবৰ বাবে ইয়াৰ ঐতিহাসিক পটভূমি জনাটো প্ৰয়োজন। গান্ধীজীয়ে ভালদৰে

অনুভৱ কৰি উঠিব পাৰিছিল যে মেকলেই (Macaulay) প্ৰবৰ্তন কৰা ইংৰাজী শিক্ষা ব্যৱস্থাই দেশৰ সামাজিক আৰু অৰ্থনৈতিক প্ৰয়োজন পূৰণ কৰিব নোৱাৰে। এই শিক্ষা ব্যৱস্থাৰ প্ৰধান লক্ষ্য আছিল এনে একশ্ৰেণী মানুহ গঢ় দি তোলা যি কেৰাণী-মহৰী ৰূপে ইংৰাজৰ শাসন যন্ত্ৰ চলোৱাত সহায় কৰিব পাৰে। অধ্যয়নৰ পাঠ্যক্ৰম আছিল সম্পূৰ্ণৰূপে তত্ত্বপ্ৰধান আৰু পুথিগত। শিক্ষা ব্যৱস্থা আছিল বিশেষভাবে নগৰমুখী, যি ভাৰতীয় গ্ৰাম্য জীৱনৰ লোকসকলৰ প্ৰয়োজনৰ প্ৰতি অৱহেলা কৰিছিল। পাঠ্যক্ৰম আছিল ইংৰাজী ভাষাপ্ৰধান যাৰ উদ্দেশ্য আছিল এক শ্ৰেণী বুদ্ধিজীৱি লোকৰ সৃষ্টি কৰা, যিসকল ভাৰতীয় তেজ-মঙহৰ হোৱা স্বত্বেও তেওঁলোকৰ আগ্ৰহ অভিৰুচি ইউৰোপীয়সকলৰ দৰে হৈ উঠে। সৰ্বসাধাৰণ লোকৰ সাক্ষৰতা আৰু সুনাগৰিকতাৰ শিক্ষা আদিৰ প্ৰতি স্বাভাৱিকভেই নিৰুৎসাহ প্ৰদান কৰা হৈছিল। সেযেহে গান্ধীজীয়ে কৈ উঠিছিল,— "মই নিশ্চিত যে বৰ্তমানৰ শিক্ষা ব্যৱস্থা কেৱল অপচয়মূলকেই নহয়, ই প্ৰত্যক্ষভাবে অনিষ্টকাৰীও।"* এনে অৱস্থাত গান্ধীজীৰ দৰে মহান শিক্ষাবিদৰ মনত শিল্পকেন্দ্ৰিক শিক্ষাৰ ধাৰণাই গঢ় লৈ উঠে।

১৮৯৩ চনত গান্ধীজীয়ে তেওঁৰ ওকালতি ব্যৱসায় সম্বন্ধীয় কোনো এক গোচৰ সংক্ৰান্তত দক্ষিণ আফ্ৰিকালৈ যায়। তেওঁৰ গোচৰ শেষ হ'ল যদিও সুদীৰ্ঘ ২০ বছৰ কাল তেওঁ আফ্ৰিকাত বসবাস কৰে। এই বছৰ কেইটাত তেওঁ দক্ষিণ আফ্ৰিকাৰ ট্ৰান্সভাল নামে ঠাইত 'টলষ্টয় ফাৰ্ম' স্থাপন কৰে আৰু তাত তেওঁৰ নিজৰ পুতেকক ধৰি আন আন ভাৰতীয় আৰু আফ্ৰিকান শিশুৰ শিক্ষাদানৰ দায়িত্ব গ্ৰহণ কৰে। তেওঁ ইয়াত পৰীক্ষামূলক ভাবে নিজ মনৰ শিক্ষা সম্বন্ধীয় নতুন ধাৰণা কাৰ্য্যকৰী ভাবে গঢ় দি তোলে। এই পদ্ধতিৰ মূল

*J. C Aggarwal : *Development and Planning of Modern Education. Page 93. Vani Educational Books, New Delhi 110002. 1985 Edition.*

উদ্দেশ্য আছিল শিশুৰ অন্তৰ আৰু তাৰ হাত দুখনৰ শিক্ষা বিকাশ কৰা আৰু এই শিক্ষা ঘৰুৱা পৰিবেশত কম খৰচতে দিব পৰা। শিশুসকলে ইযাত দিনে আঁঠ ঘণ্টাকৈ হাতৰ কামত ব্যস্ত থাকিব লাগে আৰু দুই ঘণ্টাকৈ পুথিগত জ্ঞান লাভ কৰিব লাগে। তেওঁৰ এই শিক্ষাব্যৱস্থাই ভালদৰে কাম কৰি কৃতকাৰ্য্যতা লাভ কৰিব পাৰিছিল আৰু তাত থকা ভাৰতীয় আৰু আফ্রিকান শিশুসকলৰ প্রয়োজন পূৰণ কৰিব পাৰিছিল। তেওঁ ১৯১৫ চনত ভাৰতলৈ ঘূৰি আহে আৰু ৰবীন্দ্রনাথৰ শান্তি নিকেতনত কিছু দিন শিক্ষকতা কৰি কটায়। সেই একে বছৰতে গুজৰাটত তেওঁ সাবৰমতী আশ্ৰম স্থাপন কৰে। এই আশ্ৰমলৈ তেওঁ শিশু, তিৰোতাসকল আৰু প্রাপ্তবয়স্ক "নিৰক্ষৰসকলক আকৰ্ষিত কৰিব পাৰিছিল। আশ্ৰমৰ শিক্ষা ব্যৱস্থাৰ যোগেদি তেওঁলোকৰ নিজ নিজ প্রযোজন পূৰণ কৰিব পাৰিছিল। ইযাৰ ফলত শীঘ্রে তেওঁ এই আশ্ৰমৰ আধ্যাত্মিক পিতৃ অথবা 'বাপু' স্বৰূপে পৰিগণিত হৈ উঠিছিল। তেওঁ ১৯৩৫ চনত ৱাৰ্ধাত 'সেৱাগ্ৰাম' আশ্ৰম স্থাপন কৰে। ইযাতে তেওঁৰ ৰাজনৈতিক আৰু শিক্ষাৰ আদৰ্শসমূহ অধিক জনপ্রিয় হৈ উঠিবলৈ ধৰে। তেওঁ 'হৰিজন' নামৰ কাকতত নিজৰ শিল্পকেন্দ্রিক শিক্ষা সম্বন্ধে এলানি প্ৰবন্ধ প্ৰকাশ কৰে। ক্রমান্বযে এই শিক্ষানীতি স্বদেশী আন্দোলনৰ নেতাসকলৰ মাজত অধিক জনপ্রিযতা লাভ কৰি উঠিবলৈ ধৰে। অৱশেষত তেওঁৰ শিল্পকেন্দ্রিক বুনিযাদী শিক্ষা ১৯৩৭ চনৰ ৱাৰ্ধা শিক্ষা সম্মিলনত জাতিৰ বাবে প্রদান কৰা হয়।

শিল্পকেন্দ্রিক শিক্ষাৰ সবল নীতিসমূহ (Powerful principles of craft-centred education) :

গান্ধীজীৰ শিল্পকেন্দ্রিক শিক্ষা আমাৰ দেশত কৃতকাৰ্য্য হৈ উঠিব নোৱাৰিলে। তেওঁৰ মৃত্যুৰ পিছত এই শিক্ষা পদ্ধতিবো ক্রমে অপ-মৃত্যু ঘটিবলৈ ধৰে। অৱশ্যে ইয়াৰ বাবে তেওঁৰ শিক্ষা ব্যৱস্থাৰ মূল

নীতিসমূহ দোষযুক্ত আছিল বুলিব নোৱাৰি। বৰং ইয়াক ভালদৰে বুজি উঠিব নোৱাৰা বাবে আৰু ইয়াক ভুল ভাবে কাৰ্য্যকৰী কৰিবলৈ বিচৰা বাবেই ই অকৃতকাৰ্য্য হৈ উঠে। কিন্তু বৰ্ত্তমান ইয়াক ভালদৰে ফঁহিয়াই চালে দেখা যায় যে আধুনিক ভাৰতৰ শিক্ষাৰ বাবেও ইয়াৰ কেতবোৰ নীতি আমাৰ গ্ৰহণযোগ্য। এই প্ৰসংগত ইয়াৰ শক্তিশালী শিক্ষানীতিসমূহ নিম্নলিখিত ভাবে উল্লেখ কৰিব পৰা যায়।

(১) সুস্থ দৰ্শন (Sound philosophy) : শিল্পকেন্দ্ৰিক শিক্ষা আধুনিক শিক্ষা-দৰ্শনৰ প্ৰয়োগবাদ নীতিৰ ওপৰত প্ৰতিষ্ঠিত। ছাত্ৰৰ অৰ্থনৈতিক উৎপাদনশীলতাৰ যোগেদি এই শিক্ষা-দৰ্শনেহে বৰ্ত্তমান আমাৰ জীৱনৰ বাস্তৱতা অধিক যোগ্যতাৰে সম্মুখীন হোৱাত ই সহায় কৰিব পাৰে। ইযাৰ যোগেদি শিশুৱে তেওঁলোকৰ শিক্ষা জীৱনৰ আৰম্ভণিৰে পৰা উপযোগিতা আৰু উৎপাদনমুখিতাৰ শিক্ষা-লাভ কৰিব পাৰে। এনে ব্যৱস্থাই স্বাভাৱিকতে শিশুক সমাজৰ উপযোগী স্বৰূপে গঢ় দি তুলিব পাৰে।

(২) মনোবৈজ্ঞানিক ভিত্তি (Psychological basic) : শিল্প-কেন্দ্ৰিক শিক্ষাই ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক আৰু দৈহিক এই দুয়ো দিশৰে অভিজ্ঞতাৰ সমতা স্থাপন কৰিব পাৰে। জাকিৰ হুচেইন কমিটিযে আঙুলিয়াই দিয়ে যে এই ব্যৱস্থাই গতানুগতিক স্কুলীয়া শিক্ষাৰ তত্ত্বপ্ৰধান আৰু সম্পূৰ্ণৰূপে শৈক্ষিক বিধৰ (academic) শিক্ষাৰ আতিশৰ্য্যৰ পৰা শিশুক মুক্ত কৰিব পাৰে। শিশুৰ বুদ্ধি-বৃত্তি অনুসৰি তাৰ হাত দুখনৰ উপযুক্ত ভাবে গঠনাত্মক প্ৰযোগ কৰাৰ এক সুস্থ মনোবৈজ্ঞানিক শিক্ষা-নীতি ই দাঙি ধৰিব পাৰে।

(৩) সমাজ-বিজ্ঞানৰ নীতি Sociological principle) : উচ্চ-নীচ, ধনী-দুখীয়া নিৰ্বিশেষে সমাজৰ সকলো শ্ৰেণীৰ লোককে হস্তশিল্পৰ যোগেদি দৈহিক শ্ৰম কৰিবৰ বাবেই উৎসাহিত কৰি তোলে। ইয়াৰ ফলত সমাজৰ মাজত থকা জাতিভেদ ভাব গুচাই সকলোৰে

মাজত কামৰ যোগেদি সমতা স্থাপন কৰিব পাৰি। ই সকলো ছাত্ৰ-ছাত্ৰীৰে মনত শ্ৰমৰ প্ৰতি মৰ্য্যাদাৰ ভাব গঢ় দি তুলিব পাৰে। হস্ত-শিল্পই সমাজৰ বুদ্ধিজীৱি আৰু শ্ৰমজীৱি লোকৰ মাজত থকা বৈষম্যৰ ভাব গুচাব পাৰে।

(৪) আত্ম-নিৰ্ভৰশীলতাৰ দিশ (Self-supporting aspect) : শিক্ষাৰ যোগেদি অৰ্থনৈতিক আত্মনিৰ্ভৰশীলতাৰ ধাৰণাও এই শিক্ষা ব্যৱস্থাত নিহিত আছে। ইযাত ছাত্ৰই শিক্ষা গ্ৰহণ কালত উপাৰ্জন কৰাৰ নীতি গ্ৰহণ কৰা হয়, যাতে তেওঁলোকে শিক্ষাগ্ৰহণৰ যোগেদি সমাজৰ উৎপাদনশীল ব্যক্তি স্বৰূপে নিজকে গঢ় দি তুলিব পাৰে। এনে আত্মনিৰ্ভৰশীলতাৰ যোগেদিহে প্ৰাথমিক শিক্ষা বিনামূলীযা আৰু বাধ্যতামূলক স্বৰূপে গঢ় দি তোলাটো সম্ভৱপৰ। ই হৈছে সমাজৰ অৰ্থনৈতিক প্ৰযোজনভিত্তিক শিক্ষা।

(৫) হস্তশিল্পৰ শৈক্ষিক দিশ (Educative aspect of craft) : ক্ৰিয়াৰ যোগেদি শিক্ষানীতিৰ ওপৰত এই শিল্পকেন্দ্ৰিক শিক্ষা প্ৰতিস্থি•। স্কুললৈ যোৱা কণ কণ শিশুক হস্তশিল্পৰ যোগেদি নিপুণ কাৰিকৰ কৰি তোলাটো ইযাৰ উদ্দেশ্য নহয়। ইযাৰ মুখ্য উদ্দেশ্য হৈছে হস্তশিল্পত নিহিত থকা শৈক্ষিক সম্ভাৱনীযতাৰ উপযুক্ত প্ৰয়োগ কৰাটোহে।. হস্তশিল্পই শিশুৰ শিক্ষাদানৰ অতি উপযুক্ত আহিলা অথবা মাধ্যম স্বৰূপে কাম কৰিব পাৰে। বৰ্তমান সকলো বিজ্ঞানসম্মত শিশু-শিক্ষা পদ্ধতিযেই শিক্ষণ আহিলাৰ যোগেদি শিশুৰ আত্মশিক্ষাত গুৰুত্ব আৰোপ কৰিছে।

(৬) জ্ঞানৰ সহ-সম্বন্ধতাৰ দিশ (Correlative aspect of knowledge) : শিল্পকেন্দ্ৰিক শিক্ষাৰ সবাতোকৈ আকৰ্ষণীয় আৰু অভিনৱ দিশ হৈছে পাঠ্যক্ৰমৰ বিষয়সমূহ হস্তশিল্পক কেন্দ্ৰ কৰি শিক্ষা দিয়াৰ ব্যৱস্থা। এনে ব্যৱস্থাই শিশুৰ প্ৰাকৃতিক পৰিবেশ আৰু সামাজিক পৰিবেশৰ মাজত ওচৰ সম্বন্ধ স্থাপন কৰিব পাৰে। পাঠ্য-ক্ৰমৰ তত্বপ্ৰধান আৰু চিন্তামূলক বিষয়সমূহ বাস্তব জীৱন আৰু

অভিজ্ঞতাৰ ওচৰ চপাই নিয়াত এই সহসম্বন্ধ পদ্ধতিয়ে সহায় কৰে। ইয়াৰ ফলস্বৰূপে শিশুৱে জ্ঞানৰ সহসম্বন্ধতা আৰু সামগ্ৰিকতাৰ ধাৰণা লাভ কৰিব পাৰে।

(৭) **সুনাগৰিকতাৰ শিক্ষা** (Education for good citizenship) : হস্তশিল্পৰ শিক্ষাই সুনাগৰিকতাৰ শিক্ষাদানৰ সম্ভাৱনীয়তা বহন কৰে। হস্তশিল্পৰ ক্ৰিয়াৰ যোগেদি শিশুৱে সহযোগিতা, সহৃদয়তা আৰু পাৰস্পৰিক নিৰ্ভৰশীলতাৰ ভাব কাৰ্য্যকৰী ভাৱে অনুভৱ কৰি উঠিব পাৰে। ছাত্ৰসকলৰ মাজত পৰস্পৰ সহযোগিতাৰ মনোভাৱেৰে বাস কৰাৰ সুবিধাও ই প্ৰদান কৰে। সমাজত বাস কৰিবৰ বাবে প্ৰযোজন হোৱা আত্মসন্মান, মৰ্য্যাদা আৰু অহিংসাৰ ভাব ইয়াৰ যোগেদি বিকশাই তুলিব পাৰি।

(৮) **সাংস্কৃতিক পৰম্পৰা ৰক্ষা** (Maintenance of cultural tradition) : গান্ধীজীয়ে তেওঁৰ শিক্ষা ব্যৱস্থাৰ যোগেদি ইংৰাজৰ পাশ্চাত্য শিক্ষাৰ প্ৰতি এক প্ৰত্যাহ্বান স্বৰূপে থিয় দি উঠিছিল। তেওঁৰ শিক্ষা ব্যৱস্থা আছিল বুনিয়াদী এই বাবেই যে ই ভাৰতীয় সাংস্কৃতিক পৰম্পৰাৰ ওপৰত প্ৰতিস্থিত আছিল আৰু ভাৰতীয় লোকসকলৰ আশা-আকাংক্ষা আৰু প্ৰযোজন আদি পূৰণ কৰিবলৈ সক্ষম আছিল। মাতৃ-ভাষা সেয়েহে শিক্ষাৰ মাধ্যম স্বৰূপে গ্ৰহণ কৰা হৈছিল। মাতৃভাষাৰ যোগেদিহে আমাৰ উন্নত সাংস্কৃতিক পৰম্পৰাৰ লগত শিশুসকলক পৰিচয় কৰাই দিব পাৰি। স্থানীয় হস্তশিল্পবোৰৰ প্ৰয়োগে আমাৰ পুৰণি কুটিৰ শিল্পবোৰৰ প্ৰতিও সচেতনতাৰ ভাব জগাই তুলিব পাৰে।

এই পদ্ধতিৰ প্ৰধান দুৰ্বলতাসমূহ (Major weaknesses of this method) :

আধুনিক শিক্ষাৰ বৈজ্ঞানিক দৃষ্টিকোণৰ পৰা বিবেচনা কৰিলে হস্তশিল্পৰ শিক্ষা পদ্ধতি সম্পূৰ্ণ দোষমুক্ত বুলি কব নোৱাৰি। এই

পদ্ধতিৰ কেতবোৰ অন্তৰ্নিহিত দুৰ্বলতা থকা হেতুকে বহুতো লোকৰ বাবে ই সমালোচনাৰ বিষয়। ইয়াৰ কেতবোৰ শৈক্ষিক নীতি আধুনিক শিক্ষাবিদসকলৰ বাবে গ্ৰহণযোগ্য নহয়। এই প্ৰসংগত শিল্পকেন্দ্ৰিক শিক্ষাৰ প্ৰধান দুৰ্বলতা সম্বন্ধে নিম্নলিখিত দিশসমূহ আমাৰ বিবেচনাযোগ্য।

(১) **হস্তশিল্পৰ প্ৰতি অধিক গুৰুত্বদান** (More importance to craft) : স্কুলৰ পাঠ্যক্ৰমৰ সকলোবোৰ বিষয় হস্তশিল্পৰ যোগেদি শিক্ষাদানৰ ধাৰণা কাৰ্য্যকৰী কৰি তোলাটো বাস্তবিকতেই এক কঠিন কাম। একোটা পাঠ্য বিষয়ৰ অন্তৰ্ভুক্ত জ্ঞানৰ সকলোবোৰ উপাদান হস্তশিল্পক কেন্দ্ৰ কৰি শিকাব পৰাটো সম্ভৱ হৈ উঠিব নোৱাৰে। সেয়েহে হস্তশিল্পত দিয়া অতিমাত্ৰা গুৰুত্ব অথবা হস্তশিল্পক কেন্দ্ৰ কৰি দিয়া শিক্ষাব্যৱস্থাক এক ভ্ৰান্তিমূলক ধাৰণা বুলিব পাৰি, যি কাৰ্য্যক্ষেত্ৰত সম্ভৱ হৈ উঠিব নোৱাৰে।

(২) **অস্বাভাৱিক সহ-সম্বন্ধ** (Unnatural correlation) : তাত্বিক বিষয়সমূহৰ জ্ঞান উৎসাহজনক, সহায়কাৰী আৰু সহজে বোধগম্য হৈ উঠিব পাৰে, যদিহে হস্তশিল্পৰ লগত তাৰ স্বাভাৱিক সহসম্বন্ধ স্থাপন কৰিব পাৰি। কিন্তু ইয়াক সকলো সময়তে আৰু অৱস্থাতে সম্ভৱ কৰি তুলিব নোৱাৰি। সেই হেতুকে অস্বাভাৱিক আৰু বলপূৰ্বক ভাবে শিক্ষকে সহসম্বন্ধ স্থাপন কৰিবলৈ গ'লে সি ছাত্ৰসকলৰ বাবে বিষযবস্তু বুজি উঠাত অধিক জটিলতাৰ সৃষ্টি কৰিবহে পাৰে। সহসম্বন্ধ স্থাপন কাৰ্য্য সেই হেতুকে এক অৰ্থহীন প্ৰচেষ্টা স্বৰূপ হৈ উঠিব পাৰে।

(৩) **আধুনিক শিক্ষাৰ অনুপযুক্ত** (Unfit for modern education) : শিল্পকেন্দ্ৰিক শিক্ষা আধুনিক বিজ্ঞান আৰু কাৰিকৰী বিজ্ঞানৰ সমাজৰ বাবে এক অনুপযোগী শিক্ষা ব্যৱস্থা বুলিব পাৰি। শিল্পকেন্দ্ৰিক শিক্ষাৰে ছাত্ৰসকলে আধুনিক বিজ্ঞান আৰু

কাৰিকৰী বিজ্ঞানৰ বিকাশশীল সমাজত নিজকে ভালদৰে খাপ খুৱাই লব নোৱাৰে। এনে অৱস্থাই আমাৰ প্ৰগতিৰ চকৰী বিপৰীতমুখী কৰি তুলিবহে পাৰে, আৰু শিক্ষাত এক খেলি-মেলি আৰু বিশৃংখলতাৰ ভাব সৃষ্টি কৰি তুলিব পাৰে।

(৪) **উচ্চ শিক্ষাৰ অনুপযোগী** (Unfit for higher education) : শিল্পকেন্দ্ৰিক শিক্ষাই স্কুলীয়া শিক্ষাৰ নিম্ন পৰ্য্যাযত ভালদৰে কাম কৰিব পাৰিলেও ই উচ্চ শিক্ষাৰ বাবে অনুপযোগী। কলেজ আৰু বিশ্ববিদ্যালয়ৰ পৰ্য্যায়ত সহ-সম্বন্ধ শিক্ষাৰ এক সাধাৰণ নীতি স্বৰূপে গ্ৰহণ কৰিব পাৰিলেও ইয়াক এই পৰ্য্যায়ৰ শিক্ষাৰ এক কাৰ্য্যকৰী পদ্ধতি স্বৰূপে গ্ৰহণ কৰিব নোৱাৰি। গান্ধীজীয়ে নিজেও এই পদ্ধতি কেৱল প্ৰাথমিক শিক্ষাৰ বাবেহে গঢ় দি তুলিছিল।

(৫) **শিক্ষাৰ ব্যয়বহুল পদ্ধতি** (Expensive method of education) : শিল্পকেন্দ্ৰিক শিক্ষা আশা কৰা মতে বাস্তৱ ক্ষেত্ৰত ই অৰ্থ নৈতিক ভাবে কম খৰচী আৰু মিতব্যয়ী বিধৰ হৈ উঠা নাই। সাধাৰণ শিক্ষা ব্যৱস্থাতকৈয়ো ই অধিক খৰচী হৈ উঠা লক্ষ্য কৰিব পাৰি। হস্ত শিল্প ক্ৰিয়াৰ বাবে প্ৰয়োজন হোৱা কেঁচা সামগ্ৰীসমূহ কিনিবৰ বাবে ইয়াৰ এটা পুনঃপৌণিক খৰচ শিক্ষা-কৰ্তৃপক্ষই বহন কৰিব লাগে। স্কুলৰ অপৈণত ল'ৰা-ছোৱালীয়ে হস্তশিল্পৰ গুণমান বিশিষ্ট দ্ৰব্য উৎপাদন কৰাৰ পূৰ্বে কেঁচা সামগ্ৰীসমূহ অপব্যৱহাৰ আৰু অপচয় কৰাৰ সম্ভাৱনীয়তাই হৈছে অধিক। সেইবাবে শিল্প-কেন্দ্ৰিক শিক্ষা অৰ্থ নৈতিক ভাবে উৎপাদনশীলতা আৰু মিতব্যয়ীতাৰ বিপৰীতমুখী হৈ উঠিব।

(৬) **অমনোবৈজ্ঞানিক নীতি** (Against psychological principle) : এই পদ্ধতিয়ে শিশু শিক্ষাৰ মনোবৈজ্ঞানিক নীতিও উলংঘা কৰিছে। এই কথা লক্ষ্য কৰিব পাৰি যে শিল্পকেন্দ্ৰিক শিক্ষা শিশুৰ খেলা বা ক্ৰীড়া-নীতিৰ (play principle) পৰিবৰ্তে ক্ৰিয়া বা

কৰ্তব্য-নীতিৰ (priniple of work) ওপৰতহে প্ৰতিষ্ঠিত। শিশুক ইয়াত এজন উৎপাদনশীল কৰ্মী স্বৰূপেহে ব্যৱহাৰ কৰা হয়, যি শিক্ষাৰ অধিক সময় দৈহিক শ্ৰমৰ যোগেদি কটাব লাগে। এনে ব্যৱস্থাই দেশত অপ্ৰত্যাশিত ভাবে শিশু-শ্ৰমিকৰ সমস্যাও সৃষ্টি কৰি তোলাৰ আশংকা কৰা হয়। শিশু মনৰ আগ্ৰহ, অভিৰুচি, স্বতঃস্ফূৰ্ততা আৰু খেলাৰ কাল্পনিক আনন্দ আদি ইযাত আওকাণ কৰা হৈছে।

(৭) বৌদ্ধিক বিষয়ৰ অৱহেলা (Neglect of the intellectual subjects : শিল্পকেন্দ্ৰিক শিক্ষাই বৌদ্ধিক বিষয়সমূহৰ শিক্ষাদানৰ প্ৰতি প্ৰযোজনীয় গুৰুত্ব দিয়া নাই। এই পদ্ধতিয়ে প্ৰাঠ্যপুথি অধ্যযন কাৰ্য্যত নিৰুৎসাহ প্ৰদান কৰিছে আৰু ছাত্ৰসকলে ব্যক্তিগত ক্ৰিয়াৰ যোগেদি সকলো জ্ঞান অভিজ্ঞতাকেই লাভ কৰাত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে। সেই হেতুকে ই কোনো বিষয়তে পাঠ্যপুথি প্ৰযোগৰ যোগে সু-সংগঠিত আৰু শৃংখলাবদ্ধ ভাবে জ্ঞানৰ বিকাশত সহায় কৰিব নোৱাৰে। বৌদ্ধিক ভাবে প্ৰতিভাশালী আৰু শৈক্ষিক সম্ভাৱনীযতা থকা ছাত্ৰই ইযাত তেওঁলোকৰ আত্ম-প্ৰকাশৰ কোনো সুবিধা লাভ কৰিব নোৱাৰে।

(৮) সৌন্দৰ্য্যবোধক দিশৰ অৱহেলা (Neglect of the aesthetic senser) : এই শিক্ষা পদ্ধতিয়ে কম বযসীয়া শিশু-সকলৰ মনত আধ্যাত্মিক আৰু সৌন্দৰ্য্যবোধক ভাব বিকশাই তোলাৰ কোনো ব্যৱস্থা গ্ৰহণ কৰা দেখা নাযায়। শিশুৰ শিক্ষা শিল্পকেন্দ্ৰিক আৰু কৰ্মকেন্দ্ৰিক কৰি তুলিবলৈ যাওঁতে ইযাত সৌন্দৰ্য্যবোধক দিশৰ প্ৰতি অৱহেলা কৰা মনোভাৱ ইয়াত দেখিবলৈ পোৱা গৈছে। হস্তশিল্পৰ যোগেদি শিক্ষাৰ উৎপাদনশীলতাত গুৰুত্ব দিবলৈ যাওঁতে শিশুৰ অন্তৰ্নিহিত সৌন্দৰ্য্য অনুভূতিৰ প্ৰতি অৱহেলা কৰা হৈছে। এই দিশৰ প্ৰতি অৱহেলাৰে শিশুৰ দেহ-মন আৰু আত্মাৰ সুসামঞ্জস্য বিকাশ এই শিক্ষা পদ্ধতিয়ে দাবী কৰিব নোৱাৰে।

শিল্পকেন্দ্ৰিক শিক্ষাৰ পাঠ্যক্ৰম (Curriculum of craft-centred education) **:**

বুনিয়াদী শিক্ষা শিল্পকেন্দ্ৰিক কৰি তুলিবৰ বাবে পাঠ্যক্ৰম আৰু কাৰ্য্যসূচী উপযুক্ত ভাবে নিৰ্বাচন কৰি গঢ়ি তুলিবৰ বাবে ১৯৩৭ চনৰ ৱাৰ্ধা শিক্ষা সন্মিলনতেই ডঃ জাকিৰ হুচেইনৰ নেতৃত্বত কমিটি গঠন কৰা হয়। এই কমিটিয়ে অতি কম সময়ৰ ভিতৰতে প্ৰতিবেদন দাখিল কৰে। হস্তশিল্পক মুখ্য বিষয় স্বৰূপে লৈ অন্যান্য মানসিক আৰু বৌদ্ধিক বিষয়সমূহৰ শিক্ষাৰ বাবে কমিটিয়ে এখন বিষয়-তালিকা দাঙি ধৰে। শিল্পকেন্দ্ৰিক শিক্ষাৰ স্বৰূপ বুজি উঠিবৰ বাবে এই প্ৰস্তুত পাঠ্যক্ৰম সম্বন্ধে জনাটো প্ৰয়োজন। তলত এই পাঠ্য-ক্ৰমৰ অন্তৰ্ভুক্ত বিষয়সমূহৰ সংক্ষিপ্ত তালিকা এখন দাঙি ধৰা হৈছে।

(১) মৌলিক হস্তশিল্প :

(ক) সূতা কটা আৰু কাপোৰ বোৱা (খ) কাঠৰ কাম (গ) কৃষি (ঘ) মীন শিল্প (চ) ফলমূল সংৰক্ষণ আৰু বাগান পৰিচালনা (ছ) মাটিৰ কাম অথবা মৃণ্ময় পাত্ৰ শিল্প (pottery) (জ) স্থানীয় লোকৰ উপযোগী আন যিকোনো এটা নিজ আগ্ৰহ, সুবিধা আৰু প্ৰয়োজন অনুসৰি বাচি লব পাৰে।

(২) মাতৃভাষা অধ্যয়ন

(৩) গণিত

(৪) সমাজ বিদ্যা

(ক) বুৰঞ্জী (খ) ভূগোল (গ) পৌৰবিজ্ঞান।

(৫) সাধাৰণ বিজ্ঞান :

(ক) উদ্ভিদ বিদ্যা (খ) ৰসায়ন বিদ্যা (গ) শৰীৰ বিদ্যা (ঘ) প্ৰাথমিক স্বাস্থ্য বিজ্ঞান (ঙ) জ্যোতির্বিদ্যা (চ) প্ৰকৃতি পাঠ (ছ) জীৱনী পাঠ।

(৬) কলা ঃ সংগীত অথবা চিত্ৰাংকণ
(৭) হিন্দী ভাষা অধ্যয়ন
(৮) গাৰ্হস্থ্য বিজ্ঞান ঃ কেৱল ছোৱালীৰ বাবে
(৯) শৰীৰ চৰ্চা আৰু খেলা ধূলা

ওপৰত উল্লেখ কৰা বিষয়সমূহৰ অধ্যয়নৰ সময়ো বান্ধি দিয়া হয়। সকলো বিষয়ৰ অধ্যয়নৰ মুঠ দৈনিক সময় ধৰা হয় ৫ ঘণ্টা ৩০ মিনিট। ইয়াৰ অধিকাংশ সময় অৰ্থাৎ ৩ ঘণ্টা ২০ মিনিট সময় কেৱল হস্ত-শিল্পৰ কাৰ্য্যকৰী জ্ঞান আহৰণৰ বাবেই ধাৰ্য্য কৰা হয়। স্কুলৰ মুঠ অধ্যয়নৰ অধিকাংশ সময় ছাত্ৰ-ছাত্ৰীসকলে ক্ৰিয়াৰ যোগেদি আৰু আপেক্ষিক ভাবে কম সময় তাত্বিক বিষয়ৰ চিন্তা-চৰ্চা আৰু আলোচনা-বিলোচনাৰ মাজেদি কটোৱাৰ ব্যৱস্থা কৰাটো শিল্পকেন্দ্ৰিক শিক্ষাৰ পাঠ্যক্ৰমৰ প্ৰধান বিশেষত্ব। সেইবাবে এনে পাঠ্যক্ৰমক ক্ৰিয়াভিত্তিক পাঠ্যক্ৰম (activity curriculum) বুলিও জনা যায়।

শিল্পকেন্দ্ৰিক শিক্ষাই আমাৰ দেশত কিয় কৃতকাৰ্য্যতা লাভ কৰিব নোৱাৰিলে? (Why has this system not succeded in our country?

শিল্পকেন্দ্ৰিক শিক্ষাৰ প্ৰধান প্ৰবক্তা ডঃ জাকিৰ হুছেইনে নিজে স্বীকাৰ কৰি গৈছে যে ভাৰতত বুনিয়াদী শিক্ষাই কৃতকাৰ্য্যতা লাভ কৰিব নোৱাৰিলে। এই শিক্ষা ১৯৩৮ চনত বহা হৰিপুৰৰ জাতীয় কংগ্ৰেছৰ বাৰ্ষিক অধিবেশনতেই ৰাষ্ট্ৰীয় শিক্ষা আঁচনি স্বৰূপে গ্ৰহণ কৰা হয়। ইয়াৰ পিছৰ কেইবছৰত এই শিক্ষা আশানুৰূপ ভাবে বিকাশ লাভ হয় যদিও দ্বিতীয় মহাযুদ্ধই ইয়াৰ অগ্ৰগতিত বাধাৰ সৃষ্টি কৰে। স্বাধীনতাৰ পিছত কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰবোৰে এই শিক্ষা বিকাশৰ সংকল্প গ্ৰহণ কৰে। সেই অনুক্ৰমে বুনিয়াদী শিক্ষা আইন প্ৰস্তুত কৰি তোলে। ইয়াৰ যোগেদি প্ৰাথমিক স্কুল-বোৰ বুনিয়াদী স্কুললৈ ৰূপান্তৰিত কৰি তোলা হয়। কিন্তু শিক্ষা

বিষযা, প্ৰশাসক আৰু সংশ্লিষ্ট লোকসকলৰ আগ্ৰহ আৰু আন্তৰিকতাৰ অভাৱৰ হেতুকে প্ৰস্তুত আইন কাৰ্য্যকৰী কৰা নহ'ল। বিহাৰ, উত্তৰ প্ৰদেশ, মাদ্ৰাজ, বম্বে, (বৰ্তমান তামিলনাড়ু আৰু মহাৰাষ্ট্ৰ) আদি কেইখনমান ৰাজ্যত বুনিয়াদী শিক্ষাই অগ্ৰগতি লাভ কৰিব পাৰিছিল যদিও দেশৰ আন আন অঞ্চলত এই শিক্ষাৰ প্ৰতি বিশেষ উৎসাহ দেখা নগ'ল।

১৯৫৬ চনত কেন্দ্ৰীয় চৰকাৰে বুনিযাদী শিক্ষাৰ মূল্যায়ন কমিটি (Assessment Committee on Basic Education) নিয়োগ কৰে। এই কমিটিয়ে দেশৰ এঘাৰখন ৰাজ্য ভ্ৰমণ কৰি এই শিক্ষাৰ উন্নতিৰ বাবে কেন্দ্ৰীয আৰু ৰাজ্যিক চৰকাৰসমূহক কেতবোৰ মূল্যবান পৰামৰ্শ দিয়ে। বুনিযাদী শিক্ষাৰ কেন্দ্ৰীয গৱেষণা সংস্থা (Central Research Institute) এটা স্থাপনৰ বাবে আৰু জন-সাধাৰণৰ প্ৰচাৰ মাধ্যমৰ যোগে এই শিক্ষাৰ সম্বন্ধে জনমত গঢ়ি তুলিবৰ বাবেও কেন্দ্ৰীয চৰকাৰক পৰামৰ্শ দিযে। * কিন্তু তথাপিও ইযাৰ বিভিন্ন কাৰণত এই শিক্ষা ব্যৱস্থাই চৰকাৰ আৰু জনসাধাৰণৰ উপযুক্ত সঁহাৰি লাভ কৰি উঠিব নোৱাৰিলে। আনকি কেন্দ্ৰীয চৰকাৰেও ইযাৰ চতুৰ্থ পঞ্চবাৰ্ষিক পৰিকল্পনাত বুনিযাদী শিক্ষা বিকাশৰ বাবে কোনো চৰকাৰী পুঁজি নিৰ্ধাৰণ নকৰিলে। ৰাজ্যিক চৰকাৰবোৰেও বুনিয়াদী শিক্ষা আইন সলনি কৰি পুনৰ প্ৰাথমিক শিক্ষা আইন প্ৰৱৰ্তন কৰিলে। আমাৰ অসমতো ১৯৫৪ চনত বুনিযাদী শিক্ষা আইন গ্ৰহণ কৰা হয যদিও ১৯৬২ চনত সেই আইন সংশোধন কৰি পুনৰ প্ৰাথমিক শিক্ষা আইন প্ৰৱৰ্তন কৰে। সেয়েহে দেখা যায যে গান্ধীজীযে শিক্ষা ক্ষেত্ৰত দেশৰ প্ৰতি আগবঢ়োৱা এই নতুন উপহাৰ দেশবাসীযে গ্ৰহণ নকৰিলে।

* B. D. Bhatt & J. C Aggarwal *Educational Documents in India Page 175-176. Arya Book Dept. Karol Bagh, New Delhi 5 Edition 1987.*

ইয়াৰ কাৰণ বিশ্লেষণ কৰি চালে নিম্নলিখিত কথা কেইটাৰ প্ৰতি আমাৰ দৃষ্টি আকৰ্ষিত হয়।

(১) স্বাধীনোত্তৰ কালৰ শিক্ষক আৰু শিক্ষা প্ৰশাসকসকলে গান্ধীজীৰ শিল্পকেন্দ্ৰিক শিক্ষাৰ দৰ্শন প্ৰাৰু আদৰ্শসমূহৰ গভীৰতা আৰু ইযাৰ সুদূৰ প্ৰসাৰী প্ৰভাৱৰ সম্ভাৱনীয়তা অনুভৱ কৰি উঠিব নোৱাৰিলে। ইংৰাজী মাধ্যমত গঢ়ি উঠা পাশ্চাত্য দেশৰ উচ্চশিক্ষাৰ আদৰ্শই তেওঁলোকক অধিক আকৰ্ষিত কৰি তোলে।

(২) দেশৰ অৰ্থনৈতিক দ্ৰুত বিকাশৰ বাবে বুনিযাদী শিক্ষা অনুপযোগী বুলি বিবেচনা কৰা হয। বৃহৎ শিল্প উদ্যোগৰ বিকাশ সাধনৰ বাবে পশ্চিমৰ বিজ্ঞান আৰু কাৰিকৰী বিজ্ঞানহে অধিক উপযোগী স্বৰূপে গ্ৰহণ কৰা হয।

(৩) দেশৰ কুটিৰ শিল্পৰ যোগেদি যে নিৰক্ষৰ, পিচপৰা আৰু দুখীযা শ্ৰেণীৰ লোকসকলৰ সামাজিক বিকাশ সাধন এই শিক্ষাই সম্ভৱ কৰি তুলিব পাৰে, সেই কথাৰ প্ৰতি আওকাণ কৰা হয।

(৪) সাধাৰণ শিক্ষা আৰু উচ্চ শিক্ষাৰ প্ৰতি ছাত্ৰ-ছাত্ৰী আৰু অভিভাবকসকল অধিক আকৰ্ষিত হৈ উঠে। আন হাতে শিল্পকেন্দ্ৰিক বুনিয়াদী শিক্ষা কেৱল গাঁও অঞ্চলৰ পিচপৰা শ্ৰেণী লোকৰ বাবেহে উপযোগী বুলি গণ্য কৰা হয়।

(৫) গান্ধীজীয়ে দিয়া শিক্ষাৰ আত্মনিৰ্ভৰশীলতাৰ নীতি দেশৰ অৰ্থনৈতিক ভাবে উন্নত শ্ৰেণীৰ লোকে অগ্ৰাহ্য কৰে। ইয়াৰ পৰিবৰ্তে তেওঁলোকে শিক্ষাত অধিক ধনৰ ব্যয়বহুল পদ্ধতিৰ প্ৰতিহে অধিক আগ্ৰহী আৰু উৎসাহী হৈ উঠে।

(৬) হস্তশিল্পৰ যোগেদি শিক্ষা প্ৰদান কৰাটো এক জটিল শিক্ষা পদ্ধতি হৈ উঠে। সেইবাবে ইয়াক স্কুলত কাৰ্য্যকৰী কৰি

তুলিব পৰা নহয় আৰু ই এটা শ্লোগানতহে মাথোন পৰিণত হয়।

(৭) দেশৰ নেতা আৰু প্ৰশাসকসকলৰ মনত এই শিক্ষাৰ প্ৰতি কৃত্ৰিমতা আৰু আন্তৰিকতাহীনতাৰ ভাব গঢ়ি উঠে। তেওঁ-লোকে গান্ধীজীৰ সৰ্বোদয় আদৰ্শ মানি লয়, কিন্তু বাস্তব ক্ষেত্ৰত এই আদৰ্শৰ বিপৰীত ব্যক্তি স্বাৰ্থ জড়িত বিকাশৰ বাবেহে কাম কৰে।

(৮) হস্তশিল্পৰ যোগেদি শিক্ষাদান ব্যৱস্থা সাৰ্থক কৰি তুলিবৰ বাবে প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ প্ৰয়োজন। কিন্তু বুনিয়াদী শিক্ষাৰ শিক্ষক প্ৰশিক্ষণ ব্যৱস্থাই এই প্ৰয়োজন পূৰণ কৰি তুলিব নোৱাৰিলে।

(৯) শিল্পকেন্দ্ৰিক শিক্ষা পদ্ধতি কাৰ্য্যকৰীকৰণৰ বাবে মিছনেৰী প্ৰচেষ্টা আৰু মনোভাবৰ এদল স্বেচ্ছাসেৱী লোকৰ প্ৰয়োজন আছিল। কিন্তু এই শিক্ষা চৰকাৰী প্ৰশাসনৰ তলত থকা বাবে তেনে এদল লোক গঢ়ি উঠাটো সম্ভৱ হৈ নুঠিল।

(১০) হস্তশিল্পৰ যোগেদি দিয়া আধুনিক শিক্ষা ব্যৱস্থা আৰু প্ৰয়োজনৰ লগত খাপ খুৱাই তুলিবৰ বাবে ইয়াৰ উচ্চ-পৰ্য্যায়ৰ অধ্যয়ন আৰু গৱেষণাৰো প্ৰয়োজন আছিল। কিন্তু এই ক্ষেত্ৰত দেশৰ শিক্ষাবিদসকলে তেনে কোনো কাৰ্য্য হাতত লোৱা দেখা নগ'ল।

এনেবোৰ কথাই গান্ধীজীৰ শিল্পকেন্দ্ৰিক শিক্ষা ভাৰতত সফলতা লাভৰ পথত অন্তৰায় স্বৰূপে দেখা দিয়ে।

শিল্পকেন্দ্ৰিক শিক্ষাৰ ভৱিষ্যত (Future of craft-centred education) ঃ

বৰ্ত্তমান আমাৰ দেশত জনসংখ্যাৰ বিস্ফোৰণ আৰু শতকৰা ৫০ ভাগতকৈও অধিক নিৰক্ষৰ লোকৰ দ্বাৰা সৃষ্টি কৰা সামাজিক

সমস্যাৰ পৰিপ্ৰেক্ষিতত গান্ধীজীৰ শিল্পকেন্দ্ৰিক শিক্ষাৰ পুনৰ বিবেচনাৰ প্ৰয়োজন হৈ পৰিছে। আজিৰ পৰা ৫০ বছৰৰো অধিক কাল পূৰ্বে (১৯৩৭-৮৯) তেওঁ ভাৰতৰ আৰ্থ-সামাজিক বিকাশৰ বাবে যি শিক্ষা আদৰ্শ আৰু তাৰ কাৰ্য্যকৰী ব্যৱস্থা দাঙি ধৰিছিল তাক বাস্তৱত ৰূপ দিব পৰা হ'লে আমাৰ দেশৰ বৰ্তমান সামাজিক দৃশ্য পটৰ দৰ্শনীয় পৰিৱৰ্তন সাধন কৰিব পৰা গ'লহেঁতেন।

হস্তশিল্পৰ শিক্ষা যে দেশৰ বৰ্ত্তমান শিল্পোন্নয়ন আৰু আধুনিকীকৰণৰ পৰিপন্থী শিক্ষানীতি নহয় এই কথা বৰ্তমান শিক্ষাবিদ আৰু শিক্ষা-প্ৰশাসকসকলে অনুভৱ কৰি উঠিবলৈ ধৰিছে। দেশৰ শিল্প-উদ্যোগবোৰ ভালদৰে পৰিচালনা কৰিবৰ বাবে আৰু উৎপাদন বৃদ্ধি আৰু তাৰ গুণমান উন্নত কৰি তুলিবৰ বাবে সুদক্ষ কৰ্মী আৰু কাৰিকৰী দিশত প্ৰশিক্ষণপ্ৰাপ্ত লোকৰ প্ৰয়োজন। এইসকল লোকৰ প্ৰশিক্ষণৰ প্ৰাথমিক পৰ্য্যায়ৰ শিক্ষা গান্ধীজীৰ হস্তশিল্পৰ শিক্ষাই দিব পাৰে।

দেশৰ অনগ্ৰসৰ অঞ্চলৰ সৰ্বসাধাৰণ লোকৰ দৰিদ্ৰতা, নিৰক্ষৰতা আৰু বেকাৰ সমস্যা সমাধানৰ নিশ্চিত পথ হৈছে এই হস্তশিল্পৰ শিক্ষা। ভাৰতৰ দৰে এখন গণতান্ত্ৰিক সমাজবাদী ৰাষ্ট্ৰৰ লক্ষ্য আদৰ্শ হৈছে সৰ্বসাধাৰণৰ মাজত সমতা আৰু সামাজিক ন্যায় প্ৰতিষ্ঠা কৰা। ইয়াকেই সৰ্বোদয়ৰ আদৰ্শ বুলিও বৰ্ণনা কৰিব পাৰি। এনে ৰাষ্ট্ৰীয় আদৰ্শ কাৰ্য্যকৰী কৰাৰ সহজ পথ গান্ধীজীয়ে এই শিক্ষাৰ যোগেদি ৰচনা কৰিছিল। এই ক্ষেত্ৰত তেওঁৰ ব্যৱস্থা আছিল এক বৈপ্লৱিক পৰিৱৰ্তনৰ সূচনাকাৰী। তেওঁ এই কথা ভালদৰে অনুভৱ কৰি উঠিব পাৰিছিল যে ভাৰতৰ ৰাজনৈতিক স্বাধীনতা ৰক্ষাৰ বাবে শিক্ষাৰ যোগেদি অৰ্থনৈতিক স্বাধীনতা, সামাজিক সমতা আৰু ন্যায় প্ৰতিষ্ঠা কৰাটো অতি প্ৰয়োজন। সেযেহে ইয়াক ভালদৰে বুজি উঠি সময়োপযোগীকৈ কাৰ্য্যকৰী কৰি তুলিব নোৱাৰাটো দেশৰ বাবে এক দুৰ্ভাগ্যজনক ঘটনা বুলিব পাৰি।

এনেবোৰ কথাৰ বিবেচনাৰে সেযেহে কব পাৰি যে গান্ধীজীৰ হস্তশিল্পৰ শিক্ষা পদ্ধতি আমাৰ দেশত কৃতকাৰ্য্য হৈ নুঠিল যদিও তেওঁৰ শিক্ষা-আদৰ্শ আৰু নীতিবো মৃত্যু হৈছে বুলি কোৱাটো ভুল হ'ব। বৰং তেওঁৰ শিক্ষা আদৰ্শ বৰ্ত্তমান আগতকৈও অধিক ভাবে প্ৰয়োজন হৈ উঠিছে। ১৯৮৬ চনত শেহতীয়াকৈ ভাৰত চৰকাৰে ঘোষণা কৰা ৰাষ্ট্ৰীয় শিক্ষানীতিতো (National Policy on Education, 1986) গান্ধীজীৰ শিক্ষাৰ লক্ষ্য-আদৰ্শ ভালদৰে প্ৰতিফলিত হৈ উঠিছে। ১৯৬৬ চনৰ কোঠাৰী আযোগে দিয়া 'কৰ্ম-অভিজ্ঞতা'ৰ ধাৰণা গান্ধীজীৰ শিল্পকেন্দ্ৰিক শিক্ষাৰেই নতুন নামকৰণ মাথোন। ১৯৭৭ চনৰ ঈশ্বৰভাই পেটেল কমিটিয়ে দাঙি ধৰা 'সামাজিক ভাবে উপযোগী উৎপাদনমূলক ক্ৰিয়া'ৰ (S U. P. W.) ধাৰণাও মূলতেই গান্ধীজীৰ বুনিয়াদী শিক্ষাৰ শিল্পকেন্দ্ৰিক আদৰ্শৰ বাহিৰে আন একো নহয়। এই সম্বন্ধে পৰবৰ্ত্তী অধ্যায়ত বহলাই আলোচনা কৰা হৈছে।

সৰ্বশেষত কব পাৰি যে হস্তশিল্পৰ শিক্ষা হৈছে বৰ্ত্তমানৰ সমগ্ৰ বিশ্বৰ প্ৰযোগবাদ শিক্ষা-দৰ্শনৰ ওপৰত প্ৰতিষ্ঠিত। ই ভাৰতৰ আৰ্থ-সামাজিক জীৱনত গভীৰ ভাবে জড়িত হৈ আছে। সেইবাবে ভাৰতৰ শিক্ষাৰ ভৱিষ্যতৰ পথ গান্ধীজীৰ শিক্ষা-আদৰ্শ ইহে শুদ্ধভাবে প্ৰদৰ্শন কৰিব পাৰে। সময়োপযোগীকৈ এই আদৰ্শৰ কাৰ্য্যকৰী ৰূপ দিয়াটোৱেই হৈছে প্ৰধান কথা।

অনুশীলন

(১) শিল্পকেন্দ্ৰিক শিক্ষা বুলিলে কি বুজা? ইয়াৰ দাৰ্শনিক ভিত্তি আৰু বৰ্ত্তমান সামাজিক বিকাশত এই শিক্ষাৰ ভূমিকা সম্বন্ধে আলোচনা কৰা।

(২) গান্ধীজীৰ শিক্ষাক কিয় শিল্পকেন্দ্ৰিক শিক্ষা বোলা হয়? হস্তশিল্পৰ যোগেদি সহ-সম্বন্ধ স্থাপনৰ শিক্ষা-নীতি আৰু পদ্ধতি বুজাই লিখা।

(৩) শিল্পকেন্দ্ৰিক শিক্ষাৰ ঐতিহাসিক পটভূমি আৰু এই শিক্ষাৰ মূল নীতি আৰু আদৰ্শসমূহৰ বৰ্ণনা কৰা।

(৪) শিল্পকেন্দ্ৰিক শিক্ষাৰ মনোবৈজ্ঞানিক আৰু সামাজিক ভিত্তি আঙুলিয়াই দিয়া। এই পদ্ধতি আমাৰ বাবে কি পৰিমাণে গ্ৰহণযোগ্য।

(৫) গান্ধীজীৰ শিল্পকেন্দ্ৰিক শিক্ষাৰ মূল বক্তব্য কি? এই শিক্ষাৰ সবলতা আৰু দুৰ্বলতাসমূহৰ সাৱধানে বিচাৰ কৰা।

(৬) শিল্পকেন্দ্ৰিক শিক্ষা কি? এই শিক্ষাৰ বাবে পাঠ্যক্ৰমত কেনেবোৰ বিষয়ৰ অন্তৰ্ভুক্ত কৰা হৈছে?

(৭) শিল্পকেন্দ্ৰিক শিক্ষাৰ অৰ্থ ব্যাখ্যা কৰা। ভাৰতত এই শিক্ষা পদ্ধতিয়ে সফলতা লাভ কৰিব নোৱাৰাৰ কাৰণ কি?

(৮) বৰ্তমান ভাৰতৰ আৰ্থ-সামাজিক পৰিবৰ্তনৰ পৰিপ্ৰেক্ষিতত গান্ধীজীৰ শিল্পকেন্দ্ৰিক শিক্ষাৰ প্ৰাসংগিকতা বহলাই আলোচনা কৰা।

(৯) "গান্ধীজীৰ বুনিয়াদী শিক্ষাৰ ভুল নীতি আৰু আদৰ্শৰ বাবে নহয়, ইয়াক ভুল ভাবে বুজি উঠা আৰু তাক কাৰ্য্যকৰী কৰিবলৈ যোৱা বাবেহে ই অকৃতকাৰ্য্য হ'ল।" উক্তিটো আলোচনা কৰা।

(১০) "মই নিশ্চিত যে বৰ্তমানৰ শিক্ষা ব্যৱস্থা কেৱল অপচয়মূলকেই নহয় ই প্ৰত্যক্ষ ভাবে অনিষ্টকাৰীও।" —হস্তশিল্পং শিক্ষা প্ৰসংগত গান্ধীজীৰ এই উক্তিটোৰ তাৎপৰ্য্য ব্যাখ্যা কৰা।

প্ৰসংগ গ্ৰন্থসমূহ

1 S K. Kochhar Pivotal Issues in Indian Education Chapter 5, Sterling Publishers Pvt Ltd, New Delhi 110016 First Edition Reprint 1984

2. J C Aggarwal : Development and Planning of Modern Education. Ch 8 Vani Educational Books Vikas Publishing House Pvt Ltd New Delhi 110002 Edition 1985

3. V R Taneja Educational Thought and Practice Ch 14 Sterling Publishers Pvt Ltd New Delhi 110016 Seventh Edition 1984.

4 S K Kochhar Methods and Techniques of Teaching. Ch 24, 25 Sterling Publishers Pvt. Ltd New Delhi 16. Third Edition 1966

5. K. Bhatia & B. D. Bhatia The Principles and Methods of Teaching Ch. 22 Doaba House, Delhi, New Revised Edition 1966

6. J. C. Aggarwal . Landmarks in the History of Modern Indian Education. Ch. 16. Vani Educational Books. Vikas Publishing House. Pvt. Ltd. New Delhi 110002 First Edition, 1984.

ষষ্ঠ অধ্যায়

কৰ্ম-অভিজ্ঞতা আৰু সামাজিকভাবে উপযোগী উৎপাদনমূলক ক্ৰিয়া

(Work-experience and Socially Useful Productive work)

কৰ্ম-অভিজ্ঞতাৰ ধাৰণা (Concept of Work-experience) :

আধুনিক শিক্ষাৰ প্ৰযোগবাদ দৰ্শনৰ দৃষ্টিকোণৰ পৰা কোৱা হয় যে আমাৰ সকলো শিক্ষা অভিজ্ঞতা ক্ৰিয়াভিত্তিক আৰু ব্যৱহাৰিক হৈ উঠিব লাগে। বাস্তৱ পৰিস্থিতিৰ পৰা ব্যক্তিগত ক্ৰিয়াৰ যোগেদি পোৱা অভিজ্ঞতাহে আমাৰ বাবে অধিক মূল্যবান। তত্ত্ব প্ৰধান, চিন্তা প্ৰধান আৰু পুৰণি পুথিগত জ্ঞান হৈছে বাস্তৱ বিবৰ্জিত আৰু কাল্পনিক বিধৰ। এনে জ্ঞান আয়ত্ত কৰাটোও কঠিন আৰু তেনে অৰ্জিত জ্ঞানে আমাৰ বাস্তৱ পৰিস্থিতিৰ সমস্যা সমাধানতো সহায়ক হৈ উঠিব নোৱাৰে। ইয়াৰ উপৰি এনে জ্ঞান হৈছে উৎপাদন বিমুখ (unproductive) আৰু সেইবাবে ই ব্যক্তিৰ অৰ্থনৈতিক আত্ম-নিৰ্ভৰশীলতা তথা সামাজিক যোগ্যতা আনি দিব নোৱাৰে। সেইবাবে কোৱা হয় যে আমাৰ অৰ্জিত জ্ঞান অভিজ্ঞতা ক্ৰিয়াৰ ওপৰত ভিত্তি কৰা অথবা ক্ৰিয়াৰ যোগেদি লাভ কৰা বিধৰ হ'ব লাগে।

১৯৬৬ চনৰ কোঠাৰী আযোগেই আমাৰ শিক্ষা ব্যৱস্থাত এই কৰ্ম-অভিজ্ঞতাৰ ধাৰণা প্ৰদান কৰে। আয়োগে ইয়াৰ সংজ্ঞা দি কয় যে গৃহ, স্কুল, কৰ্মশালা, ফাৰ্ম, ফেক্টৰি অথবা আন যিকোনো উৎপা-দনমূলক পৰিস্থিতিতে ক্ৰিয়া অংশ গ্ৰহণ কৰা কাৰ্য্যই হৈছে কৰ্ম-

অভিজ্ঞতা। (Work-experience as participation in productive work in school, in the home, in a work shop, on a farm, in a factory or in any other productive situation.) এই কৰ্ম-অভিজ্ঞতাক শিক্ষাৰ অপৰিহাৰ্য্য অংগ স্বৰূপে বিবেচনা কৰিব লাগে আৰু শিক্ষাৰ সকলো পৰ্য্যায়তে ইয়াৰ প্ৰয়োগ কৰিব লাগে। আয়োগে আঙুলিয়াই দিয়ে যে ভবিষ্যতৰ নতুন সমাজ ব্যৱস্থাৰ প্ৰতি দৃষ্টি ৰাখি শিক্ষাত এই কৰ্ম-অভিজ্ঞতা বিবেচনা কৰাটো প্ৰয়োজন হৈ পৰিছে। ইয়াৰ যোগেদি আমাৰ যুৱক-যুৱতীসকলে শিক্ষাৰ কেৱল চিন্তাজগতত নিজকে আবদ্ধ ৰখাৰ পৰিবৰ্তে তাৰ ক্ৰিয়া জগতত প্ৰবেশ কৰিব পাৰে আৰু নিজৰ জ্ঞান অভিজ্ঞতাৰ পূৰ্ণ উপযোগ কৰিব পাৰে।

বৰ্ত্তমান এই কৰ্ম-অভিজ্ঞতাৰ ধাৰণা এক ব্যাপক অৰ্থত প্ৰয়োগ কৰা হয়। কৰ্ম-অভিজ্ঞতা মানে কেৱল কোনো কাম, বৃত্তি বা ব্যৱসায়ৰ বাবে প্ৰয়োজন হোৱা দৈহিক শ্ৰমৰ প্ৰশিক্ষণ আৰু তাৰ ক্ৰিয়া অভিজ্ঞতাকেই মাথোন নবুজায়। নিৰক্ষৰ শ্ৰমজীবি লোকে দৈনিক অৰ্থ উপাৰ্জনৰ বাবে কৰা কায়িক শ্ৰম মাথোন ই নহয়। কৰ্মৰ যোগেদি উৎপাদনৰ লগত জড়িত সকলোবোৰ দিশৰ প্ৰয়োজনীয় শিক্ষা-অভিজ্ঞতা ইয়াত অন্তৰ্ভুক্ত কৰা হয়। এই ক্ষেত্ৰত ক্ৰিয়া বিষয়ৰ পৰিকল্পনা, ক্ৰিয়া পদ্ধতিৰ বিশ্লেষণ আৰু উৎপাদনৰ নীতি আৰু প্ৰস্তুতি আদিৰ সকলো কথা অন্তৰ্ভুক্ত কৰা হয়। সেই-বাবে ইয়াক 'কৰ্ম-অভিজ্ঞতা' বোলাৰ পৰিবৰ্তে 'কৰ্ম-শিক্ষা' (work education) বোলাটোহে অধিক যুক্তিসংগত বুলিও মত প্ৰকাশ কৰা হয়।* এনে ব্যাপক পৰিসৰৰ ধাৰণাই সকলোবোৰ উৎপাদন-মূলক ক্ৰিয়াতে অংশগ্ৰহণ কৰি লাভ কৰা শিক্ষা অভিজ্ঞতা, ক্ৰিয়া পটুতা আৰু তাৰ যোগেদি গঢ় দি তোলা মনোভাব আৰু দৃষ্টিভংগী-

* Mohanty : *Indian Education in the Emerging Society Page 122, Third Edition, Reprint 1988.*

কেই অন্তৰ্ভুক্ত কৰে। এনে অভিজ্ঞতাৰ যোগেদি ব্যক্তিয়ে উৎপাদনৰ লগত জড়িত ক্ৰিয়া সংগঠন, পৰিচালনা, কাৰিকৰী দিশ আৰু মানৱীয় দিশ আদিৰ সামূহিক বিবেচনা কৰিব লাগে। সুপৰিচালিত এই কৰ্ম-অভিজ্ঞতাৰ আঁচনিয়ে ছাত্ৰৰ নিজ অভিক্ষমতাৰ (aptitude) চিনাক্তকৰণ কৰি পৰৱৰ্তী কালত কোনো এক লাভজনক বৃত্তি-ব্যৱসায়ত আত্ম-নিযোগ কৰাতো সহায় কৰিব পাৰে। সেয়েহে কব পাৰি যে কৰ্ম-অভিজ্ঞতাৰ ধাৰণাই আধুনিক শিক্ষাত এক বাস্তৱ চেতনা জগাই তুলিছে।

কৰ্ম-অভিজ্ঞতাৰ সাংগঠনিক বৈশিষ্ট্য (Characteristic features of work-experience).

কৰ্ম-অভিজ্ঞতাৰ ধাৰণা অধিক স্পষ্ট কৰি তুলিবৰ বাবে নিম্ন-লিখিত বৈশিষ্ট্যসমূহ আমাৰ বিবেচনাযোগ্য।

(১) মানৱ অভিজ্ঞতাৰ সংজ্ঞানাত্মক (cognitive) দিশৰ পৰি-বৰ্তে ক্ৰিয়াত্মক (conative) দিশৰ ওপৰত কৰ্ম-অভিজ্ঞ-তাই অধিক গুৰুত্ব দিয়ে।

(২) অৰ্জিত অভিজ্ঞতা কেৱল চিন্তামূলক অথবা মননাত্মক হোৱাৰ পৰিবৰ্তে উৎপাদনমূলক আৰু লাভজনক হোৱাটো ইয়াৰ দ্বাৰা কামনা কৰা হয়।

(৩) কৰ্ম-অভিজ্ঞতাৰ বিষয় সামাজিকভাৱে তাৎপৰ্য্যপূৰ্ণ হব লাগে আৰু ই ব্যক্তিৰ সামাজিক যোগ্যতা বৃদ্ধি কৰি তুলিব পাৰিব লাগে।

(৪) কৰ্ম-অভিজ্ঞতাই ব্যক্তিৰ মনত কৰ্মৰ প্ৰতি সুস্থ আৰু উৎসাহজনক মনোভাব গঢ় দি তুলিব পাৰে আৰু শ্ৰমৰ মৰ্য্যাদা দান কৰিব পাৰে।

(৫) ই আমাৰ জ্ঞান অভিজ্ঞতাৰ অন্তৰ্নিহিত বাস্তৱ সত্য উপ-লব্ধি কৰাত সহায় কৰে আৰু জ্ঞানৰ প্ৰায়োগিক দিশৰ প্ৰতি উৎসাহিত কৰি তোলে।

(৬) কৰ্ম-অভিজ্ঞতা মানে কেৱল বৃত্তি-ব্যৱসায়ৰ বাবে প্ৰয়োজন হোৱা কায়িক শ্ৰমৰ অভিজ্ঞতা মাথোন নহয়। বহল পৰিসৰত ই সামাজিক যোগ্যতা লাভৰ সকলো প্ৰয়োজনীয়তাকেই অন্তৰ্ভুক্ত কৰে।

(৭) কৰ্ম-অভিজ্ঞতাই ব্যক্তিক আধুনিক যুগৰ বিজ্ঞান আৰু কাৰিকৰী বিজ্ঞানৰ অভিজ্ঞতাৰ লগত নিজকে খাপ খুৱাই লোৱাত সহায় কৰে।

(৮) কৰ্ম-অভিজ্ঞতাৰ সুপৰিকল্পিত আঁচনিয়ে শিক্ষানুষ্ঠানক সামাজিক বা সাম্প্ৰদায়িক বিকাশ কেন্দ্ৰত (centre of community development) পৰিণত কৰিব পাৰে।

বৰ্তমানৰ শিক্ষাত কৰ্ম-অভিজ্ঞতাৰ প্ৰয়োজনীয়তা (Need of work-experience in modern education) :

শিক্ষাত কৰ্ম-অভিজ্ঞতাৰ প্ৰযোগ কৰা অথবা শিক্ষাক কৰ্মমুখী কৰি তোলাটো হৈছে আধুনিক শিক্ষা আৰু সমাজৰ সময় সাপেক্ষ প্ৰয়োজন। ইযাক গভীৰভাবে অনুভৱ কৰি উঠিব নোৱাৰিলে পুৰণি পুথিগত শিক্ষাই আমাৰ বাস্তৱ জীৱনৰ সমস্যা সমাধান কৰিব নোৱাৰে। এই প্ৰসংগত কৰ্ম-অভিজ্ঞতাৰ প্ৰয়োজনৰ নিম্নলিখিত দিশসমূহৰ প্ৰতি আমাৰ দৃষ্টি নিক্ষেপ কৰাটো প্ৰয়োজন।

(১) বিজ্ঞান আৰু কাৰিকৰী বিজ্ঞানৰ প্ৰয়োজন (Need of science and technology) .—কৰ্ম-অভিজ্ঞতাৰ ধাৰণা বৰ্তমান সময়ৰ সামাজিক প্ৰয়োজনৰ ফলত হোৱা শিক্ষাৰ বাস্তৱ উপলব্ধিৰ পৰা পোৱা হৈছে। আধুনিক কালত আমি এখন বিজ্ঞান আৰু কাৰিকৰী বিজ্ঞানৰ জগতত বাস কৰিছো, য'ত ব্যৱহাৰিক ক্ৰিয়া অভিজ্ঞতাক সৰ্বাধিক গুৰুত্ব দিয়া হয়। ক্ৰিয়াৰ ওপৰত ভিত্তি কৰা অভিজ্ঞতাহে আমাৰ বিবেচনাযোগ্য। সাম্প্ৰতিক কালৰ ছাত্ৰ-ছাত্ৰীসকলে সেয়েহে বিজ্ঞান আৰু কাৰিকৰী বিজ্ঞানৰ প্ৰয়োগ কৰি

বাস্তৱ সমস্যাসমূহ সমাধান কৰিবলৈ তেওঁলোকৰ শিক্ষাত ক্ৰিয়াৰ অভিজ্ঞতা লাভ কৰি উঠাটো প্ৰযোজন। তাত্বিক বিষয়ৰ জ্ঞানতকৈ ব্যৱহাৰিক জীৱনৰ ক্ৰিয়া-অভিজ্ঞতা হৈছে বৰ্তমানৰ এক বাস্তৱ আৰু প্ৰয়োজন ভিত্তিকঅভিজ্ঞতা।

(২) **বুদ্ধিজীৱি লোকসকলৰ প্ৰয়োজন (Need of the intellectuals)** :—এই কথা কব পাৰি যে তথাকথিত শিক্ষিত আৰু বুদ্ধিজীৱি লোকসকলে বৰ্তমান ব্যৱহাৰিক ক্ৰিয়াৰ প্ৰতি নিৰুৎসাহ আৰু আগ্ৰহহীনতাৰ ভাব প্ৰকাশ কৰে। তেওঁলোকে জ্ঞানৰ প্ৰাযোগিক দিশটোৰ প্ৰতি অৱহেলা কৰি নিজ জ্ঞান অভিজ্ঞতা সম্বন্ধে এক ভুল দৃষ্টিভংগীৰে ভুৱা আচৰণ প্ৰদৰ্শন কৰে আৰু ছাত্ৰ সকলাকো সেইদৰে প্ৰভাৱিত কৰে। এনে এটা পৰিস্থিতিৰ পৰি-প্ৰেক্ষিতত সেযেহে শিক্ষাত কৰ্মৰ ধাৰণা অথবা ক্ৰিয়া অভিজ্ঞতাত অধিক গুৰুত্ব দিযাটে প্ৰযোজন হৈ পৰিছে। এই কথা অনুভৱ কৰাটো প্ৰযোজন যে জ্ঞান অভিজ্ঞতা ক্ৰিয়া জড়িত হৈ উঠিলেহে সি আমাৰ বাবে সাৰ্থক আৰু ফলপ্ৰসূ হৈ উঠিব পাৰে।

(৩) **শ্ৰম আৰু অৱসৰৰ বৈষম্য দূৰীকৰণ (Removing distinction between labour and leisure)** :—এই কথা মন কৰিবলগীযা যে বৰ্তমান সমাজৰ বুদ্ধিজীৱি আৰু শ্ৰমজীৱি স্বৰূপে দুটা পৃথক শ্ৰেণী বিভাগ কৰিবলৈ বিচৰাৰ প্ৰৱণতা পৰিলক্ষিত হয়। অবৌদ্ধিক লোকসকল শ্ৰমজীৱি শ্ৰেণীৰ লোক স্বৰূপে অৱহেলাৰ চকুৰে চোৱা হয়। কিন্তু এনে এটা বিভাজন আৰু বৈষম্যমূলক মনোভাব প্ৰকৃতপক্ষে কেৱল ভ্ৰান্তিমূলকেই নহয়, ই আমাৰ বৰ্তমান সমাজৰ সুসামঞ্জস্য বিকাশৰ দিশতো ক্ষতিসাধন কৰি তুলিছে। পুৰণি কালত এনে বৈষম্যমূলক ভাৱ সমাজত পৰিলক্ষিত হোৱা নাছিল। পুৰণি সমাজত প্ৰতিটো অভিজ্ঞতাই ক্ৰিয়াৰ ওপৰত ভিত্তি কৰা বিধৰ আছিল। কৰ্ম আৰু অৱসৰৰ মাজত সেই সমাজত

কোনো পাৰ্থক্য বিবেচিত হোৱা নাছিল। মধ্যযুগত হোৱা জাতি-ভেদৰ মনোভাবেহে এনে অসুস্থ বৈষম্যমূলক ভাব উচ্চ শ্ৰেণীৰ লোক-সকলৰ মনত গঢ় দি তোলে। বৰ্তমান এই কৰ্ম-অভিজ্ঞতাৰ ধাৰণাই এনে অনিষ্টকাৰী আৰু বৈষম্যমূলক মনোভাব গুচোৱাত সহায়ক হৈ উঠিব পাৰে।

(৪) **চিন্তা আৰু ক্ৰিয়াৰ সমন্বয়ৰ প্ৰয়োজন** (Need of cohesion between thought and action) :—বৰ্তমানৰ শিক্ষা ব্যৱস্থা তত্ত্বপ্ৰধান, একপক্ষীয় আৰু ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ লগত কোনো সম্বন্ধ নথকা বিধৰ বুলি প্ৰায়ে অভিযোগ কৰা হয়। স্কুলৰ তত্ত্বপ্ৰধান অভিজ্ঞতা আৰু বাহিৰৰ জগতৰ কৰ্ম-কেন্দ্ৰিক অভিজ্ঞতাৰ লগত এক বিশেষ ব্যৱধান গঢ় দি তোলা হৈছে। বৰ্তমানৰ শিক্ষাই ছাত্ৰৰ কেৱল সংজ্ঞানাত্মক দিশৰহে বিকাশ সাধনৰ চেষ্টা কৰে। মানুহৰ মনৰ আনুভূতিক আৰু ক্ৰিয়াত্মক দিশৰ বিকাশ সাধনৰ কোনো ব্যৱস্থা থকা দেখা নাযায়। ইয়াৰ ফলত ছাত্ৰসকলৰ একপক্ষীয় ভাবে হোৱা বিকাশ সাধনে শিক্ষাৰ ক্ষতিসাধন কৰি তুলিছে। শিক্ষাক অধিক অৰ্থপূৰ্ণ আৰু সহায়কাৰী কৰি তুলিবলৈ হলে চিন্তা অনুভূতি আৰু ক্ৰিয়া এই তিনিওটা দিশৰ অভিজ্ঞতাৰ সমন্বয় সাধন কৰি তুলিব লাগে। কৰ্ম-অভিজ্ঞতাৰ প্ৰযোগে ইয়াক সম্ভৱ কৰি তুলিব পাৰে।

(৫) **স্কুল আৰু সমাজৰ সমন্বয়ৰ প্ৰয়োজন** (Need of co-ordinating between school and society) :—বৰ্তমান স্কুলক এখন বিশেষ সমাজ বা সম্প্ৰদায স্বৰূপে বৰ্ণনা কৰা হয়। ইয়াৰ অৰ্থ এয়ে যে স্কুলৰ ক্ৰিয়া-কলাপৰ যোগেদি সমাজ বা সম্প্ৰদায়ৰ প্ৰয়োজন আৰু আশা-আকাংখ্যা প্ৰতিফলিত হৈ উঠিব লাগে। স্কুলৰ কাৰ্য্যসূচীত এনে কেতবোৰ ক্ৰিয়া অন্তৰ্ভুক্ত কৰিব লাগে যি সামাজিক জীৱনৰ সকলো প্ৰয়োজনীয় ক্ৰিয়া অভিজ্ঞতা ছাত্ৰসকলক দিব

পাৰে। সেযেহে কব পাৰি যে কর্ম-অভিজ্ঞতা বিষয়ৰ কার্য্যসূচীৰ যোগেদিহে স্কুলক সমাজৰ ওচৰ চপাই আনিব পাৰি। বর্তমান স্কুল সম্প্রদায়ৰ (school community) ধাৰণাই কর্ম-অভিজ্ঞতা বিষয়ৰ প্রয়োজন আৰু ইয়াৰ পৰিসৰ অধিক বৃদ্ধি কৰি তুলিছে।

(৬) প্রাকৃতিক সম্পদৰ উপযুক্ত প্রয়োগকৰণ (Effective use of the natural resources) :—এখন দেশৰ প্রাকৃতিক সম্পদৰ পূর্ণ উপযোগ কৰণৰ বাবেও শিক্ষাত কর্ম-অভিজ্ঞতাৰ ধাৰণাৰ প্রয়োজন। দেশৰ আর্থ-সামাজিক বিকাশ উন্নত কৰি তুলিবলৈ হলে ছাত্র-ছাত্রীসকলে তেওঁলোকৰ শিক্ষা অভিজ্ঞতাৰ যোগেদি প্রাকৃতিক সম্পদবাজি সদ্ব্যৱহাৰ কৰিব পাৰিব লাগে। আধুনিক বিজ্ঞান আৰু কাৰিকৰী বিজ্ঞানৰ প্রাযোগিক ক্রিয়া কৌশলৰ অভিজ্ঞতাৰ অবিহনে সি সম্ভৱ হৈ উঠিব নোৱাৰে। সেইবাবে আধুনিক বিজ্ঞান-ভিত্তিক কর্ম-অভিজ্ঞতা জড়িত শিক্ষাইহে ছাত্র-ছাত্রীসকলক দেশৰ প্রাকৃতিক সম্পদবাজি পূর্ণ উপযোগ কৰাৰ বাবে সক্ষম কৰি তুলিব পাৰে।

কর্ম-অভিজ্ঞতাৰ লক্ষ্য উদ্দেশ্য (Aims and objectives of work-experience).

কর্ম-অভিজ্ঞতা বিষয়ৰ তাৎপর্য্য অনুভৱ কৰি উঠিবৰ বাবে ইয়াৰ কেতবোৰ অন্তর্নিহিত লক্ষ্য উদ্দেশ্যৰ প্রতি আমি সচেতন হোৱাটো প্রযোজন। এই প্রসংগত ইয়াৰ উদ্দেশ্যসমূহ নিম্নলিখিতভাবে সংক্ষেপে উল্লেখ কৰিব পাৰি।

(১) কর্ম-অভিজ্ঞতাই বর্তমান সময়ৰ পুথিগত আৰু তাত্বিক বিষয়ৰ পাঠ্যক্রমৰ সংশোধন আৰু সংস্কাৰ সাধন কৰি তুলিব পাৰে।

(২) উচ্চ শিক্ষাৰ বাবে অনুপযোগী আৰু আগ্রহহীন ছাত্র-ছাত্রীসকলে তেওঁলোকৰ ভৱিষ্যত জীৱনৰ বাবে লাভজনক আৰু উৎপাদনমূলক বৃত্তি নির্ধাৰণ কৰি লব পাৰে।

(৩) দেশৰ শিল্পানুষ্ঠানবোৰৰ বাবে প্ৰয়োজন হোৱা একশ্ৰেণী অৰ্ধ নিপুণ কাৰিকৰ আৰু প্ৰশিক্ষণপ্ৰাপ্ত শ্ৰমিক ই গঢ় দি তুলিব পাৰে।

(৪) কৰ্ম-অভিজ্ঞতা বিষয়ক আমাৰ দৈনন্দিন জীৱনৰ অভিজ্ঞতাৰ অংশ বিশেষত পৰিণত কৰিব পাৰিলে ই ছাত্ৰ-ছাত্ৰী সকলৰ জীৱনৰ সমস্যা সমাধানত সহায় কৰিব পাৰে।

(৫) কৰ্ম-অভিজ্ঞতা বিষয়ে আমাৰ আনুষ্ঠানিক আৰু অনানুষ্ঠানিক শিক্ষাৰ মাজত ব্যৱধান হ্ৰাস কৰিব পাৰে।

(৬) শিক্ষাৰ্থীসকলৰ মনত থকা বৌদ্ধিক আৰু কাযিক শ্ৰমৰ ভিন্ন ভাব ই গুচাব পাৰে।

(৭) কৰ্ম-অভিজ্ঞতা বিষযে ছাত্ৰ-ছাত্ৰীসকলক কৰ্মজগতলৈ লৈ গৈ তেওঁলোকক দেশৰ জাতীয় উৎপাদন বৃদ্ধিৰ আহিলা স্বৰূপ কৰি তুলিব পাৰে।

(৮) সমাজৰ মাজত থকা ভিন্নতা আৰু বৈষম্যভাব গুচাই শ্ৰমৰ মৰ্য্যাদা ভাবৰ যোগেদি ই সামাজিক আৰু জাতীয় ঐক্য ভাব গঢ় দি তুলিব পাৰে।

(৯) কৰ্ম-অভিজ্ঞতাই ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ আজৰি সময়ৰ সাৰ্থক প্ৰয়োগৰ শিক্ষাও দিব পাৰে।

(১০) ই শিক্ষাৰ্থীৰ মনত জ্ঞান আহৰণৰ প্ৰকৃত আনন্দ আৰু তৃপ্তি দিব পাৰে।

আমাৰ জাতীয় শিক্ষাত কৰ্ম-অভিজ্ঞতা ধাৰণাৰ ক্ৰমবিকাশ (Development of the concept of work-experience in our national system of education):

ভাৰতীয় শিক্ষাত মহাত্মা গান্ধীয়ে তেওঁৰ বুনিয়াদী শিক্ষাৰে কৰ্মমুখী শিক্ষাৰ ধাৰণা সৰ্বপ্ৰথমে প্ৰদান কৰে। তেওঁৰ এই শিক্ষাক 'নই তালিম' বা 'নতুন শিক্ষা' বুলিও কোৱা হৈছিল এই বাবেই যে

ইয়াৰ যোগেদি ভাৰতীয় সাংস্কৃতিক আৰু অৰ্থ নৈতিক জীৱনৰ লগত খাপ খোৱাকৈ শিক্ষাৰ এক শক্তিশালী পটভূমি তেওঁ ৰচনা কৰিছিল। হস্ত শিল্পক কেৱল মাথোন উৎপাদনমুখিতাৰ দৃষ্টি-কোণেৰেই তেওঁ বিবেচনা কৰা নাছিল। ইয়াৰ যোগেদি ছাত্ৰৰ বৌদ্ধিক তথা শৈক্ষিক বিকাশৰ সম্ভাৱনীয়তাও তেওঁ দেখা পাইছিল। সেয়েহে তেওঁ মত প্ৰকাশ কৰিছিল যে তেওঁৰ শিক্ষা নিৰ্দেশনাৰ মূল উদ্দেশ্য আছিল এয়ে যে হস্ত শিল্পসমূহক কেৱল উৎপাদনমূলক ক্ৰিয়াৰ উদ্দেশ্যেৰেই শিকাব নালাগে, ছাত্ৰৰ বুদ্ধি বৃত্তিৰ বিকাশৰ বাবেও প্ৰয়োগ কৰিব লাগে। ("The core of my suggestion is that handicrafts are to be taught not merely for the production work but for developing the intellect of the pupils.") সেয়েহে কব পাৰি যে হস্ত শিল্পৰ ক্ৰিয়া অথবা হাতৰ কাম অথবা কৰ্ম-অভিজ্ঞতাৰ শৈক্ষিক তাৎপৰ্য্য ভাৰতীয় শিক্ষাত গান্ধীজীয়েই ভালদৰে অনুভৱ কৰে। ইয়াৰ কাৰ্য্যকৰী-কৰণৰ বাস্তৱ শিক্ষাব্যৱস্থাও তেওঁৰ শিল্পকেন্দ্ৰিক শিক্ষাৰ যোগেদি দাঙি ধৰে। এই সম্বন্ধে পূৰ্বৰ অধ্যায়ত আলোচনা কৰি অহা হৈছে। ছাত্ৰসকলে ইয়াত সূতা কটা আৰু কাপোৰ বোৱা শিল্প কাৰ্য্যৰ যোগেদি স্কুলৰ সকলোবোৰ বিষয় সহ সম্বন্ধ নীতিৰে শিকিব লগা হৈছিল। স্কুলৰ তত্ত্বপ্ৰধান বিষয়সমূহো হস্ত শিল্পৰ যোগেদি ক্ৰিয়া-ত্মক অভিজ্ঞতাৰে শিক্ষা লাভ কৰিছিল। দিনে তিনি ঘণ্টাকৈ ছাত্ৰ-সকলে নিজ হাতেৰে স্কুলত কাম কৰিব লগা হৈছিল। অৱশ্যে গান্ধীজীৰ এই কৰ্মকেন্দ্ৰিক শিক্ষাৰ আঁচনিয়ে আমাৰ দেশত কৃত-কাৰ্য্যতা লাভ কৰি উঠিব নোৱাৰিলে।

বৰ্তমান সময়ত শিক্ষাৰ প্ৰায়োগিক দিশৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি কোঠাৰী আয়োগে ১৯৬৬ চনত কৰ্ম-অভিজ্ঞতাৰ নতুন ধাৰণা আমাক প্ৰদান কৰে। ইয়াক গান্ধীজীৰ শিল্পকেন্দ্ৰিক শিক্ষা-

যেই এক সংশোধিত আৰু সমন্বয় প্ৰয়োজনভিত্তিক নতুন নামকৰণ বুলিব পাৰি। ইয়াৰ যোগেদি শিক্ষাক কৰ্মমুখী কৰি তোলাৰ ধাৰণা ছাত্ৰসকলক দিবলৈ চেষ্টা কৰা হয়। আয়োগে এই উদ্দেশ্যে পৰামৰ্শ দিয়ে যে স্কুলীয়া শিক্ষাৰ সকলো পৰ্য্যায়তে কৰ্ম-অভিজ্ঞতা শিক্ষাৰ এক অপৰিহাৰ্য্য অংগ স্বৰূপে অন্তৰ্ভুক্ত কৰিব লাগে। আয়োগে কৰ্ম-অভিজ্ঞতা বিষয় অন্তৰ্ভুক্ত কৰাৰ প্ৰধান উদ্দেশ্য কেইটা নিম্ন-লিখিতভাবে আঙুলিয়াই দিয়ে।

(১) ক্ৰিয়াৰ বাবে উপযুক্ত মনোভাব গঢ় দি তোলা।
(২) শ্ৰমৰ মৰ্য্যাদা দান কৰা।
(৩) শ্ৰেণী আৰু জাতি বৈষম্য আঁতৰ কৰা।
(৪) শিক্ষাত উৎপাদনমুখিতাৰ ওপৰত অধিক গুৰুত্ব দিয়া।
(৫) কোনো এক লাভজনক বৃত্তিৰ প্ৰতি থকা ছাত্ৰৰ অন্তৰ্নিহিত যোগ্যতা চিনাক্তকৰণ কৰা।

সেই অনুক্ৰমে ১০+২ নতুন শিক্ষা পৰ্য্যায়কৰণ আঁচনিত কৰ্ম-অভিজ্ঞতা বিষয় প্ৰৱৰ্তন কৰা হয়। অৱশ্যে ইয়াৰ প্ৰয়োগ পদ্ধতি দোষমুক্ত হৈ উঠিব নোৱাৰা বাবে প্ৰাপ্ত ফলাফল বিশেষ উৎসাহজনক বুলি কব নোৱাৰি। কৰ্ম-অভিজ্ঞতা বিষয়টো স্কুলীয়া পাঠ্যক্ৰমৰ আন আন বিষয়ৰ লগত কোনো সম্বন্ধ স্থাপন কৰা নহ'ল। ছাত্ৰ-ছাত্ৰীসকলৰ ব্যক্তিগত জীৱনৰ লগত তথা তেওঁলোকৰ সামাজিক আৰু সাম্প্ৰদায়িক জীৱনৰ ক্ৰিয়া কলাপৰ লগতো এই অভিজ্ঞতাৰ কোনো সম্বন্ধ স্থাপন কৰা নহ'ল। ইয়াৰ উপৰি এই কৰ্ম-অভিজ্ঞতা এক বাধ্যতামূলক বিষয় স্বৰূপে পৰীক্ষাৰ মূল্যায়নৰ ক্ষেত্ৰত যথেষ্ট বেমেজালিয়ে দেখা দিয়ে। মূল্যায়নৰ বৈধতা আৰু নিৰ্ভৰযোগ্যতা সম্বন্ধে বিভিন্ন মতপাৰ্থক্য আৰু সমালোচনাৰ সৃষ্টি হয়। মূল্যায়নৰ ক্ষেত্ৰত স্বজন প্ৰীতি আৰু আক্ৰোশমূলক পদ্ধতি অৱলম্বনৰ অভিযোগ তোলা হয়। ইয়াৰ ফলস্বৰূপে ছাত্ৰ আৰু শিক্ষকসকলৰ মাজত এই বিষয়ৰ শিক্ষা অভিজ্ঞতাৰ আদান-প্ৰদানৰ ক্ষেত্ৰত কৃত্ৰিমতাৰ ভাব

দেখা দিয়ে। এনে এক অৱস্থাই ছাত্ৰসকলৰ মনত কৰ্ম-অভিজ্ঞতা বিষয়ৰ প্ৰকৃত মূল্যবোধ জগাই তোলাত বাধাৰ সৃষ্টি কৰে।

ইয়াৰ পৰিণতি স্বৰূপেই কৰ্ম-অভিজ্ঞতাৰ ধাৰণা সংশোধন কৰিবৰ বাবে আৰু ১০ বছৰীয়া স্কুলীয়া পাঠ্যক্ৰমৰ সংস্কাৰ সাধনৰ বাবে পুনৰীক্ষণ কমিটি (Review Committee) বা ঈশ্বৰ ভাই পেটেল কমিটি ১৯৭৭ চনত গঠন কৰা হয়। কৰ্ম-অভিজ্ঞতাৰ ধাৰণাক অৰ্থ-পূৰ্ণ কৰি তুলিবৰ বাবে "সামাজিকভাবে উপযোগী উৎপাদনমূলক ক্ৰিয়া" স্বৰূপে নতুন নামকৰণ কৰে। এই কমিটিয়ে পৰামৰ্শ দিয়ে যে সমাজৰ উপযোগী এই উৎপাদনমূলক ক্ৰিয়াসমূহ স্কুলৰ সকলো পৰ্য্যায়তে পাঠ্যক্ৰমত কেন্দ্ৰস্থভাবে স্থান লাভ কৰিব লাগে। স্কুলৰ শৈক্ষিক বিষয়সমূহ যিমানদূৰ সম্ভৱ ইয়াৰ লগত সংযোগ স্থাপন কৰিব লাগে। কমিটিয়ে কৰা এই নতুন নামকৰণৰ মূল উদ্দেশ্য হৈছে পাঠ্যক্ৰমৰ বিষয়সমূহক ছাত্ৰৰ ব্যৱহাৰিক জীৱনৰ ক্ৰিয়াৰ লগত সম্বন্ধযুক্ত কৰি তোলা আৰু সামাজিক জীৱনৰ বিকাশৰ বাবে ইয়াক অৰ্থপূৰ্ণ আৰু উপযোগী কৰি তোলা।

ক্ৰিয়াৰ এই অভিজ্ঞতাক যি নামকেই দিয়া নহওক কিয় ইয়াৰ মূল ধাৰণা হৈছে আমাৰ জ্ঞান অভিজ্ঞতাক জীৱনৰ বাস্তৱ আৰু ব্যৱহাৰিক অভিজ্ঞতাৰ ওচৰ চপাই অনা। বৰ্তমানৰ শিক্ষা ক্ৰিয়া বিমুখ আৰু বৌদ্ধিক চিন্তাযুক্ত হোৱা কাৰ্য্যৰ বিপৰীতে ই এক নতুন প্ৰত্যাহ্বান স্বৰূপ। সময়ৰ পৰিৱৰ্ত্তনে সৃষ্টি কৰা নতুন নতুন প্ৰয়োজনে এই দৃষ্টিভংগীৰ সংশোধন আনিব পাৰে। কিন্তু কৰ্ম-অভিজ্ঞতাৰ মৌলিক ধাৰণা কেতিয়াও ভুল প্ৰমাণিত হব নোৱাৰে। বৰং ই আগতকৈও অধিক তাৎপৰ্য্যপূৰ্ণ ভাবেহে ধৰা দিছে।

কৰ্ম-অভিজ্ঞতাৰ বিষয়বস্তু (Subject matter of work experience):

কৰ্ম-অভিজ্ঞতা হৈছে আমাৰ ব্যৱহাৰিক জীৱনৰ ব্যাপক পৰিসৰৰ অভিজ্ঞতা। এই অভিজ্ঞতাবোৰৰ নামৰ এখন দীঘল তালিকা

প্ৰদান কৰিব পাৰি। অৱশ্যে এই সকলোবোৰ অভিজ্ঞতাই স্কুলৰ সকলো পৰ্য্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে সমানে উপযোগী হৈ উঠিব নোৱাৰে। কামৰ ধৰণ, তাৰ কঠিনতাৰ পৰ্য্যায়, ছাত্ৰ-ছাত্ৰীসকলৰ আগ্ৰহ, অভিৰুচি আৰু ভৱিষ্যত জীৱনৰ বাবে তাৰ শৈক্ষিক তাৎপৰ্য্য আদিৰ প্ৰতি লক্ষ্য ৰাখি কৰ্ম-অভিজ্ঞতাৰ বিষয়সমূহ নিৰ্বাচন কৰিব লাগে। ইয়াৰ উপৰি বিষয়সমূহ প্ৰশিক্ষণৰ বাবে প্ৰয়োজন হোৱা কেঁচা সামগ্ৰীসমূহ স্থানীয় ভাবে পাব পৰা আৰু এই ক্ষেত্ৰত হব পৰা আৰ্থিক ব্যয় আদিৰ প্ৰতিও দৃষ্টি ৰাখিব লাগে। মুঠতে কব পাৰি যে যেনে পৰিস্থিতিত যি যি ক্ৰিয়াত্মক বিষয়ৰ শিক্ষা অভিজ্ঞতা অধিক তাৎপৰ্য্যাপূৰ্ণ আৰু অৰ্থপূৰ্ণ তেনেবোৰ বিষয়কেই ইয়াৰ বাবে নিৰ্বাচন কৰিব লাগে। এই প্ৰসংগত কোঠাৰী আয়োগে দিয়া পৰামৰ্শৰ ভিত্তিত স্কুলৰ বিভিন্ন পৰ্য্যায়ৰ বাবে কৰ্ম-অভিজ্ঞতাৰ বিশিষ্ট উদ্দেশ্য আৰু তাৰ সংশ্লিষ্ট বিষয়বস্তুৰ নাম তলত উল্লেখ কৰা হৈছে।

প্ৰাথমিক স্কুলৰ পৰ্য্যায় :—

এই পৰ্য্যায়ত কৰ্ম-অভিজ্ঞতাৰ উদ্দেশ্য হৈছে ছাত্ৰ-ছাত্ৰীসকলক এনে অভিজ্ঞতাৰ লগত পৰিচয় কৰাই দিয়া আৰু সহজ সৰল ক্ৰিয়াৰ যোগেদি নিজ-হাত ভুখনৰ প্ৰয়োগৰ আনন্দ দিয়া। অৰ্থনৈতিক উৎপাদন এই পৰ্য্যায়ৰ ক্ৰিয়াৰ উদ্দেশ্য হোৱা অনুচিত। ইয়াৰ উপযুক্ত ক্ৰিয়া বিষয়সমূহ হৈছে—কাগজ কটা আৰু কাগজৰ বস্তু সজা, মাটিৰ বস্তু সজা, বেজিৰ কাম কৰা, গছ-পুলি ৰোৱা ফুলৰ বাগান আৰু শাক-পাচলিৰ বাগানৰ যত্ন লোৱা, টাবত ফুল গছ ৰোৱা, সূতা কটা কাম কৰা, স্কুলৰ চৌহদ আৰু শ্ৰেণীকক্ষ পৰিষ্কাৰ কৰি ৰখা ইত্যাদি।

মজলীয়া স্কুলৰ পৰ্য্যায় :—

এই পৰ্য্যায়ৰ অভিজ্ঞতাৰ যোগেদি ছাত্ৰ-ছাত্ৰী সকলক উৎপাদনৰ প্ৰতি সচেতন আৰু তাৰ প্ৰয়োজনীয় প্ৰস্তুতি ভাব মনলৈ আনি

দিব লাগে। ইযাৰ অন্তৰ্ভুক্ত কৰিব পৰা ক্ৰিয়া বিষয়সমূহ হৈছে—বাঁহ-বেতৰ কাম কৰা, মাটিৰ বিভিন্ন বস্তু আৰু পাত্ৰ সজা, চামৰাৰ কাম কৰা, ফুলনি আৰু শাক-পাচলিৰ বাগান পৰিচালনা কৰা, উলৰ কাম আৰু বেজিৰ কাম কৰা, ফুল সজোৱা আৰু নক্সা সজোৱা, সূতা কটা আৰু তাঁত বোৱা, স্কুলৰ চৌহদত আৰু আন ৰাজহুৱা স্থানত বৃক্ষৰোপন কৰা ইত্যাদি।

মাধ্যমিক স্কুলৰ পৰ্য্যায় :—

এই পৰ্য্যাযত ছাত্ৰ-ছাত্ৰীসকলক কৰ্মশালাৰ যোগেদি প্ৰণালী-বদ্ধ ভাবে উৎপাদনমূলক ক্ৰিযাৰ শিক্ষা দিব লাগে। তেওঁলোকে ইযাৰ বাবে যাতে সীমিত পৰিসৰৰ প্ৰযোজনীয় দক্ষতাও আহৰণ কৰিব পাৰে তাৰ প্ৰতিও দৃষ্টি ৰাখিব লাগে। ইযাৰ অন্তৰ্ভুক্ত কৰিব পৰা ক্ৰিযা বিষযসমূহ হৈছে—বাঁহ-বেতৰ পৰা পাচি-খৰাহী আৰু আন আন আকৰ্ষণীয বস্তু সজা, কাঠৰ কাম কৰা, চামৰাৰ বস্তু উৎপাদন কৰা, মৰাপাটৰ বস্তু সজা, মাটিৰ পাত্ৰ আৰু পুতলা নিৰ্মাণ কৰা, বিবিধ পেলনীযা বস্তু সংগ্ৰহ কৰি আকৰ্ষণীয় বস্তু সজা, চাবোন তৈযাৰ কৰা, সূতা কটা আৰু কাপোৰ বোৱা, কাপোৰৰ ৰং দিযা আৰু চাব মৰা, বন্ধন প্ৰণালী শিকা, বৈদ্যু-তিক যন্ত্ৰপাতিৰ মেৰামতি কাম কৰা আৰু বৈজ্ঞানিক ক্ষুদ্ৰ আহিলা-পাতি নিৰ্মাণ কৰা, ফলমূল সংৰক্ষণ কৰা, কাৰ্পেট সজা, নক্সা সজোৱা, কিতাপ বান্ধোৱা, কাৰখানাৰ কাম কৰা, শস্যৰ যন্ত্ৰ লোৱা, পশু-পালন কৰা ইত্যাদি।

উচ্চতৰ মাধ্যমিক পৰ্য্যায় :—

এই পৰ্য্যাযৰ কৰ্ম-অভিজ্ঞতা উৎপাদনমুখী স্বৰূপে গঢ় দি তুলিব লাগে। কৰ্মশালা, কাৰখানা আদিৰ বাস্তৱ পৰিস্থিতিৰ যোগে প্ৰত্যক্ষ ক্ৰিয়া অভিজ্ঞতা দিয়াৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰ বাবে মাধ্যমিক পৰ্য্যায়ত উল্লেখ কৰা ক্ৰিয়া বিষয়সমূহকেই

প্রয়োজন সাপেক্ষে অধিক উদ্দেশ্য প্রণোদিত ভাবে আৰু উৎপাদনশীলতাৰ মনোভাবেৰে কাৰ্য্যকৰী কৰি তুলিব পাৰি।

উল্লেখযোগ্য যে কোঠাৰী আযোগে কর্ম-অভিজ্ঞতাৰ সংজ্ঞা প্রদানৰ ক্ষেত্ৰতেই উল্লেখ কৰিছে যে এই অভিজ্ঞতাসমূহ হৈছে ব্যাপক পৰিসৰৰ। ই গৃহ, স্কুল, কৰ্মশালা, ফাৰ্ম, ফেক্টৰি আদিৰ সকলো উৎপাদনমূলক ক্রিযাকেই সামৰি লৈছে। সেইবাবে এনেবোৰ উৎপাদনমূলক ক্রিযাৰ অভিজ্ঞতা ছাত্ৰসকলক সার্থকভাবে প্রদান কৰিবৰ বাবে এই বিভিন্ন কর্মক্ষেত্ৰৰ সহযোগিতা আৰু সমন্বযৰো বিশেষ প্রযোজন। এই বিভিন্ন ক্ষেত্ৰত সমন্বয সাধনেৰে কর্ম-অভি-জ্ঞতা বিষযৰ উদ্দেশ্য পূৰণত শিক্ষকসকলৰ ভূমিকাও কম গুৰুত্বপূর্ণ নহয।

ইয়াৰ কেতবোৰ দুৰ্বলতা (Some of its weak points) :

কর্ম-অভিজ্ঞতা বিষয স্কুলত কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত বিভিন্ন অসুবিধাই দেখা দিযে। শিক্ষাৰ প্ৰতিটো নতুন নীতি আৰু পদ্ধতি আমাৰ প্রচলিত ব্যৱস্থাত খাপ খুৱাই লওঁতে স্বাভাৱিকতেই কেতবোৰ অসুবিধাই দেখা দিযে। কর্ম-অভিজ্ঞতা ব্যৱস্থাও ইযাৰ ব্যতিক্রম নহয। তদুপৰি এই ব্যৱস্থাৰ সাংগঠনিক আৰু ইযাৰ প্রায়োগিক ক্ষেত্ৰত কেতবোৰ বিশেষ দুৰ্বলতা থকাটোও মন কৰিবলগীযা। বৰ্ত্তমান ইযাৰ কাৰ্য্যকৰীকৰণৰ যোগেদি এনেবোৰ দুৰ্বলতা আমাৰ দৃষ্টিগোচৰ হৈছে। এই ক্ষেত্ৰত নিম্নলিখিত দুৰ্বলতাসমূহ আমাৰ বিবেচনা যোগ্য।

(১) সকলো শিক্ষানুষ্ঠানতে একে মানদণ্ড ৰক্ষা কৰি কর্ম-অভি-জ্ঞতাৰ আঁচনি প্রস্তুত কৰাটো কঠিন। ভিন ভিন স্কুলে তেওঁলোকৰ প্রযোজন আৰু সুবিধা অসুবিধা অনুযায়ী বিভিন্ন কাৰ্য্যসূচী গ্রহণ কৰিব পাৰে। সেই হেতুকে একে মানদণ্ডৰ শিক্ষাদান আৰু তাৰ মূল্যায়ন কৰাটো সম্ভৱ নহয়।

(২) ছাত্ৰ-ছাত্ৰীসকলে আৰু শিক্ষকসকলে প্ৰয়োগ কৰিবৰ বাবে তেনে কোনো মানদণ্ডৰ পাঠ্যপুথি কৰ্ম-অভিজ্ঞতা বিষয়ত পাব পৰা নাযায়। স্কুল কৰ্তৃপক্ষই এই বিষয় শিকাবৰ বাবে তেওঁলোকৰ নিজৰ দায়িত্বতেই ইয়াৰ প্ৰয়োজনীয় শিক্ষা নিৰ্দেশনাৰ আঁচনি গ্ৰহণ কৰিব লগা হয়।

(৩) এই আঁচনিৰ কাৰ্য্যকাৰিতা আৰু ইয়াৰ সফলতা যাইকৈ নিৰ্ভৰ কৰে প্ৰশিক্ষণপ্ৰাপ্ত, অভিজ্ঞ আৰু কৰ্মৰ প্ৰতি আগ্ৰহী শিক্ষকসকলৰ ওপৰত। কিন্তু এই ক্ষেত্ৰত শিক্ষক প্ৰশিক্ষণৰ কোনো ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। সেইবাবে প্ৰশিক্ষণ নোলোৱা শিক্ষকৰ হাতত এই বিষয়ৰ শিক্ষা খেলি-মেলি হোৱাটো স্বাভাৱিক।

(৪) কৰ্ম-অভিজ্ঞতা আঁচনিৰ কৃতকাৰ্য্যতা বহু পৰিমাণে নিৰ্ভৰ কৰে এই বিষয়ৰ শিক্ষা নিৰ্দেশনাৰ বাবে প্ৰদান কৰা স্কুলৰ বৈষয়িক সা-সুবিধাৰ ওপৰত। এই বিষয়ৰ শিক্ষা আকৰ্ষণীয় কৰি তুলিবলৈ আৰু ছাত্ৰসকলৰ মনত প্ৰমোদন জগাই তুলিবলৈ স্কুলৰ এক অনুকূল পৰিবেশৰ প্ৰয়োজন। কিন্তু আৰ্থিক স্বচ্ছলতাৰ অবিহনে ই সম্ভৱ হৈ উঠিব হোৱাবে।

(৫) কৰ্ম-অভিজ্ঞতা বিষয়ে ছাত্ৰ-ছাত্ৰীসকলৰ মনত পৰীক্ষাৰ মূল্যায়ন সম্বন্ধে এক অসুস্থ প্ৰতিযোগিতাৰ মনোভাব জগাই তুলিছে। এই বিষয়ৰ অনিয়ন্ত্ৰিত মূল্যায়নে ছাত্ৰ-শিক্ষক আৰু অভিভাৱকসকলৰ মনত এক অনাস্থাৰ ভাব জগাই তুলিছে। ইয়াৰ ফলত কৰ্ম-অভিজ্ঞতাৰ মূল উদ্দেশ্যই ব্যৰ্থ হৈ পৰিছে।

(৬) কৰ্ম-অভিজ্ঞতা বিষয় পাঠ্যক্ৰমৰ আন আন বিষয়ৰ লগত সংযোগ সাধন কৰা হোৱা নাই। ছাত্ৰৰ ব্যক্তিগত আৰু সামাজিক জীৱনৰ ক্ৰিয়া অভিজ্ঞতাৰ লগতো এই বিষয়ৰ

সম্বন্ধ স্থাপন কৰা হোৱা নাই। ফলত তেওঁলোকে ইয়াৰ প্ৰকৃত তাৎপৰ্য্য বুজি উঠিব নোৱাৰা হেতুকে ইয়াৰ প্ৰতি তেওঁলোকৰ মনত এক কৃত্ৰিমতাৰ ভাব গঢ়ি উঠিছে।

কৰ্ম-অভিজ্ঞতা কাৰ্য্যকৰীকৰণৰ ক্ষেত্ৰত পৰামৰ্শ (Suggestions for implementation of work-experience) :

কৰ্ম-অভিজ্ঞতা আমাৰ স্কুলীয়া শিক্ষাত এক বাধ্যতামূলক বিষয় স্বৰূপে কাৰ্য্যকৰীকৰণৰ বাবে গোটেই বিষয়টো পুনৰ বিবেচনাৰ প্ৰয়োজন। এই প্ৰসংগত নিম্নলিখিত পৰামৰ্শসমূহ আগবঢ়াব পাৰি।

(১) প্ৰাথমিক স্কুলৰ নিম্ন পৰ্য্যায়ত কৰ্ম-অভিজ্ঞতা বিষয়টো সাধাৰণ হাতৰ কাম স্বৰূপে প্ৰযোগ কৰিব পাৰি।

(২) ওপৰৰ শ্ৰেণীসমূহত হস্ত শিল্পৰ বিষয় প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব পাৰি। ইযাৰ যোগেদি ছাত্ৰসকলক কিছু কাৰিকৰী বিষযৰো জ্ঞান দিব পাৰি।

(৩) কৰ্ম-অভিজ্ঞতাৰ পৰিসৰ বহল কৰি তুলিব লাগে। স্থানীয সা-সঁজুলি কেঁচা সামগ্ৰী আৰু প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ সুবিধা অনুযাযী ইযাৰ প্ৰযোগ কৰিব লাগে।

(৪) কৰ্ম-অভিজ্ঞতা বিষযৰ মূল্যায়ন নম্বৰৰ মাধ্যমেৰে কৰাৰ পৰিবৰ্তে পৰ্যাযকৰণ ব্যৱস্থাৰ (system of gradation) যোগেদি কৰিব লাগে। ছাত্ৰৰ পৰীক্ষাত উত্তীৰ্ণৰ বাবে ই অত্যাৱশ্যকীয বুলি বিবেচিত হব নালাগে।

(৫) কৰ্ম-অভিজ্ঞতাৰ বিষয়-শিক্ষকক ইয়াৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগে।

(৬) এই আঁচনিৰ সফলতা নিৰ্ভৰ কৰে স্কুলত গঢ়ি তোলা প্ৰযোজনীয় পৰিবেশৰ ওপৰত। সেইবাবে প্ৰতিখন স্কুলতে বৈষযিক পৰিবেশ উন্নত কৰি ছাত্ৰসকলক আকৰ্ষিত কৰিব লাগে।

(৭) শিক্ষা কৰ্তৃপক্ষই এই কথাৰ প্ৰতি চকু দিব লাগে যাতে ইয়াৰ কাৰ্য্যকাৰিতাৰ বাবে অৰ্থৰ অভাৱ সমস্যা হৈ নুঠে।

সামাজিকভাবে উপযোগী উৎপাদনমূলক ক্ৰিয়া : ইয়াৰ ঐতিহাসিক পটভূমি (Socially Useful Productive Work : its historical background) **:**

১৯৬৬ চনৰ কোঠাৰি আয়োগৰ পৰামৰ্শৰ ভিত্তিত ১৯৬৮ চনত ভাৰত চৰকাৰে নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি ঘোষণা কৰে। জাতীয় শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ সংস্থাই (National Council of Educational Research and Training or NCERT) ইতিমধ্যে ১০+২ স্কুলীয়া শিক্ষা পৰ্য্যায়ৰ নতুন পাঠ্যক্ৰম ব্যৱস্থা প্ৰস্তুত কৰে। ইয়াৰ ওপৰত সমগ্ৰ দেশ জুৰি এই নতুন শিক্ষা ব্যৱস্থা সম্বন্ধে সমালোচনাৰ সৃষ্টি হয়। বিশেষকৈ নৱম আৰু দশম শ্ৰেণীৰ বাবে প্ৰস্তুত কৰা পাঠ্যক্ৰম আৰু কৰ্ম-অভিজ্ঞতা বিষয়টোৰ সম্বন্ধে ছাত্ৰ-শিক্ষক-অভিভাবকসকলৰ মনত কেতবোৰ খেলিমেলি ভাবৰ সৃষ্টি হয়।

ইতিমধ্যে ১৯৭৭ চনৰ মাৰ্চত কেন্দ্ৰত জনতা চৰকাৰ গঠিত হয়। এই চৰকাৰৰ শিক্ষামন্ত্ৰীয়ে গুজৰাট বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ডঃ ঈশ্বৰ ভাই পেটেলৰ অধ্যক্ষতাত শিক্ষাৰ এখন পুনৰীক্ষণ কমিটি (Review Committee) গঠন কৰে। এই প্ৰসংগত চৰকাৰক প্ৰয়োজনীয় পৰামৰ্শ দিবৰ বাবে এই কমিটিৰ ওপৰত দায়িত্ব দিয়া হয়। কমিটিয়ে মুঠ চাৰিটা অধ্যায়ত নিজ প্ৰতিবেদন দাখিল কৰে। ইয়াৰ ভিতৰত 'সামাজিকভাবে উপযোগী উৎপাদনমূলক ক্ৰিয়া' (SUPW) অধ্যায় বিশেষ তাৎপৰ্য্যপূৰ্ণ। কোঠাৰি আয়োগে আগবঢ়োৱা 'কৰ্ম-অভিজ্ঞতা' ধাৰণাৰ ওপৰত ঈশ্বৰ ভাই পেটেলক মিটিয়ে অনা সংশোধন আৰু এই সম্বন্ধীয় চিন্তাৰ নতুনতা আমাৰ বাবে বিশেষ মন কৰিবলগীয়া। বৰ্ত্তমান এই SUPW বিষয়ে শিক্ষাবিদ আৰু সৰ্বসাধাৰণ লোকৰ দৃষ্টি আকৰ্ষণ কৰিছে।

S U P W ৰ মূল ধাৰণা (Basic concept of S U P W) :

ঈশ্বৰ ভাই পেটেল কমিটিয়ে ১০ বছৰীয়া স্কুলীয়া শিক্ষাৰ পাঠ্যক্রমত সামাজিকভাবে উপযোগী উৎপাদনমূলক ক্রিয়াৰ বিশেষ ভাবে অন্তৰ্ভুক্ত কৰে। +২ শিক্ষা পৰ্য্যায়ত ইয়াক সাধাৰণ শিক্ষাৰ (General Education Spectrum) অংশ স্বৰূপেও অন্তৰ্ভুক্ত কৰা হয়। ইয়াৰ প্ৰধান উদ্দেশ্য হৈছে শিক্ষাক কৰ্মমুখী কৰি তোলা আৰু পাঠ্যক্রমৰ বিষয়সমূহক সমাজ বা সম্প্ৰদায়ৰ ওচৰ চপাই নিয়া। কমিটিয়ে পৰামৰ্শ দিয়ে যে S U P W বিষয়টো স্কুলৰ সকলো পৰ্য্যায়ৰ পাঠ্যক্রমতে কেন্দ্ৰস্থ বিষয় স্বৰূপে গণ্য কৰিব লাগে আৰু পাঠ্যক্রমত থকা আন আন বিষয়ৰ লগত যথাসম্ভৱ সম্বন্ধ স্থাপন কৰিব লাগে। কমিটিয়ে পূৰ্বৰ 'কৰ্ম-অভিজ্ঞতা'ৰ ঠাইত 'সামাজিক ভাবে উপযোগী উৎপাদনমূলক ক্রিয়া' নামকৰণ কৰাৰ উদ্দেশ্য কেৱল ইয়াৰ অৰ্থ অধিক স্পষ্ট কৰি তোলাটোৱেই নহয়, বৰং শিক্ষাৰ কাৰ্য্যকৰী আৰু সামাজিক জীৱনৰ ব্যৱহাৰিক দিশটোৰ প্ৰতি আমাৰ দৃষ্টি আকৰ্ষণ কৰাটোহে ইয়াৰ মুখ্য উদ্দেশ্য। ঈশ্বৰ ভাই পেটেল কমিটিয়ে SUPWৰ সংজ্ঞা দি কয় যে সামাজিকভাৱে উপযোগী উৎপাদনমূলক ক্রিয়াক এবিধ উদ্দেশ্য প্ৰণোদিত আৰু অৰ্থপূৰ্ণ হাতৰ কাম বুলিব পাৰি যাৰ যোগেদি কোনো বস্তু আকাৰে অথবা সেৱা আকাৰে সমাজ আৰু সম্প্ৰদায়ৰ উপযোগী হৈ উঠিব পাৰে। (Socially Useful Productive Work may be described as purposive, meaningful manual work resulting in either goods or services which are useful to the community.)* কমিটিৰ মতে উদ্দেশ্য প্ৰণোদিত আৰু উৎপাদনমূলক ক্রিয়াই এহাতে ছাত্ৰৰ আৰু আন হাতে সমাজৰ প্ৰয়োজন পূৰণ কৰি শিক্ষা অৰ্থপূৰ্ণ কৰি তুলিব পাৰে। সেইবাবে এনে কাৰ্য্যক

* *S. K Kochhor · Pivotal Issues in Indian Education. Page 148. First Edition, Reprint 1984.*

যন্ত্ৰচালিত ভাৱে সম্পাদন কৰাৰ পৰিবৰ্তে ক্ৰিয়াৰ প্ৰতিটো পৰ্য্যায়তে উপযুক্ত পৰিকল্পনা, বিশ্লেষণ আৰু ব্যাপক প্ৰস্তুত কাৰ্য্য চলাব লাগে।

কৰ্ম-অভিজ্ঞতাৰ ধাৰণা সলনি কৰি এই নতুন নাম প্ৰদান কৰাৰ তাৎপৰ্য্য এয়ে যে পাঠ্যক্ৰমৰ বিষয়সমূহক ছাত্ৰ-ছাত্ৰীসকলৰ ব্যক্তিগত জীৱন আৰু সামাজিক ক্ৰিয়া কলাপলৈ সম্প্ৰসাৰিত কৰা। পাঠ্যক্ৰমৰ বিষয়সমূহ সামাজিক আৰু সাম্প্ৰদায়িক জীৱনৰ পৰা বিচ্ছিন্ন অথবা সম্বন্ধহীন হৈ থাকিব নালাগে। এই সমূহ অধিক অৰ্থপূৰ্ণ আৰু প্ৰয়োজনীয় কৰি তুলিবৰ বাবে সামাজিক ক্ৰিয়া অভিজ্ঞতাৰ ভিত্তি স্বৰূপে গঢ় দি তুলিব লাগে। প্ৰকৃত অৰ্থত কবলৈ গ'লে গান্ধীজীৰ শিল্পকেন্দ্ৰিক শিক্ষাত পাঠ্য বিষয়সমূহ সূতা কটা আৰু কাপোৰ বোৱা হস্ত শিল্পৰ সহ-সম্বন্ধ স্থাপন কৰা নীতিকেই পৰোক্ষভাৱে এই SUPWৰ দ্বাৰা সমৰ্থন কৰা হৈছে। সেয়েহে কব পাৰি যে এই নতুন নামকৰণ গান্ধীজীৰ শিক্ষা-দৰ্শন আৰু ইয়াৰ নীতি পদ্ধতিৰ ওপৰত প্ৰতিষ্ঠিত।

কৰ্ম-অভিজ্ঞতা আৰু *SUPW*ৰ মাজত পাৰ্থক্য (Difference between work-experience and SUPW) :

এই কথা লক্ষ্য কৰিব পাৰি যে গান্ধীজীৰ শিল্পকেন্দ্ৰিক বুনিয়াদী শিক্ষাৰ মৌলিক ধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত কৰ্ম-অভিজ্ঞতা বিষয়ৰ প্ৰৱৰ্তনে আশানুৰূপ ফল লাভ কৰিব নোৱাৰিলে। ইয়াৰ প্ৰধান কাৰণ হৈছে স্কুলৰ পাঠ্য বিষয়সমূহৰ লগত কৰ্ম-অভিজ্ঞতা বিষয়ৰ কোনো সম্বন্ধ স্থাপনৰ চেষ্টা কৰা নহ'ল। পাঠ্যক্ৰমত এটা অতিৰিক্ত বিষয় স্বৰূপেই ছাত্ৰ-শিক্ষকসকলে ইয়াক গ্ৰহণ কৰিলে। আনহাতে সমাজ আৰু সম্প্ৰদায়ৰ প্ৰয়োজনীয় অভিজ্ঞতাৰ পৰাও ই বিচ্ছিন্ন হৈ থাকিল। সেইবাবে ছাত্ৰ-ছাত্ৰীসকলে কৰ্ম-অভিজ্ঞতাক তেওঁলোকৰ ব্যক্তিগত আৰু সামাজিক জীৱনৰ অপৰিহাৰ্য্য অংশ স্বৰূপে গ্ৰহণ কৰি উঠিব নোৱাৰিলে। এনে কাৰণতে গোটেই বিষয়টোকে কৃত্ৰিম

আৰু সংগতিবিহীনভাৱে গ্ৰহণ কৰা হ'ল। SUPWৰ নতুন ধাৰণাই কৰ্ম-অভিজ্ঞতাৰ এই দুৰ্বলতা গুচোৱাৰ প্ৰতি বিশেষ সচেতন হোৱা যেন অনুমান হয়। পেটেল কমিটিয়ে সেয়েহে মত প্ৰকাশ কৰি উঠে যে ইয়াৰ উদ্দেশ্য হৈছে ছাত্ৰ-ছাত্ৰীক স্কুলৰ শ্ৰেণীকক্ষৰ বাহিৰে-ভিতৰে সামাজিক আৰু অৰ্থনৈতিক ক্ৰিয়াত অংশ গ্ৰহণৰ সুবিধা দিয়া আৰু এই ক্ৰিয়া সমূহত নিহিত থকা বিজ্ঞানসম্মত নীতি আৰু পদ্ধতিসমূহৰ উপলব্ধি কৰাত সহায় কৰে। এনে ব্যাপক পৰিসৰৰ উপলব্ধি আমি কৰ্ম-অভিজ্ঞতা বিষযত পাব নোৱাৰো।

সামাজিকভাৱে উপযোগী উৎপাদনমূলক ক্ৰিয়াৰ লক্ষ্য উদ্দেশ্য (Aims and objectives of SUPW) ঃ

পেটেল কমিটিযে এই উৎপাদনমূলক ক্ৰিযাৰ নতুন চিন্তাধাৰাৰ অন্তৰ্নিহিত লক্ষ্য উদ্দেশ্যসমূহ নিম্নলিখিতভাৱে উল্লেখ কৰিব পাৰি।

(১) ছাত্ৰ-ছাত্ৰীসকলক ব্যক্তিগত ভাৱে আৰু সমূহীযা ভাবে দৈহিক ক্ৰিযা অনুশীলনৰ বাবে প্ৰস্তুত কৰি তুলিব লাগে।

(২) দৈহিক শ্ৰমৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ মনত সন্মানৰ ভাৱ গঢ়ি তুলিবলৈ আৰু সমাজ বা সম্প্ৰদাযৰ প্ৰতি সেৱাৰ মনোভাৱ গঢ়ি তুলিবলৈ চেষ্টা কৰিব লাগে।

(৩) সমাজৰ প্ৰযোজনীয সদস্য স্বৰূপে নিজকে গঢ়ি তোলাৰ মনোভাব বিকাশ কৰাত আৰু নিজ অৱদান সমাজৰ উন্নতিৰ বাবে আগ বঢোৱাত সহায কৰিব লাগে।

(৪) সমূহীয়া কামৰ বাবে মনোভাব গঢ দি তোলাত আৰু আত্ম-নিৰ্ভৰশীলতা, শ্ৰমৰ মৰ্য্যাদা, সহিষ্ণুতা, সহানুভূতি আদি সামাজিক গুণসমূহ বিকশাই তুলিব লাগে।

(৫) বিভিন্ন ধৰণৰ ক্ৰিয়াত জড়িত হৈ থকা ক্ৰিয়াৰ নীতিসমূহ বুজি উঠাত সহায কৰিব লাগে।

(৬) ছাত্ৰসকলে শিক্ষাৰ এটা স্তৰৰ পৰা আনটো স্তৰলৈ যাওঁতে

বিভিন্ন ধৰণৰ উৎপাদনমূলক ক্রিযাত অধিকভাবে অংশ গ্রহণ কৰিব পৰাকৈ প্রযোজনীয় প্রশিক্ষণ দিব লাগে।

(৭) তেওঁলোকে শিক্ষাগ্রহণ কালত উপাৰ্জন কৰিব পৰাকৈ সক্ষম কৰি তুলিব লাগে।

এনেবোৰ উদ্দেশ্যই এই কথা স্পষ্ট কৰি তোলে যে ব্যক্তিৰ কৰ্ম-অভিজ্ঞতাক সমাজমুখী আৰু সমাজৰ হিত সাধনকাৰী স্বৰূপে গঢ় দি তোলাটোৱেই হৈছে এই আঁচনিৰ মূল লক্ষ্য।

ইয়াৰ বিভিন্ন ক্রিয়া আঁচনি (Its activities and programmes) :

সামাজিকভাবে উপযোগী উৎপাদনমূলক ক্রিযাৰ ধাৰণা আমাৰ মনত অধিক স্পষ্ট কৰি তুলিবৰ বাবে ইযাৰ অন্তর্ভুক্ত বিভিন্ন ক্রিয়া আঁচনিৰ সম্বন্ধে জনাটো প্রযোজন। এই সমূহক ছটা বহল দিশত বিভক্ত কৰা হৈছে আৰু তাৰ যোগেদি গৃহ, স্কুল আৰু সমাজৰ সকলোবোৰ প্রযোজনীয় ক্রিযা অভিজ্ঞতাক সামৰি লোৱা হৈছে। এই ছটা দিশ হৈছে—

(১) স্বাস্থ্য আৰু স্বাস্থ্য বিজ্ঞান (health and hygiene)

(২) খাদ্য (food)

(৩) আশ্রয (shelter)

(৪) পিন্ধা-উৰা (clothing)

(৫) সংস্কৃতি আৰু বিনোদন (culture and recreation)

(৬) সামাজিক ক্রিযা আৰু সমাজ সেৱা (community work and social service)

ইয়াৰ প্রতিটো দিশৰে অন্তর্ভুক্ত ক্রিযা-কলাপসমূহ তলত উল্লেখ কৰা হৈছে।

(১) স্বাস্থ্য আৰু স্বাস্থ্য-বিজ্ঞান সম্বন্ধীয় :—ছাত্র-ছাত্রীৰ দৈহিক স্বাস্থ্য ৰক্ষাৰ বাবে প্রয়োজন হোৱা ক্রিয়া-কলাপসমূহক অগ্রাধিকাৰ দিয়া হৈছে। এই সমূহ হৈছে—দাঁত চাফা

কৰা পাউদাৰ, চাবোন আদি বনোৱা, সংক্ৰামক ৰোগ নিবোধৰ ব্যৱস্থা কৰা, ডাষ্টবিন আৰু অদৰকাৰী কাগজ পেলোৱা বাচকেট আৰু first aid box বনোৱা, স্বাস্থ্য ৰক্ষা সম্বন্ধীয় প'ষ্টাৰ আঁকা আৰু পুস্তিকা প্ৰস্তুত কৰা, স্বাস্থ্য ৰক্ষাৰ তথ্যপাতি সংগ্ৰহ কৰা, নিজ পৰিবেশ পৰিষ্কাৰ কৰি ৰখা আৰু স্বাস্থ্যকেন্দ্ৰত কাম কৰা আদি উল্লেখযোগ্য।

(২) খাদ্য সম্বন্ধীয় : খাদ্য শস্যৰ যোগান ধৰিব পৰা নিৰ্বাচিত বিধৰ শাক-পাচলিৰ খেতি কৰা, শস্যৰ গুটি সংগ্ৰহ কৰা, খেতিৰ বাবে মাটি আৰু গুটি পৰীক্ষা কৰা, সাৰ উৎপাদন কৰা, উদ্ভিদৰ প্ৰজনন আৰু এই সম্বন্ধীয় দিশৰ কাৰ্য্যকৰী অভিজ্ঞতা লাভ কৰা, জাম-জেলি-আচাৰ আদি প্ৰস্তুত কৰা, ফলৰ ৰস প্ৰস্তুত কৰা, মিঠাই-বিস্কুট-ৰুটি আদি প্ৰস্তুত কৰা, নিৰ্ধাৰিত সময়ৰ বাবে কেণ্টিনত শ্ৰম দান কৰা ইত্যাদি।

(৩) আশ্ৰয় সম্বন্ধীয় :—দৈনন্দিন জীৱনৰ প্ৰয়োজনীয় সা-সৰঞ্জাম প্ৰস্তুত কৰা, ঘৰত চূণ-তেল দিয়া, দুৱাৰ-খিৰিকী আৰু চকী-মেজ আদি পৰিষ্কাৰ কৰি ৰখা, বেতৰ চকী সজা আৰু চকী-মেজ আদি মেৰামতি কৰা, স্কুলত সময়ে সময়ে বিভিন্ন ক্ৰিয়াৰ শ্ৰমদান কৰা ইত্যাদি।

(৪) পিন্ধা-উৰা সম্বন্ধীয় :—সূতা কটা আৰু কাপোৰ বোৱা, স্কুল বেগ সজা, স্কুলীয়া পোচাক প্ৰস্তুত কৰা, ৰুমাল-টেবুল ক্লথ আৰু অন্যান্য যাৱতীয় কাপোৰৰ বস্তু সজা, কঁঠ সজা, চিলাই আৰু উলৰ কাম কৰা ইত্যাদি।

(৫) সাংস্কৃতিক আৰু বিনোদন সম্বন্ধীয় :—নানা ধৰণৰ পুতলা সজা, যন্ত্ৰ সংগীতৰ সঁজুলি বনোৱা আৰু মেৰামতি কৰা, কৃত্ৰিম ফুল সজা, মাটিৰ পাত্ৰ সজা, ৰং দিয়া, খেলাৰ বিভিন্ন বস্তু

সজ্জা, আলোক চিত্র (Photography) প্ৰস্তুত কৰা, চিত্র অংকণ কৰা, উৎসৱ পৰ্ব আদিত শুভেচ্ছা জ্ঞাপনৰ কাৰ্ড প্ৰস্তুত কৰা, কিতাপ বন্ধোৱা, কেণ্ডেল বনোৱা ইত্যাদি।

(৬) সামাজিক ক্ৰিয়া আৰু সমাজ সেৱা সম্বন্ধীয় :—সমাজৰ প্ৰাপ্ত বয়স্ক লোকসকলক বিভিন্ন কামত সহায় কৰা যেনে—কোনো অঞ্চল পৰিষ্কাৰ পৰিচ্ছন্নকৈ ৰখাত সহায় কৰা, ৰোগীসকলক চিকিৎসা কাৰ্যাত সহায় কৰা, প্ৰাথমিক চিকিৎসা সাহায্য দিয়া, সমাজৰ উৎসৱ-পৰ্ব আদিৰ কাৰ্য্যত সহায় কৰা, যান-বাহন নিয়ন্ত্ৰণ কৰা, সাক্ষৰতাৰ প্ৰচাৰ কাৰ্য্যত পিচপৰা অঞ্চলত সহায় কৰা ইত্যাদি।*

ওপৰত উল্লেখ কৰা SUPWৰ কাৰ্য্যসূচীয়ে ইয়াৰ ব্যাপক সামাজিক পৰিসৰৰ উৎপাদনমূলক আৰু সহায়কাৰী ক্ৰিয়াসমূহৰ ধাৰণা আমাৰ মনত স্পষ্ট কৰি তুলিব পাৰে। শিক্ষাৰ বিভিন্ন পৰ্য্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এই ক্ৰিয়াসমূহ উপযুক্ততা আৰু প্ৰয়োজনীয়তাৰ ভিত্তিত নিৰ্ধাৰণ কৰাটোও বিশেষ প্ৰয়োজন। এই সম্বন্ধেও ঈশ্বৰ ভাই পেটেল কমিটিয়ে বিস্তৃত পৰামৰ্শ দাঙি ধৰিছে। আমাৰ বৰ্তমান পৰিবৰ্তিত আৰ্থ-সামাজিক পৰিস্থিতিত এই ক্ৰিয়াসমূহৰ কাৰ্য্য পৰিসৰ অধিক বৃদ্ধি পোৱাৰ সম্ভাৱনীয়তা আমি দেখিবলৈ পাওঁ। অৱশ্যে স্কুলত এই সমূহৰ উপযুক্ত প্ৰশিক্ষণৰ বাবে বিশেষজ্ঞ প্ৰশিক্ষক অংশকালীনভাবে নিয়োগৰ বাবেও কমিটিয়ে পৰামৰ্শ দিয়ে। শিক্ষকসকলক ইয়াৰ উপযুক্ত প্ৰশিক্ষণ দিবৰ বাবে NCERT আৰু ৰাজ্যিক শিক্ষা সংস্থাবোৰে (State Institute of Education) শিক্ষক প্ৰশিক্ষণ কলেজবোৰৰ সহযোগত প্ৰয়োজনীয় আঁচনি প্ৰস্তুত কৰি তুলিব পাৰে।

---

* J. C. Aggarwal *Landmarks in the History of Modern Indian Education Page 323. Published in 1984.*

SUPWৰ কেতবোৰ প্ৰশংসনীয় দিশ (Certain appreciable points of SUPW) ঃ

ক্ৰিয়াৰ ওপৰত ভিত্তি কৰি দিয়া শিক্ষাৰ মৌলিক ধাৰণা আমি গান্ধীজীৰ পৰাই পাওঁ। তথাপিও সময়ৰ অগ্ৰগতিৰ লগে লগে এই মৌলিক ধাৰণা সংশোধিত হৈ বিভিন্ন সময়ৰ উপযোগীকৈ নতুন নামকৰণ কৰা হৈছে। বৰ্তমান SUPWৰ ধাৰণাই ভাৰতীয় শিক্ষাত অধিক জনপ্ৰিয়তা লাভ কৰি উঠিছে। অৱশ্যে ইয়াৰ ব্যাপক প্ৰয়োগ আৰু দোষ-গুণ সমূহৰ উপযুক্ত বিচাৰ কৰাৰ উচিত সময় এতিয়াও হৈ উঠা নাই। তথাপিও এই সামাজিকভাবে উপযোগী উৎপাদন-মূলক ক্ৰিয়া আঁচনিৰ শৈক্ষিক ভাবে কেতবোৰ আকৰ্ষণীয় আৰু প্ৰশংসনীয় দিশ আমাৰ চকুত পৰে। এই সমূহৰ এটি চমু উল্লেখ নিম্নলিখিত ভাবে কৰিব পাৰি।

(১) বৰ্তমান বিভিন্ন ক্ৰিয়াত জড়িত হৈ থকা বৈজ্ঞানিক আৰু কাৰিকৰী দিশৰ নীতি আৰু পদ্ধতিসমূহ বুজি উঠাত এই উৎপাদনমূলক ক্ৰিয়াই ছাত্ৰসকলক সহায় কৰিব পাৰে। তেওঁলোকে যিটো বৈষয়িক আৰু সামাজিক পৰিবেশত বাস কৰিছে তাৰ উচিত অনুভৱ কৰি উঠিব পাৰে।

(২) এই নতুন আঁচনি মতে শিক্ষাদান কৰা স্কুলখন সংশ্লিষ্ট সমাজ বা সম্প্ৰদায়ৰ পৰা কেতিয়াও আঁতৰি থাকিব নোৱাৰে। এই আঁচনিখনৰ কাৰ্য্যকৰী কৰণেহে প্ৰকৃত অৰ্থত স্কুলক এখন বিশেষ সমাজ বা সম্প্ৰদায় স্বৰূপে গঢ় দি তুলিব পাৰে।

(৩) আমাৰ সমাজৰ উচ্চ অৱস্থাপন্ন শ্ৰেণী আৰু দুখীয়া দুৰ্বল শ্ৰেণী লোকৰ মাজত থকা অসুস্থ ব্যৱধান গুচোৱাত এই আঁচনিখন সহায়কাৰী হৈ উঠিব পাৰে। বৰ্তমান সকলো শ্ৰেণী লোকৰ বাবে সমান শিক্ষা সা-সুবিধা প্ৰদানৰ যি নীতি তাক ই কাৰ্য্যকৰী কৰি তুলিব পাৰে।

(৪) শ্ৰমৰ প্ৰতি মৰ্য্যাদা, সন্মান আৰু আগ্ৰহৰ ভাব আৰু এক পৰিবেশ ই জগাই তুলিব পাৰে। তাৰ যোগেদি আধুনিক শিক্ষাৰ যি প্ৰয়োগবাদ দৰ্শন তাক কাৰ্য্যকৰীভাবে ছাত্ৰ-সকলে অনুভৱ কৰি উঠিব পাৰে।

(৫) শিক্ষা আনুষ্ঠানিক, পুথিগত আৰু চিন্তাপ্ৰধান বুলি ভৰা পুৰণি ধাৰণা ছাত্ৰ, শিক্ষক আৰু সমাজৰ লোকসকলৰ মনৰ পৰা ই গুচাব পাৰে। ইয়াৰ পৰিবৰ্তে ই এক সমাজৰ হিত সাধনকাৰী বিষয়, এনে এক নতুন ধাৰণাই তেওঁ-লোকক নিজ শিক্ষাৰ প্ৰকৃত আনন্দ দান কৰিব পাৰে।

(৬) সামাজিকভাবে উপয়োগী উৎপাদনমূলক ক্ৰিয়া আঁচনিয়ে ছাত্ৰসকলক স্কুলৰ গতানুগতিক শিক্ষাৰ মাজৰ পৰা বাহিৰৰ সামাজিক পৰিবেশলৈ উলিয়াই লৈ গৈছে। ফলত তেওঁ-লোকে চৰকাৰী, বেচৰকাৰী আৰু স্বেচ্ছাসেবী অনুষ্ঠান-প্ৰতিষ্ঠান সমূহৰ লগতো সম্বন্ধ স্থাপন কৰাৰ সুযোগ পাব পাৰে।

(৭) এই ব্যৱস্থাই ছাত্ৰৰ সমস্যা সমাধান ক্ষমতাও বৃদ্ধি কৰি তুলিব পাৰে। সমাজৰ আৰ্থ-সামাজিক সমস্যাবোৰ ভাল-দৰে বুজি উঠি তাৰ প্ৰতি তেওঁলোকৰ প্ৰয়োজনীয় ভূমিকা গ্ৰহণত উৎসাহী কৰি তুলিব পাৰে।

(৮) SUPWৰ মৌলিক ধাৰণা গান্ধীজীৰ শিক্ষা-দৰ্শনৰ ওপৰত প্ৰতিষ্ঠিত। সেইবাবে তেওঁৰ বুনিয়াদী শিক্ষাই এক নতুন ৰূপত বৰ্তমানৰ সময়োপযোগীকৈ এই আঁচনিৰ যোগেদি প্ৰকাশ লাভ কৰি উঠিছে বুলিব পাৰি।

ভাৰতীয় শিক্ষা আধুনিকীকৰণৰ বাবে বহুতো পৰীক্ষা নিৰীক্ষা আৰু তাৰ ফলস্বৰূপে নতুন নতুন নীতি-পদ্ধতি আদি গ্ৰহণ কৰা হৈছে। পেটেল কমিটিয়ে আগবঢ়োৱা সামাজিকভাবে উপযোগী

উৎপাদনমূলক ক্ৰিয়া ও ইয়াৰেই এক শেহতীয়া ব্যৱস্থা বুলিব পাৰি। ইয়াক আন্তৰিকতাৰে কাৰ্য্যকৰী কৰি তোলাৰ যোগেদিহে এই ব্যৱস্থাৰ উপযুক্ততা অনুপযুক্ততা বিচাৰ কৰি চোৱা যাব পাৰে।

অনুশীলন

(১) কৰ্ম-অভিজ্ঞতা বুলিলে কি বুজা? বৰ্তমান সময়ৰ বাবে প্ৰয়োজনীয় ইয়াৰ সামাজিক আৰু অৰ্থনৈতিক ভিত্তি ব্যাখ্যা কৰা।

(২) কৰ্ম অভিজ্ঞতাৰ ধাৰণা ব্যাখ্যা কৰা আৰু ইয়াৰ কেতবোৰ সাধাৰণ বৈশিষ্ট্যৰ উল্লেখ কৰা।

(৩) কোঠাৰি আয়োগে কৰ্ম-অভিজ্ঞতাৰ লক্ষ্য উদ্দেশ্যসমূহ কিদৰে বৰ্ণনা কৰিছে? এইসমূহ যথোচিতভাবে পূৰণ কৰিব পৰা হৈছেনে?

(৪) কৰ্ম-অভিজ্ঞতা কাক বোলে? আধুনিক শিক্ষাত এই অভিজ্ঞতাৰ প্ৰয়োজনীয়তা দৰ্শোৱা।

(৫) কৰ্ম-অভিজ্ঞতাৰ মূল লক্ষ্য উদ্দেশ্য সমূহ কি কি? এইসমূহ বৰ্তমানৰ শিক্ষাত পূৰণ কৰিব পৰা হৈছে বুলি ভাবানে?

(৬) আমাৰ জাতীয় শিক্ষা ব্যৱস্থাত কৰ্ম-অভিজ্ঞতা ধাৰণাৰ উৎপত্তি আৰু ইয়াৰ ক্ৰমবিকাশ সম্বন্ধে বৰ্ণনা কৰা।

(৭) কৰ্ম-অভিজ্ঞতা ধাৰণাৰ ঐতিহাসিক পটভূমি ব্যাখ্যা কৰা। বৰ্তমান সময়ৰ শিক্ষাত এই ধাৰণাৰ সাৰ্থকতা কি?

(৮) কৰ্ম-অভিজ্ঞতাৰ আঁচনিয়ে আমাৰ মাধ্যমিক পৰ্য্যায়ৰ শিক্ষাত আশানুৰূপ কৃতকাৰ্য্যতা লাভ কৰিব নোৱাৰাৰ কাৰণ কি? ইয়াৰ উপযুক্ত প্ৰয়োগৰ বাবে কেনে পৰামৰ্শ দিবা?

(৯) সামাজিকভাবে উপযোগী উৎপাদনমূলক ক্ৰিয়া কাক বোলে? কৰ্ম-অভিজ্ঞতাৰ লগত ইয়াৰ পাৰ্থক্য কি?

(১০) S U P W কি? ইয়াক কিয় সামাজিকভাবে উপযোগী বুলি কোৱা হয়? ইয়াৰ নামৰ সাৰ্থকতা বিচাৰ কৰা।

(১১) সামাজিকভাবে উপযোগী উৎপাদনমূলক ক্ৰিয়া বুলিলে কি বুজা ? এই ক্ৰিয়াসমূহক কিদৰে বিভক্ত কৰা হৈছে বৰ্ণনা কৰা।

(১২) SUPWৰ লক্ষ্য উদ্দেশ্যসমূহ কি কি ? এই ক্ৰিয়া আঁচনিসমূহ কি পৰিমাণে সামাজিকভাবে উপযোগী আৰু উৎপাদনমূলক বুলি বিবেচনা কৰিব পাৰি ?

(১৩) "সামাজিকভাবে উপযোগী উৎপাদনমূলক ক্ৰিয়াই প্ৰকৃতপক্ষে স্কুলক এখন সমাজ বা সম্প্ৰদায়ত পৰিণত কৰি তুলিছে।"—উক্তিটোৰ যথাৰ্থতা বিচাৰ কৰা।

(১৪) SUPWৰ আঁচনিয়ে ভাৰতীয় শিক্ষালৈ কেনেধৰণৰ আশা আৰু সম্ভাৱনীয়তা কঢ়িয়াই আনিছে ? এই সম্বন্ধে তোমাৰ এটি মতামত দাঙি ধৰা।

(১৫) ৰচনা লিখা—

(ক) স্কুলত কৰ্ম-অভিজ্ঞতা।

(খ) সামাজিকভাবে উপযোগী উৎপাদনমূলক ক্ৰিয়া।

প্ৰসংগ গ্ৰন্থসমূহ

1 J C Aggarwal : Landmarks in the History of Modern Indian Education. Chapter 37, 59 Vikas Publishing House Pvt Ltd New Delhi 110002 Published in 1984

2 J C. Aggarwal Development and Planning of Modern Education Ch 12 Vikas Publishing House, Edition 1985.

3. S K Kochhar : Pivotal issues in Indian Education, Ch 12 Sterling Publishers Pvt. Ltd New Delhi 110016. First Edition Reprint 1984.

4 B D Bhatia J. C. Aggarwal : Educational Documents in India. Ch 46. Arya Book Depot. New Delhis. Edition 1987

5. S. P. Chaube . Problems of Indian Education. Ch. 28. Vinod Pustak Mandir, Agra 2, First Edition 1986.

6. Report of the Education Commission, 1964-66.

সপ্তম অধ্যায়

পৰীক্ষা আৰু ইয়াৰ সংস্কাৰ সাধন

(Examination and its reform)

পৰীক্ষাৰ প্ৰয়োজনীয়তা (Need of Examination) :

সৰ্বসাধাৰণ লোকে সচৰাচৰ পৰীক্ষা এক 'necessary evil' বা 'অনিবাৰ্য্য অমঙ্গল' বুলি এটা অপবাদৰ মনোভাব পোষণ কৰা দেখা যায়। অৱশ্যে ই তেনে দৰে 'অমংগল' বা 'evil' নহয় যদিও শিক্ষা ক্ষেত্ৰত ই যে এক অনিবাৰ্য্য ক্ৰিয়া তাক অস্বীকাৰ কৰাৰ উপায় নাই। কাৰণ শিক্ষাৰ সাৰ্থকতা কেৱল পৰীক্ষাইহে প্ৰমাণ কৰিব পাৰে। সেইবাবে প্ৰতিজন শিক্ষাৰ্থীয়েই পৰীক্ষাৰ প্ৰতি আত্ম সচেতন নহৈ নোৱাৰে। এনে কাৰণতে বৰ্তমানৰ পৰীক্ষা ব্যৱস্থাৰ কটু সমালোচনা কৰা হয়, কিন্তু ইয়াক শিক্ষাজগতৰ পৰা বিলোপ সাধন কৰিব পৰা নাযায়। পৰীক্ষাৰ বিকল্প আন কোনো ব্যৱস্থাই আমাৰ জনাত নাই। এই বিষয়ে অধিক বহলাবলৈ নগৈ ইয়াৰ প্ৰযোজনীয়তা-সমূহ নিম্নলিখিত ভাবে সংক্ষেপে উপস্থাপন কৰিব পাৰি।

(১) শিক্ষাৰ কৃতকাৰ্য্যতা আৰু অকৃতকাৰ্য্যতা জানি উঠিবৰ বাবে পৰীক্ষা কাৰ্য্য বিশেষ প্ৰয়োজন। শৈক্ষিক ভাবে আহৰণ কৰা জ্ঞান-অভিজ্ঞতা যেতিয়ালৈকে পৰীক্ষা কৰা নহয় তেতিয়ালৈকে শিক্ষাৰ কোনো নতুন নীতি আৰু পদ্ধতি গ্ৰহণ কৰিব নোৱাৰি। সেইবাবে শিক্ষাৰ্থীৰ শিক্ষা অগ্ৰ-গতিৰ স্বৰূপ আৰু তাৰ পৰিমাণ জানি উঠিবৰ বাবে পৰীক্ষাৰ বিশেষ প্ৰয়োজন।

(২) শিক্ষাৰ্থীৰ ভৱিষ্যত উন্নতিৰ সম্ভাৱনীয়তা জানি উঠিবৰ বাবেও পৰীক্ষাৰ প্ৰয়োজন। ব্যক্তিয়ে তেওঁৰ ফলাফলৰ ওপৰত ভিত্তি কৰিহে ভৱিষ্যতৰ কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰে। শিক্ষক সকলেও ছাত্ৰৰ ভৱিষ্যত সম্ভাৱনীযতা সম্বন্ধে এই পৰীক্ষাৰ পৰা অনুমান কৰিব পাৰে। পৰীক্ষাক সেয়েহে ছাত্ৰৰ ভৱিষ্যতৰ পথ প্ৰদৰ্শক স্বৰূপ বুলিব পাৰি।

(৩) পৰীক্ষাই এজন লোকৰ দল বা সমূহৰ মাজত স্থান আৰু মান নিৰ্ণযত সহায কৰে। আমাৰ সামাজিক জীৱনত যোগ্যতাৰ ভিত্তিত ব্যক্তি নিৰ্বাচন কৰাটো প্ৰয়োজন। সকলো ব্যক্তিৰ পৰা সমান যোগ্যতা আশা কৰিব নোৱাৰি। সেইবাবে এই ক্ষেত্ৰত পৰীক্ষা ব্যৱস্থাই ব্যক্তিক দলৰ মাজত নিজৰ স্থান আৰু মান অনুসৰি পৰ্য্যায়কৰণত সহায় কৰে।

(৪) পৰীক্ষাই এজন ছাত্ৰক তেওঁৰ শিক্ষা গ্ৰহণত আত্মবিশ্বাসেৰে আগবঢ়াত বিশেষ প্ৰেৰণা যোগায। ই তেওঁক নিজ যোগ্যতা, ক্ষমতা আৰু বিকাশৰ সম্ভাৱনীয়তা সম্বন্ধে মনত আত্মপ্ৰত্যযৰ ভাব জগাই তুলিব পাৰে। ফলত অধিক কৃতকাৰ্য্যতাৰ বাবে অধিক উৎসাহেৰে কাম কৰিব পাৰে। পৰীক্ষাক সেয়েহে এক প্ৰণোদনকাৰী ব্যৱস্থা (motivating factor) বুলিব পাৰি।

(৫) পৰীক্ষাই ব্যক্তিমনৰ অভিজ্ঞতা, অনুভূতি আৰু চিন্তা আদিক সুস্পষ্ট ভাবে ব্যক্ত কৰাত সহায় কৰে। ব্যক্তিয়ে তেওঁৰ পুথি অধ্যযন, শিক্ষকৰ নিৰ্দেশনা আৰু আন আন বিভিন্ন দিশৰ পৰা অভিজ্ঞতা আহৰণ কৰিব পাৰে। কিন্তু পৰীক্ষা ব্যৱস্থাই তেওঁ আহৰণ কৰা এনেবোৰ অভিজ্ঞতা সুসংবদ্ধ আৰু সুশৃংখল কৰি তোলাত সহায় কৰে। এনে দৃষ্টিকোণৰ পৰা কোৱা হয় যে পৰীক্ষা হৈছে আমাৰ চিন্তা ব্যৱস্থাৰ প্ৰশিক্ষণ দিয়া এক কলা।

(৬) পৰীক্ষা কেৱল ছাত্ৰসকলৰেই নহয়, শিক্ষক আৰু শিক্ষা দানকাৰী কৰ্তৃপক্ষৰো উপযুক্ততা আৰু গুণমান বিশিষ্টতা নিৰ্ধাৰণৰ এক সহজ মাধ্যম। পৰীক্ষাত ছাত্ৰৰ কৃতকাৰ্য্যতাৰ অন্তৰালত শিক্ষকসকলৰ শিক্ষা নিৰ্দেশনাৰ মান বিশিষ্টতা, তেওঁলোকৰ ব্যক্তিগত পৰিশ্ৰম আৰু ক্ৰিয়া তৎপৰতা তথা অনুশাসন ব্যৱস্থা আদি জড়িত হৈ থাকে। এখন শিক্ষানুষ্ঠানৰ পৰীক্ষাৰ ফলাফলৰ উন্নত মান বিশিষ্টতাই সেয়েহে ছাত্ৰ আৰু অভিভাবক সকলক আকৰ্ষিত কৰে।

ৰচনাত্মক পৰীক্ষা (Essay type examination) **:**

ৰচনাত্মক পৰীক্ষাই বৰ্তমান আমাৰ শৈক্ষিক মূল্যায়ন ব্যৱস্থাত বিশেষ প্ৰাধান্য লাভ কৰি আছে। এই প্ৰাধান্য ইমানেই অধিক যে ছাত্ৰ, শিক্ষক, অভিভাবকসকল সকলোৱেই পৰীক্ষাৰ এনে ব্যৱস্থাৰ পৰা নিজ নিজ ভাবে প্ৰভাৱিত হৈ আছিছে। শিক্ষাৰ সকলো লক্ষ্য উদ্দেশ্য আৰু ক্ৰিয়া প্ৰচেষ্টা এই ৰচনাত্মক পৰীক্ষাতেই কেন্দ্ৰীভূত হৈ পৰিছে। উল্লেখযোগ্য যে এইবিধ পৰীক্ষাৰ প্ৰশ্নসমূহ অত্যন্ত সীমিত বিধৰ। কিন্তু ইয়াৰ উত্তৰসমূহ সম্পূৰ্ণৰূপে অনিয়ন্ত্ৰিত আৰু বিস্তৃত বিধৰ হয়। এইবিধ পৰীক্ষাৰ প্ৰশ্নৰ উত্তৰ দান কৰোঁতে প্ৰসংগ সংগতি দাঙি ধৰা, বিস্তৃত বৰ্ণনা দিয়া, ব্যাখ্যা কৰা, তাৎপৰ্য্য কঁহিয়াই দেখুওৱা, তুলনা কৰা, মন্তব্য দিয়া, পৰামৰ্শ দিয়া, সমালোচনা কৰা আদি বিবিধ প্ৰয়োজন পৰীক্ষাৰ্থীয়ে পূৰণ কৰিব লাগে। ইয়াৰ ফলত প্ৰশ্নোত্তৰ স্বাভাৱিকতেই অনিয়ন্ত্ৰিত ভাবে দীঘল হৈ এখন ৰচনাত পৰিণত হয় আৰু প্ৰশ্নোত্তৰ কাকতত অধিক পৃষ্ঠা আগুৰি লয়। আন হাতে এই প্ৰশ্নত্তৰবোৰৰ গুণাগুণ বিচাৰ কৰিবৰ বাবে একান্ত আত্মনিষ্ঠ, ব্যক্তিনিষ্ঠ আৰু অবৈজ্ঞানিক পদ্ধতি প্ৰয়োগ কৰা হয়। এই ক্ষেত্ৰত পৰীক্ষণ আৰু মূল্যায়ণৰ কোনো সুস্পষ্ট মান দণ্ড বা মাপকাঠী

পৰীক্ষকৰ হাতত নাথাকে। তেওঁৰ মনৰ সন্তোষ্টি, তৎকালীন ভাবে মনৰ অৱস্থা বা 'মুদ' আদিৰ ওপৰত নির্ভৰ কৰিব লাগে। একাপ চাহৰ উপস্থিতিয়ে তেওঁৰ এই মুদ সলনি কৰি দিব পাৰে। অৱশ্যে সেয়ে হ'লেও পৰীক্ষকজন পৰীক্ষণীয় বিষয়ত বিশেষজ্ঞ হোৱাটো আশা কৰা হয়। তেওঁৰ পাণ্ডিত্য আৰু জ্ঞান অভিজ্ঞতা সমালোচনাৰ উৰ্দ্ধত বুলি বিবেচনা কৰা হয়। 'The king can do no wroung' এনে মনোভাবেৰে তেওঁৰ ব্যক্তিনিষ্ঠ মূল্যায়ন গ্রহণ কৰা হয়।

এনেবোৰ কাৰণতে এই ৰচনাত্মক পৰীক্ষাৰ প্ৰতি সর্বসাধাৰণ লোকৰ মনত ব্যাপক ভাবে অনাস্থাৰ ভাব দেখা দিয়াটো বৰ্ত্তমান লক্ষ্য কৰিব পাৰি। অৱশ্যে এই কথাও কব পাৰি যে ইয়াৰ দুৰ্বলতা-সমূহক বহু সময়ত অতিৰঞ্জিত ভাবেও বৰ্ণনা কৰা হয়। শিক্ষাৰ মূল্যায়নৰ এক ব্যৱস্থা স্বৰূপে ইয়াৰ কেতবোৰ দুৰ্বলতা নিশ্চয় আছে। কিন্তু সেইবুলি এই ব্যৱস্থা সম্পূৰ্ণৰূপে তুলি দিব লগাও ই নিশ্চয় নহয়। সেয়েহে বহু সময়ত ইয়াৰ গুণাগুণ আৰু সম্ভাৱনীয়তাসমূহৰ প্ৰতি যথোচিত মনোযোগ দিয়া নহয়। ইয়াৰ প্ৰকৃত স্বৰূপ আৰু শিক্ষা ক্ষেত্ৰত ইয়াৰ প্ৰয়োজনীয়তা বাস্তৱ দৃষ্টিৰে অনুভৱ কৰি উঠিবৰ বাবে আমাৰ নিৰপেক্ষ দৃষ্টিভংগী আৰু বিচাৰ বিবেচনাৰ প্ৰয়োজন। ৰচনাত্মক পৰীক্ষা প্ৰয়োগৰ ক্ষেত্ৰত আমাৰ আবেগ অনুভূতিয়ে প্ৰভাৱ পেলোৱাৰ পৰিৱৰ্ত্তে যুক্তিসংগত চিন্তাইহে প্ৰাধান্য লাভ কৰা উচিত।

ৰচনাত্মক পৰীক্ষাৰ শক্তিশালী দিশ (Strong points of essay type examination) **:**

এইবিধ পৰীক্ষাৰ কেতবোৰ শক্তিশালী দিশ থকা হেতুকেই ইয়াৰ চোকা সমালোচনা স্বত্তেও প্ৰয়োগৰ প্ৰয়োজন আমি অনুভৱ কৰি আহিছো। শৈক্ষিক দৃষ্টিকোণৰ পৰা এই দিশসমূহৰ বিবেচনা কৰি চোৱাটো প্ৰয়োজন। এই প্ৰসঙ্গত নিম্নলিখিত কথা কেইটা উল্লেখ কৰিব পাৰি।

—৯

(১) ৰচনাত্মক পৰীক্ষাই শিক্ষাৰ্থীৰ মনত তেওঁৰ চিন্তা শক্তি প্ৰণালীবদ্ধ ভাবে বিকাশ কৰি তোলাত সহায় কৰে। নিজ মনৰ ভাব-চিন্তাক সুসংবদ্ধ আৰু সুনিয়ন্ত্ৰিত ভাবে উপস্থাপন কৰাটো হৈছে এক বিশেষ কলা। এই কলাত্মক অভিজ্ঞতাৰ প্ৰশিক্ষণেহে এজন লোকক তেওঁৰ জ্ঞান আহৰণ আৰু তাৰ প্ৰয়োগ কৰণত সহায় কৰিব পাৰে ।

(২) ৰচনাত্মক পৰীক্ষাই ব্যক্তিৰ শিক্ষা আহৰণৰ সফলতা আৰু অৰ্জিত জ্ঞানৰ বোধন ক্ষমতাৰ স্পষ্ট আভাস দিব পাৰে। শিক্ষাৰ্থীয়ে তেওঁৰ শিক্ষাগ্ৰহণৰ ফলস্বৰূপে বিষযবস্তু আযত্ত কৰিব পাৰিছেনে নাই, কোনখিনিত কৃতকাৰ্য্য হৈছে আৰু কোনখিনিত ব্যৰ্থ হৈছে তাক ইযাৰ যোগেদি স্পষ্ট ভাবে জানিব পাৰি। ৰচনাত্মক পৰীক্ষাৰ প্ৰশ্নোত্তৰে ব্যক্তিৰ অৰ্জিত জ্ঞানৰ দৈৰ্ঘ্য-প্ৰস্থ আৰু গভীৰতাৰ আভাস আমাক দিব পাৰে।

(৩) এইবিধ পৰীক্ষাই কেৱল মাথোন পুথিগত জ্ঞানেই নহয়, বৰং ছাত্ৰ-ছাত্ৰীৰ বাহিৰা জ্ঞান-অভিজ্ঞতা, দৃষ্টিভংগী, মনোভাব আদিৰো পৰিচয দিব পাৰে। চোকা বুদ্ধি আৰু চিন্তাৰ মৌলিকতা থকা ছাত্ৰই ইযাৰ যোগেদি সহজে আত্মপ্ৰকাশৰ সুবিধা লাভ কৰিব পাৰে আৰু নিজৰ শ্ৰেষ্ঠত্ব আনৰ দৃষ্টিগোচৰ কৰিব পাৰে। তেওঁলোকে নিজ মনৰ জ্ঞান-অভিজ্ঞতাৰ দিগন্ত বৃদ্ধি কৰি তুলিব পাৰে।

(৪) ৰচনাত্মক পৰীক্ষাই ব্যক্তিৰ আত্মপ্ৰকাশ, চিন্তাৰ স্বাধীনতা আৰু স্বাধীন বিচাৰ-বিবেচনা প্ৰযোগৰো সুবিধা দিযে। পৰীক্ষাৰ্থীয়ে ইয়াত তেওঁৰ নিজ মতামত, বিচাৰ-বিবেচনা, পৰামৰ্শ আৰু সমালোচনা আদি নিৰ্ভীক ভাবে দাঙি ধৰিব পাৰে। অৰ্জিত জ্ঞান-অভিজ্ঞতাৰ মুক্ত প্ৰকাশ আৰু

প্ৰয়োগৰ এনে সুবিধা আন কোনো পৰীক্ষা ব্যৱস্থাতে শিক্ষাৰ্থীয়ে পাব নোৱাৰে।

(৫) এই পৰীক্ষা ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীক মানসিক দ্ৰুততাৰে চিন্তা কৰা আৰু সেই চিন্তাক লিপিবদ্ধ কৰাৰ প্ৰয়োজনীয় প্ৰশিক্ষণ দিব পাৰে। কাৰণ পৰীক্ষাৰ্থীয়ে ইয়াত নিৰ্ধাৰিত সময়ৰ ভিতৰত মিতব্যয়িতাৰে প্ৰশ্নৰ উত্তৰ কৰিব লাগে। ঘৰত আজৰি সময়ত ৰচনা লিখা আৰু পৰীক্ষাৰ নিৰ্দিষ্ট সময় সীমাৰ ভিতৰত ৰচনাত্মক প্ৰশ্নৰ উত্তৰ কৰা একে কথা নহয়। সেয়েহে এইবিধ পৰীক্ষাই ছাত্ৰৰ মনৰ বৌদ্ধিক অলসতা গুচাব পাৰে।

(৬) এই পৰীক্ষাই ছাত্ৰক জ্ঞান-অভিজ্ঞতাৰ বিভিন্ন দিশৰ মাজত সহ-সম্বন্ধ ৰক্ষা কৰি পাঠ্য বিষয় অধ্যয়ন কৰিবলৈ শিকায়। ইয়াৰ প্ৰদত্ত প্ৰশ্নসমূহে তেওঁলোকক বিষয়বস্তুৰ ব্যাপক পৰিসৰৰ প্ৰতি আকৰ্ষিত আৰু প্ৰৰোচিত কৰে। তেওঁ-লোকে নিজে জানি উঠিব আৰু অনুভৱ কৰি উঠিব পাৰে যে জ্ঞানৰ পৰিসৰ স্বাভাৱিকতেই বহল আৰু ব্যাপক পৰিসৰৰ হয়।

(৭) ৰচনাত্মক পৰীক্ষাই ছাত্ৰৰ প্ৰকৃত স্মৃতি প্ৰয়োগৰ ক্ষমতাৰ পৰিচয় দিয়ে। এইবিধ পৰীক্ষাৰ বাবে ব্যক্তিৰ পুনঃস্মৰণ স্মৃতিৰ প্ৰয়োজন হয় যি প্ৰত্যভিজ্ঞা স্মৃতিতকৈ আপেক্ষিক ভাৱে কঠিন। বৌদ্ধিক ভাৱে উন্নত মানৰ ছাত্ৰ-ছাত্ৰীক ইয়াৰ যোগেদি চিনাক্তকৰণ কৰিব পৰা যায়। উচ্চশিক্ষাৰ অনুপযুক্তসকলক ইয়াৰ যোগেদি পৃথক কৰিব পাৰি।

(৮) এইবিধ পৰীক্ষাই ছাত্ৰক কেৱল পাঠ্যপুথিৰ জ্ঞান সংগ্ৰহৰ ভাণ্ডাৰ স্বৰূপ কৰি তোলাৰ পৰিবৰ্তে তাৰ উপযুক্ত প্ৰয়োগ কৰিবলৈও শিকায়। প্ৰশ্নবোৰৰ ভিন্নমুখী প্ৰয়োজন পূৰণ

কৰিবৰ বাবে তেওঁলোকে বিষয়বস্তু কেৱল মুখস্থ 'কৰিলেই নহয়, তাক প্ৰয়োজন মতে যথাস্থানত প্ৰয়োগ কৰিবও জানিব লাগে। সেইবাবে ছাত্ৰৰ অৰ্জিত জ্ঞানৰ প্ৰয়োজন সাপেক্ষে প্ৰয়োগ কৰিবলৈকো শিকি উঠিব পাৰে।

(৯) ছাত্ৰ-ছাত্ৰীৰ কেতবোৰ বিশেষ বৌদ্ধিক ক্ষমতা যেনে— সংশ্লেষণ, তুলনামূলক অধ্যয়ন আদি ক্ষমতা এইবিধ পৰীক্ষাৰ যোগেদি নিৰীক্ষণ কৰিব পাৰি। বস্তুনিষ্ঠ বা আন কোনো পৰীক্ষাৰ যোগেদিয়ে ব্যক্তিমনৰ এই বিশিষ্ট ক্ষমতাসমূহ পৰীক্ষণ কৰাটো সম্ভৱ নহয়।

(১০) ছাত্ৰ-ছাত্ৰীৰ আনুভূতিক দিশৰ কেতবোৰ বিশিষ্ট ক্ষমতাও এইবিধ পৰীক্ষাৰ যোগে পৰিমাপ কৰাটো সম্ভৱপৰ। এই সমূহৰ ভিতৰত ব্যক্তি মনৰ সৌন্দৰ্য্য অনুভূতি, কল্পনা শক্তি, আধ্যাত্মিক অনুভূতি আদি বিশেষ উল্লেখযোগ্য।

ইয়াৰ প্ৰধান দুৰ্বলতাসমূহ (Its major weaknesses) :

যিকোনো পৰীক্ষাৰ্থীয়েই নিজ অভিজ্ঞতাৰ ৰচনাত্মক পৰীক্ষাৰ দুৰ্বলতাৰ কথা কব পাৰে। ইয়াৰ বাবে কোনো উচ্চ পৰ্য্যায়ৰ অধ্যয়ন বা ব্যাখ্যাৰ প্ৰয়োজন নহয়। সেয়ে হ'লেও এই ক্ষেত্ৰত কেতবোৰ যুক্তিসংগত দৃষ্টিকোণ সাৱধানে বিচাৰ কৰি চোৱাটো আমাৰ প্ৰয়োজন। তলত ইয়াৰ কেতবোৰ দিশৰ উল্লেখ কৰা হৈছে।

(১) এইবিধ পৰীক্ষাৰ বিৰুদ্ধে প্ৰধান অভিযোগ এয়ে যে ই পৰীক্ষকৰ ব্যক্তিনিষ্ঠ প্ৰভাৱৰ পৰা সমূলি মুক্ত হ'ব নোৱাৰে। অত্যধিক ব্যক্তিনিষ্ঠতাৰ প্ৰভাৱে ইয়াৰ নিৰ্ভৰ-যোগ্যতা বিশেষ ভাবে ক্ষতিগ্ৰস্ত কৰি তুলিছে। সেইবাবে সকলোৱেই এই পৰীক্ষাৰ প্ৰতি অনাস্থা ভাব প্ৰকাশ কৰে আৰু কটু সমালোচনা কৰে।

(২) ৰচনাত্মক পৰীক্ষা ব্যক্তিনিষ্ঠ হোৱাৰ প্ৰধান কাৰণ হৈছে

ইয়াত মূল্যায়নৰ কোনো এক নিৰ্ভৰযোগ্য মানদণ্ড পাব পৰা নাযায়। পৰীক্ষকে প্ৰশ্নোত্তৰৰ মূল্যায়ন কৰাৰ বেলিকা কোনো ধৰণৰ আহিমূলক মাপকাঠী বা মানদণ্ড প্ৰয়োগ কৰিব নোৱাৰে। ফলত তেওঁৰ মূল্যায়নৰ কোনো স্থিৰতা নাথাকে।

(৩) সুস্পষ্ট মানদণ্ডৰ অভাৱ হোৱা হেতুকে পৰীক্ষকৰ প্ৰদত্ত নম্বৰ বা মূল্যমান হয় সম্পূৰ্ণ অনিয়ন্ত্ৰিত। বিভিন্নজনৰ বিভিন্ন সময়ৰ মূল্যায়ন পৃথক হোৱাৰ উপৰিও একেজন পৰীক্ষকে বিভিন্ন সময়ত কৰা মূল্যায়নো হয় পৃথক পৃথক।

(৪) এইবিধ পৰীক্ষাই শিক্ষাৰ্থীৰ অৰ্জিত জ্ঞানৰ প্ৰকৃত মূল্যায়ন কৰাৰ পৰিৱৰ্তে আন কেতবোৰ অপ্ৰয়োজনীয় আৰু কম গুৰুত্বপূণ বিষয়ৰহে মূল্যায়ন কৰা দেখা যায়। পৰীক্ষাৰ্থীৰ হাতৰ আখৰ, পৰিষ্কাৰ পৰিচ্ছন্নতা, -উপস্থাপন পদ্ধতি, বৰ্ণাশুদ্ধি আদিয়ে মূল্যায়নত অনাৱশ্যক ভাবে প্ৰভাৱ পেলায়, ফলত মূল্যায়নৰ প্ৰকৃত উদ্দেশ্য ব্যৰ্থ হয়।

(৫) এনে অৱস্থাৰ সৃষ্টি হোৱাৰ প্ৰধান কাৰণ হৈছে এয়ে যে ৰচনাত্মক পৰীক্ষাত মূল্যায়নৰ কোনো সুনিৰ্দিষ্ট আৰু সুস্পষ্ট লক্ষ্য উদ্দেশ্য স্থিৰ কৰা নহয়। এই ক্ষেত্ৰত পৰীক্ষকক কেতবোৰ প্ৰয়োজনীয় নিৰ্দেশনা দিয়া হয় যদিও সেইবোৰ যথাযথ ভাবে মূল্যায়নৰ বেলিকা তেওঁলোকে পালন কৰাটো দেখা নাযায়।

(৬) ৰচনাত্মক পৰীক্ষা ছাত্ৰ-ছাত্ৰীৰ শিক্ষা আহৰণৰ প্ৰতিনিধিত্ব-স্বৰূপ নহয় বুলিও অভিযোগ কৰা হয়। প্ৰশ্নকাকতত থকা কেইটামান সীমিত প্ৰশ্নই পাঠ্য বিষয়ৰ অধ্যয়নৰ সকলো দিশ সামৰি লব নোৱাৰে। প্ৰশ্নোত্তৰসমূহ স্বাভাৱিকতেই দীঘলীয়া হোৱা বাবে নিৰ্ধাৰিত সময়ৰ ভিতৰত ছাত্ৰই ৫-৬ টাৰ অধিক প্ৰশ্নৰ উত্তৰ কৰিব নোৱাৰে।

(৭) প্ৰশ্নকাকতত থকা প্ৰশ্নৰ এনে সীমাবদ্ধতাৰ বাবেই ছাত্ৰ-সকলে প্ৰশ্নোত্তৰ কৰাৰ ক্ষেত্ৰত সৌভাগ্য-দুৰ্ভাগ্যৰ প্ৰশ্ন স্বাভাৱিকতেই আহি পৰে। ইয়াৰ ফলত তেওঁলোকে পৰীক্ষা কাৰ্য্যক এবিধ luck and chance বা ভাগ্যৰ বিষয় স্বৰূপে বিবেচনা কৰে। ইয়াৰ উপৰি তেওঁলোকে অধ্যয়নৰ বিষয় 'অধিক গুৰুত্বপূৰ্ণ' আৰু 'কম গুৰুত্বপূৰ্ণ' স্বৰূপে বিভাজন কৰি লৈ সেইমতে অধ্যয়ন কৰে।

(৮) ৰচনাত্মক পৰীক্ষাৰ প্ৰশ্নকাকততো কেতবোৰ বিশেষ দোষ-ত্ৰুটি থকা দেখা যায়। ইয়াৰ কেতবোৰ প্ৰশ্ন হয় অস্পষ্ট, আওপকীয়া আৰু দ্ব্যৰ্থমূলক। এনেবোৰ প্ৰশ্নই পৰীক্ষাৰ্থীক অনাৱশ্যক ভাৱে পৰীক্ষা ঘৰত বিমোৰত পেলায়। কেতবোৰ প্ৰশ্নই সেযেহে ছাত্ৰক ঠগন দিয়াৰ প্ৰৱণতা পৰি-লক্ষিত হয়।

(৯) ৰচনাত্মক পৰীক্ষাৰ প্ৰশ্নকাকতত কোনো কোনো সময়ত দেখা যায় যে ছাত্ৰৰ বাবে প্ৰয়োজনীয় প্ৰশ্নতকৈ প্ৰশ্নকৰ্তাই ভালপোৱা প্ৰশ্নকেইটাহে দিয়াৰ প্ৰৱণতা অধিক। অথচ তেনেবোৰ প্ৰশ্ন ছাত্ৰ-ছাত্ৰীৰ বাবে উপযোগী হয় নে নহয় তালৈ বিশেষ লক্ষ্য ৰখা নহয়। ফলত পৰীক্ষা ঘৰত তেওঁ-লোকে অনাৱশ্যক কঠিনতাৰ সন্মুখীন হ'ব লগা হয়।

(১০) এইবিধ পৰীক্ষাত পৰীক্ষাৰ্থীয়ে সকলো সময়তে সময়ৰ হেঁচাত পৰীক্ষা দিব লগা হয়। ইয়াৰ ফলত দেখা যায় যে বহুতো ছাত্ৰই সময়ৰ অভাৱৰ হেতুকে প্ৰশ্নৰ উত্তৰ কৰিব নোৱাৰি প্ৰশ্নোত্তৰ কাকত অসম্পূৰ্ণ ভাৱে এৰি আহে। সময়ৰ এনে প্ৰভাৱ আৰু প্ৰতিবন্ধকতাই বহু সময়ত তেওঁ-লোকৰ চিন্তা কাৰ্য্যতো ব্যাঘাত জন্মায়।

(১১) ৰচনাত্মক পৰীক্ষাৰ আন এটা অসুস্থ প্ৰভাৱ এয়ে যে ই

শিক্ষাৰ্থীক অতিমাত্ৰা মানসিক শক্তি প্ৰয়োগ কৰিবলৈ বাধ্য কৰে। আবেগিক ভাবেও তেওঁলোকৰ দেহ-মনত উত্তেজনা, উৎকণ্ঠা আৰু অস্বস্তিকৰ ভাব সৃষ্টি কৰে। সেই হেতুকে শাৰীৰিক ভাবে দুৰ্বল আৰু অসুস্থ ছাত্ৰৰ বাবে ই এক আতংকৰ ভাব আৰু পৰিস্থিতি সৃষ্টি কৰে।

(১২) এই পৰীক্ষাৰ প্ৰশ্নসমূহে পৰীক্ষাৰ্থীসকলক মুখস্থ বিদ্যাৰ সহায় লবলৈও প্ৰৰোচিত কৰে। বহুতো ছাত্ৰই প্ৰশ্নৰ উত্তৰ বুজি নোপোৱাকৈয়ে অকাই-পকাই আৰু অন্তঃসাৰশূন্য ভাৱে উত্তৰদান কৰাও দেখা যায়।

(১৩) ৰচনাত্মক পৰীক্ষাৰ আন এটা গুৰুতৰ অভিযোগ হৈছে এয়ে যে পৰীক্ষকজনৰ 'মুদ' বা মানসিক অৱস্থাৰ ওপৰত ছাত্ৰৰ সফলতা আৰু বিফলতা বিশেষ ভাবে নিৰ্ভৰ কৰে। অসুস্থ মানসিকতাৰ পৰীক্ষকৰ হাতত ছাত্ৰৰ এনে ভাগ্য নিৰ্ণয়ৰ অৱস্থাই এই পৰীক্ষাৰ প্ৰতি অনাস্থাৰ ভাব অধিক বৃদ্ধি কৰি তুলিছে।

ৰচনাত্মক পৰীক্ষাৰ আৱশ্যকীয় সংস্কাৰ সাধন (Necessary reform of Essay type examination) :

ৰচনাত্মক পৰীক্ষা ব্যৱস্থা সম্পূৰ্ণ উঠাই দি আৰু নতুন বস্তুনিষ্ঠ পৰীক্ষা ব্যৱস্থা তাৰ ঠাইত প্ৰচলন কৰি আমাৰ পৰীক্ষাৰ মূল্যায়ন ব্যৱস্থাৰ সংস্কাৰ সাধন কৰিব নোৱাৰি। পৰীক্ষা ব্যৱস্থা সম্বন্ধে বিস্তৃত আৰু গুৰুত্বপূৰ্ণ পৰামৰ্শ দিয়া ১৯৪৮ চনৰ বিশ্ববিদ্যালয় শিক্ষা আয়োগেও মত প্ৰকাশ কৰে যে ৰচনাত্মক পৰীক্ষাৰ দোষ-ত্ৰুটিসমূহ গুচাই ইয়াক পুনৰ প্ৰয়োগ কৰাটোহে প্ৰয়োজন। আধুনিক শিক্ষাবিদসকলে সেয়েহে এইবিধ পৰীক্ষাৰ দোষ-দুৰ্বলতাবোৰ গুচাই বৰ্তমানৰ বস্তুনিষ্ঠ পৰীক্ষাৰ লগত সংযুক্ত ভাবে প্ৰয়োগৰ প্ৰতিহে মত দিয়ে। ৰচনাত্মক পৰীক্ষাৰ দুৰ্বলতাসমূহ গুচাব পাৰিলে নিসন্দেহে ই

পৰীক্ষাৰ মূল্যায়নৰ নিৰ্ভৰযোগ্য ব্যৱস্থা স্বৰূপ পৰিগণিত হৈ উঠিব। উল্লেখযোগ্য যে বৰ্তমানৰ কোনোবিধ উন্নত মূল্যাযন ব্যৱস্থাই ৰচনাত্মক পৰীক্ষাৰ স্থান গ্ৰহণ কৰিব নোৱাৰে। বস্তুনিষ্ঠ পদ্ধতিৰ উদ্ভাৱন আৰু ইযাৰ প্ৰযোগ কৰা হৈছে যদিও এই নতুন ব্যবস্থাই ৰচনাত্মক পৰীক্ষাৰ অপ্ৰযোজনীয়তা প্ৰমাণ কৰিব নোৱাৰে। নতুন পৰীক্ষা ব্যৱস্থাক ৰচনাত্মক পৰীক্ষাৰ এক পৰিপূৰক ব্যৱস্থা স্বৰূপেহে আমি গ্ৰহণ কৰা উচিত।

ৰচনাত্মক পৰীক্ষাৰ সংস্কাৰ সাধন কৰিবলৈ যাওঁতে আমি প্ৰধানকৈ দুটা দিশৰ প্ৰতি বিশেষ মনোযোগ দিব লাগে। এই কেইটা হৈছে (ক) পৰীক্ষাৰ মূল্যাযন ব্যৱস্থাৰ আৰু (খ) প্ৰশ্ন প্ৰস্তুতকৰণ ব্যৱস্থাৰ। এই দুযোটা দিশাত শিক্ষক আৰু পৰীক্ষক-সকল অধিক সচেতন হৈ এই সম্বন্ধীয কেতবোৰ বিশেষ দাযিত্ব নিষ্ঠাৰে পালন কৰিব লাগে। এই ক্ষেত্ৰত কেতবোৰ প্ৰযোজনীয পৰামৰ্শ নিম্নলিখিত ভাবে উল্লেখ কৰিব পাৰি।

(১) ৰচনাত্মক পৰীক্ষাৰ ব্যক্তিনিষ্ঠতাৰ প্ৰভাব যথাসম্ভৱ হ্ৰাস কৰিবৰ বাবে পৰীক্ষকক উপযুক্ত নিৰ্দেশনা দিযাৰ ব্যৱস্থা কৰিব লাগে। পৰীক্ষকে তেওঁৰ মনত স্পষ্ট হ'ব লাগে, ছাত্ৰৰ অৰ্জিত জ্ঞানৰ কোনটো দিশ তেওঁ মূল্যায়ন কৰিব লাগে। পাৰম্পাৰ-পৰিচ্ছন্নতা, হাতৰ আখৰ, বৰ্ণাশুদ্ধি আদিৰ প্ৰতি পৃথক নম্বৰ প্ৰদানৰ ব্যৱস্থা থাকিব লাগে।

(২) ৰচনাত্মক পৰীক্ষাৰ প্ৰশ্নোত্তৰ কাকতৰ চূড়ান্ত মূল্যাযণৰ বাবে একাধিক পৰীক্ষকৰ মতামত গ্ৰহণ কৰিব লাগে। এনে ব্যৱস্থাই ব্যক্তিনিষ্ঠতাৰ অসুস্থ প্ৰভাৱ গুচোৱাত সহায় কৰিব পাৰে আৰু পৰীক্ষক সকলেও তেওঁলোকৰ মূল্যায়ন অধিক স্পষ্ট আৰু উদ্দেশ্যধৰ্মী কৰি তুলিব পাৰে।

(৩) ছাত্ৰ-ছাত্ৰীসকলক 'কৃতকাৰ্য্য' আৰু 'অকৃতকাৰ্য্য' স্বৰূপে ঘোষণা কৰাৰ পূৰ্বে কম নম্বৰৰ ব্যৱধানত কৃতকাৰ্য্য আৰু

অকৃতকাৰ্য্য হোৱা প্ৰশ্নোত্তৰ কাকতসমূহ (border line cases) পুনৰ পৰীক্ষাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এনে ব্যৱস্থা গ্ৰহণে এইবিধ পৰীক্ষাৰ নিৰ্ভৰযোগ্যতা বৃদ্ধি কৰি তুলিব পাৰে।

(৪) ৰচনাত্মক পৰীক্ষাৰ মূল্যায়নৰ বেলিকা সাংখ্যিক মূল্যমান বা নম্বৰ প্ৰয়োগ কৰাৰ পৰিবৰ্ত্তে পৰ্য্যায় প্ৰদান (gradation) ব্যৱস্থা গ্ৰহণ কৰিব পাৰি। ইয়াৰ ভিত্তিত প্ৰশ্নোত্তৰ কাকতসমূহত অতি উৎকৃষ্ট, সাধাৰণ মানবিশিষ্ট, নিম্নমানৰ আৰু অতি নিম্নমানৰ স্বৰূপে পাঁচটা পৰ্য্যায়কৰণ কৰিব পাৰি। এনে ব্যৱস্থাই সাংখ্যিক মানৰ অনিৰ্ভৰযোগ্যতা গুচোৱাত সহায় কৰিব পাৰে।

(৫) ৰচনাত্মক পৰীক্ষাৰ সংস্কাৰ সাধনৰ প্ৰসংগত কব পাৰি যে পৰীক্ষকসকলৰ পৰীক্ষা গ্ৰহণৰ ব্যৱস্থা (examination of the examiners) কৰাটোও এক বাস্তৱ যুক্তিসংগত কথা। প্ৰশিক্ষাপ্ৰাপ্ত পৰীক্ষকে অৰ্জিত জ্ঞানৰ বস্তুনিষ্ঠ মূল্যায়ন কৰাৰ আশা কৰিব পাৰি। ইয়াৰ বাবে পৰীক্ষক আৰু প্ৰশ্নকৰ্ত্তাসকলৰ কৰ্মশালা ব্যৱস্থাও গ্ৰহণ কৰিব পাৰি।

(৬) ৰচনাত্মক পৰীক্ষাৰ প্ৰশ্নকাকতৰ সংস্কাৰ সাধনবো ব্যৱস্থা গ্ৰহণ কৰিব পাৰি। প্ৰস্তুত প্ৰশ্নসমূহে যাতে পাঠ্যক্ৰমৰ বহল পৰিসৰ সামৰি লব পাৰে তাৰ প্ৰতি দৃষ্টি ৰাখিব লাগে। প্ৰশ্নকাকতত পৰীক্ষাৰ্থীসকলক প্ৰশ্ন নিৰ্বাচন কৰি লবৰ বাবে বহল পৰিসৰৰ সুবিধা (wider choice) প্ৰদান কৰিব লাগে। প্ৰশ্নসমূহ নিৰ্ধাৰিত সময়ৰ ভিতৰত যাতে যিকোনো ছাত্ৰই সহজে সমাপ্ত কৰিব পাৰে তাৰ প্ৰতিও দৃষ্টি ৰাখিব লাগে।

(৭) প্ৰশ্নকাকতৰ ভাষা আৰু শব্দ গাঁথনি আদি পোনপটীয়া হ'ব লাগে যাতে সাধাৰণ ছাত্ৰই তাক সহজে বুজি পাব

পাৰে। প্ৰশ্নৰ জটিলতা আৰু শব্দৰ দুৰ্বোধ্যতা সৃষ্টি কৰি পৰীক্ষাৰ্থীক বিপদত পেলোৱাটো প্ৰশ্নকাকতৰ উদ্দেশ্য হ'ব নালাগে।

(৮) প্ৰশ্নকাকতৰ প্ৰশ্নসমূহ যাতে অতিপাত দীঘল উত্তৰ দিব লগা বিধৰ নহয় আৰু ছাত্ৰই যাতে নিৰ্ধাৰিত সময়ৰ ভিতৰত সহজে তাৰ সমাপ্ত কৰিব পাৰে তাৰ প্ৰতি বিশেষ লক্ষ্য ৰাখিব লাগে। লেহেম গতিৰ ছাত্ৰই যাতে সময়ৰ অভাৱত অকৃতকাৰ্য্য হ'বলৈ নাপায় সেই কথাৰ প্ৰতি নিশ্চিত হ'ব লাগে।

(৯) প্ৰশ্নসমূহ যাতে সমপৰ্য্যায়ৰ কঠিনতাৰ ভিত্তিত প্ৰস্তুত কৰা হয় তাৰ প্ৰতিও দৃষ্টি ৰাখিব লাগে। ছাত্ৰৰ বাবে প্ৰশ্ন-কাকতত থকা বিকল্প প্ৰশ্ন যাতে অতি সহজকৈ দিয়া নহয় সেই কথা বিবেচিত হ'ব লাগে। সমান কঠিনতাৰ একে মানদণ্ডৰ ভিত্তিত প্ৰস্তুত কৰা প্ৰশ্নসমূহেইহে ইয়াৰ মূল্যায়নৰ মানদণ্ড ৰক্ষা কৰিব পাৰে।

(১০) ৰচনাত্মক পৰীক্ষাৰ প্ৰশ্নোত্তৰৰ দৈৰ্ঘ্য হ্ৰাস কৰিবৰ বাবে চমু প্ৰশ্ন (short question) প্ৰয়োগৰ কৌশল অৱলম্বন কৰিব লাগে। এনেবিধ প্ৰশ্নই ছাত্ৰৰ জ্ঞান-অভিজ্ঞতাৰ এক বহল পৰিসৰ সামৰি লব পৰাৰ উপৰিও ই তেওঁলোকক প্ৰশ্ন সঠিক ভাবে পোনে পোনে উত্তৰ দান কৰিবলৈও শিকাব পাৰে।

(১১) ৰচনাত্মক পৰীক্ষাৰ প্ৰশ্নসমূহ পৰীক্ষাঘৰৰ নিয়ন্ত্ৰিত পৰি-স্থিতিত কিদৰে পোনপটীয়াকৈ আৰু মিতব্যয়িতাৰে উত্তৰদান কৰিব লাগে তাক শ্ৰেণীত প্ৰশিক্ষণৰো ব্যৱস্থা কৰিব লাগে। সুবুজাকৈ অকাই-পকাই লিখা অভ্যাস ত্যাগ কৰিবলৈ শিকাব লাগে। উল্লেখযোগ্য যে পৰীক্ষাঘৰত

চিন্তাক সুসংগঠিত আৰু সুনিয়ন্ত্রিত কৰি প্রশ্নোত্তৰ প্রদান কৰাটো হৈছে এক উন্নত মানৰ কলা, যাৰ বাবে প্রশিক্ষণৰ প্রযোজন।

(১২) এই কথা মন কৰিবলগীয়া যে সকলোবোৰ বিষয় আৰু একোটা বিষয়ৰ সকলোবোৰ পাঠ্য উপাদানেই ৰচনাত্মক পৰীক্ষাৰ বাবে সমানে উপযোগী নহয। ৰচনাত্মক প্রশ্ন উন্নত স্তৰৰ বৌদ্ধিক যোগ্যতা আৰু সূক্ষ্ম অনুভূতি আদি প্রকাশৰ বাবেহে উপযুক্ত। সেইবাবে বিষযবস্তুৰ প্রয়োজনৰ প্রতি লক্ষ্য ৰাখিহে ৰচনাত্মক পৰীক্ষা যথোচিত ভাবে প্রযোগ কৰিব লাগে।

বস্তুনিষ্ঠ অথবা নতুন ধৰণৰ পৰীক্ষা (Objective type or New type examination) **:**

বৰ্তমান শিক্ষা আৰু পৰীক্ষাজগতত অধিক জনপ্রিযতা লাভ কৰি উঠা মূল্যাযন ব্যৱস্থা হৈছে বস্তুনিষ্ঠ পৰীক্ষা ইয়াক নতুন ধৰণৰ পৰীক্ষা স্বৰূপেও জনা যায়। এই শতিকাৰ প্রথম দশকত বুদ্ধিৰ পৰীক্ষা কৰিবৰ বাবে এবিধ নতুন প্রশ্ন পদ্ধতি মন সমীক্ষণকাৰীসকলে (mental testers) উদ্ভাৱন কৰে। ফ্রান্সৰ আলফ্রেড্ বিনেৰ (Alfred Binet) নাম এই প্রসংগত বিশেষভাবে উল্লেখযোগ্য। বুদ্ধি পৰীক্ষাৰ বাবে প্রস্তুত কৰা প্রশ্নৰ কেতবোৰ কৌশল ইমানেই জনপ্রিয় হৈ উঠে যে তাক স্কুলৰ ছাত্র-ছাত্রীৰ অৰ্জিত জ্ঞান পৰিমাপ কৰিবৰ বাবেও ক্রমে প্রয়োগ কৰিবলৈ লোৱা হয। এই প্রসংগত মনোবিদ বেলাৰ্ডে (Bnllard) তাৎপৰ্য্যপূৰ্ণ ভাবে মন্তব্য কৰি কয় যে এই বস্তুনিষ্ঠ পৰীক্ষা পদ্ধতিসমূহ মনোবিজ্ঞানীসকলৰ হাতৰ পৰা ক্রমে শিক্ষকসকলৰ হাতলৈ গতি কৰে। *

* P. B. Ballard *The New Examiner. Page 78. University of London Press Ltd. Warwick Square, London E. C 4 Fifteenth Impression, 1966.*

এইবিধ নতুন পৰীক্ষাৰ মুখ্য উদ্দেশ্য হৈছে ব্যক্তিৰ অৰ্জিত জ্ঞান-অভিজ্ঞতা আৰু ধাৰণা আদি প্ৰত্যক্ষ আৰু ব্যক্তি-নিৰপেক্ষ ভাবে পৰিমাপ কৰা। পৰীক্ষাৰ্থীয়ে প্ৰদান কৰা উত্তৰসমূহক ইয়াত বিশেষ ভাবে নিয়ন্ত্ৰিত কৰা হয়। তেওঁলোকে উত্তৰ প্ৰদানৰ বাবে উপযুক্ত স্থানত আঁচটনা, চিনদিয়া, এটা বা দুটা শব্দ প্ৰয়োগ কৰা অথবা এটা কলমক আনটো কলমৰ লগত সংযোগ কৰা আদি কাৰ্য্য সম্পাদন কৰিব লাগে। মনোবিদ চেণ্ডিফৰ্ডে (Sandiford) এই পৰীক্ষাৰ সম্বন্ধে মত প্ৰকাশ কৰি কয় যে ইয়াৰ সকলোতকৈ গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হৈছে ব্যক্তিনিষ্ঠ হোৱাৰ পৰিৱৰ্তে বস্তুনিষ্ঠ হোৱাটো। ই পৰীক্ষকৰ ব্যক্তিগত মানসিক বিশেষত্বৰ (idisyncrasie) প্ৰভাৱৰ পৰা মুক্ত।* ইয়াৰ কেতবোৰ বিশেষত্ব হৈছে—

(১) সকলোবোৰ প্ৰশ্নৰে উত্তৰ কৰিব লাগে।
(২) উত্তৰ কেৱল ভুল বা শুদ্ধ হয়।
(৩) পৰীক্ষাৰ্থীয়ে প্ৰশ্ন ভুলকৈ বুজাৰ সম্ভাৱনা নাথাকে।
(৪) উত্তৰৰ মূল্যায়ন কৰাটো অতি সহজ কাম।
(৫) হাতৰ আঁখৰ, পৰিষ্কাৰ-পৰিচ্ছন্নতা আদিৰ প্ৰশ্ন নুঠে।
(৬) প্ৰশ্ন কাকততেই উত্তৰ প্ৰদান কৰিব পাৰি।
(৭) অধিক সংখ্যক প্ৰশ্নৰ উত্তৰ কৰিব পাৰি।
(৮) প্ৰশ্ন প্ৰস্তুত কৰোতে অধিক সময় লাগে।
(৯) প্ৰতিটো প্ৰশ্ন নিৰ্দেশনা মতে উত্তৰ কৰিব লাগে।
(১০) পৰীক্ষাৰ্থী সময়ৰ হেঁচাৰ পৰা মুক্ত হয়।

বস্তুনিষ্ঠ পৰীক্ষাৰ বিভিন্ন প্ৰকাৰ (Different type of Objective Test) **:**

বৰ্তমান শিক্ষাত এই নতুন ধৰণৰ পৰীক্ষা ব্যৱস্থা অধিক উৎসাহেৰে প্ৰয়োগ কৰিবলৈ লোৱা হৈছে। স্কুলৰ পৰীক্ষাৰ উপৰিও

---

* **Peter Sandiford :** ***Educational Psychology. Page 310. Longmans Green and Co. Fifth Avenue New York. Reprint 1938.***

উচ্চ পৰ্য্যায়ৰ নানাবিধ প্ৰতিযোগিতামূলক পৰীক্ষাতো এইবিধ পৰীক্ষাৰ প্ৰচলন কৰা হৈছে। অৱশ্যে ইয়াৰ প্ৰশ্নসমূহ প্ৰস্তুত কৰাটো নিচেই সহজ কথা নহয়। প্ৰস্তুত কৰাৰ বিভিন্ন কৌশলসমূহ ভালদৰে নাজানিলে ছাত্ৰৰ শিক্ষা অভিজ্ঞতাৰ উপযুক্ত মূল্যায়ন কৰাটো দাবী কৰিব নোৱাৰি। শিক্ষকসকলে নিজ নিজ বিষয়ৰ বস্তুনিষ্ঠ পৰীক্ষা প্ৰস্তুত কৰিবৰ বাবে ইয়াৰ কৌশলসমূহৰ লগত ভালদৰে পৰিচিত হোৱাটো প্ৰয়োজন। তলত এই সম্বন্ধে কেইটামান পদ্ধতিৰ বৰ্ণনা উদাহৰণ সহ দিবলৈ চেষ্টা কৰা হৈছে।

(ক) সত্য-অসত্য পৰীক্ষা (True-false test) ঃ ইয়াৰ একোটা উক্তি বা বাক্য থাকে যি হয় সত্য নহয় অসত্য হ'ব লাগে। উক্তিটোৰ সত্যাসত্য পৰীক্ষাৰ্থীয়ে নিৰ্ণয় কৰিব লাগে। এইবিধ প্ৰশ্ন প্ৰস্তুত কৰোতে কেইটামান বিশেষ কথাকৈ লক্ষ্য ৰাখিব লাগে। সেইবোৰ হৈছে—

(১) উক্তিটো দীঘলীয়া আৰু জটিল বাক্য হ'ব নালাগে।

(২) সম্ভৱ হ'লে উক্তিটো প্ৰত্যক্ষ ভাবে প্ৰদান কৰিব লাগে।

(৩) দ্ব্যৰ্থমূলক উক্তি পৰিহাৰ কৰিব লাগে।

(৪) আংশিক ভাবে সত্য বা অসত্য বুলি দাবী কৰিব পৰা উক্তি পৰিহাৰ কৰিব লাগে।

(৫) উক্তিটোৱে উত্তৰৰ ইংগিত দিব পৰা বিধৰ হ'ব নালাগে।

(৬) উত্তৰদানৰ বাবে দিয়া নিৰ্দেশনা স্পষ্ট হ'ব লাগে।

উদাহৰণ ঃ

১। তলত দিয়া উক্তি কেইটাৰ কোনটো সত্য আৰু কোনটো অসত্য নিৰ্ণয় কৰা। তোমাৰ নিৰ্ণয় অনুযায়ী সোঁ ফালে দিয়া 'সত্য' বা 'অসত্য'ৰ তলত আঁচ টানা।

(ক) পৃথিবীয়ে নিজৰ কক্ষত পূবৰ পৰা পশ্চিমলৈ ঘূৰে।

সত্য—অসত্য

(খ) স্থানীয় সময় সঠিক সময় নহয়। সত্য—অসত্য

(গ) আহ্নিক গতিয়ে ঋতু পৰিবৰ্তন আনে। সত্য—অসত্য

২। তলত দিয়া বাক্যবোৰৰ যিটো সঁচা বুলি ভাবা তাৰ বাঁওফালে দিয়া বন্ধনীৰ মাজত (+) চিন যদি মিছা বুলি ভাবা তেন্তে (−) চিন বহুৱাই দিয়া।

( ) (ক) দ্ৰাঘিমাংশৰ পাৰ্থক্যই সময়ৰ পাৰ্থক্য আনে।

( ) (খ) ষ্টেণ্ডাৰ্ড সময় সূৰ্য্যৰ সময়।

( ) (গ) অক্ষৰেখাবোৰ পূবৰ পৰা পশ্চিমলৈ বিস্তৃত হৈ থাকে

৩। তলৰ বাক্য কেইটাৰ সত্য অসত্য নিৰ্ণয় কৰি সেই অনুক্ৰমে সোঁফালে দিয়া প্ৰতিটো বাক্যৰ বন্ধনীৰ মাজত তাক লিখি দিয়া।

(ক) আন্তৰ্জাতিক তাৰিখৰেখা গ্ৰীণউইচৰ ওপৰেদি অতিবাহিত হৈছে। ( )

(খ) গ্ৰীণউইচ গ্ৰীণলেণ্ড দ্বীপত অবস্থিত। ( )

(গ) ভাৰতৰ স্থানীয় সময় গ্ৰীণউইচৰ স্থানীয় সময়তকৈ আগবঢ়া। ( )

(খ) বহু বিকল্প বাছনি পৰীক্ষা (Multiple choice test): এইবিধ পৰীক্ষাত একোটা বাক্য বা উক্তি সম্পূৰ্ণ কৰিবৰ বাবে কেইবাটাও পৰিপূৰক শব্দ বা বাক্যাংশ দিয়া হয়। কিন্তু ইয়াৰ ভিতৰত কেৱল এটাহে মূল বাক্য বা উক্তিটোৰ বাবে গ্ৰহণযোগ্য, বাকীবোৰ গ্ৰহণযোগ্য নহয়। ইয়াত পৰীক্ষাৰ্থীয়ে বাক্যটোৰ গ্ৰহণযোগ্য পৰিপূৰক অংশ বাছি উলিয়াব লাগে। এই পৰীক্ষা প্ৰস্তুত কৰোঁতে লবলগা সাৱধানতাবোৰ হৈছে—

(১) উক্তিটোৰ বাবে প্ৰদান কৰা পৰিপূৰক অংশবোৰৰ কোনোটোৱেই অতি সহজে নিশ্চিত ভুল বুলি ধৰিব পৰা হ'ব নালাগে।

(২) উক্তিৰ পৰিপূৰক স্বৰূপে দিয়া অংশবোৰৰ সংখ্যা অতি বেছি অথবা নিচেই কম হ'ব নালাগে।

(৩) শুদ্ধ বা গ্ৰহণযোগ্য পৰিপূৰক অংশ সকলো উক্তিৰ ক্ষেত্ৰতে একে স্থানত দিয়াৰ পৰিবৰ্তে সিঁচৰতি ভাবে উপস্থাপন কৰিব লাগে।

(৪) মূল উক্তিটো সৰল আৰু পোনপটীয়া হ'ব লাগে।

(৫) নিৰ্দেশনা স্পষ্ট হ'ব লাগে।

উদাহৰণ ঃ

১। তলত দিয়া প্ৰতিটো বাক্যৰ বাবে শুদ্ধ বা উপযুক্ত বুলি ভবা অংশত (́) এই চিনেৰে দাগ দিয়া। কেৱল মাথোন এটাতহে এই চিন দিবা।

(ক) ল'ৰামতীয়া আকবৰৰ অভিভাবক আছিল—
মিৰ্জা হাকিম, বেইৰাম খাঁ, আবুল ফজল, আমীৰ খুচৰু।

(খ) আকবৰে প্ৰচাৰ কৰিব খোজা ধৰ্মটোৰ নাম—
ইছলাম ধৰ্ম, আইন-ই-আকবৰী, দীন ইলাহি, আকবৰ নামা

(গ) আকবৰৰ মৃত্যু হোৱা বছৰটো হৈছে—
১৬০১ চন, ১৫৯৭ চন, ১৫৮২ চন, ১৬০৫ চন।

২। তলত প্ৰতিটো উক্তিৰে চাৰিটাকৈ পৰিপূৰক স্বৰূপে অংশ দিয়া হৈছে। প্ৰতিটো উক্তিৰ বাবে যিটো অংশ অতি উপযুক্ত বুলি ভাবা তাৰ তলত আঁচ টানা।

(ক) আকবৰে এটা নতুন ধৰ্ম প্ৰৱৰ্তন কৰিবলৈ বিচাৰিছিল এই বাবেই যে—

(১) প্ৰচলিত ধৰ্মৰ প্ৰতি তেওঁৰ আস্থা নাছিল।

(২) তেওঁ ধৰ্মপ্ৰচাৰক হ'বলৈ ইচ্ছা কৰিছিল।

(৪) সকলোকে একেটা ধৰ্মমতলৈ আনিব খুজিছিল।

(৪) তেওঁ হিন্দু তিৰোতাও বিয়া কৰাইছিল।

(খ) আকবৰ শ্ৰেষ্ঠ মোগল সম্ৰাট এইবাবেই যে—
(১) তেওঁ বহুতো যুদ্ধ জয় কৰিছিল।
(২) শাসনৰ সকলো দিশতে কৃতকাৰ্য্য হৈছিল।
(৩) হিন্দুসকলৰ প্ৰতি সদ্ভাব দেখুৱাইছিল।
(৪) তেওঁ শিল্প কলাৰ অনুৰাগী আছিল।

(গ) সম্পূৰ্ণকৰণ পৰীক্ষা (Completion Test) : এইবিধ পৰীক্ষাত কেতবোৰ অসম্পূৰ্ণ বাক্য দিয়া হয় যাক পৰীক্ষাৰ্থীয়ে এটামাত্ৰ শব্দ বহুৱাই সম্পূৰ্ণ কৰিব লাগে। ইয়াৰ উত্তৰদানৰ বাবে প্ৰাৰূপ স্মৃতিৰ প্ৰয়োজন হয়। এই পৰীক্ষা প্ৰস্তুত কৰোতে মন কৰিবলগীয়া বিষয় হৈছে—

(১) অসম্পূৰ্ণকৈ দিয়া বাক্যটো স্পষ্ট আৰু সবল হ'ব লাগে।
(২) পূৰণ কৰিবলৈ দিয়া খালী ঠাইত এটাহে মাত্ৰ শব্দ দিয়াটো সম্ভৱ কৰিব লাগে।
(৩) সম্পূৰ্ণ কৰিবলৈ দিয়া শব্দটোৱেই যাতে বাক্যটো মূল অৰ্থবহনকাৰী হয় তালৈ লক্ষ্য ৰাখিব লাগে।
(৪) একেটা বাক্যত প্ৰয়োজন হ'লে একাধিক খালী ঠাই ৰাখিব লাগে।

উদাহৰণ ঃ

তলৰ বাক্যবোৰৰ অসম্পূৰ্ণ হৈ থকা অংশত একোটাকৈ উপযুক্ত শব্দ বহুৱাই সম্পূৰ্ণ কৰা।

(ক) যি পদে ——— গুণ বা অৱস্থা বিশেষকৈ বুজায় তাক বিশেষণীয় বিশেষণ বোলে।
(খ) বিশেষ্য বা সংজ্ঞা শব্দৰ সলনি ব্যৱহাৰ কৰা পদক ——— বোলে।
(গ) যাৰ কোনো লিংগ, বচন আৰু বিভক্তিত ৰূপান্তৰ নহয় তাক ——— বোলে।

(ঘ) কোনো শ্লোকক মাত্ৰোতে ব্যৱহাৰ কৰা শব্দক — অব্যয় বোলে।

(ঙ) ধাতুৰ যোগ হৈ বিশেষ অৰ্থ প্ৰকাশ কৰা অব্যয়ক — বোলে।

(ছ) সমিলীকৰণ পৰীক্ষা (Matching Test): ইয়াত দুটা কলমৰ প্ৰতিটোত কেইবোৰ নাম বা তথ্য-পাতি থাকে আৰু আনটো কলমত সেইবোৰৰ লগত পাৰস্পৰিক ভাৱে সম্বন্ধ থকা ঘটনা বা সমু বিৱৰণ থাকে। অৱশ্যে এই দুয়োটা কলমৰ পাৰস্পৰিক সম্বন্ধ প্ৰত্যক্ষ বা পোনে পোনে নোদেখুৱাই তথ্য-পাতিবোৰ খেলিমেলিকৈ উপস্থাপন কৰা হয়। এইবিধ পৰীক্ষা দেখাত জটিল যেন লাগিলেও প্ৰকৃততে ছাত্ৰৰ বাবে ই কঠিন নহয়। কাৰণ ইয়াত কেৱল প্ৰত্যভিজ্ঞা স্মৃতিৰ (recognition) প্ৰয়োজন হয়। প্ৰদত্ত বিষয়বস্তু ইয়াত কেৱল চিনাক্তকৰণহে কৰিব লাগে। এই পৰীক্ষা প্ৰস্তুত কৰোঁতে যাতে প্ৰথম কলমৰ এটা উপাদান দ্বিতীয় কলমৰ দুটা উপাদানৰ লগত অথবা দ্বিতীয় কলমৰ এটা উপাদান প্ৰথম কলমৰ দুটা উপাদানৰ লগত সম্বন্ধযুক্ত নহয় তাৰ প্ৰতি সতৰ্ক হ'ব লাগে। দুয়োটা কলমৰ উপাদানৰ সংখ্যাও নিয়মীয়া হ'ব লাগে।

উদাহৰণ:

তলত দিয়া দুয়োটা কলমৰ মাজত পাৰস্পৰিক সম্বন্ধ দেখুওৱা। সম্বন্ধযুক্ততা দেখুৱাবলৈ প্ৰথম কলমৰ ৰচনাৰ মাজত দিয়া নম্বৰবোৰ দ্বিতীয় কলমত দিয়া খালী বন্ধনীবোৰৰ মাজত উপযুক্ত বুলি বিবেচনা কৰা সেইমতে বহুওৱা।

প্ৰথম কলম	দ্বিতীয় কলম
(১) গোলাম	( ) ভৱেন্দ্ৰনাথ শইকীয়া
(২) মৃত্যুঞ্জয়	( ) হেম বৰুৱা
(৩) কুকুৰ নেকুৰ ডাবৰ হাড়	( ) সৌৰভ কুমাৰ চলিহা
(৪) সেন্দুৰ	( ) মনকান্ত বৰুৱা
(৫) ইজৰাইল	( ) বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য

(ঙ) সামঞ্জস্য সন্ধান পৰীক্ষা (Similarity Test) : এইবিধ পৰীক্ষাৰ প্ৰস্তুতকৰণ আৰু উত্তৰদান ব্যৱস্থা আনবোৰতকৈ আপেক্ষিক ভাবে সহজ। ইয়াত কেইটামান একে জাতীয় বা একে বিষয়ক শব্দৰ লগত এটা পৃথক আৰু সম্বন্ধহীন শব্দ সংযোগ কৰি দিয়া হয়। পৰীক্ষাৰ্থীয়ে তাক বাচি উলিয়াই তলত দাগ দিব অথবা পৃথক ভাবে লিখি দিব লাগে। ইয়াত মন কৰিবলগীয়া কথা হৈছে অমিল শব্দটো যাতে অতি সহজে ধৰিব পৰা বিধৰ নহয় তালৈ চকু ৰাখিব লাগে। ইয়াৰ উপৰি অমিল স্বৰূপে দিয়া শব্দতো যাতে কোনো ফালৰ পৰাই আন কেইটা শব্দৰ লগত কোনো ধৰণৰ মিলৰ সম্ভাৱনা নাথাকে তাৰ প্ৰতিও বিশেষ সতৰ্ক হ'ব লাগে।

উদাহৰণ

তলত দিয়া শব্দবোৰৰ মাজত বিষয়বস্তুৰ অমিল থকা শব্দটোৰ তলত আঁচ টানা।

(১) অক্সিজেন, হাইড্ৰোজেন, নাইট্ৰোজেন, বাষ্পীভৱন, কাৰ্বন ডাই-অক্সাইড।

(২) পৰিস্ৰাৱন, সঞ্চালন, স্ফটীকীকৰণ, পাতন, উৰ্ধপাতন।

(৩) বিকিৰণ, পৰিচালন, পৰিবহন, পৰিভ্ৰমণ, শোষণ।

(৪) আলোক মণ্ডল, বিশোষণ মণ্ডল, ছটা মণ্ডল, বৰ্ণ মণ্ডল, শিলা মণ্ডল।

(৫) প্ৰটোপ্লাজম, চাইটোপ্লাজম, ক্ৰোমেটিন, অংকুৰণ, কোষবেৰ।

(চ) পুনঃস্মৰণ পৰীক্ষা (Recall Test) : কোনো কথা জানিবৰ বাবে এইবিধ পৰীক্ষাৰ প্ৰশ্ন প্ৰত্যক্ষভাবে কৰা হয়। ইয়াৰ উত্তৰ দিবৰ বাবে প্ৰতিৰূপ স্মৃতিৰ প্ৰয়োজন হয়। সেইবাবে প্ৰশ্নটো প্ৰস্তুত কৰা সহজ হ'লেও ইয়াৰ উত্তৰ দিয়াটো সিমান সহজ নহয়। এইবিধ প্ৰশ্ন এনেদৰে প্ৰস্তুত কৰিব লাগে যে তাৰ উত্তৰ বৰ্ণনামূলক নহৈ সংক্ষেপে এটিয়া শব্দযুক্ত হয়। প্ৰশ্নবোৰ হ'ব লাগে তথ্য অনুসন্ধানমূলক আৰু পোনপটীয়া বিধৰ।

উদাহৰণ :

(১) অসম বিধানসভাৰ মুঠ আসন কেইখন ? ————

(২) আমাৰ দেশৰ বিধানসভাৰ সকলোতকৈ বেছি আসন থকা ৰাজ্যখন কি ? ————

(৩) অসমৰ বাবে ৰাজ্যসভাৰ আসন কেইখন ? ————

(৪) ৰাজ্যসভাৰ মুঠ সদস্য সংখ্যা কিমান ? ————

(৫) লোকসভাৰ মনোনীত সদস্য কেইজন থাকে ? ————

(ছ) সজোৱা পৰীক্ষা (Arrangement Test) : এইবিধ পৰীক্ষাত কেতবোৰ বিষয় সম্বন্ধে তথ্য-পাতি প্ৰদান কৰা হয়। এইবোৰক তাৰ গুণ, মান, সময়, প্ৰাধান্য, গুৰুত্ব আদিৰ ক্ৰম অনুসাৰে সজাবলৈ দিয়া হয়। ইযাত বিষয়বস্তুৰ ওপৰত ছাত্ৰৰ সামগ্ৰিক দৃষ্টি-ভংগী সম্বন্ধে জানিব পাৰি। প্ৰায় সমান গুণ, মান বা প্ৰাধান্য থকা দুটা বা ততোধিক উপাদান যাতে দিয়া নহয় অথবা ক্ৰম অনুসাৰে সজোৱাৰ বেলিকা কোনো বিতৰ্কৰ যাতে সৃষ্টি নহয় তাৰ প্ৰতি সতৰ্ক হ'ব লাগে।

উদাহৰণ :

(১) সাংখ্যিক মূল্যমানৰ ক্ৰম অনুসৰি পুনৰ সজোৱা—
'৯৪, '৬২৪, ০১, ১'০, '১২।

(২) দৈৰ্ঘ্যৰ ক্ৰম অনুসৰি পুনৰ সজোৱা—
কাবেৰী, সোণ, গুদাৱৰী, কপিলি, তাপ্তি।

(৩) ৰাজত্বকালৰ ক্ৰম অনুসৰি একাদিক্ৰমে সজোৱা—
গোৰীনাথ সিংহ, চন্দ্ৰকান্ত সিংহ, ৰুদ্ৰ সিংহ, চক্ৰধ্বজ সিংহ, প্ৰতাপ সিংহ।

(৪) ঘটনাৰ ক্ৰম অনুসৰি সজোৱা—
মোৱামৰীয়া বিদ্ৰোহ, শৰাইঘাটৰ ৰণ, ইয়াণ্ডাবু সন্ধি, মূলাগাভৰুৰ মৃত্যু, দন্দুৱা দ্ৰোহ।

(৫) আকাৰৰ ক্ৰম অনুসৰি সজোৱা— [illegible]

——— চন্দ্ৰ, সূৰ্য্য, পৃথিৱী, বৃহস্পতি, মংগল।

বস্তুনিষ্ঠ পৰীক্ষাৰ সবলতা (Strong point of Objective Test):

——নতুন ধৰণৰ বস্তুনিষ্ঠ পৰীক্ষাবোৰ বৰ্তমান শিক্ষাৰ পৰীক্ষা ব্যৱস্থাত অধিক ভাবে প্ৰয়োগ কৰিবলৈ লোৱা হৈছে। ইয়াৰ প্ৰধান কাৰণ হৈছে পূৰ্বৰ ৰচনাত্মক পৰীক্ষাৰ কতবোৰ অতি গুৰুতৰ অভিযোগ ই খণ্ডন কৰিব পাৰিছে। পৰীক্ষা ব্যৱস্থাৰ সংশোধনৰ প্ৰসংগত ইয়াৰ প্ৰয়োগ সেয়েহে অনিবাৰ্য্য হৈ পৰিছে। এই নতুন পৰীক্ষা ব্যৱস্থাৰ কেইবোৰ শক্তিশালী দিশ এইখিনিতে আমাৰ বিবেচনা কৰাটো প্ৰয়োজন।

(১) বস্তুনিষ্ঠ পৰীক্ষাত পৰীক্ষাৰ্থীয়ে অধিক সংখ্যাৰ উত্তৰ দান [illegible] কৰিব পাৰে [illegible] চিহ্ন। আৰু [illegible] সময়ৰ [illegible] প্ৰকাশ [illegible] যথাযথ [illegible] কৰিব নোৱাৰে [illegible] সংক্ষিপ্ত উত্তৰ [illegible] পৰীক্ষাৰ্থীয়ে মুক্ত ভাবে উত্তৰ দান কৰিব পাৰে।

(২) এইবিধ পৰীক্ষাত পৰীক্ষক আৰু পৰীক্ষাৰ্থী দুয়োৰে [illegible] আৰু পৰিশ্ৰমৰ মিতব্যয় কৰিব পাৰে। উত্তৰসমূহত বিস্তৃত বিৱৰণৰ প্ৰয়োজন নহয় আৰু সেই উত্তৰ পূৰ্বপৰিকল্পিত কৰি ৰখা হয়। ফলত পৰীক্ষক আৰু পৰীক্ষাৰ্থী দুয়োৰে বাবে নিজ নিজ শ্ৰম লাঘৱ হ'ব পাৰে।

(৩) বস্তুনিষ্ঠ পৰীক্ষাত [illegible] পৰীক্ষকৰ আত্ম-[illegible] প্ৰভাৱ [illegible] তেওঁৰ ব্যক্তিগত ভাল লগা বেয়া লগাৰ প্ৰভাৱ [illegible] ব্যক্তিমনৰ নিজস্ব বিচাৰ-বিবেচনা [illegible] অৱকাশ [illegible] তেওঁৰ [illegible] দৈহিক মানসিক অৱস্থাৰ অনুকূল-প্ৰতিকূল প্ৰভাৱৰ পৰা ই সম্পূৰ্ণৰূপে মুক্ত। [illegible]

(৪) এইবিধ পৰীক্ষাৰ মূল্যায়ন কৰিবলৈ বিশেষজ্ঞ লোকৰ প্ৰয়োজন নহয়। প্ৰদত্ত প্ৰশ্নবোৰৰ শুদ্ধ উত্তৰৰ তালিকা পৰীক্ষকক দিয়া হয়। সেইবাবে যিকোনো লোকে সেই তালিকাৰ সহায়েৰে সহজে মূল্যাঙ্কন কৰিব পাৰে। পৰীক্ষাৰ্থীয়েও নিজ সফলতা জানিব বিচাৰিলে এই তালিকাৰ সহায়ত নিজেই পৰীক্ষাৰ ফলাফল স্থিৰ কৰি ল'ব পাৰে।

(৫) বস্তুনিষ্ঠ ভিত্তিত মূল্যায়ন কৰিব পৰা হোৱা বাবে এইবিধ পৰীক্ষাৰ নিৰ্ভৰযোগ্যতা অধিক বেছি। ইয়াক পৰৱৰ্তী কালত আন কোনো লোকে মূল্যায়ন কৰিলেও মূল্যমানত বিশেষ ব্যৱধানৰ সৃষ্টি নহয়।

(৬) পৰীক্ষাৰ বৈধতাৰ ফালৰ পৰাও এইবিধ পৰীক্ষা অধিক বাবে উৎসাহজনক। পৰীক্ষাৰ মূল উদ্দেশ্য হৈছে অতীতৰ জ্ঞান-অভিজ্ঞতাৰ পৰিমাপ কৰা আৰু এই উদ্দেশ্য ই সঠিক আৰু স্পষ্ট ভাবে পূৰণ কৰিব পাৰে। ৰচনাত্মক পৰীক্ষাৰ দৰে অনাৱশ্যক দিশসমূহৰ অনুচিত মূল্যায়নৰ প্ৰশ্ন ইয়াত নুঠে।

(৭) এইবিধ পৰীক্ষাই মুখস্থ কৰা সকলক আৰু ভুবুজাকৈ ঘূৰাই পকাই লিখা সকলক বিপদত পেলায়। ইয়াৰ পৰিবৰ্তে চিন্তা কৰি প্ৰত্যক্ষ বা মৌলিক ভাবে উত্তৰ দান কৰা সকলক যথোচিত ভাবে পুৰস্কৃত কৰে।

(৮) পৰীক্ষাৰ বাবে ছাত্ৰৰ অধ্যয়নৰ বেলিকাও বিষয়বস্তুৰ প্ৰয়োজনীয় অংশ বাচি লৈ অপ্ৰয়োজনীয় অংশ বাদ দিয়াত এইবিধ পৰীক্ষাই সহায় কৰে। ইয়াৰ ফলত তেওঁলোকে অধিক উদ্দেশ্যপ্ৰণোদিত ভাবে আৰু দ্ৰুত গতিৰে পাঠ্য বিষয় অধ্যয়ন কৰিব পাৰে।

(৯) বস্তুনিষ্ঠ পৰীক্ষাই ছাত্ৰ-ছাত্ৰীৰ অধ্যয়নৰ বিষয় বস্তুৰ এক ব্যাপক পৰিসৰ সামৰি ল'ব পাৰে। অতি কম সময়তে

প্ৰশ্নোত্তৰ কৰিব পৰা হোৱা বাবে ইয়াত অধিক সংখ্যক প্ৰশ্ন উত্তৰ দানৰ বাবে প্ৰদান কৰিব পাৰি। ফলত বিষয়বস্তু সমগ্ৰভাৱে প্ৰশ্নকাকতত অন্তৰ্ভুক্ত কৰিব পাৰি।

(১০) এইবিধ পৰীক্ষাত কম লিখিব লগা হোৱা বাবে ছাত্ৰসকলে উত্তৰ দান কৰিবলৈ অধিক সময় চিন্তা কৰাৰ সুবিধা পাব পাৰে। পৰীক্ষাৰ্থীয়ে তেওঁৰ চিন্তা আৰু তাৰ লিখনিৰ ভাৱসাম্য স্থাপনৰ সমস্যা ইয়াত সৃষ্টি নহয়। লিখনিত লেহেম গতিৰ ছাত্ৰয়ো স্বাভাৱিক ভাবে প্ৰশ্নোত্তৰ সম্পূৰ্ণ কৰিব পাৰে।

এই পৰীক্ষাৰ দুৰ্বলতা (Weak points of this test) :

নতুন বস্তুনিষ্ঠ পৰীক্ষাই ৰচনাত্মক পৰীক্ষাৰ কেতবোৰ দোষ-ত্ৰুটি গুচাব পাৰিলেও ইযাক সম্পূৰ্ণ দোষমুক্ত বুলি গণ্য কৰিব নোৱাৰি। বৰ্তমান ইযাৰ জনপ্ৰিয় প্ৰয়োগৰ প্ৰসংগত অন্তৰ্নিহিত দোষ-দুৰ্বলতা-বোৰৰ বিশ্লেষণ কৰি চোৱাটো আমাৰ বাবে প্ৰয়োজন। এই ক্ষেত্ৰত নিম্নলিখিত দিশসমূহৰ প্ৰতি আমাৰ দৃষ্টি নিক্ষেপ কৰা উচিত।

(১) বস্তুনিষ্ঠ পৰীক্ষাই ব্যক্তিৰ বৌদ্ধিক চিন্তা-কল্পনা আৰু মানসিক সংগঠন ক্ষমতা আদি দিশৰ পৰিমাপ কৰিব নোৱাৰে। ছাত্ৰই অ'ত ত'ত লাভ কৰা খবৰ আৰু তথ্যপাতি আদি থিতাতে পৰিমাপ কৰিব পাৰিলেও তেওঁলোকৰ মানসিক শক্তিৰ সামুহিক অৱস্থাৰ আভাস ইয়াৰ পৰা সঠিকভাবে পাব পৰা নাযায়। তেওঁলোকৰ জ্ঞানৰ প্ৰকৃত উপলব্ধি, অনুভৱ আৰু তাৰ গভীৰতা আদি ইয়াত জানিব পৰা নাযায়।

(২) এই পৰীক্ষাই ছাত্ৰৰ অৰ্জিত জ্ঞান-ধাৰণাৰ স্পষ্ট ছবি আমাৰ আগত দাঙি ধৰিব নোৱাৰে। কোনো উত্তৰৰ শুদ্ধ চিন দিয়া, শব্দৰ তলত আঁচ টনা অথবা এটা বা দুটা শব্দ

প্ৰয়োগৰ যোগে বিষয়বস্তুৰ সম্বন্ধে ব্যক্তি মনৰ বিস্তৃত জ্ঞান-অভিজ্ঞতা জানিব পৰাটো সম্ভৱ নহয়। উচ্চ শৈক্ষিক পৰ্য্যায়ৰ মূল্যায়নৰ বাবে সেয়েহে এই পদ্ধতি অকাৰ্য্যকৰী বুলিব পাৰি।

(৩) তথ্যভিত্তিক ভাবে ছাত্ৰসকলে অধ্যয়ন কৰিব লগা হোৱা বাবে এইবিধ পৰীক্ষাই ছাত্ৰৰ অধ্যয়নত অস্বাস্থ্য প্ৰভাৱ পেলায়। কাৰণ তেওঁলোকে পৰীক্ষাত উত্তৰ দিব পৰাকৈ প্ৰয়োজনীয় উপাদান অ'ত ত'ত সংগ্ৰহ কৰিব লগা হোৱা বাবে বিষয়বস্তুৰ জ্ঞান সমগ্ৰ ৰূপত লাভ কৰিব নোৱাৰে। ফলত তেওঁলোকৰ তথ্যভিত্তিক জ্ঞানে মনত গভীৰ প্ৰভাৱ পেলাব নোৱাৰি ক্ষণস্থায়ী হৈ পৰে।

(৪) এইবিধ পৰীক্ষাৰ প্ৰতি এটা প্ৰধান অভিযোগ এয়ে যে ইয়াৰ প্ৰশ্নসমূহে পৰীক্ষাৰ্থীক আওপকীয়াকৈ শুদ্ধ উত্তৰ জানি উঠাত সহায় কৰিব পাৰে। কোৱা হয় যে ছাত্ৰ-সকলে শুদ্ধ উত্তৰত উপনীত হয় এই বাবেই নহয় যে তেওঁ-লোকে তাক নিশ্চিতভাবে জানে, কিন্তু এই বাবেইহে যে তেওঁলোকে অশুদ্ধ উত্তৰটো চিনাক্তকৰণ কৰিব পাৰে। সেয়েহে ইয়াৰ প্ৰশ্নবোৰ শুদ্ধ উত্তৰৰ নিৰ্দেশকাৰী বুলি কব পাৰি।

(৫) এই নতুন পৰীক্ষা ব্যৱস্থা আমাৰ এক অপৰিচিত আৰু অস্বাভাবিক প্ৰকাশ-মাধ্যম বুলিব পাৰি। কাৰণ প্ৰতিটো প্ৰশ্নৰে উত্তৰ দান কৰিবৰ বাবে পৰীক্ষাৰ্থীয়ে পৃথক পৃথক নিৰ্দেশনা মানি চলিব লাগে। প্ৰশ্নৰ নতুন নতুন কৌশল-বোৰৰ লগত পৰিচিত হোৱাত আৰু তাৰ উপযুক্ত উত্তৰ দানত অভ্যস্ত হোৱাত স্বাভাৱিকতেই ছাত্ৰসকলৰ বাবে সময়ৰ প্ৰয়োজন হয়।

(৬) বস্তুনিষ্ঠ পৰীক্ষাৰ আন এটা প্ৰধান দোষ এয়ে যে ই ছাত্ৰ-সকলক অনুমানৰ ওপৰত উত্তৰ দান কৰিবৰ বাবে উৎসাহী কৰি তোলে। বহুতো ছাত্ৰই প্ৰশ্নৰ সঠিক উত্তৰ সম্বন্ধে নিশ্চিত হ'ব নোৱাৰা অৱস্থাত অনুমানৰ আশ্ৰয় লয়। এনে আনুমানিক উত্তৰ দানে ভাগ্যক্ৰমে তেওঁক নম্বৰ প্ৰদান কৰিব পাৰে।

(৭) বস্তুনিষ্ঠ পৰীক্ষাৰ প্ৰশ্ন প্ৰস্তুত কৰিবৰ বাবেও শিক্ষকসকলৰ বিশেষ অভিজ্ঞতা আৰু বিষয়বস্তুৰ বিস্তৃত জ্ঞানৰ প্ৰয়োজন। ইয়াৰ অভাৱত এইবিধ পৰীক্ষাৰ প্ৰশ্ন প্ৰস্তুত কৰাত জটিলতাই দেখা দিব পাৰে। ফলত অৰ্জিত জ্ঞানৰ পৰিমাপন কৰা মূল উদ্দেশ্যই ব্যৰ্থ হৈ পৰিব পাৰে।

(৮) প্ৰশ্ন প্ৰস্তুত কৰাৰ জটিলতাৰ প্ৰতি লক্ষ্য ৰাখি কোৱা হয় যে এইবিধ পৰীক্ষাৰ মূল্যায়নৰ বেলিকা ব্যক্তিনিষ্ঠতাৰ প্ৰভাৱ গুচাব পাৰিলেও প্ৰশ্ন প্ৰস্তুত কৰাৰ বেলিকা সি পুনৰ প্ৰৱেশ কৰে। উল্লেখযোগ্য যে অনভিজ্ঞ প্ৰশ্নকাৰকৰ হাতত এনে ব্যক্তিনিষ্ঠতাৰ প্ৰভাৱে অধিক ক্ষতিসাধন কৰি তুলিব পাৰে।

(৯) এইবিধ পৰীক্ষাই ব্যক্তিৰ সৌন্দৰ্য্যানুভূতি আৰু নৈতিক মূল্যবোধ আদি মূল্যায়ন কৰিবলৈ সম্পূৰ্ণ ৰূপে অসমৰ্থ। মানৱীয় বিষয়সমূহৰ এনেবোৰ দিশ পৰিমাপনত ব্যৰ্থ হোৱা বাবেই ই উচ্চ পৰ্য্যায়ৰ শিক্ষাৰ বাবে বিশেষভাৱে অনুপযোগী।

(১০) বস্তুনিষ্ঠ পৰীক্ষাৰ আন এটা অসুবিধা এয়ে যে ই এক পৰীক্ষা ব্যৱস্থা স্বৰূপে অধিক ব্যয়বহুল। ইয়াৰ বাবে টাইপ কৰা, ষ্টেনচিল কৰা, পুস্তিকা প্ৰস্তুত কৰা আদি যাৱতীয় কামৰ অধিক দায়িত্ব শিক্ষা কৰ্তৃপক্ষই বহন কৰিব

লাগে। এনেধৰণৰ ক্ৰিয়াৰ সুবিধা নথকা স্কুলত এই পৰীক্ষা প্ৰয়োগ কৰাটো বেয়াহে অসুবিধা।

(১১) এই বস্তুগত পৰীক্ষা ব্যৱস্থাই ছাত্ৰৰ পঠন অভ্যাসত অশুভ প্ৰভাৱ পেলায়। পৰীক্ষাৰ প্ৰশ্ন প্ৰতি লক্ষ্য ৰাখিহে ছাত্ৰই পাঠ অধ্যয়ন কৰে। এইক্ষেত্ৰত তেওঁলোকে পাঠ্য বিষয়বস্তু সামগ্ৰিক অধ্যয়ন কৰাৰ পৰিবৰ্তে অ'ত ত'ত দুই এটা কথা আৰু তথ্য সামঞ্জস্যহীন ভাৱে মনত ৰাখিবলৈহে চেষ্টা কৰে।

ছাত্ৰ-ছাত্ৰীৰ লিখন অভ্যাসৰ ওপৰতো এই পৰীক্ষা ব্যৱস্থাই বিৰূপ প্ৰভাৱ পেলায়। লিখন কাৰ্য্য সৰ্বনিম্ন পৰ্য্যায়লৈ নামি যোৱা বাবে তেওঁলোকে লিখাৰ অভ্যাস হেৰুৱাই পেলাব পাৰে। এনে অৱস্থাই পৰৱৰ্তী কালৰ বৌদ্ধিক বিকাশত বিশেষ ক্ষতিসাধন কৰিব পাৰে।

বৰ্তমানৰ পৰীক্ষাৰ দোষ-ত্ৰুটি সম্বন্ধে ওপৰত কৰা আলোচনা আৰু বিশ্লেষণৰ পৰা এই কথা স্পষ্ট হয় যে এইবিধ পৰীক্ষা ৰচনাত্মক পৰীক্ষাৰ বিকল্প ব্যৱস্থা স্বৰূপে আমি গ্ৰহণ কৰিব নোৱাৰো। ইয়াৰ দোষত্ৰুটিবোৰ ৰচনাত্মক পৰীক্ষাতকৈ কম গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰিব নোৱাৰি। ই ৰচনাত্মক পৰীক্ষাৰ দুৰ্বলতাবোৰ গুচাব পাৰিছে যদিও মূল্যায়ন ব্যৱস্থাত আন কেতবোৰ দুৰ্বলতাৰ সৃষ্টি কৰিছে। প্ৰকৃতপক্ষে কবলৈ গ'লে পৰীক্ষা ব্যৱস্থাত এই দুয়োবিধৰেই কেতবোৰ নিজ নিজ প্ৰয়োজন আছে। এই দুয়োটাই এটা আনটোৰ পৰিপূৰকহে, বিকল্প ব্যৱস্থা স্বৰূপ নহয়।

প্ৰচলিত পৰীক্ষা ব্যৱস্থাৰ কেতবোৰ গুৰুতৰ অভিযোগ (Serious charges against the present examination system) :

আধুনিক শিক্ষাক্ষেত্ৰত পৰীক্ষা প্ৰধান হৈ পৰা বুলি তোলা হৈছে এই কথা আমি আজকালি অনুভৱ কৰি উঠিছো। শিক্ষাৰ লক্ষ্য উদ্দেশ্য,

পাঠ্যসূচী আৰু কাৰ্য্যসূচী, শিক্ষাদানৰ পদ্ধতি আদি সকলো দিশ আৰু শিক্ষানুষ্ঠানৰ সমগ্ৰ প্ৰচেষ্টা বৰ্তমান এই পৰীক্ষা ব্যৱস্থাতেই কেন্দ্ৰীভূত হৈছে। ছাত্ৰই শিক্ষানুষ্ঠানত নাম ভৰ্তি কৰে কেৱল চূড়ান্ত পৰীক্ষা দি মানপত্ৰ পাবৰ বাবেহে,—এনে এক মনোভাৱো বৰ্তমান গঢ়লৈ উঠা দেখা যায়। পৰীক্ষাৰ বাবে অসুস্থ প্ৰতিযোগিতাই বৰ্তমান ছাত্ৰ-শিক্ষক-অভিভাৱকসকলক নিজ নিজ ভাবে প্ৰভাৱিত কৰি তুলিছে। পৰীক্ষা সম্বন্ধে জনমত আৰু সমালোচনাও এনে এক অৱস্থালৈ গৈছে যে এই পৰীক্ষা ব্যৱস্থাটোৱেই এক ভেকোভাওনা স্বৰূপ প্ৰহসনত পৰিণত হৈছে। সমাজৰ বিভিন্ন শ্ৰেণী লোকৰ মনোভাব আৰু দৃষ্টিভংগীও নেতিবাচক আৰু নিৰাশজনক হৈ পৰিছে। প্ৰচলিত পৰীক্ষা ব্যৱস্থাৰ কেতবোৰ গুৰুতৰ অভিযোগ সম্বন্ধে নিম্নলিখিত কথা কেইটা আমাৰ বিবেচনাযোগ্য।

(১) **নিয়োগৰ মানপত্ৰ** (Certificate for employment): ছাত্ৰ-ছাত্ৰীৰ সকলো ধৰণৰ চাকৰি বা কৰ্ম নিযোগ ব্যৱস্থাৰ বাবেই পৰীক্ষাৰ কৃতকাৰ্যতা অপৰিহাৰ্য্য স্বৰূপে বিবেচিত হৈ পৰিছে। আনকি শৈক্ষিক বিষয়ৰ লগত সমূলি সম্বন্ধ নথকা কেতবোৰ ক্ৰিয়াৰ বাবেও পৰীক্ষাৰ কৃতকাৰ্য্যতা অপৰিহাৰ্য্য স্বৰূপে পৰিগণিত হৈছে। ইয়াৰ ফলস্বৰূপে নম্বৰৰ প্ৰয়োজনীয়তাই ছাত্ৰ-ছাত্ৰীসকলৰ মনত এক অস্বুস্থ প্ৰতিযোগিতাৰ মনোভাব গঢ় দি তুলিছে।

(২) **অসৎ উপায় অৱলম্বন** (Corrupt practices): বৰ্তমানৰ পৰীক্ষা ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীক পৰীক্ষা ঘৰত সকলো ধৰণৰ অসৎ উপায় অৱলম্বনৰ বাবেও উৎসাহিত কৰে। সকল কৰি কৃতকাৰ্য্যতা লাভ কৰা মনোভাবে বহুতো ছাত্ৰ-ছাত্ৰীক মানসিক ভাবে ক্ষতিগ্ৰস্ত কৰি তুলিছে। তেওঁলোকৰ মনত সাহস আৰু আত্মবিশ্বাসৰ ভাব নোহোৱা হৈ পৰি অন্যায় আৰু দুৰ্নীতিৰ মনোভাব গভীৰভাবে সোমাই পৰিছে।

(৩) **অসামাজিক আৰু অপৰাধমূলক আচৰণ (Unsocial and delinquent behaviour) :** বৰ্তমানৰ পৰীক্ষাৰ পৰিস্থিতিয়ে ছাত্ৰসকলৰ মনত অনুশাসনহীনতাৰ ভাব আৰু স্থূলত অপৰাধ প্ৰৱণতাৰ এটা পৰিবেশ গঢ় দি তোলাটো অতি দুৰ্ভাগ্যজনক কথা। পৰীক্ষাত অসৎ উপায় অৱলম্বন কৰা ছাত্ৰসকলে পৰীক্ষা ঘৰত শিক্ষকৰ প্ৰতি হেয়জ্ঞান কৰা, পৰিদৰ্শকক অপমানিত কৰা, মাৰ-ধৰ কৰা আদি কাৰ্য্যই এক প্ৰশাসনীয় পৰিস্থিতিৰো সৃষ্টি কৰি তুলিছে।

(৪) **ছাত্ৰ-শিক্ষকৰ মাজত ব্যৱধান (Gap between teacher and taught) :** বৰ্তমানৰ পৰীক্ষামুখী শিক্ষাই ছাত্ৰসকলক অধিক আত্মকেন্দ্ৰিক কৰি তুলিছে। ফলত ছাত্ৰ-শিক্ষকৰ মাজৰ সম্বন্ধ ক্ষতিগ্ৰস্ত হৈছে। ছাত্ৰসকলে শিক্ষকৰ শ্ৰেণীকক্ষৰ শিক্ষাৰ প্ৰতি আগ্ৰহহীন হৈ পৰিছে। ফলত শিক্ষক ছাত্ৰক ব্যক্তিগত ভাবে জনা আৰু তেওঁলোকৰ ব্যক্তিগত ক্ষমতাৰ বুজ লোৱাটো অসম্ভৱ হৈ পৰিছে। বহুতো ছাত্ৰই বিষয় শিক্ষকক চিনি নোপোৱাকৈয়ে তেওঁৰ বিষয়ৰ পৰীক্ষা দিয়ে।

(৫) **ছাত্ৰৰ প্ৰকৃত গুণৰ চিনাক্তকৰণত অক্ষমতা (Failure to identify good qualities of students) :** প্ৰচলিত পৰীক্ষা ব্যৱস্থাই ছাত্ৰৰ প্ৰকৃত অন্তৰ্নিহিত গুণসমূহ চিনাক্তকৰণত ব্যৰ্থ হৈছে। দেখা গৈছে পৰীক্ষাত অকৃতকাৰ্য্য হোৱা বহুতো ছাত্ৰ-ছাত্ৰীয়ে জীৱনৰ বিভিন্ন ক্ষেত্ৰত নিজ গুণৰ দ্বাৰা সুনাম অৰ্জন কৰিব পাৰিছে। আনহাতে পৰীক্ষাৰ ফলাফলৰ ভিত্তিত অসাধাৰণ স্বৰূপে মানপত্ৰ পোৱা ছাত্ৰ-ছাত্ৰীয়েও জীৱনৰ বাস্তৱ ক্ষেত্ৰত অযোগ্যতাৰ পৰিচয় দিয়ে।

(৬) **দেহ মানসিক হেঁচা প্ৰদান (Psycho-physical strain) :** বৰ্তমানৰ পৰীক্ষাই শিক্ষাৰ্থীসকলৰ দেহ-মনত অস্বাভাৱিক আৰু

অস্বস্তিকৰ পৰিস্থিতিৰ সৃষ্টি কৰি তোলা টো আমি দেখিবলৈ পাওঁ। পৰীক্ষা স্বাভাৱিকতে এই এক ভয়, আতংক আৰু উদ্বেগৰ কাৰণস্বৰূপ হৈ উঠিছে। বিশেষকৈ দেহ মানসিক ভাৱে দুৰ্বল স্বাস্থ্যৰ ছাত্ৰ-সকলৰ বাবে ই অধিক ভয়াবহ পৰিস্থিতিৰ সৃষ্টি কৰি তোলে।

(৭) ফলাফলৰ স্থায়িত্বহীনতা (Lack of consistency in the result): উল্লেখযোগ্য যে ছাত্ৰসকলৰ ৰাজহুৱা পৰীক্ষাৰ (public exam) প্ৰাপ্ত ফলাফল বাৰ স্থায়িত্বহীন আৰু বিভ্ৰান্তিকৰ হৈ পৰিছে। প্ৰাৰম্ভিক পৰীক্ষাত প্ৰথম বিভাগত বিশেষ কৃতিত্বকে উত্তীৰ্ণ হোৱা ছাত্ৰই উচ্চতৰ মাধ্যমিক পৰীক্ষাত কথমপিহে উত্তীৰ্ণ হোৱাৰ অধিক দৃষ্টান্ত আমাৰ আছে। প্ৰাপ্ত ফলাফলৰ এনে স্থায়িত্বহীনতাই জনসাধাৰণৰ মনত পৰীক্ষা সম্বন্ধে এক আস্থাহীনতাৰ ভাব গঢ়ি তুলিছে।

পৰীক্ষা ব্যৱস্থাৰ সংস্কাৰ সাধন (Reform of examination system):

প্ৰচলিত পৰীক্ষা ব্যৱস্থা সমাধা ধৰণৰ অসুবিধাই থকা স্বত্বেও ইয়াক সম্পূৰ্ণৰূপে পৰিহাৰ কৰিব নোৱাৰি। বৰ্তমান শিক্ষাবিদ আৰু মনঃসমীক্ষণকাৰীসকলে অৰ্জিত জ্ঞানৰ মূল্যায়নৰ ক্ষেত্ৰত বিশেষ মনোযোগ দিছে আৰু এই সম্বন্ধে নতুন নতুন দৃষ্টিভংগীৰে ইয়াৰ সমস্যা সমাধানৰ পৰামৰ্শ আগবঢ়াইছে। উল্লেখযোগ্য যে পৰীক্ষাত অৰ্জিত জ্ঞান পৰিমাপণ কৰা পুৰণি ধাৰণাৰ এক তাৎপৰ্যপূৰ্ণ পৰিৱৰ্তন সাধিত হৈছে। বৰ্তমান এই পৰীক্ষাৰ ধাৰণাক এক বহল দৃষ্টিৰে পুনৰ বিবেচনা কৰা হৈছে। ইয়াক অবিৰত ব্যাপক পৰিসৰ মূল্যায়ন (continuous comprehensive evaluation) বুলি স্বৰূপে বৰ্ণনা কৰা হৈছে। সেই অনুসৰি স্কুলৰ শ্ৰেণীৰ বাহিৰে ভিতৰে ছাত্ৰৰ শৈক্ষিক ভূমিকাৰ, বিভিন্ন দিশত দেখুওৱা যোগ্যতা আৰু সক্ষমতাৰ প্ৰয়োজনীয় বিভিন্ন তথ্যপাতি সংগ্ৰহ কৰা হৈছে।

সেয়েহে শৈক্ষিক মূল্যায়নৰ ক্ৰিয়া পৰিসৰ অধিক ব্যাপক কৰি তোলা হৈছে।

পৰীক্ষাৰ সংস্কাৰ সাধনৰ প্ৰসংগত এই কথা উল্লেখযোগ্য যে বৰ্তমান শিক্ষাবিদসকলে পুৰণি ৰচনাত্মক পৰীক্ষা ব্যৱস্থাৰ আৱশ্যকীয় সংস্কাৰ সাধন কৰি পুনৰ প্ৰয়োগৰ পক্ষপাতি। পুৰণি ৰচনাত্মক পৰীক্ষা আৰু বৰ্তমানৰ নতুন বস্তুনিষ্ঠ পৰীক্ষা এই দুয়োবিধৰেই সবলতা আৰু দুৰ্বলতাবোৰৰ প্ৰতি লক্ষ্য ৰাখি ইয়াক এবিধ আনবিধৰ পৰিপূৰক পদ্ধতি স্বৰূপে গ্ৰহণৰ মত প্ৰকাশ কৰিছে। ইয়াৰ এবিধে আনবিধৰ দোষ-ত্ৰুটি আৰু দুৰ্বলতাসমূহ গুচাবলৈ সক্ষম হয়। এই প্ৰসংগত ভাৰ্ণন (Vernon) নামৰ এজন বিশেষজ্ঞই দিয়া মতামত বিশেষ তাৎপৰ্য্যপূৰ্ণ। তেওঁ মত প্ৰকাশ কৰি কয় যে এই দুয়োবিধ পৰীক্ষা সংযোগ সাধন কৰিলে এবিধে আনবিধৰ দোষ-ত্ৰুটিবোৰ গুচাব পাৰিব আৰু ইয়াৰ মুঠ ফলাফল নিশ্চিতভাৱে পৃথক পৃথক বিধতকৈ উৎকৃষ্ট বিধৰ হব। (By combining them the respective errors partially cancel one another out and the total validity is definitely superior to that either of the separate types.)

ইয়াৰ উপৰি পৰীক্ষা ব্যৱস্থাক এক বহল পৰিসৰত গঢ় দিবলৈ স্কুলৰ বাবে শিক্ষাবিদসকলে কেতবোৰ অধিক গ্ৰহণযোগ্য মূল্যায়নৰ কৌশল উদ্ভাৱন কৰিছে। এই নতুন কৌশলবোৰ প্ৰয়োগ কৰি বৰ্তমান পৰীক্ষা ব্যৱস্থাত সুফল লাভ কৰাও দেখা গৈছে। এই প্ৰসংগত নিম্নলিখিত নতুন দৃষ্টিভংগীসমূহ আমাৰ বিবেচনাযোগ্য।

(১) চেমিষ্টাৰ পদ্ধতি (Semester system): বৰ্তমান পৰীক্ষা ব্যৱস্থাৰ দুৰ্বলতা গুচাবলৈ চেমিষ্টাৰ পদ্ধতি সক্ষম হব পাৰে বুলি ভবা হৈছে। ইংৰাজী 'চেমিষ্টাৰ' শব্দ জাৰ্মান ভাষাৰ পৰা উৎপত্তি হৈছে যাৰ অৰ্থ হৈছে ছয়মাহ। সেইবাবে এই নতুন পদ্ধতিয়ে ছাত্ৰ আৰু শিক্ষকৰ শৈক্ষিক ক্ৰিয়া-কলাপ বছৰেক দুটা

ভাগত বিভক্ত কৰিছে। সেই অনুক্ৰমে ছাত্ৰৰ অৰ্জিত জ্ঞান পৰিমাপনৰ বাবে প্ৰথম চেমিষ্টাৰ আৰু দ্বিতীয় চেমিষ্টাৰ স্বৰূপে ছমহীয়া পৰীক্ষা ব্যৱস্থাৰ প্ৰস্তুত কৰিছে। ইয়াৰ ফলত ছাত্ৰসকলৰ পৰীক্ষাৰ বোজা দুটা ভাগত বিভক্ত কৰি পাতলাবলৈ চেষ্টা কৰা হৈছে। আমাৰ দেশৰ Indian Institute of Technology ৰ দৰে অনুষ্ঠানত ইয়াৰ প্ৰয়োগ কৰি উৎসাহজনক ফল পোৱা হৈছে। বৰ্তমান প্ৰায় ৪০ খন বিশ্ববিদ্যালয়ে এই পদ্ধতিৰ পৰীক্ষা ব্যৱস্থা গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে ছমাহৰ পৰিবৰ্তে তিনিমাহৰ মূৰে মূৰে পৰীক্ষা পাতিবলৈ ট্ৰাইমিষ্টাৰ (Trimester) পদ্ধতি গ্ৰহণৰো ব্যৱস্থা কৰা হৈছে। অৱশ্যে এই ট্ৰাইমিষ্টাৰ পদ্ধতি গ্ৰহণৰ ফলত বিশেষ উৎসাহজনক কৃতকাৰ্য্যতা লাভ কৰিব পৰা হোৱা নাই।

অৱশ্যে এই চেমিষ্টাৰ বা ট্ৰাইমিষ্টাৰ পদ্ধতিৰ কাৰ্য্যকৰিতাৰ প্ৰসংগত কব পাৰি যে শিক্ষানুষ্ঠানৰ প্ৰশাসনীয় দক্ষতা, অনুশাসন ব্যৱস্থা আৰু নিয়মিতভাবে শৈক্ষিক ক্ৰিয়া-কলাপৰ অগ্ৰগতি লাভ কৰা অৱস্থাতহে ই কৃতকাৰ্য্য হৈ উঠিব পাৰে। ইয়াৰ বাবে ছাত্ৰ, শিক্ষক আৰু শিক্ষাকৰ্তৃপক্ষই নিজ নিজ কৰ্তব্য নিষ্ঠা আৰু তৎপৰতাৰে পালন কৰাটো প্ৰয়োজন। শিক্ষানুষ্ঠানৰ শৈক্ষিক অবধি আৰম্ভ হোৱা দিনৰ পৰা স্বাভাৱিক গতিৰে অধ্যয়নৰ নিৰ্ধাৰিত বিষয়সূচী আগবাঢ়িব পাৰিলেহে ইয়াৰ কৃতকাৰ্য্যতা আশা কৰিব পাৰি। ইয়াৰ বাবে ছমহীয়া শিক্ষাৰ কালছোৱাত শিক্ষকে শিক্ষাদানৰ সুপৰিকল্পিত আঁচনি বা পৰিকল্পনা প্ৰস্তুত কৰি লোৱাটোও প্ৰয়োজন।

(২) প্ৰশ্নভাণ্ডাৰ (Question Bank): বৰ্তমান পৰীক্ষাৰ সংস্কাৰ সাধনৰ এক প্ৰচেষ্টাস্বৰূপে প্ৰশ্নভাণ্ডাৰ প্ৰস্তুতকৰণৰ ব্যৱস্থা কৰা হৈছে। এই প্ৰশ্নভাণ্ডাৰত একো একোটা বিষয়ৰ সম্ভাব্য সকলোবোৰ প্ৰশ্ন সংগ্ৰহ কৰা হয় আৰু ছাত্ৰ-ছাত্ৰীসকলক সেইবোৰ অৱগত কৰোৱা হয়। ইয়াৰ মূল উদ্দেশ্য হৈছে পৰীক্ষাৰ্থীক একো একোটা বিষয়ৰ সম্ভাব্য প্ৰশ্নৰ এক বহল আৰু ব্যাপক দৃষ্টিভংগী প্ৰদান

কৰা, যাতে পৰীক্ষাত আহিব লগা প্ৰশ্নসমূহৰ সম্বন্ধে তেওঁলোকৰ মনত কোনো ধৰণৰ ৰহস্যজনক ভাৱে ঠাই লব নোৱাৰে। এনে ব্যৱস্থাই ছাত্ৰসকলৰ মনৰ সকলো জল্পনা-কল্পনা আৰু এই সম্বন্ধীয় কৌতূহলৰ অৱসান ঘটাব পাৰে। ইয়াৰ ফলত তেওঁলোকে অধ্যয়নৰ বিষযবস্তুৰ জ্ঞান-অভিজ্ঞতা এক বহল পৰিসৰত আয়ত্ত কৰিবলৈ শিকে। শিক্ষকৰ ওচৰত এই প্ৰশ্নবোৰৰ উত্তৰ সম্বন্ধে প্ৰয়োজনীয় শিক্ষা-নিৰ্দেশনা লাভ কৰিবলৈ আগ্ৰহী হৈ উঠিব পাৰে। শিক্ষকৰ নিৰ্দেশনাৰে ছাত্ৰসকলে নিজেই এই প্ৰশ্নসমূহৰ উত্তৰ প্ৰস্তুত কৰি লব পাৰে। সেইবাবে প্ৰশ্নভাণ্ডাৰ ব্যৱস্থাই ছাত্ৰসকলৰ মনৰ ভয়, উৎকণ্ঠা আৰু ৰহস্যজনক পৰিস্থিতিৰ অৱসান ঘটাই তেওঁলোকৰ মনত অধিক সাহস আৰু আত্মবিশ্বাসৰ ভাব জগাই তুলিব পাৰে। পৰীক্ষাৰ এক সুস্থ মানসিক পৰিবেশ গঢ় দি তুলিবৰ বাবে এনে এটা অৱস্থাৰ বিশেষ প্ৰয়োজন।

অৱশ্যে প্ৰশ্নভাণ্ডাৰৰ দুৰ্বলতাৰ প্ৰতিও আমি সচেতন হোৱাটো প্ৰয়োজন। যেতিয়ালৈকে প্ৰশ্নভাণ্ডাৰৰ প্ৰশ্নবোৰৰ ওপৰত প্ৰস্তুত কৰা প্ৰশ্নোত্তৰ ভাণ্ডাৰ বা 'সহায়িকা' সমূহৰ প্ৰকাশ আইনৰ যোগেদি বন্ধ কৰিব পৰা নাযায় তেতিয়ালৈকে ইয়াৰ মূল উদ্দেশ্য সাধন কৰিব পৰা নহয়। কাৰণ প্ৰশ্নৰ উত্তৰ ভাণ্ডাৰবোৰে ছাত্ৰ-ছাত্ৰীসকলৰ অধ্যয়ন আৰু পৰীক্ষণ কাৰ্য্যত বিৰূপ প্ৰভাৱ পেলাব পাৰে। তেওঁ-লোকৰ বিষযবস্তুৰ অধ্যয়ন ই সংকুচিত কৰি তুলিব পাৰে আৰু যান্ত্ৰিক মুখস্থ বিদ্যাৰ প্ৰতি অধিক উৎসাহী কৰি তুলিব পাৰে। পৰীক্ষা ঘৰত অসৎ উপায় গ্ৰহণৰ বাবেও ই কোনো কোনো ছাত্ৰক উদ্ভত কৰি তুলিব পাৰে। উল্লেখযোগ্য যে এনে এক পৰিস্থিতিৰ সম্মুখীন হব লগা হোৱা বাবে গুৱাহাটী বিশ্ববিদ্যালয়ত ইয়াৰ কেই-বছৰমান প্ৰয়োগ কৰাৰ পিচত এই ব্যৱস্থা পৰিহাৰ কৰিব লগা হয়। এই প্ৰসংগত সেযেহে কব পাৰি যে প্ৰশ্নভাণ্ডাৰৰ প্ৰশ্নসমূহ হুবহু পৰীক্ষাৰ প্ৰশ্নকাকতত তুলি দিয়াৰ পৰিবৰ্তে আদৰ্শ প্ৰশ্ন বা model

question প্ৰয়োগ কৰাটোহে অধিক ফলদায়ক ব্যৱস্থা হৈ উঠিব পাৰে।

(ত) আভ্যন্তৰীণ মূল্যায়ন (Internal Assessment): বহিঃ পৰীক্ষাৰ অসুস্থ ব্যক্তিনিষ্ঠ প্ৰভাৱ হ্ৰাস কৰিবৰ বাবে আভ্যন্তৰীণ মূল্যায়ন ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এইবিধ পৰীক্ষাক আভ্যন্তৰীণ বোলা হৈছে এইবাবেই যে ইয়াত শিক্ষাদান আৰু পৰীক্ষণ বা মূল্যায়ন কৰা কৰ্তৃপক্ষ এটাই, আৰু ই হৈছে শিক্ষক নিজেই। শিক্ষকৰ নিজ বিচাৰ বিবেচনা আৰু ছাত্ৰ-ছাত্ৰীৰ যোগ্যতা বা ক্ষমতা সম্বন্ধে তেওঁৰ নিজ মূল্যায়ন ব্যৱস্থা বহিঃ পৰীক্ষাৰ যিকোনো ব্যৱস্থতকৈ অধিক নিৰ্ভৰযোগ্য হোৱাটো আশা কৰা হয়। সেইবাবে চূড়ান্ত পৰীক্ষাৰ নিৰ্ভৰযোগ্য মূল্যায়ন কৰিবৰ বাবে মুঠ নম্বৰৰ শতকৰা ২০/২৫ ভাগ শিক্ষকৰ নিজস্ব মূল্যায়নৰ বাবে আছুতীয়াকৈ ৰখা হয়। এনে ব্যৱস্থাৰ যোগেদি পৰীক্ষাৰ নিৰ্ভৰযোগ্যতা বৃদ্ধি কৰি তালাৰ লগতে ছাত্ৰসকলক শিক্ষকৰ নিয়ন্ত্ৰণ ৰখাটোও সম্ভৱ হৈ উঠিব পাৰে। শিক্ষকসকলে পৰিশ্ৰমী আৰু কৰ্তব্যপৰায়ণ ছাত্ৰসকলক প্ৰয়োজন মতে পুৰস্কৃত কৰি তুলিব পাৰে। ইয়াৰ উপৰি শিক্ষকক দিয়া এনে ক্ষমতাই তেওঁৰ ব্যক্তিত্ব আৰু ছাত্ৰসকলৰ দৃষ্টিত তেওঁৰ প্ৰতিচ্ছবি অধিক শক্তিশালী কৰি তুলিব পাৰে।

অৱশ্যে এই আভ্যন্তৰীণ মূল্যায়ন ব্যৱস্থাৰ ক্ষেত্ৰত থকা ইয়াৰ প্ৰায়োগিক দিশৰ সীমাবদ্ধতাৰ প্ৰতিও আমি সচেতন হোৱাটো প্ৰয়োজন। এই ব্যৱস্থাৰ সাৰ্থকতা ঘাইকৈ নিৰ্ভৰ কৰে শিক্ষকসকলৰ নিৰপেক্ষ বিচাৰ বিবেচনা আৰু তেওঁৰ ব্যক্তিত্বৰ সংহতিৰ ওপৰত। বৰ্তমান সময়ত নম্বৰৰ প্ৰতিযোগিতাই ছাত্ৰ-শিক্ষক-অভিভাৱক তথা সমাজৰ সকলো শ্ৰেণী লোকক প্ৰভাৱিত কৰি তুলিছে। ব্যক্তিৰ যিকোনো কৰ্ম নিয়োগৰ বাবে উপযুক্ততা পৰীক্ষাৰ নম্বৰৰ মানেৰে পৰিমাপ কৰা হয়। এনে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত এইবিধ পৰীক্ষাৰ

নির্ভৰযোগ্যতা আৰু এইক্ষেত্ৰত শিক্ষকৰ নৈৰ্ব্যক্তিকতা ৰক্ষা কৰি চলাটো অতি কঠিন কাম। অৱশ্যে ব্যক্তিত্বৰ সংহতি ৰক্ষা কৰি চলা শিক্ষকৰ হাতত এইবিধ পদ্ধতিয়ে সুফল দিব পাৰে।

(৪) অবিৰত সামূহিক মূল্যায়ন (Continuous comprehensive assessment) : শিক্ষাবিদসকলে মত প্ৰকাশ কৰে যে ছাত্ৰ-ছাত্ৰীৰ মূল্যায়ন কাৰ্য্যত অবিৰতভাৱে আৰু সামগ্ৰিক ৰূপত কৰাৰ ব্যৱস্থা কৰিব লাগে। বছৰটোৰ শেষত অথবা শৈক্ষিক বছৰৰ অন্তত পৰীক্ষা অনুষ্ঠিত কৰি কেইটামান মাত্ৰ লিখিত প্ৰশ্নৰ উত্তৰৰ ওপৰত ভিত্তি কৰি ছাত্ৰৰ শিক্ষা অভিজ্ঞতাৰ স্বৰূপ জানি উঠিব পৰা নাযায়। অবিৰত সামূহিক মূল্যায়ন ব্যৱস্থাৰ যোগেদিহে সি সম্ভৱ হৈ উঠিব পাৰে। এনে মূল্যায়নৰ বাবে শৈক্ষিক বছৰটোত ছাত্ৰই শ্ৰেণীৰ বাহিৰে-ভিতৰে কৰা বিভিন্ন কাম-কাজৰ এক সমগ্ৰ ৰূপত অধ্যয়নৰ ব্যৱস্থা কৰা হয়। ইয়াৰ ভিতৰত ছাত্ৰৰ পাঠগ্ৰহণৰ বেলিকা শ্ৰেণীকক্ষত প্ৰদৰ্শন কৰা ভূমিকা, হোম ৱৰ্ক, পৰীক্ষাগাৰ আৰু কৰ্মশালাৰ ক্ৰিয়া-কলাপ, ছাত্ৰৰ প্ৰস্তুত প্ৰকল্পৰ প্ৰতিবেদন (Project report), আলোচনাচক্ৰত কৰা অংশগ্ৰহণ, সমাজসেৱাৰ ক্ৰিয়া আৰু বিবিধ সহ-পাঠ্যক্ৰমৰ কাৰ্য্যসূচীত লোৱা সক্ৰিয় ভূমিকা আৰু ইয়াৰ কৃতিত্ব আদি অন্তৰ্ভুক্ত কৰিব পাৰি। শিক্ষকে ছাত্ৰৰ ব্যক্তিত্ব বিকাশৰ এই সমগ্ৰ দিশৰ ওপৰত personality profile অথবা cumulative record card প্ৰস্তুত কৰি তুলিব লাগে। এনে ব্যৱস্থাই ছাত্ৰৰ বিভিন্ন দিশৰ ক্ৰিয়া-কলাপ সম্বন্ধে শিক্ষকক প্ৰয়োজনীয় ধাৰণা দিব পাৰে। ইয়াৰ উপৰি স্কুলত কেৱল পাঠদান কৰা গতানুগতিক যন্ত্ৰচালিত ব্যৱস্থাৰ পৰিৱৰ্তে সমগ্ৰ শিক্ষা ব্যৱস্থাটোকেই গতিশীল ৰূপদান কৰিব পাৰে। অভিজ্ঞতা আহৰণৰ ব্যাপক পৰিসৰ আৰু তাৰ কৰ্মক্ষেত্ৰ সম্বন্ধেও ছাত্ৰসকলৰ মনত ই এক নতুন ধাৰণা দিব পাৰে।

(৫) **পৰ্য্যায়কৰণ ব্যৱস্থা** (System of grading) : ৰচনাত্মক পৰীক্ষা ব্যৱস্থাৰ মূল্যায়নৰ ক্ষেত্ৰত যি ব্যক্তিনিষ্ঠতাৰ প্ৰভাৱ তাক গুচাবৰ বাবে পৰ্য্যাযকৰণ ব্যৱস্থা গ্ৰহণ কৰিব পাৰি। ইয়াত শিক্ষকে ছাত্ৰক সাংখ্যিকভাবে কোনো নম্বৰ বা মূল্যমান প্ৰদান কৰাৰ পৰিবৰ্তে ছাত্ৰৰ কৃতিত্বৰ মানদণ্ড অনুসৰি পৰ্য্যায়কৰণৰ একো একোটা মান বা গ্ৰেড্ (grade) প্ৰদান কৰিব পাৰে। এনে পৰ্য্যায়কৰণক A, B, C, D আদি চাৰিটা ভাগত বিভক্ত কৰিব পাৰি। এই পৰ্য্যায়কেইটা ছাত্ৰৰ কৃতিত্বৰ গুণমান অনুসৰি যথাক্ৰমে অতি উন্নত, উন্নত, স্বাভাৱিক আৰু নিম্নমানৰ স্বৰূপে বৰ্ণনা কৰিব পাৰি। সাংখ্যিক ভাবেও এনে মূল্যমানৰ পৰ্য্যায় কেইটাক যথাক্ৰমে যোগ্যতাৰ ভিত্তিত ৩, ২, ১, আৰু ০ স্বৰূপে মান প্ৰদান কৰিব পাৰি। অৱশ্যে এইক্ষেত্ৰত প্ৰয়োজন আৰু সুবিধা অনুসৰি এনে মান প্ৰদানৰ পৰ্য্যায় পাঁচটা বা সাতটালৈও বৰ্ধিত কৰি তুলিব পাৰি। তলত ইয়াৰ এখন তালিকা উপস্থাপন কৰা হৈছে।

পৰ্য্যায	গুণমান	আংকিকমান
ক	অতি উন্নত মানৰ	৩ পইণ্ট
খ	উন্নত মানৰ	২ "
গ	স্বাভাৱিক	১ "
ঘ	নিম্নমানৰ	০ "

উল্লেখযোগ্য যে এনে পৰ্য্যাযকৰণ ব্যৱস্থাই পৰীক্ষকৰ মূল্যায়ন অধিক নিৰ্ভৰযোগ্য আৰু স্থাযিত্বশীল কৰি তুলিব পাৰে। এনে স্থায়িত্বশীলতা সাংখ্যিক নম্বৰ প্ৰদানৰ যোগেদি পাব পৰা নাযায়। কাৰণ একেজন পৰীক্ষকেই একেজন পৰীক্ষাৰ্থীৰ প্ৰশ্নোত্তৰ কাকতত বিভিন্ন সময়ত ভিন ভিন নম্বৰ প্ৰদান কৰিব পাৰে। কিন্তু তেওঁ নম্বৰৰ পৰিবৰ্তে পৰ্য্যায়কৰণৰ মান প্ৰদান কৰিলে এনে পৰিবৰ্তন

নহয়। অৱশ্যে এনে পৰ্য্যায়কৰণ ব্যৱস্থা আভ্যন্তৰীণ পৰীক্ষাতহে অধিক উপযুক্ত ভাবে প্ৰয়োগ কৰিব পাৰি য'ত শিক্ষকে পৰীক্ষাৰ্থীক ভালদৰে জানি উঠাৰ সুবিধা পাব পাৰে। ইয়াৰ উপৰি অভিজ্ঞ শিক্ষক আৰু পৰীক্ষকহে এই পৰ্য্যাযকৰণৰ মূল্যায়ন সঠিক আৰু নিৰ্ভৰযোগ্য ভাবে কৰিব পাৰে। শিক্ষণ আৰু পৰীক্ষণৰ অভিজ্ঞতা নথকা লোকে এনে পৰ্য্যাযকৰণৰ গুণমান সঠিকভাবে নিৰ্ণয় কৰি উঠিব নোৱাৰে।

(৬) মৌখিক পৰীক্ষা (Oral examination) : এইবিধ ব্যৱস্থাক সাক্ষাৎকাৰ অথবা সমুখা-সমুখি পৰীক্ষা স্বৰূপে বৰ্ণনা কৰিব পাৰি। ইয়াৰ যোগেদি পৰীক্ষাৰ্থীজনৰ সম্বন্ধে প্ৰয়োজনীয় ধাৰণা নিজ চকুৰে চাই কৰি লব পাৰি। এজন ছাত্ৰই লাভ কৰা জ্ঞান অভিজ্ঞতাসমূহৰ সম্বন্ধে তেওঁৰ মনত কেনে আত্ম-প্ৰত্যয় আৰু আত্ম-বিশ্বাসৰ ভাব গঢ়ি উঠিছে আৰু তেওঁৰ প্ৰাপ্তজ্ঞান কিদৰে প্ৰয়োজন অনুসৰি প্ৰযোগ কৰিব পাৰে তাক সহজে জানি উঠিব পাৰি। লগতে তেওঁৰ ব্যক্তিত্বৰ কেতবোৰ আকৰ্ষণীয় দিশ, যেনে— পৰিপাটিতা, ব্যক্তিগত কথনভংগী আৰু আচৰণৰ নম্ৰতা আদি সম্বন্ধেও চাক্ষুষভাবে জানি উঠিব পাৰি। মৌখিকভাবে লোৱা সাক্ষাৎকাৰৰ এনেবোৰ বিশেষত্বৰ বাবেই বৰ্তমান কৰ্ম নিয়োগ আৰু শিক্ষানুষ্ঠানৰ নামভৰ্তিকৰণৰ বাবে ই অপৰিহাৰ্য্য স্বৰূপে বিবেচনা কৰা হয়।

অৱশ্যে এনে মৌখিক পৰীক্ষাই ছাত্ৰৰ অৰ্জিত জ্ঞানৰ বিস্তৃত ধাৰণা আমাক দিব নোৱাৰে। যিসকল ছাত্ৰই মৌখিক শব্দ প্ৰয়োগত অক্ষমতা অনুভৱ কৰে আৰু যিসকলে বাক-অক্ষমতাত (speech difficulty) ভোগে তেওঁলোকৰ বাবে ই বিশেষ অসুবিধাৰ সৃষ্টি কৰে। ইয়াৰ উপৰি বিভিন্ন দৈহিক আৰু মানসিক কাৰণত হীনাম্মিকাত ভোগ কৰা সকলেও ইয়াত প্ৰয়োজনীয় সফলতা প্ৰদৰ্শন কৰিব নোৱাৰে। অৱশ্যে অতি কম সময়ৰ ভিতৰতে ছাত্ৰৰ জ্ঞান অভিজ্ঞতাৰ

থুলমুল আভাস পাব পৰা হোৱা বাবেই বৰ্তমান এই পদ্ধতিৰ ব্যাপক প্ৰয়োগ কৰা হয়।

(৭) **চমু প্ৰশ্নৰ ব্যৱহাৰ** (Use of short questions): ৰচনাত্মক পৰীক্ষাৰ ব্যক্তিনিষ্ঠতাৰ প্ৰভাৱ হ্ৰাস কৰিবৰ বাবে চমু প্ৰশ্নোত্তৰ প্ৰদানক এক বিশেষ কৌশল স্বৰূপে বৰ্তমান প্ৰযোগ কৰা হয়। ইয়াত ছাত্ৰসকলক সহজ-সৰল, পোনপটীয়া আৰু চমুকৈ কোনো প্ৰশ্নৰ উত্তৰ দিবলৈ কোৱা হয। এনে ব্যৱস্থাই ৰচনাত্মক পৰীক্ষাৰ দীঘলীয়া প্ৰশ্নোত্তৰ তাৎপৰ্য্যপূৰ্ণভাবে নিযন্ত্ৰিত কৰি তুলিব পাৰে। ইয়াৰ যোগেদি এহাতে ৰচনাত্মক পৰীক্ষাৰ ব্যক্তিনিষ্ঠতাৰ প্ৰভাৱ কমাব পাৰি আৰু আনহাতে নতুন বস্তুনিষ্ঠ পৰীক্ষাৰ অত্যধিক বস্তুনিষ্ঠতা বা যান্ত্ৰিকতাৰ প্ৰভাৱ হ্ৰাস কৰিব পাৰি। ইযাৰ ফল-স্বৰূপে এই দুইবিধ পৰীক্ষাৰ নিজ নিজ প্ৰভাৱৰ ভাৰসাম্য ৰক্ষা কৰি চলিব পৰা যায়। ছাত্ৰসকলে পৰীক্ষাত অকাই পকাই অন্তঃসাৰশূন্য-ভাবে লিখাৰ পৰিবৰ্তে ইযাত তেওঁলোকে প্ৰশ্নৰ পোনপটীযা উত্তৰ প্ৰদান কৰিবলৈ শিকে। নিজ চিন্তাক প্ৰযোজন মতে নিযন্ত্ৰণ কৰি এক মানসিক মিত্যব্যযিতাৰ (mental economy) পৰিচয দিব পাৰে। শিক্ষক আৰু পৰীক্ষকৰ শ্ৰম আৰু সময়ৰো ইযাত উপযুক্ত প্ৰয়োগ কৰিব পৰা হয়। উত্তৰদানত কম সময়ৰ প্ৰযোজন হোৱা বাবে এইবিধ প্ৰশ্ন প্ৰযোগৰ যোগেদি অধিক প্ৰশ্ন প্ৰদানেৰে বিষয়-বস্তুৰ বহল পৰিসৰ সামৰি লব পাৰি। এনেবোৰ বিশেষ সুবিধা থকা বাবেই বৰ্তমান এইবিধ প্ৰশ্ন প্ৰয়োগ অধিক জনপ্ৰিয় হৈ উঠাটো লক্ষ্য কৰিব পাৰি।

(৮) **কম্পাৰ্টমেণ্টেল পৰীক্ষা ব্যৱস্থা** (Compartmental examination system): যিসকল ছাত্ৰ-ছাত্ৰীয়ে কোনো বিশেষ কাৰণত চূড়ান্ত পৰীক্ষাত অকৃতকাৰ্য্য হয় তেওঁলোকৰ যোগ্যতা প্ৰমাণৰ বাবে ইয়াৰ যোগেদি এক সুবিধা দিয়া হয়। এই বিশেষ পৰীক্ষা ব্যৱস্থা সাধাৰণতে সামাজিক স্বীকৃতি প্ৰদান কৰা বহিঃপৰীক্ষা

(external examination) বোৰতহে প্ৰয়োগ কৰা হয়। পৰীক্ষা কাৰ্য্য হৈছে ছাত্ৰসকলক সামাজিকভাবে স্বীকৃতি প্ৰদানৰ এক ৰাজ-হুৱা ব্যৱস্থা। এনে সামাজিক স্বীকৃতিৰ বাবে প্ৰয়োজন হোৱা ডিগ্ৰী, ডিপ্লোমা আৰু যোগ্যতাৰ মানপত্ৰ আদি যাতে দুৰ্ভাগ্যজনক ভাবে অথবা অপ্ৰত্যাশিতভাবে অকৃতকাৰ্য্য হোৱাসকলে পোৱাৰ পৰা বঞ্চিত হব নালাগে তাৰ এক উদাৰ ব্যৱস্থা ইয়াৰ যোগেদি কৰা হৈছে। ইয়াৰ উপৰি তেওঁলোকে এনে দুৰ্ভাগ্যজনকভাবে যাতে এটা শৈক্ষিক বছৰ নষ্ট কৰিব লগা নহয় তাৰ প্ৰতিও লক্ষ্য ৰখা হৈছে। প্ৰকৃতপক্ষে উপযুক্ত ছাত্ৰক নিজৰ উপযুক্ততা প্ৰমাণৰ দ্বিতীয়টো সুবিধা ইয়াৰ যোগেদি প্ৰদান কৰা হৈছে। ইযাৰ উপৰি পৰীক্ষাক luck and chance অথবা সৌভাগ্য আৰু সুযোগ বুলি সচৰাচৰ কৰা অভিযোগ খণ্ডন কৰিবৰ বাবেও এইবিধ পৰীক্ষাৰ প্ৰয়োজন।

পৰীক্ষাৰ সংস্কাৰ সাধনৰ ক্ষেত্ৰত অৱশেষত এই কথা কব পাৰি যে বিশেষজ্ঞসকলৰ এইক্ষেত্ৰত কৰা প্ৰচেষ্টাৰ এতিয়াও অন্ত হোৱা নাই। অভাৱেই আৱিষ্কাৰৰ মূল। পৰীক্ষা ক্ষেত্ৰত দেখা দিয়া নতুন নতুন সমস্যাবোৰ সমাধানৰ বাবে বিশেষজ্ঞসকলে সময়োচিত ব্যৱস্থা ক্ৰমে গ্ৰহণ কৰি আহিছে। তেওঁলোকৰ অভিজ্ঞতাৰ ক্ৰমবিকাশে পৰীক্ষাৰ সংস্কাৰ সাধনৰ অধিক উন্নত ব্যৱস্থা আমাক দিব পাৰিব বুলি আশা কৰিব পাৰি।

অনুশীলন

(১) শিক্ষাত পৰীক্ষাৰ প্ৰয়োজনীয়তা সম্বন্ধে আলোচনা কৰা। আমাৰ প্ৰচলিত পৰীক্ষাই ছাত্ৰৰ কেনেবোৰ মানসিক ক্ষমতাৰ পৰিমাপ কৰিবলৈ বিচাৰে?

(২) পৰীক্ষা আৰু পৰিমাপনৰ মাজত পাৰ্থক্য কি? পৰীক্ষাৰ যোগেদি ছাত্ৰৰ অৰ্জিত জ্ঞান অভিজ্ঞতা সঠিকভাবে পৰিমাপ কৰিব পাৰিনে?

(৩) ৰচনাত্মক পৰীক্ষাৰ বৈশিষ্ট্যসমূহ কি কি ? এইবিধ পৰীক্ষাক কিয় ব্যক্তি-নিষ্ঠ বুলি অভিযোগ কৰা হয় ?

(৪) ৰচনাত্মক পৰীক্ষাৰ সবলতা আৰু দুৰ্বলতাসমূহ সাৱধানে বিচাৰ কৰা। এইবিধ পৰীক্ষা সম্পূৰ্ণৰূপে তুলি দিব পাৰিনে ?

(৫) ৰচনাত্মক পৰীক্ষাৰ কিয় কটু সমালোচনা কৰা হয় ? এইবিধ পৰীক্ষাৰ আৱশ্যকীয় সংশোধনৰ তুমি পৰামৰ্শ দিব পাৰানে ?

(৬) বস্তুনিষ্ঠ পৰীক্ষা কি ? ৰচনাত্মক পৰীক্ষাৰ বিপৰীতে ইয়াৰ কেতবোৰ শক্তিশালী দিশৰ বৰ্ণনা কৰা।

(৭) বস্তুনিষ্ঠ পৰীক্ষাৰ সবলতা দুৰ্বলতাসমূহ সাৱধানে বিচাৰ কৰা।

(৮) বস্তুনিষ্ঠ পৰীক্ষাৰ বৈশিষ্ট্য কি কি ? ইয়াক প্ৰস্তুত কৰা কেতবোৰ পদ্ধতিৰ বৰ্ণনা কৰা।

(৯) আমাৰ বৰ্তমান প্ৰচলিত পৰীক্ষা ব্যৱস্থাই জনসাধাৰণক কিদৰে প্ৰভাৱিত কৰিছে আলোচনা কৰা।

(১০) প্ৰচলিত পৰীক্ষা ব্যৱস্থাৰ সংস্কাৰ সাধনৰ কেতবোৰ পৰামৰ্শ দিয়া। এই প্ৰসংগত পুৰণি ৰচনাত্মক পৰীক্ষাৰ স্থান কি ?

(১১) চেমিষ্টাৰ পদ্ধতি কি ? এই পদ্ধতি আমাৰ পৰীক্ষা ব্যৱস্থাত কি পৰিমাণে গ্ৰহণযোগ্য।

(১২) পৰীক্ষাৰ সংস্কাৰ সাধনত প্ৰশ্নভাণ্ডাৰ ব্যৱস্থাই কেনে ভূমিকা গ্ৰহণ কৰিব পাৰে আলোচনা কৰা।

(১৩) পৰীক্ষাৰ আভ্যন্তৰীণ মূল্যায়ন ব্যৱস্থাৰ উদ্দেশ্য কি ? এই ব্যৱস্থা আমাৰ শিক্ষানুষ্ঠানত প্ৰয়োগৰ তুমি পৰামৰ্শ দিবানে ?

(১৪) চমুটোকা লিখা :—

(ক) অবিৰত সামূহিক মূল্যায়ন (খ) সাক্ষাতকাৰ পৰীক্ষা (গ) পৰ্য্যায়কৰণ ব্যৱস্থা (ঘ) চমু প্ৰশ্নৰ প্ৰয়োগ (ঙ) সত্য-অসত্য পৰীক্ষা (চ) পুনঃস্মৰণ পৰীক্ষা (ছ) সৰিলীকৰণ পৰীক্ষা (জ) সম্পূৰ্ণকৰণ পৰীক্ষা (ঝ) বহু বিকল্প বাছনি পৰীক্ষা (ঞ) সামঞ্জস্য সন্ধান পৰীক্ষা।

প্ৰসঙ্গ গ্ৰন্থসমূহ :

1. Peter Sandiford : Educational Psychology. Chapter 15. Longmans Green & Co. Ltd. New York. Printed in 1938.
2. P. B. Ballard : The New Examiner. University of London Press Ltd London. Fourth impression 1956.
3. S. K. Kochhar : Pivotal Issues in Indian Education. Ch. 21. Sterling Publishers Pvt. Ltd. New Delhi. First Edition, Reprint 1984.
4. B. C. Rai : Theory of Education. Ch. 23. Prakashan Kendra, Lucknow 7. Printed 1979.
5. V. K. Kooli : Current Problems of Indian Education. Ch. 19. Trueman Book Company, Jalandhar. Published in 1987.
6. K K. Mookerjee : New Education and its Aspects. Ch. 19. The Educational Publishers, Calcutta 9.

অষ্টম অধ্যায়

ডল্টন আঁচনি

(Dalton Plan)

পৰিচিতি (Introduction) :

মিচ্ হেলেন পাৰখাৰ্চষ্ট (Miss Helen Parkhurst) নামৰ আমেৰিকা যুক্তৰাষ্ট্ৰৰ এগৰাকী শিক্ষক তথা শিক্ষাবিদে ডল্টন আঁচনি উদ্ভাৱন কৰি তোলে। এই মহিলা শিক্ষাবিদ গৰাকীয়ে ১৬ বছৰ বয়সতেই শিক্ষকতা আৰম্ভ কৰে। তেওঁ গ্ৰাম্য অঞ্চলৰ ৪০ গৰাকী ছাত্ৰ-ছাত্ৰীক লৈ শিক্ষকতা কৰা কালত এক বিশেষ অসুবিধাৰ সম্মুখীন হ'ব লগা হৈছিল। কাৰণ তেওঁলোকৰ বয়স আৰু যোগ্যতাৰ মানদণ্ড আছিল পৃথক পৃথক আৰু সেয়েহে তেওঁলোকক একেলগে লৈ শ্ৰেণী-শিক্ষা দিয়া কাৰ্য্যত বিশেষ অসুবিধাৰ সৃষ্টি হৈছিল। এনে অসুবিধা গুচাবৰ বাবে তেওঁ শিক্ষাদানৰ এক বিকল্প ব্যৱস্থা চিন্তা কৰিছিল। এই সময়তেই তেওঁ শিক্ষাবিদ মেৰিয়া মণ্টেচৰীৰ সংস্পৰ্শলৈ আহে। মণ্টেচৰীৰ শিক্ষা পদ্ধতিয়ে তেওঁক আকৰ্ষিত কৰে। অৱশ্যে মণ্টেচৰী শিক্ষা পদ্ধতি আছিল তিনি বছৰৰ পৰা ছয়-সাত বছৰৰ কণ কণ শিশুৰ বাবেহে। সেই হেতুকে মিচ্ পাৰখাৰ্চষ্টে তাৰ পৰৱৰ্তী পৰ্য্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবেও এক ব্যক্তিকেন্দ্ৰিক সক্ৰিয় শিক্ষাব্যৱস্থা গঢ় দি তোলাৰ পৰিকল্পনা কৰে।

১৯১৫ চনত মণ্টেচৰীৰ সহযোগত আমেৰিকাৰ কালিফৰ্ণিয়া নগৰত তেওঁৰ নতুন শিক্ষা আঁচনি পৰীক্ষামূলক ভাবে প্ৰয়োগ কৰে। ইয়াত ন বছৰৰ পৰা বাৰ বছৰ বয়সৰ প্ৰায় এশজন ছাত্ৰ-ছাত্ৰীক

শিক্ষা দান কৰে। ১৯১৯ চনত তেওঁ কেতবোৰ দৈহিক ভাবে পংগু ছাত্ৰক শিক্ষাদানৰ সুযোগ পায় আৰু ইয়াতে তেওঁ উদ্ভাৱন কৰা পদ্ধতি পৰীক্ষামূলক ভাবে প্ৰয়োগ কৰে। ইয়াত লাভ কৰা সফলতাৰ ওপৰত ভিত্তি কৰি তেওঁ ১৯২০ চনত আমেৰিকাৰ মেচাচুচেটচ্ অঞ্চলৰ ডল্টন নামৰ নগৰৰ টাউন হাইস্কুলত এই আঁচনিখন প্ৰয়োগ কৰে। ইযাত লাভ কৰা কৃতকাৰ্য্যতাৰ ফলত জনপ্ৰিয়তা লাভ কৰি উঠি ই ডল্টন আঁচনি নামে জনাজাত হৈ উঠে। এই আঁচনিখনৰ যোগে ছাত্ৰ-ছাত্ৰীসকলক প্ৰতিটো বিষয়ৰ শিক্ষা দিবৰ বাবে পৰীক্ষাগাৰৰ কাৰ্য্যকৰী পৰিৱেশৰ সৃষ্টি কৰা হয়। সেইবাবে ইয়াক লেবৰেটৰী পদ্ধতি বা প্ৰয়োগশালা পদ্ধতি নামেৰেও জনা যায়। ইযাত ৮ বছৰ বয়সৰ পৰা ১৮ বছৰ বযসলৈ মাধ্যমিক পৰ্য্যাযৰ ছাত্ৰ-ছাত্ৰীক শিক্ষা দিয়া হয়।

ডল্টন আঁচনিৰ স্বৰূপ (Nature of the Dalton Plan) :

ডল্টন আঁচনিখন হৈছে গতানুগতিক শ্ৰেণী কক্ষৰ সমূহীয়া শিক্ষা ব্যৱস্থাৰ অৱসান ঘটাই শিক্ষাক ব্যক্তিকেন্দ্ৰিক কৰি তোলাৰ এক নতুন প্ৰচেষ্টা বা আঁচনি মাথোন। ইয়াত বিশ্বাস কৰা হয় যে শিক্ষা অধিক কৃতকাৰ্য্য আৰু স্থায়ী হৈ উঠিবলৈ হ'লে ই ছাত্ৰ-ছাত্ৰীসকলৰ ব্যক্তিগত ক্ৰিয়া অভিজ্ঞতাৰ ওপৰত প্ৰতিস্থিত হ'ব লাগে। মিচ পাৰখাৰ্চষ্টৰ নিজৰ ভাষাত ক'বলৈ হ'লে—"ডল্টন আঁচনি হৈছে এবিধ আহিলাস্বৰূপ যাৰ যোগেদি ব্যক্তিগত ক্ৰিয়া নীতিৰ কাৰ্য্যকৰীকৰণ কৰা হয়।" (**Dalton Plan is a piece of machinery for putting into operation the principle of individual work**) সেই হেতুকে এই নতুন শিক্ষা আঁচনিখন প্ৰচলিত শ্ৰেণী-শিক্ষা পদ্ধতিৰ পৰিবৰ্তে প্ৰয়োগশালা পদ্ধতি (**Laboratory method**) অথবা বিষয় অনুযায়ী প্ৰয়োগশালাৰ কাৰ্য্যকৰী শিক্ষা পদ্ধতিৰ প্ৰৱৰ্তন কৰা হয়। চাৰজন্ আদামচে (**Sir John Adams**) মত প্ৰকাশ

কৰি কয় যে এই আঁচনিখনৰ অন্তর্নিহিত উদ্দেশ্য হৈছে শ্রেণীকক্ষৰ পৰিবেশক কর্মশালা বা প্রয়োগশালাত পৰিণত কৰা, য'ত ল'ৰা আৰু ছোৱালীয়ে তেওঁলোকৰ অধ্যয়নৰ কাৰ্য্যকৰী শিক্ষা চলাই যাব পাৰে। ইয়াৰ বাবে সাধাৰণ প্রযোগশালাত থকাৰ বাবে সকলো সা-সৰঞ্জাম আৰু আহিলা-পাতি সংগ্ৰহ কৰি নিজ নিজ ক্রিয়া সম্পন্ন কৰিব পাৰে। **(The underlying idea is that the class-rooms are now regarded as workshops or laboratories where the boys and girls carry out the practial work of their studies by the help of all the necessary apparatus gathered together there, just as the scintific apparatus is gathered in an ordinary laboratory) ***

এই শিক্ষা আঁচনিত শ্রেণীশিক্ষকৰ পৰিবৰ্তে বিষয় শিক্ষকৰ প্রযোগ কৰা হয় আৰু তেওঁলোকে নিজ নিজ বিষয়ৰ বিশেষজ্ঞ হোৱাটো কামনা কৰা হয়। ছাত্রসকলে ব্যৱহাৰ কৰিবৰ বাবে পুথি, মেপ, চাৰ্ট, চিত্র আদি সংশ্লিষ্ট বিষয়ৰ সকলো প্রযোজনীয উপাদান-সমূহ বিষয় শিক্ষাৰ কোঠাত প্রস্তুত কৰি ৰখা হয়। ছাত্রসকলে তেওঁলোকৰ ওপৰত দিযা দাযিত্বৰ কেতবোৰ ক্রিযা সম্পাদন কৰিব লাগে যাক 'কর্ম' বা 'Job' স্বৰূপে বর্ণনা কৰা হয। শিক্ষকে প্রথমেই ছাত্রসকলে কৰিবলগা দাযিত্বৰ সম্বন্ধে বিস্তৃত তথ্য-পাতি আৰু তাৰ ক্রিয়া পদ্ধতি প্রদান কৰে। তেওঁলোকে নিজ নিজ ভাবে আৰু বিকাশৰ নিজস্ব গতিৰে ক্রিয়া সম্পাদন কৰে। ছাত্রসকলে উচ্চ পর্য্যায়ৰ গৱেষকসকলে কৰা ক্রিয়াৰ দৰেই নিজ দায়িত্বত কাম কৰিব লাগে। এইক্ষেত্রত তেওঁলোকৰ নিজ ক্রিয়াৰ ব্যক্তিস্বাধীনতাও এক মন কৰিবলগীয়া বিষয়। আঁচনিখনৰ এক উদ্দেশ্য হৈছে ছাত্রসকলকৰ ব্যক্তিগত আৰু সামূহিক ক্রিয়াৰ স্বাধীনতা দান কৰা, যাৰ যোগেদি তেওঁলোকে পাৰস্পৰিক আদান-প্রদানেৰে সামাজিক পৰিবেশত নিজ

*Sir John Adams : *Modern Developments in Educational Practice Page 162. Second Edition, Thirteenth Impression 1954.*

দৃষ্টি আৰু প্ৰচেষ্টা অনুসৰি সমস্যাৰ সমাধান কৰিব পাৰে। এনে কাৰ্য্যৰ যোগেদি তেওঁলোকক অধিক স্বাধীনতা, দায়িত্ববোধ ভাব আৰু আত্মশিক্ষাৰ আগ্ৰহ জগাই তুলিবলৈ বিচৰা হয়। ছাত্ৰসকলে তেওঁলোকৰ ক্ৰিয়াত সম্মুখীন হোৱা জটিল পৰিস্থিতি সমাধান কৰিবৰ বাবে প্ৰয়োজনমতে শিক্ষকৰ পৰামৰ্শ আদিও লাভ কৰিব পাৰে।

ডল্টন আঁচনিৰ শৈক্ষিক নীতিসমূহ (Educative principles of the Dalton plan) :

শিক্ষাৰ এক নতুন আঁচনি স্বৰূপে ডল্টন আঁচনিৰ কেতবোৰ শৈক্ষিক নীতি বা আদৰ্শ থকাটো স্বাভাৱিক। এই আঁচনিখনৰ বিষয়ে আমি ভালদৰে জানি উঠিবৰ বাবে এই নীতি বা আদৰ্শসমূহ বিশ্লেষণ কৰি চোৱাটো প্ৰয়োজন। এই প্ৰসংগত ইয়াৰ নিম্নলিখিত দিশসমূহ আমাৰ বিবেচনাযোগ্য।

(১) শিক্ষা ব্যক্তিমুখীকৰণ (Individualisation of education) : এই আঁচনিখন শিক্ষা ব্যক্তিমুখীকৰণৰ আদৰ্শৰ দ্বাৰা বিশেষ ভাৱে প্ৰভাৱিত। আমাৰ গতানুগতিক শিক্ষা পদ্ধতিত ছাত্ৰসকলক তেওঁলোকে বহন কৰিব নোৱাৰাকৈ শিক্ষকৰ শিক্ষা-নিৰ্দেশনাৰ বোজা জাপি দিয়া হয়। কিন্তু তেনে শিক্ষাৰ পৰা ছাত্ৰসকলে ব্যক্তিগত ভাবে লাভবান হোৱা নোহোৱালৈ লক্ষ্য কৰা নহয়। সেযেহে শিক্ষকৰ এনে অনাৱশ্যক প্ৰভাৱ গুচাই শিক্ষা গ্ৰহণ কাৰ্য্যটোক ছাত্ৰৰ এক ব্যক্তিগত প্ৰয়োজনভিত্তিক আৰু ব্যৱহাৰিক ক্ৰিয়া স্বৰূপে গঢ় দি তুলিবলৈ চেষ্টা কৰা হৈছে। ইয়াত ছাত্ৰসকলৰ আগ্ৰহ অভিৰুচি, প্ৰয়োজন আৰু নিজ ক্ৰিয়াৰ দায়িত্ববোধ আদিয়ে অগ্ৰাধিকাৰ লাভ কৰে।

(২) **আত্ম-শিক্ষাৰ নীতি (Principle of self-education) :** ডল্টন আঁচনিয়ে ছাত্ৰৰ ক্ৰিয়াৰ যোগেদি শিক্ষা গ্ৰহণৰ নীতিত বিশ্বাস কৰে। পৰীক্ষাগাৰৰ কাৰ্য্যকৰী শিক্ষা পৰিবেশে ছাত্ৰসকলক ইয়াত

আত্ম-শিক্ষাৰ সকলো সুবিধা দান কৰে। তেওঁলোকে নিজ ক্রিয়াৰ যোগেদি শিক্ষা লাভৰ দায়িত্ব অনুভৱ কৰি উঠিবৰ বাবে একো একোটা ক্রিয়া সম্পাদনৰ চুক্তিত উপনীত হ'ব লাগে। ইয়াত বিশ্বাস কৰা হয় যে ছাত্রই শিক্ষাৰ দায়িত্ব নিজে অনুভৱ কৰি উঠিব পাৰিলেহে তাত সক্রিয় অংশ গ্রহণ কৰি শিক্ষাৰ কৃতকার্য্যতা লাভ কৰি উঠিব পাৰে। শ্রেণী শিক্ষাৰ সামূহিক ব্যৱস্থাই ইয়াক সম্ভৱ কৰি তুলিব নোৱাৰে।

(৩) স্বাধীনতাৰ নীতি (Principle of freedom) : এই আঁচনিখনে গতানুগতিক শিক্ষাত চলি অহা শিক্ষকৰ অপ্রতিদ্বন্দ্বী আৰু একনায়কত্ববাদী প্রভাৱ আৰু প্রভুত্বৰ পৰা ছাত্রসকলক মুক্ত কৰি তোলে। ইয়াত তেওঁলোকে নিজস্ব অগ্রগতিৰ ক্ষমতা আৰু পৰিমাণ অনুযায়ী কাম কৰাৰ স্বাধীনতা লাভ কৰিব পাৰে। উল্লেখযোগ্য যে ইয়াত তীক্ষ্ণ বুদ্ধি আৰু হীনবুদ্ধি দুয়োবিধ ছাত্রই তেওঁলোকৰ নিজ শিক্ষা অগ্রগতিত প্রতিবন্ধকতা স্বৰূপ হৈ উঠিব নোৱাৰে।

(৪) সামাজিক প্রভাৱৰ নীতি (Principle of social influence) : ডল্টন আঁচনিখনৰ মূল শিক্ষানীতি ব্যক্তিমুখিকৰণ কৰা হ'লেও শিক্ষাৰ প্রয়োজনীয় সামূহিক অথবা সামাজিক প্রভাৱৰ প্রতি ইয়াত সমূলি আওকণীয়া হৈ উঠা নাই। ছাত্রসকলে শিক্ষা অভিজ্ঞতা আহৰণ কালত যাতে সামাজিক পৰিৱেশ লাভ কৰি উঠিব পাৰে আৰু নিজ অভিজ্ঞতা আনৰ লগত আদান-প্রদান কৰিব পাৰে তাৰো ব্যৱস্থা কৰা হৈছে। ইয়াৰ বাবে তেওঁলোকে স্কুলৰ শিক্ষা আৰম্ভ হোৱাৰ পূর্বে আৰু শিক্ষা গ্রহণৰ অন্তত একে ঠাইতে গোটখাই নিজ নিজ ব্যক্তিগত ক্রিয়া অভিজ্ঞতা আদান-প্রদানৰ সুযোগ দিয়া হয়। এনে ব্যৱস্থাই ছাত্রসকলৰ সামাজিক প্রয়োজন পূৰণ কৰি তুলিব পাৰে।

(৫) পথ প্রদর্শক ৰূপে শিক্ষক (Teacher as guide) : এই আঁচনিখনত শিক্ষকৰ প্রয়োজন আৰু তেওঁৰ ভূমিকা অস্বীকাৰ কৰা

হোৱা নাই। শিক্ষকে ইযাত পথ-প্ৰদৰ্শক স্বৰূপে দায়িত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগে। তেওঁ সচৰাচৰ ছাত্ৰসকলৰ ব্যক্তিগত ক্ৰিয়াত হস্তক্ষেপ নকৰে। শিক্ষকে প্ৰথমেই ছাত্ৰসকলক আঁচনিখনৰ ক্ৰিয়া-কলাপ আৰু ইয়াৰ 'ক্ৰিযা চুক্তি' (job assignment) সম্বন্ধে পৰিচয় কৰাই দিযে। তেওঁ ছাত্ৰসকলে নিজ ক্ৰিয়াত কিদৰে অগ্ৰসৰ হ'ব লাগে আৰু কেনেবোৰ কিতাপ-পত্ৰ আৰু শিক্ষা সা-সঁজুলি তাৰ বাবে প্ৰযোগ কৰিব লাগে এই সম্বন্ধে নিৰ্দেশ দিয়ে। ছাত্ৰসকলে কঠিন পৰিস্থিতিত পৰাৰ বেলিকাও শিক্ষকে প্ৰয়োজনীয় নিৰ্দেশনা দি তেওঁলোকক সহায কৰিব লাগে।

এই আঁচনিৰ বিভিন্ন ক্ৰিয়া-কলাপ (Different activities of the plan) :

গতানুগতিক শ্ৰেণী-শিক্ষাতকৈ পৃথক এক নতুন শিক্ষা পদ্ধতি স্বৰূপে ইযাৰ ক্ৰিয়া-কলাপসমূহৰ বিশেষত্ব মন কৰিবলগীযা। আমাৰ প্ৰচলিত শিক্ষা ব্যৱস্থাৰ সংস্কাৰ সাধনৰ পৰিপ্ৰেক্ষিতত এইসমূহ আমাৰ বাবে বিশেষ অনুপ্ৰেৰণাদাযক হৈ উঠিব পাৰে। পাঠ্যক্ৰমৰ প্ৰস্তুত কাৰ্য্যসূচী নিৰ্ধাৰিত সময়ৰ ভিতৰত শেষ কৰিবৰ বাবে এই আঁচনিখনে সুপৰিকল্পিত ভাবে ছাত্ৰসকলৰ ওপৰত দাযিত্ব অৰ্পণ কৰিছে। শিক্ষাত শিক্ষাৰ্থীসকল নিৰৱ শ্ৰোতা হোৱাৰ পৰিৱৰ্তে তেওঁলোকে সক্ৰিয় কৰ্মীৰ ভূমিকা গ্ৰহণৰ ব্যৱস্থা কৰা হৈছে। ডল্টন আঁচনিখনৰ তলত বৰ্ণনা কৰা পৰ্য্যায ক্ৰম আৰু প্ৰণালীবদ্ধ ক্ৰিয়া-কলাপসমূহে ইয়াৰ বৈশিষ্ট্য ভালদৰে প্ৰকাশ কৰিব পাৰে।

(১) কৰ্ম চুক্তি আৰু ক্ৰিয়াৰ দায়িত্ব গ্ৰহণ (Job contract and assignment) : ডল্টন আঁচনিত ছাত্ৰই কৰিব লগা সকলো কাম নিৰ্ধাৰিত সময-সীমাৰ ভিতৰত সুকলমে হৈ উঠিবৰ বাবে এক সুপৰিকল্পিত আঁচনি প্ৰস্তুত কৰি তোলা হয়। ইয়াত শিক্ষকে গোটেই বছৰৰ বাবে ছাত্ৰই কৰিব লগা ক্ৰিয়া আঁচনি তেওঁলোকৰ

আগত দাঙি ধৰে। ছাত্ৰসকলে ইযাত প্ৰতিজ্ঞা গ্ৰহণ কৰিব লাগে যে তেওঁলোকে নিৰ্ধাৰিত শৈক্ষিক সময়-সীমাৰ ভিতৰত নিজ নিজ ক্ৰিয়া সম্পাদন কৰিব। ইযাকে 'চুক্তি' বুলি জনা যায। প্ৰতিটো বিষয়ৰ বাবেই পৃথক পৃথক ভাবে ক্ৰিয়া আঁচনি গোটেই বছৰৰ বাবে ভাগ কৰা হয। এই বিভাজনক পুনৰ প্ৰতিটো মাহৰ বাবেই ১২ টা উপবিভাগ কৰা হয। এই ক্ৰিয়া বিভাজনকেই 'দাযিত্ব গ্ৰহণ' বা 'assignment' নামে জনা যায। গোটেই বছৰৰ বাবে শিক্ষাৰ কাৰ্য্যকলাপ এনেদৰে ছাত্ৰসকলৰ বাবে প্ৰস্তুত কৰি তোলাকে 'ক্ৰিযা-চুক্তি' বুলি জনা যায।

(২) **ক্ৰিয়া-একক** (Unit of work) : ছাত্ৰসকলৰ বাবে প্ৰস্তুত কৰি তোলা এই ক্ৰিযা-আঁচনি পুনৰ একো একোটা গোটত পৰিকল্পিত ভাবে প্ৰস্তুত কৰি তোলা হয। এই 'একক' হৈছে একো একোটা দিনৰ বাবে কৰিবলগীযা কাম। পাঠ্যক্ৰমৰ প্ৰতিটো পাঠ পাঁচটা অংশত অথবা এককত বিভক্ত কৰা হয। সেইবাবে ছাত্ৰসকলে একো একোটা মাহত মুঠ ৪ টা পাঠ ২০ টা এককত সম্পূৰ্ণ কৰিব লাগে। অৱশ্যে এই ক্ষেত্ৰত ছাত্ৰসকলে প্ৰতিটো একক প্ৰতিদিনে সম্পূৰ্ণ কৰাৰ ভেনে কোনো বাধ্যবাধকতা বা ধৰা-বন্ধা নিয়ম নাথাকে। তেওঁলোকে নিজ ক্ৰিয়া নিজৰ দাযিত্বত সম্পূৰ্ণ কৰাৰ স্বাধীনতা ইযাত পাব পাৰে। তেওঁলোকৰ নিৰ্ধাৰিত কাৰ্য্যসূচী যথা-সময়ত সম্পূৰ্ণ কৰি তুলিবৰ বাবে ই এক নিৰ্দেশনা স্বৰূপহে মাথোন।

(৩) **প্ৰয়োগশালাৰ ক্ৰিয়া** (Laboratory work) : ডল্টন আঁচনিৰ এক প্ৰধান বৈশিষ্ট্য হৈছে শ্ৰেণী-শিক্ষাৰ পৰিবেশক পৰীক্ষাগাৰৰ ক্ৰিয়া পৰিবেশলৈ ৰূপান্তৰ কৰা। প্ৰতিটো বিষয়ৰ শিক্ষাৰ বাবে একো একোজন পৰীক্ষাগাৰৰ বিশেষজ্ঞ শিক্ষকক দাযিত্ব দিযা হয়। বিষযৰ প্ৰয়োজন অনুসৰি পৰীক্ষাগাৰত পুথি আৰু অন্যান্য শিক্ষাৰ সা-সঁজুলি সুগুত্ কৰি ৰখা হয়। ছাত্ৰসকলে তেওঁলোকৰ

ইচ্ছা আৰু প্ৰয়োজন অনুসৰি যি কোনো সময়তে এই প্ৰয়োগশালালৈ গৈ নিজ ক্ৰিয়া সম্পাদন কৰিব পাৰে। তেওঁলোকে ইয়াত শিক্ষকৰ পৰা ক্ৰিয়াৰ দায়িত্ব গ্ৰহণ কৰে আৰু ইয়াৰ পিছত নিজ যোগ্যতা আগ্ৰহ আৰু সুবিধা অনুযায়ী ক্ৰিয়া সম্পাদন কৰে। উল্লেখযোগ্য যে প্ৰযোগশালাৰ ক্ৰিয়া সম্পাদনত শিক্ষকৰ কৰ্তৃত্বতকৈ ছাত্ৰৰ ব্যক্তিগত স্বাধীনতা আৰু প্ৰয়োজনীয়তাত অধিক গুৰুত্ব আৰু প্ৰাধান্য দিয়া হয়।

(৪) সমাবেশ আৰু সন্মিলন (Assemblies and conferences) : ডল্টন স্কুল পুৱা ৯ বজাৰ পৰা বিয়লি ৪ বজালৈকে গোটেই দিন মুকলি থাকে। কেবল দিনৰ ১ আৰু ২ বজাৰ ভিতৰত এঘণ্টাৰ কাৰণে বিৰতি থাকে। স্কুলৰ আৰম্ভণিৰ বেলিকা সকলো ছাত্ৰই এক নিৰ্দিষ্ট স্থানত গোট খাব লাগে। ইয়াতেই শিক্ষকে সমূহীয়া ভাবে তেওঁলোকক প্ৰয়োজনীয় বা-বাতৰি আৰু পৰামৰ্শ আদি প্ৰদান কৰে। ইয়াৰ পিছত ছাত্ৰসকলে তেওঁলোকৰ নিজ নিজ প্ৰয়োগশালাৰ কামলৈ যাব লাগে। দৈনিক ক্ৰিয়াৰ অন্তত তেওঁলোকে সন্মিলন পাতিব লাগে আৰু ইয়াত তেওঁলোকৰ ব্যক্তিগত অভিজ্ঞতা আৰু সুবিধা অসুবিধা আদি পৰস্পৰে আদান-প্ৰদান আৰু আলোচনা-বিলোচনা কৰিব লাগে। এনে ব্যৱস্থাই তেওঁলোকক ইজনে সিজনৰ অভিজ্ঞতাৰ পৰা লাভবান হ'বৰ বাবে প্ৰয়োজনীয় সামাজিক সুবিধা দান কৰে। ইয়াৰ উপৰি এই শিক্ষা পদ্ধতিয়ে ছাত্ৰসকলক অত্যন্ত আত্মকেন্দ্ৰিক হৈ উঠাৰ পৰা ৰক্ষা কৰিব পাৰে।

(৫) ৰেখা-চিত্ৰৰ ব্যৱহাৰ (Use of the graph) : ছাত্ৰসকলৰ শিক্ষা অগ্ৰগতি বস্তুনিষ্ঠ ভাবে লিপিবদ্ধ কৰি ৰাখিবলৈ ইয়াত ৰেখা-চিত্ৰৰ প্ৰযোগ কৰা হয়। এনে ব্যৱস্থাই ছাত্ৰ আৰু শিক্ষকসকলক তেওঁলোকৰ ক্ৰিয়া অগ্ৰগতিৰ অৱস্থা জানি উঠিবৰ বাবে আৰু তেওঁলোকৰ কৰ্ম-চুক্তি নিয়মিত ভাবে সম্পাদন কৰি তুলিবৰ বাবে বিশেষ সহায় কৰে। ডল্টন স্কুলত ছাত্ৰৰ কৃতকাৰ্য্যতা অকৃতকাৰ্য্যতা

নির্ণযৰ বাবে পৰীক্ষাৰ তেনে কোনো ব্যৱস্থা নাথাকে। ইয়াত প্ৰত্যিজন ছাত্ৰই তেওঁলোকৰ নিজ নিজ ক্ৰিয়া অগ্ৰগতিৰ স্বৰূপ ৰেখা চিত্ৰত উপস্থাপন কৰিব লাগে। আন এবিধ ৰেখা-চিত্ৰ বিষয়-শিক্ষকে ছাত্ৰৰ অগ্ৰগতিৰ ওপৰত প্ৰস্তুত কৰিব লাগে। ইযাৰ যোগেদি শিক্ষকে ছাত্ৰৰ ব্যক্তিগত শিক্ষা অগ্ৰগতিৰ বোজা লব পাৰে। তৃতীয বিধ ৰেখা-চিত্ৰ প্ৰস্তুত কৰি অভিভাৱকসকলৰ দৃষ্টি-আকৰ্ষণৰ বাবে ৰাজহুৱা ভাবে প্ৰদৰ্শন কৰা হয। এনে ব্যৱস্থাৰ হেতুকে ছাত্ৰৰ শিক্ষা অগ্ৰগতি সকলোৰে বাবে জনাজাত হৈ উঠে। পৰীক্ষা-পাতি ছাত্ৰৰ শিক্ষা অভিজ্ঞতা শিক্ষকে গোপনে মূল্যাযন কৰাৰ প্ৰয়োজনীযতা ইযাত নাথাকে।

ডল্টন আৰু সাধাৰণ মাধ্যমিক স্কুলৰ মাজত পাৰ্থক্য (Difference between the Dalton School and a General Secondary School) :

এই দুয়োবিধ স্কুলৰ মাজৰ পাৰ্থক্য নিম্নলিখিত ভাবে উল্লেখ কৰিব পাৰি।

ডল্টন স্কুল	সাধাৰণ মাধ্যমিক স্কুল
(১) শ্ৰেণীকক্ষৰ পৰিহাৰ কৰি প্ৰযোগশালাৰ পৰিবেশত শিক্ষা দিযা হয।	(১) শ্ৰেণীকক্ষত শিক্ষকৰ সাধাৰণ নিৰ্দেশনাৰ যোগে মৌখিক ভাবে শিক্ষা দিয়া হয।
(২) ছাত্ৰই ব্যক্তিগত ক্ৰিয়াৰ যোগেদি আত্ম-শিক্ষা আহৰণ কৰে।	(২) ছাত্ৰই ব্যক্তিগত ক্ৰিয়াৰ যোগেদি শিক্ষাগ্ৰহণৰ সুবিধা নাথাকে।
(৩) ছাত্ৰই শিক্ষণীয় বিষযৰ দায়িত্ব নিজে অনুভৱ কৰি উঠিব পাৰে।	(৩) ছাত্ৰই নিজ দায়িত্বৰ বাবে শিক্ষকৰ ওপৰত নিৰ্ভৰ কৰিব লাগে।

ডল্টন স্কুল	সাধাৰণ মাধ্যমিক স্কুল
(৪) স্কুলৰ পাঠ্যসূচী আৰু কাৰ্য্যসূচী সময়ৰ বিভাজনেৰে সুপৰিকল্পিত।	(৪) পাঠ্যসূচী আৰু কাৰ্য্যসূচীৰ সময়সাপেক্ষ কোনো ব্যৱস্থা নাই।
(৫) নিজ ক্ৰিয়াৰ বাবে ছাত্ৰসকলে অধিক স্বাধীনতা লাভ কৰে।	(৫) নিজ ক্ৰিয়া সম্পাদনৰ কোনো স্বাধীনতা ছাত্ৰসকলৰ নাথাকে
(৬) শিক্ষকে নিৰ্দেশক আৰু পথ-প্ৰদৰ্শকৰ ভূমিকা গ্ৰহণ কৰে।	(৬) শিক্ষকে শিক্ষাদানৰ প্ৰত্যক্ষ ভাবে মুখ্য ভূমিকা গ্ৰহণ কৰে।
(৭) শিক্ষাৰ অন্তত ছাত্ৰৰ পৰীক্ষা গ্ৰহণৰ প্ৰয়োজন নাথাকে।	(৭) শিক্ষাৰ অন্তত শিক্ষকে ছাত্ৰৰ পৰীক্ষা গ্ৰহণ কৰিব লাগে।
(৮) ছাত্ৰই শিক্ষা অগ্ৰগতিৰ ৰূপ-ৰেখা নিজেই প্ৰস্তুত কৰিব লাগে।	(৮) ছাত্ৰই নিজ শিক্ষা অগ্ৰগতিৰ বোজ লোৱাৰ কোনো ব্যৱস্থা নাই।
(৯) প্ৰযোগশালাৰ পৰিবেশে ছাত্ৰৰ মনত বিষয়বস্তুৰ প্ৰতি স্বাভাৱিক কৌতূহল জগাই তোলে।	(৯) শ্ৰেণীকক্ষৰ গতানুগতিক পৰিবেশে ছাত্ৰৰ মনত বিষয়বস্তুৰ স্বাভাৱিক কৌতূহল জগাই তুলিব নোৱাৰে।
(১০) শিক্ষাৰ ব্যক্তিগত আৰু সামাজিক দিশৰ মাজত ভাবসাম্য ৰক্ষা কৰি চলিবলৈ চেষ্টা কৰে।	(১০) শিক্ষাৰ শ্ৰেণীকক্ষত সামাজিক পৰিবেশ ৰচনা কৰি ব্যক্তিগত দিশৰ প্ৰতি অৱহেলা কৰা হৈছে।

এই আঁচনিত শিক্ষকৰ ভূমিকা (Role of the teacher in this plan) ঃ

ডল্টন আঁচনিত ছাত্ৰৰ ব্যক্তিগত ক্ৰিয়াত সৰ্বাধিক গুৰুত্ব আৰোপ কৰা হয়। তাৰ বাবে তেওঁলোকৰ নিজ ক্ৰিয়াত স্বাধীনতা দিয়া হয় আৰু তাৰ যোগেদি আত্ম-উপলব্ধি আৰু দায়িত্ববোধ ভাব জগাই তোলা হয়। ছাত্ৰই নিজৰ সমস্যা নিজেই সমাধান কৰি লোৱাত উৎসাহ প্ৰদৰ্শন কৰা হয়। তেওঁলোকৰ শৈক্ষিক অগ্ৰগতিও ছাত্ৰ-সকলে নিজেই মূল্যায়ন আৰু চিত্ৰায়ন কৰিব লাগে। এনে এটা শৈক্ষিক ক্ৰিয়া ব্যৱস্থাত শিক্ষকে কেনে ভূমিকা লব লাগে অথবা এই ক্ষেত্ৰত তেওঁৰ স্থান আৰু প্ৰয়োজন কোনখিনিত সি স্বাভাৱিকতেই আমাৰ বিচাৰ্য্য বিষয়।

এইক্ষেত্ৰত উল্লেখযোগ্য যে সচৰাচৰ আমাৰ মাধ্যমিক স্কুলবোৰত শিক্ষা আৰু অনুশাসন ৰক্ষাৰ যি সাধাৰণ দাযিত্ব আৰু সমস্যা শিক্ষকৰ ওপৰত আহি পৰে সি ডল্টন স্কুলত সৃষ্টি হৈ উঠিব নোৱাৰে। কাৰণ ছাত্ৰসকলক দিয়া স্বাধীনতা আৰু নিজ ক্ৰিয়াৰ দায়িত্ববোধ ভাবে তেওঁলোকৰ মনলৈ আস্থা, নিষ্ঠা আৰু বিশ্বাসৰ ভাব আনি দিয়ে। এনে বিশ্বাসৰ ভাব জড়িত এক শিক্ষা পৰিবেশ গঢ় দি তুলিব পৰা হোৱা বাবে শিক্ষকৰ সমস্যা আৰু অনুশাসনৰ দাযিত্ব স্বাভাৱিকতেই লাঘব হৈ পৰে। ফলত তেওঁৰ শৈক্ষিক ক্ৰিয়াৰ দায়িত্ব নিম্ন পৰ্য্যায়ৰ সাধাৰণ শিক্ষা-অনুশাসন ব্যৱস্থাৰ পৰা এক উচ্চ পৰ্য্যায়লৈ উঠে। তেওঁ ছাত্ৰসকলক পাঠদানকাৰী হোৱাৰ পৰিবৰ্তে বন্ধু, সহায়ক, নিৰ্দেশক আৰু পথ-প্ৰদৰ্শক স্বৰূপে নিজৰ ভূমিকা গ্ৰহণ কৰিব পাৰে। ছাত্ৰসকলৰ নিজ নিজ ক্ৰিয়াৰ যোগেদি শিক্ষকে তেওঁলোকৰ লগত ব্যক্তিগত ভাবে পৰিচিত হৈ উঠিব পাৰে। যি কোনো সময়তে ছাত্ৰসকলে তেওঁলোকৰ প্ৰয়োজন মতে সমস্যা সমাধানৰ বাবে শিক্ষকৰ সহায় আৰু পৰামৰ্শ গ্ৰহণ কৰিব পাৰে।

ডল্টন স্কুলত শিক্ষকৰ দায়িত্ব আৰু ভূমিকা সম্বন্ধে চাৰ জন্ আদামচে সংক্ষেপে উল্লেখ কৰা নিম্নলিখিত কথাকেইটা এই প্ৰসংগত উল্লেখযোগ্য।

(১) অধ্যয়ন কক্ষত ছাত্ৰই অধ্যয়নৰ এক পৰিবেশ ৰচনা কৰা।

(২) ছাত্ৰৰ ক্ৰিয়া-চুক্তিৰ (assignment) বিস্তৃত ভাবে ব্যাখ্যা কৰা।

(৩) বিভাগীয় বিষয়ৰ সা-সৰঞ্জামবোৰৰ বিষয়ে প্ৰয়োজনীয় বা-বাতৰি দিয়া।

(৪) বিশিষ্ট একোটা সমস্যা সম্মুখীন হোৱাৰ পদ্ধতি সম্বন্ধে ছাত্ৰ-সকলক পৰামৰ্শ দিয়া।

(৫) যেতিয়া প্ৰয়োজনে দেখা দিয়ে তেতিয়া ছাত্ৰক কোনো কথাৰ বিস্তৃত ব্যাখ্যা দিয়া আৰু মূল বিষয়টোৰ লগত তাৰ নীতিগত সম্বন্ধ দেখুওৱা।*

ডল্টন আঁচনিৰ সফলতা আৰু বিফলতা (Achievements and failure of the Dalton Plan) **:**

যিকোনো নতুন শিক্ষা আঁচনিয়েই তাৰ কাৰ্য্যকৰণত সফলতা আৰু বিফলতাৰ সম্মুখীন হ'ব লাগে। এই ক্ষেত্ৰত পাৰখাৰ্ষ্টৰ ডল্টন আঁচনিও তাৰ ব্যতিক্ৰম নহয়। ইয়াৰ গ্ৰহণযোগ্যতা সম্বন্ধে বিবেচনা কৰি চাবৰ বাবে আঁচনিখনৰ ভাল-বেয়া দুয়োটা দিশেই সাৱধানে বিচাৰ কৰি চোৱাটো অতি প্ৰয়োজন। এই প্ৰসংগত ইয়াৰ নিম্ন-লিখিত দিশসমূহ আমাৰ বিবেচনাযোগ্য।

সফলতা :

(১) ছাত্ৰ-ছাত্ৰীসকলক নিজে দায়িত্ব গ্ৰহণৰ শিক্ষা দিয়াৰ বেলিকা ডল্টন আঁচনিখন বিশেষ কৃতকাৰ্য্য হোৱা বুলি কৰ পাৰি। ইয়াৰ চুক্তি সম্পাদন আৰু দায়িত্বগ্ৰহণ কাৰ্য্যই তেওঁলোকক

*Sir John Adams. *Modern Developments in Educational Practice. Page 163-164. Thirteenth Impression 1954.*

নিজৰ কৰ্তব্যবোধৰ ভাব মনত সহজে জগাই তুলিব পাৰে। ছাত্ৰৰ আত্ম-শিক্ষাৰ বাবে ই এক অতি প্ৰয়োজনীয় চৰ্ত বুলি কব পাৰি।

(২) এই শিক্ষা আঁচনিখনে মাধ্যমিক পৰ্য্যায়ৰ ছাত্ৰ-ছাত্ৰীসকলক নিজ ক্ৰিয়াৰ স্বাধীনতা, আনন্দ আৰু স্বতঃস্ফূৰ্ততা দান কৰিব পাৰে। তেওঁলোকে কম বয়সৰে পৰা নিজ ক্ৰিয়াৰ যোগে আত্ম-নিৰ্ভৰশীল হ'বলৈ শিকে যি তেওঁলোকৰ ভৱিষ্যত জীৱনৰ বাবে বিশেষ সহায়কাৰী হৈ উঠিব পাৰে। ব্যক্তিগত ভাবে সমস্যাৰ সন্মুখীন হোৱা আৰু তাৰ সমাধানৰ প্ৰচেষ্টা চলোৱা-টোও ই সম্ভৱ কৰি তুলিব পাৰে।

(৩) ছাত্ৰক ব্যক্তিগত ভাবে নিজ ক্ষমতা, যোগ্যতা আদিৰ বিকাশ লাভত এই আঁচনিখনে সুবিধা দান কৰিব পাৰে। মেধাবী আৰু অনগ্ৰসৰ এই দুয়োবিধ ছাত্ৰই ইয়াত এজনে আনজনৰ উন্নতি আৰু অগ্ৰগতিত বাধাস্বৰূপ হৈ উঠিব নোৱাৰে। মানসিক ভাবে বিভিন্ন পৰ্য্যাযৰ ছাত্ৰই বিকাশৰ সমান সুবিধা ইয়াত পাব পাৰে।

(৪) ডল্টন আঁচনিযে প্ৰচলিত পৰীক্ষা ব্যৱস্থা অনাৱশ্যক কৰি তোলে। তেওঁলোকে প্ৰচলিত পৰীক্ষাৰ ভয়, উৎকণ্ঠা আদিৰ পৰা মুক্ত হ'ব পাৰে। কাৰণ ইযাত ছাত্ৰৰ ব্যক্তিগত কৃতকাৰ্য্যতা-অকৃতকাৰ্য্যতাৰ প্ৰশ্ন নুঠে, যিহেতু প্ৰতিজন ছাত্ৰই নিজ ক্ৰিযাৰ চুক্তি নিজস্ব ভাবে সম্পাদন কৰি তোলে। শিক্ষকৰ ব্যক্তিনিষ্ঠ মূল্যাযনৰ অভিযোগো ইয়াত উঠিব নোৱাৰে।

(৫) পৰীক্ষাগাৰৰ পৰিবেশে প্ৰতিটো বিষয় আগ্ৰহ, সন্মান আৰু সুবিধাজনক ভাবে শিকাৰ সুবিধা দিযা বাবে ছাত্ৰসকলে এই ব্যৱস্থাৰ শিক্ষাত আত্মগৌৰৱ অনুভৱ কৰি উঠিব পাৰে। ই শিক্ষাৰ আদৰ্শ আৰু আশানুৰূপ পৰিবেশ গঢ়ি তুলিব পাৰে

আৰু ছাত্ৰ-শিক্ষক উভয়ৰে সহযোগিতাৰ যোগেদি ক্ৰিয়াত্মক শিক্ষাৰ প্ৰকৃত আনন্দ দিব পাৰে।

(৬) এই শিক্ষা আঁচনিয়ে ছাত্ৰৰ মনত বিশেষীকৰণৰ আৰু বিশেষ উচ্চ পৰ্য্যায়ত অধ্যয়নৰ প্ৰতি আগ্ৰহ অভিৰুচি জগাই তুলিব পাৰে। বিশেষজ্ঞ শিক্ষকৰ তলত পৰীক্ষাগাৰৰ পৰিকল্পিত পৰিবেশত কাৰ্য্যকৰী ভাবে কোনো বিষয়ৰ অধ্যয়নৰ সুবিধা পোৱা বাবে তেওঁলোকে নিজ শিক্ষাৰ সাৰ্থকতা অনুভৱ কৰি উঠিব পাৰে। ই গতানুগতিক স্কুলীয়া শিক্ষাৰ দৰে ছাত্ৰসকলৰ মনত কেৱল যন্ত্ৰচালিত বিধৰ হৈ নাথাকে।

(৭) এই আঁচনিৰ শিক্ষা ব্যৱস্থাৰ ফলত স্কুলৰ অনুশাসন ৰক্ষা কৰাটো কোনো সমস্যা স্বৰূপ হৈ উঠিব নোৱাৰে। ছাত্ৰসকলে ইয়াত নিজ নিজ ক্ৰিয়াৰ দায়িত্ব আৰু তাক সুকলমে পালন কৰিবৰ বাবে আত্ম-অনুশাসনৰ মনোভাব গ্ৰহণ কৰিব পাৰে। এই ব্যৱস্থাই তেওঁলোকৰ মনত আস্থা, নিষ্ঠা আৰু বিশ্বাসৰ মনোভাব গঢ় দি তুলিব পাৰে, যাৰ ফলত অনুশাসন ব্যৱস্থা স্বতঃস্ফূৰ্ত অৱস্থাত পৰিণত হয়।

(৮) ছাত্ৰসকলৰ ব্যক্তিগত শিক্ষা অগ্ৰগতিৰ ৰেখা চিত্ৰ সংগ্ৰহ কৰা ব্যৱস্থা শিক্ষাৰ বাবে বিশেষ সহায়কাৰী হৈ উঠিব পাৰে। ছাত্ৰ-শিক্ষক উভয়ে তেওঁলোকৰ নিজ ক্ৰিয়াৰ অগ্ৰগতি ইয়াৰ যোগেদি সময়ে সময়ে নিৰীক্ষণ কৰিব পাৰে আৰু সেইমতে নিজক খাপ খুৱাই লব পাৰে। কোনো ছাত্ৰই শিক্ষাক্ষেত্ৰত নিজকে গোপনে ৰখাৰ অথবা নিজ কৰ্ত্তব্যৰ পৰা নিজকে আঁতৰাই ৰখাৰ প্ৰচেষ্টা চলাব নোৱাৰে।

(৯) এই আঁচনিখন প্ৰশংসনীয় হোৱাৰ আন এটা প্ৰধান কাৰণ হৈছে ই ছাত্ৰসকলক ব্যক্তিগত ক্ৰিয়াৰ সুবিধা আৰু সামাজিক আদান-প্ৰদানৰ পৰিবেশ সমানে প্ৰদান কৰিব পাৰে। ইয়াত শিক্ষা গ্ৰহণ কাৰ্য্য ব্যক্তিমুখী কৰা হৈছে, কিন্তু আনহাতে

ছাত্ৰৰ বোধ-শক্তি, ধাৰণাৰ সঠিকতা আৰু জ্ঞানৰ প্ৰশংসা (appreciation of knowledge) আদি কাৰ্য্য সমাজমুখী কৰা হৈছে।

(১০) ডল্টন আঁচনিখনে শিক্ষকৰ দায়িত্ব আৰু মান-সন্মান আদি উন্নত পৰ্য্যায়লৈ তুলি ধৰিছে। এই শিক্ষা ব্যৱস্থাত শিক্ষক কেৱল মাধ্যেন প্ৰবক্তাই নহয়, তেওঁ ছাত্ৰসকলৰ বন্ধু, সহায়ক নিৰ্দেশক আৰু পথ প্ৰদৰ্শক স্বৰূপ। তেওঁৰ ভূমিকা হৈছে পৰোক্ষ কিন্তু অধিক দায়িত্বপূৰ্ণ। এই শিক্ষা ব্যৱস্থাই তেওঁক প্ৰকৃত ৰূপত friend, philosopher আৰু guide স্বৰূপে প্ৰতিস্থাপিত কৰি তুলিব পাৰে।

আঁচনিখনৰ বিফলতা ঃ

(১) ডল্টন আঁচনিখনক এক ধনতন্ত্ৰবাদী শিক্ষা ব্যৱস্থা স্বৰূপে সমালোচনা কৰা হয়। ইয়াত প্ৰতিটো বিষয়ৰ শিক্ষা সুসজ্জিত প্ৰয়োগশালাৰ যোগেদি দিব লগা হয়। ইযাৰ ফলত শিক্ষাদান কাৰ্য্যত প্ৰচুৰ ধনৰ প্ৰয়োজন হয়, যাক দুখীয়া দিশবোৰে বহন কৰাটো সম্ভৱ হৈ উঠিব নোৱাৰে।

(২) ইয়াত ছাত্ৰই প্ৰতিটো বিষযৰ বাবে ব্যক্তিগত ভাবে প্ৰয়োগৰ শিক্ষা সঁজুলি পাব পৰাটো বিশেষ অসুবিধা। বিশেষকৈ শ্ৰেণীৰ ছাত্ৰ সংখ্যা অধিক আৰু অনিয়ন্ত্ৰিত বিধৰ হৈ উঠিলে এই ব্যৱস্থা কাৰ্য্যকৰী কৰাটো কঠিন। প্ৰতিটো বিষয়ৰ শিক্ষা সঁজুলি প্ৰতিজন ছাত্ৰৰ বাবে যুগুত কৰিব নোৱাৰিলে ইযাৰ সফলতা লাভৰ আশা কৰিব নোৱাৰি।

(৩) বহুতো শিক্ষকে তেওঁলোকৰ প্ৰচলিত শ্ৰেণীকক্ষৰ শিক্ষা ব্যৱস্থাৰ অৱসান ঘটাবলৈ নিবিচাৰে। ডল্টন আঁচনিখনৰ মতে শিক্ষকসকলে সকলো সময়তে প্ৰয়োগশালাৰ ভিতৰত সোমাই থকা আৰু ছাত্ৰসকলে নিজৰ ইচ্ছামতে যিকোনো

সময়ত তেওঁলোকৰ ওচৰলৈ যোৱা ব্যৱস্থা শিক্ষকসকলৰ বাবে তিক্ততাদায়ক হৈ উঠাটো স্বাভাৱিক।

(৪) এই আঁচনিখন পাব্লিক স্কুলৰ দৰে উন্নত অৱস্থাৰ স্কুলত কাৰ্য্যকৰী কৰিব পৰা হ'লেও পিছপৰা অঞ্চলৰ সাধাৰণ স্কুলত ইয়াৰ কাৰ্য্যকৰী কৰাটো সম্ভৱ নহয়। এখন সাধাৰণ মাধ্যমিক স্কুলে বিজ্ঞান বিষয়ৰ অধ্যয়নৰ বাবে এটা পৰীক্ষাগাৰ কোনোমতে যোগাৰ কৰিব পাৰিলেও স্কুলৰ প্ৰতিটো বিষয়ৰ শিক্ষাৰ বাবে পৰীক্ষাগাৰ স্থাপনৰ কথা ভাবিব নোৱাৰে।

(৫) এই কথা মন কৰিবলগীয়া যে প্ৰযোগশালা পদ্ধতিৰে শিক্ষাৰ সকলো বিষয়কে উপযুক্ত ভাবে শিকোৱাটো সম্ভৱ হৈ নুঠে। উদাহৰণ স্বৰূপে সাহিত্য বিষয়ৰ অধ্যয়ন কৰিবৰ বাবে শ্ৰেণীকক্ষৰ এক সামাজিক পৰিবেশৰ প্ৰয়োজন, য'ত ছাত্ৰ-শিক্ষকে নিজৰ ভাব-অনুভূতিৰ আদান-প্ৰদান কৰিব পাৰে।

(৬) ডল্টন শিক্ষা পদ্ধতি কাৰ্য্যকৰীকৰণৰ ক্ষেত্ৰত শিক্ষা কৰ্তৃপক্ষই কেতবোৰ বিশেষ অসুবিধাৰো সম্মুখীন হ'ব লগা হ'ব পাৰে। এই পদ্ধতিৰ শিক্ষাৰ বিশেষ ভাবে প্ৰস্তুত কৰা পাঠ্যপুথি, প্ৰয়োগশালাৰ মেটেৰিয়েল আৰু বিশেষজ্ঞসকলৰ অভাৱত শিক্ষা সুকলমে পৰিচালনা কৰাটো সম্ভৱ হৈ উঠিব নোৱাৰে।

(৭) ইয়াৰ উপৰি অনুশাসন ব্যৱস্থা উন্নত নোহোৱা স্কুলত এই শিক্ষা ব্যৱস্থাৰ সুফল আশা কৰাটো বৃথা। ছাত্ৰ-শিক্ষক সকলোৰেই মনত আত্ম-অনুশাসন, কৰ্তব্যবোধ, আস্থা আৰু নিষ্ঠাৰ ভাব গঢ়ি তুলিব পৰা পৰিবেশ সৃষ্টি কৰাটো সহজ কথা নহয়। আত্ম-অনুশাসনৰ ভাব-অভাৱ হোৱা শিক্ষানুষ্ঠানত এই পদ্ধতিয়ে শিক্ষাৰ অধিক ক্ষতি-সাধন কৰি তুলিবহে পাৰে।

(৮) মনোবৈজ্ঞানিক দৃষ্টিকোণৰ পৰাও কব পাৰি যে এই শিক্ষা পদ্ধতিয়ে ছাত্ৰৰ ব্যক্তি পাৰ্থক্যৰ প্ৰশ্নৰ প্ৰতি প্ৰয়োজনীয় দৃষ্টি

নিক্ষেপ কৰা নাই। বৌদ্ধিক ভাবে উচ্চ আৰু নিম্নমানৰ সকলো ছাত্ৰই নিজ ক্ৰিয়া-চুক্তি সমানে স্বাক্ষৰ কৰি তাক নিজে নিজে সম্পাদনৰ আশা কৰিব নোৱাৰি। বিশেষকৈ বৌদ্ধিক নিম্নমানৰ অন্তৰ্মুখী আৰু মানসিক ভাবে হীন মন্যতাত ভোগা ছাত্ৰৰ বাবে এই আঁচনিয়ে বিশেষ অসুবিধাৰ সৃষ্টি কৰিব পাৰে।

ভাৰতীয় শিক্ষাত এই আঁচনিখনৰ কাৰ্য্যকৰিতা (Practicability of this plan in the context of Indian education) **:**

ডল্টন শিক্ষা আঁচনি আমাৰ দেশৰ মাধ্যমিক স্কুলত কাৰ্য্যকৰী কৰি তোলাৰ সম্ভাৱনীয়তা কিমানখিনি—এই প্ৰশ্ন আমাৰ বাবে বিশেষ তাৎপৰ্য্যপূৰ্ণ। এই প্ৰসংগত কব পাৰি যে এই শিক্ষা আঁচনিখনৰ কেতবোৰ শিক্ষা-আদৰ্শ আৰু পদ্ধতি আমাৰ দেশৰ বাবে উৎসাহজনক হ'লেও ইযাৰ কাৰ্য্যকৰীকৰণৰ ক্ষেত্ৰত সীমাবদ্ধতা আছে।

প্ৰথমেই উল্লেখযোগ্য যে আমেৰিকাৰ দৰে ধনতন্ত্ৰবাদী আৰু আৰ্থিক ভাবে উন্নত দেশত ই কাৰ্য্যকৰী হৈ উঠিলেও ভাৰতত ই সম্ভৱ নহয়। ইয়াৰ প্ৰৱৰ্তন কৰিলে পাব্লিক স্কুলৰ এক আচুতীয়া শিক্ষা ব্যৱস্থাৰ দৰে অগণতান্ত্ৰিক শিক্ষা ব্যৱস্থা এটাৰহে ই গঢ় দি তুলিব। বৰ্ত্তমান ভাৰত চৰকাৰে গ্ৰহণ কৰা সকলো শ্ৰেণী লোকৰ বাবে সমানে শিক্ষা সা-সুবিধা দানৰ নীতিৰ (equality of educational opportunity) ই পৰিপন্থী হৈ উঠিব পাৰে।

দ্বিতীয়তে ডল্টন আঁচনি হৈছে প্ৰযোগশালা ভিত্তিক শিক্ষা যাৰ বাবে প্ৰতিটো বিষয়ৰ শিক্ষা প্ৰয়োগশালাৰ যোগেদিহে দিয়া হয়। কিন্তু আমাৰ মাধ্যমিক স্কুলবোৰত প্ৰতিটো বিষয়ত প্ৰয়োগশালা স্থাপন কৰাটো দূৰৰ কথা, কেৱল বিজ্ঞান বিষয়ৰ শিক্ষাৰ বাবেও পৰীক্ষাগাৰৰ ন্যূনতম সা-সুবিধাখিনিৰ এতিয়াও অভাৱ। শিক্ষাৰ বৈষয়িক সা-সুবিধা উন্নত নোহোৱা অৱস্থাত এই আঁচনিখনে সফলতা লাভ কৰাৰ কথা আমি ভাবিব নোৱাৰো।

তৃতীয়তে বিশেষজ্ঞ শিক্ষক আৰু প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ অভাৱ হ'লে যিকোনো শিক্ষকেই এই আঁচনিখনৰ সফল ৰূপ দিয়াৰ আশা কৰিব নোৱাৰি। আনহাতে আমাৰ দেশৰ মাধ্যমিক পৰ্য্যায়ত স্কুলৰ সাধাৰণ বিষয়ৰ শিক্ষাৰ বাবে উপযুক্ত ভাবে প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ অভাৱ এতিয়াও গুচা নাই। অনভিজ্ঞ আৰু প্ৰশিক্ষণ নোপোৱা শিক্ষকৰ হাতত ডল্টন আঁচনিৰ ব্যৱস্থাই শিক্ষাত বিশৃংখলতা সৃষ্টি কৰাৰ সম্ভাৱনীয়তাই অধিক।

চতুৰ্থতে উল্লেখযোগ্য যে এই আঁচনিৰ কৰ্ম চুক্তি সম্পাদন কৰাটো সহজ কিন্তু তাক বাস্তৱত ৰূপদান কৰাটো যথেষ্ট কঠিন কাম। ইয়াৰ বাবে ছাত্ৰ-শিক্ষক উভয়ৰে একাগ্ৰতা, মনোবল আৰু কৰ্ত্তব্যনিষ্ঠা ভাবৰ প্ৰযোজন। কিন্তু বৰ্ত্তমান আমাৰ শিক্ষাত নৈতিক মনোবল ইমানেই নিম্নগামী হৈ পৰিছে যে এনেবোৰ গুণ ছাত্ৰ-শিক্ষকসকলৰ পৰা আশা কৰিব পৰা নাযায। ইয়াৰ উপৰি শিক্ষক-সকলে স্কুলৰ শৈক্ষিক পৰিবেশ এটা ৰচনা কৰি তুলিব নোৱাৰা অৱস্থাত এই আঁচনিয়ে কেতিয়াও সফলতা লাভ কৰি উঠিব নোৱাৰে।

পঞ্চমত কব পাৰি যে এই আঁচনিখনৰ সফল ৰূপায়ণৰ বাবে ছাত্ৰসংখ্যা শিক্ষকৰ নিয়ন্ত্ৰণাধীন হোৱাটো অতি প্ৰযোজন। কিন্তু আমাৰ স্কুলৰ শ্ৰেণীসমূহৰ ছাত্ৰসংখ্যা শিক্ষকৰ নিযন্ত্ৰণৰ বাহিৰত। শ্ৰেণীৰ অধিক সংখ্যক ছাত্ৰক শিক্ষকে ব্যক্তিগত ভাবে চকু দিব নোৱাৰা অৱস্থাত আঁচনিখনৰ ক্ৰিয়া-চুক্তি যথাৰ্থ ভাবে সম্পাদন কৰি তোলাটো সম্ভৱ নহয়।

ষষ্ঠত এই কথা উল্লেখযোগ্য যে আঁচনিখন ভালদৰে কাৰ্য্যকৰী কৰি তুলিবৰ বাবে বিভিন্ন বিষয়ৰ পাঠ্যপুথি। পৰীক্ষাগাৰৰ মেহুৰেল আৰু অন্যান্য শিক্ষা-সঁজুলিবোৰৰ পৰ্য্যাপ্ততাৰ প্ৰয়োজন। কিন্তু আমাৰ দেশত বৰ্ত্তমানেও সাধাৰণ বিষয়বোৰৰে উপযুক্ত পাঠ্যপুথিৰ অভাৱ ছাত্ৰ-শিক্ষকসকলে সদায় অনুভৱ কৰি আহিছে। এনে

অৱস্থাত এই শিক্ষা আঁচনিৰ প্ৰৱৰ্তনে ইয়াৰ জটিলতা আৰু অধিক বৃদ্ধি কৰি তুলিব।

এনেবোৰ কথাৰ বিবেচনাৰে আঁচনিখন আমাৰ দেশত প্ৰয়োগ কৰাৰ ক্ষেত্ৰত আমি উৎসাহী আৰু আশাবাদী হ'ব নোৱাৰো। অৱশ্যে ইয়াৰ শৈক্ষিক নীতি আৰু পদ্ধতিবোৰ আমাৰ বাবে সম্পূৰ্ণ মূল্যহীন বুলিও কব নোৱাৰি। উল্লেখযোগ্য যে কোঠাৰী আযোগে আমাৰ মাধ্যমিক পৰ্য্যায়ত বিজ্ঞান শিক্ষাৰ ওপৰত অধিক গুৰুত্ব দিছে। ইয়াৰ তাৎপৰ্য্য এয়ে যে ডল্টন আঁচনিখনৰ অনুপ্ৰেৰণাৰে আমাৰ মাধ্যমিক স্কুলৰ বিষয়সমূহ বিজ্ঞানভিত্তিক ভাবে যথাসম্ভৱ প্ৰয়োগশালাৰ কাৰ্য্যকৰী অভিজ্ঞতাৰে শিক্ষা দিব লাগে। শ্ৰেণীকক্ষৰ মাজতেই শিক্ষকৰ শিক্ষা-নিৰ্দেশনা আবদ্ধ কৰি ৰাখিব নালাগে। শিক্ষাদানত গতানুগতিক ভাবে চলি অহা শাব্দিকতাৰ (verbalism) প্ৰভাব হ্ৰাস কৰি প্ৰতিটো বিষয়ৰ প্ৰযোগিক দিশটোৰ শিক্ষাৰ প্ৰতি সচেষ্ট হ'ব লাগে। ছাত্ৰ-শিক্ষকৰ ওপৰত একান্ত নিৰ্ভৰশীল হোৱাৰ পৰিবৰ্তে আত্মনিৰ্ভৰশীলতা লাভৰ নীতি আৰু কাৰ্য্যকৰী পদ্ধতি গ্ৰহণ কৰিব লাগে। এই দৃষ্টিকোণৰ পৰা বিবেচনা কৰিলে মিচ্ পাৰখাৰ্ষ্টৰ ডল্টন আঁচনিখন আমাৰ বাবে পথ-প্ৰদৰ্শক স্বৰূপ হৈ উঠিব পাৰে।

অনুশীলন

(১) ডল্টন আঁচনি কাক বোলে? এই শিক্ষা আঁচনিখনৰ শৈক্ষিক নীতি-সমূহৰ এটি বৰ্ণনা দিয়া।

(২) ডল্টন আঁচনিখনক কিয় প্ৰয়োগশালাৰ আঁচনি বোলা হয়? আঁচনিখনৰ মূল লক্ষ্য উদ্দেশ্যসমূহ কি কি প্ৰচলিত? শিক্ষা ব্যৱস্থাতকৈ ই কিদৰে পৃথক।

(৩) ডল্টন আঁচনি কি? এই আঁচনিখনৰ শৈক্ষিক ক্ৰিয়া কলাপসমূহৰ এটি বৰ্ণনা দিয়া।

(৪) 'কৰ্ম-চুক্তি' কি? ডল্টন স্কুলত এই কৰ্ম-চুক্তি কিদৰে সম্পাদন কৰা হয় তাক বৰ্ণনা কৰা।

(৫) ডল্টন স্কুলৰ শিক্ষা আদৰ্শ কি কি ? এখন সাধাৰণ স্কুলৰ লক্ষ্য উদ্দেশ্য আৰু ক্ৰিয়া কলাপৰ লগত এইবিধ স্কুলৰ পাৰ্থক্য কি ?

(৬) আত্ম-শিক্ষাৰ নীতি ডল্টন স্কুলত কিদৰে কাৰ্য্যকৰী কৰা হয় ? এইবিধ স্কুলৰ শিক্ষাত শিক্ষকে কেনে ভূমিকা গ্ৰহণ কৰিব লাগে ?

(৭) ডল্টন স্কুলৰ শিক্ষা ব্যৱস্থাৰ এটি বৰ্ণনা দিয়া। এইবিধ স্কুলৰ শিক্ষা ব্যৱস্থা আমাৰ দেশত গ্ৰহণ কৰিব পাৰিনে ?

(৮) শিক্ষাৰ এক নতুন ব্যৱস্থা স্বৰূপে ডল্টন আঁচনিৰ সফলতা আৰু বিফলতাৰ এটি সমীক্ষা কৰা।

(৯) "ডল্টন আঁচনিয়ে শ্ৰেণীকক্ষ শিক্ষাৰ অৱসান ঘটাইছে।" উক্তিটোৰ তাৎপৰ্য্য ব্যাখ্যা কৰা। এই আঁচনিখন আমাৰ বাবে কি পৰিমাণে গ্ৰহণযোগ্য বুলি তুমি ভাবা ?

(১০) ডল্টন শিক্ষা আঁচনিৰ ভিত্তিত 'শ্ৰেণী-কক্ষ' আৰু 'বিষয়-কক্ষৰ' মাজত থকা পাৰ্থক্য দেখুওৱা। এই দুয়োবিধৰে শিক্ষাৰ গুণাগুণ বিচাৰ কৰা।

প্ৰসংগ গ্ৰন্থসমূহ

1. Sir John Adams . Modern Development in Educational Practice Chapter 7 University of London Press Ltd. London E. C. 4. Second Edition, Thirteenth Impression 1954.
2. K Bhatia & B. D. Bhatia The Principles and Methods of Teaching. Ch. 20. Doaba House, Delhi New Revised Edition, 1966.
3. S. K. Kochhar : Methods and Techniques of Teaching. Ch. 17. Sterling Publishers Pvt. Ltd. New Delhi 16. Third Edition, Reprint 1978.
4. B. C Rai : Theory of Education. Ch. 42. Prakashan Kendra, Lucknow 7. Published in 1979
5. K. K. Mookerjee : New Education and its Aspects. Ch. 23. Educational Publishers, Calcutta 9. Published in 1953.

নৱম অধ্যায়
প্ৰকল্প পদ্ধতি
(Project Method)

ধাৰণাৰ উৎপত্তি (Origin of the concept) :

শিক্ষাৰ নতুন নতুন চিন্তা আৰু ইয়াৰ কাৰ্য্যকৰী পদ্ধতি সম্বন্ধে আমেৰিকাত এই শতিকাৰ প্ৰথমাৰ্ধতেই যথেষ্ট অগ্ৰগতি লাভ কৰা হয়। ডল্টন আঁচনি আৰু প্ৰকল্প পদ্ধতি ইয়াৰেই বাস্তৱ পৰিণতি স্বৰূপ বুলিব পাৰি। তেওঁলোকৰ শিক্ষা সম্বন্ধীয় চিন্তা-চৰ্চ্চা এহাতে আছিল দৰ্শনভিত্তিক আৰু আনহাতে আছিল বিজ্ঞানমুখী। সেয়েহে সমগ্ৰ বিশ্বতে তেওঁলোকে উদ্ভাৱন কৰা শিক্ষাৰ নতুন চিন্তা-চৰ্চ্চাই প্ৰভাৱিত কৰি তুলিব পাৰিছিল। আমেৰিকাৰ শিক্ষা-জগতত দাৰ্শনিক জন্ ডিউইয়ে তেওঁৰ প্ৰযোগবাদ দৰ্শনৰ এক শক্তিশালী প্ৰভাৱ পেলায। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে প্ৰচলিত গতানুগতিক শিক্ষা ব্যৱস্থা আছিল ছাত্ৰৰ বাবে আমনি লগা আৰু তিক্ততাদাযক, য'ত তেওঁলোকে শিক্ষকৰ মৌখিক শিক্ষা নিবৰে আৰু নিষ্ক্ৰিয়ভাবে শুনি থাকিব লগা হৈছিল। এনে শিক্ষা আছিল ব্যক্তিগতভাবে আগ্ৰহ অভিৰুচিহীন আৰু সামাজিকভাবে উদ্দেশ্যবিহীন। এনে এক হতাশজনক শিক্ষা পৰিস্থিতিত ডিউইয়ে প্ৰয়োগবাদৰ নতুন চিন্তা দৰ্শনৰ প্ৰাণ সঞ্চাৰ কৰে।

তেওঁ এই দৰ্শনৰ ওপৰত ভিত্তি কৰি সমস্যা সমাধান পদ্ধতিৰ (problem solving method) উদ্ভাৱন কৰে। ইয়াৰ যোগেদি ছাত্ৰই একোটা বাস্তৱ সমস্যাৰ ওপৰত নিজ চিন্তা-চৰ্চ্চা আৰু যুক্তি

বিচাৰ-বিবেচনাৰ প্ৰয়োগ কৰি সমাধানৰ উপায় উদ্ভাৱন কৰিবলৈ দিয়া হয়। এনে ব্যৱস্থাৰে ছাত্ৰক নিষ্ক্ৰিয় শিক্ষাৰ পৰিবৰ্তে সমস্যা সমাধানত নিজে সক্ৰিয় চিন্তা চৰ্চা আৰু যুক্তি প্ৰয়োগৰ প্ৰতি উৎসাহিত কৰিবলৈ বিচৰা হয়। কিন্তু এইক্ষেত্ৰত দেখা যায় যে সমস্যা সমাধান পদ্ধতিয়ে ছাত্ৰৰ বৌদ্ধিক আৰু মননাত্মক চিন্তা কাৰ্য্যতহে অধিক প্ৰাধান্য দিয়ে, যি সাধাৰণ ছাত্ৰৰ বাবে দুৰ্বোধ্য আৰু জটিল হৈ বয়। শিক্ষাবিদ চাৰ জন্ আদামছে মত প্ৰকাশ কৰি কয় যে এই সমস্যা সমাধান পদ্ধতিত তত্ত্ব বিষয়ৰ শক্তিশালী উপাদান নিহিত থাকে। ইয়াত ছাত্ৰৰ আগ্ৰহ অভিৰুচি আদি অধিকভাবে পাণ্ডিত্য-পূৰ্ণ (scholastic) হৈ বয়। ফলত স্কুলৰ জগত আৰু বাহিৰৰ জগতখনৰ লগত কোনো কাৰ্য্যকৰী বিধৰ যোগাযোগ স্থাপন হৈ উঠিব নোৱাৰে।*

সেইবাবে সমস্যা সমাধান পদ্ধতিৰ এনে বৌদ্ধিকতা (intellectualism) আৰু চিন্তামূলক ক্ৰিয়াৰ প্ৰভাৱ গুচাই সমাজৰ ব্যৱহাৰিক জীৱনৰ ক্ৰিয়াৰ ওচৰ চপাই নিবৰ বাবে 'প্ৰকল্প' (project) শব্দৰ প্ৰযোগ কৰা হয়। এইক্ষেত্ৰত জন্ ডিউইৰ শিষ্য আৰু কলম্বিয়াৰ শিক্ষক প্ৰশিক্ষণ কলেজৰ অধ্যাপক ডব্লিউ, এইচ, কিল্‌পেট্ৰিকে (W. H Kilpatrick) প্ৰকল্প পদ্ধতি স্বৰূপে নামকৰণ কৰি এক নতুন শিক্ষা পদ্ধতি গঢ় দি তোলে। এই প্ৰসংগত ডঃ ষ্টিভেনচনে (Stevension) 'প্ৰকল্পৰ' অৰ্থ ব্যাখ্যা কৰি আৰু বাস্তৱ তথা ব্যৱহাৰিক দিশটোৰ প্ৰতি আঙুলিয়াই দি কয় যে এটা প্ৰকল্প হৈছে সমস্যা জড়িত ক্ৰিয়া যাক প্ৰাকৃতিক পৰিবেশত সম্পাদন কৰি তোলা হয়। (A project is a problematic act carried to completion in its natural setting.)

* *Sir John Adams : Modern Developments in Educational Practice. Page 230, Second Edition, Thirteenth Impression, 1954.*

প্ৰকল্প পদ্ধতি কাক বোলে ? (What is a Project Method) :

প্ৰকল্প পদ্ধতি প্ৰয়োজনা পদ্ধতি নামেৰেও জনা যায়। এই পদ্ধতিৰ সৃষ্টিকৰ্তা কিল্‌পেট্ৰিকৰ নিজৰ ভাষাতেই কবলৈ হ'লে "এটা প্ৰকল্প হৈছে আন্তৰিকতাপূৰ্ণ আৰু উদ্দেশ্যধৰ্মী ক্ৰিয়া যি এক সামাজিক পৰিবেশত অগ্ৰগতি লাভ কৰে।" (A project is a whole hearted purposeful activity proceeding in a social environment)। ইয়াৰ মূল উদ্দেশ্য হৈছে শিক্ষাক ছাত্ৰৰ বাবে অৰ্থপূৰ্ণ আৰু উদ্দেশ্যধৰ্মী কৰি তোলা। তেওঁলোকে স্কুলত কেতবোৰ শৈক্ষিক ক্ৰিয়া কিয় কৰে আৰু কেনেকৈ কৰে এই সম্বন্ধে মনত স্পষ্ট ধাৰণা থকা উচিত। শিক্ষাৰ উদ্দেশ্য শিক্ষকতকৈও ছাত্ৰৰ মনতহে অধিক স্পষ্ট আৰু মুকলি হোৱা উচিত। ছাত্ৰ-ছাত্ৰীক নিজ অধ্যয়নৰ বিষয়বস্তু নিজেই চিন্তা কৰিবলৈ আৰু তাৰ যোগেদি নিৰ্বাচন কৰি লবলৈ দিব লাগে। এনে এক স্বতঃপ্ৰণোদিত পৰিস্থিতিতহে ছাত্ৰসকলে আগ্ৰহেৰে শিক্ষা লাভ কৰিব পাৰে আৰু তেওঁলোকৰ শিক্ষা উদ্দেশ্যধৰ্মী আৰু প্ৰায়োগিক বিধিৰ হৈ উঠিব পাৰে।

সেয়েহে স্কুলৰ কাৰ্য্যসূচী ছাত্ৰ-ছাত্ৰীসকলৰ দৈনন্দিন জীৱনৰ প্ৰয়োজন আৰু তাৰ কাৰ্য্যসূচীৰ ওচৰ চপাই নিব লাগে। তেওঁলোকে এইটো অনুভৱ কৰিব পাৰিব লাগে যে এটা নিৰ্দিষ্ট উদ্দেশ্য আগত ৰাখি শিক্ষালাভ কৰিছে আৰু ইযাৰ অন্তত তেওঁলোকৰ বাঞ্ছিত লক্ষ্য উদ্দেশ্য সাধন কৰিব পাৰিছে। সেই হেতুকে শিশুৱে তাৰ বৰ্তমান আৰু ভৱিষ্যতৰ প্ৰয়োজনৰ প্ৰতি সচেতন নোহোৱাকৈ গতানুগতিক শ্ৰেণীকক্ষৰ শিক্ষাৰ মাজত আবদ্ধ ৰাখিব নালাগে। এখন স্কুলে ছাত্ৰক তাৰ বৰ্তমানৰ লগত সম্বন্ধ ৰাখি আৰু তাৰ লক্ষ্য উদ্দেশ্যৰ প্ৰতি সচেতন হৈ উঠাকৈ প্ৰস্তুত কৰি তুলিব লাগে। এনে এক শিক্ষা পদ্ধতিযেহে প্ৰকৃতপক্ষে কবলৈ গ'লে আমাৰ বাস্তৱতাৰ

লগত জীয়াই থকাত সহায় কৰে। ডিউইয়ে মত প্ৰকাশ কৰে যে শিক্ষা আমাৰ জীৱনৰ বাবে প্ৰস্তুতি নহয়, বৰং ইয়ে হৈছে জীৱন। এই কথাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰকল্প পদ্ধতিত স্কুলৰ পাঠ্যক্ৰম, শিক্ষা-দান পদ্ধতি আৰু অনুশাসন ব্যৱস্থা ছাত্ৰৰ প্ৰয়োজনৰ দৃষ্টিকোণৰ বিবেচনা কৰা হয়। শিক্ষাবিদসকলে এই কথা ক্ৰমে গভীৰভাৱে অনুভৱ কৰি উঠিছে যে অতি উৎকৃষ্ট শিক্ষালাভ কৰিব পাৰি যদিহে পৰীক্ষাৰ্থীৰ আন্তৰিকতাপূৰ্ণ আৰু উদ্দেশ্যপ্ৰণোদিত ক্ৰিয়াৰ সহ-যোগিতা লাভ কৰিব পৰা যায়। এই কথাই হৈছে প্ৰকল্প বা প্ৰযোজনা পদ্ধতিৰ সাৰমৰ্ম স্বৰূপ। ছাত্ৰৰ এনে ক্ৰিয়া জড়িত কৰাগৈহে যিকোনো সমস্যাকেই তাৰ স্বাভাৱিক ৰূপত কোনো জটিলতাৰ সম্মুখীন নোহোৱাকৈ সমাধান কৰিব পাৰে।

ইয়াৰ দাৰ্শনিক ভিত্তি (Its philosophical basis):

প্ৰকল্প পদ্ধতিৰ ধাৰণাৰ গভীৰতা অনুভৱ কৰি উঠিবৰ বাবে ইয়াৰ দাৰ্শনিক ভিত্তি বিশ্লেষণ কৰি চোৱাটো প্ৰয়োজন। ই হৈছে জন্ ডিউইৰ প্ৰয়োগবাদ দৰ্শনৰ কাৰ্য্যকৰী ৰূপ। এই দৰ্শনে বিশ্বাস কৰে যে আমাৰ সকলো জ্ঞান-ধাৰণা ক্ৰিয়াৰ ওপৰত ভিত্তি কৰা হব লাগে। মানুহৰ মনৰ জ্ঞান-ধাৰণা আৰু মূল্যবোধ আদি কেতিয়াও চিৰন্তন আৰু চিৰস্থায়ী বিধৰ হব নোৱাৰে। সময়ৰ পৰিৱৰ্তনৰ লগে লগে নতুন প্ৰয়োজন আৰু পৰিস্থিতিয়ে দেখা দিয়ে। ফলত আমাৰ পুৰণি জ্ঞান-ধাৰণা আৰু মূল্যবোধ আদি প্ৰয়োজন আৰু প্ৰায়োগি-কতাৰ ভিত্তিত পুনৰ মূল্যায়ন হৈ উঠে। ক্ৰিয়াৰ যোগেদিহে আমি নতুন সত্য আৰু নতুন মূল্যবোধ স্থিৰ কৰি উঠিব পাৰো। ইয়াত আৰু বিশ্বাস কৰা হয় যে আমাৰ বাবে সিহে সত্য যি নিজ অভিজ্ঞতাৰ দ্বাৰা সত্য বুলি প্ৰমাণিত হয়। ক্ৰিয়াবাদ বা প্ৰয়োগবাদ হৈছে সেয়েহে আমাৰ সকলো জ্ঞান-ধাৰণা আৰু মূল্যবোধৰ ভিত্তি স্বৰূপ।

এই দাৰ্শনিক দৃষ্টিকোণৰ পৰা সেয়েহে কোৱা হয় যে শিক্ষা

শিশুৰ উপযোগী আৰু নিজ ক্রিয়াৰ অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰা বিধৰ হব লাগে। তাৰ ইচ্ছা, আগ্রহ, প্রয়োজন আৰু অভিজ্ঞতাৰ বিপৰীতে ইয়াক তাৰ ওপৰত গতানুগতিকতাৰ দোহাই দি জাপি দিব নালাগে। শিশুক কোনো পূর্ব নির্ধাৰিত জ্ঞান বা সত্য প্রদান কৰিব নালাগে। সি নিজ ক্রিয়াৰ যোগেদি নতুন জ্ঞান-অভিজ্ঞতা আৰু সত্য নিজে উপলব্ধি কৰিবলৈ দিব লাগে। নিজ ক্রিয়াৰ যোগেদি লাভ কৰা বাস্তৱ সত্যইহে তাৰ সমস্যা সমাধানৰ বাবে সহায়ক হৈ উঠিব পাৰে। Experience through experiment বা পৰীক্ষাৰ যোগেদি অভিজ্ঞতা অর্জন হৈছে জ্ঞানৰ নিশ্চিত পথ। সেযেহে সমাজৰ বাস্তৱ সমস্যা শিশুৱে নিজ ক্রিয়াৰ যোগে অধ্যয়ন আৰু তাৰ অভিজ্ঞতা অর্জনত প্রযোগবাদী দার্শনিকসকলে গুৰুত্ব দিয়ে। স্কুলৰ পাঠ্যসূচী আৰু বিষযসূচীও এই উদ্দেশ্যৰে প্রস্তুত কৰি তুলিব লাগে।

প্রকল্প পদ্ধতিৰ শৈক্ষিক নীতিসমূহ (Educative principles of project method) :

আমেৰিকাৰ শিক্ষা-দর্শনত বিশেষ প্রভাৱ পেলোৱা এই প্রকল্প পদ্ধতি আধুনিক শিক্ষাৰ কেতবোৰ সুস্থ আৰু গ্রহণযোগ্য নীতি বা আদর্শৰ ওপৰত প্রতিষ্ঠিত। পদ্ধতিটোৰ স্বৰূপ অনুভৱ কৰি উঠিবৰ বাবে আৰু আমাৰ বাবে ইযাৰ গ্রহণযোগ্যতা বিচাৰ কৰি চাবৰ বাবে এই শিক্ষানীতিসমূহৰ বিশ্লেষণ কৰি চোৱাটো প্রয়োজন। এই প্রসংগত ইযাৰ নিম্নলিখিত দিশসমূহ আমাৰ বিবেচনাযোগ্য।

(১) স্বতঃস্ফূর্ততা (Spontaneity) : প্রকল্প পদ্ধতিয়ে ছাত্রক নিজ ক্রিযাত স্বতঃস্ফূর্তভাবে জড়িত কৰি তোলে। এই পদ্ধতিয়ে শিক্ষা গ্রহণৰ ক্ষেত্রত গতানুগতিক বাধ্যবাধকতা, শিক্ষকৰ একনায়-কত্ববাদী মনোভাব আৰু কঠোৰ অনুশাসনৰ ব্যৱস্থা গুচাব পাৰে। ইয়াৰ পৰিবর্তে তেওঁলোকৰ মনত শিক্ষা-অভিজ্ঞতা আহৰণৰ বাবে

সহযোগিতা, তৎস্ফূৰ্তভা আৰু নিজ ক্ৰিয়াৰ দায়িত্ববোধ ভাৱ আনি দিব পাৰে।

(২) উদ্দেশ্য প্ৰণোদিত (Purposiveness) : শিক্ষাৰ যিকোনো আঁচনি বা প্ৰকল্প শিক্ষাৰ্থীৰ প্ৰযোজন আৰু উদ্দেশ্যৰ ওপৰত প্ৰতিষ্ঠিত হব লাগে। শিক্ষাৰ্থীৰ মনত থকা এক স্পষ্ট আৰু শক্তিশালী উদ্দেশ্যইহে তেওঁক নিজ ক্ৰিয়াৰ প্ৰতি উৎসাহিত কৰি তুলিব পাৰে। ই এজন লোকৰ লক্ষ্য সাধন সহজ আৰু স্বাভাৱিক কৰি তুলিব পাৰে আৰু নিজ ক্ৰিয়াৰ সন্তুষ্টি দিব পাৰে। প্ৰকল্প পদ্ধতিত শিক্ষাৰ্থীৰ এনে মানসিক অৱস্থাৰ প্ৰতি বিশেষ দৃষ্টি ৰখা হৈছে।

(৩) ক্ৰিয়াভিত্তিকতা (Activity based) : প্ৰয়োগবাদ দৰ্শনৰ ওপৰত প্ৰতিষ্ঠিত প্ৰকল্প পদ্ধতিৰ যোগে শিক্ষাৰ মৌলিক ধাৰণাই হৈছে ক্ৰিযাভিত্তিকতা। ছাত্ৰৰ বাবে প্ৰস্তুত কৰি তোলা প্ৰকল্প সেযেহে তেওঁলোকৰ নিজ ক্ৰিয়াৰ ওপৰত নিৰ্ভৰশীল। অভিজ্ঞতা ক্ৰিয়াৰ ওপৰত প্ৰতিষ্ঠিত হলেহে প্ৰকৃত শিক্ষালাভ কৰাটো সম্ভৱপৰ। ই শিক্ষাক ছাত্ৰৰ বাবে উপভোগ্য আৰু অৰ্থপূৰ্ণ কৰি তুলিব পাৰে। প্ৰচলিত শিক্ষাৰ ক্ৰিয়া-বিমুখতা আৰু কাল্পনিকতা গুচাবৰ বাবেই এই পদ্ধতি প্ৰস্তুত কৰি তোলা হৈছে।

(৪) স্বাধীনতা (Freedom) : এই পদ্ধতিত থকা শিক্ষাৰ্থীৰ ক্ৰিয়া-কলাপ সম্পাদন কৰিবৰ বাবে সম্পূৰ্ণ স্বাধীনতা দিয়া হয়। তেওঁলোকে নিজ প্ৰকল্প আলোচনা-বিলোচনাৰ যোগে মুক্তভাৱে নিৰ্বাচন কৰি লব পাৰে। শিক্ষকে ইয়াৰ ওপৰত কোনো ধৰণৰ নিয়ন্ত্ৰণ আৰোপ নকৰে। ছাত্ৰই ইয়াত নিজ চিন্তা আৰু ক্ৰিয়াৰ পূৰ্ণ স্বাধীনতা পাব পাৰে। স্বাধীনতা হৈছে স্বতঃস্ফূৰ্ত ক্ৰিয়াৰ প্ৰয়োজনীয় চৰ্ত।

(৫) বাস্তৱতা (Reality) : ছাত্ৰই শিক্ষা প্ৰকৃত বাস্তৱ পৰিস্থিতিৰ পৰা লাভ কৰাটো ইযাত কামনা কৰা হয়। ইয়াৰ

—১৩

বাবে প্ৰকল্পৰ বিষয়বস্তু, সমাজৰ বাস্তৱ সমস্যা আৰু পৰিস্থিতিৰ পৰা নিৰ্বাচন কৰি লোৱা হয়। ছাত্ৰই আহৰণ কৰিব লগা জ্ঞান-অভিজ্ঞতা অবাস্তৱ আৰু কাল্পনিক বিধৰ কৰি তোলা নহয়। পৰিস্থিতিৰ বাস্তৱতাইহে ছাত্ৰক শিক্ষা আহৰণৰ বাবে আকৰ্ষিত কৰি তুলিব পাৰে।

(৬) **উপযোগিতা (Utility)** : প্ৰযোগবাদ দৰ্শনৰ দ্বাৰা অনুপ্ৰাণিত হোৱা বাবে এই শিক্ষা পদ্ধতিয়ে শিক্ষাৰ উপযোগিতা নীতিৰ ওপৰত বিশ্বাস কৰে। যি শিক্ষা আহৰণ কৰা হয় সি আমাৰ জীৱনৰ বাবে উপযোগী হৈ উঠিব লাগে। ছাত্ৰসকলে এই কথা অনুভৱ কৰি উঠিব লাগে যে তেওঁলোকৰ অৰ্জিত জ্ঞান জীৱনৰ সমস্যা সমাধানৰ বাবে সহায়কাৰী, ই জীৱন-বিচ্ছিন্ন বিধৰ নহয়। আমাৰ বাস্তৱ আৰু ব্যৱহাৰিক জীৱনৰ উপযোগী বিষয়সমূহহে ছাত্ৰৰ শৈক্ষিক কাৰ্য্যসূচীত অন্তৰ্ভুক্ত কৰিব লাগে।

প্ৰকল্পৰ বিভিন্ন প্ৰকাৰ (Types of Project) :

প্ৰকল্পসমূহৰ বিষয়বস্তু, তাৰ উদ্দেশ্য আৰু তাৰ ক্ৰিয়া-কলাপৰ ধৰণ অনুসৰি বিভিন্ন শ্ৰেণীত বিভক্ত কৰিব পাৰি। বিশেষজ্ঞসকলে এইক্ষেত্ৰত কৰা বিভাজনৰ ভিত্তিত নিম্নলিখিত শ্ৰেণী বিভাগৰ উল্লেখ কৰিব পাৰি।

(১) **গঠনাত্মক প্ৰকল্প** (Constructive Project) : এইবিধ প্ৰকল্পত ছাত্ৰৰ সংগঠনমূলক ক্ৰিয়াৰ আঁচনি অন্তৰ্ভুক্ত কৰা হয়। উদাহৰণ স্বৰূপে স্কুলত শিক্ষক দিৱস, শিশু দিৱস, বিশ্বস্বাস্থ্য দিৱস আদি বিভিন্ন বাৰ্ষিক দিৱস উদযাপনৰ ক্ৰিয়া-কলাপৰ ওপৰত ছাত্ৰসকলে প্ৰকল্প প্ৰস্তুত কৰিব পাৰে। এনেবিধ প্ৰকল্পই ছাত্ৰসকলৰ মনত সংগঠনমূলক ক্ৰিয়াৰ কাৰ্য্যকৰী অভিজ্ঞতা দিব পাৰে আৰু এই দিৱস বা উৎসৱসমূহ পালনৰ তাৎপৰ্য্য অনুভৱ কৰি উঠাত সহায় কৰিব পাৰে।

(২) গ্ৰহণাত্মক প্ৰকল্প (Receptive Project) : ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ ক্ৰিয়া-কলাপৰ পৰা উৎসাহ, আনন্দ, প্ৰেৰণা আৰু অভিজ্ঞতা আদি নিজে গ্ৰহণ বা আয়ত্তকৰণৰ প্ৰতি দৃষ্টি ৰাখি গ্ৰহণাত্মক প্ৰকল্প স্বৰূপে নামকৰণ কৰিব পাৰি। এনেবিধ প্ৰকল্পৰ ক্ৰিয়া সৌন্দৰ্য্য অনুভূতি দানকাৰী, শিক্ষা-অভিজ্ঞতা দানকাৰী অথবা মনৰ প্ৰেৰণা আৰু উৎসাহ-উদ্দীপনা আদি দানকাৰী হৈ উঠিব পাৰে। খেলা-ধূলা, নৃত্য-গীত, নাট্যাভিনয় আদিৰ প্ৰকল্প গ্ৰহণ কৰা, শিক্ষা-মূলক ভ্ৰমণ, প্ৰকৃতি অধ্যয়ন আদিৰ আঁচনি গ্ৰহণ কৰা কাৰ্য্য এইবিধ প্ৰকল্পৰ অন্তৰ্ভুক্ত কৰিব পৰা যায়।

(৩) সমস্যা সমাধানমূলক প্ৰকল্প (Problem Solving Project) : সামাজিক জীৱনৰ কোনো এক বাস্তৱ সমস্যাৰ অধ্যয়ন আৰু তাৰ সমাধানৰ বাবে প্ৰস্তুত কৰা প্ৰকল্পক ইয়াৰ অন্তৰ্ভুক্ত কৰিব পাৰি। এইবিধ প্ৰকল্পই সমাজৰ বিশেষ সমস্যাবোৰৰ প্ৰতি ছাত্ৰসকলৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰে আৰু তাৰ সমাধানৰ বাবে সচেষ্ট কৰি তুলিব পাৰে। উদাহৰণ স্বৰূপে সমাজৰ বিভিন্ন শৈক্ষিক, সাংস্কৃতিক, অৰ্থনৈতিক সমস্যা যেনে—জনসংখ্যা বৃদ্ধি, সাংস্কৃতিক সমন্বয় সাধন, প্ৰাপ্তবয়স্ক লোকৰ শিক্ষা আদি বিষয় ইয়াৰ অন্তৰ্ভুক্ত কৰিব পাৰি। সামাজিক জীৱনৰ লগত জড়িত বিজ্ঞানৰ বিভিন্ন সমস্যাও ইয়াৰ অন্তৰ্ভুক্ত কৰিব পাৰি, যেনে - পৰিবেশৰ বায়ু-পানী দূষিতকৰণ, কৃষি বিষয়ক সমস্যা আদি উল্লেখযোগ্য।

(৪) বিশিষ্ট শিক্ষণমূলক প্ৰকল্প (Specific learning Project) : এইবিধ প্ৰকল্পৰ যোগে ছাত্ৰসকলক কোনো বিশেষ বিশেষ বিষয়ৰ বিশ্লেষণাত্মক অধ্যয়ন (analytical study) আৰু অভিজ্ঞতা প্ৰদানৰ চেষ্টা কৰা হয়। এনেবিধ প্ৰকল্পই ছাত্ৰসকলক পৰৱৰ্তী পৰ্য্যায়ৰ উচ্চ শিক্ষা আৰু গৱেষণা কাৰ্য্যৰ বাবেও প্ৰয়োজনীয় অভিজ্ঞতাৰে উৎসাহিত কৰি তোলে। এইবিধ প্ৰকল্পৰ বিষয়স্বৰূপে ঐতিহাসিক অধ্যয়ন, ভাষা অধ্যয়ন, বিজ্ঞান আৰু কাৰিকৰী বিষয়ৰ অধ্যয়ন আদি বিশিষ্ট অধ্যয়ন অন্তৰ্ভুক্ত কৰিব পৰা যায়।

প্ৰকল্প পদ্ধতিৰ বিভিন্ন ক্ৰিয়া-পৰ্য্যায় (Steps of activity in the Project) :

প্ৰকল্প পদ্ধতি হৈছে এক সুপৰিকল্পিত আৰু সুপৰিচালিত শিক্ষা আঁচনি যাৰ যোগেদি ছাত্ৰই নিজ ক্ৰিয়া পৰিচালনা আৰু সম্পাদন কৰি তোলে। ইযাত তেওঁলোকে উদ্দেশ্যপ্ৰণোদিত ভাবে আৰু পৰ্য্যায়ক্ৰমভাবে ক্ৰিযা সম্পাদন কৰে। ইযাৰ ফলত শিক্ষণীয গোটেই বিষযটোৰ সামগ্ৰিক ক্ৰিযা অভিজ্ঞতাৰ ছবি তেওঁলোকৰ মনত স্পষ্ট হৈ উঠিব পাৰে। তেওঁলোকে কি কৰিছে, কিয কৰিছে, কেনেকৈ কৰিছে আৰু তাৰ কি ফলাফল পাইছে এই সকলো কথা নিজ ক্ৰিযা অভিজ্ঞতাৰে মনত স্পষ্ট কৰি তুলিব পাৰে। প্ৰকল্প পদ্ধতিত জড়িত ইযাৰ বিশিষ্ট ক্ৰিযা পৰ্য্যায কেইটা নিম্নলিখিতভাবে বৰ্ণনা কৰিব পাৰি।

(১) **উদ্দেশ্য প্ৰস্তুতকৰণ** (Purposing) : প্ৰকল্প পদ্ধতিত ছাত্ৰসকলে নিজ অধ্যযনৰ বিষযবস্তু নিজেই নিৰ্বাচন কৰি লোৱাত উৎসাহ যোগোৱা হয। বিষযবস্তু নিৰ্বাচনৰ বাবে ইযাত তেওঁলোকে প্ৰথমেই প্ৰস্তাৱ গ্ৰহণ কৰে আৰু এই প্ৰস্তাৱৰ গ্ৰহণযোগ্যতা সম্বন্ধে খৰচিমাৰি সকলোবোৰ দিশ আলোচনা কৰে। প্ৰতিটো দিশৰ সূক্ষ্ম আলোচনাৰ যোগে কৰা বিচাৰ-বিবেচনাৰ অন্ততহে প্ৰকল্পৰ বিষযবস্তু স্থিৰ কৰে। শিক্ষকে এইক্ষেত্ৰত দৃষ্টি ৰাখিব লাগে যে প্ৰকল্পটো প্ৰকৃতপক্ষে কাৰ্য্যকৰী কৰি তোলাটো সম্ভৱপৰ আৰু ই ছাত্ৰসকলৰ অধ্যয়নৰ বাবে গ্ৰহণযোগ্য ছাত্ৰসকলেও প্ৰকল্পটো গ্ৰহণযোগ্য হোৱা অথবা যুক্তিসংগত হৈ উঠাৰ কাৰণসমূহ লিপিবদ্ধ কৰি ৰাখিব লাগে। এই কথা বিশ্বাস কৰা হয যে প্ৰকল্প নিৰ্বাচন কৰাৰ ক্ষেত্ৰত ছাত্ৰক জড়িতকৰণেহে তেওঁলোকৰ অংশ গ্ৰহণ আৰু তাৰ কাৰ্য্যকৰীকৰণত উৎসাহ যোগাব পাৰে।

(২) **পৰিকল্পনা** (Planning) : কোনো এটা প্ৰকল্প নিৰ্বাচন কৰাৰ লগে লগে ইয়াৰ পৰৱৰ্তী প্ৰয়োজনীয় ক্ৰিয়া পৰ্য্যায় হৈছে

তাৰ আঁচনি প্ৰস্তুত কৰা। নিৰ্বাচিত প্ৰকল্পৰ পৰিকল্পনা বা আঁচনি প্ৰস্তুত কৰাৰ প্ৰাথমিক প্ৰক্ৰিয়া হৈছে ছাত্ৰসকলৰ মাজত মৌখিক ভাবে সেই সম্বন্ধে আলোচনা-বিলোচনা কৰা। প্ৰকল্পটোৰ লগত সম্বন্ধ থকা সকলোবোৰ ক্ৰিয়া-কলাপৰ দায়িত্ব শ্ৰেণীৰ বিভিন্ন ছাত্ৰৰ মাজত দলগতভাবে বিতৰণ কৰা হয। এই দায়িত্বসমূহক পুনৰ উপ-বিভাগ কৰি প্ৰতিজন ছাত্ৰকে একো একোটা ক্ৰিয়াৰ বিশেষ বিশেষ দায়িত্ব দিয়া হয, যি তেওঁলোকৰ বাবে উপযুক্ত, আগ্ৰহৰ আৰু সুবিধাজনক হৈ উঠিব পাৰে। এনে ক্ৰিয়া বণ্টনৰ ক্ষেত্ৰত শিক্ষকেও প্ৰযোজন মতে সহায় কৰে আৰু সম্ভাব্য কঠিনতা আৰু সমস্যা আদিৰ প্ৰতি ছাত্ৰসকলৰ দৃষ্টি আকৰ্ষণ কৰে।

(৩) **পৰিচালনা** (Executing): এই পৰ্য্যায আপেক্ষিক ভাবে দীঘল, জটিল আৰু ক্ৰিয়া বিশিষ্ট বুলিব পৰা যায়। এটা প্ৰকল্প সম্পূৰ্ণ কৰি তুলিবৰ বাবে ছাত্ৰসকলে বিবিধ সংশ্লিষ্ট দিশৰ পৰা জ্ঞান আহৰণ কৰিব লাগে। ইযাৰ বাবে এই পৰ্য্যায়ত তেওঁ-লোকে পুথি অধ্যয়ন কৰিব লাগে, চিঠিপত্ৰ আৰু বৰ্ণনা আদি লিখিব লাগে, বিভিন্ন ঠাইলৈ গৈ বিষয়বস্তু নিজ চকুৰে চাব লাগে, টোকা সংগ্ৰহ কৰিব লাগে, ভৌগোলিক পৰিস্থিতি আৰু মেপ অধ্যয়ন কৰিব লাগে, পুথি-ভঁৰাল আৰু সংগ্ৰহালযলৈ গৈ বুৰঞ্জীমূলক তথ্য সংগ্ৰহ কৰিব লাগে, বিজ্ঞান বিষযৰ নমুনা sample) সংগ্ৰহ কৰিবৰ বাবে চিৰিয়াখানা আৰু উদ্ভিদ উদ্যান আদিলৈ যাব লাগে আৰু বস্তুৰ মূল্য আৰু কিনা-বেচা আদিৰ তথ্য সংগ্ৰহ কৰিবলৈ বজাৰলৈ যাব লাগে। এই বিভিন্ন দিশৰ তথ্য সংগ্ৰহৰ বাবে ছাত্ৰসকলক তেওঁলোকৰ ব্যক্তিগত যোগ্যতা, আগ্ৰহ আৰু সুবিধা মতে দায়িত্ব ভাগ কৰি দিয়া হয়। সেইবাবে প্ৰতিজন ছাত্ৰই তেওঁলোকৰ প্ৰকল্প আঁচনি নিজ নিজ ভাবে কাৰ্য্যকৰীকৰণৰ সুবিধা পাব পাৰে। শিক্ষকসকলেও ইযাৰ লগত ওচৰ সম্বন্ধ স্থাপন কৰি ছাত্ৰসকলৰ ক্ৰিয়া-অগ্ৰগতি সম্বন্ধে দৃষ্টি ৰাখিব পাৰে।

(৪) বিচাৰকৰণ (Judging) : ছাত্ৰসকলে প্ৰকল্পটো কাৰ্য্য-কৰীকৰণত লাভ কৰা অগ্ৰগতি তেওঁলোকে নিজেই মূল্যায়ন কৰাৰ ই এক পৰ্য্যায। যিকোনো ক্ৰিয়া আঁচনিৰে এক অপৰিহাৰ্য্য ক্ৰিয়া পৰ্য্যায় হৈছে তাৰ বস্তুনিষ্ঠভাৱে মূল্যায়ন বা বিচাৰকৰণ কৰা। ইয়াত ছাত্ৰসকলে তেওঁলোকে কৰা কামৰ যুক্তিযুক্ততা সম্বন্ধে সমীক্ষা কৰে। ক্ৰিয়াৰ যিকোনো পৰ্য্যাযত হোৱা ভুল-ভ্ৰান্তি আৰু ক্ৰটি-বিচ্যুতি আদি নিজেই অনুসন্ধান কৰে। সেযেহে এই পৰ্য্যাযত ছাত্ৰসকলে নিজ ক্ৰিয়াৰ আত্ম মূল্যায়ন কৰি উঠিব পাৰে আৰু এনে কাৰ্য্য তেওঁলোকৰ প্ৰকল্পটোৰ অপৰিহাৰ্য্য অংশ স্বৰূপে বিবেচনা কৰা হয়। শিক্ষকসকলেও ছাত্ৰক তেওঁলোকৰ মূল্যায়ন কাৰ্য্যত সহায় কৰিবৰ বাবে মূল্যায়নৰ আদৰ্শ মানদণ্ড সম্বন্ধে প্ৰয়োজনীয় নিৰ্দেশনা দিব লাগে।

(৫) লিপিবদ্ধকৰণ (Recording) : ছাত্ৰসকলে তেওঁ-লোকৰ সমগ্ৰ প্ৰকল্পটোৰ ক্ৰিয়া অগ্ৰগতিৰ সম্পূৰ্ণ বিৱৰণ লিপিবদ্ধ কৰি ৰাখিব লাগে। এই লিপিবদ্ধকৰণৰ বিষয়সমূহ হৈছে মূল আঁচনিখনৰ ক্ৰিয়া পৰিকল্পনা, তাৰ আলোচনা-বিলোচনাৰ পৰা লাভ কৰা মূল্যবান দৃষ্টিকোণ আদি, কাৰ্য্যকৰীকৰণত লাভ কৰা তথ্য-পাতি, ৰা-ৰাতৰি আৰু অভিজ্ঞতা আদি আৰু ইযাৰ ওপৰত কৰা তেওঁলোকৰ মূল্যায়ন বা সমীক্ষাৰ সাৰাংশ আদি। এনে লিপিবদ্ধ-কৰণ কাৰ্য্যই তেওঁলোকৰ ক্ৰিয়াৰ গতি-পদ্ধতি আৰু সম্ভাব্য পৰিণতি নিৰীক্ষণ কৰাতো সহায কৰিব পাৰে। পৰৱৰ্তী প্ৰকল্প গ্ৰহণৰ বাবেও ই দিগ-দৰ্শক স্বৰূপ হৈ উঠিব পাৰে।

এটা ভাল প্ৰকল্পৰ প্ৰয়োজনীয় গুণসমূহ (Necessary qualities of a good Project) :

প্ৰকল্প পদ্ধতিৰে দিয়া শিক্ষাৰ সাৰ্থকতা বহুপৰিমাণে নিৰ্ভৰ কৰে প্ৰকল্পটো উপযুক্তভাৱে নিৰ্বাচন কৰি লব পৰাৰ ওপৰত। বিভিন্ন

দিশৰ বিবেচনাৰ ওপৰত প্ৰকল্পটো নিৰ্বাচনৰ শুদ্ধতা আৰু উপযুক্ততা নিৰ্ভৰ কৰে। সেইবাবে ইযাক নিৰ্বাচন কৰাৰ বেলিকা ছাত্ৰ আৰু শিক্ষকসকলে এই দিশসমূহৰ সাৱধানে বিচাৰ কৰি চোৱাটো প্ৰযোজন। এই প্ৰসংগত নিম্নলিখিত দিশসমূহৰ প্ৰতি আমাৰ বিশেষ দৃষ্টি নিক্ষেপ কৰা উচিত।

(১) অৰ্থপূৰ্ণতা (Worthfulness) **:** যিসকলৰ বাবে প্ৰকল্পৰ বিষয় নিৰ্বাচন কৰা হয় সেইসকল লোকৰ বাবে ই অৰ্থপূৰ্ণ অথবা তাৎপৰ্য্যপূৰ্ণ হৈ উঠিব লাগে। আমাৰ ব্যৱহাৰিক জীৱনৰ লগত বিশেষ সম্বন্ধ নথকা বিষয় একোটা কেৱল প্ৰকল্প নিৰ্বাচনৰ প্ৰয়োজনৰ বাবেই মাথোন গ্ৰহণ কৰিব নালাগে। ই প্ৰকল্প গ্ৰহণকাৰীসকলৰ বাবে ব্যৱহাৰিক মূল্য থকা বিধৰ হব লাগে।

(২) অভিজ্ঞতাৰ ব্যাপকতা (Comprehensiveness of experiences) **:** প্ৰকল্পৰ নিৰ্বাচিত বিষয় এনে হব লাগে যাতে ই স্কুলৰ পাঠ্য বিষযসমূহ ব্যাপকভাবে সামৰি লব পাৰে। ইয়াৰ অধ্যযনৰ আৰু অভিজ্ঞতা আহৰণৰ ক্ৰিয়া পৰিসৰ সংকীৰ্ণ অথবা অত্যন্ত সীমাবদ্ধ হব নালাগে। প্ৰকল্পৰ অভিজ্ঞতাই ব্যাপক পৰিসৰৰ জ্ঞান অভিজ্ঞতা সামৰি লব পাৰিলেহে সি ছাত্ৰৰ ভিন্নমুখী আগ্ৰহ অভিৰুচি আৰু প্ৰযোজন আদি পূৰণ কৰিব পাৰে।

(৩) সময়সাপেক্ষতা Time oriented) **:** সময়ৰ উপযোগী কৰি তোলাটো এটা ভাল প্ৰকল্পৰ প্ৰযোজনীয চৰ্ত বুলিব পাৰি। প্ৰকল্পটোৰ লগত সমসামযিক পৰিস্থিতি আৰু ঘটনা প্ৰবাহ তথা প্ৰাকৃতিক জলবায়ু আৰু ঋতুৰ সম্বন্ধ থকা বিধৰ হব লাগে। ইয়াৰ উপৰি ছাত্ৰ-ছাত্ৰীৰ বযস আৰু তেওঁলোকৰ মানসিক ক্ষমতাৰ প্ৰতিও দৃষ্টি ৰাখিব লাগে। সময়-সাপেক্ষতাই ছাত্ৰৰ মনত স্বাভাৱিকতেই প্ৰকল্পটো কাৰ্য্যকৰীকৰণৰ বাবে উৎসাহ আগ্ৰহ জগাই তুলিব পাৰে।

(৪) প্ৰত্যাহ্বানমূলক (Challenging) **:** প্ৰকল্পৰ বিষয় গতানুগতিক আৰু যন্ত্ৰচালিত বিধৰ হোৱাৰ পৰিবৰ্তে ই ছাত্ৰ-শিক্ষকৰ

বাবে সন্মানসূচক আৰু প্ৰশংসনীয় ক্ৰিয়া স্বৰূপে বিবেচিত হব লাগে। প্ৰকল্পটো সম্পাদনৰ এক গুৰুত্ব থাকিলে হে তেওঁলোকৰ মনোবল আৰু সংকল্প সুদৃঢ় কৰি তুলিব পাৰে আৰু ছাত্ৰসকলে ইয়াক এক প্ৰত্যাহ্বানমূলক ক্ৰিয়া স্বৰূপে গ্ৰহণ কৰিব পাৰে।

(৫) কাৰ্য্যকৰিতা (Feasibility): এটা প্ৰকল্প নিৰ্বাচন কৰাৰ পুৰ্বে সি বাস্তৱত ৰূপদান কৰাটো সম্ভৱপৰ হয় নে নহয় তাক সাৱধানে বিচাৰ কৰি চাব লাগে। বাস্তৱত কাৰ্য্যকৰী কৰি তোলাটো অসম্ভৱ হৈ উঠিব পৰা আৰু ক্ৰিয়া সম্পাদনাত বিশেষ জটিলতাই ছাত্ৰসকলৰ প্ৰচেষ্টা ব্যৰ্থ কৰি তুলিব পৰা বিষয় প্ৰকল্প স্বৰূপে নিৰ্বাচিত কৰিব নালাগে। নিৰ্বাচিত বিষয় কাৰ্য্যকৰী ৰূপ দিয়াটো সম্ভৱপৰ হৈ উঠা যেন বিবেচিত হ'লেহে তাক গ্ৰহণ কৰিব লাগে। এইক্ষেত্ৰত শিক্ষকে ছাত্ৰসকলক বিশেষ সহায় কৰিব পাৰে।

প্ৰকল্প পদ্ধতিত শিক্ষকৰ ভূমিকা (Role of teacher in the Project method):

প্ৰকল্প পদ্ধতিয়ে এনে এক শিক্ষা পৰিস্থিতিৰ সৃষ্টি কৰে য'ত ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ ক্ৰিয়া আঁচনিত মুক্ত আৰু স্বতঃস্ফূৰ্ত অংশগ্ৰহণ কৰিব পাৰে। ইয়াত তেওঁলোকে স্বাধীন আৰু স্বতঃ প্ৰণোদিতভাবে কাম কৰিবলৈ এক মুক্ত গণতান্ত্ৰিক পৰিবেশ সৃষ্টি কৰা হয়। অৱশ্যে এনে এক পৰিবেশত শিক্ষকৰ প্ৰযোজন, তেওঁৰ দায়িত্ব আৰু কৰ্তব্য সম্বন্ধে স্বাভাৱিকতেই প্ৰশ্ন উঠিব পাৰে। এই প্ৰসংগত কব পাৰি যে প্ৰকল্প পদ্ধতিত শিক্ষকৰ ভূমিকা আৰু তেওঁৰ দায়িত্ব অধিক স্পষ্ট। ইয়াত কোনো সন্দেহৰ অৱকাশ থাকিব নালাগে। এইবিধ শিক্ষাত তেওঁ এজন অপ্ৰত্যাশিত ব্যক্তি নহয়, বৰং তেওঁৰ ইযাত উপস্থিতি আৰু ভূমিকা গ্ৰহণ ছাত্ৰসকলে প্ৰকল্পটোৰ প্ৰতিটো পৰ্য্যায়তে অনুভৱ কৰে। ছাত্ৰসকলৰ লগত শিক্ষকৰ সম্বন্ধ আৰু ঘনিষ্ঠতা সাধাৰণ শ্ৰেণীকক্ষৰ শিক্ষাতকৈ অধিক নিকটবৰ্তী

বুলিব পাৰি। ছাত্ৰসকলে কৰা দলবদ্ধ ক্ৰিয়াৰ তেওঁ হৈছে এজন অপৰিহাৰ্য্য ব্যক্তি, সি তেওঁলোকৰ বাবে বন্ধু, দাৰ্শনিক আৰু পথ প্ৰদৰ্শক স্বৰূপ।

শিক্ষকে ইয়াত ছাত্ৰসকলৰ সমগ্ৰ আঁচনিখনৰ অগ্ৰগতিত গুৰি ধৰিব লাগে। তেওঁ এজন সৰ্বজ্ঞ ব্যক্তিস্বৰূপে নিজকে জাহিৰ কৰিব নোখোজে। কিন্তু তথাপিও তেওঁৰ বয়স আৰু অভিজ্ঞতাই ছাত্ৰ-সকলৰ ক্ৰিয়াত সহায় কৰাত যোগ্য ব্যক্তিস্বৰূপে দাবী কৰিব পাৰে। তেওঁ ছাত্ৰসকলক নিজ ক্ৰিয়াৰ লক্ষ্য উদ্দেশ্য শুদ্ধভাবে স্থিৰ কৰাত সহায় কৰে আৰু যাতে শুদ্ধ পথেৰে তেওঁলোকে অগ্ৰগতি লাভ কৰিব পাৰে তাৰ প্ৰতি বিশেষ চকু ৰাখে। তেওঁ নতুন তথ্য আৰু বা-বাতৰিৰে সহায় কৰে, যাৰ ফলত ছাত্ৰসকলে তেওঁলোকৰ প্ৰকল্প নিৰ্বাচন, প্ৰস্তুতকৰণ, কাৰ্য্যকৰীকৰণ আৰু মূল্যায়ন কাৰ্য্য সুকলমে সমাধা কৰিব পাৰে। শিক্ষকে প্ৰকল্পটোৰ কোনো কাম নিজে সম্পাদন নকৰে, কিন্তু ইয়াক কৰিবৰ বাবে কোনটো উপযুক্ত পন্থা গ্ৰহণ কৰা উচিত, অথবা কেনে উপায় অৱলম্বন কৰিলে ভাল ফল পোৱা যাব পাৰে তাৰ প্ৰয়োজনীয় নিৰ্দেশনা দিয়ে। প্ৰতিজন ছাত্ৰই যাতে শিক্ষাত সক্ৰিয় অংশ গ্ৰহণ কৰে আৰু কোনো লাজকুৰীয়া অথবা অসামাজিক বিধৰ ছাত্ৰইও যাতে আগবাঢ়ি আহি আনৰ লগত ক্ৰিয়াৰ সহযোগিতা কৰিব পাৰে তাৰ প্ৰতি তেওঁ চকু ৰাখিব লাগে। ছাত্ৰসকলৰ নিজ নিজ যোগ্যতাৰ ক্ষেত্ৰত থকা ব্যক্তি পাৰ্থক্য সম্বন্ধে তেওঁৰ স্পষ্ট ধাৰণা থাকিব লাগে আৰু সেই অনুক্ৰমে তেওঁলোকৰ কাৰ্য্য নিৰ্ধাৰণ কৰি দিব লাগে। প্ৰকল্পটোৰ সকলোবোৰ দিশৰ প্ৰতি তেওঁ সজাগ আৰু সক্ৰিয় হব লাগে আৰু ছাত্ৰসকলে যাতে তাক শুদ্ধ পথে আগুৱাই নিব পাৰে তাৰ প্ৰতি দৃষ্টি ৰাখিব লাগে।

এই সকলোবোৰ কথাৰ বিবেচনাৰে প্ৰকৃত অৰ্থত কবলৈ গ'লে তেঁৱেই হৈছে আঁৰ কাপোৰত লুকাই থকা বিশেষ ব্যক্তি। যিদৰে এই ব্যক্তিজনৰ অভাৱত মঞ্চৰ নাট্যাভিনয়ত বেমেজালিৰ সৃষ্টি হব

পাৰে, সেইদৰে শিক্ষকৰ অভাৱতো প্ৰকল্পৰ অগ্ৰগতি বাধাপ্ৰাপ্ত হৈ পৰিব পাৰে। সেইবাবে এই শিক্ষা পদ্ধতিত শিক্ষকৰ দায়িত্ব হৈছে পৰোক্ষ কিন্তু অধিক গুৰুত্বপূৰ্ণ। তেওঁ পাঠদানকাৰী স্বৰূপে নহয়, পথ প্ৰদৰ্শনকাৰী স্বৰূপেহে নিজৰ ভূমিকা গ্ৰহণ কৰিব লাগে।

ডল্টন আঁচনি আৰু প্ৰকল্প পদ্ধতিৰ তুলনা (Comparison of Project method with the Dalton plan) :

আধুনিক শিক্ষাৰ দুটা স্বতন্ত্ৰ শিক্ষা পদ্ধতি স্বৰূপে ডল্টন আঁচনিৰ লগত থকা প্ৰকল্প পদ্ধতিৰ সাদৃশ্য বৈসাদৃশ্যসমূহ ফঁহিয়াই চোৱাটো প্ৰয়োজন। ইয়াৰ যোগদিহে দুয়োটাৰে স্বৰূপ আৰু ইয়াৰ গ্ৰহণ-যোগ্যতা সম্বন্ধে আমাৰ মনত স্পষ্ট ধাৰণা হৈ উঠিব পাৰে। এইক্ষেত্ৰত বিস্তৃত আলোচনালৈ নগৈ ইয়াৰ সাদৃশ্য আৰু বৈসাদৃশ্যসমূহ নিম্ন-লিখিতভাবে উপস্থাপন কৰিব পাৰি।

সাদৃশ্য :—

(১) দুয়োখন শিক্ষা আঁচনিয়েই আমেৰিকা যুক্তৰাষ্ট্ৰই কৰা শিক্ষাৰ নতুন চিন্তা-ধাৰাৰ বাস্তৱ পৰিণতি স্বৰূপ।

(২) দুয়োখন আচনিতে গতানুগতিক শিক্ষাৰ বিপৰীতে ছাত্ৰক অধিক স্বাধীনতা আৰু নিজ কৰ্তব্যবোধ ভাব মনত জগাই তুলিবলৈ বিচৰা হৈছে।

(৩) শ্ৰেণীৰ মৌখিক শিক্ষাৰ পৰিবৰ্তে দুয়োখন আঁচনিতে ছাত্ৰৰ নিজ ক্ৰিয়াৰ যোগেদি শিক্ষানীতি কাৰ্য্যকৰী কৰি তুলিবলৈ চেষ্টা কৰা হৈছে।

(৪) শিক্ষকৰ দায়িত্ব আৰু ভূমিকাও দুয়োখন আঁচনিতে বন্ধু, দাৰ্শনিক আৰু পথ প্ৰদৰ্শক স্বৰূপে পৰোক্ষ বিধৰ কৰি তোলা হৈছে।

(৫) গতানুগতিক শিক্ষা ব্যৱস্থাৰ তুলনাত দুয়োখন আঁচনিয়েই ইয়াৰ কাৰ্য্যকৰীকৰণৰ ক্ষেত্ৰত কষ্টসাধ্য আৰু ব্যয় বহুল।

(৬) ছুয়োখন আঁচনিয়েই স্কুলৰ মাধ্যমিক পৰ্য্যায়ৰ শিক্ষাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে উপযোগী কৰি তোলা হৈছে।

বৈসাদৃশ্য ঃ—

ডল্টন আঁচনি	প্ৰকল্প পদ্ধতি
(১) ডাঃ মেৰিয়া মণ্টেচৰীৰ শিক্ষা আদৰ্শ আৰু পদ্ধতিৰ দ্বাৰা বিশেষ ভাবে প্ৰভাৱিত।	(১) দাৰ্শনিক জন্ ডিউইৰ শিক্ষা দৰ্শন আৰু নীতিৰ দ্বাৰা বিশেষ ভাবে প্ৰভাৱিত।
(২) শিক্ষা ব্যৱস্থা অধিকভাবে ব্যক্তিকেন্দ্ৰিক কৰি তোলা হৈছে।	(২) শিক্ষা ব্যৱস্থা অধিকভাবে সমাজৰ ওচৰ চপাই নিবলৈ চেষ্টা কৰা হৈছে।
(৩) প্ৰতিজন ছাত্ৰই নিজ কৰ্ম-চুক্তি নিজস্বভাবে সম্পূৰ্ণ কৰি তুলিব লাগে।	(৩) ছাত্ৰই দলীয়ভাবে প্ৰকল্প-টোৰ আঁচনি সম্পাদন কৰিব লাগে।
(৪) একেজন ছাত্ৰই ক্ৰিয়াৰ সম্পূৰ্ণ দায়িত্ব গ্ৰহণ কৰিব লাগে।	(৪) এজন ছাত্ৰই প্ৰকল্পটোৰ এক আংশিক ভূমিকাহে গ্ৰহণ কৰিব লাগে।
(৫) শিক্ষা প্ৰয়োগশালাৰ কক্ষত আবদ্ধ কৰি ৰখা হৈছে।	(৫) শিক্ষা সমাজৰ বহল পৰি-সৰলৈ সম্প্ৰসাৰিত কৰা হৈছে।
(৬) ছাত্ৰৰ মনত সমাজৰ সমস্যা সমাধানৰ মনোভাব গঢ়ি উঠিব নোৱাৰে।	(৬) ছাত্ৰসকলে সমাজৰ সমস্যা সমাধানৰ প্ৰতি আগ্ৰহী হৈ উঠে।
(৭) শিক্ষকসকল অধিক সময় স্কুলত আবদ্ধ হৈ থাকিব লাগে।	(৭) শিক্ষকসকলে প্ৰয়োজন মতেহে স্কুলত উপস্থিত থকাৰ স্বাধীনতা থাকে।

(৮) প্ৰতিজন ছাত্ৰৰে শিক্ষা অগ্ৰগতি স্পষ্টভাৱে নিৰীক্ষণ কৰিব পাৰে।	(৮) প্ৰতিজন ছাত্ৰৰে শিক্ষা অগ্ৰগতি নিৰীক্ষণৰ তেনে কোনো ব্যৱস্থা নাই।
(৯) শিক্ষাৰ সামাজিক উপযোগিতা ছাত্ৰই ভালদৰে অনুভৱ কৰি উঠিব নোৱাৰে।	(৯) শিক্ষা সমাজৰ প্ৰয়োজনভিত্তিক স্বৰূপে ছাত্ৰই ভালদৰে অনুভৱ কৰি উঠিব পাৰে।
(১০) এই শিক্ষা আঁচনি উন্নত দেশবোৰৰ বাবেহে গ্ৰহণযোগ্য।	(১০) উন্নত নোহোৱা দেশবোৰেও এই শিক্ষা ব্যৱস্থা কাৰ্যকৰী কৰি তুলিব পাৰে।

প্ৰকল্প পদ্ধতিৰ সবলতা আৰু দুৰ্বলতা (Strength and weakness of Project method) ঃ

প্ৰকল্প পদ্ধতি হৈছে গতানুগতিক শিক্ষা ব্যৱস্থাৰ এক ব্যতিক্ৰম স্বৰূপ। ই শিক্ষাক ক্ৰিয়াভিত্তিক, সমাজৰ প্ৰয়োজনভিত্তিক আৰু ছাত্ৰৰ বাবে স্বতঃ প্ৰণোদিত কৰি তুলিবলৈ বিচৰা হৈছে। এনেবোৰ আদৰণীয় শিক্ষাৰ নীতি থকা স্বত্তেও ই শিক্ষাবিদসকলৰ সম্পূৰ্ণৰূপে সমালোচনামুক্ত হৈ উঠা বুলি ভাবিব নোৱাৰি। এই প্ৰসংগত ইয়াৰ সবলতা আৰু দুৰ্বলতাৰ দুযোটা দিশ নিম্নলিখিতভাৱে বিবেচনা কৰিব পাৰি।

সবলতা ঃ—

(১) প্ৰকল্প পদ্ধতি আধুনিক শিক্ষাৰ গণতান্ত্ৰিক ভাবধাৰাৰ দ্বাৰা প্ৰভাৱিত। ছাত্ৰসকলে ইয়াত স্বাধীনতা, সমতা আৰু স্বতঃ প্ৰণোদিত ক্ৰিয়াৰ সুবিধা লাভ কৰিব পাৰে। তেওঁলোকে

ইয়াত নিজ জ্ঞানৰ চিন্তা আৰু ক্ৰিয়া কৰিবলৈ শিকে। পুথি-গত বিষয়ৰ প্ৰস্তুত জ্ঞানতকৈ নিজ ক্ৰিয়াযোগে লাভ কৰা জ্ঞান অভিজ্ঞতা অধিক মূল্যবান বুলি অনুভৱ কৰিবলৈ শিকে।

(২) এই পদ্ধতি শিক্ষাৰ উন্নত মনোবৈজ্ঞানিক নীতিৰ ওপৰত প্ৰতিষ্ঠিত। ছাত্ৰসকলে নিজেই তেওঁলোকৰ প্ৰকল্পৰ বিষয় নিৰ্বাচন, আঁচনি প্ৰস্তুতকৰণ আৰু তাৰ কাৰ্য্যকৰীকৰণ কৰে। এনে কাৰ্য্যই তেওঁলোকৰ মনত ক্ৰিয়া সম্পাদন আৰু লক্ষ্য সাধনৰ সম্বন্ধে উৎসাহিত কৰি তোলে। ছাত্ৰৰ মনত শিক্ষণৰ বাবে অত্যাৱশ্যকীয় বুলি বিবেচিত হোৱা অভিৰোচন বা প্ৰণোদন কাৰ্য্য (motivation) ই সহজে সৃষ্টি কৰিব পাৰে।

(৩) প্ৰকল্প পদ্ধতি ক্ৰিয়াৰ যোগেদি শিক্ষানীতিৰ ওপৰত প্ৰতিষ্ঠিত। ছাত্ৰসকলে ইয়াত নিজ নিজ ভাৱে ক্ৰিয়াজড়িত হৈ পৰে যাৰ ফলত কৰ্ম অভিজ্ঞতা লাভ কৰিব পাৰে আৰু সমগ্ৰ বিষয়-বস্তুৰ সম্বন্ধে এক অন্তৰ্দৰ্শন (insight) ক্ষমতা লাভ কৰি উঠিব পাৰে। প্ৰচলিত মৌখিক বিধৰ শিক্ষাৰ দৰে ইয়াত ছাত্ৰই বিষয়বস্তুৰ এক অবাস্তৱ আৰু অস্পষ্ট কল্পনা বা অনুমান কৰি লব লগা নহয়।

(৪) এই পদ্ধতিয়ে ছাত্ৰৰ নিজ ক্ৰিয়া আঁচনি নিৰ্বাচন, গ্ৰহণ আৰু তাৰ কাৰ্য্যকৰীকৰণে সমস্যা সমাধান ক্ষমতা বিকাশ কৰি তুলিব পাৰে। ই গতানুগতিক শিক্ষা ব্যৱস্থাত ছাত্ৰই গ্ৰহণ কৰা মুখস্থ বিদ্যাৰ সুযোগ নিদিয়ে। ইয়াৰ বিপৰীতে জীৱনত দেখা দিয়া বাস্তৱ সমস্যাৰ সম্মুখত তাৰ সমাধানৰ বাবে সাহস আৰু ক্ৰিয়া প্ৰচেষ্টা উদ্ভাৱনত অভ্যস্ত কৰি তুলিব পাৰে।

(৫) এই প্ৰকল্প পদ্ধতিয়ে শিক্ষাৰ ব্যক্তিকেন্দ্ৰিক আৰু সামাজিক দিশৰ সমন্বয় সাধন কৰিবৰ বাবে ইয়াত ছাত্ৰই নিজৰ ব্যক্তি-গত ভাৱে আগবঢ়াব পৰা বৰঙণি যোগাব পাৰে। সামাজিক

ক্ৰিয়াত নিজৰ অস্তিত্ব আৰু প্ৰয়োজন প্ৰতিজন ছাত্ৰই ইয়াত অনুভৱ কৰি উঠিব পাৰে।

(৬) এই পদ্ধতিৰ শিক্ষা জীৱনৰ লগত সম্বন্ধ ৰক্ষাকাৰী আৰু বাস্তৱমুখী হৈ উঠিব পাৰে। ছাত্ৰই নিজ শিক্ষাৰ অৰ্থ আৰু তাৰ লক্ষ্য-উদ্দেশ্য সম্বন্ধে স্পষ্ট ধাৰণা কৰি উঠিব পাৰে। ইযাৰ ফলত তেওঁলোকৰ শিক্ষাত কৃত্ৰিমতাৰ প্ৰভাৱ গুচাই শিক্ষা অভিজ্ঞতা উদ্দেশ্যধৰ্মী আৰু প্ৰায়োগিক কৰি তুলিব পাৰে।

(৭) ছাত্ৰসকলৰ উচ্চ পৰ্য্যাযৰ অধ্যয়ন আৰু গৱেষণা কাৰ্য্যৰ বাবেও এই পদ্ধতিৰ শিক্ষা বিশেষ সহায়কাৰী। শিক্ষাৰ উচ্চ পৰ্য্যাযত সমাজৰ কোনো এক বাস্তৱ সমস্যা নিজেই বাচি লব পাৰে আৰু তাৰ ওপৰত প্ৰযোজনীয অধ্যযন আৰু গৱেষণা কাৰ্য্য নিজস্বভাবে কৰিব পাৰে। সমাজৰ জটিল সমস্যাবোৰ সমাধানৰ প্ৰতি ইযাৰ যোগেদি ছাত্ৰসকলক আগ্ৰহী কৰি তুলিব পাৰি।

(৮) দৈহিকভাৱে ক্ৰিযা জডিতকৰণে ছাত্ৰ-ছাত্ৰীসকলক এই পদ্ধতিযে শ্ৰমৰ মৰ্য্যাদা অনুভৱ কৰাত সহায কৰিব পাৰে। তাত্বিক আৰু পুথিগত শিক্ষাৰ শ্ৰম বিমুখতা ই গুচাব পাৰে আৰু সমাজৰ শ্ৰমজীৱি আৰু বুদ্ধিজীৱি শ্ৰেণী লোকৰ মনৰ মাজত থকা ব্যৱধান হ্ৰাস কৰিব পাৰে। কাৰ্য্যকৰী অভিজ্ঞতাৰ অবিহনে যে শিক্ষা সম্পূৰ্ণ হৈ উঠিব নোৱাৰে এই কথা বহলভাবে সকলোৱে অনুভৱ কৰি উঠিব পাৰে।

(৯) এই শিক্ষা পদ্ধতিযে ছাত্ৰসকলক জ্ঞানৰ সহ-সম্বন্ধতাৰ প্ৰতিও দৃষ্টি আকৰ্ষণ কৰে। প্ৰচলিত শিক্ষাত থকা অধ্যয়নৰ বিষয়-সমূহৰ সম্বন্ধহীনতা আৰু সংকীৰ্ণতাৰ মনোভাৱ ই গুচাব পাৰে। জ্ঞান অভিজ্ঞতাক অৰ্থপূৰ্ণ কৰি তুলিবৰ বাবে বিভিন্ন বিষযৰ মাজত থকা অন্তৰ্নিহিত সম্বন্ধ ইয়াত ছাত্ৰই নিৰীক্ষণ

কৰিব পাৰে। জ্ঞান হৈছে অভিন্ন আৰু অবিভাজ্য, এই ধাৰণা তেওঁলোকে লাভ কৰি উঠিব পাৰে।

(১০) প্ৰকল্প পদ্ধতিয়ে গতানুগতিক শিক্ষাত থকা শিক্ষকৰ এক-নায়কত্ববাদী মনোভাব আৰু এই সম্বন্ধীয় অনুশাসন ব্যৱস্থাৰো অন্ত পেলাব পাৰে। শিক্ষকসকল প্ৰকৃত পক্ষে ছাত্ৰসকলৰ বন্ধু, দাৰ্শনিক আৰু পথ প্ৰদৰ্শক, এনে এক উচ্চ আদৰ্শ আৰু স্থান ই শিক্ষকসকলক দিব পাৰে। শিক্ষকৰ নেতৃত্ব, ছাত্ৰ-শিক্ষকৰ সহযোগিতা আদি এই পদ্ধতিয়ে অধিক শক্তিশালী কৰি তুলিব পাৰে।

দুৰ্বলতা ঃ

(১) প্ৰকল্প পদ্ধতিৰ এক প্ৰধান দুৰ্বলতা এয়ে যে ইয়াত ছাত্ৰ-ছাত্ৰী সকলে সমগ্ৰ প্ৰকল্পটোৰ সকলো দিশৰ জ্ঞান-অভিজ্ঞতা খৰচি মাৰি লাভ কৰিব নোৱাৰে। ই তেওঁলোকক প্ৰাসংগিক ভাবে ইটো-সিটো বিষয়ৰ জ্ঞান দিব পাৰিলেও সমগ্ৰ প্ৰকল্পটোৰ ক্ৰিয়া অভিজ্ঞতাৰ ধাৰণা দিব নোৱাৰে। ফলত তেওঁলোকৰ জ্ঞান অসম্পূৰ্ণ হৈ ৰয়।

(২) এই পদ্ধতিৰে লাভ কৰা জ্ঞান-অভিজ্ঞতাক স্থায়িত্ব কৰি তুলিবৰ বাবে ছাত্ৰসকলে ইয়াত প্ৰয়োজনীয় অনুশীলন বা পুনৰাবৃত্তি কৰাটো সম্ভৱ হৈ নুঠে। প্ৰকল্পৰ জ্ঞান-অভিজ্ঞতা তেওঁলোকে মাত্ৰ এবাৰেইহে পাব পাৰে। ফলত প্ৰাপ্ত অভিজ্ঞতাৰ প্ৰভাৱ ক্ষণস্থায়ী বিধৰ হৈ উঠে।

(৩) এক নিৰ্দিষ্ট পাঠ্যক্ৰম আৰু পাঠ্যপুথিৰ অভাৱত এই শিক্ষা পদ্ধতি এক অকাৰ্য্যকৰী ব্যৱস্থা স্বৰূপেও সমালোচনা কৰা হয়। ই ছাত্ৰ-শিক্ষকক তেওঁলোকৰ অধ্যয়ন আৰু অভিজ্ঞতা অৰ্জনৰ কোনো স্পষ্ট নিৰ্দেশ নিদিয়ে। অধ্যয়নৰ বিষয়বস্তু কেৱল ছাত্ৰৰ ওপৰতেই সম্পূৰ্ণৰূপে এৰি দিয়াটো সমৰ্থনযোগ্য

নহয়। কৰ্তব্যবোধ ভাব আৰু আন্তৰিকতাৰ অভাৱ হোৱা ছাত্ৰ-শিক্ষকৰ বাবে এই পদ্ধতি সেয়েহে কাৰ্য্যকৰী নহয়।

(৪) প্ৰকল্প পদ্ধতিৰ শিক্ষাই স্কুলীয়া জীৱনৰ অনুশাসন ব্যৱস্থাৰ ওপৰতো বিৰূপ প্ৰভাৱ পেলাব পাৰে। ইযাত ছাত্ৰসকলৰ ক্ৰিয়া সম্পাদনৰ কোনো নিৰ্ধাৰিত সময়সূচী নাথাকে। ইযাৰ ফলত তেওঁলোকে শ্ৰেণীকক্ষ ত্যাগ কৰি স্কুলৰ বাহিৰত অ'ত ত'ত ঘূৰি ফুৰাৰ সুযোগ দিযে। দাযিত্বহীনতা আৰু অনুশাসন-হীনতাৰ এক অসুস্থ প্ৰৱণতা সেযেহে ই কোনো কোনো ছাত্ৰৰ মনত জগাই তুলিব পাৰে।

(৫) শিক্ষকসকলেও অভিযোগ কৰে যে এই পদ্ধতিৰে দিযা শিক্ষা হয় খেলি-মেলি আৰু অসংলগ্ন বিধৰ। ইযাৰ দ্বাৰা পাঠ্য বিষয়ক ভালদৰে সামৰি লব নোৱাৰি। ছাত্ৰসকলে লাভ কৰা জ্ঞান-অভিজ্ঞতাৰ পৰীক্ষা কৰা বা বুজ লোৱাটোও ইযাৰ দ্বাৰা সম্ভৱ হৈ উঠিব নোৱাৰে। শিক্ষাত মূল্যায়ন ব্যৱস্থা নাথাকিলে তেনে শিক্ষাৰ প্ৰতি স্বাভাৱিকতেই গুৰুত্ব দিযা নহয।

(৬) মনোবৈজ্ঞানিক দৃষ্টিকোণৰ পৰাও প্ৰকল্প পদ্ধতিৰ সমালোচনা কৰা হয। কোৱা হয যে এই পদ্ধতিযে ছাত্ৰ-ছাত্ৰীৰ বাবে এনে কেতবোৰ সমস্যা আগবঢায যি তেওঁলোকৰ মানসিক প্ৰৱণতা আৰু প্ৰযোজন অনুসৰি উপযুক্ত নহয। প্ৰকল্পৰ বিষযবস্তু প্ৰাপ্তবযস্ক লোকৰ বাবে আগ্ৰহৰ আৰু প্ৰযোজনীয হৈ উঠিলেও ই কম বযসীযা কিশোৰ-কিশোৰীসকলৰ মনঃপুত হৈ উঠিব নোৱাৰে।

(৭) প্ৰকল্প পদ্ধতিৰ যোগে দিযা শিক্ষা অতি দীঘলীয়া আৰু অধিক সময সাপেক্ষ হৈ উঠে। ছাত্ৰসকলে ইযাত নিজ ক্ৰিয়া জড়িত হৈ শিক্ষা লাভ কৰিব লগা হোৱা বাবে অধিক সময়ৰ আৰু দৈহিক প্ৰচেষ্টাৰ প্ৰয়োজন হয়। ফলত একোটা শৈক্ষিক

বহুখত তেওঁলোকে অতি সীমিত জ্ঞান-অভিজ্ঞতাহে লাভ কৰিব পাৰে। কিন্তু প্ৰচলিত শ্ৰেণী শিক্ষাত ছাত্ৰসকলৰ অৰ্জিত জ্ঞানৰ এক বহুল পৰিসৰ সামৰি লব পাৰি।

(৮) প্ৰত্যক্ষ ভাবে সমাজৰ বাস্তৱ সমস্যাৰ লগত সম্বন্ধ থকা বিষয়ৰ ওপৰত ভিত্তি কৰি প্ৰকল্প নিৰ্বাচন কৰাটো বাস্তৱিকতেই এক কঠিন কাম। সমাজৰ অনভিজ্ঞ স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে ই তাতোকৈ অধিক কঠিন কাম। সেইবাবে তেওঁলোকে প্ৰকল্প নিজেই নিৰ্বাচন কৰা, তাৰ পৰিকল্পনা আৰু পৰিচালনা কৰা আৰু নিজ ক্ৰিয়াৰ মূল্যায়ন কৰা আদি কাৰ্য্য ছাত্ৰসকলৰ পৰা প্ৰযোজনতকৈ অধিক বেছি আশা কৰাটোকেই বুজায়।

(৯) এই পদ্ধতি কাৰ্য্যকৰীকৰণৰ বেলিকাও শিক্ষানুষ্ঠানে কেতবোৰ বিশেষ অসুবিধাৰ সন্মুখীন হ'ব পাৰে। ই প্ৰচলিত শিক্ষাৰ সাংগঠনিক ব্যৱস্থাৰ এক আমূল পৰিবৰ্তন আনিবলৈ বিচাৰিছে। স্কুলৰ সময় অনুসৰি ৰচিত নিৰ্ধাৰিত কাৰ্য্যক্ৰম বাতিল কৰা, বিভিন্ন সামাজিক অনুষ্ঠানৰ লগত যোগাযোগ স্থাপন কৰা, বিশেষ প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ নিয়োগ কৰা, প্ৰকল্পৰ ক্ৰিয়া ব্যৱস্থাৰ ওপৰত ছাত্ৰ-শিক্ষকৰ বাবে হাত-পুথি আৰু পুস্তিকা আদি প্ৰস্তুত কৰা কাৰ্য্যই স্বাভাৱিকতে শিক্ষা দান কাৰ্য্য জটিল কৰি তুলিব পাৰে।

(১০) প্ৰকল্প পদ্ধতিয়ে ছাত্ৰ-ছাত্ৰীৰ চিন্তা-কল্পনা আদি মননাত্মক দিশৰ আৰু নৈতিক তথা আনুভূতিক দিশৰ গুণসমূহৰ বিকাশ সাধনৰ সুবিধা দিব নোৱাৰে। উল্লেখযোগ্য যে মাধ্যমিক পৰ্য্যায়ত কিশোৰ-কিশোৰীসকলৰ এনেবোৰ গুণৰ স্বাভাৱিক বিকাশেহে, তেওঁলোকৰ ব্যক্তিত্ব সুস্থ, সুন্দৰ আৰু শক্তিশালী কৰি তুলিব পাৰে।

প্ৰকল্প পদ্ধতি আৰু শিল্পকেন্দ্ৰিক শিক্ষা পদ্ধতিৰ তুলনা (Project method and Craft-centred education compared) :

গান্ধীজীৰ বুনিয়াদী শিক্ষা বা শিল্পকেন্দ্ৰিক শিক্ষাৰ বিষয়ে ইতিপূৰ্বে পঞ্চম অধ্যায়ত আলোচনা কৰি অহা হৈছে। এই শিক্ষাৰ লগত প্ৰকল্প পদ্ধতিৰ শিক্ষাৰ অন্তৰ্নিহিত সম্বন্ধ আমাৰ বাবে এক আকৰ্ষণীয় আলোচ্য বিষয় স্বৰূপে গণ্য কৰিব পাৰি। এই প্ৰসংগত ইয়াৰ বিস্তৃত আলোচনালৈ নগৈ দুয়োবিধ শিক্ষাৰ মাজত থকা সাদৃশ্য আৰু বৈসাদৃশ্যৰ প্ৰধান দিশসমূহ তলত সংক্ষেপে উল্লেখ কৰা হৈছে।

সাদৃশ্য :

(১) দুয়োবিধ শিক্ষা পদ্ধতিয়েই জন্ ডিউইৰ প্ৰযোগবাদ দৰ্শনৰ চিন্তাধাৰাৰ দ্বাৰা ব্যাপক ভাবে প্ৰভাৱিত হৈছে।

(২) দুয়োবিধ পদ্ধতিতেই ক্ৰিয়াৰ দ্বাৰা শিক্ষা (learning by doing) নীতিৰ বাস্তৱ ৰূপ দান কৰি তোলা হৈছে।

(৩) ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিগত আৰু সামাজিক জীৱনৰ বাবে উপযোগী আৰু অৰ্থপূৰ্ণ হৈ উঠাকৈ দুয়োবিধ শিক্ষাই প্ৰস্তুত কৰি তোলা হৈছে।

(৪) শিক্ষাৰ্থীসকলৰ দৈহিক, সামাজিক আৰু অৰ্থ নৈতিক পৰিবেশ আৰু তাৰ প্ৰয়োগ অনুসৰি শিক্ষাৰ কাৰ্য্যসূচী দুয়োবিধতেই গঢ় দি তোলা হৈছে।

(৫) দুয়োবিধতেই ক্ৰিয়াভিত্তিক শিক্ষাত বিশেষ প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ সমানে প্ৰয়োজন হয়।

(৬) শিক্ষাদানৰ সহসম্বন্ধ নীতি প্ৰয়োগ কৰি দুয়োবিধতেই ছাত্ৰ-সকলক জ্ঞানৰ বহল পৰিসৰৰ প্ৰতি আকৰ্ষিত কৰি তোলা হৈছে।

(৭) গতানুগতিক শিক্ষাত থকা শিক্ষকৰ একনায়কত্ববাদী প্ৰভাৱ গুচাই দুয়োবিধ শিক্ষাতেই ছাত্ৰৰ নিজস্ব ক্ৰিয়াত অধিক গুৰুত্ব দিয়া হৈছে।

(৮) দুয়োবিধ শিক্ষাতেই শিক্ষকে গতানুগতিক পাঠদানৰ পৰিৱৰ্তে ছাত্ৰসকলৰ বন্ধু, দাৰ্শনিক আৰু পথ প্ৰদৰ্শকৰ ভূমিকা গ্ৰহণ কৰে।

বৈসাদৃশ্য ঃ

শিল্পকেন্দ্ৰিক পদ্ধতি	প্ৰকল্প পদ্ধতি
(১) হস্তশিল্পই ছাত্ৰৰ ভৱিষ্যতৰ অৰ্থনৈতিক জীৱন গঢ় দি তোলে।	(১) প্ৰকল্পই ছাত্ৰৰ অৰ্থনৈতিক ভৱিষ্যতত তেনে কোনো প্ৰভাৱ নেপেলায়।
(২) হস্তশিল্পৰ উৎপাদনেৰে শিক্ষাৰ যাৱতীয় খৰচ বহনৰ আঁচনি ইযাত লোৱা হৈছে	(২) শিক্ষাৰ যাৱতীয় খৰচ বহনৰ বাবে ইয়াত ছাত্ৰসকলক প্ৰযোগ কৰা হোৱা নাই।
(৩) স্কুলৰ প্ৰতিটো বিষয শিক্ষাৰ মাধ্যম বা কেন্দ্ৰস্থ বিষয স্বৰূপে ইযাত হস্তশিল্প প্ৰযোগ কৰা হৈছে।	(৩) শিক্ষাত সহ সম্বন্ধৰ নীতি ব্যাপক ভাবে গ্ৰহণ কৰা হৈছে যদিও হস্তশিল্প তাৰ মাধ্যমস্বৰূপ নহয়।
(৪) নিৰ্বাচিত হস্তশিল্পই শিক্ষাৰ সকলো শ্ৰেণী আৰু পৰ্য্যায়তে সমানে প্ৰভাৱ বিস্তাৰ কৰে।	(৪) নিৰ্বাচিত প্ৰকল্প সমস্যা আৰু প্ৰয়োজন সৰি সলনি হৈ থাকে।
(৫) হস্তশিল্পৰ বিষয শিক্ষক আৰু শিক্ষা কৰ্তৃপক্ষই নিৰ্বাচন আৰু নিৰ্ধাৰণ কৰে।	(৫) প্ৰকল্পৰ বিষয ছাত্ৰসকলে আলোচনা বিলোচনাৰ যোগে নিজস্ব ভাবে নিৰ্বাচন কৰে।
(৬) শিক্ষাৰ নিম্ন পৰ্য্যায়ৰ বাবেহে ই অধিক উপযোগী, উচ্চ পৰ্য্যায়ৰ বাবে নহয়।	(৬) শিক্ষাৰ উচ্চ পৰ্য্যায়ৰ বাবেহে ই অধিক উপযোগী, নিম্ন পৰ্য্যায়ৰ বাবে নহয়।

(৭) হস্তশিল্পত ছাত্ৰই ব্যক্তিগত ভাবে ক্ৰিয়া সম্পাদন কৰে।	(৭) প্ৰকল্পত ছাত্ৰই দলগত ভাবে ক্ৰিয়া সম্পাদন কৰে।
(৮) ছাত্ৰৰ শিক্ষা স্কুল প্ৰাংগনৰ মাজতেই সম্পাদন কৰা হয়।	(৮) ছাত্ৰৰ শিক্ষা সমাজৰ বহল পৰিবেশলৈ সম্প্ৰসাৰিত কৰা হয়।
(৯) শিক্ষাগ্ৰহণ কালত উৎপাদন (earn while learn) নীতিয়ে প্ৰধান্য লাভ কৰে।	(৯) শিক্ষাগ্ৰহণ কালত ছাত্ৰৰ উৎপাদন নীতি ইয়াত মুখ্য বিবেচ্য বিষয় নহয়।
(১০) ভাৰতীয় আৰ্থ-সামাজিক পৰিস্থিতিৰ উপযোগী কৰি তোলা হৈছে।	(১০) আমেৰিকাৰ আৰ্থ-সামাজিক পৰিস্থিতিৰ উপযোগী কৰি তোলা হৈছে।

ভাৰতীয় শিক্ষাত প্ৰকল্প পদ্ধতিৰ প্ৰায়োগিকতা (Applicability of project method in the context of Indian education)

প্ৰকল্প পদ্ধতিৰ বিভিন্ন দিশৰ আলোচনাৰ অন্তত স্বাভাৱিকতেই আমাৰ মনত প্ৰশ্ন হয়- আমেৰিকাৰ এই শিক্ষা পদ্ধতি ভাৰতত কি পৰিমাণে প্ৰজোয্য অথবা গ্ৰহণযোগ্য। উল্লেখযোগ্য যে বৰ্তমান ভাৰতত শিক্ষা সংস্কাৰৰ দিশত পশ্চিমীয়া দেশৰ বিভিন্ন শিক্ষা-আদৰ্শ আৰু পদ্ধতিয়ে প্ৰত্যক্ষ বা পৰোক্ষ প্ৰভাৱ পেলাই আহিছে। এই-প্ৰকল্প পদ্ধতিৰ প্ৰভাৱ আমাৰ বাবে সমূলি উপেক্ষণীয় বুলি কব নোৱাৰি।

আমাৰ দেশৰ স্কুলৰ বৰ্তমান প্ৰচলিত শিক্ষা পদ্ধতি পৰিহাৰ কৰি প্ৰকল্প পদ্ধতিৰ আহিত শিক্ষা পুনৰগঠন আৰু পৰিচালনা কৰাৰ মত আমাৰ বাবে সমৰ্থনযোগ্য নহয়। কাৰণ তেনে কৰিবলৈ গ'লে শিক্ষা ব্যৱস্থা উন্নত হোৱাৰ পৰিবৰ্ত্তে অধিক বিশৃংখলতাই দেখা দিয়াৰহে আশংকা অধিক। এই ক্ষেত্ৰত ইতিপূৰ্বে উল্লেখ কৰা প্ৰকল্প পদ্ধতিৰ অন্তৰ্নিহিত দুৰ্বলতাবোৰৰ প্ৰতি আমি সচেতন হোৱাটো প্ৰয়োজন। যি কোনো এটা নতুন পদ্ধতিকেই প্ৰয়োগ কৰাৰ পূৰ্বে আমাৰ শিক্ষা

আৰু সমাজ ব্যৱস্থাৰ উপযোগীকৈ তাৰ সাংগঠনিক ভিত্তি (infrac-ture) গঢ় দি তোলাটো প্ৰয়োজন। আমাৰ বৰ্তমান প্ৰচলিত শিক্ষাৰ সাংগঠনিক ভিত্তিৰ ওপৰত প্ৰকল্প পদ্ধতিৰ দৰে এক নতুন শিক্ষাৰ পদ্ধতি হঠাৎ জাপি দিয়াটো সেয়েহে কেৱল অযুক্তিকৰেই নহয়, ই অনিষ্টকাৰীও হৈ উঠিব পাৰে।

অৱশ্যে এই প্ৰসংগত মন কৰিবলগীয়া যে প্ৰকল্প পদ্ধতিৰ শৈক্ষিক নীতি আৰু আদৰ্শ আমাৰ বাবে আদৰণীয় আৰু অনুকৰণীয়। আমাৰ স্কুলীয়া শিক্ষা ব্যৱস্থা অধিক উদ্দেশ্যধৰ্মী, প্ৰায়োগিক আৰু সমাজৰ প্ৰয়োজনমুখী কৰি তুলিবৰ বাবে আমাৰ দেশৰ শিক্ষাবিদসকলেও সময়ে সময়ে পৰামৰ্শ দি আহিছে। কোঠাৰি আয়োগে দিয়া কৰ্ম-অভিজ্ঞতাৰ ধাৰণা আৰু শেহতীয়াকৈ ঈশ্বৰভাই পেটেল কমিটিয়ে দিয়া সামাজিক ভাবে উপযোগী উৎপাদনমূলক ক্ৰিয়াৰ (SUPW) ধাৰণাৰ লগত প্ৰকল্প পদ্ধতিৰ মৌলিক সাদৃশ্য থকাটো আমি লক্ষ্য কৰিব পাৰো। সামাজিক ভাবে উপযোগী উৎপাদনমূলক ক্ৰিয়াৰ একো একোটা প্ৰকল্প ছাত্ৰসকলে তেওঁলোকৰ স্কুলত শিক্ষাগ্ৰহণৰ কালছোৱাত গ্ৰহণ কৰা আৰু তাক সম্পাদন কৰাৰ আঁচনি আমি নিশ্চয় গ্ৰহণ কৰিব পাৰো। স্কুলীয়া শিক্ষাক সমাজৰ ওচৰ চপাই নিবৰ বাবে সমাজৰ নিৰক্ষৰ আৰু দুৰ্বল শ্ৰেণী লোকৰ সমস্যাসমূহৰ ওপৰত প্ৰকল্প প্ৰস্তুত কৰিব পাৰো। SUPW-ৰ কাৰ্য্যসূচীৰে প্ৰকল্প পদ্ধতি কাৰ্য্যকৰীকৰণৰ ব্যৱস্থা সেয়েহে বিশেষ তাৎপৰ্য্যপূৰ্ণ।

(১) প্ৰকল্প পদ্ধতি কাক বোলে? এই শিক্ষা পদ্ধতিত নিহিত থকা দাৰ্শনিক দৃষ্টিভংগীৰ ব্যাখ্যা কৰা।

(২) প্ৰকল্প পদ্ধতি কি? এই পদ্ধতি শিক্ষাৰ কেনেবোৰ নীতি আৰু আদৰ্শৰ দ্বাৰা প্ৰভাৱিত বুজাই লিখা।

(৩) প্ৰকল্প পদ্ধতিৰ শিক্ষাৰ মুখ্য উদ্দেশ্য কি ? গতানুগতিক শিক্ষাতকৈ ই কিদৰে পৃথক বুজাই দিয়া। প্ৰকল্পক ভিন ভিন প্ৰকাৰত কিদৰে বিভক্ত কৰিব পাৰি ?

(৪) প্ৰকল্প পদ্ধতিৰ যোগে কিদৰে শিক্ষা দিয়া হয় ? ইয়াৰ বিভিন্ন ক্ৰিয়া-পৰ্য্যায়ৰ এটি বিৱৰণ দিয়া।

(৫) এটা প্ৰকল্প কিদৰে সম্পাদন কৰা হয় ? ভাল প্ৰকল্প প্ৰস্তুত কৰিবৰ বাবে কেনেবোৰ বিশেষ কথাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে ?

(৬) গতানুগতিক শিক্ষা পদ্ধতিতকৈ প্ৰকল্প পদ্ধতি কিদৰে পৃথক ? এই শিক্ষা পদ্ধতিত শিক্ষকে কেনে ভূমিকা গ্ৰহণ কৰিব লাগে ?

(৭) প্ৰকল্প পদ্ধতিৰ যোগে ছাত্ৰক কিদৰে শিক্ষা দিয়া হয় ? ডল্টন আঁচনিৰ শিক্ষাৰ লগত ইয়াৰ কিদৰে তুলনা কৰিব পাৰি ?

(৮) প্ৰকল্পৰ এটি সংজ্ঞা দিয়া। শিক্ষাৰ এক পদ্ধতি স্বৰূপে ইয়াৰ সবলতা আৰু দুৰ্বলতাসমূহ সাৱধানে বিচাৰ কৰা।

(৯) গান্ধীজীৰ শিল্পকেন্দ্ৰিক শিক্ষাৰ লগত প্ৰকল্প পদ্ধতিৰ এটি তুলনামূলক বিশ্লেষণ দাঙি ধৰা।

(১০) প্ৰকল্প শিক্ষা পদ্ধতিৰ এটি বৰ্ণনা দিয়া আৰু ভাৰতীয় শিক্ষাত ইয়াৰ প্ৰয়োগৰ সম্ভাৱনীয়তা সাৱধানে বিচাৰ কৰা।

(১১) প্ৰকল্প পদ্ধতিয়ে বৰ্তমান শিক্ষাত জনপ্ৰিয়তা লাভ কৰাৰ কাৰণ তুমি কি বুলি ভাবা ? আধুনিক শিক্ষা জগতৰ বাবে ইয়াৰ দাৰ্শনিক দৃষ্টি কি পৰিমাণে গ্ৰহণযোগ্য ?

(১২) "প্ৰকল্প পদ্ধতিয়ে শিক্ষাক সমাজৰ ওচৰ চপাই নিব পাৰে।" —উক্তিটো বহলাই ব্যাখ্যা কৰা আৰু আধুনিক শিক্ষাত ইয়াৰ প্ৰায়োগিকতা দেখুওৱা।

প্ৰসংগ গ্ৰন্থসমূহ

1 Sir John Adams · Modern Developments in Educational Practice. Chapter 10 University of London Press Ltd. Second Edition, Thirteenth Impression, 1954.

2 S K. Kochhar · Methods and Techniques of Teaching. Ch 16. Sterling Publishers Pvt Ltd New Delhi 110016. Third Edition, Reprinted 1978

3 K Bhatia & B D Bhatia The Principles and Methods of Teaching Ch 18 Doaba House Delhi New Revised Edition 1966

4 B C Rai Theory of Education, Ch 43 Prakashan Kendra, Lucknow—7, Printed in 1979

5. K K Mookerjee New Education and it Aspects Ch 23, The Educational Publishers Calcutta 9

দশম অধ্যায়

খেলা-প্ৰৱণ পদ্ধতি

(Play way Method)

খেলাৰ অৰ্থ (Meaning of Play) :

খেলা-প্ৰৱণ পদ্ধতিৰ বিষয়ে আলোচনা কৰাৰ পূৰ্বে খেলাৰ অৰ্থ আৰু ইয়াৰ শৈক্ষিক তাৎপৰ্য্যৰ বিষয়ে আমাৰ মনত স্পষ্ট হোৱাটো প্ৰয়োজন। উল্লেখযোগ্য যে এসময়ত ভবা হৈছিল যে ল'ৰা-ছোৱালীয়ে খেল-ধেমালি কৰা মানে অবাবত সময় নষ্ট কৰা। খেলাৰ সলনি ল'ৰা-ছোৱালীক স্কুলৰ শিক্ষকৰ অধীনত কটকটীয়া বান্ধোনৰ মাজত ৰাখিহে শিক্ষা দিব লাগে। বৰ্তমান এই ধাৰণা আওপুৰণি হৈ পৰিছে আৰু ইয়াৰ অসাৰতা শিক্ষক-অভিভাৱক আৰু সমাজৰ সকলো লোকেই বহুল ভাৱে অনুভৱ কৰি উঠিছে।

খেলা হৈছে শিশুৰ এক স্বাভাৱিক প্ৰবৃত্তি বা প্ৰৱণতা য'ত বিকাশৰ সকলো শক্তি-সম্ভাৱনীয়তা নিহিত হৈ থাকে। শিক্ষাৰ আধুনিক দৃষ্টিকোণৰ পৰা খেলাক শিশুৰ আত্ম-প্ৰকাশৰ ভাষা আৰু বিকাশৰ সুস্থ-সবল পথ স্বৰূপে গণ্য কৰা হয়। ই শিশু বিকাশৰ বাবে খাদ্যৰ সমানেই প্ৰয়োজন, সূৰ্য্যৰ পোহৰৰ দৰেই জীৱনীশক্তি দানকাৰী আৰু মুক্ত বতাহৰ দৰেই প্ৰাণ ৰক্ষাকাৰী উপাদান স্বৰূপ। ইয়াৰ শৈক্ষিক তাৎপৰ্য্য হৈছে এয়ে যে খেলাৰ যোগেদিয়ে শিশুৱে তাৰ চিন্তাজগত আৰু ক্ৰিয়াজগতত প্ৰৱেশ কৰিব পাৰে আৰু তাৰ জটিল পৰিস্থিতিত নিজকে সুস্থ ভাৱে সমাযোজন কৰি লব পাৰে। খেলৰ অন্তৰালত সেয়েহে এক গভীৰ শিক্ষা-দৰ্শন নিহিত হৈ থকাটো মন কৰিবলগীয়া।

শিক্ষাজগতত খেলাৰ দাৰ্শনিক দৃষ্টি দান কৰা প্ৰথম আৰু প্ৰধান ব্যক্তিজন হৈছে ফ্ৰেড্ৰিক্ ফ্ৰোবেল (Friedrick Froebel)। তেওঁৰ বিখ্যাত গ্ৰন্থ "The Education of Man"-ত মত প্ৰকাশ কৰে, "খেলা হৈছে শিশু বিকাশ তথা মানৱতা বিকাশৰ সৰ্বোচ্চ পৰ্য্যায়। ই হৈছে ব্যক্তিৰ আত্ম-শিক্ষা যি তেওঁৰ অন্তৰ্নিহিত প্ৰয়োজন আৰু গতি প্ৰৱণতা পূৰণ কৰিব পাৰে। ই আমাক দিয়ে আনন্দ, স্বাধীনতা, সন্তুষ্টি, বাহ্য আৰু আভ্যন্তৰীণ জিৰণি আৰু পাৰ্থিৱ শান্তি।" *

খেলাৰ মূল বৈশিষ্ট্যসমূহ (Basic characteristics of play):

খেলাৰ স্বৰূপ অনুভৱ কৰি উঠিবৰ বাবে ইয়াৰ নিম্নলিখিত বৈশিষ্ট্যকেইটাৰ প্ৰতি আমাৰ দৃষ্টি নিক্ষেপ কৰা উচিত।

(১) খেলা হৈছে ব্যক্তিৰ এক বাধাহীন আৰু স্বতঃস্ফূৰ্ত ক্ৰিয়া। কোনো বাধ্যবাধকতা বা এৰাব নোৱাৰা দায়িত্বৰ ভাব ইয়াত নাথাকে। শিশু-আচৰণৰ স্বতস্ফূৰ্ত উদ্যম আৰু প্ৰেৰণা খেলাৰ যোগেদি বাধাহীন ভাবে প্ৰকাশ লাভ কৰে।

(২) খেলাৰ অভিজ্ঞতা স্বাভাৱিকতেই সুখদায়ক আৰু আনন্দদায়ক। সুখ, আনন্দ আৰু প্ৰণোদন লাভৰ বাহিৰে ইয়াত আন কোনো অসুস্থ ভাব থাকিব নোৱাৰে। প্ৰকৃত অৰ্থত কৰলৈ গ'লে খেলা কাৰো বাবে কেতিয়াও দুখৰ বা বেদনাৰ কাৰণ হৈ উঠিব নোৱাৰে।

(৩) খেলা এক মুক্ত আৰু স্বাধীন পৰিৱেশ বা পৰিস্থিতিতহে সম্ভৱ হৈ উঠিব পাৰে। কাৰোবাৰ অধীন, বহতীয়া বা আজ্ঞাবাহী অৱস্থাৰ মানসিকতা খেলাৰ পৰিস্থিতিত থাকিব নোৱাৰে। ই ব্যক্তিমনৰ এক মুক্ত আৰু স্বতঃপ্ৰণোদিত অৱস্থাক বুজায়।

(৪) খেলত ব্যক্তিমনৰ কোনো ধৰণৰ অভিপ্ৰায় পূৰণ, উদ্দেশ্য সাধন অথবা স্বাৰ্থ সিদ্ধিৰ মনোভাব থাকিব নোৱাৰে। খেলা

* *Frederic Eby: The Development of Modern Education. P 518. Prentic Hall of India Pvt. Ltd. New Delhi. Second Edition, 1964.*

কেৱল খেলাৰ স্বাৰ্থতেই কৰা হয। ফুল যিদৰে ফুলাৰ বাবেই ফুলে, খেলাও সেইদৰে খেলাৰ আনন্দতেই খেলে।

(৫) খেলাই ব্যক্তিক বাস্তবৰ গতানুগতিকতাৰ পৰা কল্পনাৰ আনন্দলৈ লৈ যায়। খেলাৰ সমগ্ৰ ধাৰণাই হৈছে বাস্তৱ বিবৰ্জিত আৰু কল্পনা প্ৰসূত বিধৰ। কল্পনাইহে ব্যক্তিক প্ৰকৃত আনন্দ দিব পাৰে, বাস্তৱৰ গতানুগতিকতাই তাক দিব নোৱাৰে।

ওপৰত কৰা বৰ্ণনাৰ পৰা কব পাৰি যে খেলাৰ মূল বৈশিষ্ট্যকেইটা হৈছে—স্বতঃস্ফূৰ্ততা, আনন্দ প্ৰদানতা, স্বাধীনতা, অভিপ্ৰায়হীনতা আৰু কল্পনা প্ৰৱণতা। এই কেইটা মৌলিক গুণ নিহিত থকা ক্ৰিযাই খেলাৰ পৰ্য্যাযভুক্ত হয। ইযাৰ অভাৱ হোৱা ক্ৰিযাকেই আমি কাম বা কৰ্তব্য স্বৰূপে গণ্য কৰিব পাৰো।

খেলা-প্ৰৱণ পদ্ধতি কাক বোলে ? (What is play way method) :

ৰৰ্তমান শিশু-শিক্ষাৰ সকলোবোৰ নতুন নতুন পদ্ধতি খেলাৰ মৌলিক নীতি আৰু আদৰ্শৰ দ্বাৰা সাধাৰণ ভাবে প্ৰভাৱিত হৈছে। শিক্ষাবিদসকলে খেলাৰ বৈশিষ্ট্যসমূহ শিশু-শিক্ষাৰ ব্যৱস্থাত কাৰ্য্যকৰী ভাবে ৰূপদান কৰি তুলিছে। শিক্ষাগ্ৰহণ কাৰ্য্যত শিশুৰ স্বতঃস্ফূৰ্ত ভাবে সহযোগিতা কামনা কৰা, তাৰ যোগোদ মনত উৎসাহ আনন্দ দান কৰা, এনে কাৰ্য্যত সি স্বতঃপ্ৰণোদিত ভাবে ক্ৰিয়া সম্পাদনৰ স্বাধীনতা লাভ কৰা আৰু নিঃস্বাৰ্থ ক্ৰিয়াৰ যোগে শিশুমনৰ স্বভাৱ সুলভ কল্পনাৰ শৈক্ষিক আৰু গঠনাত্মক ভাবে প্ৰয়োগ কৰা আদি কাৰ্য্যই হৈছে খেলা-প্ৰৱণ শিক্ষা পদ্ধতিসমূহৰ উদ্দেশ্য। প্ৰকৃত পক্ষে কবলৈ গ'লে খেলা-প্ৰৱণ পদ্ধতিয়ে কোনো এক বিশেষ ভাবে প্ৰস্তুত কৰা শিক্ষা পদ্ধতিক বুজায়। বৰং শিশু শিক্ষাৰ সকলোবোৰ উন্নত আৰু বিজ্ঞানসম্মত পদ্ধতিবে এক সাধাৰণ নাম বা নীতি-জড়িত পদ্ধতি স্বৰূপেহে ইয়াৰ প্ৰয়োগ কৰা হয়। খেলাৰ প্ৰকৃত স্বৰূপ তথা

বৈশিষ্ট্যসমূহে শিক্ষাত কাৰ্য্যকৰী কৰি তোলা পদ্ধতিয়েই হৈছে খেলা-প্ৰৱণ অথবা ক্ৰীড়া-প্ৰৱণ পদ্ধতি।

অৱশ্যে এই খেলা-প্ৰৱণ পদ্ধতি বা **'play way method'** নামকৰণৰ লগত এজন বিশেষজ্ঞ ব্যক্তিৰ নাম বিশেষ ভাবে জড়িত হৈ থকাটো মন কৰিবলগীয়া। হেন্‌ৰি কল্ডৱেল কুক (**Henry Coldwell Cook**) নামৰ এজন শিক্ষকে ইংৰাজী সাহিত্যৰ শিক্ষাদানৰ বেলিকা লক্ষ্য কৰে যে ছাত্ৰসকলে শ্ৰেণীত চেক্সপীয়েৰৰ নাটক অধ্যয়নৰ বাবে কোনো উৎসাহ আগ্ৰহ প্ৰদৰ্শন নকৰে। তেওঁলোকে কেৱল যন্ত্ৰচালিত ভাবে তাক মুখস্থ কৰি থয়। সেইবাবে ছাত্ৰসকলৰ অধ্যয়নত উৎসাহ আগ্ৰহ জগাই তুলিবৰ বাবে তেওঁ নাটকীয় অভিনয় পদ্ধতিৰ সহায় লয়। ইযাৰ ফলত ছাত্ৰসকলে নাটকৰ বিষয়বস্তু নিজ নিজ অভিনয়ৰ যোগে অধিক সফলতাৰে বুজি উঠিব পাৰে আৰু সক্ৰিয় সহযোগিতাৰ বাবে আগ্ৰহী হৈ উঠে। কল্ডৱেল কুকে সেয়েহে অনুভৱ কৰি উঠে যে ছাত্ৰসকলে শ্ৰেণীকক্ষত বহি কেৱল পঠন আৰু শ্ৰৱণ কাৰ্য্যৰ দ্বাৰাই তেওঁলোকে সাৰ্থক ভাবে শিক্ষা লাভ কৰি উঠিব নোৱাৰে। তেওঁলোকৰ এনে কাৰ্য্যত স্বাধীন, স্বতঃস্ফূৰ্ত আৰু সক্ৰিয ভাবে নিজকে জড়িতকৰণেহে শিক্ষা সফল কৰি তুলিব পাৰে। বাধ্য-বাধকতাৰ পৰিবৰ্তে স্বতঃস্ফূৰ্ততা আৰু গতানুগতিকতাৰ পৰিবৰ্তে সক্ৰিয় সহযোগিতাহে শিক্ষাৰ সাৰ্থক নীতি হ'ব পাৰে। এনে শিক্ষাদানৰ অভিজ্ঞতাৰ ভিত্তিত তেওঁ খেলা-প্ৰৱণ পদ্ধতি গঢ় দি তোলে আৰু তেওঁৰ লিখিত **"The play way"** নামৰ গ্ৰন্থত ইয়াক জনপ্ৰিয কৰি তোলে।

এই ক্ষেত্ৰত মন কৰিবলগীয়া যে কেৱল নাটকীয় ভাবে অথবা নাটকৰ অভিনয়ৰ যোগে দিয়া শিক্ষা ব্যৱস্থাকে মাথোন খেলা-প্ৰৱণ পদ্ধতি বুলিব নোৱাৰি। শিক্ষাৰ গাম্ভীৰ্য্য আৰু ইয়াৰ দায়িত্বপূৰ্ণ ক্ৰিয়াত্মক অভিজ্ঞতাক শিশুৰ নাটকীয় অভিনয়ৰ পৰ্য্যায়লৈ ইয়াত অৱনতি কৰিবলৈ বিচৰা হোৱা নাই। এই প্ৰসংগত শিক্ষাবিদ

আদামছে (Adams) মত প্ৰকাশ কৰে যে শিক্ষা গ্ৰহণ কাৰ্য্যত ক্ৰিয়াৰ কঠিনতা আৰু ভয়াবহতা গুচাই ছাত্ৰৰ বাবে এক আনন্দদায়ক ক্ৰিয়া স্বৰূপে গঢ় দি তোলাটোহে ইয়াৰ উদ্দেশ্য। *

খেলা-প্ৰৱণ পদ্ধতিৰ শৈক্ষিক নীতিসমূহ (Educative principles of play way method) :

বৰ্ত্তমান সকলো শিশু-শিক্ষা পদ্ধতিতেই খেলা প্ৰৱণতাৰ নীতি-সমূহ সাধাৰণ ভাবে গ্ৰহণ কৰা হয়। তথাপিও এই ক্ষেত্ৰত আমাৰ ধাৰণা অধিক স্পষ্ট কৰি তুলিবৰ বাবে এই পদ্ধতিৰ দ্বাৰা বিবেচিত শৈক্ষিক নীতিসমূহ তলত সংক্ষেপে উল্লেখ কৰা হৈছে।

(১) **স্বাভাবিকতা নীতি** (Principle of naturality) : খেলা-ভিত্তিক পদ্ধতিয়ে শিক্ষা শিশুৰ বাবে স্বভাবসুলভ কৰি তুলিবলৈ বিচাৰে। শিশুৰ কেতবোৰ সহজাত বা জন্মলব্ধ গুণ, বৈশিষ্ট্য অথবা প্ৰয়োজন থাকে, যি শিশুক বয়সস্থ সকলতকৈ পৃথক ভাবে এক স্বকীয় ৰূপত গঢ় দি তোলে। এইসমূহ যাতে বাধাহীন ভাবে তাৰ স্বাভাবিক ৰূপত শিশুৱে পূৰণ কৰি তুলিব পাৰে তাৰ প্ৰতি ইযাত বিশেষ দৃষ্টি ৰখা হয়। শিশুৰ নিজ স্বভাবৰ প্ৰতিকূল হৈ উঠা অথবা পূৰ্বনিৰ্ধাৰিত এক গতানুগতিক শিক্ষা ব্যৱস্থা শিশুৰ ওপৰত বলপূৰ্বক ভাবে জাপি দিয়া নীতিৰ ইযাত বিৰোধিতা কৰা হয়। শিশু প্ৰকৃতি আৰু প্ৰয়োজনহে ইয়াত প্ৰধান বিবেচ্য বিষয়।

(২) **স্বাধীনতা নীতি** (Principle of freedom) : খেলাৰ এক অতি গুৰুত্বপূৰ্ণ প্ৰযোজনীয় চৰ্ত হৈছে স্বাধীনতা। এই স্বাধীনতা হৈছে প্ৰতিটো শিশুৰে জন্মগত অধিকাৰ, যাৰ কাৰ্য্যকৰীকৰণৰ যোগে তাৰ শিক্ষা বিকাশ স্বাভাবিক ৰূপত সম্ভৱ হৈ উঠে। শিশুৱে খেলাৰ যোগেদিহে নিজকে স্বাধীন আৰু আত্মনিৰ্ভৰশীল স্বৰূপে অনুভৱ কৰি

**Sir John Adams* : *Modern Developments in Educational Practice*. *Page 207 Second Edition. Thirteenth impression, 1954.*

উঠিব পাৰে। শিশু-শিক্ষা সাৰ্থক কৰি তুলিবৰ বাবে সেয়েহে খেলা-প্ৰৱণ পদ্ধতিবোৰত স্বাধীনতা নীতি উদাৰ ভাবে গ্ৰহণ কৰা হৈছে।

(৩) **আনন্দ আৰু স্বতঃস্ফূৰ্ততা নীতি (Principle of joy and spontaneity) :** শিক্ষা গ্ৰহণ কাৰ্য্য শিক্ষাৰ্থীৰ বাবে এক আনন্দদায়ক আৰু স্বতঃস্ফূৰ্ত ক্ৰিয়া স্বৰূপে বিবেচনা কৰা হয়। শিক্ষকৰ কঠোৰ অনুশাসন, শাস্তি প্ৰয়োগ আদিৰ যোগে ছাত্ৰক এনে কাৰ্য্যৰ বাবে বাধ্য কৰা পুৰণি নীতি ইযাত পৰিহাৰ কৰা হয়। ইয়াৰ পৰিবৰ্তে শিশু শিক্ষাৰ সমগ্ৰ শিক্ষা-আঁচনি শিশুকেন্দ্ৰিক কৰি তুলি শিশুৰ বাবে স্বতঃস্ফূৰ্ত আৰু আনন্দদাযক কৰি তোলা হয়। খেলা-প্ৰৱণতাৰ মুক্ত পৰিবেশেহে এনে আনন্দ শিশুক দিব পাৰে। শিক্ষকৰ গতানুগতিক ভাবে দমনমূলক ব্যৱস্থাই সি সম্ভৱ কৰি তুলিব নোৱাৰে।

(৪) **আত্ম-ক্ৰিয়াৰ যোগে আত্ম-প্ৰকাশৰ নীতি (Principle of self-expression through self-activity) :** গতানুগতিক শিক্ষা হৈছে ক্ৰিযাবিমুখ আৰু সেইবাবে এনে শিক্ষাত শিশুৱে আত্ম-প্ৰকাশৰ সুযোগ সুবিধা লাভ কৰিব নোৱাৰে। আনহাতে আত্ম-প্ৰকাশ বা আত্ম-উন্মোচন লাভ কৰাটো শিশু শিক্ষাৰ এক গুৰুত্বপূৰ্ণ কথা আৰু ইযাক সম্ভৱ কৰি তুলিব পাৰে কেৱল খেলাৰ পৰিবেশেহে। উল্লেখযোগ্য যে শিক্ষাবিদসকলে শিক্ষাৰ সংজ্ঞা দি কয যে ই হৈছে শিশুৰ অন্তৰ্নিহিত শক্তিৰ বহিঃপ্ৰকাশ কৰা কাৰ্য্য। প্ৰত্যেক শিশুৱে জন্মগত শক্তি, ক্ষমতা আৰু সম্ভাৱনীয়তাসমূহ অন্তৰ্নিহিত হৈ থাকি সি প্ৰকাশ আৰু বিকাশৰ পথ বিচাৰে। খেলা-প্ৰৱণ পদ্ধতিয়ে শিশুৰ নিজস্ব ক্ৰিযাৰ যোগে এই আত্মপ্ৰকাশৰ প্ৰশস্ত পথ প্ৰদান কৰে।

(৫) **দায়িত্বশীলতাৰ নীতি (Principle of self responsibility) :** খেলা-ভিত্তিক পদ্ধতিয়ে শিশুক নিজ ক্ৰিয়া আৰু শিক্ষাৰ এক দায়িত্বশীল ব্যক্তি স্বৰূপে বিবেচনা কৰে। ইয়াৰ প্ৰস্তুত কাৰ্য্যসূচীয়ে শিশুক নিজ দায়িত্ব অনুভৱ কৰিবলৈ শিকায়। উল্লেখ-

যোগ্য যে ইয়াত ছাত্ৰৰ ভূমিকা হৈছে মুখ্য আৰু শিক্ষকৰ ভূমিকা হৈছে গৌণ। ছাত্ৰই নিজ ক্ৰিয়া আৰু শিক্ষাৰ দায়িত্বগ্ৰহণ কৰিব পাৰিলেহে তেনে মুখ্য ভূমিকা গ্ৰহণ কৰাটো সম্ভৱ হৈ উঠিব পাৰে। শিক্ষকৰ ওপৰত নিৰ্ভৰশীল নহৈ নিজ ক্ৰিয়াৰ দায়িত্বগ্ৰহণ আৰু সমস্যা সমাধানৰ বাবে শিক্ষাত প্ৰয়োজনীয় পৰিবেশ গঢ়ি তুলিব লাগে। খেলা-প্ৰৱণ পদ্ধতিয়ে সেযেহে শিশুক আত্মনিৰ্ভৰশীলতাৰ বাবে দায়িত্ববোধ ভাব গ্ৰহণৰ নীতি গ্ৰহণ কৰে।

খেলা-প্ৰৱণতাৰ বিভিন্ন পদ্ধতিসমূহ (Different methods of play way) ঃ

পূৰ্বেই উল্লেখ কৰি অহা হৈছে যে খেলা-প্ৰৱণতা কোনো এক বিশেষ শিক্ষা পদ্ধতি নহয়, বৰং খেলাৰ শৈক্ষিক নীতিসমূহে সকলোবোৰ শিক্ষা পদ্ধতিকেই প্ৰভাৱিত কৰি তুলিছে। চমুকৈ কব পাৰি যে খেলা হৈছে শিশু শিক্ষাৰ এক সহজ আৰু শক্তিশালী মাধ্যম। এই মাধ্যম প্ৰয়োগৰ যোগ্য প্ৰস্তুত কৰি তোলা বিভিন্ন পদ্ধতিসমূহৰ এটি চমু বৰ্ণনা তলত দাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে।

(১) কিণ্ডাৰ গাৰ্টেন পদ্ধতি (Kindergarten Method) : শিশুৰ বাবে খেলাৰ শৈক্ষিক প্ৰয়োজনীয়তা আৰু তাৰ দাৰ্শনিক তাৎপৰ্য্য ফ্ৰোবেলেই (Froeble) পোন প্ৰথমে আঙুলিয়াই দিয়ে। কেৱল দাৰ্শনিক তাৎপৰ্য্যই নহয়, ইয়াৰ এক সুন্দৰ আৰু বিজ্ঞানভিত্তিক কাৰ্য্যকৰী ব্যৱস্থা তেওঁৰ কিণ্ডাৰগাৰ্টেন শিক্ষা পদ্ধতিত দাঙি ধৰে। 'কিণ্ডাৰগাৰ্টেন' (Kindergarten) জাৰ্মান ভাষাৰ শব্দ যাৰ অৰ্থ হৈছে 'শিশুৰ উদ্যান'। স্কুলৰ শিক্ষা পৰিবেশ যেন এক সুন্দৰ প্ৰাকৃতিক উদ্যান। এই উদ্যানত থকা কণ কণ শিশুবোৰ যেন কিছুমান প্ৰস্ফুতিত হ'বলৈ ধৰা আলফুলীয়া গছ পুলি আৰু ইয়াৰ পৰিচালনাৰ দায়িত্বত থকা শিশুসকল যেন উদ্যানৰ প্ৰযত্নশীল মালী। গছপুলি এটাৰ প্ৰাকৃতিক বৰ্ধন আৰু শিশুৰ স্বতঃস্ফূৰ্ত্ত বিকাশৰ মাজত এক মৌলিক

সাদৃশ্য আছে। এই সাদৃশ্যৰ প্ৰতি লক্ষ্য ৰাখি কিণ্ডাৰগাৰ্টেনৰ শিক্ষা গঢ় দি তোলা হৈছে।

শিশুৱে ইয়াত খেলা-প্ৰৱণতাৰে শিক্ষা লাভ কৰিবৰ বাবে ফ্ৰোবেলে কেতবোৰ আহিলা-পাতি প্ৰস্তুত কৰি তুলিছে, যাক 'উপহাৰ' বা 'gift' আৰু 'বৃত্তি' 'occupation' বুলি জনা যায়। এই উপহাৰ-বোৰ হৈছে নানা ৰঙৰ উলৰ বল, বিভিন্ন আকাৰ-আকৃতিৰ ওজন আৰু কাঠৰ টুকুৰা। এইসমূহ শিশুৱে মুক্ত ভাবে খেলাৰ সঁজুলি স্বৰূপে প্ৰযোগ কৰে। খেলাৰ পৰিৱেশত নিজ ব্যৱহাৰৰ যোগেদি শিশুৱে বস্তুৰ ৰঙ, আকাৰ, ওজন, সংখ্যাজ্ঞান আৰু সেইবোৰৰ প্ৰযোগ পদ্ধতি আদি জানি উঠিব পাৰে। ইয়াৰ উপৰি শিশুৰ খেলা মনোবৃত্তিৰ প্ৰতি লক্ষ্য ৰাখি নৃত্য-গীত, আবৃত্তি আৰু সামূহিক খেলা-ধূলাৰ যোগেদি তাৰ মনত সামাজিক চেতনা আৰু অনুশাসনৰ ভাব জগাই তোলাৰ ব্যৱস্থা কৰা হৈছে। মন কৰিবলগীয়া যে ফ্ৰোবেলেই সৰ্বপ্ৰথমে শিশুৰ বাবে খেলাৰ সামাজিক তাৎপৰ্য্য থকাৰ কথা আঙুলিয়াই দিযে।

খেলা-ভিত্তিক কিণ্ডাৰগাৰ্টেন পদ্ধতিৰ বিস্তৃত আলোচনালৈ নগৈ ইয়াৰ প্ৰধান শৈক্ষিক বিশেষত্বসমূহ নিম্নলিখিত ভাবে উল্লেখ কৰিব পাৰি।

(১) খেলাৰ এক স্বাভাৱিক, মুক্ত আৰু প্ৰাকৃতিক পৰিৱেশ ৰচনা কৰি শিশুৰ স্বভাব সুলভ, স্বতঃস্ফূৰ্ত্ত আত্মপ্ৰকাশ আৰু বিকাশৰ ব্যৱস্থা কৰা হৈছে।

(২) শিশুৱে খেলা পৰিবেশত আত্মপ্ৰকাশৰ বাবে তিনিবিধ মাধ্যম বাচি লোৱা হৈছে, সেইকেইটা হৈছে—গীত, অংগ সঞ্চালন আৰু সৃজনীমূলক ক্ৰিয়া।

(৩) শিক্ষাৰ বাবে কোনো নিৰ্দিষ্ট পাঠ্যক্ৰম গ্ৰহণৰ পৰিবৰ্তে খেলাই একমাত্ৰ বিষয় স্বৰূপে গ্ৰহণ কৰা হৈছে, যাৰ যোগেদি শিশুৰ দৈহিক, মানসিক, আবেগিক আৰু সামাজিক দিশৰ শিক্ষা বিকাশ হ'ব পাৰে।

(৪) শিক্ষকে শিশু উষ্ঠানৰ যত্নবান মালী স্বৰূপে শিশুৰ কাৰ্য্যকলাপ নিজে নিৰীক্ষণ কৰিব লাগে আৰু শিশুকো তেনেদৰে আত্ম নিৰীক্ষণ কৰিবলৈ শিকাব লাগে।

(৫) ইয়াত শিশুৰ আত্ম-অনুশাসনৰ নীতি গ্ৰহণ কৰা হয়, য'ত শিশুৰ সুস্থ মানসিক আৰু আভ্যন্তৰীণ অনুশাসনে বাহ্যিক ক্ৰিয়া আচৰণৰ শৃংখলতা আৰু অনুশাসন আনি দিব পাৰে।

(৬) শিশুৰ বাবে খেলাৰ আহিলা স্বৰূপে প্ৰস্তুত কৰা 'উপহাৰ' আৰু 'বৃত্তি' সমূহে তাৰ ক্ৰিয়াত্মক আৰু সৃজনীমূলক ক্ষমতাৰ বিকাশ কৰিব পাৰে।

(২) মণ্টেচৰী পদ্ধতি (Montessori Method): ফ্ৰোবেলৰ অনুৰূপ ব্যৱস্থা মেৰিয়া মণ্টেচৰীৰ শিক্ষা পদ্ধতিত পোৱা যায়। ইয়াত শিশুৰ খেলা-প্ৰৱণতাক এক উদ্দেশ্যপ্ৰণোদিত আৰু বিজ্ঞানসম্মত ভাবে প্ৰযোগ কৰা হৈছে। মণ্টেচৰীয়েও কেতবোৰ খেলা-ধূলাৰ আহিলা-পাতি প্ৰস্তুত কৰি তুলিছে আৰু এই সমূহক আত্ম-নিৰ্দেশনা-মূলক সঁজুলি (didactic apparatus) স্বৰূপে নামকৰণ কৰিছে। এই সঁজুলিবোৰে খেলাৰ চলেৰে শিশুৰ জ্ঞানেন্দ্ৰিয়বোৰৰ শিক্ষা অনুশীলনৰ কাম কৰিব পাৰে। শিশুৱে এই সঁজুলিবোৰ নিজ হাতে প্ৰয়োগ কৰি তাৰ শুদ্ধ প্ৰয়োগ পদ্ধতি জানি উঠিব পাৰে, নিজৰ ভুল নিজে জানি উঠিব পাৰে আৰু তাৰ যোগেদি বাস্তৱৰ শুদ্ধ জ্ঞান-অভিজ্ঞতা ব্যৱহাৰিক ভাবে লাভ কৰি উঠিব পাৰে। এনে কাৰ্য্যত শিশুক সম্পূৰ্ণ স্বাধীনতা দিয়া হৈছে আৰু শিক্ষকৰ প্ৰভাৱ, তেওঁৰ শিক্ষা-নিৰ্দেশনা আৰু বাধা-নিষেধ আদি ন্যূনতম পৰ্য্যায়লৈ নিয়া হৈছে। মণ্টেচৰী স্কুলৰ সমগ্ৰ শিক্ষা পৰিবেশকেই শিশুৰ বাবে অতি পৰিচিত আৰু স্বাভাৱিক কৰি তোলা হৈছে। ঘৰুৱা পৰিবেশৰ দৈনন্দিন জীৱনৰ অভিজ্ঞতাসমূহকেই ইয়াত শিশু শিক্ষাৰ কাৰ্য্যসূচী স্বৰূপে অন্তৰ্ভুক্ত কৰা হৈছে। সেইবাবে ইয়াক শিশু-গৃহ বা house

of childhood স্বৰূপেও জনা যায়। এনে ব্যৱস্থাৰে শিশুৰ নিজ নিজ ক্ৰিয়াৰ আনন্দ আৰু স্বতঃস্ফূৰ্ত্ততা লাভ কৰিব পৰা যায়। নিয়মিত শৃংখলা মানি চলি মুক্তভাবে আৰু খেলাৰ মনোভাবেৰে সকলো ক্ৰিয়াত অংশগ্ৰহণ কৰিব পৰাকৈ শিশুক ইয়াত ব্যক্তি-স্বাধীনতা আৰু দায়িত্ববোধ জগাই তুলিবলৈও চেষ্টা কৰা হৈছে।

মণ্টেচৰী পদ্ধতিৰ খেলাভিত্তিক শিশু-শিক্ষাৰ নীতি আৰু পদ্ধতি-সমূহ নিম্নলিখিত ভাবে সংক্ষেপে উল্লেখ কৰা হৈছে।

(১) মণ্টেচৰী শিক্ষা পদ্ধতিৰ যোগে শিশু-শিক্ষা ব্যক্তিকেন্দ্ৰিক আৰু স্বতঃপ্ৰণোদিত বিধৰ কৰি তোলা হৈছে।

(২) শিক্ষকৰ মৌখিক শিক্ষাদানৰ পৰিবৰ্ত্তে শিক্ষা সঁজুলিবোৰ প্ৰয়োগৰ যোগেদি শিশুৰ আত্ম-ক্ৰিয়া আৰু আত্ম-শিক্ষাৰ নীতি ইয়াত গ্ৰহণ কৰা হৈছে।

(৩) শিশুৱে দৈনন্দিন জীৱনৰ ব্যৱহাৰিক ক্ৰিয়াকলাপসমূহ শুদ্ধ আৰু সঠিকভাবে কৰিবলৈ শিকি উঠি অভ্যাস গঠন কৰিব লাগে।

(৪) শিশুৰ আত্ম-নিৰ্দেশনামূলক খেলা-ধূলাৰ সঁজুলিসমূহ তাৰ মানসিক বিকাশৰ প্ৰতি লক্ষ্য ৰাখি পৰ্য্যায়ক্ৰম ভাবে প্ৰস্তুত কৰি তোলা হৈছে।

(৫) শিক্ষকৰ প্ৰত্যক্ষ শিক্ষাদান ব্যৱস্থা পৰিহাৰ কৰি শিশুৰ নিৰ্দেশনা বা সঞ্চালিকা (directress) স্বৰূপেহে তেওঁৰ ভূমিকা স্থিৰ কৰি তোলা হৈছে।

(৬) শিশুৱে স্বতঃস্ফূৰ্ত্ত ভাবে নিজ ক্ৰিয়া অংশগ্ৰহণৰ বাবে বাহ্যিক হস্তক্ষেপ বা বাধানিষেধ তুলি দি তাক শৈক্ষিক স্বাধীনতা (educative freedom) প্ৰদান কৰা হৈছে।

(৭) ইন্দ্ৰিয় অনুশীলনৰ অন্তত শিশুক আখৰ আৰু সংখ্যাজ্ঞান ব্যৱহাৰিক ভাবে দিবৰ বাবে শিক্ষা-সঁজুলিবোৰৰ প্ৰয়োগ কৰা হয়।

(৮) এই শিক্ষা পদ্ধতিয়ে শিক্ষা খেলাভিত্তিক কৰি তুলি প্ৰচলিত শ্ৰেণী-কক্ষ শিক্ষাৰ অৱসান ঘটাইছে।

(৩) প্ৰকল্প পদ্ধতি (Project method) : শিক্ষা দাৰ্শনিক জন্ ডিউইৰ প্ৰযোগবাদ দৰ্শনৰ ওপৰত ভিত্তি কৰি তেওঁৰ শিষ্য কিল্‌পেট্ৰিকে শিশুৰ শিক্ষা-অভিজ্ঞতা অৰ্থপূৰ্ণ আৰু প্ৰযোজনভিত্তিক কৰি তুলিবৰ বাবে প্ৰযোজনা বা প্ৰকল্প পদ্ধতি উদ্ভাৱন কৰে। ইয়াত শিশুৱে ক্ৰিয়াত অংশগ্ৰহণ কৰিবৰ বাবে বাস্তৱ প্ৰযোজনৰ উপলব্ধি, ক্ৰিয়াৰ স্বতঃস্ফূৰ্ত সহযোগিতা, আগ্ৰহ, অভিৰুচি, স্বাধীনতা আৰু নিজ দায়িত্ববোধ ভাব জগাই তোলাৰ ওপৰত গুৰুত্ব দিয়া হয়। শ্ৰেণীৰ উদ্দেশ্যবিহীন আৰু গতানুগতিক অনুশাসন ব্যৱস্থা পৰিহাৰ কৰি শিক্ষাক ছাত্ৰ-ছাত্ৰীৰ বাবে মনঃপুত কৰি তোলা হয়। সকলো ছাত্ৰ-ছাত্ৰীযেই প্ৰকল্পত সহযোগিতা আৰু ক্ৰিয়া জড়িত হৈ উঠাৰ প্ৰতি লক্ষ্য ৰখা হয়। ইয়াত ছাত্ৰই নিজৰ একো একোটা শিক্ষণীয় বিষয় বা সমস্যা নিজে নিৰ্বাচন কৰে। তাৰ ক্ৰিয়া আঁচনি নিজে প্ৰস্তুত কৰে আৰু দলগত ভাবে সহযোগিতাৰ মনোভাৱত আঁচনি সম্পাদন কৰে। এনে ক্ৰিয়া সম্পাদনৰ অন্তত নিজ ক্ৰিয়াৰ গুণাগুণ ছাত্ৰসকলে নিজেই বিচাৰ-বিবেচনা আৰু মূল্যাযন কৰে। প্ৰস্তুত প্ৰকল্পৰ প্ৰতিটো পৰ্য্যায়ৰ ক্ৰিয়া অগ্ৰগতি ছাত্ৰসকলে লিপিবদ্ধ কৰণৰো ব্যৱস্থা আছে। শিক্ষকে ইয়াত প্ৰত্যক্ষ ভাবে কোনো কাম নকৰে যদিও ছাত্ৰৰ প্ৰতিটো পৰ্য্যায়ৰ সমস্যা সমাধান আৰু প্ৰকল্পটোৰ ক্ৰিয়া অগ্ৰগতি শুদ্ধ আৰু সঠিক হোৱাৰ প্ৰতি সতৰ্ক দৃষ্টি ৰাখিব লাগে। তেওঁ ছাত্ৰ-সকলৰ বন্ধু, দাৰ্শনিক আৰু পথ প্ৰদৰ্শক স্বৰূপে নেপথ্যৰ ভূমিকা গ্ৰহণ কৰে। প্ৰকল্প পদ্ধতিৰ এই সামূহিক ধাৰণা আৰু ইয়াৰ শৈক্ষিক ক্ৰিয়া আঁচনি শিশুৰ খেলা-প্ৰৱণ পদ্ধতিৰ নীতি আৰু আদৰ্শৰ দ্বাৰা মূলতেই প্ৰভাৱিত হৈছে। প্ৰকল্প পদ্ধতিৰ বিস্তৃত আলোচনা পূৰ্বৰ অধ্যায়ত কৰি অহা হৈছে।

(৪) ডল্টন আঁচনি (Dalton Plan) : মিচ্ হেলেন পাৰ্কাষ্টৰ

ডল্টন আঁচনিও খেলা-প্ৰৱণ পদ্ধতিৰ নীতি আৰু পদ্ধতিৰ দ্বাৰা মৌলিক ভাবে অনুপ্ৰানিত হৈছে। এই পদ্ধতিত প্ৰচলিত শ্ৰেণীকক্ষৰ শিক্ষা ব্যৱস্থা পৰিহাৰ কৰি প্ৰযোগশালাৰ পৰিৱেশত কাৰ্য্যকৰী ভাবে বিষয় শিক্ষাৰ ব্যৱস্থা কৰা হৈছে। গতানুগতিক শিক্ষাৰ বিপৰীতে ছাত্ৰ-ছাত্ৰীৰ স্বাধীনতা, নিজ নিজ ক্ষমতা আৰু যোগ্যতা, ক্ৰিযাৰ দাযিত্ববোধ ভাব আদি জগাই তোলাৰ প্ৰতি বিশেষ দৃষ্টি ৰখা হৈছে। মণ্টেচৰী শিক্ষা আদৰ্শৰ দ্বাৰা প্ৰভাৱিত হৈ ছাত্ৰৰ শিক্ষা ইযাত ব্যক্তিকেন্দ্ৰিক কৰি তোলা হৈছে। প্ৰতিটো বিষয অধ্যযনৰ বাবে পৰীক্ষাগাৰৰ শিক্ষা পৰিৱেশ ইযাত গঢ দি তোলা হৈছে। ছাত্ৰই নিজ স্বাধীনতা আৰু দাযিত্ববোধ ভাব গ্ৰহণৰ বাবে ক্ৰিযাৰ চুক্তি সম্পাদন কৰিব লাগে। নিজ চুক্তি কাৰ্য্যকৰীকৰণৰ বাবে শৈক্ষিক বছৰৰ সমযখিনি ক্ৰিযা-একক (unit of work) স্বৰূপে বিভক্ত কৰি লব লাগে। সেই অনুক্ৰমে ছাত্ৰই নিজ ক্ৰিয়া সম্পাদন কৰি ক্ৰিযা অগ্ৰগতিৰ ৰেখা-চিত্ৰ প্ৰস্তুত কৰিব লাগে। আন আন ছাত্ৰৰ লগত নিজ অভিজ্ঞতাৰ আদান-প্ৰদান আৰু সমস্যা সমাধানৰ উপায উদ্ভাবন কৰিবৰ বাবে ছাত্ৰসকলৰ সমাবেশ আৰু সম্মিলনৰো ব্যৱস্থা কৰা হয। শিক্ষকও ছাত্ৰৰ প্ৰযোজন মতে তেওঁ-লোকৰ ব্যক্তিগত সমস্যা সমাধানত বন্ধু আৰু পথ প্ৰদৰ্শকৰ ভূমিকাৰে সহায আগবঢাব লাগে। শিক্ষকৰ ভূমিকা হৈছে পৰোক্ষ আৰু প্ৰযোজনভিত্তিক। শিক্ষাৰ এই ডল্টন আঁচনি খেলাভিত্তিত শিক্ষা ব্যৱস্থাৰে এক বাস্তৱ আৰু কাৰ্য্যকৰী আঁচনি বুলিব পাৰি। ইয়াৰ বিস্তৃত আলোচনা অষ্টম অধ্যাযত কৰি অহা হৈছে।

(৫) **হিউৰিষ্টিক পদ্ধতি (Heuristic Method):** 'হিউৰিষ্টিক' শব্দ গ্ৰীক ভাষাৰ 'হিউৰেচকো' (Heurisco) শব্দৰ পৰা উৎপত্তি হৈছে, যাৰ অৰ্থ হৈছে 'I find out' অৰ্থাৎ 'মই উদ্ভাৱন কৰো'। আৰ্মষ্ট্ৰঙ (Armstrong) নামৰ এজন শিক্ষকে বিজ্ঞান বিষযৰ শিক্ষাৰ বাবে প্ৰথমে এই পদ্ধতি উদ্ভাৱন কৰে। লক্ষ্য কৰা হয় যে শিক্ষকে

কেতবোৰ পুথিগত জ্ঞান আৰু তথ্য গতানুগতিক ভাবে ছাত্ৰক প্ৰদান কৰাৰ পৰিবৰ্ত্তে সেইসমূহ তেওঁলোকে নিজে চেষ্টা আৰু ক্ৰিয়া অভিজ্ঞতাৰে লাভ কৰিলে অধিক ভাবে উপকৃত হ'ব পাৰে। শিক্ষক বা শিক্ষানুষ্ঠানৰ পূৰ্ব প্ৰস্তুত জ্ঞানতকৈ ছাত্ৰই সেই জ্ঞান নিজ চেষ্টা আৰু ক্ৰিয়াৰ যোগে উদ্ভাৱন কৰি লব লাগে। হিউৰিষ্টিক পদ্ধতিৰ মূল উদ্দেশ্য হৈছে ছাত্ৰ-ছাত্ৰীৰ মনত নতুন জ্ঞান আহৰণৰ বাবে এক বৈজ্ঞানিক মনোভাব আৰু দৃষ্টিভংগী গঢ় দি তোলা। নিজ জ্ঞান অন্বেষণ আৰু অনুসন্ধানৰ উদ্যমে অভিজ্ঞতাৰ নতুন সত্য অনুভৱ কৰি উঠাত সহায় কৰিব পাৰে। ই জ্ঞান আহৰণৰ এক নতুন স্পৃহা মনত জগাই তুলিব পাৰে। ফলত পূৰ্বপ্ৰস্তুত জ্ঞানৰ তথ্য-পাতি নিৰ্বিবাদে গ্ৰহণ কৰি লবলৈ নিবিচাৰে। ব্যক্তিগত অভিজ্ঞতা আৰু যুক্তি-বিচাৰ-বিবেচনা প্ৰয়োগ কৰি নতুন সত্য উদ্ঘাটনৰ প্ৰতি সচেষ্ট হৈ উঠে। ছাত্ৰৰ মনত নতুন জিজ্ঞাসা আৰু নতুন চিন্তা ভাব ই আনি দিব পাৰে। এনে শিক্ষা ব্যৱস্থাত তেওঁলোকে চিন্তা আৰু ক্ৰিয়াৰ স্বাধীনতা লাভ কৰিব পাৰে আৰু পুৰণি অভিজ্ঞতাৰ সংস্কাৰ মুক্ত হৈ উঠিব পাৰে। শিক্ষাৰ এই পদ্ধতি সেযেহে খেলাৰ মৌলিক ধাৰণা আৰু নীতিৰ দ্বাৰা প্ৰভাৱিত। স্বাধীনতা, স্বতঃস্ফূৰ্ত্ত আনন্দ আৰু নিজ ক্ৰিয়া বিশিষ্টতা হৈছে ইয়াৰ শৈক্ষিক তাৎপৰ্য্য।

(৬) স্কাউট আৰু গাইড আন্দোলন (Scout and guide **movement**) **:** চাৰ বেডেন পাৱেলে (Sir Baden Powel) উদ্ভাৱন কৰা এই আন্দোলনে বৰ্তমান সমগ্ৰ পৃথিৱীতে জনপ্ৰিয়তা লাভ কৰি উঠিছে। স্কাউট আৰু গাইড শিক্ষাৰ ব্যৱস্থা ল'ৰা-ছোৱালীৰ স্বাভাৱিক খেলা মনোবৃত্তিৰ এক গঠনাত্মক ব্যৱস্থা বুলিব পাৰি। ইয়াৰ অন্তৰ্ভুক্ত কাৰ্য্যসূচীসমূহ হৈছে পাহাৰ বগোৱা, নৈ পাৰ হোৱা, অৰণ্যৰ মাজত পথৰ দিশ নিৰ্ণয় কৰা, কেম্পৰ জীৱন যাপন কৰি সামাজিক আৰু সাংস্কৃতিক কাৰ্য্যসূচীত অংশ গ্ৰহণ কৰা আদি। এই বিভিন্ন কাৰ্য্যসূচীৰ যোগেদি ল'ৰালি কাল আৰু

কৈশোৰ কালৰ বিকাশৰ ক্ষেত্ৰত দেখা দিয়া ভিন ভিন দেহ-মানসিক প্ৰৱণতা সমূহ ছাত্ৰ-ছাত্ৰীয়ে সমাজৰ গ্ৰহণযোগ্য ভাবে পূৰণ কৰি উঠিব পাৰে। সমাজৰ সেৱা কৰা, নিজ স্বাৰ্থ পৰিহাৰ কৰা, অসহায় লোকক সহায় কৰা, নিয়ম শৃংখলা মানি চলা, নায়কৰ প্ৰতি আনুগত্য প্ৰকাশ কৰা, উপস্থিত বুদ্ধি প্ৰয়োগেৰে সমস্যাৰ সন্মুখীন হোৱা আদি কেতবোৰ অতি প্ৰয়োজনীয় গুণ ছাত্ৰ-ছাত্ৰীয়ে খেলাৰ মনোভাবেৰে ইয়াত আয়ত্ত কৰি উঠিব পাৰে। ছাত্ৰ-ছাত্ৰীসকলৰ মনত স্বাভাৱিকতেই মুক্ত স্বাধীনতা, কৰ্মপ্ৰৱণতা, দলগত মনোভাব আৰু আচৰণ তথা সাহসিক কাৰ্য্যৰ এক ৰোমাঞ্চ এই সময়ত জাগি উঠে। স্কাউটৰ বিভিন্ন কাৰ্য্যসূচীত ছাত্ৰৰ এনে স্বাভাৱিক প্ৰৱনতা সমূহ পূৰণৰ উপযুক্ত শিক্ষা ব্যৱস্থা কৰি তোলা হৈছে। ছাত্ৰ-ছাত্ৰীৰ শিক্ষা অভিজ্ঞতাৰ স্থল কেৱল শ্ৰেণী কক্ষৰ মাজতেই আবদ্ধ নাৰাখি বাহিৰৰ প্ৰকৃতি ৰাজ্যৰ মুক্ত পৰিবেশলৈ লৈ যোৱা হৈছে। স্কাউট আৰু গাইডসকলে পৰিধান কৰা পোচাক-পৰিচ্ছদ আৰু তেওঁলোকে ব্যৱহাৰ কৰা সা-সঁজুলি আদিয়ে তেওঁলোকক স্বাভাৱিকতেই সতেজ, পৰিপাটী আৰু উৎসাহী কৰি তোলে। ছাত্ৰৰ মনত সমাজৰ লোকৰ প্ৰতি ই এক সেৱাৰ মনোভাব জগাই তুলিব পাৰে। গুৰুত্বপূৰ্ণ সমস্যাসমূহ সহজে আৰু সাহসেৰে সমাধানৰ বাবে ই ছাত্ৰৰ মনত আত্মবিশ্বাসৰ ভাব জগাই তোলে। জীৱনৰ সমস্যাসমূহত বিচলিত নহৈ এক খেলাৰ মনোভাবেৰে তাৰ স্বাভাৱিক সমাধান কৰিবলৈ ছাত্ৰৰ মনত আত্ম-বিশ্বাস আৰু আত্ম-প্ৰস্তুতিৰ ভাব জগাই তোলাত এই আন্দোলনৰ সফলতা অনস্বীকাৰ্য্য।

(৭) **ক্ষুদ্ৰ কমনৱেল্থ (Little Commonwealth):** শিক্ষাবিদ হোমাৰ লেনৰ (Homer Lane) দ্বাৰা প্ৰস্তুত কৰা শিশুসকলৰ বাবে ই এক বিশেষ স্কুল। এইবিধ স্কুলত মানসিক ভাবে ৰোগগ্ৰস্ত আৰু অপৰাধপ্ৰৱণ ল'ৰা-ছোৱালীক স্বাভাৱিক পৰিবেশ প্ৰদান কৰি সুস্থ, স্বাভাৱিক আৰু সুনাগৰিক কৰি তোলাৰ চেষ্টা কৰা হয়। ক্ষুদ্ৰ কমনৱেল্থত শিশুৱে শিক্ষক বা কৰ্তৃপক্ষৰ

কোনো ধৰণৰ আৰোপিত বাধা নিষেধৰ পৰা সম্পূৰ্ণ মুক্ত। ইয়াত তেওঁলোকে নিজস্ব নীতি-নিয়ম, স্বাধীনতা আৰু আত্ম-অনুশাসনৰ দ্বাৰা পৰিচালিত হয়। এখন প্ৰকৃত গণতান্ত্ৰিক ৰাষ্ট্ৰ পৰিচালনাৰ দায়িত্ব আৰু কৰ্তৃত্বৰে শিশু ইয়াত আত্ম নিয়ন্ত্ৰিত আৰু পৰিচালিত হয়। অসামাজিক আৰু অপৰাধপ্ৰৱণ আচৰণ সংশোধন কৰিবৰ বাবে স্বাধীন, স্বতঃস্ফূৰ্ত আৰু খেলাৰ মনোভাবেৰে শিশুৰ মন অৱদমন মুক্ত কৰি তোলাৰ ইয়াত চেষ্টা কৰা হয়। নিজ ক্ৰিয়াৰ স্বাধীনতা, দায়িত্ব আৰু কৰ্তৃত্ববোধ ভাবে ইয়াত শিশুক সুনাগৰিক স্বৰূপে গঢ় দি তুলিব পাৰে।

এই পদ্ধতিৰ সবলতা আৰু দুৰ্বলতা (Strength and weakness of this method) :

খেলা-প্ৰৱণ পদ্ধতিয়ে বৰ্তমানৰ শিক্ষা সাধাৰণ ভাবে প্ৰভাবিত আৰু পৰিচালিত কৰি তুলিছে। অৱশ্যে ইয়াৰ কেতবোৰ সবল শক্তিশালী দিশ আৰু সম্ভাব্য কেতবোৰ দুৰ্বলতা অথবা সীমাবদ্ধতাৰ প্ৰতি সজাগ দৃষ্টি ৰখাটো আমাৰ প্ৰয়োজন। সবল আৰু শক্তিশালী দিশসমূহ যথোচিত ভাবে শিক্ষাত কাৰ্য্যকৰীকৰণ কৰি ইয়াৰ দুৰ্বলতা-সমূহ শিক্ষকে এৰাই চলিব পৰাতেই এই শিক্ষা পদ্ধতিৰ সাৰ্থকতা ঘাইকৈ নিৰ্ভৰ কৰে। এই প্ৰসংগত ইয়াৰ নিম্নলিখিত দিশসমূহ আমি বিবেচনা কৰি চোৱা উচিত।

সবলতা :

(১) গতানুগতিক শিক্ষাৰ যন্ত্ৰচালিত বিধৰ শ্ৰেণী-শিক্ষা ব্যৱস্থা আঁতৰাই খেলা-প্ৰৱণ পদ্ধতিয়ে শিশু-শিক্ষাৰ প্ৰয়োজনীয় পৰিবেশ ৰচনা কৰি তুলিব পাৰে। ইয়াৰ ফলত শিক্ষাৰ কৃত্ৰিমতা গুচাই শিক্ষাৰ্থীৰ বাবে স্বাভাৱিক কৰি তুলিব পাৰি।

(২) শিক্ষাৰ জড়তা গুচাই ই শিশুৰ শিক্ষা গ্ৰহণ কাৰ্য্য সক্ৰিয়, প্ৰাঞ্জল আৰু ৰুচিসম্পন্ন কৰি তুলিব পাৰে। ইয়াৰ ফলত শিশুৰ

আত্ম-শিক্ষা গ্ৰহণৰ বাবে প্ৰয়োজন হোৱা শিক্ষকৰ প্ৰণোদন বা অভিৰোচন কাৰ্য্য (Motivation) সহজ হৈ উঠে।

(৩) ছাত্ৰ-ছাত্ৰীক শিক্ষা গ্ৰহণ কালত সামূহিক ক্ৰিয়া অংশ গ্ৰহণৰ সুবিধা দিয়াৰ লগতে খেলা পদ্ধতিবোৰে শিশুৰ ব্যক্তিগত ক্ৰিয়া প্ৰচেষ্টাৰো সুবিধা দিব পাৰে। শিক্ষাৰ ব্যক্তিমুখী আৰু সমাজমুখী এই দুয়োবিধ প্ৰয়োজনেই ই পূৰণ কৰি তুলিব পাৰে।

(৪) শিশুৰ মৌলিক চিন্তা, বিবেচনা, উদ্ভাবন ক্ষমতা আৰু সমস্যা সমাধান ক্ষমতা আদি নিজস্ব ভাবে প্ৰয়োগৰ প্ৰয়োজনীয় পৰিবেশো খেলা পদ্ধতিবোৰে প্ৰদান কৰিব পাৰে। ইয়াৰ ফলত শিশুৰ মনত শিক্ষা গ্ৰহণৰ বাবে সাহস আৰু আত্ম-বিশ্বাসৰ ভাব জাগি উঠে।

(৫) খেলা প্ৰৱণ পদ্ধতিবোৰে শিশুৰ প্ৰবৃত্তিমূলক প্ৰয়োজনবোৰ (Instinctive needs) সুস্থ আৰু গঠনাত্মক ভাবে পূৰণ কৰি তুলিব পাৰে। কৌতূহল প্ৰবৃত্তি, যুথ প্ৰবৃত্তি, সংগঠন প্ৰবৃত্তি, হাস্য প্ৰবৃত্তি আদি খেলাই উন্নীতকৰণ কৰি তুলিব পাৰে।

(৬) শিশু বিকাশৰ কেতবোৰ অতি প্ৰয়োজনীয় চৰ্ত যেনে— আনন্দ, স্বাধীনতা, স্বতঃস্ফূৰ্ত্ততা আদি স্বাভাৱিক পথেদি পূৰণৰ প্ৰয়োজনীয় পৰিবেশ খেলাৰ যোগেদিহে পাব পৰা যায়। খেলাৰ অবিহনে এই চৰ্তসমূহ স্বাভাৱিক ভাবে পূৰণৰ বিকল্প পথ আমাৰ নাই।

দুৰ্বলতা ঃ

(১) খেলাৰ সূক্ষ্ম মনোবৈজ্ঞানিক দৃষ্টিকোণৰ প্ৰতি সচেতন নোহোৱাকৈ ইয়াক জধে মধে কৰা প্ৰয়োগে শিক্ষাৰ ক্ষতি সাধন কৰি তুলিবহে পাৰে। এই ক্ষেত্ৰত শিক্ষকৰ মনো-বৈজ্ঞানিক সচেতনতাৰ অভাবে শিক্ষাত বিশৃংখলতাৰ সৃষ্টি কৰি তুলিব পাৰে।

(২) অনভিজ্ঞ আৰু প্ৰশিক্ষণ নোপোৱা শিক্ষকে খেলাৰ গঠনাত্মক প্ৰয়োগৰ আশা কৰিব নোৱাৰি। এনে শিক্ষকৰ হাতত খেলা শিক্ষাদানৰ মাধ্যম স্বৰূপে প্ৰয়োগ হৈ উঠাৰ পৰিবৰ্তে বিষয় বস্তুতহে পৰিণত হৈ উঠিবগৈ পাৰে।

(৩) খেলাভিত্তিক শিক্ষা পদ্ধতি যথেষ্ট ব্যয়-বহুল আৰু শিক্ষকৰ বাবেও কষ্ট সাধ্য হৈ উঠা বাবে ইয়াক সহজে কাৰ্য্যকৰী কৰি তোলাবো অসুবিধা। খেলাৰ বিভিন্ন আহিলা-পাতি, খেলাৰ আদৰ্শ শিক্ষা পৰিবেশ আৰু প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ অভাৱ হোৱা স্কুলত ইয়াৰ প্ৰযোগৰ সম্ভাৱনীয়তা যথেষ্ট সীমাবদ্ধ।

(৪) এই পদ্ধতি শিক্ষকে উপযুক্ত ভাবে পৰিকল্পনা কৰি লব নোৱাৰিলে ই শিশুৰ মনত জ্ঞান আহৰণৰ প্ৰযোজনীয় গাম্ভীৰ্য্য আৰু সচেতনতা ভাব অ:নি দিব নোৱাৰে। অপৰিকল্পিত আৰু অনিযন্ত্ৰিত খেলাৰ পৰিবেশত শিশুৰ প্ৰবৃত্তিমূলক প্ৰৱণতাইহে প্ৰাধান্য লাভ কৰি উঠিব পাৰে।

(৫) শিক্ষাৰ সকলোবোৰ বিষয় সকলো পৰ্য্যাযৰ ল'ৰা-ছোৱালীৰ বাবে খেলা-প্ৰৱণ পদ্ধতিৰে শিকোৱাটো অসুবিধা। বিশেষকৈ শিক্ষাৰ উচ্চ পৰ্য্যাযত চিন্তামূলক বিষযসমূহ খেলাৰ যোগেদি শিকোৱাটো সকলো সমযতে সম্ভৱপৰ আৰু স্বাভাৱিক হৈ নুঠে।

(৬) খেলাৰ অপৰিকল্পিত ব্যৱস্থা আৰু অনিয়ন্ত্ৰিত পৰিবেশে শিক্ষা ক্ষেত্ৰত শিক্ষকৰ বাবে অনুশাসনৰ সমস্যাবো সৃষ্টি কৰিব পাৰে। কাৰণ খেলাৰ মুক্ত পৰিবেশত কণ কণ শিশুৰ মনত আত্ম-অনুশাসন আৰু আত্ম-নিয়ন্ত্ৰণৰ ভাব জগাই তোলাটো এক কঠিন কাম।

খেলা-প্ৰৱণতাক শিশু-শিক্ষাৰ নৰম নীতি বুলিব পাৰিনে? (Is Play-way a soft pedagogy) :

উদ্দেশ্যবিহীন আৰু অপৰিকল্পিত ভাবে কৰা খেলাৰ প্ৰয়োগে

শিক্ষাত ক্ষতি-সাধন কৰি তুলিব পাৰে। সেইবাবে খেলা-প্ৰৱণ পদ্ধতি বৰ্তমান শিক্ষক-অভিভাৱক সকলৰ সমালোচনাৰ সম্মুখীন নোহোৱাকৈও থকা নাই। এই ক্ষেত্ৰত কোনো কোনোৱে খেলাক শিক্ষাৰ এক নৰম, সস্তীয়া বা পনীয়া নীতি স্বৰূপেও বৰ্ণনা কৰা দেখা যায়। এনে উক্তিৰ যুক্তিযুক্ততাও সমূলি আওকাণ কৰিব নোৱাৰি।

এই প্ৰসঙ্গত উল্লেখযোগ্য যে খেলাৰ সবলতা আৰু দুৰ্বলতা এই দুয়োটা দিশেই আছে। খেলাক উদ্দেশ্যবিহীন ভাবে জধে-মধে প্ৰয়োগ কৰিলে, অথবা সকলো সময়তে শিশুক খেলাৰ বাবে এৰি দি শিক্ষকে গা এৰা দিয়া মনোভাব গ্ৰহণ কৰিলে ই নিশ্চয় শিক্ষাৰ অনিষ্ট সাধন কৰাটোৱেই স্বাভাৱিক। ইংৰাজীত সেয়েহে কোৱা হয়—All play and no work makes Jack a dull boy. অৰ্থাৎ ল'ৰাক কেৱল খেলিবলৈ এৰি দি কোনো কাম কৰিবলৈ নিদিলে সি তাক মূৰ্খ কৰিহে তুলিব। শিক্ষা গ্ৰহণৰ বাবে প্ৰয়োজন হোৱা মানসিক সচেতনতা সক্ৰিয়তা আৰু চিন্তাৰ গাম্ভীৰ্য্য এনে এটা অৱস্থাই আনি দিব নোৱাৰে। এই কথাও মন কৰিবলগীয়া যে খেলাৰ শৈক্ষিক তাৎপৰ্য্য আৰু তাৰ প্ৰায়োগিকতা বুজি নোপোৱা অনভিজ্ঞ শিক্ষকৰ হাতত তেনে এটা অৱস্থা হোৱাটোৱেই স্বাভাৱিক। এই দৃষ্টিকোণৰ পৰা সেয়েহে খেলাভিত্তিক পদ্ধতিক এক সস্তীয়া আৰু নৰম শিক্ষা নীতি বুলি সমালোচনা কৰাৰ যুক্তি নিশ্চয় আছে।

অৱশ্যে খেলাৰ আন এটা দিশো আছে যি আমাৰ বাবে বিশেষ বিবেচনাযোগ্য। আমি পাহৰি যোৱা অনুচিত যে খেলা হৈছে শিশু শিক্ষাৰ এক শক্তিশালী মাধ্যম বা প্ৰধান অৱলম্বন স্বৰূপহে, ই শিক্ষাৰ লক্ষ্য উদ্দেশ্য স্বৰূপ নহয়। শিশুৰ শিক্ষা আৰু স্বতঃস্ফূৰ্ত্ত বিকাশহে আমাৰ মূল লক্ষ্য। এই কথা শিক্ষকসকলে গভীৰ ভাবে অনুভৱ কৰি উঠা আৰু তাক পৰিকল্পিত ভাবে কাৰ্য্যকৰী কৰি তোলাৰ ওপৰতহে খেলাৰ সাৰ্থকতা নিৰ্ভৰ কৰে। সেয়েহে খেলাভিত্তিক পদ্ধতিৰ শিক্ষাত সাৰ্থক ৰূপায়ণৰ বাবে শিক্ষকসকল প্ৰশিক্ষণ

প্ৰাপ্ত হোৱাটো অতি প্ৰয়োজন। শিশু-শিক্ষাৰ বিজ্ঞানসম্মত ভাবে প্ৰশিক্ষণ পোৱা এজন শিক্ষকেহে শিক্ষাত খেলাৰ প্ৰাসংগিকতা ভালদৰে বুজি উঠিব পাৰে। তেনে শিক্ষকেহে খেলাৰ আহিলা-পাতি সুপৰিকল্পিত আৰু প্ৰণালীবদ্ধ ভাবে প্ৰয়োগ কৰি শিশুৰ শিক্ষণ পৰিস্থিতি নিয়ন্ত্ৰিত আৰু সুপৰিচালিত কৰি তুলিব পাৰে। খেলা-প্ৰৱণ পদ্ধতিৰ সফল ৰূপায়ণ সেয়েহে প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ সুবিবেচিত আৰু সুপৰিকল্পিত শিক্ষাদান কাৰ্য্যইহে সম্ভৱ কৰি তুলিব পাৰে। সেয়ে হৈ নুঠিলে খেলাক শিক্ষাৰ এবিধ নৱম নীতিত পৰিণত কৰি তোলাটো কোনো অস্বাভাৱিক কথা নহয়।

অনুশীলন

(১) খেলাৰ অৰ্থ আৰু ইয়াৰ মৌলিক বৈশিষ্ট্যসমূহ বৰ্ণনা কৰা। খেলাভিত্তিক শিক্ষা পদ্ধতি বুলিলে কি বুজা ?

(২) খেলা-প্ৰৱণ শিক্ষা পদ্ধতি কাক বোলে ? এই পদ্ধতিৰ সাধাৰণ শিক্ষা-নীতিসমূহ বৰ্ণনা কৰা।

(৩) খেলাভিত্তিক শিক্ষা পদ্ধতি কি ? ইয়াৰ দুটা প্ৰধান পদ্ধতিৰ আলোচনা কৰা।

(৪) খেলা-প্ৰৱণ শিক্ষা পদ্ধতিৰ প্ৰধান নীতিসমূহৰ এটি চমু বিৱৰণ দিয়া। এই সমূহ মন্টেচৰী শিক্ষা পদ্ধতিত কি দৰে কাৰ্য্যকৰী কৰি তোলা হৈছে ?

(৫) খেলাৰ মৌলিক নীতিসমূহৰ ওপৰত ভিত্তি কৰা বিভিন্ন শিশু-শিক্ষা পদ্ধতিসমূহৰ এটি চমু বিৱৰণ দিয়া।

(৬) খেলাভিত্তিক শিক্ষা পদ্ধতি স্বৰূপে মন্টেচৰী পদ্ধতিৰ বৰ্ণনা কৰা। এই পদ্ধতি আমাৰ দেশত কাৰ্য্যকৰী কৰি তোলাটো সম্ভৱপৰ বুলি তুমি ভাবানে ?

(৭) খেলাৰ ওপৰত ভিত্তি কৰা শিক্ষা-নীতি আৰু পদ্ধতিবোৰৰ সবলতা আৰু দুৰ্বলতাসমূহৰ সাৱধানে বিচাৰ কৰা।

(৮) 'মণ্টেচৰীয়ে শ্ৰেণী কক্ষৰ শিক্ষাৰ অৱসান ঘটালে।" উক্তিটোৰ যথাৰ্থতা বিচাৰ কৰা।

(৯) খেলা-প্ৰৱণ শিক্ষাৰ কেতবোৰ শৈক্ষিক তাৎপৰ্য্য দেখুওৱা। খেলা প্ৰৱণতাক শিশু-শিক্ষাৰ নৱম নীতি বুলিব পাৰিনে ?

(১০) চমুটোকা লিখা :—

কিণ্ডাৰ গাৰ্টেন পদ্ধতি, হিউৰিষ্টিক পদ্ধতি, ক্ষুদ্ৰ কমনৱেলথ্, স্কাউট আৰু গাইড আন্দোলন।

প্ৰসংগ গ্ৰন্থসমূহ :

1 Sir John Adams Modern Developments in Educational Practice Chapter 9 University of London Press Ltd Second Edition, Thirteenth impression

2 C W Valentine Psychology and its Bearing on Education Ch 14. Methuen & Co. Ltd. Birmingham Second Edition Reprint 1963

3 Bhatia & Bhatia The Principles and Methods of Teaching Ch 21 Doaba House, Delhi. New Revised Edition 1966

4 B C Rai : Theory of Education Ch 46. Prakashan Kendra, Lucknow 7. Printed in 1979

5 S. K Kochhar Methods and Techniques of Teaching Ch 12. Sterling Publishers Pvt. Ltd. New Delhi 16. Third Edition Reprint 1978

6 K K. Mookerjee New Education and its Aspects. Ch. 13. The Educational Publishers. Calcutta 9. Published in 1953.

একাদশ অধ্যায়

আচৰণবাদ

(Behaviourism)

পূৰ্বাভাস (Introduction) :

আধুনিক শিক্ষাত নতুন চিন্তাধাৰাৰ উৎপত্তি কেৱল দৰ্শনৰ পৰাই নহয়, মনোবিজ্ঞানৰ পৰাও সৃষ্টি হৈছে। দৰ্শনৰ দৰেই মনোবিজ্ঞানৰো কেইবাটাও চিন্তাগোষ্ঠী (Schools of Psycholgy) আছে যি নিজস্ব দৃষ্টিভংগীৰে আধুনিক শিক্ষাজগতলৈ চিন্তা আৰু ক্ৰিয়াৰ নতুন নতুন সমল যোগাইছে। এই চিন্তাগোষ্ঠীবোৰৰ ভিতৰত তিনিটা প্ৰধান চিন্তাগোষ্ঠীয়ে মনোবিজ্ঞান জগতত বৰ্তমান শক্তিশালী প্ৰভাব পেলাইছে, যি কেইটা আমাৰ বিশেষ বিবেচনা-যোগ্য। এইকেইটা হৈছে—আচৰণবাদ (Behaviourism), গেষ্টাল্ট্ বা সামগ্ৰিকতাবাদ (Gestalt) আৰু মনোবিশ্লেষণবাদ (Psycho-analysis)। মনোবিজ্ঞানৰ এই প্ৰধান চিন্তাগোষ্ঠী-কেইটাই আধুনিক শিক্ষাৰ বৌদ্ধিক আৰু প্ৰায়োগিক দিশত যি অৱদান যোগাইছে তাক নজনাকৈ থাকিলে আমাৰ শিক্ষা বিষয়ৰ অধ্যয়ন আৰু এই সম্বন্ধীয় নতুন চিন্তাধাৰা সম্পূৰ্ণ হৈ উঠিব নোৱাৰে। বৰ্তমান শিক্ষা-জগতত চিন্তা আৰু ক্ৰিয়াৰ যি নতুন নতুন পৰীক্ষা-নিৰীক্ষা হৰ ধৰিছে তাৰ মূলতেই মনোবিজ্ঞানৰ এই চিন্তাগোষ্ঠী কেইটাৰ অৱদান আমি স্বীকাৰ কৰিব লাগিব।

উল্লেখযোগ্য যে এই শতিকাৰ প্ৰথম ভাগতেই এই তিনিওটা চিন্তাগোষ্ঠীৰ প্ৰায় সমসাময়িক ভাবেই উৎপত্তি হয়। ১৯১২ চনত আমেৰিকাৰ বিখ্যাত মনোবিদ জন্ ব্ৰডোৱাচ ৱাটচনে (John Broadus Watson) আচৰণবাদ মনোবিজ্ঞানৰ প্ৰধান প্ৰৱক্তা

স্বৰূপে ইযাৰ গুৰি ধৰে। তেওঁ প্ৰাণীসমূহৰ আচৰণৰ ওপৰত অধ্যয়ন কৰি এক বাস্তৱ আৰু ব্যৱহাৰিকতাবাদৰ দৃষ্টিভংগী মনোবিজ্ঞানত গঢ় দি তোলে। তেওঁৰ এই নতুন চিন্তাধাৰা ক্ৰমে ১৯১৪ চনত 'The Behaviour' ১৯১৯ চনত 'The Psychology from the Standpoint of a Behaviourist' আৰু ১৯২৫ চনত 'The Behaviourism' নামৰ তিনিখন গ্ৰন্থৰ যোগেদি জনপ্ৰিয় কৰি তোলে। ১৯১২ চনতেই উল্‌ফগেং ক'হ্‌লাৰ (Wolfgang Kohler), কুৰ্ট কফ্‌কা (Kurt Koffka) আৰু মেক্স ৱাৰ্থিমাৰ (Max Wartheimer) নামৰ তিনিজন জাৰ্মান মনোবিদে আচৰণবাদ চিন্তাধাৰাৰ প্ৰতিবাদ স্বৰূপে গেষ্টাল্ট বা সামগ্ৰিকতাবাদৰ নতুন চিন্তাধাৰা দাঙি ধৰে। প্ৰায একে সময়তে ইংলেণ্ডত চিগমাণ্ড ফ্ৰয়েদে (Sigmund Freud) তেওঁৰ সুদীৰ্ঘ কাল চিকিৎসা বিজ্ঞানৰ অভিজ্ঞতাৰে মনোবিশ্লেষণবাদৰ চিন্তাধাৰা দাঙি ধৰে। এই তিনিওটা চিন্তাধাৰাই মনোবিজ্ঞানৰ চিন্তা-জগতত নতুন চিন্তাৰ খলকনি তোলে। শিক্ষা-জগততো এই তিনিটা নতুন চিন্তাধাৰাই বৰ্ত্তমান শিক্ষা আৰু মনোবিজ্ঞানৰ নীতি আৰু পদ্ধতিসমূহ ব্যাপক ভাবে প্ৰভাবিত কৰি তোলে। এই প্ৰসংগত উল্লেখযোগ্য যে মনোবিজ্ঞানৰ এই তিনিওটা চিন্তাধাৰাই বিশেষজ্ঞসকলৰ বাস্তৱ পৰীক্ষা-নিৰীক্ষা আৰু ব্যক্তিগত ক্ৰিযা অভিজ্ঞতাৰ ওপৰত প্ৰতিষ্ঠিত। সেইবাবে শিক্ষাত ইযাৰ প্ৰাযোগিক মূল্য আমাৰ বাবে বিশেষ তাৎপৰ্য্যপূৰ্ণ।

আচৰণবাদ ধাৰণাৰ উৎপত্তি (Origin of the concept of Behaviourism) :

এই শতিকাৰ প্ৰথম ভাগত ১৯০৮ চনত ৱাটচনে আমেৰিকাৰ জন্ হপ্‌কিনচ্ বিশ্ববিদ্যালযত মনোবিজ্ঞানৰ অধ্যাপক স্বৰূপে নিযুক্ত হয়। ইয়াতেই তেওঁ প্ৰাণী মনোবিজ্ঞান অধ্যয়নৰ বাবে পৰীক্ষাগাৰ স্থাপন কৰে আৰু প্ৰাণীৰ দৈহিক আচৰণ অধ্যযন আৰু পৰীক্ষণ কাৰ্য্যত আত্ম-নিয়োগ কৰে। এই কাৰ্য্যই তেওঁক মনোবিজ্ঞান বিষয়

এক বাস্তৱ, বস্তুনিষ্ঠ আৰু পৰীক্ষাভিত্তিক দৃষ্টিভংগীৰে গ্ৰহণ কৰিবলৈ উৎসাহ যোগায়। এই সময়ত মনোবিজ্ঞান সম্বন্ধে প্ৰচলিত ধাৰণা আছিল এনে বাস্তৱ দৃষ্টি ভংগীতকৈ পৃথক। মনোবিজ্ঞানক সেই সময়ত সচেতনতাৰ (consciousness) বিজ্ঞান স্বৰূপে গ্ৰহণ কৰা হৈছিল। মানুহৰ সচেতন মনৰ অনুভূতি আৰু অভিজ্ঞতাসমূহক অধিক প্ৰাধান্য দিয়া হৈছিল আৰু এই সমূহক অধ্যয়নৰ বাবে অন্তঃ-প্ৰেক্ষণ (introspection), পদ্ধতি প্ৰযোগ কৰা হৈছিল। মন, সচেতনতা, সংবোধন (perception), অনুভূতি, আবেগ আদি মানসিকতাত প্ৰাধান্য দিয়া শব্দসমূহ প্ৰযোগ কৰা হৈছিল।

প্ৰাণী মনোবিদ্যাৰ এজন তৰুণ বিজ্ঞানী স্বৰূপে ৱাট্‌চনে মনোবিজ্ঞানৰ এই মানসিকতাৰ ধাৰণাত অতিষ্ঠ হৈ পৰিছিল। কাৰণ মন আৰু সচেতনতাৰ ধাৰণা আছিল অনির্ভৰযোগ্য আৰু অকাৰ্য্যকৰী বিধৰ। মনৰ অস্তিত্ব আমি অনুভৱ কৰিলেও তাক প্ৰত্যক্ষ পৰীক্ষাৰ যোগেদি অধ্যয়ন কৰিব নোৱাৰি। আনহাতে ৱাট্‌চনে প্ৰাণীমনোবিদ্যা বাস্তৱবাদী, স্বাভাৱিক আৰু কৰ্মক্ষম এক বিজ্ঞান স্বৰূপে দেখা পাইছিল। ই বাস্তৱ আৰু পৰীক্ষাভিত্তিক ভাবে জন্তুবোৰৰ আচৰণ ব্যাখ্যা কৰিব পাৰিছিল। মন, মানসিকতা আৰু অন্তঃপ্ৰেক্ষণৰ দৰে ব্যক্তিনিষ্ঠ পদ্ধতি প্ৰয়োগ নকৰাকৈ জন্তুৰ আচৰণ অধ্যয়ন কৰাটো যদি সম্ভৱ হৈ উঠিব পাৰে, তেন্তে মানুহৰ আচৰণো তেনেদৰে অধ্যয়ন কৰাটো মনোবিজ্ঞানত সম্ভৱ হৈ উঠিব পাৰিব লাগে। এই যুক্তি প্ৰদৰ্শনেৰে ৱাট্‌চনে আচৰণবাদৰ এক বিজ্ঞানসম্মত ভিত্তি স্থাপন কৰি তোলে। তেওঁৰ এই দৃষ্টিভংগী যুণ্ডট্ (Yundt), কেটেল (Cattell), মেকডুগেল (Mc Dougall) আদি আন আন সহযোগী-সকলেও সমৰ্থন কৰি উঠে। ৰাচিয়াৰ বিখ্যাত মনোবিজ্ঞানী আইভান্ পেভ্‌লভেও (Ivan Pavlov) মানৱ আচৰণৰ এনে দৃষ্টিভংগীকেই গ্ৰহণ কৰে। সেইবাবে ৱাট্‌চনে দৃঢ়তাৰে মত প্ৰকাশ কৰি উঠে যে মনোবিজ্ঞানত যুক্তিসংগত আৰু গ্ৰহণযোগ্য কাৰ্য্যব্যৱস্থা হৈছে

আচৰণবাদ। মনোবিজ্ঞানৰ এই নতুন চিন্তাধাৰাক সেইসময়ৰ তৰুণ মনোবিজ্ঞানীসকলে প্ৰচলিত পুৰণি মানসিকতাৰ বিৰুদ্ধে এক 'যুব-আন্দোলন' স্বৰূপে গঢ় দি তোলে।

আচৰণবাদ বুলিলে কি বুজো? (What is Behaviourism) :

মনোবিজ্ঞানক মন বা মস্তিষ্কৰ দ্বাৰা পৰিচালিত সচেতনতাৰ বিজ্ঞান স্বৰূপে অভিহিত কৰা প্ৰচলিত পুৰণি চিন্তাধাৰাৰ বিৰুদ্ধে আচৰণবাদ হৈছে এক নতুন প্ৰত্যাহবানমূলক ধাৰণা। ইয়াত জীৱৰ দৈহিক আচৰণক প্ৰত্যক্ষ আৰু পৰীক্ষাভিত্তিক ভাবে অধ্যয়নৰ ওপৰত গুৰুত্ব দিয়া হয়। আচৰণ আমি নিজ চকুৰে দেখা, নিজ কাণেৰে শুনা আৰু নিজ হাতেৰে স্পৰ্শ অনুভূতি লাভ কৰা বিধৰ হব লাগে। তেনে আচৰণহে আমাৰ বাবে নিৰ্ভৰযোগ্য আৰু কাৰ্যাকৰী। অন্তঃপ্ৰেক্ষণৰ দৰে পাৰাক্ষ, বিতৰ্কমূলক আৰু ব্যক্তিৰ আত্ম অনুভূতি-কেন্দ্ৰিক অভিজ্ঞতা মনোবিজ্ঞানত আচৰণৰ ভিত্তি হব নোৱাৰে। আচৰণবাদৰ মতে তথাকথিত 'মন'ৰ কোনো বাস্তৱ ভিত্তি নাই। সেই বাবে মনোবিজ্ঞানত অধিক ভাবে প্ৰযোগ কৰি অহা মন আৰু মানসিকতাৰ ধাৰণা হৈছে অবাস্তৱ আৰু ভ্ৰান্তিমূলক। মনৰ পৰি-ৱৰ্তে আচৰণক দৈহিক প্ৰতিৱৰ্ত ক্ৰিযাৰ (reflex) যান্ত্ৰিক ৰূপতহে আমি ব্যাখ্যা কৰিব পাৰো। আচৰণবাদীসকলৰ বাবে সেযেহে দেহ আৰু মনৰ পাৰস্পৰিক সম্বন্ধ ৰক্ষা কৰা সমান্তৰালবাদ তত্ত্বৰ (Theory of parallelism) গ্ৰহণযোগ্য নহয়। আচৰণবাদ মনোবিজ্ঞানৰ স্বৰূপ বহনকাৰী কেতবোৰ বৈশিষ্ট্য নিম্নলিখিত ভাবে সংক্ষেপে উল্লেখ কৰিব পাৰি।

(১) মনোবিজ্ঞানক বিজ্ঞানভিত্তিক ভাবে প্ৰতিস্থিত কৰি তুলিবলৈ আচৰণকহে গ্ৰহণ কৰিব লাগে, সচেতনতাক নহয়।

---

† *R S Woodworth Contemporary Schools of Psychology P 113 Methuen & Co Ltd London EC4. Eighth Edition. 1951.*

(২) আচৰণে মানুহ আৰু জন্তু উভয়ৰে আচৰণ অন্তৰ্ভুক্ত কৰে। মানুহৰ জটিল আচৰণতকৈ জন্তুৰ সহজ সৰল প্ৰতিক্ৰিয়াইহে আচৰণৰ প্ৰকৃত ৰূপ প্ৰকাশ কৰিব পাৰে।

(৩) আচৰণক প্ৰত্যক্ষ আৰু বস্তুনিষ্ঠ ভাবে অধ্যয়ন কৰিব লাগে, অন্তঃপ্ৰেক্ষণৰ পৰোক্ষ আৰু ব্যক্তিনিষ্ঠ পদ্ধতিৰে নহয়।

(৪) আচৰণত সংবোধন, অনুভূতি, আবেগ আদি মানসিকতাৰ অৰ্থ বহনকাৰী শব্দ সমূহ পৰিহাৰ কৰি উদ্দীপক, প্ৰতিক্ৰিয়া, শিক্ষণ আৰু অভ্যাসগঠন আদি শব্দ সমূহ প্ৰযোগ কৰা হয়।

(৫) আচৰণবাদে দেহ-মনৰ সমান্তৰাল সম্বন্ধ তত্ত্ব অস্বীকাৰ কৰে।

(৬) আচৰণ মস্তিষ্ক পৰিচালিত নহয়, দেহৰ বহিঃ অংশৰ ইন্দ্ৰিয়, পেশী আৰু গ্ৰন্থিসমূহৰ দ্বাৰাহে পৰিচালিত।

আচৰণবাদৰ প্ৰধান দৃষ্টিকোণসমূহ (Main view points of Behaviourism) :

আচৰণবাদ মনোবিজ্ঞানৰ প্ৰধান নীতি বা দৃষ্টিকোণসমূহ সচৰাচৰ সৰ্বসাধাৰণভাবে প্ৰচলিত আৰু গ্ৰহণযোগ্য নীতিসমূহতকৈ পৃথক। ইযাৰ বিবেচ্য দৃষ্টিকোণসমূহ হৈছে বৈপ্লবিক বিধৰ, যি মনোবিজ্ঞানলৈ এক বাস্তৱভিত্তিক আৰু বিজ্ঞানসম্মত প্ৰেৰণা আৰু উৎসাহ-উদ্দীপনা কঢ়িযাই আনিছে। এনে দৃষ্টিকোণসমূহে মনোবিজ্ঞানক পুৰণি কালৰ দৰ্শন শাস্ত্ৰৰ পৰা সম্পূৰ্ণৰূপে প্ৰভাৱমুক্ত কৰি তুলিছে আৰু মনোবিজ্ঞানক জড় জগতৰ পদাৰ্থ আৰু ৰসায়ন বিজ্ঞানৰ আৰ্হিত প্ৰতিষ্ঠিত কৰি তুলিছে। সেযেহে মনোবিজ্ঞানৰ জগতলৈ এক নতুন বাৰ্তা আৰু দৃষ্টিকোণ বহন কৰি অনা এই চিন্তা গোষ্ঠীৰ বক্তব্য সম্বন্ধে তলত বৰ্ণনা কৰা হৈছে।

(১) আচৰণ দৰ্শনীয়, স্পৰ্শনীয় আৰু শ্ৰৱণীয় (Behaviour is visible, tangible and audible):—আচৰণবাদ মনোবিজ্ঞানে প্ৰত্যক্ষ ইন্দ্ৰিয় অভিজ্ঞতাৰ বাহিৰে আন কোনো অভিজ্ঞতাকেই বিবেচনাযোগ্য আৰু গ্ৰহণযোগ্য বুলি নাভাবে। নিজ চকুৰে দেখা

আৰু নিজ কাণেৰে শুনা অভিজ্ঞতাহে বাস্তৱ, প্ৰত্যক্ষ আৰু সেয়ে গ্ৰহণযোগ্য। মনোবিজ্ঞানত অনুমান, চিন্তা, কল্পনা, আগ্ৰহ, ইচ্ছাশক্তি আদি মননাত্মক অভিজ্ঞতাসমূহৰ কোনো স্থান নাই। মানুহ এবিধ অন্যান্য জীৱ-জন্তুৰ দৰেই প্ৰতিক্ৰিয়াশীল জীৱ। এই প্ৰতিক্ৰিয়া পৰিবেশৰ উদ্দীপকসমূহৰ প্ৰতি আমাৰ দেহ-যন্ত্ৰৰ গ্ৰহণেন্দ্ৰিয়সমূহে কৰিব পাৰে। ইয়াক উদ্দীপক প্ৰতিক্ৰিয়া সূত্ৰ বা S—R সূত্ৰৰ দ্বাৰা ব্যাখ্যা কৰা হয়। উদ্দীপক, প্ৰতিক্ৰিয়া, শিক্ষণ, অভ্যাস গঠন আদি দৈহিক আৰু যান্ত্ৰিক অভিজ্ঞতাৰ মাধ্যমেৰেই আচৰণৰ ব্যাখ্যা কৰা হয় আৰু ইয়াৰ সংস্কাৰ সাধন কৰা হয়। সংবোধন, অনুভূতি, আবেগ, চিন্তা, ইচ্ছা, আগ্ৰহ আদি শব্দৰ ধাৰণাসমূহ হৈছে অদৈহিক আৰু অবাস্তৱ আৰু সেয়ে অকাৰ্য্যকাৰী।

(২) **অন্তঃপ্ৰেক্ষণৰ বিৰোধিতা** (Opposed to introspection) : আচৰণবাদীসকলে অন্তঃপ্ৰেক্ষণ পদ্ধতিৰ ঘোৰ বিৰোধিতা কৰে। মন আৰু ইয়াৰ সচেতনতাৰ অৱস্থাকেই যিহেতু মানি লোৱা নহয়, অন্তঃপ্ৰেক্ষণ পদ্ধতিৰ কাৰ্য্যকৰিতা সেয়েহে সম্পূৰ্ণৰূপে নিৰৰ্থক কথা। অন্তঃপ্ৰেক্ষণৰ প্ৰতি সন্দেহ প্ৰকাশ কৰা হয় এইবাবেই যে ইয়াৰ পৰা পোৱা তথ্য-পাতি হৈছে একান্ত ব্যক্তিনিষ্ঠ অভিজ্ঞতাৰ ওপৰত নিৰ্ভৰশীল। সেইবাবেই যথাৰ্থ, আত্মপ্ৰত্যয়মূলক আৰু সাধাৰণভাৱে প্ৰযোজ্য নহয়। উল্লেখযোগ্য যে অন্তঃপ্ৰেক্ষণৰ বাবে থকা বিশেষজ্ঞ নিৰীক্ষকসকলৰ নিৰীক্ষণৰ মাজতেই বিশেষ মত পাৰ্থক্য থাকে। তেনে অৱস্থাত এই পদ্ধতিৰ প্ৰয়োগে মনোবিজ্ঞানক এক বিজ্ঞান স্বৰূপে গঢ়ি তোলাৰ পৰিবৰ্তে এক তৰ্কশাস্ত্ৰতহে পৰিণত কৰিবলৈ পাৰে। সেয়েহে আচৰণবাদীসকলে মত প্ৰকাশ কৰে যে অন্তঃপ্ৰেক্ষণ পদ্ধতি কেতিয়াও মনোবিজ্ঞানৰ বিজ্ঞানসম্মত ভিত্তি স্বৰূপ হৈ উঠিব নোৱাৰে।

(৩) **আচৰণৰ ভিত্তি স্বৰূপে সঞ্চালনমূলক প্ৰতিক্ৰিয়া** (Motor responses as Behaviour):— আচৰণবাদত মনৰ

সচেতনতা বা মানসিক ক্ৰিয়াৰ কোনো স্থান নাই। যিহেতু প্ৰাণী বিজ্ঞাকৰ মন আৰু সচেতনতা থকাৰ কথা আমি কব নোৱাৰো, সেইবাবে মানুহো এবিধ প্ৰাণী স্বৰূপে মন আৰু সচেতনতা থকাৰ কথা আমি নিশ্চিত ভাবে দাবী কৰিব নোৱাৰো। অন্যান্য জীৱ-জন্তুৰ দৰে মানুহেও পৰিবেশৰ উদ্দীপকৰ প্ৰতি দৃষ্টি, শ্ৰৱণ আৰু স্পৰ্শসম্বন্ধীয় কেতবোৰ দৈহিক সঞ্চালনমূলক প্ৰতিক্ৰিয়াহে মাথোন প্ৰকাশ কৰে। সকলোবোৰ জীৱৰ আচৰণ সেইবাবে উদ্দীপক প্ৰতিক্ৰিয়াৰ দৈহিক সঞ্চালনৰ যোগেদিহে অধ্যয়ন কৰিব পাৰি, মন আৰু ইয়াৰ সচেতনতাৰ যোগেদি নহয়। আচৰণবাদে সেয়েহে কেৱল মাত্ৰ উদ্দীপকৰ প্ৰতি প্ৰদৰ্শন কৰা দৈহিক আচৰণকহে মাথোন বিবেচনা কৰে। প্ৰতিটো সজীৱ প্ৰাণীয়ে সক্ৰিয় ভাবে বহিঃজগতৰ উদ্দীপকৰ প্ৰতি প্ৰোটোপ্লাজমৰ প্ৰতিক্ৰিয়াহে (protoplasmic reaction) মাথোন প্ৰকাশ কৰে। প্ৰাণীজগত আৰু উদ্ভিদজগতৰ সজীৱতাৰ মূলতেই হৈছে দেহৰ উপবিভাগত থকা কেতবোৰ সক্ৰিয় জীৱকোষ বা প্ৰোটোপ্লাজমৰ আচৰণ। এই জীৱকোষবোৰে উদ্দীপকৰ পৰা এক উদ্দীপনা বা দৈহিক উত্তেজনা লাভ কৰি সঞ্চালনমূলক ক্ৰিয়াৰ যোগেদি আচৰণ প্ৰদৰ্শন কৰে। আচৰণৰ ভিত্তি হৈছে সেয়েহে উদ্দীপিত হৈ উঠা জীৱকোষবোৰৰ দৈহিক সঞ্চালন ক্ৰিয়া।

(৪) **আচৰণ দৈহিক, মস্তিষ্কৰেন্দ্ৰীক নহয়** (Behaviour is perephral rather than cerebral): আচৰণবাদে মত প্ৰকাশ কৰে যে মানুহৰ আচৰণ দেহ যন্ত্ৰৰ দ্বাৰাহে পৰিচালিত, মস্তিষ্কৰ দ্বাৰা পৰিচালিত নহয়। দেহৰ সংবেদন আৰু সঞ্চালন ক্ৰিয়া সম্পাদন কৰা বহিৰ্বাহী আৰু অন্তৰ্বাহী স্নায়ুসমূহে ব্যক্তিৰ আচৰণ নিৰ্দ্ধাৰণ আৰু পৰিচালনা কৰে। আমাৰ মস্তিষ্কত থকা গুৰুমস্তিষ্ক (cerebrum) অংশই এই ক্ষেত্ৰত কোনো বিশেষ ভূমিকা গ্ৰহণ নকৰে। এই গুৰু মস্তিষ্কই কেৱল সংবেদনদায়ী আৰু সঞ্চালনকাৰী স্নায়ুসমূহৰ (sensory and motor nerves) সংযোগৰক্ষাকাৰী

স্বৰূপেহে কাম কৰে। সচৰাচৰ বিশ্বাস কৰা মস্তিষ্ক ক্রিয়া অথবা মস্তিষ্ক পৰিচালিত আচৰণৰ ধাৰণা আচৰণবাদীসকলৰ বাবে গ্রহণ-যোগ্য নহয়। মস্তিষ্ক সেযেহে আচৰণৰ নিয়ন্ত্রণ আৰু পৰিচালন কেন্দ্র নহয়। ই কেৱল স্নায়ুৰ সংযোগ কেন্দ্রহে মাথোন। আচৰণবাদী-সকলে মত প্রকাশ কৰে যে জীৱৰ সকলোবোৰ আচৰণেই হৈছে সংবেদন আৰু সঞ্চালন স্নায়ুৰ দ্বাৰা পৰিচালিত ক্রিয়াৰ পৰিণতি। মস্তিষ্কৰ ইয়াত কোনো গুৰুত্বপূর্ণ ভূমিকা থকাৰ কথা তেওঁলোকে মানি নলয়।

(৫) **শিক্ষণ সম্বন্ধে আচৰণবাদ** (Behaviourism on learning) : আচৰণবাদীসকলে শিক্ষণ কার্য্যক এবিধ দৈহিক ক্রিয়া স্বৰূপেহে গ্রহণ কৰে, মানসিক বা বৌদ্ধিক ক্রিয়া স্বৰূপে নহয়। সেই অনুসৰি মনোবিদ থর্ণডাইকৰ (Thorndike) শিক্ষণ সম্বন্ধীয় ব্যাখ্যা আৰু বিশ্লেষণ তেওঁলোকৰ বাবে গ্রহণযোগ্য। শিক্ষণ কার্য্য দৈহিক পুনৰাবৃত্তিৰ পৰিণতিস্বৰূপ। এনে পুনৰাবৃত্তিত সুখদায়ক প্রতিক্রিয়া গ্রহণ কৰি দুখদায়ক প্রতিক্রিয়া পৰিহাৰ কৰা হয়। উদ্দীপক প্রতিক্রিয়াৰ সংযোগ তথা অনুবন্ধন কার্য্যৰ স্থায়ী অৱস্থাই হৈছে শিক্ষণ। এনে শিক্ষণৰ যান্ত্রিক প্রক্রিয়া থর্ণ-ডাইকৰ শিক্ষণ-নীতিৰ (Laws of learning) দ্বাৰা ব্যাখ্যা কৰা হয়। পেভ্‌লভে কুকুৰৰ স্বাভাৱিক লালটি ওলোৱাক ঘণ্টাৰ শব্দৰ লগত সংযোগ কৰি আৰু ৱাট্‌চনে এন্দুৰৰ লগত ঘণ্টাৰ শব্দ সংযোগ কৰি শিশুৰ ভয়ৰ প্রতিক্রিয়া অনুবন্ধিত কৰি শিক্ষণত অনুবন্ধন তত্ত্ব জনপ্রিয় কৰি তোলে। এই তত্ত্বৰ যোগে আচৰণবাদে মানুহৰ শিক্ষণৰ জটিল প্রক্রিয়াক সহজ এক যান্ত্রিক সূত্রত দাঙি ধৰিবলৈ সক্ষম হয়। উল্লেখযোগ্য যে মানুহৰ শিক্ষণৰ বৌদ্ধিক প্রক্রিয়াক ইয়াত বৰ্জ্জি শিক্ষণৰ দৈহিক আৰু যান্ত্রিক প্রক্রিয়াৰে ব্যাখ্যা কৰা হয়। সচৰাচৰ ভৰামতে মানুহৰ শিক্ষণত প্রয়োজন হোৱা আগ্রহ-অভিৰুচি, আবেগ-অনুভূতি আৰু অভিপ্রেৰণা বা প্রণোদন (motivation) কার্য্যৰ মানসিক প্রভাৱ আচৰণবাদে সমূলি অস্বীকাৰ কৰে।

(৬) **অভ্যাস গঠন সম্বন্ধে** (On habit formation): প্ৰবৃত্তি সম্বন্ধে দিয়া মেকডুগেলৰ সংজ্ঞা আচৰণবাদীসকলৰ বাবে গ্ৰহণযোগ্য নহয়। কাৰণ এই সংজ্ঞাত প্ৰবৃত্তিৰ মানসিক দিশৰ ওপৰত প্ৰাধান্য দিয়া হৈছে। তেওঁলোকৰ মতে জীৱৰ প্ৰতিক্ৰিয়াৰ সহজ সৰল দৈহিক প্ৰক্ৰিয়াক প্ৰতিবৰ্তক্ৰিয়া স্বৰূপে জনা যায় আৰু ইয়াক S—R সূত্ৰৰ দ্বাৰা ব্যাখ্যা কৰা হয়। প্ৰবৃত্তি হৈছে এই সৰল দৈহিক প্ৰতিবৰ্তক্ৰিয়াৰ এক জটিল অৱস্থা বিশেষ। ইযাক একাধিক প্ৰতিবৰ্তকিয়া সংযোগৰ এক শিকলি (a chain of reflexes) স্বৰূপে বৰ্ণনা কৰা হয। এই জটিল প্ৰবৃত্তিমূলক ক্ৰিযাৰ পুনৰাবৃত্তি আৰু তাৰ শিক্ষণ-অনুশীলনৰ যোগে অভ্যাস এক স্থাযী ৰূপত গঢ লৈ উঠে। অভ্যাস সেযেহে প্ৰতিবৰ্তক্ৰিযাৰ অনুশীলনৰ যোগে পোৱা স্থাযী অৱস্থা মাথোন। আচৰণবাদীসকলে বিশ্বাস কৰে যে সকলো শিক্ষণৰেই উদ্দেশ্য হৈছে অভ্যাস গঠন কৰা।

(৭) **চিন্তন ক্ৰিয়া সম্বন্ধে** (On thinking) : মানুহৰ চিন্তন প্ৰক্ৰিয়া সম্বন্ধে আচৰণবাদে দাঙি ধৰা দৃষ্টিভংগী মনোবিজ্ঞানৰ বাবে সকলোতকৈ গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বান স্বৰূপ বুলিব পাৰি। ৱাট্চনৰ মতে চিন্তন কাৰ্য্য হৈছে দেহৰ সংবেদন-সঞ্চালনৰ (sensory-motor) এবিধ ক্ৰিযা বিশেষ। এই দেহভিত্তিক চিন্তন কাৰ্য্যত মুখমণ্ডলৰ আৰু জিভাৰ পেশী সঞ্চালন কাৰ্য্যৰ প্ৰযোজন হয। উদাহৰণ স্বৰূপে কোৱা হয যে এটা শিশুৱে প্ৰথমে মুখেৰে ডাঙৰকৈ শব্দ উচ্চাৰণৰ যোগে সশব্দে চিন্তা কৰে (thinking aloud)। ইয়াৰ পৰৱৰ্তী পৰ্য্যায়ত সি সশব্দে কৰা চিন্তা পৰিহাৰ কৰে আৰু নিজকে নিজে ফুচফুচাই কথা কয (whispering to himself)। ইয়াৰ পিচত এনে ফুচফুচনিও পৰিহাৰ কৰি নিৰৱে ওঁঠ সঞ্চালন কৰে (silent lip movement) যাক অদৃশ্য ৰূপত নিজকে নিজে কোৱা বুলিব পাৰি। এনে এক অৱস্থাই হৈছে চিন্তন। •

• *R S Woodworth : Contemporary Schools of Psychology P. 126. Methuen & Co. Ltd Eighth Edition, Published in 1951.*

সেইবাবে আচৰণবাদীসকলৰ মতে চিন্তনকে আদি কৰি সকলোবোৰ তথাকথিত 'মানসিক ক্রিয়াই' হৈছে ব্যক্তিৰ সংবেদন-সঞ্চালনমূলক দৈহিক ক্রিযাৰ পৰিণতি মাথোন।

(৮) **অনুভূতি আৰু আবেগ সম্বন্ধে** (On feeling and emotion : আচৰণবাদৰ মতে আমাৰ সকলো সুখদায়ক আৰু দুখ-দায়ক অনুভূতিযেই হৈছে দৈহিক সংবেদন সঞ্চালনমূলক অভিজ্ঞতাৰ পৰিণতি। আবেগ হৈছে সমগ্র দেহৰ দৈহিক প্রক্রিয়াৰ এক গভীৰ পৰিবৰ্তনৰ ফলস্বৰূপ (profound changes of the body mechanism as a whole)। ইয়াত বিশেষকৈ দেহৰ অভ্যন্তৰ ভাগৰ পাচক যন্ত্ৰৰ পৰিবৰ্তন আৰু গ্রন্থিসমূহৰ প্রক্রিযাৰ পৰিবৰ্তন (visceral and glandular changes) জড়িত হৈ আছে। দেহৰ এনে সামগ্রিক পৰিবৰ্তনে ব্যক্তিৰ ৰক্ত-সঞ্চালন, শ্বাস-প্রশ্বাস আৰু মাংসপেশীৰ প্রক্রিযাত দর্শনীয পৰিবৰ্তন সাধন কৰে আৰু ইযাৰ ফলত আবেগে বাহ্যিক প্রকাশ লাভ কৰি উঠে। দেহৰ অভ্যন্তৰ ভাগত সামগ্রিক ৰূপত হোৱা দেহ-ৰাসাযনিক পৰিবৰ্তনৰ বাহ্যিক প্রকাশেই হৈছে আবেগ। আচৰণবাদৰ মূল প্রবক্তা স্বৰূপ ৱাটচনে মত প্রকাশ কৰে যে জীৱৰ দেহৰ অন্তৰ্ভাগত সংবেদন-সঞ্চালনমূলক ক্রিয়াৰ বাহিৰে আন একোৱেই সংঘটিত হব নোৱাৰে।

(৯) **পৰিবেশ সম্বন্ধে আচৰণবাদ** (Behaviourism on environment) : আচৰণবাদীসকলক মনোবিজ্ঞানত পৰিবেশ নির্দ্ধাৰণকাৰী (environmental determinist) স্বৰূপেও জনা যায়। বংশগতি আৰু পৰিবেশ এই দুই শক্তিৰ ভিতৰত তেওঁলোকে পৰিবেশক সর্বাধিক গুৰুত্ব আৰোপ কৰে আৰু বংশগতিৰ প্রভাব সমূলি অস্বীকাৰ কৰে। তেওঁলোকৰ মতে এজন লোকৰ ব্যক্তিত্ব গঢ় দি তোলাত পৰিবেশেই একমাত্র নির্দ্ধাৰণকাৰী শক্তি স্বৰূপে কাম কৰে। ব্যক্তিয়ে জন্মগত ভাবে লাভ কৰা মানসিক বৈশিষ্ট্য, ক্ষমতা, যোগ্যতা আদি আচৰণবাদীসকলৰ বিচাৰ্য্য বিষয় নহয়। শিশুৰ জন্মগত

গুণ বা সংলক্ষণ থিয়েই নাথাকক কিয়, পৰিবেশৰ প্ৰভাবেইহে তাক এজন ডাক্তৰ, উকীল, শিল্পী, ব্যৱসায়ী, ভিক্ষাৰী, চোৰ আদি কৰি গঢ় দি তুলিব পাৰে। শিশুৰ পৰিবেশ নিয়ন্ত্ৰণ কৰি তাক এক নিৰ্দিষ্ট ৰূপত ইচ্ছাকৃতভাবে গঢ দি তোলাৰ 'গেৰাণ্টি' আচৰণবাদীসকলে আমাক দিয়ে। এই ক্ষেত্ৰত অত্যুৎসাহী হৈ ৱাট্‌চনে বংশগতিৰ 'ভূত' আমাৰ মনৰ পৰা চিৰদিনৰ বাবে গুচাবলৈও নিৰ্দেশ দিয়ে।

আচৰণবাদৰ সমালোচনা (Criticism of Behaviourism) :

মনোবিজ্ঞানৰ এক সমসাময়িক নতুন চিন্তাধাৰা স্বৰূপে আচৰণবাদ সমালোচনাৰ পৰা মুক্ত নহয়। পুৰণি সচেতনতা মনোবিজ্ঞান চিন্তাধাৰাৰ বিপৰীতে আচৰণবাদ নিশ্চিত ভাবে হৈছে এক বিদ্ৰোহাত্মক চিন্তাধাৰা। সেইবাবে ই এচাম মনোবিজ্ঞানীক উত্তেজিত কৰি তোলাটো স্বাভাৱিক। ইয়াৰ বক্তব্য আৰু দৃষ্টিভংগীসমূহ সেযেহে সাৱধানতাৰে বিচাৰ কৰি চোৱাটো প্ৰয়োজন।

আচৰণবাদৰ চিন্তাধাৰাক গেষ্টাল্ট মনোবিজ্ঞানীসকলে প্ৰত্যক্ষ ভাবে আক্ৰমণ আৰু সমালোচনা কৰিছে। তেওঁলোকৰ মতে এই চিন্তাধাৰাই মানৱ আচৰণৰ মনোবিজ্ঞানক অধিক সংকীৰ্ণতালৈ লৈ গৈছে। মনোবিজ্ঞানত উদ্দীপক, প্ৰতিক্ৰিয়া, অনুবন্ধন আদি যান্ত্ৰিক শব্দবোৰৰ ধাৰণা প্ৰয়োগ কৰি মনোবিজ্ঞান বিষয়ক পৰিমাণমূলক পৰিমাপনৰ (quantitative measurement) অৱস্থালৈ লৈ গৈছে। ক'হলাৰে মত প্ৰকাশ কৰে যে আচৰণবাদে উদ্দীপক আৰু প্ৰতিক্ৰিয়া এই দুই বিধ প্ৰক্ৰিয়াৰ বাহিৰে আন সকলো কথা বাদ দি মনোবিজ্ঞানত এক অসুস্থ সংকীৰ্ণতা ভাবৰ পৰিচয় দিছে। এই নতুন চিন্তাধাৰাই নিজকে বিদ্ৰোহাত্মক বুলি কবলৈ যাওঁতে প্ৰকৃত পক্ষে এক ৰক্ষণশীল মনহে ইংগিত দিছে। উদ্দীপক প্ৰতিক্ৰিয়াৰ যান্ত্ৰিক সূত্ৰৰে মানৱ আচৰণৰ ব্যাপকতা সামৰি লব পৰা নাযায়।

মনোবিজ্ঞানত অন্তঃপ্ৰেক্ষণ পদ্ধতিৰ বিৰুদ্ধে আচৰণবাদৰ তিক্ত সমালোচনাও নিৰ্বিবাদে গ্ৰহণ কৰিব পৰা নাযায়। মানুহৰ প্ৰতিক্ৰিয়া আৰু আচৰণ দেহ-মন উভয়ৰ দ্বাৰা সাধাৰণ ভাবে প্ৰভাবিত আৰু পৰিচালিত হোৱা ধাৰণা আজিও গ্ৰহণ কৰা হয়। মানৱ আচৰণক কেৱল সংবেদন-সঞ্চালনৰ দৈহিক আৰু যান্ত্ৰিক দৃষ্টিৰে বিবেচনা কৰিব নোৱাৰি। আচৰণৰ অন্তৰালত আবেগ-অনুভূতি, চিন্তা, বুদ্ধি আদি মনৰ পৰিচালিকা শক্তিসমূহ আমি অস্বীকাৰ কৰিব নোৱাৰো। আচৰণৰ স্বৰূপ জানি উঠিবৰ বাবে এজন মনোবিজ্ঞানীৰ প্ৰকৃত অৰ্থত আত্ম-বিশ্লেষণ তথা অন্তঃপ্ৰেক্ষণ ক্ষমতা থাকিব লাগে। এই অন্তঃ-প্ৰেক্ষণ পদ্ধতিৰ যোগে মানুহৰ মন আৰু আচৰণৰ যি তথ্য লাভ কৰা হৈছে সি বৰ্তমানেও সম্পূৰ্ণ ভুল প্ৰমাণিত হোৱা নাই। আনহাতে মানৱ আচৰণক কেৱল দেহৰ উপবিভাগৰ স্নায়বিক আৰু পেশী সম্বন্ধীয় দৈহিক অভিজ্ঞতাৰে বিবেচনা কৰিলে নিশ্চয় ভুল কৰা হব। সেইবাবে অন্তঃপ্ৰেক্ষণৰ প্ৰতি আচৰণবাদৰ চৰম দৃষ্টিভংগী সমৰ্থন-যোগ্য নহয়।

আচৰণবাদে মানুহৰ মনৰ চিন্তন প্ৰক্ৰিয়াক দৈহিক দৃষ্টিভংগীৰে ব্যাখ্যাৰ চেষ্টা কৰিছে যদিও সি আমাক প্ৰত্যয় নিযাব পৰা বিধৰ হৈ উঠা নাই। মনৰ চিন্তা কৰা কাৰ্য্যক এবিধ কথন ব্যৱস্থা বুলি কব নোৱাৰি। চিন্তন আৰু কথন সমপৰ্য্যায়ৰ ক্ৰিয়া নহয়, বৰং চিন্তনৰ বাবে কথন এক উপাদান স্বৰূপহে মাথোন। এই কথনৰ উপৰিও অন্যান্য মানসিক উপাদান আমাৰ চিন্তাৰ বাবে প্ৰয়োজন হয়।

শিক্ষণৰ সম্বন্ধে আচৰণবাদৰ দৃষ্টিভংগীৰ প্ৰসংগতো কব পাৰি যে ইয়াক এবিধ দৈহিক আৰু যান্ত্ৰিক প্ৰক্ৰিয়া স্বৰূপে বৰ্ণনা কৰিবলৈ যাওঁতে ব্যক্তি মনত ইয়াৰ বাবে প্ৰয়োজন হোৱা প্ৰৱণতা, আগ্ৰহ-অভিৰুচি আৰু অভিবোচন বা প্ৰণোদন কাৰ্য্যৰ প্ৰভাৱ অস্বীকাৰ কৰা হৈছে। শিক্ষণৰ বাবে কেৱল দৈহিক প্ৰচেষ্টা আৰু তাৰ পুনৰাবৃত্তিয়েই মাথোন নহয়, ব্যক্তি মনৰ অন্তৰ্দৰ্শন আৰু অনুকৰণ

প্ৰৱণতাৰো প্ৰয়োজন হয়। প্ৰকৃত শিক্ষা যন্ত্ৰচালিত ভাবে নহয়, সমস্যাৰ উপযুক্ত পৰ্য্যবেক্ষণ আৰু নিৰীক্ষণৰ ওপৰতহে নিৰ্ভৰ কৰে।

পৰিবেশৰ প্ৰতি আচৰণবাদৰ একপক্ষীয় সমৰ্থনো অসুস্থ আৰু আক্ৰোশমূলক বুলিব পাৰি। বংশগত প্ৰভাৱক সম্পূৰ্ণ অস্বীকাৰ কৰি পৰিবেশক সৰ্বশক্তিমান স্বৰূপে প্ৰতিপন্ন কৰিবলৈ বিচৰা প্ৰচেষ্টা কেৱল একপক্ষীয়েই নহয়, ই বৰ্তমান সময়ত অবৈজ্ঞানিক বুলিও মত প্ৰকাশ কৰিব পাৰি। জীৱ-বিজ্ঞান আৰু উদ্ভিদ-বিজ্ঞানৰ বৰ্তমান অগ্ৰগতিয়ে বংশ গতিৰ অস্তিত্ব আৰু প্ৰভাৱ বিজ্ঞানভিত্তিক ভাবে প্ৰতিপন্ন কৰি তুলিছে। আধুনিক মনোবিজ্ঞান আৰু শিক্ষা মনোবিজ্ঞানে শিশুৰ ব্যক্তি পাৰ্থক্যৰ প্ৰশ্ন গভীৰ ভাবে বিবেচনা কৰে আৰু এই দিশত বিস্তৃত অধ্যযন আৰু গবেষণাকাৰ্য্য সম্পাদন কৰে। বংশগতিক সম্পূৰ্ণ ৰূপে অস্বীকাৰ কৰা দৃষ্টিভংগী সেযেহে আমাৰ বাবে ক্ষতিকাৰক হৈ উঠিব পাৰে।

মনোবিজ্ঞানত আচৰণবাদে চিন্তাৰ বিভিন্ন দিশত চৰম দৃষ্টিভংগী গ্ৰহণ কৰিছে যদিও ইযাৰ অৱদান কম গুৰুত্বপূৰ্ণ নহয। এই চিন্তাধাৰাই মানৱ আচৰণৰ অধ্যযনৰ দিশত এক বাস্তৱ আৰু প্ৰকৃতিবাদী দৃষ্টিভংগী (naturalistic outlook) দান কৰিছে। ইয়াৰ ফলত মনোবিজ্ঞান প্ৰকৃত অৰ্থত বিজ্ঞানৰ পৰ্য্যাযভুক্ত হবলৈ সমৰ্থ হৈছে। অন্তঃপ্ৰেক্ষণৰ মনোজগতৰ পৰা মনোবিজ্ঞান বিষযক বৰ্তমান পৰীক্ষাগাৰৰ টেবুলত প্ৰত্যক্ষ আৰু বস্তুনিষ্ঠ ভাবে অধ্যযন কৰিবলৈ আনিব পৰাটো আচৰণবাদৰ প্ৰধান সফলতা বুলিব পাৰি। ইযাৰ অনুপ্ৰেৰণাৰে বৰ্তমান এচাম উৎসাহী আৰু উদীয়মান মনোবিজ্ঞানী গঢ়ি উঠিছে যি মানৱ আচৰণক প্ৰত্যক্ষ ৰূপত অধ্যয়ন আৰু বস্তুনিষ্ঠ ভাবে বিশ্লেষণৰ চেষ্টা কৰিছে। মানুহৰ দেহ-মানসিক শক্তি ক্ষমতাসমূহৰ সঠিক ভাবে চিনাক্তকৰণ আৰু তাৰ পূৰ্ণ উপযোগকৰণত বৰ্তমান আমেৰিকা যুক্তৰাষ্ট্ৰই যি সফলতা লাভ কৰিছে তাৰ মূলতেই হৈছে আচৰণবাদৰ অৱদান। সেয়েহে বৰ্তমান বহুতো যুৱক-

যুৱতীৰ বাবেই আচৰণবাদৰ এই সাহসিক দৃষ্টিভংগী আশা আৰু প্ৰেৰণাৰ প্ৰতীক স্বৰূপ হৈ উঠিছে।

আধুনিক শিক্ষা ক্ষেত্ৰলৈ ইয়াৰ অৱদান (Its contribution to modern education) :

আচৰণবাদৰ নতুন চিন্তাধাৰাই মনোবিজ্ঞানৰ চিন্তাজগতত যিদৰে এক নতুন আলোড়নৰ সৃষ্টি কৰিছে, সেইদৰে শিক্ষা জগতৰ নীতি আৰু পদ্ধতিতো ই এক নিশ্চিত প্ৰভাৱ পেলাইছে। আধুনিক শিক্ষাৰ প্ৰতিটো চিন্তা আৰু ক্ৰিয়া মনোবিজ্ঞানৰ নব নব চিন্তাধাৰাৰ দ্বাৰা অনুপ্ৰাণিত আৰু প্ৰভাবিত হৈ উঠা হেতুকে আচৰণবাদৰ শৈক্ষিক প্ৰভাব অত্যন্ত স্বাভাৱিক। এনে প্ৰভাৱৰ সম্বন্ধে অধ্যয়ন আৰু বিশ্লেষণ কৰি চোৱাটো আমাৰ প্ৰয়োজন। তলত ইয়াৰ কেইটামান দিশৰ বৰ্ণনা কৰা হৈছে।

(১) **শিশু-শিক্ষণ প্ৰক্ৰিয়াৰ দিশত** (On mechanism of child learning) : আচৰণবাদে শিক্ষাৰ বিভিন্ন দিশক বাস্তৱ আৰু বিজ্ঞানভিত্তিকভাবে কঁহিয়াই চাবলৈ প্ৰেৰণা যোগায়। ইয়াৰ ফলত মনোবিজ্ঞানত মানুহৰ শিক্ষণ প্ৰক্ৰিয়া অধ্যয়ন কৰাত এক বাস্তৱ আৰু ব্যৱহাৰিক দৃষ্টিভংগীৰ প্ৰভাৱ পৰিছে। আচৰণ-বাদে শিক্ষণৰ পৰা পুৰণি শক্তি তত্ত্ববাদী মনোবিদসকলৰ (Faculty Psychologists) মননাত্মক বিশ্লেষণৰ প্ৰভাৱ গুচাই ইয়াক দৈহিক আৰু স্নায়বিক দৃষ্টিকোণৰ পৰা বাস্তৱ ৰূপত চাবলৈ প্ৰেৰণা যোগাইছে। এনে দৃষ্টিভংগীয়ে আমাৰ শিক্ষণ প্ৰক্ৰিয়া এক সুপৰিকল্পিত, সুসংবদ্ধ আৰু সুনিৰ্দিষ্ট বিধৰ কৰি তুলিছে। শিক্ষণ ইয়াৰ ব্যৱহাৰিক ৰূপত হৈছে ক্ৰিয়াৰ অনুশীলন, অনুবন্ধন আৰু অভ্যাস গঠন—এনে এক সুস্পষ্ট ধাৰণা শিক্ষক আৰু শিক্ষাবিদসকলক দিবলৈ ই সমৰ্থ হৈছে। বিশেষকৈ শিশু-শিক্ষাৰ প্ৰসংগত এই দৃষ্টি-কোণৰ পৰা কব পাৰি যে শিক্ষণ কাৰ্য্য গ্ৰহণযোগ্য ক্ৰিয়া আচৰণৰ অনুশীলন আৰু অনুবন্ধনৰ বাহিৰে আন একো নহয়।

(২) **শিক্ষা পৰিবেশৰ দিশত** (On educational environment) শিক্ষাৰ পৰিবেশ সম্বন্ধীয় দৃষ্টিকোণৰ পৰা আচৰণবাদৰ দৃষ্টিভংগী শিক্ষক আৰু শিক্ষাবিদসকলৰ বাবে বিশেষ উৎসাহজনক বুলিব পাৰি। পৰিবেশক ছাত্ৰৰ ব্যক্তিত্ব নিৰ্ধাৰণকাৰী এক শক্তি স্বৰূপে বৰ্ণনা কৰা হৈছে। শিশু ভৱিষ্যতে কেনে ব্যক্তিত্বত গঢ় লৈ উঠিব সি তাৰ পৰিবেশৰ ওপৰতেই একান্ত নিৰ্ভৰ কৰা কথাই শিক্ষাত এক নতুন আশা-উদ্দীপনাৰ সঞ্চাৰ কৰে। শিশুৰ শিক্ষা-পৰিবেশ শিক্ষকৰ সম্পূৰ্ণৰূপে নিয়ন্ত্ৰণাধীন। তেওঁ প্ৰয়োজন অনুসৰি এই পৰিবেশ সজাই পৰাই লব পাৰে আৰু অনাৱশ্যকীয় অসুস্থ প্ৰভাৱ তাৰ পৰা আঁতৰ কৰিব পাৰে। কোনো শিশুৱেই জন্মতে স্বয়ংসম্পূৰ্ণ হৈ নাহে। শিক্ষা-পৰিবেশৰ ভিন্নতাইহে তাক ভিন্ন ৰূপত গঢ় দি তোলে। এই কথাৰ শৈক্ষিক মূল্য শিক্ষকৰ বাবে বিশেষ তাৎপৰ্য্যপূৰ্ণ। তেওঁ শিক্ষা দানৰ বাবে প্ৰয়োজন হোৱা উন্নত বৈষয়িক পৰিবেশৰ প্ৰতি অধিক সচেতনতা আৰু তৎপৰতা অনুভৱ কৰি উঠিব পাৰে। শিক্ষকে এনে দৃষ্টিভংগীক তেওঁৰ কৰ্তব্য পালনৰ ক্ষেত্ৰত এক নতুন প্ৰত্যাহ্বান স্বৰূপে গ্ৰহণ কৰিব পাৰে।

(৩) **শিশুৰ চিন্তন প্ৰক্ৰিয়াৰ দিশত** (On children's thinking) : শিশুৰ চিন্তন কাৰ্য্য সম্বন্ধে আচৰণবাদে এক নতুন দৃষ্টি প্ৰদান কৰাটো মন কৰিবলগীয়া। চিন্তা কৰা কাৰ্য্যক দৈহিক প্ৰক্ৰিয়া স্বৰূপে বৰ্ণনা কৰি ইয়াৰ বাবে মৌখিক শব্দ উচ্চাৰণত গুৰুত্ব দিয়া হৈছে। উল্লেখযোগ্য যে শিশুৰ চিন্তন ক্ৰিয়াৰ বাবে তাৰ প্ৰাৰম্ভিক পৰ্য্যায়ত মৌখিক ভাষাৰ শুদ্ধ উচ্চাৰণ কৰাটো আৰু তাৰ অনুশীলন কৰাটো প্ৰয়োজন। শৈশৱ কালত শুদ্ধভাবে শব্দ উচ্চাৰণৰ যোগে ভাষাজ্ঞান মৌখিকভাবে লাভ কৰি উঠিব পাৰিলেহে পৰৱৰ্তী কালত তাৰ চিন্তন কাৰ্য্যত সহায়ক হৈ উঠিব পাৰে। শিশুৰ জ্ঞান-ধাৰণা আৰু চিন্তাৰ উপযুক্ত বিকাশ তাৰ

শৈশৱৰ মৌখিক ভাষা বিকাশৰ ওপৰত নির্ভৰশীল হোৱা কথা অস্বীকাৰ কৰিব নোৱাৰি। সেইবাবে চিন্তা যে তাৰ প্রাথমিক পর্য্যায়ত মূলতে শাব্দিক আৰু মৌখিক শব্দ উচ্চাৰণ ক্রিয়াৰ বাহিৰে আন একো নহয় এই কথা ইযাৰ যোগেদি সহজে প্রত্যয় নিয়াব পাৰি।

(৪) **শিশুৰ আবেগ অনুভূতিৰ দিশত** (On children's feeling and emotion) : আচৰণবাদে শিশুৰ আবেগ অনুভূতিৰ দিশতো আমাক নতুন দৃষ্টিভংগী দান কৰিছে। শিশুৰ ক্রোধ, ভয় আৰু মৰম মৌলিক আবেগ স্বৰূপে বর্ণনা কৰা হৈছে। এই মৌলিক আবেগসমূহ সৃষ্টি হব পৰা শিশুৰ দৈহিক পৰিস্থিতিৰ প্ৰতি শিক্ষক-অভিভাৱকসকল বিশেষ সাৱধান হোৱাটো প্রযোজন। শিশুৰ ভয় কিদৰে অনুবন্ধিত বা শিক্ষালব্ধ কৰিব পাৰি তাক পৰীক্ষণ কার্য্যৰ যোগেদি ৱাট্‌চনে বিশ্লেষণ কৰি দেখুৱাইছে। শিশুৰ ভয়কে আদি কৰি আন আন আবেগ অনুভূতিবোৰৰ গঠন আৰু শিক্ষণ প্রক্রিয়া সম্বন্ধে আচৰণবাদৰ দৃষ্টিভংগী শিক্ষা-মনোবিজ্ঞানৰ বাবে তাৎপর্য্যপূর্ণ।

(৫) **আচৰণৰ প্রত্যক্ষ নিৰীক্ষণৰ দিশত** (On objective observation of behaviour) : শিক্ষা-মনোবিজ্ঞানৰ প্রতি আচৰণবাদৰ এটা গুৰুত্বপূর্ণ অৱদান হৈছে আচৰণৰ প্রত্যক্ষ নিৰীক্ষণ আৰু পৰীক্ষণৰ পদ্ধতি জনপ্রিয় কৰি তোলাটো। পূৰণি অন্তঃ প্রেক্ষণৰ যোগেদি আমি মানুহৰ মনৰ বিষয়ে অনুমান কৰিব পাৰিলেও ই বিজ্ঞানভিত্তিক পদ্ধতি হব নোৱাৰে। বিশেষকৈ কম বয়সীয়া ছাত্র-ছাত্রী আৰু শিশুৰ মনৰ অভিজ্ঞতা প্রাপ্তবয়স্ক শিক্ষক এজনে সঠিকভাৱে অনুভৱ কৰিব নোৱাৰে। ইযাৰ পৰিবর্তে সেয়েহে বর্তমান শিশু আৰু ছাত্র-ছাত্রীয়ে বিভিন্ন পৰিস্থিতিত প্রদর্শন কৰা দৈহিক আচৰণৰ প্রত্যক্ষ নিৰীক্ষণ কৰা হয়। তেওঁলোকৰ মনৰ অনুভূতি দৈহিক আচৰণৰ যোগে তাৰ স্বাভাৱিক প্রকাশ

হৈ উঠাৰ আশা কৰা হয়। বৰ্তমান সেয়েহে শিক্ষকসকল প্ৰকৃত অৰ্থত ছাত্ৰ-ছাত্ৰীসকলৰ আচৰণৰ এজন অভিজ্ঞ নিৰীক্ষক (observer) হোৱাটো আশা কৰা হয়। মনোবিজ্ঞান তথা শিক্ষা-মনোবিজ্ঞানত আচৰণৰ এই প্ৰত্যক্ষ নিৰীক্ষণৰ প্ৰেৰণাই সেয়েহে বিজ্ঞানৰ এক নিৰ্ভৰযোগ্য আৰু শক্তিশালী ভিত্তি ৰচনা কৰি তুলিব পাৰিছে।

অনুশীলন

(১) আচৰণবাদ বুলিলে কি বুজা? ইয়াৰ মৌলিক চিন্তাধাৰাৰ এটি চমু আভাস দিয়া।

(২) আচৰণবাদ কাক বোলে বুজাই লিখা। ইযাক মনোবিজ্ঞানত কিয় এবিধ বৈপ্লৱিক চিন্তাধাৰা বোলা হয়?

(৩) আচৰণবাদ কি? মনোবিজ্ঞানৰ এই চিন্তাগোষ্ঠীৰ বিভিন্ন দৃষ্টিকোণ-সমূহৰ এটি চমু বৰ্ণনা দিয়া।

(৪) আচৰণবাদৰ মূল নীতিসমূহ কি কি? অন্তঃপ্ৰেক্ষণ পদ্ধতিৰ ইয়াত কিয় বিৰোধিতা কৰা হয়?

(৫) "আচৰণবাদে দৰ্শনীয়, স্পৰ্শনীয় আৰু শ্ৰৱণীয় বিষয়ৰ বাহিৰে আন কোনো কথাই মনোবিজ্ঞানত বিবেচনা নকৰে।" উক্তিটো সাৱধানে বিচাৰ কৰা।

(৬) মনোবিজ্ঞানত আচৰণবাদৰ মূল বক্তব্য কি? ইয়াৰ বিভিন্ন দৃষ্টিভংগী-সমূহ কি পৰিমাণে গ্ৰহণযোগ্য?

(৭) আচৰণবাদ মনোবিজ্ঞান কাক বোলে? শিক্ষণ সম্বন্ধে ই কেনে দৃষ্টিভংগী-গ্ৰহণ কৰিছে আৰু সি কি পৰিমাণে গ্ৰহণযোগ্য বুলি ভাবা?

(৮) মনোবিজ্ঞানৰ এক বৈপ্লৱিক চিন্তাধাৰা স্বৰূপে আচৰণবাদ মনোবিজ্ঞানৰ বিভিন্ন দৃষ্টিকোণৰ এটি সমালোচনা আগবঢ়োৱা।

(৯) আধুনিক শিক্ষাত আচৰণবাদ মনোবিজ্ঞানৰ প্ৰভাব সম্বন্ধে বহলাই আলোচনা কৰা।

(১০) আচৰণবাদৰ ধাৰণা ব্যাখ্যা কৰা। এই চিন্তাধাৰাই বৰ্তমান শিক্ষাৰ নীতি আৰু পদ্ধতিসমূহ কি দৰে প্ৰভাবিত কৰি তুলিছে বুজাই লিখা।

প্রসংগ গ্রন্থসমূহ

1 R S Woodworth Contemporary Schools of Psychology. Chapter 5, 6, 7. Methuen & Co Ltd. London EC 4. Eighth Edition, 1951

2 S P Chaube Some Foundations and Guidelines of Modern Education. Ch. 2. Ram Prasad and Sons, Agra 3 Second Revised and Enlarged Edition, 1945

3 S S Chauhan Advanced Educational Psychology, Ch 2 Vikas Publishing House Pvt Ltd New Delhi 110002. First Edition Reprint 1979

4 Robert Thomson The Pelican History of Psychology Ch 12 Penguin Books Ltd. England First Edition 1968

দ্বাদশ অধ্যায়

সামগ্রিকতাবাদ

(Gestaltism)

ইয়াৰ উৎপত্তি (Its origin) **ঃ**

সমসাময়িক মনোবিজ্ঞানৰ চিন্তাধাৰাৰ বুৰঞ্জীত ১৯১২ চনটোক বিশেষ তাৎপৰ্য্যপূৰ্ণ বুলিব পাৰি। কাৰণ এই একে সময়তেই আমেৰিকা যুক্তৰাষ্ট্ৰত আচৰণবাদ আৰু জাৰ্মেনীত গেষ্টাল্ট বা সামগ্রিকতাবাদ দুটা ভিন্নমুখী আৰু পৰস্পৰ বিৰোধী চিন্তাধাৰাৰ জন্ম হয়। উল্লেখযোগ্য যে এই দুযোটা চিন্তাধাৰাই প্ৰথম অৱস্থাত স্বতন্ত্ৰভাবে আৰু এটা আনটোৰ লগত সম্বন্ধ নথকাকৈ নিজ নিজ চিন্তাৰ তাত্বিক বিশ্লেষণ দাঙি ধৰে। পৰৱৰ্তী কালতহে এটা আনটোৰ লগত পৰিচিত হৈ উঠে আৰু পৰস্পৰ মতবিৰোধ অধিক শক্তিশালী হৈ উঠে।

গেষ্টাল্ট্ মতবাদৰ সৃষ্টিকৰ্তা হৈছে তিনিজন বিশিষ্ট জাৰ্মান মনোবিজ্ঞানী, যেনে— মেক্স-ৱাৰ্থিমাৰ (১৮৮০-১৯৪৩), উলফ্‌গেং ক'হলাৰ (১৮৮৬) আৰু কুৰ্ট কফ্‌কা (১৭৮৬-১৯৪১)। তেওঁলোকে সেই সময়ৰ য়ুণ্টৰ (Wundt) বিশ্লেষণাত্মক মনোবিজ্ঞানৰ (Analytical Psychology) বিৰোধিতা কৰিছিল। কাৰণ এই চিন্তাধাৰাই জ্ঞান-অভিজ্ঞতাৰ সূক্ষ্মতম দিশত বিশ্লেষণ বা সামান্যিকৰণৰ (generalisation) দিশত অৱহেলা কৰিছিল। সেইবাবে এই তিনিজন গেষ্টাল্ট্ মনোবিজ্ঞানীয়ে মানুহৰ জ্ঞান-বিকাশৰ এনে গতিধাৰাৰ বিৰোধিতা কৰি উঠিছিল আৰু ইয়াক 'ইটা আৰু পাথৰৰ মনোবিজ্ঞান' ('brick and morter psychology) স্বৰূপে তেওঁলোকে গণ্য কৰিছিল আৰু ইয়াৰ বিপৰীতে সামগ্রিকতাবাদৰ এক দৃষ্টিভংগী গঢ়

দি তুলিছিল। তেওঁলোকে অনুভৱ কৰি উঠিছিল যে জ্ঞানৰ গতিধাৰা তলৰ পৰা ওপৰলৈ, অৰ্থাৎ বিশেষিকৰণৰ পৰা সামান্যিকৰণলৈহে (from above downwards rather than from below upwards) গতি কৰিব লাগে।

জ্ঞানৰ সম্বন্ধে এই দৃষ্টিভংগী ফ্ৰেংবৃফোৰ্ট বিশ্ববিদ্যালয়ৰ পৰীক্ষাগাৰত কৰা তেওঁলোকৰ এক পৰীক্ষণ কাৰ্য্যৰ যোগেদিও প্ৰমাণিত হৈ উঠে। ইয়াত ৱাৰ্থিমাৰে পৰীক্ষক আৰু কোহ্‌লাৰ আৰু কোফ্‌কাই পৰীক্ষণীয় ব্যক্তি স্বৰূপে ভূমিকা গ্ৰহণ কৰে। তেওঁলোকে চিনেমা প্ৰজেক্‌টৰত ফিল্মৰ গতি নিৰীক্ষণ কৰি আৰু তাৰ পৰা সামগ্ৰিক ভাবে ছবিৰ অৰ্থ প্ৰদান কৰা অভিজ্ঞতাৰে মানুহৰ মনৰ সংবোধন অভিজ্ঞতাৰ (perceptual experience) স্বৰূপ অনুভৱ কৰি উঠে। তেওঁলোকে লক্ষ্য কৰে যে প্ৰজেক্‌টৰত প্ৰদান কৰা চেলুলইড্‌ ফিল্মৰ চিত্ৰ, এই চিত্ৰবোৰৰ মাজত থকা স্থানৰ ব্যৱধান আৰু এইসমূহক এক নিৰ্দিষ্ট গতিত কৰা সঞ্চালন আৰু পোহৰ সঞ্চালন কাৰ্য্যই এক সামগ্ৰিক ৰূপত আমাৰ মনত বিষয়বস্তুৰ জ্ঞান বা সংবোধন প্ৰদান কৰে।

এই বাস্তৱ অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি তেওঁলোকে সমসাময়িক মনোবিজ্ঞানৰ চিন্তাধাৰাৰ প্ৰকৃত দুৰ্বলতা বুজি উঠিব পাৰে আৰু ইয়াৰ বিৰুদ্ধে সামগ্ৰিকতাবাদৰ দৃষ্টিভংগী দৃঢ়তাৰে প্ৰতিপন্ন কৰে। তেওঁলোকে মত প্ৰকাশ কৰে যে বিষয়বস্তুৰ অংশসমূহত পৃথক পৃথক ভাবে আৰু বিশেষিকৰণৰ দৃষ্টিৰে গুৰুত্ব আৰোপ কৰিব লাগে। অংশসমূহৰ প্ৰতি কৰা দৃষ্টি নিক্ষেপকৰণে তাৰ সমগ্ৰতাৰ দৃষ্টি গুৰুত্বহীন কৰি তুলিব নালাগে। অন্তঃপ্ৰেক্ষণ পদ্ধতিৰ বিৰুদ্ধে আচৰণবাদে যি মনোভাব প্ৰকাশ কৰে তাৰো এওঁলোকে সমালোচনা কৰে।

সামগ্ৰিকতাবাদৰ অৰ্থ (Meaning of Gestalt) :

'গেষ্টাল্ট' হৈছে এক জাৰ্মান ভাষাৰ শব্দ যাৰ অৰ্থ হৈছে 'গঠন'

'আকাৰ' বা 'বহিৰাকৃতি' (structure, form or configuration)। ইয়াৰ শাব্দিক ভাবে পোৱা অৰ্থ হৈছে বিষয়বস্তুক সমগ্ৰভাবে চোৱা। আমাৰ প্ৰতিটো বিষয় কেতবোৰ অংশৰ দ্বাৰা গঠিত। এই অংশসমূহ স্বাভাৱিকতেই পৰস্পৰ সম্বন্ধযুক্ত হৈ থাকে। সেইবাবে বিষযবস্তুক আমি পৰ্য্যবেক্ষণ, নিৰীক্ষণ বা অধ্যযন কৰিবলৈ যাওঁতে অংশসমূহৰ অন্তৰ্নিহিত সম্বন্ধ স্থাপন কৰি তাৰ সমগ্ৰ ৰূপত বিবেচনা কৰিব লাগে। অংশসমূহৰ পৃথক পৃথক বিবেচনাই বিষযবস্তুৰ সমগ্ৰতাৰ দৃষ্টি আৰু অনুভৱ ক্ষতিগ্ৰস্থ কৰি তুলিব নালাগে। কাৰণ বিষযবস্তুৰ সমগ্ৰতাইহে তাৰ অংশসমূহৰ বৈশিষ্ট্য আৰু আচৰণ নিৰ্ধাৰণ কৰিব পাৰে। এই কথা কেৱল বৌদ্ধিক চিন্তা আৰু অনুমানৰ যোগে পোৱা মনৰ এক নতুন উদ্ভাৱন কাৰ্য্য মাথোন নহয়, ই বাস্তৱ পৰীক্ষণ কাৰ্য্যৰ দ্বাৰাও সমৰ্থিত।

গেষ্টাল্টবাদী সকলে সমগ্ৰতাৰ এনে দৃষ্টি আৰু দৰ্শনক পাৰমাণবিক (atomistic) আৰু উপাদান ভিত্তিক (elementalistic) চিন্তাধাৰাৰ বিপৰীতে এক বৈপ্লবিক আন্দোলন স্বৰূপে উপস্থাপন কৰিছে। তেওঁলোকে মনোবিজ্ঞানত মানুহৰ আচৰণক যান্ত্ৰিক ভাবে S—R সূত্ৰত আবদ্ধ কৰা আৰু পৰিমাণিকৰণ (quantification) কৰি বিশ্লেষণ কৰা কাৰ্য্যৰ বিৰোধিতা কৰে। মানৱ আচৰণক সামগ্ৰিক ৰূপত গুণগত ভাবহে (qualitatively) অধ্যয়ন আৰু বিশ্লেষণ কৰিব পাৰি। বিষযবস্তুৰ এনে সামগ্ৰিক অধ্যযন আৰু পৰ্য্যবেক্ষণত স্বাভাৱিকতেই 'মন' বা 'মস্তিষ্কৰ' প্ৰভাব স্পষ্ট। মানৱ মস্তিষ্কক কেৱল সংবেদন আৰু সঞ্চালন স্নায়ুৰ যান্ত্ৰিক ৰূপত সংযোগকাৰী যন্ত্ৰ স্বৰূপে বৰ্ণনা কৰিব নোৱাৰি। বিভিন্ন ইন্দ্ৰিয় যোগে সংবেদন অনুভূতি মানৱ মস্তিষ্কই গতিশীল ভাবে সুসংগঠন কৰি (dynamic organisation) তাৰ সমগ্ৰ ৰূপতহে অৰ্থ প্ৰদান কৰে। সেইবাবে গেষ্টাল্ট হৈছে বৰ্তমানৰ যান্ত্ৰিকতা আৰু বিজ্ঞানৰ পাৰমানবিকতা দৃষ্টিভংগীৰ বিপৰীতে এক সাৱধানবাণী আৰু প্ৰত্যাহ্বান স্বৰূপ।

সামগ্ৰিকতাবাদৰ মূল দৃষ্টিকোণসমূহ (Major viewpoints of Gestalt) :

সামগ্ৰিকতাবাদ বৰ্তমান সময়ৰ চিন্তাবিদ আৰু বুদ্ধিজীৱীসকলৰ বাবে এক বিশেষ বিবেচ্য বিষয়। আধুনিক শিক্ষাৰ তাত্বিক আৰু প্ৰায়োগিক দিশটো এই চিন্তাধাৰাই বিশিষ্ট প্ৰভাৱ পেলাইছে। ইয়াৰ বিভিন্ন দৃষ্টিকোণসমূহৰ লগত আমাৰ পৰিচয় থকাটো সেয়েহে অতি প্ৰয়োজন। এই প্ৰসংগত ইয়াৰ তাত্বিক বিশ্লেষণ কৰিবৰ বাবে নিম্নলিখিত দিশসমূহ আমাৰ বিবেচনাযোগ্য।

(১) **মানসিক ক্ৰিয়াৰ গতিশীল সংগঠন** (Dynamic organisation of mental function) ঃ গেষ্টাল্ট মনোবিজ্ঞানীসকলে বিশ্বাস কৰে যে আমাৰ মানসিক ক্ৰিয়া সামগ্ৰিক ৰূপত একক ক্ৰিয়া স্বৰূপেহে সংঘটিত হয়। ভিন ভিন ইন্দ্ৰিয়যোগে পোৱা দৃষ্টি, শব্দ, স্পৰ্শ আদি সংবেদন অনুভূতি মস্তিষ্কত পৃথক পৃথক হৈ নাথাকে। এইসমূহ ইন্দ্ৰিয় অনুভূতি মস্তিষ্কত সুসংগঠিত হৈ উঠি ব্যক্তিৰ ক্ৰিয়া আচৰণ নিৰ্ধাৰণ আৰু পৰিচালনা কৰে। আমাৰ প্ৰমস্তিষ্ক অঞ্চলৰ প্ৰাথমিক ক্ৰিয়াই হৈছে এই ভিন ভিন ইন্দ্ৰিয় অভিজ্ঞতাসমূহক এক গতিশীল ৰূপত সংগঠন আৰু সমন্বয় সাধন কৰি তাৰ এক গ্ৰহণযোগ্য অৰ্থ বা ব্যাখ্যা প্ৰদান কৰা। মস্তিষ্কৰ এই সুসংগঠিত সামগ্ৰিক বিধৰ একক ক্ৰিয়াক টেলিফোনৰ অথবা বিজুলী চাকিৰ চুইচ বোৰ্ডৰ লগত তুলনা কৰিব নোৱাৰি, য'ত প্ৰতিটো লাইনৰ বাবে পৃথক পৃথক ভাবে ক্ৰিয়া নিৰ্দিষ্ট কৰি ৰখা হয়।

মনোবিদ ৱাৰ্থিমাৰে মস্তিষ্কৰ এই সুসংগঠিত বিধৰ সামগ্ৰিক ক্ৰিয়াক সিঁচৰতি কেতবোৰ বিন্দু আৰু ৰেখাৰ (scattered dots and lines) সহায়েৰে প্ৰমাণ কৰি দেখুৱায়। চিত্ৰত দিয়া ৰেখাৰ অৱস্থিতি আৰু তাৰ সান্নিধ্যৰ হেতুকে আমি তাক এটা ভৰাৰ চিত্ৰ বুলি নিৰীক্ষণ আৰু অৰ্থপ্ৰদান কৰো। এনে নিৰীক্ষণত ব্যক্তিয়ে ৰেখাবোৰৰ মাজত থকা যি ব্যৱধান তাক নিজ মনৰ মাজত সংযোগ

কৰি (closing the gap) প্ৰদত্ত বিষয়বস্তুৰ নতুন অৰ্থ প্ৰদান কৰে। এনে নিৰীক্ষণ কাৰ্য্যত ব্যক্তিমনৰ এক গতিশীল সংগঠন কাৰ্য্য স্পষ্ট হৈ উঠে। * এই ক্ষেত্ৰত উল্লেখযোগ্য যে উদ্দীপক স্বৰূপে যি দিয়া হৈছে আৰু ব্যক্তিয়ে তাৰ যি প্ৰত্যক্ষ কৰিছে তাৰ মাজত মনৰ এক



ৰেখাবোৰৰ ব্যৱধান মনৰ মাজত সংযোগ কৰি সামগ্ৰিকভাৱে নিৰীক্ষণ কৰা মানসিক সংগঠন কাৰ্য্যৰ দৃষ্টান্ত

গতিশীল সংগঠন ক্ৰিয়া সংঘটিত হৈছে। আচৰণবাদৰ S—R সূত্ৰই সেয়েহে মানুহৰ আচৰণ বা প্ৰতিক্ৰিয়া যান্ত্ৰিক ৰূপত ব্যাখ্যা কৰিব নোৱাৰে।

(২) প্ৰত্যক্ষমূলক আৰু সঞ্চালনমূলক ক্ৰিয়াৰ ফল স্বৰূপে আচৰণ (Perceptual and motor function as behaviour): গেষ্টাল্ট্‌বাদীসকলৰ মতে মানুহৰ আচৰণ প্ৰতিক্ৰিয়া হৈছে দৈহিক আৰু মানসিক ক্ৰিয়াৰ যুটীয়া প্ৰভাৱৰ ফলস্বৰূপ। ই কেৱল মাথোন দৈহিক যন্ত্ৰচালিত ক্ৰিয়া আৰু তাৰ অনুবন্ধনৰ ফলস্বৰূপ নহয়। ইন্দ্ৰিয় অনুভূতি-সমূহে মস্তিষ্ক ক্ৰিয়াৰ সাংগঠনিক প্ৰভাৱৰ সৃষ্টি কৰে। এনে মানসিক প্ৰভাৱেহে ব্যক্তিৰ সঞ্চালন ক্ৰিয়াৰ দৈহিক আচৰণ গঢ় দি তোলে। গেষ্টাল্ট্‌বাদীসকলে আচৰণৰ দৈহিক সঞ্চালনমূলক দিশ অস্বীকাৰ নকৰে। কিন্তু এনে সঞ্চালন ব্যক্তিমনৰ প্ৰত্যক্ষণ বা সংশোধনমূলক

---

* R. S Woodworth. *Contemporary Schools of Psychology. P. 221. Methuen & Co. Ltd 1956.*

ক্ৰিয়াই (perceptual activity) সৃষ্টি কৰি তোলাৰ ওপৰতহে গুৰুত্ব আৰোপ কৰে। সামগ্ৰিকতাবাদৰ এই দৃষ্টিকোণৰ পৰা সেয়েহে কব পাৰি যে বহি থকা অৱস্থাত এটা মহে গাত পৰি বিন্ধিলে আমি মনত তাৰ উপস্থিতি প্ৰত্যক্ষণ কৰি উঠো। এই মানসিক অভিজ্ঞতাই দেহত সঞ্চালন ক্ৰিয়াৰ সৃষ্টি কৰে আৰু তাৰ ফল স্বৰূপে মহটো পৰা ঠাইত হাতখনৰ সঞ্চালন কৰো। সেযেহে আচৰণক একপক্ষীয় দৈহিক সঞ্চালনমূলক ক্ৰিয়া বুলি কৈ পেলাব নোৱাৰি। মনৰ প্ৰত্যক্ষণ বা সংবোধনমূলক ক্ৰিয়াই দেহৰ সঞ্চালনমূলক ক্ৰিয়াৰ সৃষ্টি কৰে। সেযেহে ব্যক্তিৰ দৈহিক আচৰণৰ উৎস হৈছে মন বা মস্তিষ্ক ক্ৰিয়াৰ প্ৰভাৱ।

(৩) **প্ৰচেষ্টা আৰু ভুল পদ্ধতিৰ বিপৰীতে অন্তৰ্দৰ্শন (Insight as against trial and error method)**: গেষ্টাল্ট্ বাদীসকলে প্ৰচেষ্টা আৰু ভুলৰ যান্ত্ৰিক শিক্ষণ পদ্ধতিৰো বিৰোধিতা কৰে। প্ৰচেষ্টা আৰু ভুল পদ্ধতিত কোৱা হয় যে শিক্ষণ হৈছে অন্ধ আৰু যান্ত্ৰিক ভাবে ক্ৰিয়াৰ অনুশীলনৰ পৰিণতি। ইয়াত সফল প্ৰচেষ্টা গ্ৰহণ আৰু বিফল প্ৰচেষ্টা ত্যাগ কৰা হয়। গেষ্টাল্টবাদীসকলে মানসিক সংগঠন আৰু অন্তৰ্দৰ্শনৰ অবিহনে শিক্ষণ সম্ভৱ হৈ উঠাৰ কথা সম্পূৰ্ণ ৰূপে অস্বীকাৰ কৰে। শিক্ষণৰ দৈহিক যন্ত্ৰচালিত পদ্ধতিৰ বিপৰীতে মনোবিদ ক'হ্লাৰে কুকুৰা, চিম্পাঞ্জী আদিৰ লগত বিস্তৃত ভাবে পৰীক্ষা কাৰ্য্য চলায়। এনে পৰীক্ষণ কাৰ্য্যৰ পৰা তেওঁ এই মতত উপনীত হয় যে আনকি জীৱ-জন্তুবোৰেও অন্ধ আৰু যন্ত্ৰচালিত প্ৰচেষ্টা আৰু ভুল পদ্ধতি নিজ সমস্যা সমাধানৰ বাবে গ্ৰহণ নকৰে। নিজ ক্ৰিয়াৰ পুনৰাবৃত্তি কৰে যদিও এনে পুনৰাবৃত্তিয়ে মানসিক সংগঠন আৰু অন্তৰ্দৰ্শন ক্ষমতাৰ সৃষ্টি কৰে। কো'হ্লাৰে লক্ষ্য কৰে যে ক্ৰিয়াৰ পুনৰাবৃত্তিৰ ফলত জন্তুবিলাকেও পূৰ্বৰ অসহায় আৰু অন্ধ অৱস্থাৰ পৰা আত্মনিৰ্ভৰশীলতাৰ অৱস্থা লাভ কৰে। সিহঁতেও পূৰ্ব অভিজ্ঞতাৰ স্মৃতি প্ৰয়োগ কৰি নতুন পৰিস্থিতিৰ সম্মুখীন হ'বৰ বাবে

অভিজ্ঞতাৰ স্থানান্তৰ (transfer effect of learning) কৰিব পাৰে। ই জীৱ-জন্তুবিলাকৰো মানসিক সংগঠন আৰু অন্তৰ্দৰ্শন ক্ষমতাৰ পৰিচয় দিয়ে। সেইবাবে গেষ্টাল্ট্‌বাদীসকলে প্ৰচেষ্টাৰ যান্ত্ৰিক পদ্ধতিৰ বিপৰীতে শিক্ষণত অন্তৰ্দৰ্শন পদ্ধতিৰ সপক্ষে দৃঢ়তাৰে মত প্ৰকাশ কৰে।

(৪) আচৰণজনিত পৰিবেশৰ ধাৰণা (Concept of behavioural environment) : গেষ্টাল্ট্‌ মনোবিজ্ঞানৰ দৃষ্টিভংগীৰ এক নতুনত্ব হৈছে প্ৰাকৃতিক বা ভৌগোলিক পৰিবেশৰ উপৰিও আচৰণজনিত পৰিবেশৰ ধাৰণা দাঙি ধৰাটো। মনোবিদ ক'ফকাই নিৰ্ভৰযোগ্য ভাবে দেখুৱায় যে ব্যক্তিয়ে পৰিবেশক যিদৰে নিৰীক্ষণ বা প্ৰত্যক্ষণ কৰে প্ৰকৃতপক্ষে ভৌগোলিক বা প্ৰাকৃতিক পৰিবেশ হুবহু তেনে নহবও পাৰে। তেওঁ আঙুলিয়াই দিয়ে যে ব্যক্তিৰ মনত নিজস্ব এক অনুভৱ তথা মানসিক উত্তেজনা থাকে, যাৰ ফলত প্ৰদত্ত পৰিবেশৰ বিষয়বস্তুক এক নতুন দৃষ্টিভংগীৰে প্ৰত্যক্ষ কৰে। এজন মানুহৰ আচৰণ নিৰ্ভৰ কৰে তেওঁ পৰিবেশটো নিজস্বভাবে মানসিক ৰূপৰ সামি প্ৰত্যক্ষ কৰাৰ ওপৰতহে, পৰিবেশত প্ৰকৃততে কি আছে বা কি দিয়া হৈছে তাৰ ওপৰত নহয়। ইয়াৰ পৰা এই কথাও স্পষ্ট হৈ উঠে যে আমাৰ আচৰণ প্ৰদত্ত উদ্দীপকৰ প্ৰত্যক্ষ প্ৰভাৱত নহয়, সেই উদ্দীপকক আমাৰ মনে কেনে ৰূপত গ্ৰহণ কৰিছে তাৰ ওপৰতহে নিৰ্ভৰ কৰে। ইয়াৰ ফলত একেটা পৰিবেশেই বিভিন্নজনৰ মনত বিভিন্ন ৰূপে প্ৰতিক্ৰিয়া তথা প্ৰত্যক্ষণৰ সৃষ্টি কৰিব পাৰে। ব্যক্তি জনৰ অনুভৱ আৰু দৃষ্টিভংগীৰ দ্বাৰা প্ৰভাৱিত হৈ পৰিবেশৰ প্ৰতি কৰা আচৰণক সেয়েহে আচৰণজনিত পৰিবেশ বুলি বৰ্ণনা কৰা হৈছে। এই কথাই আচৰণত যান্ত্ৰিকতাৰ দৃষ্টিভংগী যুক্তিসংগতভাৱে খণ্ডন কৰিব পাৰিছে আৰু মন তথা মস্তিষ্কৰ প্ৰভাৱ দৃঢ়তাৰে প্ৰতিপন্ন কৰি তুলিব পাৰিছে।

(৫) চৰিত্ৰ আৰু ব্যক্তিত্বৰ ধাৰণা (Concept of character and personality) : ব্যক্তিৰ চৰিত্ৰ আৰু ব্যক্তিত্বক এই সামগ্ৰিকতাবাদে এক সমগ্ৰ ৰূপত পৰ্য্যবেক্ষণ কৰে। তেওঁলোকৰ মতে চৰিত্ৰ এজন লোকৰ বিভিন্ন বৈশিষ্ট্য অথবা গুণসমূহৰ যোগফল মাথোন নহয়। সেইদৰে ব্যক্তিত্ব হৈছে এজন লোকৰ বৈশিষ্ট্যসমূহৰ সুসংগঠিত এক সমগ্ৰতা (organised whole)। সেই হেতুকে তেওঁৰ প্ৰদৰ্শিত কোনো দৈহিক প্ৰতিক্ৰিয়াই এই সমগ্ৰতাৰ প্ৰতিফলন কৰিব নোৱাৰে। এজন লোকৰ ব্যক্তিত্বক সেয়েহে তেওঁৰ বিভিন্ন সংলক্ষণসমূহৰ যোগেদি বস্তুনিষ্ঠ ভাবে পৰীক্ষণ বা পৰিমাপন কৰিব নোৱাৰি। সংলক্ষণৰ এক জটিল সামগ্ৰিক ৰূপতহে ব্যক্তিত্বই প্ৰকাশ লাভ কৰে। গেষ্টাল্ট্‌বাদীসকলে আমাৰ আবেগ অনুভূতিৰ ক্ষেত্ৰতো অনুৰূপ দৃষ্টিভংগী গ্ৰহণ কৰে। তেওঁলোকৰ মতে আবেগ হৈছে সমূহ সুখদায়ক আৰু দুখদায়ক অনুভূতিৰ এক জটিল প্ৰকাশ। সেই হেতুকে ইয়াক ব্যক্তিৰ সমগ্ৰ মুখমণ্ডলৰ আবেগিক প্ৰতিফলনৰ বিবেচনাৰেহে গণ্য কৰিব লাগে।

ওপৰত কৰা আলোচনাৰ সাৰাংশ স্বৰূপে কব পাৰি যে গেষ্টাল্ট্‌-বাদীসকলৰ মূল বক্তব্য হৈছে অংশসমূহৰ পৰিবৰ্তে সমগ্ৰতাৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰা, যান্ত্ৰিকতাৰ বিপৰীতে মানসিক সংগঠন ক্ৰিয়াত গুৰুত্ব আৰোপ কৰা আৰু দৈহিক ক্ৰিয়াৰ অন্ধ অনুশীলনৰ বিপৰীতে পৰ্য্যবেক্ষণ, নিৰীক্ষণ আৰু অন্তৰ্দৰ্শন পদ্ধতি গ্ৰহণ কৰা। বৰ্তমানৰ যান্ত্ৰিক আৰু পাৰমাণৱিক চিন্তাধাৰাৰ বিপৰীতে ই এক প্ৰবল প্ৰত্যাহ্বান স্বৰূপ।

সামগ্ৰিকতাবাদৰ এটি সমালোচনা (A criticism of Gestalt psychology) :

গেষ্টাল্ট্‌ মনোবিজ্ঞানে সমসাময়িকভাবে প্ৰচলিত বিশ্লেষণাত্মক মনোবিজ্ঞানৰ প্ৰতিবাদকয়ে ইয়াৰ দৃষ্টিকোণসমূহ আগবঢ়ায়। ই

আচৰণবাদ মনোবিজ্ঞানৰ অত্যধিক যান্ত্রিকতা আৰু দৈহিকতাৰ বিপৰীতেও এক সাৱধানবাণী স্বৰূপে থিয় দিযে। তেওঁলোকৰ সামগ্রিকতাৰ দৃষ্টিভংগী আৰু বক্তব্যসমূহ আচৰণবাদীসকলৰ দৰেই বাস্তৱ পৰীক্ষাভিত্তিক আৰু যুক্তিসংগত ভাবেই উপস্থাপন কৰি মনোবিজ্ঞানৰ চিন্তাবিদসকলৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰিছে। সেই-বাবে মনোবিজ্ঞানৰ মৌলিক চিন্তাধাৰাৰ ইতিহাসত তেওঁলোকে এক বিশিষ্ট স্থান অধিকাৰ কৰি আছে।

গেষ্টাল্ট্‌বাদীসকলৰ বিভিন্ন দৃষ্টিকোণৰ সমৰ্থনত প্ৰথমেই উল্লেখ কৰিব পাৰি যে পুৰণি অন্তঃপ্ৰেক্ষণ পদ্ধতিৰ ভূমিকাৰ প্ৰতি তেওঁ-লোকে উচিত বিবেচনা কৰিব পাৰিছে। আচৰণবাদীসকলে এই পদ্ধতি সম্বন্ধে গ্ৰহণ কৰা একপক্ষীয় চৰম দৃষ্টিভংগীৰ বিপৰীতে মত প্ৰকাশ কৰি মনোবিজ্ঞানত ইয়াৰ প্ৰয়োজনীয়তা পুনৰ প্ৰতিপন্ন কৰি তুলিছে। মনোবিজ্ঞান বিষযত আত্ম-নিৰীক্ষণ, প্ৰত্যক্ষণ আৰু অন্ত-দৰ্শনৰ বাবে অন্তঃপ্ৰেক্ষণ পদ্ধতিৰ এক বিশিষ্ট ভূমিকা আছে।

মানৱ আচৰণৰ প্ৰসংগত আচৰণবাদৰ চৰম যান্ত্রিকতাৰ দৃষ্টিভংগীৰ প্ৰতিবাদ স্বৰূপে মনৰ অস্তিত্ব পুনৰ স্বীকাৰ কৰা আৰু মনৰ প্ৰত্যক্ষণ অথবা সংবোধনাত্মক অভিজ্ঞতাক (perceptual experience) আচৰণৰ ভিত্তি স্বৰূপে বিবেচনা কৰাটো যুক্তিসংগত কথা। মনৰ এই প্ৰত্যক্ষণ ক্ষমতাইহে দৈহিক সঞ্চালন পৰিচালিত কৰে। সেইবাবে মানুহৰ মন অথবা মস্তিষ্ক পৰিচালিত ক্ৰিযাক অস্বীকাৰ কৰি আচৰণৰ স্বৰূপ অধ্যযন কৰিব পৰা নাযায়। মানুহ আৰু জন্তুৰ আচৰণৰ মৌলিক পাৰ্থক্যও এই কথাৰ বিবেচনাৰেই কৰিব পৰা যায়।

গেষ্টাল্ট্‌বাদীসকলে সৰ্বাধিক গুৰুত্ব আৰোপ কৰা দৃষ্টিকোণটো হৈছে আংশিকতাৰ বিপৰীতে সামগ্রিকতাই প্ৰাধান্য লাভ কৰাটো। অংশসমূহৰ বিশ্লেষণাত্মক আৰু পাৰমাণৱিক অধ্যয়ন কৰিবলৈ যাওঁতেও আমি বিষয়বস্তুৰ সামগ্রিকতাৰ প্ৰতি দৃষ্টি ৰাখিব লাগে। আংশিকতাৰ অধ্যযনে সামগ্রিকতা ম্লান আৰু গুৰুত্বহীন কৰি পেলাব

নালাগে,—এই কথাই হৈছে গেষ্টাল্ট্ মনোবিজ্ঞানৰ মূল বক্তব্য। আধুনিক চিন্তাজগতৰ অত্যধিক যান্ত্রিকতা আৰু পাৰমাণবিকতাৰ প্রতি এই সাৱধানবাণী নিঃসন্দেহে অতি তাৎপর্য্যপূর্ণ বুলিব পাৰি।

ওপৰত উল্লেখ কৰা এই চিন্তাধাৰাৰ কেতবোৰ সবল দৃষ্টিকোণ থকা স্বত্তেও বর্তমান ই সমালোচনামুক্ত হৈ উঠিব পৰা নাই। কোৱা হয় যে আচৰণবাদী মনোবিজ্ঞানৰ দৰেই গেষ্টাল্ট্ মনোবিজ্ঞানৰ চিন্তাধাৰাও হৈছে একপক্ষীয় আৰু সেয়ে অনিষ্টকাৰী। জ্ঞানৰ বিশ্লেষণাত্মক আৰু বিশেষিকৰণৰ দিশৰ প্রতি ইয়াৰ আওকণীয়া আৰু গুৰুত্বহীন ভাব মনোভাব আমাৰ বাবে উৎসাহজনক হৈ উঠিব নোৱাৰে। মানুহৰ জ্ঞান-অভিজ্ঞতাৰ সুস্থ বিকাশৰ বাবে বিশ্লেষণ আৰু সংশ্লেষণ এই দুযোটা দিশ'ত সমন্বয় আৰু ভাবসাম্য ৰক্ষা কৰি চলাটো প্রযোজন। ইযাৰ একপক্ষীয় বিকাশ আমাৰ সমর্থনযোগ্য নহয়। মানৱ অধ্যযনকাৰী বিজ্ঞান স্বৰূপে মনোবিজ্ঞানে বিশ্লেষণ আৰু সংশ্লেষণ বিশেষিকৰণ আৰু সামান্যিকৰণ এই দুযোদিশৰ প্রতি সমানে গুৰুত্ব আৰোপ কৰাটো প্রযোজন। সামগ্রিকতাৰ একপক্ষীয় দৃষ্টিভংগীৰে মনোবিজ্ঞানৰ সুদৃঢ ভেটি স্থাপন কৰিব পৰা নাযায়।

প্রচেষ্টা আৰু ভুল শিক্ষণ পদ্ধতিৰ সম্বন্ধে গ্রহণ কৰা গেষ্টাল্ট্বাদী-সকলৰ দৃষ্টিকোণ আৰু মনোভাৱৰো বর্তমান সমালোচনা কৰা হয়। কোৱা হয যে প্রচেষ্টা আৰু ভুল শিক্ষণ পদ্ধতি সম্পূর্ণৰূপে পৰিহাৰ কৰি অন্তর্দর্শনৰ প্রযোগৰ যোগে শিক্ষা গ্রহণ কৰা দৃষ্টিভংগী বাস্তৱ ক্ষেত্রত অকার্য্যকৰী। শিক্ষণৰ বেলিকা ব্যক্তিযে সমস্যাৰ সম্মুখীন হোৱা অৱস্থাত পোনেই অন্তর্দর্শন প্রযোগ কৰাটো সম্ভৱপৰ নহয়। সমস্যাৰ সম্মুখত অন্ধভাবে প্রচেষ্টা আৰু ভুল পদ্ধতিৰে কামত হাত দিয়াটোৱেই হৈছে সাধাৰণ নিয়ম। প্রচেষ্টা আৰু ভুলৰ যোগেদি আৰম্ভ কৰি আৰু তাৰ পুনৰাবৃত্তি কৰিহে ক্রমে পৰৱর্তী কালত ব্যক্তিযে অন্তর্দর্শন ক্ষমতা লাভ কৰি উঠিব পাৰে। অন্ধ প্রচেষ্টা হৈছে ইয়াৰ প্রাথমিক পর্য্যায আৰু অন্তর্দর্শন হৈছে পৰৱর্তী পর্য্যায়।

সেইবাবে কব পাৰি যে ব্যক্তিৰ সমস্যা সমাধান আৰু শিক্ষণৰ বেলিকা প্ৰচেষ্টা আৰু ভুল পদ্ধতি আৰু অন্তৰ্দৰ্শন পদ্ধতি দুয়োটাৰে নিজ নিজ ভূমিকা আছে। উল্লেখযোগ্য যে প্ৰচেষ্টা আৰু ভুল পদ্ধতিক প্ৰকৃতপক্ষে অন্ধ আৰু যান্ত্ৰিক শিক্ষণ পদ্ধতি বুলিব নোৱাৰি, ই অন্তৰ্দৰ্শনৰেই প্ৰস্তুতকাৰী এক প্ৰাৰম্ভিক পৰ্য্যায়হে মাথোন। সেইবাবে প্ৰচেষ্টা আৰু ভুলৰ বিপৰীতে গেষ্টাল্ট্‌বাদীসকলৰ 'insight' বা 'অন্তৰ্দৰ্শনৰ' দৃষ্টিকোণ সমৰ্থনযোগ্য নহয়। আচৰণবাদৰ যান্ত্ৰিকতা আৰু পাৰমাণৱিকতাই যি সমালোচনাৰ সম্মুখীন হৈছে গেষ্টাল্ট্‌বাদৰ অন্তৰ্দৰ্শন আৰু সামগ্ৰিকতাৰ দৃষ্টিভংগীয়েও একে সমালোচনাৰেই সন্মুখীন হব লগা হৈছে।

শিক্ষাৰ ওপৰত সামগ্ৰিকতাবাদৰ প্ৰভাৱ (Impact of Gestalt Psychology on Education) :

সামগ্ৰিকতাবাদ চিন্তাধাৰাই মনোবিজ্ঞানৰ চিন্তাজগতত যিদৰে এক আলোড়নৰ সৃষ্টি কৰে সেইদৰে আধুনিক শিক্ষাৰ নীতি আৰু পদ্ধতিতো এক তাৎপৰ্য্যপূৰ্ণ প্ৰভাৱ পেলায়। প্ৰচলিত শিক্ষা পদ্ধতিৰ যান্ত্ৰিকতা আৰু সংকীৰ্ণতাৰ ঠাইত এক সুস্থ আৰু সমগ্ৰতাৰ দৃষ্টিভংগী গঢ় দি তোলাত এই চিন্তাধাৰাৰ অৱদান বিশেষ মন কৰিব লগীয়া। বৰ্তমান শিক্ষাত এজন শিক্ষক বা শিক্ষাবিদে তেওঁৰ নিজ ভূমিকা যথোচিত ভাবে গ্ৰহণৰ বাবে গেষ্টাল্ট্‌ মনোবিজ্ঞানৰ চিন্তাধাৰাৰ দ্বাৰা অনুপ্ৰাণিত হোৱাটো প্ৰয়োজন। এই চিন্তাগোষ্ঠীয়ে শিক্ষাত পেলোৱা প্ৰভাৱৰ সম্বন্ধে বিভিন্ন দিশৰ এটি চমু বিৱৰণ তলত দাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে।

(১) যান্ত্ৰিক শিক্ষণৰ বিৰোধিতা (Against mechanical learning) : বৰ্তমান শিক্ষা ব্যৱস্থাত ছাত্ৰই শিক্ষকৰ অন্ধ অনুকৰণ, যান্ত্ৰিক অনুশীলন আৰু গতানুগতিক অভ্যাস গঠনৰ বিপৰীতে সামগ্ৰিকতাৰ দৃষ্টিভংগী এক নতুন প্ৰত্যাহ্বান স্বৰূপ বুলিব পাৰি। এই

চিন্তাধাৰাই প্ৰচলিত শিক্ষাৰ যান্ত্ৰিকতা পৰিহাৰ কৰি ছাত্ৰই স্বাধীন-ভাবে চিন্তা কৰা, বিষয়বস্তুৰ প্ৰণালীবদ্ধভাবে অধ্যয়ন কৰা আৰু যুক্তিসংগত সিদ্ধান্ত গ্ৰহণ কৰাত উৎসাহিত কৰে। নিজ চিন্তা আৰু চেষ্টাৰ ওপৰত নিৰ্ভৰ কৰি ছাত্ৰই নিজেই নিজৰ শিক্ষক আৰু পথ-প্ৰদৰ্শক হৈ উঠিব পাৰে। উল্লেখযোগ্য যে গতানুগতিক যন্ত্ৰচালিত বিধৰ শিক্ষাই শিশুৰ অন্তৰ্নিহিত শক্তি, ক্ষমতা আৰু সম্ভাবনীয়তা সমূহৰ অপমৃত্যু ঘটায় আৰু তাক অন্ধ আৰু যুক্তিহীন অনুকৰণৰ ভৃত্য কৰি তোলে। ইয়াক স্বাভাৱিক ৰূপত প্ৰকাশ আৰু বিকাশ সাধনত সেয়েহে গেষ্টাল্ট মনোবিজ্ঞানে শিক্ষক আৰু শিক্ষাবিদসকলক এক নতুন দৃষ্টি দান কৰিব পাৰে।

(২) জ্ঞানৰ সামগ্ৰিক দৃষ্টি প্ৰদান (Comprehensive view of knowledge) : এই চিন্তাধাৰাই ছাত্ৰ-ছাত্ৰীসকলৰ নিজ জ্ঞান অভিজ্ঞতা সম্বন্ধে মনৰ দিগন্ত প্ৰসাৰিত কৰি তোলে। উল্লেখযোগ্য যে বৰ্তমানৰ প্ৰতিটো বিষয়ৰ শিক্ষা বিশেষজ্ঞসকলৰ দ্বাৰা বিশিষ্ট ৰূপত প্ৰদান কৰা হয়। সেইবাবে তেওঁলোকে ছাত্ৰসকলৰ মনত এক অসুস্থ সংকীৰ্ণতাৰ মনোভাব গঢ় দি তুলিছে। জ্ঞানৰ বিশেষিকৰণে ইযাৰ সমগ্ৰতাৰ দৃষ্টি আৰু দৰ্শনত বিৰূপ প্ৰভাব পেলাইছে। নিজ অধ্যয়নৰ বিশিষ্ট বিষয়ৰ বাদে অন্যান্য আনুষংগিক বিষয়ৰ প্ৰতি জানিবলৈ আৰু বুজিবলৈ উৎসাহ আগ্ৰহ নোহোৱা কৰি তুলিছে। ইয়াৰ উপৰি জ্ঞানৰ তাত্ত্বিক আৰু ব্যৱহাৰিক দিশৰ মাজত ছাত্ৰসকলৰ মনত এক অসুস্থ ব্যৱধানৰ সৃষ্টি কৰি তুলিছে। ইয়াৰ ফলত শিক্ষা অভিজ্ঞতা অবাস্তৱ আৰু জীৱন বিচ্ছিন্ন হৈ পৰিছে। এনে এক অৱস্থাৰ বিপৰীতে গেষ্টাল্ট মতবাদে ছাত্ৰৰ মনত জ্ঞানৰ সামগ্ৰিকতা আৰু সমন্বয়ৰ দৃষ্টিভংগী গঢ় দি তুলিবলৈ সক্ষম হৈছে। বিষয়বস্তুৰ অংশসমূহৰ মাজত সমন্বয় সাধন কৰা আৰু জ্ঞানৰ সমগ্ৰ ৰূপত পৰ্য্য-বেক্ষণ কৰা দৃষ্টিভংগী এই চিন্তাধাৰাই প্ৰদান কৰিবলৈ সক্ষম হয়।

(৩) **সমস্যা সমাধান ক্ষমতাৰ বিকাশ সাধন** (Development of problem solving ability) : গেষ্টাল্ট মতবাদে শিক্ষাত ছাত্ৰ-ছাত্ৰীসকলে নিজ সমস্যাৰ সাহসেৰে সম্মুখীন হোৱা আৰু তাৰ সমাধান কৰাৰ প্ৰয়োজনীয় সাহস আৰু মানসিক প্ৰস্তুতি যোগাব পাৰে। শিক্ষাত ছাত্ৰই নিষ্ক্ৰিয় আৰু নীৰৱ শ্ৰোতাৰ ভূমিকা গ্ৰহণৰ পৰিবৰ্তে সক্ৰিয়ভাবে নিজ প্ৰচেষ্টাৰ যোগেদি সমস্যা সমাধান কৰিব পাৰে। শিক্ষকৰ ওপৰত নিৰ্ভৰশীল আৰু তেওঁৰ ভাব চিন্তা নিৰ্বিবাদে গ্ৰহণ আৰু অনুকৰণশীল হৈ উঠাৰ পৰিবৰ্তে ইযাত ছাত্ৰই নিজ ক্ষমতাৰ ওপৰত বিশ্বাসী আৰু নিৰ্ভৰশীল হৈ উঠিব পাৰে। ছাত্ৰই শিক্ষণীয বিষযৰ লগত ব্যক্তিগতভাবে ক্ৰিযা-জডিতকৰণৰ যোগেদি শিক্ষা উপভোগ্য কৰি তুলিব পাৰে। আধুনিক শিশু-কেন্দ্ৰিক শিক্ষাত ছাত্ৰইহে মুখ্য ভূমিকা গ্ৰহণৰ শিক্ষা-নীতি সামগ্ৰিকতাবাদেহে কাৰ্য্যকৰী কৰি তুলিব পাৰে। এই মনোবৈজ্ঞানিক চিন্তাধাৰাৰ দ্বাৰা প্ৰভাৱিত হৈ শিক্ষাৰ প্ৰকল্প পদ্ধতি আৰু ডল্টন আঁচনি আদিত ছাত্ৰৰ এই সমস্যা সমাধান ক্ষমতা বিকাশ সাধনৰ কাৰ্য্যকৰী ব্যৱস্থা গঢ দি তোলা হৈছে।

(৪) **সৃজনাত্মক ক্ষমতাৰ বিকাশ সাধন** (Development of creative ability) : শিক্ষাৰ উচ্চ পৰ্য্যাযৰ বাবে ছাত্ৰৰ নিজ পৰ্য্যবেক্ষণ, নিৰীক্ষণ আৰু অন্তৰ্দৰ্শন ক্ষমতাৰ প্ৰযোজন হয। এনেবোৰ ক্ষমতাই ছাত্ৰৰ মনত সৃজনাত্মক আৰু গঠনাত্মক শক্তিৰ বিকাশ কৰিব পাৰে। শিক্ষাৰ উচ্চ পৰ্য্যাযত ছাত্ৰই কোনো সামাজিক সমস্যা বাচি লৈ তাৰ ওপৰত বিশিষ্ট অধ্যযন আৰু গৱেষণা কাৰ্য্য চলাবৰ বাবে তেওঁলোকৰ মনত সামগ্ৰিকতাৰ দৃষ্টিভংগীৰ প্ৰযোজন। উচ্চ শিক্ষিত যুৱক-যুৱতীসকলে ইয়াৰ যোগেদি তেওঁলোকৰ জ্ঞান-অভিজ্ঞতা আৰু বৌদ্ধিক চিন্তা-চৰ্চা আদি সমাজমুখী আৰু সমাজৰ সমস্যা সমাধানমুখী কৰি তুলিব পাৰে। সেইবাবে শিক্ষাৰ উচ্চ পৰ্য্যায়ত গেষ্টাল্ট্ নীতি আন সকলো পৰ্য্যায়তকৈ অধিকভাবে কাৰ্য্যকৰী

বুলিব পাৰি। স্কুলীয়া শিক্ষাৰ পৰ্য্যায়তো বিশেষ প্ৰতিভাবান আৰু সৃজনাত্মক ক্ষমতাৰ সম্ভাৱনীয়তাপূৰ্ণ ছাত্ৰ-ছাত্ৰীক চিনাক্তকৰণ কৰিবৰ বাবে শিক্ষকে অন্তৰ্দৰ্শন শিক্ষণ পদ্ধতিৰ সহায় লব লাগে। তেনে ছাত্ৰ-ছাত্ৰীয়ে যাতে স্কুলৰ গতানুগতিক আৰু যান্ত্ৰিক শিক্ষা ব্যৱস্থাৰ মাজত পৰি নিজ প্ৰতিভাৰ অপমৃত্যু ঘটাব লগা নহয় তাৰ বাবে অন্তৰ্দৰ্শন পদ্ধতিৰ শিক্ষা গ্ৰহণ কৰাটো শিক্ষকৰ কৰ্তব্য

(৫) শিক্ষাদান পদ্ধতিৰ ওপৰত প্ৰভাৱ (Impact on the teaching method) : বৰ্তমান সামগ্ৰিকতাবাদে শিক্ষাদান পদ্ধতিৰ ওপৰতো বিশেষ প্ৰভাৱ পেলাইছে। ছাত্ৰসকলে শ্ৰেণীত শিক্ষকৰ ভাব-চিন্তা নিৰৱ শ্ৰোতাৰ ভূমিকাৰে গ্ৰহণ কৰা আৰু অন্ধভাৱে তাৰ অনুকৰণ কৰাৰ পৰিৱৰ্তে তেওঁলোকে নিজৰ পৰ্য্যবেক্ষণ, নিৰীক্ষণ আৰু অন্তৰ্দৰ্শন ক্ষমতাৰ প্ৰয়োগ কৰিব লাগে। সামগ্ৰিকতাবাদৰ অন্তৰ্দৰ্শন শিক্ষণ পদ্ধতিৰ দৃষ্টিকোণৰ পৰা কোৱা হয় যে শিক্ষকে তেওঁৰ শিক্ষাদান কালত ছাত্ৰক অধ্যয়নৰ বিষয়বস্তু অথবা ইয়াৰ সংশ্লিষ্ট সমস্যা খৰচি মাৰি ভাঙিপাতি বুজাই দিব নালাগে। কাৰণ তেনে কৰিলে ছাত্ৰসকলে নিজ চিন্তা, যুক্তি, বিচাৰ-বিবেচনা আৰু অন্তৰ্দৰ্শন ক্ষমতাৰ যথোচিত প্ৰয়োগৰ সুবিধা নাপায়। ইয়াৰ ফলত তেওঁলোক বৌদ্ধিকভাৱে নিষ্ক্ৰিয় হৈ ৰয়। এনে এটা অৱস্থা তেওঁলোকৰ মানসিক বিকাশৰ বাবে অত্যন্ত ক্ষতিকাৰক। সেয়েহে শিক্ষকে শ্ৰেণীত শিক্ষাদান কালত ছাত্ৰক কেৱল বিষয়বস্তুৰ উপাদানসমূহৰ অথবা অংশসমূহৰ উল্লেখ কৰিব লাগে, যাতে সেইসমূহৰ উপযুক্ত সুসংগঠন আৰু সমন্বয় সাধন কৰি তেওঁলোকে নিজ প্ৰচেষ্টাৰে তাৰ সমাধান কৰিব পাৰে আৰু প্ৰয়োজনীয় অভিজ্ঞতা লাভ কৰি উঠিব পাৰে। উদাহৰণ স্বৰূপে গণিত বিষয়ৰ অধ্যয়নৰ বেলিকা শিক্ষকে এনে পদ্ধতি ছাত্ৰসকলৰ লগত প্ৰয়োগ কৰিব পাৰে।

ওপৰত কৰা আলোচনাৰ পৰা সেয়েহে দেখা যায় যে আধুনিক শিক্ষাৰ নীতি আৰু পদ্ধতিত সামগ্ৰিকতাবাদ চিন্তাধাৰাই ব্যাপক

প্ৰভাৱ পেলাইছে। এনে প্ৰভাৱ ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত শিক্ষা-বিকাশৰ বাবে সুদূৰপ্ৰসাৰী বিধৰ হৈ উঠিছে। শিক্ষকে ইয়াক গভীৰভাৱে অধ্যয়ন আৰু অনুভৱ কৰি উঠিব পাৰিলেহে তেওঁৰ শিক্ষাদানৰ পদ্ধতিত তাক প্ৰয়োজন মতে কাৰ্য্যকৰী কৰি তুলিব পাৰে। আধুনিক শিক্ষাৰ নতুন চিন্তাধাৰা সেয়েহে গেষ্টাল্ট্‌বাদ চিন্তাধাৰাৰ অবিহনে সম্পূৰ্ণ হৈ উঠিব নোৱাৰে।

অনুশীলন

(১) সামগ্ৰিকতাবাদ কাক বোলে? ইয়াৰ প্ৰধান দৃষ্টিকোণসমূহৰ এটি পৰ্য্যালোচনা আগবঢ়োৱা।

(২) সামগ্ৰিকতাবাদৰ ধাৰণা ব্যাখ্যা কৰা। আচৰণবাদৰ লগত ইয়াৰ কোনবোৰ দিশত প্ৰধানকৈ মতবিৰোধ হোৱাটো লক্ষ্য কৰিব পাৰি আলোচনা কৰা।

(৩) গেষ্টাল্ট মনোবিজ্ঞানৰ মূল চিন্তাধাৰাৰ উৎপত্তি আৰু ইয়াৰ প্ৰধান তাত্ত্বিক দিশসমূহৰ এটি সংক্ষিপ্ত বৰ্ণনা দিয়া।

(৪) গেষ্টাল্ট মতবাদৰ ব্যাখ্যা কৰা। মানুহৰ শিক্ষণ পদ্ধতি সম্বন্ধে ই কেনে দৃষ্টিভংগী গ্ৰহণ কৰিছে আৰু ই কি পৰিমাণে আমাৰ গ্ৰহণযোগ্য আলোচনা কৰা।

(৫) সামগ্ৰিকতাবাদৰ বিভিন্ন দৃষ্টিকোণসমূহৰ এটা সমালোচনামূলক মূল্যায়ন আগবঢ়োৱা।

(৬) সামগ্ৰিকতাবাদৰ মূল বক্তব্য কি? এই চিন্তাধাৰাই আধুনিক শিক্ষাৰ নীতি আৰু পদ্ধতিসমূহত কি দৰে প্ৰভাৱ পেলাইছে?

(৭) প্ৰচেষ্টা আৰু ভুলৰ যান্ত্ৰিকতাৰ বিপৰীতে সামগ্ৰিকতাবাদীসকলৰ অন্তৰ্দৰ্শনৰ যুক্তিযুক্ততা দেখুওৱা। এই যুক্তি কি পৰিমাণে গ্ৰহণযোগ্য বুলিব পাৰি?

(৮) পৰিবেশ সম্বন্ধে আচৰণবাদ আৰু সামগ্ৰিকতাবাদ দৃষ্টিভংগীৰ এটি তুলনামূলক আলোচনা আগবঢ়োৱা। ইয়াৰ কোনটো দৃষ্টিভংগী শিক্ষাৰ বাবে উৎসাহজনক আৰু কিয়?

(৯) গেষ্টাল্ট মতবাদৰ শৈক্ষিক মূল্য নিৰূপণ কৰা। শিশুৰ শিক্ষাদান পদ্ধতিত শিক্ষকে এই মতবাদ অনুসৰি কেনে ব্যৱস্থা গ্ৰহণ কৰিব লাগে?

(১০) 'মনোবিজ্ঞানত অতিশয় যান্ত্ৰিকতা, পাৰমাণৱিকতা আৰু দৈহিকতাৰ বিপৰীতে গেষ্টাল্ট মতবাদ এক সাৱধান বাণীস্বৰূপ।' উক্তিটো বহলাই আলোচনা কৰা।

প্ৰসঙ্গ গ্ৰন্থসমূহ

1 R S Woodworth Contemporary Schools of Psychology Chapter 8 Methuen & Co Ltd London E C 4 Reprinted in 1965

2 S. P. Chaube Some Foundations and Guidelines of Modern Education Part I Chapter 3 Ram Prasad & Sons Agra-3. Second Revised and Enlarged Edition 1975

3 S S Chauhan , Advanced Educational Psychology. Part I Chapter 2 Vikas Publishing House Pvt Ltd. New Delhi 110002. First Edition. Reprint 1979.

ত্ৰয়োদশ অধ্যায়

মনোবিশ্লেষণ

(Psycho-analysis)

পৰিচিতি (Introduction) ঃ

কুৰি শতিকাৰ প্ৰথম ভাগতেই মনোবিজ্ঞানৰ চিন্তাজগতত বাস্তৱ অভিজ্ঞতাৰ ভিত্তিত আৰু এক নতুন চিন্তাধাৰাৰ জন্ম হয়, যাক মনোবিশ্লেষণ অথবা অচেতন মনৰ বিজ্ঞান (Psychology of the Unconscious) বুলি জনা যায়। ইয়াৰ গুৰি ধৰোঁতা হৈছে অষ্ট্ৰিয়াৰ বিখ্যাত মানৱতাবাদী চিন্তাধাৰাৰ মনোবিজ্ঞানী চিগমাণ্ড ফ্ৰয়েদ (Sigmund Freud)। তেওঁৰ ১৮৬৮ চনত এটি ইহুদী পৰিয়ালত জন্ম হয় আৰু ১৮৮১ চনত ভিয়েনা বিশ্ববিদ্যালয়ৰপৰা চিকিৎসা বিজ্ঞানৰ উপাধি লাভ কৰে। ইয়াতেই তেওঁ স্নায়বিক ৰোগৰ চিকিৎসক স্বৰূপে দীৰ্ঘদিন ধৰি মানসিক ৰোগীসকলৰ লগত জড়িত হৈ থাকে। অৱশেষে মৃত্যুৰ আগেয়ে তেওঁ সেই সময়ৰ নাজী (Nazi) চৰকাৰৰ উৎপীড়ণৰ পৰা ৰক্ষা পাবৰ বাবে ইংলণ্ডলৈ যায় আৰু তাতেই ১৯৩৯ চনত তেওঁৰ মৃত্যু হয়।

মনোবিশ্লেষণ সম্বন্ধে মনোবিজ্ঞানৰ এই নতুন চিন্তাধাৰা চিকিৎসা বিজ্ঞানৰ পৰাই উৎপত্তি হয়, য'ত ফ্ৰয়েদে প্ৰথমে তেওঁৰ কৰ্মজীৱন আৰম্ভ কৰিছিল। অভিজ্ঞতাৰ ক্ৰমবিকাশে তেওঁক ক্ৰমে চিকিৎসা বিজ্ঞানৰ পৰা মনোবিজ্ঞানলৈ ঢাল খুৱায়। পৰৱৰ্তী কালত জীৱনৰ শেষৰ ফালে তেওঁৰ মন আৰু চিন্তা সাহিত্য-সংস্কৃতি আৰু সমাজৰ প্ৰতিও নিক্ষেপিত হয়। ফ্ৰয়েদে নিজেই স্বীকাৰ কৰিছিল যে মনোবিজ্ঞানেইহে আছিল তেওঁৰ প্ৰকৃত লক্ষ্য, যি তেওঁক হাত বাউল দি

মাতিছিল। জীৱনত বিস্তৃত ভাৱে প্ৰাকৃতিক বিজ্ঞান, চিকিৎসা বিজ্ঞান আৰু থিৰেপি (Therapy বিজ্ঞান অধ্যয়নৰ অন্তত তেওঁ মানুহৰ অচেতন মনৰ অদৃশ্য ক্ৰিয়া আচৰণৰ প্ৰতি অধিক আকৰ্ষিত হৈ উঠে। তেওঁৰ দুজন শিষ্য আলফ্ৰেড এডলাৰ (Alfred Adler) আৰু কাৰ্ল য়ুঙেও (Karl Jung) প্ৰথমে তেওঁৰ এই অচেতন মনৰ চিন্তাধাৰাৰ বিকাশ কৰি তোলাত সহযোগ কৰে। অৱশ্যে পিচলৈ তেওঁলোকে ফ্ৰয়েদৰ লগত মত বিৰোধ হৈ নিজ নিজ চিন্তাধাৰা গঢ় দি তোলে।

মানৱ বিজ্ঞানৰ এই মহান চিন্তানায়ক গৰাকীৰ অসাধাৰণ ব্যক্তিত্বৰ ব্যাপক অভিজ্ঞতাসমূহ তেওঁৰ কেইবাখনো বিখ্যাত গ্ৰন্থৰ যোগেদি প্ৰকাশ লাভ কৰে। ইয়াৰ ভিতৰত A General Introduction to Psycho-analysis, The Psycho-pathology of Evergady life, The Interpretation of Dreams, Beyond the Pleasure principle আৰু Civilization and its Discontent আদি উল্লেখযোগ্য। মানৱতা সম্বন্ধে তেওঁৰ গভীৰ উপলব্ধি আৰু নিজ গতিশীল আৰু সৃষ্টিশীল মনৰ পৰিচয় ইয়াৰ যোগেদি ভালদৰে পাব পৰা যায়।

মনোবিশ্লেষণৰ মৌলিক ধাৰণাৰ উৎপত্তি (Origin of the concept of Psycho-analysis) :

ফ্ৰয়েদৰ মনোবিশ্লেষণৰ ধাৰণা আমাৰ মনত স্পষ্ট কৰি তুলিবৰ বাবে তেওঁৰ এই সম্বন্ধীয় কাৰ্য্যকৰী অভিজ্ঞতা আৰু এই ক্ষেত্ৰত তেওঁ গ্ৰহণ কৰা পদ্ধতিসমূহৰ লগত পৰিচয় থকাটো প্ৰয়োজন। ফ্ৰয়েদৰ পূৰ্বে চাৰ্কট (Charcot) নামৰ পেৰিচৰ এজন মনোৰোগ বিশেষজ্ঞই সম্মোহন পদ্ধতি (method of hypnosis) প্ৰয়োগ কৰি হিষ্টেৰিয়া বা মূৰ্ছা ৰোগৰ চিকিৎসা কৰিছিল। সম্মোহন হৈছে এনে এক মনোবৈজ্ঞানিক প্ৰক্ৰিয়া যাৰ যোগেদি এজন ব্যক্তিৰ সচেতন মনৰ চিন্তা, বিচাৰ বিবেচনা আদি সম্পূৰ্ণৰূপে বিলোপ সাধন কৰি অৱচেতন মনৰ দ্বাৰা তাক পৰিচালনা কৰা হয়। তাৰ যোগেদি ব্যক্তিৰ মানসিক

অসুস্থতাৰ কাৰণস্বৰূপ হৈ উঠা পূৰ্বৰ অসুস্থ অভিজ্ঞতাৰ স্মৃতি উদ্ধাৰ কৰা হয়। ১৮৮৫ চনত ফ্ৰয়েদে চাৰ্কটৰ তলত এবছৰ কাল এই সম্বন্ধে অধ্যয়ন কৰে। ইয়াৰ পিছৰ বছৰতেই তেওঁ ভিয়েনাত স্নায়ু-ৰোগ বিশেষজ্ঞ স্বৰূপে নিজস্ব ভাবে নিদান (Clinic) স্থাপন কৰে। ইয়াত তেওঁ সম্মোহন পদ্ধতি প্ৰয়োগ কৰি হিষ্টেৰিয়া ৰোগৰ চিকিৎসা কৰে আৰু বিশেষ খ্যাতি অৰ্জন কৰে। অৱশ্যে এই পদ্ধতি প্ৰয়োগত পিচলৈ কিছু অসুবিধা থকা টোও লক্ষ্য কৰা হয়। কাৰণ ইয়াৰ যোগেদি কৰা চিকিৎসাৰ ফল অস্থায়ী বিধৰ হয় আৰু সকলোবোৰ ৰোগীকে সম্মোহন কৰিব পৰা নাযায়।

ফ্ৰয়েদে ইয়াৰ পিছত যোচেফ্ ব্ৰিউৱাৰ (Joseph Breuer) নামৰ এজন শৰীৰবিদৰ সংস্পৰ্শলৈ আহে। ব্ৰিউৱাৰে হিষ্টেৰিয়া ৰোগৰ এগৰাকী যুৱতীক সম্মোহন পদ্ধতিৰে চিকিৎসা কৰি বিশেষ খ্যাতি লাভ কৰে। এই ৰোগী গৰাকীৰ স্নায়বিক দুৰ্বলতা, স্মৃতি বিলোপ আৰু মানসিক খেলি-মেলি আদি কেতবোৰ লক্ষণ দেখা গৈছিল। সম্মোহন পদ্ধতি প্ৰযোগ কৰি দেখা গৈছিল যে ইয়াৰ ফলত ৰোগী গৰাকীয়ে তেওঁৰ মানসিক অসুস্থতাৰ কাৰণস্বৰূপ হৈ উঠা পূৰ্বৰ আবেগিক উত্তেজনাৰ স্মৃতি ব্যক্ত কৰি মনত সকাহ লাভ কৰি উঠিছে আৰু নিজকে মুক্ত অনুভৱ কৰি উঠিব পাৰিছে। ব্ৰিউৱাৰে এই কথা লক্ষ্য কৰি উঠে যে ৰোগীয়ে মৌখিক ভাৱে ব্যক্ত কৰা এই কথন ব্যৱস্থাই (talking out method) তেওঁৰ মনৰ ৰুদ্ধ আবেগ-অনুভূতিৰ উপশম কৰি উঠিব পাৰে। ফ্ৰয়েদে ব্ৰিউৱাৰৰ এনে কৃতকাৰ্য্যতা অধিক আগ্ৰহ আৰু মনোযোগেৰে লক্ষ্য কৰে।

এই সম্মোহন পদ্ধতিৰ অভিজ্ঞতাৰে ফ্ৰয়েদে এক অধিক সুবিধা-জনক পদ্ধতিৰ উদ্ভাৱন কৰিবলৈ সক্ষম হয়। তেওঁ ৰোগীক এক মুক্ত পৰিৱেশত মানসিক ভাৱে সম্পূৰ্ণৰূপে বিশ্ৰাম লবলৈ দিয়ে। ইয়াৰ যোগেদি ৰোগীক অতীত স্মৃতি উদ্ধাৰৰ চেষ্টা কৰিবলৈ কোৱাৰ পৰিবৰ্তে তাক আপোনা-আপুনি মনলৈ স্বাভাৱিক আৰু স্বতঃস্ফূৰ্ত।

ভাৱে অহালৈ অপেক্ষা কৰা হয়। ইয়াকেই মুক্ত অনুষংগ পদ্ধতি (Free association method) বুলি জনা যায়।

উল্লেখযোগ্য যে এনে পদ্ধতিৰ প্ৰয়োগ কৰি ৰোগীৰ অসুস্থ মনৰ স্মৃতি উপাদানৰ অধ্যয়ন কালত ফ্ৰয়েদে দেখা পায় যে ব্যক্তিয়ে সপোনৰ অভিজ্ঞতাও ব্যক্ত কৰিব পাৰিছে। তেওঁ অনুভৱ কৰি উঠে যে সপোনৰ অভিজ্ঞতা ব্যক্তকৰণ এই ক্ষেত্ৰত অধিক তাৎপৰ্য্যপূৰ্ণ-ভাৱে সফলতা দান কৰিব পাৰে। ব্যক্তিৰ সুদূৰ বাল্যকালৰো মনৰ বিস্মৃত অসুস্থ অভিজ্ঞতাৰ স্মৃতি এই সপোনৰ যোগেদি ব্যক্ত কৰিব পৰাটো তেওঁ লক্ষ্য কৰে। তেওঁ এই কথাও লক্ষ্য কৰে যে এই মুক্ত অনুষংগ পদ্ধতিৰে পুনৰুদ্ধাৰ কৰা অতীতৰ উত্তেজনামূলক ঘটনাৰ স্মৃতিৰ অধিক ভাগেই ব্যক্তিৰ যৌন-জীৱনৰ লজ্জাজনক আৰু দুখদায়ক ঘটনা মাথোন।

এনেবোৰ অভিজ্ঞতাৰ পৰা ফ্ৰয়েদে অনুভৱ কৰি উঠে যে মানসিক ৰোগীৰ অতীত জীৱনৰ তাৎপৰ্য্যপূৰ্ণ ঘটনা জানি উঠিব পাৰিলে তেওঁৰ মানসিক সংঘাতৰ কাৰণ জানি উঠিব পাৰি আৰু তাৰ সহায়েৰে ৰোগৰ উপসম কৰিব পাৰি। অতীত জীৱনৰ উত্তেজনামূলক ঘটনাৰ বিলুপ্ত স্মৃতি অচেতন মনৰ কবলৰ পৰা উদ্ধাৰ কৰি সচেতন মনৰ পৰ্য্যায়লৈ অনা আৰু তাক উপযুক্ত ভাবে ব্যাখ্যা আৰু বিশ্লেষণ কৰা মনোবৈজ্ঞানিক ক্ৰিয়াৰ অভিজ্ঞতাই ফ্ৰয়েদৰ মনত মনোবিশ্লেষণৰ এই নতুন চিন্তাধাৰাৰ জন্ম দিয়ে।

মনোবিশ্লেষণ কাক বোলে ? (What is Psycho-analysis) ? :

মনোবিশ্লেষণৰ বৈজ্ঞানিক বিশ্লেষণ প্ৰক্ৰিয়া আৰু এই সম্বন্ধীয় ধাৰণা যথেষ্ট জটিলতাপূৰ্ণ। তথাপি সাধাৰণভাৱে বহল অৰ্থত কবলৈ গ'লে মনোবিশ্লেষণে ফ্ৰয়েদৰ চিন্তা আৰু ক্ৰিয়াৰ দুটা বহল দিশক সামৰি লয়। এইকেইটা হৈছে—(ক) অচেতন মন সম্বন্ধে ফ্ৰয়েদৰ বিভিন্ন তাত্বিক বিশ্লেষণ আৰু (খ) মানসিক ৰোগৰ চিকিৎসা সম্বন্ধে

তেওঁ গ্ৰহণ কৰা বিভিন্ন পদ্ধতিসমূহৰ ক্ৰিয়া-কলাপ। চমুকৈ কবলৈ হ'লে অচেতন মনৰ অধ্যয়ন আৰু বিশ্লেষণ সম্বন্ধে তেওঁৰ তাত্ত্বিক আৰু ব্যৱহাৰিক দিশৰ বিজ্ঞানভিত্তিক অধ্যয়নেই হৈছে মনোবিশ্লেষণ।

ফ্ৰয়েদে সুদীৰ্ঘ কাল মানসিক ৰোগৰ চিকিৎসক স্বৰূপে কাৰ্য্যকৰী অভিজ্ঞতা লাভ কৰে। এনে অভিজ্ঞতাৰে তেওঁ অনুভৱ কৰে যে ব্যক্তিৰ সচেতন মনৰ সুখ-দুখৰ অভিজ্ঞতাসমূহে ইয়াৰ পৰৱৰ্তী কালত স্মৃতি-প্ৰতিৰূপ আকাৰে অচেতন মনত ঠাই লয়। এনে অভিজ্ঞতাৰ বাস্তৱ পৰিস্থিতি আমাৰ আগৰ পৰা আঁতৰি যোৱাৰ লগে লগে তাৰ স্মৃতি মনৰ পৰাও সম্পূৰ্ণৰূপে হেৰাই যোৱা বুলি কব নোৱাৰি। বিশেষকৈ এনেবোৰ অভিজ্ঞতাৰ দুখদায়ক আৰু অস্বস্তিকৰ স্মৃতিসমূহে অচেতন মনত ঠাই লয় আৰু সি পৰৱৰ্তী কালত অৱস্থা বিশেষে ব্যক্তিৰ দৈহিক আৰু স্নায়ৱিক ৰোগ আকাৰে দেখা দিয়ে। অচেতন মনক সেয়েহে সম্পূৰ্ণৰূপে চেতনাহীন আৰু ক্ৰিয়াহীন জড় অৱস্থা বুলি গণ্য কৰিব নোৱাৰি। মনৰ এই সৰ্ববৃহৎ অংশটোৰ নিজস্ব বৈশিষ্ট্য আৰু ইয়াৰ ক্ৰিয়া-পদ্ধতি আছে, যাক মনোবিজ্ঞানত অধ্যয়ন কৰাটো প্ৰয়োজন। বিশেষকৈ শিক্ষা ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ অচেতন মনৰদ্বাৰা প্ৰভাৱিত অসুস্থ আৰু অস্বাভাৱিক ক্ৰিয়া আচৰণসমূহৰ অধ্যয়ন আৰু বিশ্লেষণৰ এক বিশেষ প্ৰয়োজনীয়তা আছে। কেৱল ব্যক্তিগত জীৱনতেই নহয়, আমাৰ সামাজিক জীৱনৰ ভাবধাৰা, চিন্তাধাৰা, সাহিত্য-সংস্কৃতি আদিতো এক সামূহিক অচেতনতাৰ (Collective unconscious) বৈচিত্ৰপূৰ্ণ প্ৰভাৱ পৰে।

অচেতন মনৰ এনে গভীৰতালৈ প্ৰৱেশ কৰা বাবে ফ্ৰয়েদৰ এই চিন্তাধাৰাক 'Depth Psychology' বা 'গভীৰতাৰ মনোবিজ্ঞান' স্বৰূপেও জনা যায়। উল্লেখযোগ্য যে ফ্ৰয়েদৰ পূৰ্বে মনোবিজ্ঞানী-সকলৰ চিন্তা জগতত মনৰ সচেতনতা আৰু এই সম্বন্ধীয় ক্ৰিয়া আচৰণৰ অধ্যয়নে বিশেষ প্ৰাধান্য লাভ কৰি আছিল। অচেতন মনৰ এনে গভীৰতালৈ প্ৰৱেশ কৰি ফ্ৰয়েদে দিয়া নতুন নতুন তথ্যসমূহে

উঠিছে শতিকাৰ এই বুদ্ধিজীৱিসকললৈ এক নতুন প্ৰত্যাহ্বান প্ৰদান কৰে। মনোবিশ্লেষণ মনোবিজ্ঞানৰ এক বিদ্ৰোহী চিন্তাধাৰা স্বৰূপেও পৰিগণিত হয়।

মনোবিশ্লেষণৰ বিভিন্ন দৃষ্টিকোণসমূহ (Different view-points of Psycho-analysis) :

ফ্ৰয়েদৰ চিন্তাৰ বিভিন্ন দৃষ্টিকোণসমূহে সৰ্বসাধাৰণৰ মাজত বিশেষ জনপ্ৰিয়তা লাভ কৰি উঠিছে। ই কুৰি শতিকাৰ মনোবিজ্ঞানত এক নতুন বৈজ্ঞানিক দৃষ্টিদান কৰিছে। মনোবিশ্লেষণৰ স্বৰূপ জানি উঠিবৰ বাবে ইয়াৰ বিভিন্ন তাত্বিক বিশ্লেষণ আৰু দৃষ্টিকোণসমূহৰ অধ্যয়ন কৰাটো প্ৰয়োজন। এনে অধ্যয়নে আধুনিক শিক্ষাত পেলোৱা ইয়াৰ নতুন দৃষ্টিভংগীসমূহৰ প্ৰভাৱ সম্বন্ধেও জানি উঠাত সহায়ক হৈ উঠিব পাৰে। এই প্ৰসংগত ইয়াৰ নিম্ন প্ৰদত্ত দিশসমূহৰ সংক্ষিপ্ত আলোচনা আগবঢ়োৱা হৈছে।

(১) মনৰ তিনিটা অংশ (Three regions of mind) : মনোবিশ্লেষণে মনক তিনিটা অংশত পৰ্য্যায ক্ৰমভাবে বিভক্ত কৰে আৰু এইকেইটা হৈছে সেই সচেতন, অৱচেতন আৰু অচেতন মন। মনৰ সচেতনতা হৈছে সেই অংশ যাৰ যোগেদি বাস্তৱ জগতৰ জ্ঞান-ধাৰণা, ভাব-চিন্তা, প্ৰযোজন আৰু অভিপ্ৰায আদিৰ সম্বন্ধে মন অবগত আৰু সক্ৰিয অৱস্থাপ্ৰাপ্ত। মনৰ এই অংশই বাস্তৱ অভিজ্ঞতাৰ লগত কাম কৰে। মনৰ সচেতনতাৰ তলৰ পৰ্য্যাযত অৱচেতন মন অৱস্থিত। ই এনে এক অৱস্থা যাৰ অভিজ্ঞতা ব্যক্তিৰ বাবে সচেতন অৱস্থাত নাথাকে, কিন্তু স্মৃতি প্ৰযোগৰ যোগেদি তাক প্ৰযোজন মতে সচেতনতাৰ পৰ্য্যাযলৈ গতি কৰে। এই অৱচেতন পৰ্য্যাযৰ তলত মনৰ এক ব্যাপক আৰু গভীৰ মানসিক পৰ্য্যায় অৱস্থিত। ই হৈছে মনৰ সৰ্ববৃহত অংশ আৰু ব্যক্তিৰ অতীত অভিজ্ঞতাৰ স্মৃতি-উপাদানৰ-দ্বাৰা ই গঠিত। ইয়াৰ গভীৰতাত নিহিত থকা উপাদানসমূহ আমাৰ

সচেতন মনৰ পৰ্য্যায়লৈ অনাটো সম্ভৱপৰ হৈ নুঠে। ইয়াৰ উপাদান-সমূহৰ বিষয়ে সেযেহে আমি সমুলি অবগত নহয়। ব্যক্তিগত জীৱনৰ সকলো স্মৰণীয় ঘটনা আৰু অভিজ্ঞতাৰ অৱশেষ ইয়াত সঞ্চিত হয় আৰু এক সুসংগঠিত ৰূপ ধাৰণ কৰি সক্ৰিয় মানসিক শক্তিত পৰিণত হয়।

(২) **অচেতন মনৰ প্ৰাধান্য** (Importance of the unconscious) : ফ্ৰয়েদৰ পূৰ্ববৰ্তী কালছোৱাত মনোবিজ্ঞানীসকলে কেৱল মাত্ৰ সচেতন মনৰ অধ্যয়ন আৰু বিশ্লেষণ কাৰ্য্যতেই আৱদ্ধ আছিল। কিন্তু তেওঁৰ মনোবিশ্লেষণ ব্যৱস্থাই অচেতন মনৰ অন্তৰ্নিহিত গোপন তথ্য উদ্ঘাটনত বিশেষ গুৰুত্ব দিযে। তেওঁৰ মতে মনৰ সচেতন অংশ হৈছে সমগ্ৰ মনৰ এক পাতল সৰু অংশহে মাথোন, যাক শীতকালত সাগৰত ওপঙি থকা বৃহৎ আকাৰৰ বৰফৰ টুকুৰা বা ice-berg-ৰ লগত তুলনা কৰা হৈছে। Ice-berg-ত যিদৰে বৰফৰ টুকুৰাৰ বৃহৎ অংশ পানীৰ তলত অদৃশ্য হৈ থাকে, সেইদৰে মনৰ বৃহৎ অংশ সচেতনতাৰ পৰ্য্যাযৰ তলত অচেতন অৱস্থাত অদৃশ্যভাৱে লুকাই থাকে। কিন্তু মনৰ এই বৃহৎ অংশৰ অদৃশ্য ক্ৰিয়া-কলাপ মনোবিজ্ঞানে অৱহেলা কৰিব নোৱাৰে। অচেতনতাক সেযেহে মনৰ ক্ৰিয়া-অনুভূতিহীন এক জড় অৱস্থা বুলি বৰ্ণনা কৰিব নোৱাৰি। সচেতনতাৰ পৰ্য্যায়ত নহ'লেও ইয়াৰো নিজস্ব কেতবোৰ ক্ৰিয়া-কলাপ আছে আৰু মানৱ আচৰণত প্ৰভাৱ পেলাব পৰা প্ৰতিক্ৰিয়াশীল ক্ষমতা আছে। মনৰ এই অঞ্চলৰ বিষযে আমাৰ অজ্ঞানতাৰ বাবেই ইয়াৰ স্বৰূপ আমি অনুভৱ কৰিব নোৱাৰো।

অচেতন মনৰ অবদমিত স্মৃতি উপাদানমূহে সকলো সমযতে মনৰ সচেতনতাৰ পৰ্য্যায়লৈ অহাৰ প্ৰৱণতা থাকে। কিন্তু মনৰ সচেতনতাই সেই উপাদানবোৰৰ মুক্ত অনুপ্ৰবেশৰ অনুমতি নিদিয়ে। এই ক্ষেত্ৰত সচেতন মনৰ এক প্ৰতিৰক্ষা ব্যৱস্থা (defence mechanism) থকাটো মন কৰিবলগীয়া। এনে ব্যৱস্থাৰ ফলত মনৰ স্মৃতি-উপাদান-

বোৰৰ সচেতন মনলৈ প্ৰৱেশ কৰাৰ ক্ষেত্ৰত এক মানসিক পৰীক্ষণ প্ৰক্ৰিয়া (censor) সংঘটিত হয়। ইয়াৰ ফলত অচেতন মনৰ উপাদান-সমূহ আমি মুক্তভাবে সচেতন মনত অনুভৱ কৰিব নোৱাৰো।

অৱশ্যে অচেতন মন যে এক সক্ৰিয় আৰু গতিশীল অৱস্থা আৰু ইযাৰ সঞ্চিত স্মৃতি-উপাদানবোৰৰ যে এক নিজস্ব সুসংগঠিত মানসিক ক্ৰিযা-কলাপ আছে তাৰ যথেষ্ট প্ৰমাণ আমি পাব পাৰো। মনো-বিশ্লেষণৰ নিম্নলিখিত যুক্তিসমূহ এই প্ৰসংগত উল্লেখযোগ্য।

(ক) ব্যক্তিক সম্মোহন কাৰ্য্যৰ পৰৱৰ্তী কালত তেওঁ যি ক্ৰিয়া আচৰণ প্ৰদৰ্শন কৰে সি অচেতন মনৰ প্ৰভাৱৰ পৰিচায়ক।

(খ) সপোনৰ অভিজ্ঞতা লিপিবদ্ধকৰণ আৰু তাৰ মনোবৈজ্ঞানিক ব্যাখ্যা প্ৰদানে অচেতন মনৰ ক্ৰিযা-কলাপৰ আভাস দিয়ে।

(গ) টোপনিত চিঞৰি উঠা আৰু নিদ্ৰা অৱস্থাত ভ্ৰমণ কৰা কাৰ্য্যই ব্যক্তিৰ অচেতন মনৰ ক্ৰিয়া আচৰণৰ প্ৰমাণ দিয়ে।

(ঘ) মনৰ অলসভাৰ অৱস্থাত হঠাতেই কোনো কথা বা ধাৰণা মনলৈ অহা, অতীতৰ অভিজ্ঞতাৰ স্মৃতি পুনৰুদ্ধাৰ কৰা আৰু বাস্তৱত সমাধান কৰিব নোৱাৰা কথা সপোনৰ যোগে সমাধান কৰিব পৰা কাৰ্য্যই অচেতন মনৰ ইংগিত দিযে।

(ঙ) আমাৰ দৈনন্দিন জীৱনত সচৰাচৰ কৰি অহা লিখনিৰ ভুল-ভ্ৰান্তি, ভুলকৈ নকব লগা কথা মুখত ওলাই পৰা, নিজৰ লগতে থকা বস্তু হাবাথুৰি খাই বিচাৰি ফুৰা আদি অভিজ্ঞতাসমূহে অচেতন মনৰ প্ৰভাৱ স্পষ্ট কৰি তোলে।

(চ) ফ্ৰয়েদৰদ্বাৰা মনোবিশ্লেষণ পদ্ধতিৰে কৰা মানসিক ৰোগৰ চিকিৎসাই সফলতাৰে আৰোগ্য লাভ কৰি উঠিব পাৰিছে। এই কথাই প্ৰমাণ কৰে যে তেওঁ অচেতন মন সম্বন্ধে কৰা ধাৰণা বাস্তৱভিত্তিক।

(৩) অৱদমন তত্ত্ব (Theory of repression): মনোবিশ্লেষণ চিন্তাধাৰাৰ এক মৌলিক অৱদান হৈছে অৱদমন তত্ত্ব। ইয়াৰ ওপৰত

ভিত্তি কৰি মনোবিশ্লেষণৰ তাত্বিক আৰু ব্যৱহাৰিক দিশ গঢ়ি উঠিছে। ফ্ৰয়েদৰ নিজৰ ভাষাত কবলৈ গ'লে, "অৱদমন তত্বই হৈছে লাইখুটা যাৰ ওপৰত মনোবিশ্লেষণৰ অট্টালিকা গঢ়ি উঠিছে।" (The theory of repression is the main pillar upon which rests the edifice of psycho-analysis)। আমাৰ যৌন শক্তি আৰু যৌন কামনাক জীৱনী-শক্তি বা 'Libido' বা 'Life force' স্বৰূপে গণ্য কৰা হৈছে। এই জীৱনী-শক্তি স্বৰূপ যৌন কামনাক আমি জীৱনৰ বাস্তৱতাত তাৰ মৌলিক ৰূপত পূৰণ কৰিব অথবা চৰিতাৰ্থ কৰিব নোৱাৰো। কাৰণ আমাৰ সামাজিক জীৱনত সভ্যতাৰ খাতিৰত কেতবোৰ সাংস্কৃতিক, ধৰ্মীয় তথা অনুশাসনমূলক বাধা-নিষেধ মানি চলিব লাগে। সেইবাবে আমি মনৰ সচেতন অৱস্থাত এই যৌন কামনা তাৰ পাশৱিক ৰূপত পূৰণ কৰিব নোৱাৰো, আৰু তাৰ বাবে আমি লজ্জা অনুভৱ কৰো। মনৰ এনে যৌন কামনাৰ অশুভ (সামাজিক বিবেচনাৰে) ইচ্ছা সেযেহে অচেতন মনলৈ ঠেলি দিয়া হয় আৰু তাৰ যোগেদি সচেতন মনক সমস্যামুক্ত কৰি ৰখা হয়। মনৰ এনে ঐচ্ছিক আৰু উদ্দেশ্যপ্ৰণোদিত গোপন কাৰ্য্যকেই অৱদমন বোলা হয়। এই অৱদমনৰ যোগেদি আমাৰ জীৱনৰ সকলোবোৰ অশুভ, দুখদায়ক, ব্যৰ্থতামূলক আৰু সমাজৰ অনুমোদন নথকা ইচ্ছা-আগ্ৰহ আৰু অভিজ্ঞতা আদি অচেতন মনৰ গোপন কক্ষত সঞ্চিত কৰা হয়। ফ্ৰয়েদৰ মতে আমাৰ মনৰ অৱদমিত উপাদানসমূহ 'লিবিডো' বা যৌন কামনাৰপৰাই মূলতে উদ্ভৱ হয়। এই অৱদমন প্ৰক্ৰিয়াই সচেতন মনৰ প্ৰতিৰক্ষা ব্যৱস্থা স্বৰূপে কাম কৰে। কাৰণ ই আমাৰ সচেতন মনক এই অবৈধ আৰু অনুচিত উপাদানবোৰৰ অনুপ্ৰবেশৰপৰা ৰক্ষা কৰে।

(৪) লিবিডো আৰু বিভিন্ন মানসিক জটিলতা (Libido and various complexes): ফ্ৰয়েদে মনোবিশ্লেষণৰ সমগ্ৰ বিষয়টো মানুহৰ কাম-শক্তি বা যৌন শক্তিৰ অবদমিত প্ৰভাৱ স্বৰূপে

বিবেচনা কৰে। তেওঁৰ মতে মানুহৰ সকলো ক্ৰিয়া আচৰণ এক যৌন-প্ৰেৰণাৰদ্বাৰা ব্যাপকভাৱে প্ৰভাৱিত হয়। লিবিডো বা এই কাম-শক্তি হৈছে এক ব্যাপক পৰিসৰৰ ধাৰণা যাৰদ্বাৰা বিপৰীত লিংগৰ প্ৰতি আমাৰ আসক্তি ভাবকে ধৰি সকলো ধৰণৰ ভালপোৱা বা প্ৰেমভাৱ ইয়াৰ অন্তৰ্ভুক্ত কৰিব পাৰি। এই কাম-শক্তিয়েই হৈছে আমাৰ প্ৰাণ-শক্তি (life-force) স্বৰূপ। আমাৰ দৈহিক বিকাশৰ লগে লগে পৰিবেশৰ প্ৰভাৱত এই কাম-শক্তিয়ে বিভিন্ন জটিলতাৰ ৰূপ ধাৰণ কৰিব পাৰে। আমাৰ সামাজিক আৰু সাংস্কৃতিক পৰিবেশত পোৱা বাধাগ্ৰস্ততাৰ বাবে এই কাম-শক্তিয়ে কেতবোৰ অসুস্থ মনোগ্ৰন্থিৰ (complex) সৃষ্টি কৰে। সমাজৰ পাৰিবাৰিক জীৱনত সাধাৰণতে পিতৃ-মাতৃ-পুত্ৰৰ যৌন-পৰিস্থিতিয়ে মনত পিতৃ-কাম (Oedipus complex) আৰু মাতৃ-কাম (Electra complex) ভাবৰ সৃষ্টি কৰে। এনে ভাব লিবিডোৰপৰাই সৃষ্টি হোৱা মানসিক জটিলতা মাথোন। ইয়াৰ ফলত এটা ল'ৰাৰ বাবে মাতৃৰ প্ৰতি মনোভাৱ ভালপোৱাত পৰিণত হয় আৰু পিতৃৰ প্ৰতি মনোভাৱ ঘৃণাত পৰিণত হয়। সেইদৰে এজনী ছোৱালীৰো পিতৃৰ প্ৰতি আসক্তিৰ ভাব আৰু মাতৃৰ প্ৰতি বিৰক্তিৰ ভাবত পৰিণত হয়। শৈশৱ কালত দেখা দিয়া শিশুৰ আত্ম-কাম ভাবও (Narcissism) লিবিডোৰ পৰিণতি স্বৰূপ বুলি কোৱা হয়। লিবিডোৰ পৰা সৃষ্টি হোৱা আন দুটা অসুস্থ ভাবৰ মনোগ্ৰন্থি হৈছে ধৰ্ষ-কাম বা পৰ-পীড়ন ৰতি (Sadism) আৰু মৰ্ষ-কাম বা আত্ম-পীডন ৰতি (Massocism)।

(৫) **শৈশৱৰ যৌনতা (Infantile sexuality):** শিশুৰ নিচেই চালুকীয়া অৱস্থাৰপৰা যৌন জীৱন তাৰ নিজস্ব ৰূপত উপ-ভোগ কৰাৰ কথা ফ্ৰয়েডে প্ৰকাশ কৰে। কেৱল যৌৱনপ্ৰাপ্ত হলেহে ব্যক্তিয়ে যৌন উত্তেজনা অনুভৱ কৰা বুলি থকা পুৰণি ধাৰণা অগ্ৰাহ্য কৰা হয়। ফ্ৰয়েদৰ মতে শিশুৰ যৌন প্ৰবৃত্তি আৰু এই সম্বন্ধীয় অভিজ্ঞতা প্ৰথমৰপৰাই থাকে। কেতবোৰ প্ৰধান পৰিৱৰ্তনৰ পৰ্য্যায়

অতিক্ৰম কৰাৰ পাচতহে প্ৰাপ্তবয়স্ক কালত ব্যক্তিৰ পৰিচিত স্বাভাবিক যৌন জীৱন পাবগৈ পৰা যায়। শিশুৱে লাভ কৰা যৌন-তৃপ্তিৰ ধৰণো বয়সস্থ সকলতকৈ পৃথক। দেহৰ তিনিটা যৌন অঞ্চলত শিশুৱে যৌন-সম্ভোগ লাভ কৰাৰ কথা ফ্ৰয়েদে আঙুলিয়াই দিয়ে। এই কেইটা হৈছে—মৌখিক অঞ্চল, গুহ্যদ্বাৰ অঞ্চল আৰু যৌনাংগ অঞ্চল (oral, anal and sex zone)। মুখৰপৰা পোৱা যৌন-তৃপ্তিৰ ভিতৰত কোনো বস্তুৰ স্পৰ্শ অনুভূতি মুখৰ ভিতৰত লাভ কৰা আৰু তাক কামোৰা কাৰ্য্য উল্লেখযোগ্য। এইক্ষেত্ৰত মাতৃৰ স্তনপান কাৰ্য্যই শিশুক যৌন-তৃপ্তি দিয়ে। গুহ্যদ্বাৰৰ যোগেদিও দেহৰ অপ্ৰয়োজনীয় পদাৰ্থ পাযখানা আকাৰে নিৰ্গত কৰিবৰ বেলিকা যি বলপ্ৰযোগ কৰা হয় তাৰ ফলত গুহ্যদ্বাৰ অঞ্চলত যৌন উত্তেজনা অনুভূত হয়। যৌনাংগৰ যোগেদিও মূত্ৰ ত্যাগ কৰা আৰু যৌনাংগ স্পৰ্শ কৰা কাৰ্য্যই যৌন-তৃপ্তি প্ৰদান কৰে। নিজ দেহৰ এই যৌন অঞ্চলবোৰৰ স্পৰ্শ অনুভূতি আৰু উত্তেজনাই শিশুক যৌন সম্ভোগ প্ৰদান কৰা বাবে তাৰ যৌন জীৱনক আত্ম-কাম (Narcissism) বুলি কোৱা হয়। এনে অৱস্থাৰ পৰ্য্যায শিশুৰ পাঁচ বছৰ বযসলৈকে থাকে। ছবছৰৰপৰা বাৰ বছৰলৈকে শিশুৰ যৌন জীৱনক গুপ্ত পৰ্য্যায় (latency period) বুলিব পাৰি। এই সময়ছোৱাত শিশুৱে নিজ সম-লিংগৰ ব্যক্তিৰ প্ৰতি অধিক আগ্ৰহ আৰু আকৃষ্ট ভাব প্ৰদৰ্শন কৰে। সেইবাবে ফ্ৰয়েদে ইযাক সমকামিতাৰ পৰ্য্যায (homo-sexuality) স্বৰূপে বৰ্ণনা কৰে।

(৬) অচেতন মনৰ অভিপ্ৰায় (Unconscious motives): ফ্ৰয়েদে অনুভৱ কৰি উঠে যে বিস্মৃতি আকাৰে অচেতন মনত অৱদমিত কৰি ৰখা স্মৃতি উপাদানবোৰৰ একো একোটা অন্তৰ্নিহিত অভিপ্ৰায় থাকে যি ব্যক্তিৰ বাস্তৱ ক্ষেত্ৰত পূৰণ হৈ নুঠে। সচেতন মনৰপৰা বিস্মৃত কৰি ৰখা ব্যৰ্থ কাম এই অভিজ্ঞতাবোৰৰ ইচ্ছা, আগ্ৰহ আৰু প্ৰয়োজনবোৰৰ প্ৰভাৱ অচেতন মনতো সক্ৰিয় অৱস্থাত থাকে।

সেইবাবে সময় আৰু সুযোগ পালে এই অচেতন মনৰ ইচ্ছা আৰু অভিপ্ৰায়বোৰে আমাৰ সচেতন মনৰ ক্ৰিয়া আচৰণৰ মাজেদি আত্ম-প্ৰকাশ কৰে। উদাহৰণ স্বৰূপে আনক দিবলগীয়া ধাৰৰ টকা আমি দিবলৈ পাহৰো, আনৰপৰা পঢ়িবলৈ অনা ভাল কিতাপ ঘূৰাই দিবলৈ পাহৰো। এনে পাহৰণিৰ অন্তৰালত অচেতন মনৰ ইচ্ছা, আগ্ৰহ আৰু অভিপ্ৰায়ৰ প্ৰভাৱ স্পষ্ট। আমাৰ দৈনন্দিন জীৱনত কৰা নানা ধৰণৰ অপ্ৰত্যাশিত ভুল-ভ্ৰান্তি আৰু অনুচিত ক্ৰিয়া আদি এই অচেতন মনৰ অভিপ্ৰায়ৰদ্বাৰা মূলতে প্ৰভাৱিত হয়। ফ্ৰয়েদে Psycho-pathology of Every day Life (১৯০৪) নামৰ গ্ৰন্থত এনে বহুতো বাস্তৱ উদাহৰণ আৰু তেওঁৰ নিজ জীৱনত ঘটা অভিজ্ঞতাৰে নিৰ্ভৰযোগ্য দৃষ্টান্ত দাঙি ধৰে। জিভাৰ পিচল খোৱা বা নকব লগা কথা অকস্মাত মুখত ওলাই পৰা, বস্তু হেৰুওৱা আৰু ভঙা আদি অস্বাভাৱিক কাৰ্য্যক অচেতন অভিপ্ৰায় বুলি কব পাৰি যদিও এনে অভিপ্ৰায় ব্যক্তিৰ বাবে জ্ঞাত অৱস্থাত নাথাকে।* অচেতন মনৰ অভিপ্ৰায় সম্বন্ধে প্ৰদান কৰা ফ্ৰয়েদৰ এই দৃষ্টিভংগীয়ে তেওঁৰ চিন্তাৰ মৌলিকতাৰ পৰিচয় দিয়ে।

(৭) **ব্যক্তিত্ব সংগঠনত ইড্, অহম্ আৰু পৰমহম্ (Id, Ego and Super-ego in organisation) :** মনোবিশ্লেষণত ফ্ৰয়েদে আগবঢ়োৱা বিভিন্ন চিন্তাধাৰাৰ ভিতৰত ব্যক্তিত্ব সংগঠনকাৰী স্বৰূপ ইড্, অহম্ আৰু পৰমহম্ এই তিনিবিধ মানসিক শক্তিৰ প্ৰভাৱ বিশেষ মন কৰিবলগীয়া। ব্যক্তিৰ মানসিক জগতৰ সংগঠন, ক্ৰিয়া-কলাপ আৰু আচৰণ এই তিনি স্তৰীয় মানসিক প্ৰক্ৰিয়াৰ ওপৰত নিৰ্ভৰশীল বুলি কোৱা হয়। মনোবিশ্লেষণত এই ধাৰণাৰ নতুনত্বৰ প্ৰতি লক্ষ্য ৰাখি ফ্ৰয়েদীয় মনোবিজ্ঞানৰ ই 'New Testament' স্বৰূপে অভিহিত কৰা হয়।

---

* *R. S. Woodworth Contemporary Schools of Psychology Page 263. Methuen & Co Ltd London EC 4 Edition 1965.*

ইড্ হৈছে ব্যক্তিৰ এক প্ৰবৃত্তিমূলক প্ৰেৰণা বা প্ৰৱণতা যি সুখানুসন্ধান নীতি বা সুখ-সিদ্ধান্তৰ (pleasure principle) ওপৰত প্ৰতিষ্ঠিত। ইয়াৰ মূল লক্ষ্য, উদ্দেশ্য হৈছে দৈহিক প্ৰবৃত্তিমূলক সুখ লাভ কৰা আৰু দুখ পৰিহাৰ কৰা। দৈহিক সুখ-সম্ভোগমুখী ইডৰ মানসিক উপাদানবোৰ হয় স্বাভাৱিকতেই অনিয়ন্ত্ৰিত, বিশৃংখল আৰু বাস্তৱ বিবৰ্জিত বিধৰ। ই যুক্তি-অযুক্তিকতা আৰু উচিত-অনুচিতৰ বিচাৰ-বিবেচনা কৰিব নোৱাৰে। ইয়াত মানুহৰ দেহ-মনৰ মৌলিক প্ৰয়োজন, ইচ্ছা, কামনা-বাসনা আদি অন্তৰ্নিহিত হৈ থাকে। এনেবোৰ বৈশিষ্ট্যৰ বাবে ইড্ সদায় অচেতন মনৰ পৰ্য্যায়ত থাকে আৰু ব্যক্তিৰ সকলো প্ৰবৃত্তিমূলক প্ৰেৰণা আৰু শক্তিৰ ইন্ধন যোগায।

অহম্ হৈছে ব্যক্তিমনৰ এক জটিল মনোবৈজ্ঞানিক সংগঠন প্ৰক্ৰিয়া। ইডৰ সুখানুভূতি আৰু বাস্তৱ জগতৰ পৰিস্থিতিৰ মাজত ই এক মধ্যস্থতাকাৰী শক্তি স্বৰূপে কাম কৰে।* ব্যক্তি মনৰ প্ৰবৃত্তিমূলক আৰু সুখসন্ধানী সকলোবোৰ ইচ্ছা আৰু প্ৰযোজন বাস্তৱ পৰিস্থিতিৰ প্ৰতিকূল অৱস্থাৰ বাবে পূৰণ কৰাটো সম্ভৱ নহয়। সেইবাবে ইডৰ প্ৰয়োজনবোৰ পৰিস্থিতি সাপেক্ষে যি পৰিমাণে বাস্তৱত পূৰণ কৰাটো সম্ভৱপৰ হয় তাক গ্ৰহণ কৰাত আৰু যিবোৰ পূৰণ কৰাটো সম্ভৱপৰ নহয় তাক পৰিহাৰ কৰাত ই সহায় কৰে। ব্যক্তি মনৰ অহম্ সেইবাবে বাস্তৱতা নীতিৰ (Reality principle) ওপৰত প্ৰতিষ্ঠিত। এই বাস্তৱতাৰ অৰ্থ হৈছে যি পাব পৰা যায় অথবা বাস্তৱত যিটো সম্ভৱ হৈ উঠিব পাৰে তাকহে গ্ৰহণ কৰা।

ব্যক্তিমনৰ তৃতীয় মানসিক দিশ হৈছে পৰম অহম্। যি আমাৰ নৈতিক আৰু ন্যায়িক আদৰ্শৰদ্বাৰা প্ৰভাৱিত। ই আমাৰ মনৰ আত্মিক দিশৰ প্ৰতিনিধিত্ব কৰে। সেইবাবে সুখ-সন্ধান অথবা বাস্তৱতা নীতিৰ পৰিৱৰ্তে এই পৰমহম্ নৈতিকতা নীতিৰ-(Morality

---

* *Calvin S Hall: A Primer of Freudian Psychology* Page 30 *A Mentor Book. New York 22 Third Printing, 1957*

principle) দ্বাৰাহে পৰিচালিত হয়। ব্যক্তি মনৰ পাপ-পুণ্য, ন্যায়-অন্যায়, উচিত-অনুচিত আদিৰ এই নৈতিক চেতনাই তেওঁৰ আচৰণ অধিক পূৰ্ণতাৰ (perfection) ফালে ঢাল খুৱাব পাৰে। শৈশৱ কালত শিশুৱে পৰনিৰ্ভৰশীল অৱস্থাত থকা কালত মাক-দেউতাকক সি এক নৈতিক কৰ্তৃপক্ষ স্বৰূপে মানি চলে। এনে অৱস্থাত তাৰ মন আৰু আচৰণ এই পৰমহম ভাবৰদ্বাৰা পৰিচালিত হয়। এজন আইন অমান্যকাৰী আৰু অপৰাধ-প্ৰৱণ মনৰ লোকক এই পৰমহম্ ভাবে সমাজৰ আইন শৃংখলাৰ অনুবৰ্তী কৰি তুলিব পাৰে।

এই প্ৰসংগত উল্লেখযোগ্য যে ইড্, অহম্ আৰু পৰমহম্ৰ মাজত পৃথকভাৱে তেনে কোনো স্পষ্ট আৰু নিৰ্দিষ্ট সীমা-ৰেখা টানিব পৰা নাযায়। ব্যক্তিৰ জটিল মানসিক সংগঠন প্ৰক্ৰিয়াক এই তিনিটা অস্তিত্ব আৰু তাৰ নামকৰণেৰে বৰ্ণনা কৰিবলৈ চেষ্টা কৰা হৈছে। এজন লোকৰ সুস্থ আৰু সুন্দৰ ব্যক্তিত্ব গঢ় লৈ উঠিবৰ বাবে এই তিনিবিধ মানসিক প্ৰক্ৰিয়াৰ মাজত সুস্থ সম্বন্ধ, সমন্বয় আৰু সহ-যোগিতাৰ প্ৰযোজন। ইযাৰ মাজত পৰস্পৰ বিৰোধিতা আৰু অসহ-যোগিতাৰ ভাব সৃষ্টি হ'লে ব্যক্তিত্বৰ অপসমাযোজন আৰু বিসংগতিয়ে দেখা দিযে।

মনোবিশ্লেষণৰ সমালোচনা (Criticism of Psycho-analysis) ঃ

ফ্ৰয়েদক বৰ্তমান শতিকাৰ নিঃসন্দেহে এজন মৌলিক চিন্তাশীল ব্যক্তি স্বৰূপে গণ্য কৰিব পাৰি। মানৱতাৰ গভীৰ উপলব্ধিৰে তেওঁ আছিল প্ৰকৃত অৰ্থত সমাজ বিজ্ঞানৰ এজন মহান দাৰ্শনিক। এই কথাৰ সত্যতা অনুভৱ কৰিব পাৰি যেতিযা মনোবিজ্ঞানৰপৰা তেওঁৰ চিন্তাধাৰা ক্ৰমান্বযে পৰৱৰ্তী কালত সাহিত্য-সংস্কৃতি আৰু মানৱ সভ্যতাৰ প্ৰতি ঢাল খায। প্ৰকৃতপক্ষে মনৰ অভিৰুচি, অভিক্ষমতা আৰু বৌদ্ধিক প্ৰৱণতাৰ ফালৰপৰা তেওঁ এজন কেৱল মানসিক ৰোগৰ চিকিৎসকেই মাথোন নাছিল। তেওঁৰ পৰিস্থিতিয়েহে তেনে

কৰিবলৈ তেওঁক বাধ্য কৰাইছিল। ফ্ৰয়েদে নিজেই স্বীকাৰ কৰি গৈছে যে তেওঁ জীৱনৰ মূল উদ্দেশ্যৰপৰা বিচ্যুত হৈ বাধ্য-বাধকতাত পৰিহে এজন চিকিৎসক হ'ব লগা হৈছিল।

মনোবিশ্লেষণৰ প্ৰতি ফ্ৰয়েদৰ সকলোতকৈ মূল্যবান অৱদান হৈছে তেওঁ আগবঢোৱা মানৱ মনৰ গতিশীলতাৰ দৃষ্টিভংগী। এই গতিশীলতাৰ ধাৰণাই মনোবিজ্ঞানৰ সচেতন মন সম্বন্ধে পূৰ্বৰ গতানুগতিক চিন্তাধাৰাৰ ওপৰত এক আঘাত হানে। কাৰণ তেতিয়ালৈকে মনোবৈজ্ঞানিকসকলৰ বাবে সচেতন মনৰ চিন্তাধাৰাই প্ৰাধান্য লাভ কৰি আহিছিল। অৱশ্যে ইয়াৰ বাবে তেওঁ যথেষ্ট সমালোচনাৰো সম্মুখীন হ'ব লগা হৈছিল।

তেওঁৰ মনোবিশ্লেষণ সম্বন্ধীয় সকলো তত্ব আৰু তাৰ কাৰ্য্যকৰী পদ্ধতিসমূহকে মানৱ মনৰ সম্বন্ধে নতুন জ্ঞান অনুসন্ধানৰ এক ব্যাপক পৰিসৰৰ আঁচনি বুলি অভিহিত কৰিব পাৰি। তেওঁৰ নিজ চিন্তা আৰু ক্ৰিয়া পদ্ধতিৰ ওপৰত গভীৰ আস্থা আছিল আৰু সেই হেতুকে ক্ৰিয়াৰ জটিলতা আৰু বিলম্বতাই তেওঁক বিচলিত কৰিব পৰা নাছিল। তেওঁ প্ৰয়োজন হলে নিজ চিন্তা আৰু ক্ৰিয়া পদ্ধতি সংশোধন বা পৰিৱৰ্তন কৰিবলৈকো কুণ্ঠাবোধ কৰা নাছিল।

ফ্ৰয়েদে শিশুৰ শৈশৱ কালৰ ওপৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছিল এইবাবেই যে ব্যক্তি মনৰ অৱদমন আৰু মানসিক জটিলতাৰ এই সময়ছোৱাতে সূত্ৰপাত হয়। মানসিক ৰোগীৰ চিকিৎসাৰ ক্ষেত্ৰত ব্যক্তিৰ বৰ্তমানৰ অৱস্থাতকৈও তেওঁৰ অতীত অভিজ্ঞতাৰ তাৎপৰ্য্যপূৰ্ণ ঘটনাৰ স্মৃতি প্ৰতিৰূপ অধ্যয়ন কৰাৰ ওপৰতহে তেওঁ অধিক গুৰুত্ব আৰোপ কৰিছিল। তথাকথিত অজ্ঞ আৰু সবল শিশু ফ্ৰয়েদৰ মতে সকলোবোৰ মানসিক জটিলতাৰেই অধিকাৰী। শৈশৱৰ যৌনতা সম্বন্ধীয় ধাৰণা আৰু তাৰ ফলত সৃষ্টি হোৱা মানসিক

• *Calvin S Hall. A Primer of Freudian Psychology Page 18 A Mentor Book Third Printing, 1957*

জটিলতাৰ দৃষ্টিভংগীয়ে সেই সময়ৰ গতানুগতিক চিন্তাধাৰাৰ ওপৰত কুঠাৰাঘাত কৰে। ইয়াৰ ফলত বৰ্তমান যৌন সম্বন্ধীয় এক নতুন দৃষ্টিভংগীৰ সৃষ্টি হয়।

ফ্ৰয়েদৰ মনোবিশ্লেষণৰ তাত্বিক আৰু ব্যৱহাৰিক দিশৰ উল্লেখযোগ্য বিশেষতা এয়ে যে তেওঁ মানুহৰ যৌনতাৰ দিশত অত্যাধিক গুৰুত্ব আৰোপ কৰিছিল। ইয়াক মাধ্যম স্বৰূপে লৈ অচেতন মনৰ সমগ্ৰ প্ৰক্ৰিয়াৰ ব্যাখ্যা দাঙি ধৰিছিল। যৌনতা আৰু যৌন সম্বন্ধীয় বিষয়ৰ ক্ষেত্ৰত মতামত প্ৰকাশ কৰাৰ বেলিকা তেওঁ এক ৰোমাণ্টিক স্বাধীনতা গ্ৰহণ কৰিছিল। তেওঁ সাহসেৰে মত প্ৰকাশ কৰিছিল— "সৰ্বসাধাৰণ লোক যৌন সম্বন্ধীয় বিষয়ৰ ক্ষেত্ৰত মুকলি মনৰ নহয়। তেওঁলোকে নিজ যৌনতা মুকলিভাৱে প্ৰকাশ নকৰি আত্মগোপন কৰে। কিন্তু তাকেই কৰিবলৈ যাওঁতে মিছা কথাৰে ৰচিত বা নিৰ্মিত এটা গধুৰ 'অ'ভাৰ কোট' পৰিধান কৰে, যেন তাৰদ্বাৰা যৌন জীৱনৰ অসুস্থ পৰিবেশৰপৰা নিজকে ৰক্ষা কৰিব পাৰে।" ('People are not candid over sex matters. They do not show their sexuality freely, but to conceal it, they wear heavy overcoat woven of a tissue of lies, as though the weather was bad in the world of sexuality"—Freud)

যৌন সম্বন্ধে ফ্ৰয়েদৰ এনে প্ৰত্যাহ্বানমূলক মনোভাৱৰ বাবে ফ্ৰয়েদৰ সমালোচকসকলো তেওঁৰ প্ৰতি সিমানেই বিদ্ৰোপাত্মক আৰু কঠোৰ মনোভাৱৰ হোৱা দেখা যায়। এই সমালোচকসকলে মন্তব্য দিয়ে যে তেওঁ মানসিক ৰোগীৰ লগত দীৰ্ঘ দিন চিকিৎসা কৰি ব্যক্তিগত ভাৱে লাভ কৰা কেতবোৰ অভিজ্ঞতাৰপৰা নিজস্বভাৱে অনুমান আৰু অন্তঃপ্ৰেক্ষণ কৰি কেতবোৰ মতামত প্ৰদান কৰিছিল। সেইবাবে এই সমূহ সৰ্বসাধাৰণ আৰু স্বাভাৱিক মানুহৰ বাবে সেইদৰে প্ৰযোজ্য হৈ উঠিব নোৱাৰে। ফ্ৰয়েদে মনোবিজ্ঞানত আত্ম-অনুমানৰ প্ৰয়োগ

কৰি সেয়েহে ভুল কৰিছিল। ইয়াৰ ওপৰত ভিত্তি কৰি তেওঁ কেতবোৰ ধাৰণা গঢ় দি তুলিছিল যাৰ বিজ্ঞানসম্মত অথবা তেনে কোনো বাস্তৱ ভিত্তি নাছিল। মনোবিজ্ঞানৰ ধাৰণা সেয়েহে বাস্তৱ ক্ষেত্ৰত ভিত্তিহীন। ফ্ৰয়েদৰ ৪০ বছৰীয়া দীৰ্ঘদিনীয়া মানসিক চিকিৎসকৰ জীৱনত পোৱা অস্বাভাৱিক মনৰ লোকৰ অসুস্থ আচৰণৰপৰা ইয়াক গঢ় দি তোলা হৈছে।

অৱশ্যে এনে কঠোৰ সমালোচনা সত্বেও মনোবিশ্লেষণৰ ধাৰণাই বৰ্তমান মনোবিজ্ঞানৰ এক নতুন আৰু সম্ভাৱনাপূৰ্ণ চিন্তাধাৰা স্বৰূপে স্বীকৃত আৰু পৰিগণিত হৈ উঠিছে। তেওঁৰ এই চিন্তাধাৰাই বৰ্তমান সমাজ-বিজ্ঞান আৰু শিক্ষা-মনোবিজ্ঞানত দৰ্শনীয় প্ৰভাৱ পেলাবলৈ সক্ষম হৈছে।

আধুনিক শিক্ষাত মনোবিশ্লেষণৰ প্ৰভাৱ (Impact of Psycho-analysis on modern education) :

আধুনিক শিক্ষাৰ নীতি আৰু পদ্ধতিত মনোবিশ্লেষণৰ চিন্তাধাৰাই এক ব্যাপক প্ৰভাৱ পেলাইছে। ছাত্ৰ-ছাত্ৰীসকলৰ অচেতন মনৰ অৱদমিত উপাদানসমূহে তেওঁলোকৰ সচেতন মনৰ শিক্ষা গ্ৰহণ ক্ৰিয়া আৰু এই সম্বন্ধীয় আচৰণ প্ৰভাৱিত আৰু পৰিচালিত কৰে। ইয়াৰ স্বৰূপ জানি উঠাটো শিক্ষকৰ বাবে অতি প্ৰয়োজন। ছাত্ৰৰ মন অধ্যয়নকাৰী শিক্ষকে তেওঁলোকৰ মন প্ৰয়োজন মতে বিশ্লেষণকাৰীৰ ভূমিকাও গ্ৰহণ কৰিব পাৰিব লাগে। এই প্ৰসংগত মনোবিশ্লেষণৰ নতুন চিন্তাধাৰাই প্ৰভাৱিত কৰি তোলা শিক্ষাৰ বিভিন্ন দিশৰ এটি চমু আলোচনা তলত দাঙি ধৰা হৈছে।

(১) স্বাধীনতাৰ নীতি (Principle of freedom) : আধুনিক শিক্ষাত এই কথা বহুলভাবে অনুভৱ কৰি উঠা হৈছে যে শিশুক তাৰ সুস্থ বিকাশৰ বাবে দমন, পীড়ণ আৰু দৈহিক শাস্তি প্ৰদানৰ পথ পৰিহাৰ কৰি মুক্ত আত্ম-প্ৰকাশ আৰু আত্ম-উপলব্ধিৰ পথ গ্ৰহণ

কৰিব লাগে। ইয়াৰ বাবে শিক্ষাত স্বাধীনতা আৰু শিশুৰ আত্ম-অনুশাসনৰ কাৰ্য্যকৰী ব্যৱস্থা সাধাৰণভাৱে গ্ৰহণ কৰি উঠা হৈছে। বৰ্তমানৰ সকলোবোৰ নতুন নতুন শিশু-শিক্ষা আঁচনিতে শিশু-স্বাধীনতা শিক্ষা দানৰ কাৰ্য্যকৰী ব্যৱস্থা স্বৰূপে তাৰ ব্যৱহাৰিক ৰূপদান কৰা হৈছে। পূৰ্বৰ শিক্ষাত থকা শিক্ষকৰ একনায়কত্ববাদী প্ৰভাৱ, প্ৰভুত্ব আৰু ব্যক্তিত্ব গুচাই তেওঁক এজন বন্ধু, দাৰ্শনিক আৰু ছাত্ৰ-সকলৰ পথ-প্ৰদৰ্শক স্বৰূপে গঢ় দি তোলা হৈছে। আধুনিক শিক্ষাত ছাত্ৰ, শিক্ষক আৰু শিক্ষা ব্যৱস্থাৰ প্ৰতি দৃষ্টিভংগীৰ এই গ্ৰহণযোগ্য পৰিৱৰ্তন ফ্ৰয়েদৰ মনোবিশ্লেষণৰ চিন্তাধাৰাৰ পৰিণতি বুলিব পাৰি।

(২) **শৈশৱৰ অৱদমন মুক্ততা** (Freedom from early repression): মনোবিশ্লেষণৰ কাৰ্য্যকৰী ব্যৱস্থাত ফ্ৰয়েদে এই কথা লক্ষ্য কৰি উঠে যে প্ৰাপ্তবয়স্ক লোকৰ মানসিক ৰোগৰ কাৰণ হৈছে শৈশৱৰ অসুস্থ অৱদমনৰ প্ৰভাৱ। সেইবাবে তেওঁ অসুস্থ ব্যক্তিৰ শৈশৱৰ সুদূৰ অতীতৰ স্মৃতি প্ৰতিৰূপ উদ্ধাৰৰ চেষ্টা কৰিছিল। এই অভিজ্ঞতাৰ হেতুকে তেওঁ শৈশৱ কালত শিশুৰ সংবেদনশীল কোমল মন সকলোবোৰ অসুস্থ আৰু দুখদায়ক অভিজ্ঞতাৰ প্ৰভাৱৰ-পৰা মুক্ত কৰি ৰখাৰ ওপৰত বিশেষ গুৰুত্ব দিছিল। এই সময়ত কোনো ধৰণৰ অসুস্থ অভিজ্ঞতাৰ অৱদমনে শিশুৰ পৰৱৰ্তী কালৰ মানসিক জীৱন ক্ষতিগ্ৰস্ত আৰু ৰোগগ্ৰস্ত কৰি তোলে। এই কথাৰ প্ৰতি গুৰুত্ব আৰোপ কৰি বৰ্তমান শৈশৱৰ চালুকীয়া আৰু আলফুলীয়া মন অতি সযত্নে অৱদমন মুক্তভাৱে তাৰ স্বাভাৱিক ৰূপত গঢ় দি তোলাৰ প্ৰতি শিক্ষাবিদসকলে বিশেষ দৃষ্টি প্ৰদান কৰিছে। শিশু মনৰ প্ৰয়োজন তাৰ স্বাভাৱিক ৰূপত যথাসম্ভৱ পূৰণৰ বাবে মুক্ত ক্ৰীড়াময় পৰিবেশ শিশু-শিক্ষাৰ অনুষ্ঠানত সৃষ্টি কৰি তোলা হৈছে।

(৩) **শৈশৱৰ যৌন-জীৱনৰ ধাৰণা** (Concept of early sexuality): শিশুৰ যৌন-জীৱন সম্বন্ধে মনোবিশ্লেষণৰ নতুন ধাৰণাই শিশু-শিক্ষাৰ দিশত এক নতুন পোহৰ আৰু দৃষ্টি দান কৰে।

যৌন বিষয়ক এক বহুল পৰিসৰত বিবেচনা কৰাত ই শিক্ষক আৰু অভিভাৱকসকলক সহায় কৰে। এই সম্বন্ধে পূৰ্বৰ ধাৰণা সলনি কৰি তেওঁলোকে এক বিজ্ঞানসম্মত দৃষ্টিভংগী গ্ৰহণ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ প্ৰতি লক্ষ্য ৰাখি শিশু-শিক্ষাৰ ব্যৱস্থা পুনৰ সংগঠনৰ প্ৰয়োজনীয়তাও অনুভৱ কৰি উঠা হৈছে। শিশুৰ এই যৌন অনুভূতিয়ে তাৰ মানসিকতাত কেনে প্ৰভাৱ পেলাব পাৰে আৰু ইয়াৰ অৱদমনে কেনে মানসিক জটিলতাৰ সৃষ্টি কৰিব পাৰে সেই সম্বন্ধে শিক্ষক-অভিভাৱকসকলে নিজেই প্ৰয়োজনীয় অনুমান কৰি উঠিব পাৰে। শিশুৰ যৌন-জীৱন আৰু যৌন অভিজ্ঞতাৰ পৰিপ্ৰেক্ষিতত বৰ্তমান শিশুৰ বাবে যৌন শিক্ষাৰ প্ৰয়োজনীয়তাও ক্ৰমে অনুভৱ কৰি উঠা হৈছে।

(৪) অচেতন অভিপ্ৰায় (Unconscious motives) : ছাত্ৰ-ছাত্ৰীৰ মনৰ অচেতন অভিপ্ৰায়বোৰৰ প্ৰভাৱ শিক্ষা প্ৰসংগত বিশেষ বিবেচনাযোগ্য। ছাত্ৰ-ছাত্ৰীৰ মনৰ অৱদমিত অচেতন অভিপ্ৰায়-বোৰে নানা বিধ সমাজবিৰোধী ক্ৰিয়া-কলাপৰ যোগেদি প্ৰকাশ লাভ কৰে। ছাত্ৰৰ চুৰ কৰা, ফাকি দিয়া, মিছা কথা কোৱা, অমনোযোগিতা, অবাধ্যতা, উচ্ছৃংখলতা, অপৰাধ প্ৰৱণতা আদি অশুভ আচৰণবোৰৰ মূল কাৰণ হৈছে অচেতন মনৰ অসুস্থ প্ৰভাৱ। এনেবোৰ আচৰণৰ স্বৰূপ আৰু তাৰ সম্ভাব্য কাৰণসমূহৰ বিষয়ে শিক্ষকে জানিবলৈ চেষ্টা কৰা উচিত। উল্লেখযোগ্য যে শিক্ষানুষ্ঠানে ছাত্ৰ-ছাত্ৰীৰ দেহ মানসিক প্ৰয়োজনবোৰ যথোচিতভাৱে পূৰণ কৰিব নোৱাৰিলে এনে অসুস্থ মনোভাৱৰ সৃষ্টি হ'ব পাৰে। স্কুলৰ অনাকৰ্ষণীয় শিক্ষা পৰিবেশ, দোষযুক্ত পাঠদান পদ্ধতি, অনিৰ্ভৰযোগ্য পৰীক্ষা ব্যৱস্থা, দমনমূলক অনুশাসন ব্যৱস্থা আৰু ছাত্ৰ-শিক্ষকৰ মাজৰ বুজাপৰাৰ অভাৱ আদি অৱস্থাই ইয়াৰ বাবে জগৰীয়া কৰিব পাৰি। মনোবিশ্লেষণৰ অধ্যয়ন শিক্ষকৰ বাবে এই ক্ষেত্ৰত বিশেষ সহায়ক হৈ উঠিব পাৰে।

(৫) দৈনন্দিন ক্ৰিয়াৰ ভুল-ভ্ৰান্তি (Mistakes of day to day activity) : স্কুলীয়া জীৱনৰ বিভিন্ন শৈক্ষিক ক্ৰিয়া-কলাপত ছাত্ৰই প্ৰদৰ্শন কৰা কেতবোৰ সৰু-সুৰা ভুল-ভ্ৰান্তিৰ সম্ভাব্য কাৰণ শিক্ষকে জানি উঠাটো মনোবিশ্লেষণৰ অধ্যয়নে সহায় কৰিব পাৰে। এনেবোৰ ভুল-ভ্ৰান্তি দেখাত ব্যক্তিৰ বাবে অনিচ্ছাকৃত আৰু আকস্মিক বিধৰ যেন লাগিলেও ইয়াৰ এক গভীৰ মনোবৈজ্ঞানিক তাৎপৰ্য্য আছে। এই ভুল-ভ্ৰান্তিবোৰৰ ভিতৰত ভুলকৈ শব্দ উচ্চাৰণ কৰা, ভুলকৈ লিখা, হাতৰ আখৰ বেয়া আৰু বিশৃংখল হোৱা, বাক-অক্ষমতা, পঠন-অক্ষমতা, সাজ-পোছাক পৰিধানৰ বিশৃংখলতা, ক্ৰিয়া আচৰণত পৰিপাটিতাৰ অভাৱ, অপ্ৰয়োজনীয় কথা, কাম আৰু বস্তু পাহৰা, বস্তু হেৰুৱা আৰু বস্তু ভঙা, হাতত থকা বস্তু হাবাথুৰি খাই বিচাৰি ফুৰা, নখ কামোৰা, সঘনে চকু টিপিওৱা আদি বিভিন্ন ধৰণৰ দৈহিক আচৰণৰ মুদ্ৰাদোষ আদি ক্ৰিয়া আচৰণ উল্লেখ কৰিব পাৰি। ছাত্ৰৰ মনৰ এনেবোৰ অসাৱধান আৰু অসংলগ্ন ক্ৰিয়াৰ মনোবিশ্লেষণমূলক তাৎপৰ্য্য থাকে আৰু তাক জানিবলৈ চেষ্টা কৰাটো শিক্ষকৰ বাবে প্ৰয়োজন। ইয়াৰ যোগেদি তেওঁ ছাত্ৰৰ মানসিক ৰোগৰ সম্ভাব্য লক্ষণসমূহ জানি উঠি তাৰ প্ৰয়োজন মতে তেওঁলোকক সহায় আৰু শৈক্ষিক নিৰ্দেশনা তেওঁৰ ফালৰপৰা আগবঢ়াব পাৰে।

(৬) ছাত্ৰ-শিক্ষকৰ সম্বন্ধৰ জটিলতা (Complexity of teacher-pupil relation) : ছাত্ৰ-শিক্ষকৰ মাজত সুস্থ সুন্দৰ আৰু বুজাপৰাৰ আন্তৰিকতাপূৰ্ণ সম্বন্ধ গঢ়ি তোলাটো আধুনিক শিক্ষাত শিক্ষকৰপৰা আশা কৰা হয়। কিন্তু এনে এটা আবেগ মধুৰ সম্বন্ধ গঢ়ি তোলাটো তেওঁৰ বাবে নিচেই সহজ কাম নহয়। এই প্ৰসংগত উল্লেখযোগ্য যে ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ ঘৰুৱা পৰিবেশত যি পিতৃকাম আৰু মাতৃকাম ভাবৰ মানসিক জটিলতা গঢ়ি তোলে সি স্কুলৰ শিক্ষা পৰিবেশতো প্ৰযোজ্য হ'ব পাৰে। ছাত্ৰৰ দৃষ্টিত এজন শিক্ষক পিতৃমাতৃৰ সমতুল্য। এজন পুৰুষ-শিক্ষকে

—১৯

বিশেষকৈ এই কথা মন কৰিব লাগে যে ঘৰুৱা পৰিবেশত পিতৃৰ প্ৰতি থকা সন্তানৰ ঘৃণা আৰু অসুস্থ মানসিকতা স্কুলত তেওঁৰ প্ৰতিও নিক্ষেপিত হ'ব পাৰে।* মনোবিশ্লেষণ আগবঢ়োৱা এনেধৰণৰ মূল্যবান দৃষ্টিকোণৰ বিবেচনা নকৰাকৈ শিক্ষক স্কুলত ছাত্ৰ-শিক্ষকৰ সম্বন্ধ উন্নত কৰি তোলাৰ আশা কৰিব নোৱাৰি।

(৭) **খেলাৰ প্ৰাধান্য** (Importance of play) : আধুনিক শিক্ষাত শিশুৰ খেলা-ধূলাৰ ওপৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰা হয়। ইয়াৰ প্ৰধান কাৰণ হৈছে খেলা শিশু-মনৰ ইড্ বা প্ৰবৃত্তিমূলক প্ৰৱণতাৰ সুখ-সন্ধান নীতিৰ ওপৰত প্ৰতিষ্ঠিত। খেলাৰ যোগেদি শিশুৱে নিজৰ জৈৱিক প্ৰৱণতা সমাজৰ গ্ৰহণযোগ্য পথেদি পূৰণ কৰিব পাৰে। খেলাই শিশুৰ অচেতন মনত সংঘটিত হোৱা অৱদমনৰ অসুস্থ আৰু অনিষ্টকাৰী প্ৰভাৱৰপৰা ৰক্ষা কৰিব পাৰে। এই প্ৰসংগত মনোবিশ্লেষণকাৰীসকলে প্ৰদান কৰা খেলাৰ বিৰেচন তত্ত্ব (Cathartic Theory) বিশেষ মন কৰিবলগীয়া। 'বিৰেচন' বা 'Catharsis' হৈছে চিকিৎসা বিজ্ঞানৰ শব্দ আৰু ইয়াৰ অৰ্থ হৈছে 'purging' বা অবাঞ্ছনীয় বস্তু বাহিৰ কৰি দি পৰিষ্কাৰ বা পৰিশোধন কৰা কাৰ্য্য। মনোবিজ্ঞানত ইয়াৰ অৰ্থ হৈছে মনৰ আৱৰ্জনা গুচাই মন পৰিষ্কাৰ কৰা। মনোবিশ্লেষণৰ দৃষ্টিকোণৰপৰা সেয়েহে কোৱা হয় যে খেলাই আমাৰ মনৰ অপূৰণ হৈ ৰোৱা আশা আকাংক্ষা আৰু প্ৰবৃত্তিবোৰৰ অসুস্থ প্ৰভাৱৰপৰা মনক ৰক্ষা কৰে। এনে বিজ্ঞান-ভিত্তিক তাৎপৰ্য্য আৰু প্ৰাধান্যৰ বাবেই খেলা বৰ্তমানৰ সকলোতকৈ জনপ্ৰিয় শিশু-শিক্ষাৰ মাধ্যম স্বৰূপে পৰিগণিত হৈ উঠিছে।

সবশেষত এই কথা ক'ব পাৰি যে আধুনিক শিক্ষাৰ নতুন চিন্তা-ধাৰা অধিক সমৃদ্ধিশালী কৰি তোলাত মনোবিশ্লেষণৰ অৱদান

* *James S Ross Groundwork of Educational Psychology Page 143 George G Harrap & Co Ltd London New Edition Reprinted 1955.*

অনস্বীকাৰ্য্য। শিক্ষকে তেওঁৰ সাৰ্থক শিক্ষাদানৰ বাবে শিক্ষাৰ্থীৰ মন জানিব লাগে আৰু এই মনক ভালদৰে জানি উঠিবৰ বাবে মনোবিশ্লেষণ হৈছে তেওঁৰ বাবে নিশ্চিত পথ।

অনুশীলন

(১) মনোবিশ্লেষণ বুলিলে কি বুজা? এই চিন্তাধাৰাৰ উৎপত্তি সম্বন্ধে সংক্ষেপে বৰ্ণনা কৰা।

(২) মনোবিশ্লেষণক অচেতন মনৰ বিজ্ঞান কিয় বোলা হয়? অচেতন মনৰ অৱস্থিতি আৰু ইয়াৰ ক্ৰিয়া-কলাপ সম্বন্ধে আমি কি দৰে জানিব পাৰো?

(৩) মনোবিশ্লেষণৰ চিন্তাধাৰাৰ প্ৰধান দৃষ্টিকোণসমূহৰ এটি চমু বৰ্ণনা দিয়া।

(৪) অৱদমন কাক বোলে? আমি কোনবোৰ উপাদান আৰু কিয় অৱদমন কৰো? মনোবিশ্লেষণত অৱদমনৰ গুৰুত্ব সম্বন্ধে আলোচনা কৰা।

(৫) অচেতন মনৰ অভিপ্ৰায় বুলিলে কি বুজা? শিক্ষাত ইয়াৰ তাৎপৰ্য্য সম্বন্ধে বহলাই আলোচনা কৰা।

(৬) ইড্, অহম্ আৰু পৰমহম্ কি? এজন লোকৰ ব্যক্তিত্ব গঠনত এই তিনিবিধ মানসিক শক্তিয়ে কিদৰে প্ৰভাৱ পেলায়?

(৭) মনোবিশ্লেষণে ব্যক্তিৰ যৌন-জীৱনৰ ওপৰত অধিক প্ৰাধান্য দিয়াৰ কাৰণ কি? শিশুৰ যৌন-জীৱন সম্বন্ধে ই কেনে দৃষ্টিভংগী গ্ৰহণ কৰিছে?

(৮) মনোবিশ্লেষণ কি? মনোবিজ্ঞানৰ এই চিন্তাধাৰা আমাৰ কি পৰিমানে গ্ৰহণযোগ্য আলোচনা কৰা।

(৯) মনোবিশ্লেষণৰ বিভিন্ন চিন্তাধাৰাই আধুনিক শিক্ষাৰ নীতি আৰু পদ্ধতি-সমূহ কি দৰে প্ৰভাৱিত কৰি তুলিছে আলোচনা কৰা।

(১০) চমুটোকা লিখা :

লিবিডো, অহম্, অৱদমন, অচেতন মনৰ অভিপ্ৰায়, শৈশৱৰ যৌনতা।

প্ৰসংগ গ্ৰন্থসমূহ

1. R S Woodworth Contemporary Schools of Psychology Chapter 9 Methuen & Co Ltd London EC 4 Edition 1965
2. James S Ross Groundwork of Educational Psychology Chapter 9 George G Harrap & Co Ltd London New Edition 1955
3. Sir John Adams Modern Developments in Educational Practice Chapter II University of London Press Ltd London. E C 4 Thirteenth Impression 1954
4. S P Chaubey : Some Foundations and Guidelines of Modern Education Chapter 5 Ram Prasad and Sons Agra 3 Second Revised and Enlarged Edition 19'5
5. C W Valentine : Psychology and it Bearing on Education Chapter 10 Methuen & Co Ltd London E C 4 Second Edition Reprinted 1963
6. S S Chauhan : Advanced Educational Psychology Chapter 2 Vikas Publishing House Pvt Ltd New Delhi First Edition Reprint 1979

—ঃ অন্ত ঃ—